# মঙ্গলদৈ মহাবিদ্যালয় সোণালী জয়ন্তী

স্মৃতিগ্ৰন্থ
২০০৩



# স্মৃতিগ্ৰন্থ

## সোণালী জয়ন্তী সমাৰোহ
## মঙলদৈ মহাবিদ্যালয়
## ২০০৩

মঙলদৈ মহাবিদ্যালয়
স্থাপিত ঃ ১৯৫১


ইদ্ৰিছ আলি
সভাপতি

শ্ৰীমতিৰাম মেধি ঃ মুখ্য সম্পাদক
ড০ বিজয় কুমাৰ শৰ্মা ঃ সম্পাদক

স্মৃতিগ্ৰন্থ ঃ সোণালী জয়ন্তী, মঙলদৈ মহাবিদ্যালয়, ২০০৩। মঙলদৈ মহাবিদ্যালয় সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ হৈ সাধাৰণ সম্পাদক ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামী আৰু যুটীয়া সম্পাদক শ্ৰীঅনিল চন্দ্ৰ শৰ্মাৰ দ্বাৰা প্ৰকাশিত। মঙলদৈ-৭৮৪১২৫

**সম্পাদনা সমিতি ঃ**

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মা |
| | | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| | | শ্ৰীধনপতি কলিতা |
| | | শ্ৰীপ্ৰভাত চৌধুৰী |
| | | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| | | ডাঃ ৰমা বৰা |
| | | ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ |
| | | শ্ৰীপবিত্ৰ কুমাৰ শৰ্মা |
| সভাপতি | ঃ | শ্ৰীইদ্ৰিছ আলি |
| মুখ্য সম্পাদক | ঃ | শ্ৰীমতিৰাম মেধি |
| সম্পাদক | ঃ | ড° বিজয় কুমাৰ শৰ্মা |
| সদস্য | ঃ | ড° পৰমানন্দ ৰাজবংশী |
| | | ড° কনক চন্দ্ৰ চহৰীয়া |
| | | ড° ৰাম চন্দ্ৰ ডেকা |
| | | শ্ৰীমণিমুগ্ধ বৰঠাকুৰ |
| | | শ্ৰীভূৱন চন্দ্ৰ কলিতা |
| | | শ্ৰীবনানি চক্ৰৱৰ্তী |
| | | শ্ৰীসৎৰাম ডেকা |
| | | সম্পাদক, আলোচনী বিভাগ, মঙ্গলদৈ মহাবিদ্যালয় |
| | | সম্পাদক, সাহিত্য বিভাগ, মঙ্গলদৈ মহাবিদ্যালয় |

| | | |
|---|---|---|
| বেটুপাত | ঃ | শ্ৰীদাদুল চলিহা |
| মুদ্ৰন | ঃ | বি. এচ. পাব্লিকেশ্যন, জু ৰোড-তিনিআলি, গুৱাহাটী-২১ |
| অৱিহণা | ঃ | ডেৰশ টকা |

**SMRITI GRANTHA** : The Souvenir of Mangaldai College Golden Jublee Celebration, 2003. Published by Dr. Hirendra Kumar Goswami, Secretary and Anil Chandra Sarma, Joint Secretary, Mangaldai College Golden Jubilee Celebration Committee. Mangaldai- 784125.

राष्ट्रपति के प्रेस सचिव
*Press Secretary to the President*

सत्यमेव जयते

राष्ट्रपति सचिवालय
राष्ट्रपति भवन
नई दिल्ली - 110004
*President's Secretariat*
*Rashtrapati Bhavan*
*New Delhi - 110004*



# MESSAGE

The President of India, Dr. A.P.J. Abdul Kalam, is happy to know that the Mangaldai College is celebrating the concluding ceremony of its Golden Jubilee Celebrations during December 6-8, 2003.

The President extends his warm greetings and felicitations to the teachers, students and the staff and hopes that the College will strive to provide quality education. The President also wishes the Celebrations all success.

PRESS SECRETARY TO THE PRESIDENT

তৰুণ গগৈ
মুখ্যমন্ত্ৰী
অসম

सत्यमेव जयते

দিশপুৰ

তাং ২৯-১১-২০০৩



## শুভেচ্ছা বাণী

অসমৰ এখন আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান মঙ্গলদৈ মহাবিদ্যালয়ে ৬ ডিচেম্বৰৰ পৰা ৩ দিনীয়াকৈ সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন কৰিবলৈ লোৱা বুলি জানি মই আনন্দিত হৈছো।

আজি ৫০ বছৰ আগতে অৰ্থনৈতিক আৰু শৈক্ষিক দিশত পিছ পৰা মঙ্গলদৈৰ দৰে ঠাইত অঞ্চলটোৰ যিসকল নিষ্ঠাবান সমাজসেৱী ব্যক্তি আৰু স্থানীয় ৰাইজৰ অক্লান্ত প্ৰচেষ্টাত মহাবিদ্যালয়খনে আজি বৰ্তমানৰ পৰ্যায়ত উপনীত হবলৈ সক্ষম হৈছে, সেইসকলৰ প্ৰতি মই আন্তৰিক ধন্যবাদ আৰু অভিনন্দন জনাইছো। অঞ্চলটোৰ শৈক্ষিক বিকাশৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা মঙ্গলদৈ মহাবিদ্যালয়ে আগন্তুক দিনবোৰত নতুন প্ৰজন্মৰ বহুমুখী প্ৰতিভা বিকাশৰ ক্ষেত্ৰত ইয়াৰ বলিষ্ঠ প্ৰচেষ্টা অব্যাহত ৰাখিব বুলি মই আশা কৰিছো।

মই মহাবিদ্যালয়খনৰ সোণালী জয়ন্তীবৰ্ষ উদযাপনৰ সফলতা আন্তৰিকতাৰে কামনা কৰিলো।

তৰুণ গগৈ

পংকজ বৰা
মন্ত্ৰী,
শিক্ষা আৰু অসম চুক্তি ৰূপায়ণ,
গুৱাহাটী-৭৮১০০৬
দিশপুৰ

২২৬২৭০২ (অ)
২২৬০১৩০ (ঘ)

सत्यमेव जयते



দৰং জিলাৰ অন্তৰ্গত মঙ্গলদৈ মহাবিদ্যালয়ে ৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে সোণালী জয়ন্তী উৎসৱৰ আয়োজন কৰিছে বুলি জানিবলৈ পাই মই আনন্দিত হৈছোঁ।

ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু, অভিভাৱক তথা অঞ্চলটোৰ প্ৰতিজন শিক্ষানুৰাগী ব্যক্তিৰ উমৈহতীয়া প্ৰচেষ্টাত এই পঞ্চাশ বছৰীয়া শিক্ষানুষ্ঠানখনি অনাগত বছৰবোৰত উন্নতিৰ জখলাৰে দোপতদোপে আগবাঢ়ি যাব পাৰিব বুলি মই বিশ্বাস ৰাখিছোঁ। সোণালী জয়ন্তী উৎসৱৰ সৰ্বতোপ্ৰকাৰ সাফল্যকামনাৰ লগতে উৎসৱৰ লগত সঙ্গতি ৰাখি দিহা কৰা স্মৃতিগ্ৰন্থখনিৰ প্ৰতিও মই শুভ কামনা জ্ঞাপন কৰিছোঁ।

২৭ নৱেম্বৰ, ২০০৩

(পংকজ বৰা)
শিক্ষামন্ত্ৰী, অসম, দিচপুৰ

# সূচীপত্ৰ


অসমীয়া শিতান / ১

শিক্ষাৰ উদ্দেশ্য আৰু ফলশ্ৰুতি ❑ প্ৰবোধ চন্দ্ৰ গোস্বামী / ৩

মঙলদৈ মহাবিদ্যালয়ৰ প্ৰথম পঁচিশটা বছৰ আৰু ৰূপালী জয়ন্তীৰ এচেৰেঙা সোঁৱৰণ ❑ প্ৰভাত চন্দ্ৰ শৰ্মা / ৮

ঐতিহাসিক পটভূমিত বৃহত্তৰ মঙলদৈ অঞ্চল ❑ ধনপতি কলিতা / ১২

অৰ্দ্ধ শতিকাৰ পূৰ্বৰ মঙ্গলদৈ অঞ্চলৰ শৈক্ষিক আৰু সামাজিক পৰিবেশ ❑ ভদ্ৰেশ্বৰ নাথ / ১৬

অতীতৰ পটভূমিৰ প্ৰসঙ্গৰে দৰং জিলাৰ শিক্ষা ব্যৱস্থা ❑ ড° লোকেশ্বৰ নাথ / ২১

দৰঙৰ পুৰণি পুথি-পাজিঁ ❑ জীৱন চন্দ্ৰ শৰ্মা / ২৫

দৰঙৰ উল্লেখযোগ্য পুৰাতাত্বিক সমল ❑ সুনীল কুমাৰ গোস্বামী / ২৮

স্বায়ত্ব শাসিত মহাবিদ্যালয় ❑ ড° ৰেণু দেৱী / ৩১

তোমাক নো কি নামেৰে মাতো ❑ খবিৰ আহমেদ / ৩৩

মঙ্গলদৈ কলেজৰ ৰজত জয়ন্তী সমাৰোহৰ ৰেঙণি, কাৰ্য্যসূচী আৰু উদ্বৃত্ব ধনৰ ব্যৱহাৰ ❑ ড° গিৰীশ গোস্বামী / ৩৫

মঙলদৈ মহাবিদ্যালয়ৰ প্ৰথমজন অধ্যক্ষ °পুৰন্দৰ শৰ্মা ❑ তৰুণ চন্দ্ৰ শৰ্মা / ৩৯

সাহিত্য একাডেমী বঁটা প্ৰাপ্ত আমাৰ প্ৰাক্তন সহকৰ্মী শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মা ❑ ড° ৰমেন ৰায় / ৪২

মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, উপাধ্যক্ষ আৰু কৰ্মচাৰীসকল ❑ শৰৎ চন্দ্ৰ শৰ্মা / ৪৪

মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষকবৃন্দৰ বিষয়ে এক নষ্টালজিক অনুভূতি ❑ জামালুদ্দিন আহমেদ / ৫০

মঙলদৈ মহাবিদ্যালয়ৰ অকালতে মৃত্যু বৰণ কৰা আৰু কলেজ
এৰি যোৱা কেইগৰাকীমান শিক্ষক-শিক্ষয়িত্ৰী ❑ মতিৰাম মেধি / ৫৫

প্ৰয়াত জীৱন চন্দ্ৰ শৰ্মা-এক কৰ্মময় জীৱন ❑ প্ৰফুল্ল চন্দ্ৰ শৰ্মা / ৫৭

স্বৰ্গীয় ভূপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱ সম্পৰ্কে দুষাৰ ❑ চন্দ্ৰ কান্ত ডেকা / ৫৯

মঙলদৈ মহাবিদ্যালয়ৰ 'ৰাষ্ট্ৰীয় সেৱা আঁচনি', 'কলেজ কেনেল' আৰু 'কৃষি পাম' ❑ ৰাজেন্দ্ৰ বৰুৱা / ৬০

মঙলদৈ মহাবিদ্যালয়ৰ চমু সাংস্কৃতিক ইতিহাস ❑ প্ৰভাত চৌধুৰী / ৬৭

মঙলদৈ মহাবিদ্যালয়ত সাহিত্য চৰ্চাৰ পৰিৱেশ ❑ ডিম্বেশ্বৰ বৰুৱা / ৭২

খেলা-ধূলাত মঙলদৈ মহাবিদ্যালয় ❑ শচীন চহৰীয়া / ৭৭

।মঙ্গলদৈ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰঃ এটি চমু খতিয়ান।। ❑ জেহিৰ আহমেদ মহম্মদ ইকবাল / ৮০

মঙ্গলদৈ কলেজ শিক্ষক গোট ঃ এটি বিহঙ্গম দৃষ্টি ❑ ৰমণীকান্ত চহৰীয়া / ৮২

মঙ্গলদৈ কলেজ কৰ্মচাৰী গোট- এটি আলোকপাত ❑ মহেশ্বৰ শৰ্মা, সাধিৰাম বড়ো / ৮৪

মঙ্গলদৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সম্পৰ্কে দুষাৰ ❑ ৰূপকান্ত ডেকা / ৮৬

অসম বিজ্ঞান সমিতি, মঙলদৈ শাখা- এটি আলোকপাত ❑ জয়চন্দ্ৰ শৰ্মা, কুমুদ চন্দ্ৰ শৰ্মা / ৮৭

মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰাবাস আৰু ছাত্ৰীনিবাস ঃ প্ৰতিষ্ঠা আৰু অগ্ৰগতি ❑ মঞ্জু কলিতা / ৯০

প্ৰয়াত সন্ধিৰাম চহৰীয়া ❑ ডিম্বেশ্বৰ শইকীয়া / ৯৩

এৰি অহা সেই দিনবোৰ ❑ দেৱীদাস নেওগ / ৯৩

কেনেকৈনো গ'লো জাপানলৈ! ❑ ইন্দ্ৰজিৎ কোঁচ / ৯৪

স্মৃতি ৰোমন্থন / ৯৭

মঙলদৈ কলেজত পঢ়াৰ আনন্দ আৰু গৌৰৱ ❑ ড° কনক চন্দ্ৰ চহৰীয়া / ৯৯

মঙলদৈ মহাবিদ্যালয়ৰ লগত হোৱা মোৰ সম্পৰ্ক আৰু ৰূপালী জয়ন্তীৰ স্মৃতি ❑ লক্ষীকান্ত শইকীয়া / ১০২

স্মৃতিৰ সফুঁৰা ❑ আকলু দেৱ শৰ্মা / ১০৪
শৈশৱৰ ডুখৰীয়া স্মৃতি ❑ লিলি দেৱী / ১০৬
আমাৰ দিনৰ মঙলদৈ কলেজ ❑ শিৱ প্ৰসাদ বৰুৱা / ১০৮
কলেজীয়া জীৱনৰ মধুৰ স্মৃতি ❑ ভূৱন চন্দ্ৰ কলিতা / ১১০
মঙলদৈ কলেজৰ সেই সোণালী দিনবোৰ ❑ চন্দ্ৰ প্ৰসাদ শইকীয়া / ১১১
ৰূপালী জয়ন্তীৰ পৰা সোণালী জয়ন্তীলৈ এটি অনুভৱ ❑ নীলমণি কলিতা / ১১৩
অতীতত এভূমুকি ❑ নৱেন হাজৰিকা / ১১৫
সেই সময়ৰ মোৰ মঙলদৈ মহাবিদ্যালয় ❑ অতুল গোস্বামী / ১১৬

মঙলদৈ মহাবিদ্যালয়লৈ দান আগবঢ়োৱা বদান্য ব্যক্তি কেইগৰাকীমান / ১১৭
মঙলদৈ মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে অনুদান আগবঢ়োৱা মাননীয় ব্যক্তিসকল / ১১৮
মঙলদৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীলৈ পাঁচ হাজাৰ বা ততোধিক দান দিয়া ব্যক্তিসকল / ১১৯

সাক্ষাৎ প্ৰসঙ্গ / ১২০
শ্ৰীগজেন্দ্ৰ নাথ ঠাকুৰীয়া ❑ শ্ৰীযুত প্ৰতুল শৰ্মা ❑ শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী

প্ৰশ্নোত্তৰ শিতান / ১২৫

বিভাগীয় প্ৰতিবেদন / ১৩৩

এলবামত মঙলদৈ মহাবিদ্যালয় / ১৫৫

English Section / 173
Editorial ❑ M.R. Medhi, B.K. Sarma / 175
Mangaldai College : Past and Present ❑ Dr. H.K. Goswami / 176
Question of Development & Empowerment ❑ Dr. Hiren Gohain / 179
Oral Tradition : A study from the Indian Paradigm ❑ Dr. Nabin Ch. Sarma / 184
Mangaldai College A Short Retrospect ❑ Shri Purandar Sarma / 188
The Beginning of Collegiate Education in Assam ❑ Dr. H.C. Deka / 192
Mangaldai College : A Vision ❑ Dr. Nagendra Nath Sarmah / 194
Co-operative Societies of Mangaldai College ❑ Dr. D.P. Barooah / 197
Research Activities and Mangaldai College ❑ Dr. Hirendra Kr. Goswami / 203
Reminiscenses of an NCC Officer : Mangaldai College ❑ D.C. Nandi / 206
Shri P.C. Goswami : The Principal with a difference ❑ Dr. M.P. Barooah / 209
Academic Environment and Related Matters ❑ Bhupendra Nath Kakati / 211
Social Status of Teachers ❑ Dr. Birendra Nath Deka / 214
NAAC, Mangaldai College and Its Golden Jubilee ❑ Dr. K. Rahman / 216
Mangaldai College: One of the Best Impetus : A Philosopher Stone ❑ Aroon Barooa / 218

উদ্‌যাপন সমিতিৰ সভাপতিৰ এষাৰ ❑ বসন্ত দাস / ২১৯
যুটীয়া সচিবৰ প্ৰতিবেদন ❑ অনিল চন্দ্ৰ শৰ্মা / ২২০
সোণালী জয়ন্তী উদ্‌যাপন সমিতি / ২২৪
দাতাৰ তালিকা / ২৩৯

# "সোণালী জয়ন্তীৰ গীত"

ইদ্ৰিছ্ আলি

স্বৰ্ণজ্যোতিৰে উজ্বলি উঠিছে
আমাৰ মহাবিদ্যালয়
জ্ঞান-প্ৰজ্ঞাৰ কত সাধনাৰ
জ্বলালে প্ৰদীপ আলোকময়।।

পোহৰ প্ৰয়াসী কতজনে আহি
বান্ধিলে ইয়াতে আশাৰ ঘৰ
ইয়াতেই পালে পূৰ্ণতা আৰু
অৰ্থ নতুন জীৱনৰ।
বিশ্ব-সভাত বহুজনেই
হ'ল যে জ্যোতিৰ্ময়।।

গৌৰৱময় অতীতৰ কথা
ইতিহাসত আছে লিখা
ভৱিষ্যতৰ চিত্ৰপটত
জ্বলিব তাৰ জ্যোতি শিখা।
চৰৈৱেতি চৰৈৱেতি
এই যাত্ৰা গতিময়।।

# "মঙলদৈ মহাবিদ্যালয় সংগীত"

গীতিকাৰ ঃ প্ৰভাত চৌধুৰী

মহাজীৱনৰ / মহাসাধনাৰ
আশাৰ গজালি তুমি,
জ্ঞান গৰিমাৰ / ধ্যান ধাৰণাৰ
মহান পুণ্যভূমি
অজ্ঞানতাৰ / তমসা ৰাতিত
জনতা আছিল ডুবি,
জ্ঞানৰ প্ৰদীপ / শিখাৰে বিলালা
সুধা সঞ্জীৱনী।
বিকশিত আজি / শত শত দল
তোমাৰ চৰণ চুমি ।।১।।
বিয়পি পৰিছে / চৌপাশে আজি
তোমাৰ জ্যোতিৰ বান
শত প্ৰদীপৰ / জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান;
তোমাৰ আভাত / হওক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি ।।২।।

ৰচনাকাল ঃ ০৬।১০।১৯৭৬

# প্ৰণামো তোমাক আমাৰ জ্ঞানৰ মন্দিৰ

মঙলদৈ নগৰে পাতি নৈমিষ কানন
উপহুপাৰাত তৃপ্ত সব ঋষিগণ,
তিমিৰ নাশিয়া জ্ঞান দীপিতিৰ অৰ্ঘ্য
জয়াল অৰণ্যভূমিত ৰচিলা ভূস্বৰ্গ।
প্ৰণামো তোমাক আমাৰ জ্ঞানৰ মন্দিৰ...

অমৃত অমোঘ বাণী শুনি জ্ঞানীগনে
ধন-ৰত্ন উৎসৰ্গিলা কায়-বাক্য মনে
গণ্য-মাণ্য সবে মিলি হ'ল সব্যযাচী,
অভীপ্সিত কহিনুৰ ৰশ্মিক প্ৰকাশি।
প্ৰণামো তোমাক আমাৰ জ্ঞানৰ মন্দিৰ...

সগস্ৰ বিমূঢ় চিত্ত হ'ল আলোকিত
বিমল সঞ্জীৱনী সুধা বোৱালা প্ৰাণত,
অতৃপ্ত বাসনা তৃপ্ত কৰিলা দীক্ষাৰে
জ্যোতিষ্মান হ'ল চৌদিশৰ আকাশ,
প্ৰণামো তোমাক আমাৰ জ্ঞানৰ মন্দিৰ...

তোমাৰ পূজাৰী বহু মনীষী মহান
জ্ঞান সুৰভিৰে সানি হেঙুল বহণ
বুকুত সাবতি লৈ ভাৰত ভাৰতী,
ঐক্য সম্প্ৰীতিৰে তুমি হলা গৰীয়সী।
প্ৰণামো তোমাক আমাৰ জ্ঞানৰ মন্দিৰ...

সোণালী সৌধ তুমি কৰিলা নিৰ্মাণ
প্ৰসৱিলা জ্ঞানীপুত্ৰ কৰি মহীয়ান,
কলা-বিজ্ঞান, নাটে-গানে মুকুট শিৰৰ
জয়ধ্বজা উৰুৱালা দৰভী বীৰৰ।
প্ৰণামো তোমাক আমাৰ জ্ঞানৰ মন্দিৰ...

ত্যাগ সততাক সুঁৱৰি অনেক জনৰ
প্ৰানোচ্ছল হাঁহি দিলা সহস্ৰ মুখত
অহোৰাত্ৰ প্ৰতিভাত জ্ঞান দাত্ৰী তুমি,
যুগে যুগে তুমি মাতৃ হোৱা বিজয়িনী।
প্ৰণামো তোমাক আমাৰ জ্ঞানৰ মন্দিৰ...

মতিৰাম মেধি



# সম্পাদনা সমিতিৰ সভাপতিৰ একলম....................

সুদীৰ্ঘ আঢ়ৈ কুৰি বছৰ অতিক্ৰমি উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল মংগলদৈ মহাবিদ্যালয়ে স্বৰ্ণ জয়ন্তীত ভৰি দিলেহি। ই আমাৰ সকলোৰে বাবে অতি গৌৰৱৰ বিষয়। ১৯৫২ চনতে অবিভক্ত দৰং অঞ্চলত উচ্চ শিক্ষাৰ বিজয় ধ্বজা উৰুৱাই এই মহাবিদ্যালয়খনে অসমৰ শিক্ষাজগতত নিজৰ এখন সুকীয়া আসন দখল কৰিবলৈ সমৰ্থ হৈছে। মহাবিদ্যালয়খনৰ ঐতিহ্যপূৰ্ণ সুদীৰ্ঘ সকল পৰিক্ৰমাৰ যথোপযুক্ত খতিয়ান দাঙি ধৰাৰ অৰ্থে সোণালী জয়ন্তী উদ্‌যাপন সমিতিয়ে এখন স্মৃতিগ্ৰন্থ যুগুত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰি স্মৃতিগ্ৰন্থ উপ সমিতি গঠন কৰি উক্ত সমিতিৰ সভাপতিৰ গুৰু দায়িত্ব আমাৰ ওপৰত অৰ্পণ কৰে। স্মৃতিগ্ৰন্থ উপসমিতিৰ সুযোগ্য সম্পাদকসকলৰ লগতে সন্মানীয় সদস্যসকলৰ সক্ৰিয় সহযোগত এক দীৰ্ঘদিনীয়া চিন্তা-চৰ্চাৰ অন্তত মঙলদৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থখনৰ চূড়ান্ত ৰূপ দিয়া হয়। সোণালী জয়ন্তী উদ্‌যাপন সমিতিয়ে অনুমোদন জনোৱাৰ পিছত উদ্‌যাপন সমিতিয়ে নিৰ্বাচন কৰি দিয়া ছপাশাললৈ স্মৃতিগ্ৰন্থৰ পাণ্ডুলিপি প্ৰেৰণ কৰা হয়।

স্মৃতিগ্ৰন্থখনি সৰ্বাঙ্গসুন্দৰ ৰূপত প্ৰকাশ কৰি উলিওৱাৰ বাবে সম্পাদনা সমিতিয়ে চেষ্টাৰ ত্ৰুটী কৰা নাই। উদ্‌যাপন সমিতিৰ সম্পাদকদ্বয়কে ধৰি স্মৃতিগ্ৰন্থ উপ-সমিতিৰ সমূহ সদস্যই আন্তৰিক সহযোগিতাৰে স্মৃতিগ্ৰন্থখনি প্ৰস্তুত কৰি উলিয়াইছে। তৎসত্বেও নানান সীমাৱদ্ধতাৰ বাবে স্মৃতিগ্ৰন্থখনত হয়তো কিছু বঢ়া-টুটা থাকি গ'ল। তথাপি সংশ্লিষ্ট সকলো পক্ষই স্মৃতিগ্ৰন্থখন আদৰি ল'লে সম্পাদনা সমিতি কৃতজ্ঞতা পাশত বন্দী হৈ থাকিব।

ইতি-

# সম্পাদকীয়

১৯৫১ চনৰ কথা। যি সময়ত মঙলদৈ মহকুমাৰ (বৰ্তমান দৰং জিলা) হাইস্কুল মাত্ৰ দহ বাৰখন, জনসংখ্যা প্ৰায় ছয়লাখ, বাট-পথ, জনস্বাস্থ্যৰ দুখলগা অৱস্থা, শিক্ষিত লোকৰ সংখ্যা তেনেই নগন্য সেই সময়ত শিক্ষাৰ ক্ষেত্ৰত থকা অনগ্ৰসৰতাক আঁতৰাবলৈ ইয়াৰ কেইগৰাকীমান বিদ্যোৎসাহী ব্যক্তিয়ে মহাবিদ্যালয়ৰ এখন প্ৰতিষ্ঠাৰ বাবে লোৱা সিদ্ধান্তৰ ফলশ্ৰুতিত আজি মঙলদৈ মহাবিদ্যালয়ে সোণালীজয়ন্তী উদ্‌যাপন কৰিবলৈ সমৰ্থ হৈছে। আৰম্ভনিৰে পৰা এই অনুষ্ঠানখনিৰ বিভিন্ন দিশত যোগ-বিয়োগ, পৰিবৰ্ত্তন পৰিবৰ্দ্ধন হ'ল। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা গ্ৰহণ সমাজসেৱাৰ লগতে প্ৰকৃতিৰ গতি (মঙলদৈ নদীৰ গতিপথ) সলনি কৰি সমগ্ৰ মঙলদৈ নগৰৰ লগতে পাৰ্শ্ববৰ্ত্তী অঞ্চলৰ যি উপকাৰ সাধন কৰিলে তদ্ৰূপ নিজৰ জীৱনৰ গতি সলনি কৰিবলৈও সক্ষম হ'ল।

প্ৰতিষ্ঠা কালৰে পৰা সোণালী জয়ন্তী সময়লৈকে (১৯৫১-২০০৩) মহাবিদ্যালয়ৰ খতিয়ান ডাঙি ধৰাৰ উদ্দেশ্যে সোণালী জয়ন্তী উৎসৱৰ লগত সঙ্গতি ৰাখি উদ্‌যাপন সমিতিয়ে স্মৃতিগ্ৰন্থ এখন প্ৰকাশৰ দিহা কৰিছে। স্মৃতি গ্ৰন্থখন মূলতঃ মহাবিদ্যালয়ৰ ইতিহাসৰ ৰূপৰেখা। 'ৰূপালী জয়ন্তী' উৎসৱ (১৯৭৬) উপলক্ষে প্ৰকাশ কৰা স্মৃতিগ্ৰন্থত জন্মৰে পৰা পঁচিশ বছৰলৈ মহাবিদ্যালয়ৰ খতিয়ান ডাঙি ধৰা হৈছে। পৰবৰ্ত্তী সময়ছোৱাৰ বিৱৰণ এই স্মৃতিগ্ৰন্থত সন্নিবিষ্ট কৰিব বিচৰা হৈছে। অৱশ্যে প্ৰতিষ্ঠা কালৰ দুই এটা দিশ আৰু ৰূপালী জয়ন্তী উদ্‌যাপন সম্পৰ্কীয় কথাও ইয়াত ঠাই দিয়া হৈছে। মহাবিদ্যালয়ৰ বিদ্যায়তনিক দিশৰ লগতে আন্তঃ গাঠনি সম্পৰ্কীয় সকলোবোৰ বিষয়ৰ ওপৰত আলোকপাত কৰিবলৈ যত্ন কৰা হৈছে। বিশিষ্ট লেখক কেইগৰাকীমানৰ নিবন্ধ; প্ৰতিষ্ঠা কালৰ কেইগৰাকীমান শিক্ষক আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মনোভাব প্ৰকাশ কৰা হৈছে।

মহাবিদ্যালয়ৰ প্ৰায় প্ৰতিটো বিভাগৰে পৰা শিক্ষান্ত পৰীক্ষা সমূহত ভাল ফলাফল লাভ কৰিবলৈ সক্ষম হোৱা কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰী ওলাইছে। বিভাগীয় শিক্ষকসকলেও শিক্ষাৰ গুণগত মান উন্নত কৰিবৰ বাবে নিজা নিজা প্ৰচেষ্টা অব্যাহত ৰাখিছে। শিক্ষক-শিক্ষয়িত্ৰী সকলৰ নিয়ত প্ৰচেষ্টাৰ ফলশ্ৰুতি সাধাৰণ ভাবে হলেও বিভাগীয় প্ৰতিবেদন সমূহত প্ৰতিফলিত কৰিব বিচাৰা হৈছে।

বছৰ বাগৰে- সময় আগবাঢ়ি যায়। সময়ৰ সাক্ষী থাকে। আঠৈকুৰি বছৰীয়া মহাবিদ্যালয় ইতিহাসৰ লগত বহুতো ব্যক্তি বিভিন্ন ধৰণে জড়িত হৈ পৰিছিল। সেই সকলৰ বহুকেইজনক কালে হৰণ কৰিলে। যি সকলৰ প্ৰচেষ্টাত এই মহাবিদ্যালয়ে স্থিতি লাভ কৰিছিল সেই সত্যাশ্ৰয়ী গুণী-জ্ঞানী ব্যক্তি সকললৈ শ্ৰদ্ধাজ্ঞাপন কৰিলোঁ। মৃত সকলৰ অমৰ আত্মাৰ অনন্তৰহণে মহাবিদ্যালয়খনক সমুজ্বল কৰি ৰাখক।

সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি, সম্পাদক, যুটীয়া সম্পাদকৰ ঐকান্তিক চেষ্টাৰ কাৰণে স্মৃতি গ্ৰন্থখন প্ৰকাশ কৰিব পৰা হ'ল। তেখতসকললৈ আমাৰ তৰফৰ পৰা ধন্যবাদ নজনাই নোৱাৰো। স্মৃতিগ্ৰন্থ খনলৈ লেখনী আগবঢ়োৱা শ্ৰদ্ধেয় ব্যক্তিসকল, বিজ্ঞাপন দাতা, বেটুপাতৰ শিল্পী, প্ৰেছৰ মালিক আৰু কৰ্মীবৃন্দৰ সহযোগিতা, স্মৃতিগ্ৰন্থ উপসমিতিৰ উপদেষ্টা, সভাপতি আৰু সদস্য সকলৰ পৰা সততে পাই থকা দিহা পৰামৰ্শ আৰু মাজে সময়ে দুই এটা যাৱতীয় পৰামৰ্শ দি যি সকলে সহায় কৰিলে সেই সকলোলৈকে আমাৰ শ্ৰদ্ধা নিবেদন কৰি তেখেত সকলৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লো। স্মৃতিগ্ৰন্থ সম্পদনা কৰোতে ভুল-ভ্ৰান্তি আমাৰ অসাৱধান বশতঃ বৈ যোৱাটো স্বাভাৱিক। অনিচ্ছাকৃত ভাবে হোৱা তেনে চ্যুতি বিচ্যুতিৰ বাবে পঢ়ুৱৈ আৰু আন সকলৰ ওচৰত মাৰ্জনা বিচাৰিছো।

মঙলদৈ
৬ ডিচেম্বৰ, ২০০৩

মতিৰাম মেধি-মুখ্য সম্পাদক
বিজয় কুমাৰ শৰ্মা-সম্পাদক

# মঙলদৈ কলেজ গঢ়োতাসকলৰ কেইগৰাকীমান


অমিয় ভূষণ দাসগুপ্ত


পুৰন্দৰ শৰ্মা


ৰামেশ্বৰ শৰ্মা


বিপিন চন্দ্ৰ মেধি


সন্ধিৰাম চহৰীয়া


শুকলাল ঘোষ


বদৰুদ্দিন আহমেদ


তপেশ্বৰ শৰ্মা


শ্ৰীগজেন্দ্ৰ নাথ ঠাকুৰীয়া


ভোগৰাম পাটোৱাৰী


দণ্ডীৰাম দত্ত


ভৱানন্দ ৰাজখোৱা


বাসৱ চন্দ্ৰ বৰুৱা


শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী


আব্দুল মজিদ


জীৱন চন্দ্ৰ শৰ্মা

# অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনৰ সময়ৰ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ শ্বহীদ সকল






হৰগোবিন্দ গোস্বামী



কুলেন শৰ্মা



খৰ্গেশ্বৰ বৰুৱা



লোকনাথ বৰুৱা



ডিম্বেশ্বৰ ডেকা


অসমীয়া শিতান



# শিক্ষাৰ উদ্দেশ্য আৰু ফলশ্ৰুতি

প্ৰবোধ চন্দ্ৰ গোস্বামী

"জ্ঞানৰ সমাপ্তি ভূমানন্দত, ৰসানন্দত, ৰসানন্দৰ উৎস আকৌ পৰমেশ্বৰত, কিয়নো পৰমেশ্বৰেই "ৰস বৈ সঃ"।

**শিক্ষাৰ উদ্দেশ্য ব্যক্তিত্বৰ বিকাশ ঃ**

শিক্ষাবিদ সকলৰ ভাৱনাত শিক্ষাৰ উদ্দেশ্য মূলত ব্যক্তিত্বৰ বিকাশ। এই ভাৱনাত শিক্ষাৰ উদ্দেশ্য জন্মতে নিতান্তই অন্তৰ সচেতন বা আত্ম-সচেতন শিশুৰ অন্তৰ্নিৰ্হিত আৰু জন্মতে প্ৰাপ্ত বিভিন্ন গুণ আৰু শক্তিৰ এনে উত্তৰণ, এই উত্তৰণৰ ফলত যাতে কালক্ৰমত শিশু হয় বৰ্হি সচেতন আৰু সমাজ সচেতন, স্ব বৈশিষ্ট্য সমাজত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম, লগতে সামাজিক ভাব ধাৰনা-আদৰ্শ কৰ্মপদ্ধতি পৰম্পৰা আদিক উন্নততৰ স্তৰলৈ নিবলৈ সক্ষম বা সক্ষমা ব্যক্তিত্ব সম্পন্ন পুৰুষ বা ব্যক্তিত্ব সম্পনা স্ত্ৰী।

**শিক্ষাৰ ফলশ্ৰুতি - জীৱন দৰ্শন তথা আনন্দঃ**

এনে ৰূপত শিক্ষাৰ উদ্দেশ্য সাধনাৰ ফলত ব্যক্তিয়ে লাভ কৰে অন্যৰ লগত তথা বৰ্হি জগতৰ মিলন জনিত আনন্দ। প্ৰথম অৱস্থাত এই আনন্দৰ পৰিধি নিতান্তই সীমিত- পিতৃ-মাতৃ-ভাতৃ-ভগ্নী আদিৰ লগত মিলনজনিত আৰু নিজ আবাস কোঠাগৃহ চৌহদৰ লগত ঘটিত সম্পৰ্ক জনিত আনন্দৰ মাজতেই ই সীমিত। এই আনন্দৰ পৰিধিৰ বৃদ্ধিও শিক্ষাৰ অন্যতম উদ্দেশ্য। কিয়নো, এনে বৃদ্ধিৰ মাজতে আছে অবিৰাম কৰ্ম কৰাৰ তথা অবিৰাম গৈ থকাৰ আনন্দ। এনে আনন্দই পশ্চিম প্ৰসিদ্ধ "Eldorado" নামত আৰু ঔপনিষদিক যুগৰ ভাৰতত "ভূমানন্দ" আৰু "ৰসানন্দ" নামত। এনে উদ্দেশ্যৰ সাধন অকল স্কুলীয়া আৰু কলেজীয়া কালৰে বিষয় নহয়, ই এক সামগ্ৰিক জীৱন কালত অৰ্জনীয় বিষয়। এই তত্বকে ইন্দ্ৰই কৈছিল ৰজা ৰোহিতক এনেদৰে "চৰৈয়তি, চৰৈয়তি" অৰ্থাৎ গৈ থকা গৈ থকা ৰজা ৰোহিত, কিয়নো ইয়েই জীৱন, ইয়েই অবিৰাম প্ৰবাহ ৰূপত জীৱন।

আধুনিক শিক্ষা বিজ্ঞানত শিক্ষাৰ তথা জীৱনৰ উদ্দেশ্য "ভূবানন্দ" বা বমানন্দ" বুলি কোৱা নহয়। আধুনিক শিক্ষাবিদৰ ভাৱনাত সমাজৰ সামগ্ৰিক উন্নতিৰ ফলত ব্যক্তিৰ যি উন্নতি হয় আৰু তাৰ ফলত ব্যক্তিৰ মনত জন্মা প্ৰফুল্লতাৰ বিকাশৰ সাধনো শিক্ষাৰ অন্যতম উদ্দেশ্য। কিন্তু প্ৰধান উদ্দেশ্য তথাপিও ব্যক্তিত্বৰ বিকাশ সাধনহে। কিয়নো শিক্ষাৰ আৰম্ভণি আৰু মূল শিশু আৰু শিশুৰ অন্তৰ্নিৰ্হিত গুণ আৰু শক্তিৰ বিকাশ সাধন। এনে বিকাশৰ আধাৰ যি হেতুকে সমাজ, সেইহেতুকে সামাজিক পৰিবেশৰ সুস্থতাৰ ৰক্ষাৰ শিক্ষাও, শিক্ষাৰ এক প্ৰধান উদ্দেশ্য। মুঠতে ব্যক্তিত্বৰ বিকাশ, লগে লগে সামাজিক পৰিবশেৰ সুস্থতাৰ ৰক্ষা, উভয়ে শিক্ষাৰ প্ৰধান উদ্দেশ্য। উভয় লক্ষ্যৰ প্ৰতি দৃষ্টি ৰখাটো শিক্ষা ব্যৱস্থাৰ এক অপৰিহাৰ্য অংগ হোৱা উচিত। কিন্তু প্ৰচলিত ব্যৱস্থাত ই এতিয়াও হোৱা নাই।

প্ৰচলিত শিক্ষা ব্যৱস্থাত ইয়াৰ সলনি

গুৰুত্ব পাইছে তথ্য মনত ৰখা কথাই হে মুখ্যতঃ। তথ্য মনত ৰখাটো জীৱন যাপনৰ ক্ষেত্ৰত প্ৰয়োজনীয় কথা নিশ্চয় হয়, কিন্তু একমাত্ৰ বা মুখ্যতম প্ৰয়োজনীয় কথা মুঠেই নহয়। ইয়াতকৈও অধিকতৰ প্ৰয়োজনীয় কথা তত্ত্ব মনত ৰখাৰ কথা আৰু সমস্যা সমাধান কৰাৰ সক্ষমতা। সমস্যা সমাধানৰ সক্ষমতা অৰ্জনৰ অৰ্থে আগৰ কালত উত্তৰ প্ৰাথমিক স্তৰৰ প্ৰশ্নকাকততো এনে ধৰণৰ প্ৰশ্ন আছিল, আজিকালি এনে ধৰণৰ প্ৰশ্ন মহাবিদ্যালয় স্তৰৰ প্ৰশ্নকাককতো নাথাকে।

সমস্যা সমাধানৰ সক্ষমতা অৰ্জনৰ উদ্দেশ্যও শিক্ষাৰ মূল উদ্দেশ্য নহয়। এই মূল উদ্দেশ্য ব্যক্তিত্বৰ বিকাশহে। এনে বিকাশৰ বাবে শিক্ষা হব লাগে সকলো স্তৰতে কৰ্ম প্ৰধান। কিয়নো কৰ্ম প্ৰৱাহেই জীৱন। কিন্তু কৰ্ম প্ৰবাহৰ লক্ষ্য কি? দেখ দেখ ৰূপত ই দেহ-ৰক্ষা, দেহৰ অন্তৰত থকা প্ৰাণৰ ৰক্ষা আৰু প্ৰাণৰো অন্তৰত লুকাই থকা কামনাৰ ৰক্ষা, লগতে সেই কামনাৰ অন্তহীন অভাৱ পূৰণৰ অৰ্থে অন্তৰ্নিহিত শক্তিৰ অবিৰাম উত্তৰণও। এনে উত্তৰণৰ ফলশ্ৰুতিয়েই জ্ঞান তথা জীৱন দৰ্শন। গীতাৰ ভাষাত কৰ্মৰ সমাপ্তি সদায়ে জ্ঞানত। কিন্তু জ্ঞানৰ সমাপ্তি ক'ত? ইয়াৰ উত্তৰৰূপত ঔপনিষদক যুগৰ ঋষি সকলে কৈছিল- জ্ঞানৰ সমাপ্তি ভূমানন্দত, ৰসানন্দত, ৰসানন্দৰ উৎস আকৌ পৰমেশ্বৰত, কিয়নো পৰমেশ্বৰেই "ৰস বৈ সঃ"।

আধুনিক শিক্ষা বিজ্ঞানৰ ভাৱনাতো শিক্ষাৰ মহতীপ্ৰাপ্তি সামাজিক জীৱন যাপনৰ সক্ষমতা জনিত ব্যক্তিয়ে লাভ কৰা মনৰ প্ৰফুল্লতা তথা পাৰস্পৰিক মিলা প্ৰীতি জনিত পোৱা আনন্দ। দুৰ্ভাগ্যবশতঃ শিক্ষাৰ এই মহতী প্ৰাপ্তিৰ প্ৰয়াস প্ৰচলিত শিক্ষা পদ্ধতিত সমূলি নাই। এই প্ৰাপ্তি আকৌ ব্যক্তিৰ অন্তৰ্নিহিত গুণ আৰু শক্তিৰ উত্তৰণৰো তথা ব্যক্তিত্বৰ বিকাশৰো এক স্বাভাৱিক ফলশ্ৰুতি। এনে প্ৰাপ্তি সম্ভৱপৰ পাঠ্য অন্তৰ্ভূক্ত বিষয় জ্ঞানৰ মাধ্যমত কিন্তু সম্ভৱপৰ নহয়, ই সম্ভৱপৰ কেৱল পাঠ্যবৰ্হিভূত বিষয় বোৰৰ মাধ্যমতহে, খেল ধেমালি, সঙ্গীত আৰু সমাজ বিভাগৰ দ্বাৰা কৃত নানা কৰ্মৰ মাজেদিহে মুখ্যতঃ।

**আধুনিক শিক্ষা পদ্ধতিৰ প্ৰধান ত্ৰুটী পাঠ্যবৰ্হিভূত বিষয়বোৰৰ অৱহেলা ঃ**

বৰ্ত্তমান শিক্ষা পদ্ধতিৰ নামত বহুতো পাঠ্যবৰ্হিভূত বিষয় আছে। কিন্তু কাৰ্যতঃ নাই। পৰীক্ষাত ভাল নম্বৰ পোৱাৰ চেষ্টাই বৰ্ত্তমান শিক্ষা পদ্ধতিৰ হৈ পৰিছে একমাত্ৰ নহলেও মুখ্য কৰ্ম। ভাল নম্বৰ পোৱাৰ উপায় আকৌ কিছুমান তথ্য আৰু তত্ত্ব মুখস্থ কৰাটো। ফলত শিক্ষাকৰ্ম হৈ পৰিছে শিক্ষাৰ্থী আৰু শিক্ষক উভয়ৰে কাৰণে নিতান্তই যান্ত্ৰিক অৰ্থাৎ ভাব আৰু অনুভূতিৰ আদান প্ৰদানহীন কৰ্ম। বৰ্ত্তমান কালৰ অভিভাৱক সকলৰ ধাৰণাত কৃতী শিক্ষক বা শিক্ষয়িত্ৰী সেই জনাই, যি জনাৰ পঢ়োৱাৰ কালত শ্ৰুতলিপিৰ ৰূপত দিয়া কথাবোৰ যথাযথ ৰূপত শিক্ষাৰ্থীয়ে উত্তৰ কাকতত দি ভাল নম্বৰ আৰু কৃতিত্ব পায়। ইয়াৰ বাবে শিক্ষা হৈ পৰিছে অত্যন্তই নিৰস আৰু ব্যক্তিত্বৰ বিকাশৰ অন্তৰায়। শিক্ষাকৰ্ম বৰ্ত্তমান পদ্ধতিত ইমানেই যান্ত্ৰিক যে ইয়াত শিক্ষক শিক্ষাৰ্থী উভয়ে শ্ৰুতলিপিৰ ৰূপত দিয়া তথ্য আৰু তত্ত্ববোৰৰ অতীত আৰু সাময়িক প্ৰাসঙ্গিকতা কি, এই বিষয়েও প্ৰায়েই অজ্ঞ। এনে অৱস্থাত ব্যক্তিত্বৰ বিকাশৰ উদ্দেশ্য প্ৰচলিত শিক্ষা ব্যৱস্থাত স্বাভাৱিকতে হৈ পৰিছে অৰ্থহীন। ব্যক্তিত্বৰ বিকাশৰ মাধ্যম সদায়ে বিভিন্ন জনৰ মাজত ভাৱৰ আৰু অনুভূতিৰ খোলাখুলি আদান প্ৰদান। ভাৱৰ খোলাখুলি আদান প্ৰদানৰ বাবে আকৌ প্ৰয়োজন শিক্ষক শিক্ষাৰ্থীৰ মাজত খোলাখুলি কথোপকথন, লগতে শিক্ষাৰ্থী সকলৰো মাজত পাৰস্পৰিক কথোপকথন তথা প্ৰশ্ন আৰু প্ৰশ্নৰ উত্তৰ প্ৰদানৰ মাধ্যমত ভাৱৰ আদান প্ৰদান। মুঠতে প্ৰয়োজন শিক্ষাগ্ৰহণ আৰু শিক্ষা প্ৰদান উভয়কে যান্ত্ৰিকতাৰ পৰা উদ্ধাৰ কৰাটো।

**প্ৰয়োজনীয় সংস্কাৰ ঃ**

ব্যক্তিত্বৰ বিকাশৰ উদ্দেশ্য সাধনৰ অৰ্থে যি দৰে হৈ পৰিছে শিক্ষা প্ৰদান আৰু শিক্ষা গ্ৰহণ উভয় পদ্ধতিৰে আমূল সংস্কাৰৰ প্ৰয়োজন, সেইদৰে প্ৰয়োজন হৈ পৰিছে পাঠ্য বহিৰ্গত বিষয়বোৰৰ ওপৰত পাঠ্য অন্তৰ্ভূক্ত বিষয়বোৰৰ দৰে সমানে গুৰুত্ব প্ৰদানৰ পৰম্পৰাও।

শিক্ষা প্ৰদান আৰু শিক্ষা গ্ৰহণ পদ্ধতি মূলতঃ হব লাগে- (১) প্ৰশ্নোত্তৰ প্ৰধান (২) গৱেষণাত্মক কৰ্মপ্ৰধান আৰু (৩) তথ্য আৰু তত্ত্ব আবিষ্কাৰক কৰ্ম প্ৰধান। এই তিনিও ক্ষেত্ৰতে শিক্ষক আৰু শিক্ষাৰ্থী উভয়ে হব লাগিব কৰ্মত ব্যস্ত, লগতে উভয়ে কৰিব লাগিব পৰস্পৰৰ লগত নিজ নিজ ভাৱ আৰু অনুভূতিৰ আদান প্ৰদান।

ভাৱৰ আদান প্ৰদান তথা বোধ আৰু অনুভূতিৰ আদান প্ৰদান, ব্যক্তিত্ব বিকাশৰ অপৰিহাৰ্য উপাদান। তথ্যৰ আৰু তত্ত্বৰ শ্ৰুতলিপি দিয়াৰ আৰু লিখাৰ মাধ্যমত ব্যক্তিত্বৰ বিকাশ সম্ভৱ নহয়। বোধ আৰু অনুভুতিৰ আদান প্ৰদানৰ অৰ্থে শিক্ষকৰ লগত শিক্ষাৰ্থীৰ, শিক্ষানুষ্ঠানৰ ভিতৰত, শিক্ষানুষ্ঠানৰ বাহিৰত, শিক্ষাৰ্থীৰ গৃহত, শিক্ষকৰ গৃহত, খেল পথাৰত সঘন লগালগি হোৱাৰ প্ৰয়োজন। কিন্তু এনে লগালগিৰ বাবে শিক্ষকে মাননি লব নালাগিব। এনে কৰ্ম শিক্ষকৰ আৰু

শিক্ষাৰ্থীৰ উভয়ৰে কাৰণে হব লাগিব স্বতস্ফূতঃ আনন্দৰ কৰ্ম। ই হব নালাগিব বাধ্যবাধক চাকৰি কৰ্ম। তেতিয়াহে ইয়াৰ মাধ্যমত শিক্ষাৰ্থীৰ মনত জাগিব শিক্ষকৰ প্ৰতি প্ৰীতিযুক্ত শ্ৰদ্ধাৰ ভাব আৰু শিক্ষকৰ মনত জাগিব শিক্ষাৰ্থীৰ প্ৰতি মৰমযুক্ত সহায় কৰাৰ ভাব। ভাৱৰ এনে আদান প্ৰদানৰ মাধ্যমতহে সম্ভৱপৰ ব্যক্তিত্বৰ বিকাশ।

**এই ক্ষেত্ৰত লিখকৰ ব্যক্তিগত অভিজ্ঞতা আৰু মধুৰ স্মৃতিঃ**

বাধ্যবাধক কৰ্মই বিভিন্ন হৃদয়ৰ মাজত সংযোগ সাধিব নোৱাৰে। এনে সংযোগ সাধিব পাৰে স্বতস্ফূতঃ কৰ্মৰ দ্বাৰাহে। এনে সংযোগৰ আধাৰ পাঠ্য অন্তৰ্ভুক্ত বিষয়বোৰৰ শিক্ষা প্ৰদানৰ আৰু গ্ৰহণৰ কৰ্মতকৈও অধিকতৰ ফলপ্ৰসূ আধাৰ। পাঠ্য বৰ্হিভূত বিষয়বোৰৰ শিক্ষা প্ৰদানৰ আৰু শিক্ষা গ্ৰহণৰ কৰ্ম হে। এই সত্য মই উপলব্ধি কৰিছিলোঁ মোৰ শিক্ষকতা কৰ্ম কৰাৰ কালতহে মুখ্যতঃ। মোৰ শিক্ষকতাৰ কাল আছিল সুদীৰ্ঘ চল্লিছ বছৰ। ছাত্ৰ-ছাত্ৰীৰ লগত থাকি মই সদায়ে ভাল পাইছিলো আৰু এই গতিকেই শিক্ষকতাৰ বাহিৰে অন্য কাম মই কেতিয়াও বিচৰাওঁ নাছিলো। মোৰ শিক্ষাদানৰ অভিজ্ঞতা প্ৰাইমেৰী স্তৰৰ পৰা বিশ্ববিদ্যালয় স্তৰলৈ আছিল। মই যেতিয়া ছিলঙৰ চেন্ট এডমানস্ মহাবিদ্যালয়ৰ বি.টি. বিভাগত অধ্যাপনাৰ কাম কৰিছিলোঁ তেতিয়া পাঠদানৰ পদ্ধতি প্ৰদৰ্শনৰ অৰ্থে প্ৰাথমিক আৰু মাধ্যমিক স্তৰতো পাঠদান কৰিবলগীয়া হৈছিল। অসম কৃষি বিশ্ববিদ্যালয়ৰ আদি অৱস্থাত তাতো মই কিছুদিন পঢ়ুৱাইছিলো। কিন্তু মাতৃৰ হৃদৰোগ হোৱাত সেই চাকৰি বাদ দি নলবাৰী মহাবিদ্যালয়ত প্ৰায় চৈধ্য বছৰ চাকৰি কৰিছিলো আৰু তাত ভূগোল, অৰ্থবিজ্ঞান আৰু ইংৰাজী, এই তিনি বিষয়ত পাঠদান দিবলগীয়া হৈছিল। ভিন ভিন বিষয়ৰ অধ্যাপকৰ সাময়িক অনুপস্থিতিৰ কালত। নলবাৰী মহাবিদ্যালয়ৰ পৰাই মই মঙলদৈ মহাবিদ্যালয়ত অধ্যক্ষৰূপে যোগদান কৰোঁ আৰু তাত প্ৰায় এঘাৰ বছৰ থকাৰ পাচত তাৰে পৰাই মই শিক্ষকতাৰ জীৱনৰো ওৰ পেলাওঁ। মই সদায়ে কথোপকথনৰ মাধ্যমতেহে পাঠদান কৰিছিলোঁ, বক্তৃতাৰ মাধ্যমত নহয়।

মুখ্যতঃ মোৰ নিজৰ আনন্দৰ বাবেই, লগতে মঙলদৈ মহাবিদ্যালয়ৰ ল'ৰা ছোৱালীৰ স্বাৰ্থৰ লগত জৰিত সকলকো মোৰ আনন্দৰ ভাগী কৰাৰ অৰ্থেহি, মঙলদৈ মহাবিদ্যালয়ত মই চাকৰি কৰা কালৰ দুই চাৰি কথা স্মৰণ কৰিব বিচাৰিছোঁ। এনে স্মৃতি স্মৰণত নানা অপ্ৰাসঙ্গিক কথা বা বহুতৰ বাবে অমনঃপুত কথাও আহিব পাৰে, তাৰ বাবে মই আগতে সহৃদয় পাঠক-পাঠিকা সকলৰ ওচৰত মাৰ্জনা বিচাৰি থলোঁ। লগতে মঙলদৈ মহাবিদ্যালয়ৰ শিক্ষাৰ্থী, শিক্ষক, অন্য কৰ্মচাৰী আৰু মঙলদৈ অঞ্চলৰ সহৃদয় ৰাইজৰ সকলো প্ৰকাৰৰ মঙ্গল কামনাও কৰিলো, লগতে তেওঁলোকৰ পৰা আৰ্শীবাদও বিচাৰিলো।

মই মঙলদৈ মহাবিদ্যালয়ত অধ্যক্ষৰূপে যোগদান কৰোঁ ১৯৬৬ খৃষ্টাব্দৰ চেপ্তেম্বৰ মাহৰ আগভাগত আৰু তাৰ পৰা অৱসৰ লওঁ ১৯৭৭ খৃষ্টাব্দৰ আগভাগত। এই কালত মোৰ কি অৱদান, সেই কথা মই কোৱা উচিত নহয় আৰু সেই কথা মই কবও নোখুজো। মই মাত্ৰ স্মৰণ কৰিব খোজোঁ মোৰ নানা মধুৰ স্মৃতি হে মুখ্যতঃ।

মঙলদৈ মহাবিদ্যালয়ত মই যোগদান কৰাৰ আগতে ই কিশোৰ কাল অতিক্ৰম কৰিছিল; ই হৈছিল পোন্ধৰ বছৰ বয়স প্ৰাপ্ত। মই যোগদান কৰাৰ দুমাহ মান আগতেই ইয়াৰ বিজ্ঞান শাখা খোলাৰ প্ৰস্তুতি চলিছিল; বিভিন্ন বিষয়ত অধ্যাপকৰ নিযুক্তি দিয়া হৈছিল, কিছুমান বিষয়ত নিযুক্তি দিব পৰা হোৱাও নাছিল। কিয়নো তেতিয়া বিশ্ববিদ্যালয়ৰ পৰা বিজ্ঞান শাখাৰ স্বীকৃতি নোপোৱাত বিজ্ঞান শাখাৰ অধ্যাপক সকলৰ বেতনৰ বাবে চৰকাৰৰ পৰা অনুদান নাহিছিল। সেয়ে তেওঁলোকৰ উচিত বেতন দিয়াতো সম্ভৱ হোৱা নাছিল; অৰ্থৰ অভাৱত। গৱেষণাগাৰবোৰও উচিত মতে সজ্জিত কৰিব পৰা নগৈছিল; ইউ, জি. চি.ৰ অনুদানেৰে মহাবিদ্যালয়ৰ মূল ঘৰটো সম্পূৰ্ণ ৰূপে সাজিব পৰা তেতিয়াও হোৱা নাছিল, কিয়নো মহাবিদ্যালয়ৰ নিজা ধনৰ অভাৱত তেতিয়াও গৃহ নিৰ্মাণ হোৱাৰ চাৰ্টিফিকেট দিব নোৱাৰাত ইউ. জি. চি.য়ে দিবলগীয়া ধনো সম্পূৰ্ণ ৰূপত মুকলি কৰি দিয়া নাছিল; ছোৱালী হোষ্টেল নাছিল, ল'ৰাৰ হোষ্টেল আছিল কিন্তু তাৰো এটা অংশত পাঠদান কৰিবলগীয়া হোৱাত তাত বাসকৰা ছাত্ৰৰ সংখ্যা আছিল কম। মহাবিদ্যালয় চৌহদৰ পৰা পানী ওলাই যোৱাৰ ব্যৱস্থা নাছিল; নাছিল চৌহদৰ বাহিৰত পানী উলিয়াই দিয়াৰ অৰ্থে কোনো নৰ্দমা চৌহদৰ ভিতৰত নাছিল। কিছুমান বনৰীয়া সাপ, ভেকুলি আৰু শিয়াল থকা কিছুমান জোপোহাৰ বাহিৰে কোনো শোভাকৰ গছ-গছনি তথা ফুলনি; আনকি তৃতীয় আৰু চতুৰ্থ শ্ৰেমীৰ কৰ্মচাৰীৰ বাহিৰে অধ্যক্ষ আৰু অধ্যাপক সকলক মাহৰ আদিতে নিয়মিত ৰূপে বেতন দিব পৰাটোও হোৱা নাছিল সম্ভৱ, জিৰণিৰ কালত দুখীয়া ছাত্ৰ ছাত্ৰীৰ আহাৰৰ কোনো সুবিধা নাছিল।

ইমানবোৰ নোহোৱাৰ মাজতো অধ্যক্ষৰ পদত যোগদান কৰাৰ পাচতে মোৰ ভাব হৈছিল এসময়ত মঙলদৈ মহাবিদ্যালয়ত অসমৰ নাম কৰা মহাবিদ্যালয়বোৰৰ সমকক্ষ নিশ্চয় হব। কিয়নো ইয়াত আছিল এনে এক সম্পদ যি আছিল

সকলো সম্পদৰে ভিতৰত শ্ৰেষ্ঠ। এয়া আছিল মঙলদৈ অঞ্চলৰ বাইজৰ মহাবিদ্যালয়ৰ প্ৰতি অন্তৰৰ স্বতঃস্ফুতঃ মৰমৰ ভাব। এই সম্পৰ্কতে উল্লেখনীয় যে মহাবিদ্যালয়ৰ স্থাপনৰ সময়ত, শ্ৰেষ্ঠদাতা আছিল ভেৰগাঁও অঞ্চলৰ এজন আদিবাসী খেতিয়ক শ্ৰীভোগীৰাম ডেকা; দানৰ পৰিমান আছিল মাত্ৰ পাঁচ হাজাৰ টকা। মই এই কথা স্মৰণ কৰি আজিও আনন্দ লভো যে শ্ৰদ্ধেয় ডেকাক মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ সামৰণি সভাত সেই সময়ৰ অসমৰ ৰাজ্যপাল এল. পি. সিঙৰ সমুখত মহাবিদ্যালয়ৰ ফুলনিৰ ফুলেৰে মহাবিদ্যালয়ৰ ছাত্ৰী সকলে আদৰেৰে গথাঁ ফুলৰ মালা পিন্ধাই মই নিজকে ধন্য মানিছিলো। মঙলদৈৰ মোৰ মনত থকা মধুৰ স্মৃতিবোৰৰ ভিতৰত ইও এক অন্যতম। ৰাজ্যপাল এল.পি. সিঙৰ কথা কওঁতে মোৰ এক অন্য মধুৰ স্মৃতি মনলৈ আহে। তেওঁ এবাৰ তেজপুৰলৈ যোৱাৰ কালত, তেওঁৰ গাড়ীতে থকা সেই সময়ৰ মঙলদৈৰ এচ.ডি.ও. শ্ৰীযুত অশোক শইকীয়াক (শ্ৰীযুত শইকীয়া এতিয়া দিল্লীৰ কেন্দ্ৰীয় চৰকাৰৰ এজন উচ্চ বিষয়া) কৈছিল যে তেওঁ ভাৰতৰ বিভিন্ন স্থানত অট্টালিকাযুক্ত বহুতো মহাবিদ্যালয় দেখিছে কিন্তু তেওঁ ক'তো মঙলদৈ মহাবিদ্যালয়ৰ দৰে নিৰিবিলি পৰিবেশ দেখা নাই এতিয়াও।

মই মহাবিদ্যালয়ত যোগদান কৰা বছৰৰ পৰাই মহাবিদ্যালয়ৰ কাৰ্য্যকৰী সমিতিৰ সভাপতি বহু বছৰ ধৰি আছিল শ্ৰদ্ধেয় দণ্ডীৰাম দত্ত (সেই সময়ৰ অসম চৰকাৰৰ এজন মন্ত্ৰী) ডাঙৰীয়া। মই মঙলদৈ মহাবিদ্যালয় এৰাৰ কালৰ সভাপতি আছিল এতিয়াৰ বিশিষ্ট আইনজীৱি শ্ৰীলক্ষ্মীকান্ত শইকীয়া ডাঙৰীয়া। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত পুৰান্দৰ শৰ্মা দেৱ আৰু এতিয়া প্ৰয়াত ৰামেশ্বৰ দেৱ আছিল মহাবিদ্যালয় কাৰ্য্যকৰী সমিতিৰ দুজন সক্ৰিয় সদস্য। এই সকল লোক আছিল সদায় অধ্যক্ষৰ সজ পৰামৰ্শদাতা আৰু মহাবিদ্যালয়ৰ মনে প্ৰানে উন্নতি বিচৰা লোক।

মই অধ্যক্ষৰ পদত যোগদান কৰাৰ কিছুদিন পাচৰ পৰাই চৰকাৰৰ ওচৰলৈ আৰ্থিক সাহায্য বিচাৰি লিখালিখি কৰি থাকিলো বহুদিন ধৰি। শেষত চৰকাৰে অৰ্থ সাহাৰ্য্য নিদি দিলে মহাবিদ্যালয়ৰে লগত সংলগ্ন পাঁচসত্তৰ একৰ মাটি। মই এই মাটি পায়েই মনে মনে সিদ্ধান্ত ললোঁ যে মই মাটি আধিত নিদিওঁ; কিয়নো তেতিয়া মহাবিদ্যালয়ৰ সংলগ্ন গাঁওবোৰৰ লোক সকলৰ লগত মাটি সম্পৰ্কে নানা বিবাদৰ সৃষ্টি হব পাৰে। মই সিদ্ধান্ত কৰিলোঁ যে মই এই মাটিৰ এখন ফাৰ্ম স্থাপন কৰিম আৰু এই ফাৰ্মেই হব মোৰ অৰ্জন কৰি অধ্যয়ন কৰা আঁচনিৰ এক বিশেষ অঙ্গ। এই সম্পৰ্কত উল্লেখনীয় যে মই সদায়ে আছিলো জাতিৰ পিতা মহাত্মা গান্ধীৰ আদৰ্শৰ অনুগামী। এসময়ত মহাত্মা গান্ধীৰ দ্বাৰা প্ৰবৰ্তিত বুনিয়াদী শিক্ষা নীতি আৰু বিনিয়োগ পদ্ধতি অধ্যয়নৰ অৰ্থে মই দিল্লীৰ জামিয়া মিলিয়া বিশ্ববিদ্যালয়ৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালতো পঢ়িছিলোঁ; সেই মহাবিদ্যালয়ৰ ছাত্ৰ সভাৰ চেক্ৰেটেৰীও আছিলো; আৰু মোক (আমাক) বুনিয়াদী শিক্ষাৰ নীতি সম্পৰ্কে শিক্ষা দিছিল পৃথিৱী বিখ্যাত শিক্ষাবিদ আৰু পাচৰ কালত ভাৰতৰ ৰাষ্ট্ৰপতি ডক্তৰ জাকিৰ হুছেইন মহোদয়ে স্বয়ং নিজে।

মই মহাবিদ্যালয়ত অধ্যক্ষৰ পদত যোগদান কৰা বছৰত মহাবিদ্যালয় শিক্ষাৰ্থীৰ সংখ্যা আছিল নানা কাৰণত কম। ইয়াত বিজ্ঞান শাখা নথকাত মেধাবী আৰু আঢ্যৱন্ত পৰিয়ালৰ ল'ৰা ছোৱালীবোৰ গৈছিল গুৱাহাটীলৈ অথবা তেজপুৰলৈ। দুখীয়া পৰিয়ালৰ পৰা ল'ৰা ছোৱালী সকলে ধনৰ অভাৱত মহাবিদ্যালয়ত পঢ়াৰ আশাই কৰিব নোৱাৰিছিল। মই সিদ্ধান্ত কৰিলোঁ এনে ধৰণৰ দুখীয়া শিক্ষাৰ্থী সকলৰ সুবিধাৰ বাবেই এখন ফাৰ্ম স্থাপন কৰিম আৰু এই ফাৰ্মেই হব মোৰ "অৰ্জন কৰি অধ্যয়ন কৰা" আঁচনিৰ প্ৰধান আধাৰ। এই ফাৰ্মত বাস কৰা প্ৰথম শিক্ষাৰ্থী সকলৰ ভিতৰত এজন আছিল সৰাবাৰী হাইস্কুলৰ পৰা দ্বিতীয় বিভাগত উত্তীৰ্ণ হোৱা এজন অত্যন্তই দুখীয়া পৰিয়ালৰ সন্তান শ্ৰীমান ইন্দ্ৰ কোঁচ। পাঁচৰ কালত জাপান চৰকাৰৰ সহযোগত ভাৰত চৰকাৰে প্ৰবৰ্তন কৰা আঁচনি মতে অনুষ্ঠিত 'সমাজসেৱা'ৰ প্ৰতিযোগিতাত মঙলদৈ মহাবিদ্যালয় অসমৰ সকলো মহাবিদ্যালয়ৰ ভিতৰত প্ৰথম স্থান লাভ কৰাত শ্ৰীইন্দ্ৰ কোঁচক জাপানলৈ পঠিওৱাৰ মই সুবিধাও পাইছিলো। এয়া মোৰ শিক্ষক জীৱনৰ এক অতি মধুৰ স্মৃতি, বিশ্ববিদ্যালয়ৰ পৰীক্ষাত মোৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থী সকলে দেখুওৱা কৃতিত্ব দেখুওৱাৰ স্মৃতিৰ দৰেই। হয়তো তাতকৈ অধিকতৰ ৰূপত। আনজন শিক্ষাৰ্থী শ্ৰীমান মতি ৰাম মেধিয়ে কলেজ ফাৰ্মত থাকিয়েই ১৯৭৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ স্নাতক পৰীক্ষাত সন্মান পাঠ্যক্ৰমত ভূগোল বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পায়। এই সম্পৰ্কত উল্লেখনীয় যে মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলে পাঠ্য বৰ্হিঃগত নানা বিষয়ৰ প্ৰতিযোগিতা কৃতিত্ব দেখুৱাবলৈ সমৰ্থ হৈছিল; শ্ৰীমান উপেন শইকীয়া অসম ফুটবলৰ দলতো ভৰ্ত্তি হবলৈ হৈছিল সমৰ্থ, শ্ৰীমতী কাশ্মিৰী শইকীয়াই চিত্ৰ অভিনয়ত কৃতিত্ব দেখুৱাইছিল, তদুপৰি মঙলদৈ মহাবিদ্যালয়ৰ চৌহদত শ্ৰীমান সমৰ নাৰায়ণ দেৱে "পুতলাঘৰ" সবাক চিত্ৰ কৰিছিল নিৰ্মাণ, তাত ময়ো লৈছিলো

এটা ভূমিকা। এই বোৰও আছিল মোৰ মধুৰ স্মৃতিবোৰৰ অন্যতম। পাঠ্য অন্তৰ্গত বিষয়তো মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে কৃতিত্ব প্ৰদৰ্শন কৰিবলৈ হৈছিল সমৰ্থ। সেই সকলৰ ভিতৰত আছিল শ্ৰীমান ভূদেৱ বসুমতাৰীও অন্যতম। তেওঁক ময়েই মহাবিদ্যালয়ত অৰ্থবিজ্ঞানৰ সন্মানকোৰ্ছত পাঠদান দিছিলোঁ। তেৰেই আকৌ বিশ্ববিদ্যালয়ৰ এম.এ. পৰীক্ষাত যেনেদৰে প্ৰথম শ্ৰেণীত প্ৰথম স্থান পাইছিল, তেনেদৰে পাইছিল অসম চিভিল চাৰ্ভিছ পৰীক্ষাতো প্ৰথম স্থান। এই সকলোবোৰ কথাই মোৰ মনত আজিও কোনোদিনেই পাহৰিব নোৱাৰা মধুৰ স্মৃতি।

মোৰ কিন্তু শ্ৰেষ্ঠতম মধুৰ স্মৃতিৰ ঘটনা ঘটিছিল মঙলদৈ মহাবিদ্যালয়ত যোগদান কৰাৰ দ্বিতীয় বছৰত। সেই বছৰতে মই দুটা কাম কৰাৰ সিদ্ধান্ত মনৰ ভিতৰতে লওঁ- (১) দুখীয়া ছাত্ৰ-ছাত্ৰী সকলে যাতে কম খৰচতে আজৰি পৰত ভোক পলাই আহাৰ খাব পাৰে, সেই উদ্দেশ্যত সমবায় নীতিৰ ভিত্তিত মহাবিদ্যালয়ৰ চৌহদত এটা "কেন্টিন" স্থাপনৰ সিদ্ধান্ত আৰু (২) চৌহদৰ পানীবোৰ বাহিৰলৈ উলিয়াই দিয়াৰ অৰ্থে চৌহদৰ কাষে কাষে এটা নৰ্দমা কটাৰ সিদ্ধান্ত। দ্বিতীয় কৰ্মটো মই মহাবিদ্যালয়ৰ সমাজসেৱা বিভাগৰ এক অঙ্গ কৰ্ম ৰূপে ললোঁ। সময়ত প্ৰথম সিদ্ধান্ত ৰূপায়িত কৰাও হ'ল আৰু তাত দহ পয়চাতে দুখীয়া ছাত্ৰ ছাত্ৰী সকলে ভোক পলুৱাই আদা-নাৰিকলৰ টুকুৰা মিহলি আগৰাতিয়ে তিয়াই থোৱা বুটৰ ব্যৱস্থাও কৰা হ'ল।

দ্বিতীয় সিদ্ধান্ত ৰূপায়িত কৰাৰ অৰ্থে মই প্ৰতি ৰবিবাৰত সমাজসেৱা কামৰূপে নৰ্দমা কটাৰ আঁচনি ললোঁ। এই কাম কৰিছিল ছাত্ৰ সকলে, ছাত্ৰীসকলে ছাত্ৰ সকলক পিয়াহৰ পানী মাজে মাজে দিছিল, শিক্ষক সকলৰ দুজন বিশেষতঃ সমাজসেৱা দায়িত্বৰ অধ্যাপক ৰাজেন বৰুৱাদেৱেও ছাত্ৰ সকলৰ লগত কোৰ মাৰি মাৰি নৰ্দমা খান্দিছিল, মই নিজে কোৰ মৰা নাছিলোঁ কিন্তু দুই চাৰি জন অধ্যাপকৰ লগত কাম পৰিদৰ্শন কৰি, আচলতে ছাত্ৰ-ছাত্ৰীসকলক প্ৰেৰণা দি আছিলো। ছাত্ৰ-ছাত্ৰীসকল ভাগৰি পৰিলে কেন্টিনৰ তত্ত্বাবধানত নাৰিকলৰ আৰু আদাৰ টুকুৰা মিহলি বুটমাহ তেওঁলোৰ লগত আমিও খাইছিলো আৰু তেনেদৰে খাই আনন্দও পাইছিলো অশেষ। এনেদৰে কিছুদিন কাম কৰাৰ পাচত চৌহদৰ নৰ্দমা কটা কাম শেষও হ'ল। এনে কাম চলি থকা অৱস্থাত কেতিয়াবা আমি ভোজমেলও পাতিছিলো। তালৈকে ওচৰৰ গাঁৱৰ লোককো মাতিছিলো। তেওঁলোক সুদা হাতে নাহিছিল, তেওঁলোকে লৈ আহিছিল কুহিয়াৰ, তিয়হ, আলু, ৰঙালাউ আদি।

এই কথা স্মৰণ কৰি আজিও আনন্দিত যে সমাজসেৱাৰ কামৰ বাবেই চৰকাৰে পচিশঁ হাজাৰ টকা অনুদান দিছিল আৰু সেই অনুদানৰ টকাৰে মহাবিদ্যালয়ৰ সন্মুখৰ পকা বেৰ আৰু দুই কাষৰ কটাতাৰৰ বেৰৰ বাবে প্ৰয়োজনীয় বস্তুবোৰ কিনা হৈছিল আৰু সমাজসেৱাৰ শিক্ষাৰ্থী সকলৰ শ্ৰমৰ দ্বাৰাই এইবোৰৰ হৈছিল নিৰ্মাণ। ছাত্ৰ-ছাত্ৰী সকলে, লগতে শিক্ষক সকলেও কাম কৰি থকা কালত মই সদায়ে তেওঁলোকৰ লগতে আছিলো। এনেদৰে থকা কালত এজন ছাত্ৰই আহি কলে 'চাৰ'? মই কলো, 'কি?' তেওঁ কলে, 'চাৰ, আমি বহুত পালো।' মই সুধিলো, 'কিনো পালা? মহাবিদ্যালয়ৰ পৰা তোমালোকক আমি বহুতেই দিব পৰা নাই এতিয়াও। তেওঁ কলে, 'তথাপিও চাৰ বহু পালো, আমি পালোঁ আপোনাৰ আৰু শিক্ষাগুৰু সকলৰ আৰু বাইদেউ সকলৰ মৰম।' বাকীবোৰেও গিৰ্জনি মাৰি চিএঁৰি উঠিল, 'হয় চাৰ, আমি পালোঁ আপোনালোকৰ মৰম।' এয়াই মোৰ শিক্ষকতাৰ কালৰ তথা মঙলদৈ মহাবিদ্যালয়ৰ মধুৰতম স্মৃতি।

মোৰ ভাষাত পাৰস্পৰিক অন্তৰৰ মৰম প্ৰীতি শ্ৰদ্ধাৰ আদান প্ৰদানৰ সক্ষমতাৰ শিক্ষাই প্ৰকৃত শিক্ষা আৰু ইয়াৰ পৰম উদ্দেশ্যও। ঔপনিষদিক ঋষিৰ ভাৱনাত ইয়েই হয়তো 'ৰস বৈ সঃ' ৰ লগত মিলনৰ প্ৰস্তুতিত। মোৰ মানত আজিও 'কৰ্মত যোগ, ত্যাগত ভোগ, পূৰ্ণতাৰ তৃপ্তি বিকাশত, শিক্ষাৰ শক্তি সংযমত'। মঙলদৈ মহাবিদ্যালয়ৰ তোৰণত এই কথাকে লিখাও হৈছিল এসময়ত। ইয়াৰ প্ৰেৰনাতে উদ্বুদ্ধ হওঁক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু অভিভাৱকসকল, এয়েই মোৰ অন্তৰৰ কামনা, মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ প্ৰাক্ কালত।

---

*শ্ৰীগোস্বামীদেৱ মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, এজন নিপুন সাহিত্যসেৱী আৰু ভীষ্মপ্ৰতীম আদৰ্শৰ এজন শিক্ষাবিদ।*



# মঙ্গলদৈ মহাবিদ্যালয়ৰ প্ৰথম পঁচিশটা বছৰ আৰু ৰূপালী জয়ন্তীৰ এচেৰেঙা সোঁৱৰণ

প্ৰভাত চন্দ্ৰ শৰ্মা

উনবিংশ শতিকাত অসমত কলেজ স্থাপিত হোৱা নাছিল। এই শতিকাৰ সত্তৰৰ দশকত সেইসময়ৰ গুৱাহাটী চৰকাৰী হাইস্কুলৰ লগত পৰীক্ষামূলকভাবে এফ.এ. (পিছলৈ আই.এ.পি.ইউ, হায়াৰ চেকেণ্ডাৰী) শ্ৰেণী দুটা খোলা হৈছিল। পাছে, সেই ব্যৱস্থা সন্তোষজনক নোহোৱা বুলি শ্ৰেণী দুটা তুলি দিয়া হৈছিল। ইয়াৰ পৰিবৰ্তে অসমৰ ছাত্ৰক কলিকতাৰ (আজিকালি কলকাতা) কলেজত পঢ়িবৰ বাবে বৃত্তি দিয়া হৈছিল।

অসমৰ বাবে পৰম সৌভাগ্যস্বৰূপ গুৱাহাটীৰ কটন কলেজ ১৯০১ চনত প্ৰতিষ্ঠিত হৈছিল। সেই সময়ত তেতিয়াৰ অসমৰ অন্তৰ্গত শ্ৰীহট্টত মুৰাৰিচাঁদ কলেজৰ প্ৰতিষ্ঠা হৈছিল। ইয়াৰ কিছু বছৰৰ পাছত যোৰহাটৰ জগন্নাথ বৰুৱা কলেজ স্থাপিত হৈছিল। এইখন অসমৰ প্ৰথম বেচৰকাৰী কলেজ। ভাৰতৰ স্বাধীনতাৰ আগে পাছে প্ৰায় এটা দশকৰ ভিতৰত স্বাধীনতাৰ অ'ত ত'ত কেইবাখনো বেচৰকাৰী কলেজ প্ৰতিষ্ঠিত হৈছিল। বৰপেটাত মাধব চন্দ্ৰ চৌধুৰী কলেজ, ধুবুৰীত বি. এন. কলেজ, গোৱালপাৰাত গোৱালপাৰা কলেজ, নলবাৰীত নলবাৰী কলেজ, নগাঁৱত নগাওঁ কলেজ, শিৱসাগৰত শিৱসাগৰ কলেজ, ডিব্ৰুগড়ত কানৈ কলেজ, গোলাঘাটত দেৱৰাজ ৰয় কলেজ, তেজপুৰত দৰং কলেজ, (তেতিয়াৰ অবিভক্ত দৰং জিলাৰ সদৰ), উত্তৰ লক্ষীমপুৰত (আজিকালিৰ লক্ষিমপুৰ) উত্তৰ লক্ষীমপুৰ কলেজ প্ৰতিষ্ঠা হৈছিল। ইয়াৰ কিছুবছৰ পূৰ্বে গুৱাহাটীত অসমৰ প্ৰথম মহিলা কলেজ সন্দিকৈ কলেজ স্থাপিত হৈছিল।

মঙ্গলদৈতো এখন কলেজ লাগে মঙ্গলদৈৰ শিক্ষিত লোকসকলৰ মনত এনে ভাব থিতাপি লৈছিল। স্বাধীনতাৰ পিছত, ১৯৫১ চনত মঙ্গলদৈৰ কেইবাগৰাকীমান উকীলৰ চেষ্টাত ৰাজহুৱা সভা এখনত মঙ্গলদৈ কলেজ প্ৰতিষ্ঠাৰ বাবে আহবায়ক সমিতি এখন গঠিত লৈছিল। এই সমিতিয়ে আহবান কৰা ৰাজহুৱা সভাত সেইকালৰ মহকুমাধিপতি অমিয় ভূষণ দাসগুপ্তৰ সভাপতিত্বত কলেজৰ পৰিচালনা সমিতি গঠিত হৈছিল। প্ৰথমতে মঙ্গলদৈ ইণ্টাৰ মেডিয়েট কলেজ। পৰিচালনা সমিতিৰ প্ৰথমজনা সম্পাদক আছিল সেই সময়ৰ ডেকা উকীল প্ৰয়াত ৰামেশ্বৰ শৰ্মা। অধ্যক্ষৰ ভাৰ লৈছিল ডেকা উকীল সেইসময়ৰ বিধায়ক, প্ৰয়াত পুৰন্দৰ শৰ্মাই। কেইবাগৰাকী উকীল আৰু চৰকাৰী হাইস্কুলৰ শিক্ষক পৰিচালনা সমিতিৰ সদস্য হৈছিল। সেই বছৰৰ ২০ চেপ্তেম্বৰ তাৰিখে মঙ্গলদৈ কলেজৰ পাঠদান আৰম্ভ হৈছিল। নৈশ শ্ৰেণী। ইংৰাজী অসমীয়া, অৰ্থনীতি, লজিক আৰু সংস্কৃত শিক্ষনীয় বিষয়। পাৰ্চিয়ান ক্লাচ হয় নেকি চোৱা হৈছিল। কেইগৰাকীমান উকীল আৰু হাইস্কুলৰ শিক্ষক অবৈতনিক শিক্ষক আছিল। প্ৰথমতে সেইকালৰ ৰাজহুৱা পুথিভঁৰালতে (আজিকালি দৰংজিলা সাহিত্য সভা ভৱন) শিক্ষাদান হৈছিল। তেতিয়া বিজুলী চাকিৰ ব্যৱস্থা নাছিল। (মেণ্ঠল লাইট, পিছলৈ মঙ্গলদৈ চৰকাৰী হাইস্কুলত সম্প্ৰতি উচ্চতৰ মাধ্যমিক বিদ্যালয়) শ্ৰেণী বহিছিল। পিছলৈ অসমৰ অ'ৰ ত'ৰ অৰ্হতাসম্পন্ন অধ্যাপকক নিযুক্তি দিয়া হৈছিল। অসমৰ বাহিৰৰ পৰাও অহা শিক্ষক আছিল। সেইসকলৰ কেইগৰাকীমান অৱসৰ প্ৰাপ্ত লোক আছিল। ক্ষুদ্ৰ দান বৰঙনিৰে কলেজৰ নিধিঃ মহকুমাধিপতি দাসগুপ্ত ডাঙৰীয়াই মৌজাদাৰসকলৰ যোগেদি খাজনাৰ ধনৰ লগত কিছু অৰ্থ সংগ্ৰহ কৰাই দিছিল ছাত্ৰ-ছাত্ৰীৰ মাচুলৰ ধনো অলপ পাইছিল।

১৯৫৬-৫৭ চনত অসম চৰকাৰৰদ্বাৰা কলেজখনৰ সংৰক্ষিত উপগুপাৰা জাৱণিত কলেজৰ ঘৰ নিৰ্মিত হৈছিল। স্থানীয় মানুহে ভূতৰ ভয়ত, শুনিলে হাত-ভৰি লুকুৱা, কাইটীয়া বাঁহৰ চোপাৰে ভৰি থকা উপগুপাৰৰ জাৱণি। অসম চৰকাৰে জনজাতীয় ছাত্ৰ নিবাসৰ বাবে দিয়া এটা অনুদানেৰে কলেজৰ প্ৰথম গৃহনিৰ্মাণ। আজিকালিৰ কাঠৰ খুটাৰে প্ৰেক্ষা প্ৰকোষ্ঠৰ পূব আৰু পশ্চিমলৈ থকা ঘৰকেইটা। প্ৰেক্ষা প্ৰকোষ্ঠাৰ গাতে লাগি থকা দক্ষিণফালৰ কোঠালীটোত অধ্যক্ষৰ কাৰ্য্যালয় আছিল। এই সময়ৰ পৰা কলেজৰ নিজা ঘৰত আই এ শ্ৰেণীৰ পাঠদান দিনৰভাগত হৈছিল। ইয়াৰ পূবে ছাত্ৰাবাস আছিল। তেতিয়া আই এ শ্ৰেণী বিশ্ববিদ্যালয়ৰ অধীনত থকা বাবে মঙ্গলদৈ কলেজে চৰকাৰৰ ঘাটি মঞ্জুৰি লাভ কৰিছিল। ১৯৫৯ চনত বি.এ. প্ৰথম বাৰ্ষিকৰ নৈশ শ্ৰেণী আৰম্ভ হয়। উল্লেখযোগ্য যে ১৯৫৩ চনত প্ৰথম দলৰ আই এ. উত্তীৰ্ণ হৈ উচ্চশিক্ষাৰ পৰা বঞ্চিত হৈ থকা একাধিক ছাত্ৰই বি.এ. শ্ৰেণীত নামভৰ্ত্তি কৰিছিল। দিবা শাখাৰ বি.এ. শ্ৰেণীৰ শিক্ষাদান আৰম্ভ হ'ল। বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰ আধা, অসম চৰকাৰৰ চাৰিভাগৰ এভাগ, কলেজৰ নিজানিধিৰ চাৰিভাগৰ এভাগ এই হাৰত পোৱা বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰ সাহাৰ্য্যৰ ধনেৰে আজি কালিৰ ছয় নম্বৰ কোঠালিৰ পৰা বাইশ নম্বৰ কোঠালিলৈ কলেজৰ গৃহনিৰ্মাণ হ'ল। ১৯৬৬ চনত অসমীয়া, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতিৰ অনাৰ্চ (আজি কালিৰ মেজৰ) আৰু পদাৰ্থবিদ্যা, ৰসায়নশাস্ত্ৰ, জীৱবিজ্ঞান, অংক আৰু ভূগোলৰ প্ৰাকবিশ্ববিদ্যালয় পাঠ্যক্ৰমৰ বিজ্ঞান শাখাৰ আৰম্ভ হয়। অসমীয়া অনাৰ্চ পাঠ্যক্ৰমৰ অন্তৰ্গত বঙলা ভাষাৰ পাঠ্যক্ৰমৰ অন্যতম প্ৰয়োজনৰ চাহিদাত বঙলা বিষয়টোৰ পাঠদান আৰম্ভ কৰা হ'ল। ইয়াৰ এবছৰমান আগতে কলাশাখাত ভূগোল আৰু অংকৰ বিষয় দুটা খোলা হৈছিল। ইতিপূৰ্বে মঙ্গলদৈ কলেজত জাতীয় শিক্ষাৰ্থী বাহিনীৰ (এন.চি.চি.) প্ৰশিক্ষণ আৰম্ভ হৈছিল। সেইসময়ৰ মঙ্গলদৈৰ স্কুল আৰু কলেজৰ জাতীয় শিক্ষাৰ্থী বাহিনীৰ কেডেট সকলৰ ৰাইফলৰ গুলি লক্ষ্যভেদৰ আখৰাৰ সুবিধাৰ অৰ্থে আজিকালিৰ ছাত্ৰাবাসটোৰ দক্ষিণ পশ্চিমত এটা কৃত্ৰিম টিলাৰ নিৰ্মাণ হৈ উঠিছিল।

মঙ্গলদৈৰ দ্বিতীয় গৰাকী স্নাতোকোত্তৰ ডিগ্ৰীধাৰী, আইনজীৱী লোকেলবৰ্ডৰ খ্যাতিমান চেয়াৰমেন, তিনিবাৰৰ বাবে বিধায়ক নিৰ্বাচিত হৈ অঞ্চলটোৰ সেৱা আগবঢ়োৱা শিক্ষাবিদ (পিছলৈ মঙ্গলদৈ আইন মহাবিদ্যালৰো প্ৰতিষ্ঠাতা অধ্যক্ষ) প্ৰয়াত পুৰন্দৰ শৰ্মাদেৱে আৰ্থিক অপৰ্য্যাপ্তিৰ মাজেৰে আৰম্ভ কালৰ কিছু অননুকুল অৱস্থাৰ সন্মুখীন হৈও প্ৰথম কেইবছৰ মান অবৈতনিকভাৱে কলা শাখাৰ ডিগ্ৰী আৰু বিজ্ঞান শাখাৰ আৰম্ভনি কৰি ১৯৬৭ চনৰ জুলাই মাহৰ পহিলা তাৰিখে দ্বিতীয় গৰাকী অধ্যক্ষ শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী দেৱৰ হাতত অধ্যক্ষৰ দায়িত্ব অৰ্পন কৰিছিল। কলেজখন ঘাটি মঞ্জুৰী অৱস্থালৈ অহাৰ পৰা দ্বিতীয়গৰাকী অধ্যক্ষৰ কাৰ্য্যকালৰ দুবছৰমানলৈ এওঁ পৰিচালনা সমিতিৰ সম্পাদক আছিল। এই গৰাকী প্ৰাক্তন অধ্যক্ষই ৰূপালী জয়ন্তীৰ স্মৃতিগ্ৰন্থত লিখা সোঁৱৰণত কলেজখনৰ প্ৰতিষ্ঠাতা সম্পাদক প্ৰয়াত ৰামেশ্বৰ শৰ্মাৰ আশাসুধীয়া কৰ্মৰ বিষয়ে আন্তৰিকতাৰে উল্লেখ কৰিছে।

অধ্যক্ষ গোস্বামীৰ কাৰ্য্যকালৰ প্ৰথম বছৰতে অসমীয়া অনাৰ্চত পাঠ্যক্ৰমৰ অন্তৰ্ভূক্ত সংস্কৃত পাঠ্যক্ৰমৰ শিক্ষাদানৰ সুবিধাৰ লগতে সংস্কৃত শিক্ষাদানৰ অৰ্থে ১৯৫৬ চনৰ পৰা বন্ধ হৈ থকা সংস্কৃত বিষয়টো পুনৰ খোলা হৈছিল।

সেই সময়ৰ কলেজৰ শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ ছাত্ৰীৰ সুবিধাৰ অৰ্থে অধ্যক্ষৰ পৰামৰ্শ মতে শিক্ষক কৰ্মচাৰীৰ প্ৰচেষ্টাত মঙ্গলদৈ কলেজ কেন্টিন, মঙ্গলদৈ কলেজ শিক্ষক কৰ্মচাৰী ওৱেলফেয়াৰ ফাণ্ড 'মঙ্গলদৈ কলেজ শিক্ষক কৰ্মচাৰী সমবায় সমিতি' স্থাপিত হৈছিল।

কিছুবছৰ আগলৈকে সাংসদ আৰু বিধায়কৰ নিজৰ নিজৰ সমষ্টিৰ উন্নয়ণৰ অৰ্থে কোনো নিৰূপিত নিধি নাছিল। অধ্যক্ষ গোস্বামীয়ে কলেজখনৰ উন্নয়ণ কৰ্মৰ অৰ্থে কলেজ উন্নয়ণ নিধিৰ নামত কলেজৰ ছাত্ৰ-ছাত্ৰী সকলৰ পৰা প্ৰত্যেক বছৰৰ বাবে এটা নিৰূপিত হাৰৰ মাচুল লোৱাৰ ব্যৱস্থা কৰিছিল। ক্ৰমে কিছু পৰিমানে আৰ্থিক স্বচ্ছলতা আহিছিল। তেইশ, চব্বিশ, পঁচিশ নম্বৰ কোঠালি, অধ্যক্ষৰ কোঠালি, কাৰ্য্যালয়ৰ কোঠালি আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ জিৰণি কোঠালিটোৰ নিৰ্মাণ হৈ উঠিছিল। ইয়াৰ লগত বিশ্ববিদ্যালয় মঞ্জুৰি আয়োগৰ আন এটা অনুদানৰ ধনেৰে ছাত্ৰী নিবাস আৰু অধ্যক্ষ বাসভৱনৰ নিৰ্মাণ হৈছিল (ছাত্ৰী নিবাসৰ পূবৰ অংশ এটা পিছত হৈছে)।

১৯৭২ চনৰ গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় ফুটবল টুৰ্নামেন্ট মঙ্গলদৈ মহাবিদ্যালয়ৰ খেল পথাৰত অনুষ্ঠিত কৰোৱা হৈছিল। এই উদ্দেশ্যে অধ্যক্ষ গোস্বামীৰ আঁচনি অনুসৰি সমিতি এটি গঠিত হৈছিল আৰু তেতিয়াৰ মঙ্গলদৈ মহকুমাৰ প্ৰায়বোৰ ঠাইৰ পৰা দান বৰঙণি সংগ্ৰহ কৰা হৈছিল। অতীৱ মিতব্যয়িতাৰে টুৰ্নামেন্ট সম্পন্ন কৰাই যি ধন ৰাহি কৰা হৈছিল তাৰে কলেজৰ উত্তৰ ফালৰ পকাদেৱাল খন আৰু প্ৰেক্ষাপ্ৰকোষ্ঠ নিৰ্মাণ খৰচৰ জোৰা মৰা হৈছিল। কলেজখনৰ

মূল পথটো (কৰিম বস্ক স্মৃতি তোৰণ) সেই সময়তে নিৰ্মাণ কৰোৱা হৈছিল। সেই ধনৰ পৰাই কলেজৰ শিক্ষক শিক্ষয়িত্ৰীৰ জিৰণি কোঠালিত থকা ৰেডিঅটোৰো যোগান ধৰা হৈছিল।

কলেজ চৌহদৰ ভিতৰত কলেজ ভৱনৰ দক্ষিণে কৃষিপাম এখন পতা হৈছিল। সেই সময়ৰ কৃষি ৰাজ্যিক মন্ত্ৰী প্ৰয়াত দণ্ডীৰাম দত্তৰ সৌজন্যত উদগনিমূলক ভাবে অনুষ্ঠুপীয়া চৰকাৰী সাহায্য পোৱা হৈছিল। এই পামত প্ৰয়াত জনা ৰাম কলিতাই কুঁহিয়াৰ আৰু সৰিয়হ আদিৰ খেতি কৰিছিল। কৃষিপামত 'আৰ্জি পঢ়া আঁচনি'ৰ এটা খেৰীঘৰত কেইজনমান ছাত্ৰ থাকি কৃষিকাম কৰি নিচেই কম খৰছত কলেজত পঢ়িছিল। কলেজৰ অধ্যক্ষ, শিক্ষক আৰু কিছুমান ছাত্ৰ ছাত্ৰীয়ে স্বেচ্ছাসেৱাৰে ছাত্ৰাবাসৰ পূবপিনে থকা মধুৰিআম আৰু কেন্টিনৰ ওচৰৰ লিচু গছ জোপাকে ধৰি কিছু গছ ৰুইছিল। সেই সময়ত পামখনত দুহাল বলদগৰু আৰু এখন গৰুগাড়ী আছিল।

কলেজ ভৱনৰ উত্তৰফালে ৰোৱা গছবোৰৰ পুলিবোৰ অধ্যক্ষ গোস্বামীয়ে বিশেষ প্ৰবন্ধ কৰি শ্বিলঙৰ পৰা অনাইছিল আৰু অতি যত্নেৰে ৰোৱাই প্ৰতিজোপাতে চেকোৱাৰ দিয়াইছিল।

কলেজত প্ৰতিষ্ঠিত এন, এচ, এচ. (ৰাষ্ট্ৰীয় সেৱা আঁচনি) স্বেচ্ছাসেৱক সকলৰ কৰ্মশিবিৰ অ'ত ত'ত হৈছিল। তেনে এটা শিবিৰ হৈছিল টঙলাৰ ওচৰৰ নাহৰবাৰীত। তাত অধ্যক্ষ গোস্বামীও এদিন উপস্থিত আছিল। অৰ্থনীতি বিভাগৰ বিশেষ উদ্যোগত জলজলীগাঁৱত অৰ্থনৈতিক সমীক্ষাৰ বাবে এটা শিবিৰ হৈছিল।

ইতিমধ্যে কলেজত শিক্ষা বিষয়টো খোলা হৈছিল আৰু ভূগোলৰ অনাৰ্চ পাঠ্যক্ৰমৰ প্ৰবৰ্ত্তন কৰা হৈছিল। ১৯৭২ চনত প্ৰতিষ্ঠিত মঙ্গলদৈ কলেজ সাহিত্য চ'ৰাই অসম সাহিত্য সভাৰ সাহিত্য সভা সপ্তাহবোৰ নিয়মীয়াকৈ পালন কৰিছিল। সাহিত্য চ'ৰাৰ সৌজন্যত অনা অসমীয়া ভাষী লোকসকলৰ উদ্দেশ্য অসম সাহিত্য সভাৰ অসমীয়া ভাষাজ্ঞান পৰীক্ষাকেন্দ্ৰ এটা মঙ্গলদৈ কলেজত চলিছিল। সাহিত্য চ'ৰাৰ বাৰ্ষিক অধিবেশনত সভালৈ খ্যাতিমান সাহিত্যিক দুগৰাকীমানক নিমন্ত্ৰণ জনোৱা হৈছিল। সেই অধিবেশনৰ নিশাৰ বিচিত্ৰানুষ্ঠানৰ থলুৱা কলা-কৃষ্টি আৰু গীতমাত পৰিবেশনৰ ব্যৱস্থা কৰা হৈছিল।

ছাত্ৰ একতা সভাৰ নবাগত আদৰনি সভা আৰু কলেজ সপ্তাহৰ অনুষ্ঠান বোৰত বিশেষকৈ ৰাতিৰ অনুষ্ঠানবোৰত কলেজৰ শিক্ষক কৰ্মচাৰী উপস্থিত আছিল।

মঙ্গলদৈ কলেজত ভূগোল বিভাগৰ আমন্ত্ৰন ক্ৰমে এবাৰ উত্তৰপূব ভাৰত ভূগোল সন্মিলন এই কলেজত অনুষ্ঠিত হৈছিল। কলেজৰ সকলো বিলাক শিক্ষক আৰু কৰ্মচাৰীয়ে এই অনুষ্ঠানত সক্ৰিয় সহযোগ কৰিছিল।

১৯৭৬ চন আছিল মঙ্গলদৈ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ। সেই বছৰৰ মাজভাগত পৰিচালনা সমিতিৰ সিদ্ধান্ত অনুসৰি অধ্যক্ষৰ আহ্বান ক্ৰমে ৰাজহুৱা সভা অনুষ্ঠিত হ'ল। সেই সময়ৰ কলাইগাওঁ সমষ্টিৰ বিধায়ক, মঙ্গলদৈ কলেজৰ পৰিচালনা সমিতিৰ সভাপতি শ্ৰীলক্ষীকান্ত শইকীয়াক জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি পতা হৈছিল। অধ্যক্ষ গোস্বামী সম্পাদক। ভালেকেইখন উপসমিতি। শিক্ষসকলৰ আৰু কৰ্মচাৰীসকলৰ ভাগে ভাগে কাম। ছাত্ৰ একতাসভাৰ সদস্যসকল আৰু বাইজৰ মাজৰ পৰাও দুই-চাৰি গৰাকী ইটো সিটো কামত জড়িত হৈছিল।

সংকল্প হ'ল— ৰূপালী জয়ন্তীৰ সভাসমিতি,ৰং-ৰইচৰ লগতে কলেজৰ বাবে এটা প্ৰেক্ষাগৃহ নিৰ্মাণ কৰোৱাৰ সুযোগ গ্ৰহণ কৰিব লাগে। কলেজৰ প্ৰৱেশ তোৰণৰ দক্ষিণলৈ, ভিতৰ ফালে ফলক এখন লগাই দিয়া হ'ল। "একলক্ষ ধন সংগ্ৰহৰ উদগ্ৰ অভিযান"। পঁচিশ বছৰৰ আগৰ একলক্ষ টকা।

অধ্যক্ষ গোস্বামীৰ নিৰ্দেশনা অনুসৰি শিক্ষকসকলৰ তিনিগৰাকী মানৰ একোটা দল হৈ অটোৰিস্কা আদি কম খৰচৰ যান-বাহন লৈ মঙ্গলদৈ মহকুমাৰ অ'লৈ ত'লৈ দান সংগ্ৰহৰ বাবে দিনটীয়া যাত্ৰা আৰম্ভ কৰিলে। এনেকৈ চাহবাগান আদিতো ঘূৰি কিছু ধন সংগ্ৰহ কৰা হ'ল।

জয়ন্তীৰ কাম আগবাঢ়িল। স্মৃতিগ্ৰন্থৰ কাম চলিল। কলেজখনৰ প্ৰথমখন পৰিচালনা সমিতিৰ সভাপতি, সম্পাদক, সদস্যসকল, প্ৰথমগৰাকী অধ্যক্ষ, প্ৰথমতে এই কলেজত অধ্যাপনা কৰি পিছলৈ অন্য ঠাইত অধ্যপনা বা অধ্যক্ষতা কৰা লোকসকল, প্ৰথম অৱস্থাত এহেজাৰ টকা দানদিয়া দাতাসকল, ৰূপালী জয়ন্তীৰে সৰ্ব্বোচ্চ পৰিমাণৰ দাতা গৰাকী (ভেৰগাঁও মৌজাৰ সেইকালৰ মৌজাদাৰ প্ৰয়াত ভগীৰাম ডেকা আদি) কলেজৰ হিতাকাঙ্খী লোকসকলৰ সম্বৰ্দ্ধনাৰ অৰ্থে মানপত্ৰ যুগুতোৱা হ'ল। সেইবছৰৰ শেষ তাৰিখ আৰু পিছৰ বছৰৰ জানুৱাৰী পহিলা তাৰিখ। এই দুদিনত ৰূপালী জয়ন্তীৰ সভা। প্ৰথম দিনা সভাত সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহ মুখ্য অতিথি। তেওঁ ভাষণ দিয়াৰ উপৰি বৰ্তমান অধ্যক্ষৰ কোঠালীটোৰ বাহিৰৰ উত্তৰ পশ্চিম কোনত এটা খুটাৰ আধাৰ শিলাৰে প্ৰেক্ষাগৃহৰ শুভাৰম্ভ কৰিছিল। (পিছত অৱশ্যে প্ৰেক্ষাগৃহটো এতিয়াৰ ঠাইডোখৰত পতা হ'ল)। দ্বিতীয় দিনৰ সভাত সেইকালৰ অসমৰ ৰাজ্যপাল শ্ৰীলালন

প্ৰসাদ সিঙে মুখ্য অতিথিৰ ভাষণ দিছিল। প্ৰাক্তন আৰু নবীন শিক্ষক ছাত্ৰৰ প্ৰীতি সন্মিলন, স্মৃতিগ্ৰন্থ উন্মোচন, প্ৰদৰ্শনী। নিশাৰ বিচিত্ৰানুষ্ঠান আদি আনুষংগিক অনুষ্ঠানবোৰ হৈছিল।

জয়ন্তীৰ সকলোবোৰ খৰচপাতি মিতব্যয়িতা অৱলম্বন কৰা হৈছিল। ভোজ-ভাতৰ ব্যৱস্থা কৰা হোৱা নাছিল। চাহপানী বিস্কিটেৰে সাধাৰণ আপ্যায়ন। প্ৰয়োজন অনুসৰি কেতিয়াবা অলপ উন্নত জলযোগৰ ব্যৱস্থা। ৰূপালী জয়ন্তীৰ আয়-ব্যয়ৰ হিচাব পৰীক্ষা কৰাই পুস্তিকা ছপা কৰাই সভা পাতি ৰাজহুৱা ভাৱে প্ৰকাশ কৰা হৈছিল।

উনৈশ শ বাসত্তৰ চনৰ গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃকলেজ ফুটবল টুৰ্নামেণ্ট আৰু ৰূপালী জয়ন্তী দুয়োটাৰ উদ্‌যাপনত অধ্যক্ষ গোস্বামীয়ে এই অঞ্চলৰ বাইজক সম্পৰ্কলৈ অনাৰ প্ৰয়াস কৰিছিল। সেইবাবে ধন সংগ্ৰহৰ ব্যাপক অভিযান চলোৱা হৈছিল। মনত পৰে দুই চাৰি গৰাকী ভদ্ৰলোকে বিনা দ্বিধাই দান আগবঢ়াই পৃষ্ঠপোষক হৈছিল। বুজাই ক'লে কিছুমান লোকে দান দিবলৈ হেলা নকৰিছিল অৱশ্যে কিছুমানে প্ৰতিশ্ৰুতি দিও ধন আদায় নিদিয়াকৈ আছিল। স্মৃতিগ্ৰন্থৰ দাতাৰ তালিকাৰ নাম চপাবলৈ পঠোৱা বুলি জানি প্ৰতিশ্ৰুত ধন আদায় দিবলৈ অনা ধনো ঘূৰাই লৈ যোৱা লোকো পোৱা গৈছিল।

অসম চৰকাৰে অধ্যক্ষ গোস্বামীৰ অধ্যক্ষতাৰ কাল ১৯৭৭ চনৰ পহিলা জানুৱাৰীৰ পৰা ত্ৰিশ জুনলৈ বৃদ্ধি কৰিছিল। নিৰ্মল ভাবমূৰ্তিৰ বিশিষ্ট শিক্ষাবিদ আৰু কৰ্মপৰায়ণ লোক স্বৰূপে বহুজন সমাদৃত মঙ্গলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ বৰ্তমান প্ৰবোধ চন্দ্ৰ গোস্বামীয়ে এঘাৰ বছৰৰ অধ্যক্ষতাৰ অন্তত তৃতীয় গৰাকী অধ্যক্ষ প্ৰয়াত আব্দুল মজিদ চাহাবক অধ্যক্ষৰ কাৰ্য্যভাৰ সেই চনৰ পহিলা জুলাই তাৰিখে অৰ্পন কৰিছিল।

ৰূপালী জয়ন্তীৰ উদ্বৃত্ত প্ৰায় বাসত্তৰ হেজাৰ টকা এটা সৰু সমিতিৰ তত্বাৱধানত মঙ্গলদৈ মহাবিদ্যালয় প্ৰেক্ষাগৃহ নিৰ্মাণৰ নিধি হিচাপে প্ৰেক্ষাগৃহ নিৰ্মাণৰ কাম আৰম্ভ হোৱালৈকে সংৰক্ষিত হৈছিল।

মঙ্গলদৈ মহাবিদ্যালয়ৰ জন্মলগ্নৰ পৰা বৰ্তমানলৈ যি সকল লোকে নানা ভাবে লালন পালন কৰি এই বিদ্যামন্দিৰক সমৃদ্ধ কৰি তুলিছে সেই সকললৈ আমাৰ অন্তৰত পৰ্বত প্ৰমাণ শ্ৰদ্ধা। সোণালী জয়ন্তীৰ স্মৃতিগ্ৰন্থত সেই সকলৰ নাম আৰু কৰ্ম যথাযোগ্য বাবে প্ৰকাশ পাব বুলি আশা ৰাখিছোঁ।

এই বিদ্যামন্দিৰক সৰ্বত্ৰ, আচলতে যিটো ভাল বুলি বহুজন স্বীকৃত তাৰে চৰ্চা আৰু অনুশীলন হওঁক- এয়ে কামনা।

---

*শ্ৰীশৰ্মাদেৱ মঙ্গলদৈ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰাক্তন মুৰব্বী, সাহিত্যিক পেঞ্চনাৰ আৰু ২০০২ চনৰ সাহিত্য অকাডেমী বটা বিজয়ী পণ্ডিত লোক।*



# ঐতিহাসিক পটভূমিত বৃহত্তৰ মঙলদৈ অঞ্চল

ধনপতি কলিতা

ঐতিহাসিক পটভূমিত বৃহত্তৰ মঙলদৈ অঞ্চলৰ কথা লিখিবলৈ যোৱাৰ আগতে দূৰ অতীতৰ এই ভূ-খণ্ডৰ সম্পৰ্কে অলপ আলচ কৰাৰ প্ৰয়োজন বোধ কৰিছোঁ। শ্ৰীযুত কৰুণাময় হৰিপদ গোস্বামীদেৱে এই ভূ-খণ্ডৰ নাম দৌৰঙ্গ আছিল বুলি তেওঁ লিখা 'দৌৰঙ্গ মঙ্গলদৈ' নামৰ প্ৰবন্ধত উল্লেখ কৰিছে। এই নামৰ ৰাখ্যা তেওঁ এনেদৰে দাঙি ধৰিছে— দৌ-ৰ অৰ্থ দেৱতা বা দেৱতামণ্ডলী, ৰঙ্গ শব্দৰ অৰ্থ আনন্দ; অৰ্থাৎ যি ঠাইত দেৱতামণ্ডলী ৰঙ্গৰ প্ৰয়াসেৰে সমবেত হৈছিল সেই পবিত্ৰ ভূ-খণ্ডই দৌৰঙ্গ বা দৰঙ্গ ৰাজ্য। এনে ৰাখ্যাৰ পৰা সহজে অনুমান কৰিব পাৰি যে অতীতত এই ঠাই সকলো দিশৰ পৰা কল্পনাৰ স্বৰ্গৰাজ্যৰ দৰে সুখৰ ঠাই আছিল। কিন্তু এই নামকৰণৰ সময় নিৰ্ণয় কৰা টানেই, আনহাতে এই নাম খৃষ্টাব্দ কিমান শতিকালৈ বাহাল আছিল সেই কথাও কোৱা টান। একাদশ শতিকাত ৰচিত কালিকা পুৰাণত দৌৰঙ্গ শব্দৰ উল্লেখ থকাই এই শতিকাৰ কিছুপিচলৈ বৰ্ত্তি আছিল বুলি ভাবিব পাৰি। ৰাজধানী প্ৰাগজ্যোতিষপুৰক লৈ প্ৰাগদেশ আৰু শোনিত পুৰক লৈ দৌৰঙ্গ ৰাজ্য, দুখন সুকীয়া ৰাজ্য হলেও পশ্চিমাঞ্চলৰ সঠিক সীমা নিৰ্ণয় নাছিল যেন লাগে। সেই বাবেই স্বৰ্গীয় দীনেশ্বৰ শৰ্মাই 'মঙ্গলদৈৰ ইতিহাস' নামৰ প্ৰবন্ধত লিখিছে যে "দৰঙ্গ ৰাজ্যৰ একাংশ একালত বৃহত্তৰ কামৰূপ ৰাজ্যৰ অন্তৰ্গত হৈছিল। সেই সময়ত ইয়াক কামৰূপ বা কামাখ্যা বুলিয়ে কৈছিল"। সেই কালত কামাখ্যা এটা মন্দিৰেই নাছিল; ই এক সাংস্কৃতিৰ বাহক আছিল। শাক্ত সংস্কৃতিয়ে দুই ৰাজ্যৰ অধিবাসীৰ মাজত ঐক্য আনিছিল। সেই বাবেই দুয়ো ৰাজ্যৰ অধিবাসীৰ মাজত আচাৰ নীতিৰ মিল দেখা যায়।

প্ৰাগদেশৰ নাম কিমান শতিকাত কামৰূপ হ'ল সেই কথা নিৰ্ণয় কৰা টান। প্ৰবাদ আছে যে মহাদেৱৰ ৰোষত পৰি কামদেৱ ভষ্ম হোৱাৰ পাচত পুনৰ্জীৱন এই প্ৰাগদেশতে লাভ কৰিছিল। এই অসাধ্য সাধনৰ ফলশ্ৰুতিয়ে দেশখনৰ নামকে পৰিবৰ্ত্তন কৰি কামৰূপ কৰিলে। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে যি ঠাইত এই অসাধ্য সাধন হৈছিল সেই ঠাই বৰ্ত্তমানৰ মদনকামদেৱ- দেশ দৰঙ্গৰ অন্তৰ্গত আছিল বুলি বহুতে ভাৱে। শ্ৰীবৎস ৰজাই ৰাজত্ব কৰাৰ সময়ত তেওঁৰ ৰাজধানী 'ধৰ্ম্মাৰণ্য' নগৰ ধলপুৰৰ আশে-পাশে আছিল বুলি কয়। ইয়াৰ উপৰি কৌৰৱৰ বিয়াৰ বাহৰ কুৰুৱা, বলিৰজাৰ যজ্ঞৰ থলী-বামণ পৰ্ব্বত বৰ্ত্তমানো দৰঙৰ অৰ্ন্তগত। পৰীক্ষিত নাৰায়ণে অশ্বক্ৰান্তৰ ওচৰত স্থাপন কৰা প্ৰথমখন ৰাজধানী দৰঙৰ অন্তৰ্গত আছিল বুলি বুৰঞ্জীবিদ সকলে কয়।

দৌৰঙ্গ নামৰ দেশখনৰ নাম দৰঙ্গ বা দৰং কেনেকৈ হ'ল তাৰ আন এটি উৎস আছে। আন্তৰ্জাতিক সীমাৰ মাজত এখন দেশৰ পৰা আনএখন দেশলৈ অহা-যোৱা কৰা কিছুমান সুনিৰ্দিষ্ট পথ বা গিৰিপথ আছিল। ৰজাৰ নিয়ন্ত্ৰণত থকা এনে বহু পথ আছিল। এই পথ সমূহক দ্বাৰ বুলি কোৱা হৈছিল। এই দ্বাৰযুক্ত দেশখনক পিচলৈ দৰঙ্গ দেশ বা দৰং দেশ বোলা হৈছিল। সেই কালত দৰং ৰাজ্যলৈ অহা-যোৱা কৰা এনে পথৰ নাম আছিল কৌলিন্যদ্বাৰ (হিমালয়ৰ যোগথলা পাহাৰৰ কাষেৰে) খালিংদ্বাৰ, কালিংদ্বাৰ আদি। এই দ্বাৰ শব্দৰ অসমীয়া তত্ত্বৰূপ দুৱাৰ হোৱাৰ বাবেই বৰ্ত্তমান তেনে কিছুমান ঠাইৰ নামৰ ন-ৰূপ হ'ল - কালিংদুৱাৰ, চাৰিদুৱাৰ, ছয়দুৱাৰ, ন-দুৱাৰ আদি। এনেকৈয়ে দৌৰঙ্গৰ সলনি দৰঙ্গ; দৰঙ্গৰ পৰা দৰং নামৰ উৎপত্তি হোৱা বুলি বিজ্ঞসকলে ভাৱে। সময়ৰ পৰিবৰ্ত্তনৰ চেপাত পৰি বিস্তীৰ্ণ দৰং সঙ্কুচিত হৈ বৃহত্তৰ মঙলদৈতে সীমাবদ্ধ হৈ ৰ'ল গৈ।

প্ৰাচীন কালত দৌৰঙ্গ বা দৰঙ্গ দেশৰ ৰজাসকল

আছিল অসুৰ বা দানৱ বংশীয়। সৰ্ব্ব সাধাৰণে অসুৰ বা দানৱ বুলিলেই সাধুকথাত বৰ্ণিত অসংস্কৃত বন্যস্বভাৱৰ অনাৰ্য জনগোষ্ঠীৰ মানুহ বুলি ভাৱে। আচলতে এই ধাৰণা শুদ্ধ নহয়। আৰ্যসংস্কৃতিৰ লগত মিল নথকা, অসাধৰণ শক্তিৰ অধিকাৰী নিজা কৃষ্টিৰে পৰিচালিত ভোগবাদী অনাৰ্য্য সকলকে অসুৰ বুলি আৰ্য্যসকলে কৈছিল। প্ৰাচীন কালত শোণিতপুৰত মায়াসুৰ বাণৰ পাচত দৰং ৰাজ্যৰ পশ্চিমাঞ্চল কামৰূপৰ অধীনত থকাই বোধহয় চতুৰ্থ শতিকালৈ দৰঙ্গৰ বুৰঞ্জীৰ বিশেষ তথ্য পোৱা নাযায়। চতুৰ্থ শতিকাৰ পাচত বৰ্ম্মন, শাল, পাল, খেন বংশীয় ৰজাসকলে ৰাজত্ব কৰিছিল। এই ৰজাসকলৰ দিনত ঘটা ঘটনাৰ লগতে দেশৰ আৰ্থসামাজিক অৱস্থাৰ প্ৰামাণ্য বিবৰণ পোৱা নাযায়। তেওঁলোকে খন্দোৱা সৰোবৰ সদৃশ কিছুমান পুখুৰী বৰ্ত্তমানো দেখা পোৱাযায় যদিও নামত বাহিৰে কৰ্ত্তাৰ কোনো নাম পোৱা নাযায়। খেন বংশীয় ৰজাসকল দুৰ্বল হৈ পৰাত সুযোগ বুজি ভূঞা সকলে অসমৰ ঠায়ে ঠায়ে ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য পাতি শাসন কৰিছিল। এই বিলাকৰ ভিতৰত বৰবাৰ ভূঞা সকলে 'বঙ্গ গ্ৰামত' ৰাজধানী পাতি দৰঙৰ কিছু ঠাই শাসন কৰিছিল। বস্তুতে এই বঙ্গগ্ৰাম বৌতা বুলি ভাৱে। ভূঞাসকলৰ শাসন খৃঃ তেৰশ শতিকাৰ শেষ ভাগলৈ চলিছিল বুলি অনুমান কৰিব পাৰি। কিয়নো তেৰশ শতিকাৰ তৃতীয় দশকত সৌমৰ পীঠত আহোমসকলে ৰাজত্বৰ পাতনি মেলাৰ পাচত ভূঁঞাসকলৰ শক্তি হ্ৰাস পায়। এই সময়লৈকে মঙলদৈ নামৰ উৎপত্তি, বিস্তৃতিৰ কথা পোৱা নাযায়।

১৬১২ খৃষ্টাব্দত ঢাকাৰ নাবাবে কোঁচ-হাজো আক্ৰমন কৰে। কোঁচ-হাজো দখল কৰি নাবাবে মুকৰমখাঁক শাসনকৰ্তা পাতিলে। এই যুদ্ধত জয় লাভ কৰি, উৎসাহ পাই বিজয়ী মুছলমান সৈন্য উজাই গৈ কলিয়াবৰ পালে গৈ। স্বৰ্গদেউ প্ৰতাপ সিংহই আহোম ৰাজ্য আক্ৰমন কৰিব অহাদেখি পৰীক্ষিত নাৰায়ণৰ পুত্ৰ বলিত নাৰায়ণৰ সতে লগ হৈ কলিয়াবৰতে যুদ্ধত অৱতীৰ্ণ হয়। এই যুদ্ধত মুছলমান সকল সম্পুৰ্ণ পৰাজিত হয়। প্ৰতাপ সিংহই কৃতজ্ঞতাৰ চিনস্বৰূপে বলিত নাৰায়ণক ধৰ্ম্ম নাৰায়ণ নাম দি যুদ্ধত উদ্ধাৰ কৰা ভূ-খণ্ডৰ, আহোমৰ তলতীয়াকৈ খৃঃ ১৬১৬ চনত ৰজা পাতে। দৰং ৰাজবংশৱলী মতে এই ৰাজ্যৰ সীমা নিৰ্দ্দিষ্ট কৰা হৈছিল - পূৱত ভৈৰৱী, পশ্চিমত কৰ্তিয়া, উত্তৰে গমাৰিগিৰি আৰু দক্ষিণে চিৰি পৰ্ব্বত। কিন্তু এই সীমা বৰ বেছিদিন স্থায়ী নহ'ল। ১৬২৭ খৃষ্টাব্দত পুনঃ মুছলমানৰ লগত ৰণ হয়। এই ৰণতো দৰঙী ৰজা আৰু আহোমৰ যৌথ সৈন্যৰ হাতত মুছলমান সৈন্যৰ পৰাজয় হয় যদিও আহোম ৰাজ্যৰ সীমা বৰনদীলৈকে পিচুৱাই নিৰ্দিষ্ট কৰা হয়। সেই মতে পিচলৈ দৰং ৰাজ্যৰ পশ্চিম সীমা বৰনদীতে ৰ'লগৈ। বৰনদীকে সীমা বুলি দুয়োখন দেশৰ ৰজাই মানিলৈ ইয়াত নিৰীক্ষণ চকী স্থাপন কৰাৰ বাবেই এই ঠাই খিনিৰ নাম দুই মানি চকী হয়গৈ বুলি বহুতে কব বিচাৰে। স্থান নিৰ্ণায়ক এই শব্দটি পিচলৈ দুমুনি বুলি কবলৈ ললে। অৱশ্যে আন কিছুমানৰ মতে দুয়োখন ৰাজ্যৰ সীমাত দুজনকৈ মুনিহ মানুহে পহৰা দিয়া কাৰ্য্যৰ বাবেও দুইমুনিহ/দুইমুনি/দুমুনিচকী হব পাৰে। নামৰ উৎস যিয়েই নহওক কিয়, এই সীমা পিচলৈ স্থায়ী হৈ ৰ'ল।

বলিত নাৰায়ণে কি সুত্ৰে আহোম ৰজা স্বৰ্গদেউ প্ৰতাপ সিংহৰ লগ লাগিল গৈ তাকে জানিবলৈ হলে বুৰঞ্জীৰ আগলৈ আৰু কেইখিলামান পাত লুটিয়াব লাগিব। ১৫৮১ খৃঃত নৰনাৰায়ণে নিজেই কোঁচ ৰাজ্য দ্বিখণ্ডিত কৰি পুৰখণ্ড চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱক এৰি দিয়ে। তেওঁ হাজোত ৰাজধানী পাতি ৰাজ্যখনৰ নাম দিয়ে কোঁচ হাজো। নৰনাৰায়ণৰ জীৱিত কালত ৰঘুদেৱ কৰতলীয়া হৈ ৰাজ্য শাসন কৰিছিল। নৰনাৰায়ণৰ মৃত্যুৰ পাচত ৰঘুদেৱে নিজ নামত মোহৰ মৰাই স্বাধীন হয়। এই বাবেই লক্ষ্মীনাৰায়ণৰ লগত বিবাদ লাগি শেষত যুদ্ধ হয়। লক্ষ্মী নাৰায়ণে শেষত মোগলৰ সহায় লয়। তাকে দেখি ৰঘুদেৱ নাৰায়ণেও যুদ্ধত সহায় পোৱাৰ আশাৰে আহোমৰ লগত মিত্ৰতা কৰি ৰঘুদেৱৰ নিজকন্যা মঙলা দেৱীক (মঙ্গলাদেৱীক) (স্বৰ্গীয় দীনেশ্বৰ শৰ্ম্মাৰ মতে ৰঘুদেৱৰ ভনীয়েক) প্ৰতাপ সিংহলৈ বিয়া দিয়ে। ১৬০৩ খৃষ্টাব্দত ৰঘুদেৱৰ মৃত্যুৰ পাচত পুত্ৰ পৰীক্ষিত কোঁচ-হাজোৰ ৰজা হয় যদিও ১৬১৩ খৃঃত মোগলৰ লগত হোৱা যুদ্ধত পৰাজিত হৈ বন্দী হয়। পৰীক্ষিতক দিল্লীৰ সম্ৰাট জাহাঙ্গীৰৰ ওচৰলৈ পঠিয়াই দিওতে প্ৰয়াগত তেওঁৰ মৃত্যু হয়। সেই বছৰতে কোঁচ-হাজো মোগল ৰাজ্যত চামিল কৰণ কৰাৰ পাচত হাজোত থকা নিৰাপদ নহয় বুলি ভাবি, বৈবাহিক সুত্ৰে পতা অতীতৰ মিতিৰ সূত্ৰে বলিত নাৰায়ণ, আহোম ৰজা স্বৰ্গদেউ প্ৰতাপ সিংহৰ আশ্ৰয়ত আছিলগৈ। আশ্ৰয় কালতে আগতে উল্লেখ কৰা কলিয়াবৰৰ যুদ্ধত বলিত নাৰায়ণে অংশ গ্ৰহণ কৰে। যুদ্ধত মোগলক পৰাজিত কৰি উদ্ধাৰ কৰা স্থল ভাগত তেওঁক ৰজা পাতে। মঙলা দেৱীৰ (মঙ্গলা দেৱীৰ) বৈবাহিক সম্বন্ধৰ গয়না লৈ পোৱা এই ৰাজ্যখনৰ নাম বলিত নাৰায়ণে মঙ্গলদৈ ৰাখিলে। তেতিয়াৰ পৰা দৰঙৰ এই ভূ-খণ্ডৰ নাম মঙ্গলদৈ বা মংগলদৈ নামেৰে জনজাত হোৱা বুলি বুৰঞ্জীয়ে কয়। এই গৰাকী বলিত নাৰায়ণ বা ধৰ্ম্মনাৰায়ণেই কোঁচৰাজ্যৰ প্ৰতিষ্ঠাপক ৰজা আছিল।

ধৰ্ম্মীয় আৰু লোক বিশ্বাস মতে মঙলদৈ (মঙ্গলদৈ)

নামৰ আন এটি উৎস আছে। দৰঙত কোঁচ ৰজাসকলে ৰাজত্ব কৰাৰ বহু আগেয়ে ভূমিপুত্ৰ বড়োসকলৰ সংস্কৃতিৰ সতে আৰ্য্য সংস্কৃতিৰ সানমিহলি (assimilation) হৈছিল। সেয়ে বড়ো সকলৰ উপাস্য দেৱতা মুশ্ৰীবা/শ্ৰীবা/শিৱ, বড়ো অবড়ো সকলোৰে পূজ্য দেৱতা। আৰ্য্য অনাৰ্য্য সকলোৰে বাবে মহাশক্তিধৰ শিৱ মঙ্গলময়, সত্য সুন্দৰৰ প্ৰতীক। উপাস্য দেৱতা ধ্যানস্থ শিৱৰ অনুকৰণেৰে ঋষি-মুণি সকলে লগতে আকাশী গঙ্গাৰ মহত্বৰ সম্পৰ্কেও সন্ধান পাইছিল। এই আকাশী গঙ্গা নিজ মহিমাৰে মহাশ্লোক এৰি স্বৰ্গলোক পায়। স্বৰ্গলোকৰ পৰা ব্ৰহ্মালোক স্পৰ্শ কৰি, অলকানন্দ ৰূপে সু-উচ্চ কেশৰাচল পৰ্ব্বতেৰে আহি হিমৱন্ত পৰ্ব্বতত থিতাপি লয়হি। হিমৱন্ত পৰ্ব্বতৰ পৰা গঙ্গাক নমাই আনিবলৈ, পৰম মহন্ত ত্ৰিকালদৰ্শী ৰজা ভগীৰথে তেওঁৰ বংশ উদ্ধাৰৰ লগতে জগতৰ কল্যাণৰ বাবে ইন্দ্ৰৰ ঐৰাৱতক প্ৰাৰ্থনা কৰে। ঐৰাৱতে এই কাম কৰিব নোৱাৰাত ৰজা ভগীৰথে দেৱাদিদেৱ শিৱক প্ৰাৰ্থনা কৰে। শিৱই তেওঁৰ ভয়ঙ্কৰ জটাৰে গঙ্গাক ধৰি মৰতলৈ নমাই আনিলে। পৰমভক্ত দেৱাদিদেৱ শিৱৰ জটাৰূপ মহিমামন্বিত হিমালয়ৰ অসংখ্য ঠাল ঠেঙুলিৰ মাজেৰে বৈ অহা জলাধাৰা শিৱৰ দ্ৰৱমূৰ্ত্তি বুলি ভাবি অঞ্চলটোৰ অধিবাসী সকলে গঙ্গা স্নান (পবিত্ৰ স্নান) কৰিছিল। এই বিশ্বাসৰ ফলতে দৰং ৰাজ্যৰ মাজেৰে বৈ অহা নদীসমূহকো তদানীন জ্ঞানী সকলে মঙ্গলময় বুলি ভাবিছিল। এই জলৰাশি বোৱাই অনা বৰনদীকে ভিতৰ কৰি ন-নৈ, কুলশী, নোৱানৈ মঙলদৈ নদী অলপ আগাপিচাকৈ একত্ৰিত হৈ মণিকৰ্ণেশ্বৰ পাহাৰৰ ওচৰত ব্ৰহ্মপুত্ৰত মিলিছে। এই নদীসমূহৰ জলৰাশিৰে প্লাবিত অঞ্চলটোৰ লগতে; তীৰস্থ ভূ-খণ্ডক মঙলদৈ (মঙ্গলদৈ) বুলিছিল। নদীসমূহৰ সঙ্গম স্থলক তিনিনদীৰ ঘাট, তিনিসূঁতিৰ মুখ, বা ত্ৰিবেনীৰ ঘাট বুলিছিল। আৰ্য্য শব্দ 'মঙ্গল'ৰ সতে বড়ো শব্দ দৈ (পানী)ৰ সংযোগত এই নতুন নামবাচক শব্দৰ উৎপত্তি হোৱা বুলি পণ্ডিত সকলে নিৰ্ণয় কৰিছে। এনেদৰেই বৰনদীৰ পূব প্ৰান্তৰ স্থল ভাগক মঙলদৈ (মঙ্গলদৈ) নামেৰে জনজাত হ'ল। 'মঙলদৈৰ ইতিহাস' নামৰ প্ৰবন্ধত বুৰঞ্জীবিদ ঁদীনেশ্বৰ শৰ্ম্মাই এই কথা কামৰূপ বুৰঞ্জীৰ লিখকে প্ৰকাশ কৰা বুলি কৈছে।

দৰঙত কোঁচ ৰজাসকলৰ শাসন ২১০ বছৰ কাল চলিছিল। পিচলৈ ৰাজ্যৰ আয়তন সংকুচিত হৈ বৃহত্তৰ মঙলদৈৰ মাজতে সীমাবদ্ধ আছিল। কোঁচ-ৰজাৰ শাসন কালত প্ৰজাই সুখ শান্তিৰে দিন কটাইছিল। মঙলদৈয়া প্ৰজাবিলাক শান্তিপ্ৰিয়, উদাৰ আছিল। অতিথিক ঈশ্বৰ জ্ঞান কৰিছিল। সেই কালত সমাজত নগদ ধনতকৈ সলনি প্ৰথাৰ বেচি প্ৰচলন আছিল। দৰং ৰাজ্যৰ অন্তৰ্গত বৃহত্তৰ বহু বিদ্বান-জ্ঞানী-পুৰুষৰ আবিৰ্ভাৱ হৈছিল। হিমালয়ৰ অঙ্গীভূত ওখ পৰ্ব্বতৰ পৰা ওলোৱা নদী সমূহে মঙলদৈৰ মাটি সাৰুৱা আৰু জীপাল কৰি ৰাখিছিল। নদীমাতৃক বৃহত্তৰ মঙলদৈত নানাধৰণৰ ফলমূলৰ বাহিৰেও ধান, মৰাপাট, সৰিয়হ, মাহ প্ৰচুৰ পৰিমানে উৎপন্ন হৈছিল। মঙলদৈয়াই নানা জাতিৰ কচু আৰু আলুৰ খেতি কৰিছিল। নদী সমূহে পৰ্য্যাপ্ত পৰিমাণে মাছ-কাছ উৎপাদনত সহায় কৰাৰ ওপৰি নৈ পাৰৰ বালিত নানা জাতৰ পছু, চৰাই-চিৰিকতিৰ মুক্ত বিচৰণৰ ঠাই আছিল। বৰনদী, ন-নৈ কুলশী, নোৱানৈ, মঙলদৈ নৈ, পাচনৈ আদি যাতায়তৰ লগতে ব্যৱসায় বাণিজ্যৰ বাবে ব্যৱহাৰ্য্য জলপথ আছিল। অতীতৰ কুলশী নদী বৰ ডাঙৰ আছিল। অঠাই সাগৰ বা গুঞ্জৰী সাগৰেৰে আহি এই নদীৰে বণিজ কৰাৰ উদাহৰণ আছে। বেউলাই সৰ্পদংশনত মৃত্যু হোৱা চান্দোৰ পুত্ৰ লখিন্দাৰৰ মৃতদেহ লৈ কৈলাশলৈ বুলি এই কুলশী নদীৰে উজাই যোৱাৰ কথা সুকবি নাৰায়ণদেৱে বৰ্ণনা কৰিছে। ৰজাঘৰীয়াই খন্দোৱা পুখুৰীৰ পানীৰ ওপৰি এই নদী সমূহে নিৰ্মল খোৱা পানীৰো যোগান ধৰিছিল। বিগত পঞ্চাশ বছৰমান আগলৈকে আজি কালিৰ দৰে নৈৰ পানী প্ৰদূষিত হোৱা নাছিল।

দৰঙত কোঁচ ৰজাই ৰাজত্ব কৰাৰ বহু আগৰ পৰাই মঙলদৈৰ অধিবাসীসকল ঘোৰ শৈৱ বা শাক্তপন্থী আছিল। বৃহত্তৰ মঙলদৈত সিঁচৰিত হৈ থকা শিৱ মন্দিৰ আৰু আইৰ থান বিলাকেই তাৰ প্ৰমান। গৰ্ত্তগৃহ বা গৰ্ভগৃহত শিৱলিঙ্গ স্থাপন কৰি পূজা অৰ্চ্চনা কৰা মন্দিৰ আজিও দেখা যায়। মঙলদৈৰ বিভিন্ন স্থানত বিষ্ণু মন্দিৰ বিলাকৰ আশে পাশে কেঁচাইখাইতীৰ স্থান আছে; যত আজিও সযত্নে পূজা-পাতল চলি আছে। উদাহৰণ স্বৰূপে খটৰাৰ ৰঘুনাথ মন্দিৰৰ কাষতে, বামুণপাৰাৰ বুঢ়াগোসাঁইৰ থানৰ কাষতে এনে কেঁচাইখাইতীৰ থান আছে। পিচলৈ সৰ্ব্ব-সাধাৰণৰ মাজত নিৰ্মল নাম ধৰ্ম্ম প্ৰচাৰাৰ্থে চাৰি মহাপুৰুষৰ প্ৰচাৰক সকলৰ তত্বৱধানত বৃহত্তৰ মঙলদৈৰ ঠায়ে ঠায়ে বিভিন্ন সময়ত বহুকেইখন সত্ৰ স্থাপিত হৈছিল। হৰিপুৰ, খটৰা, বামুণী, বৈৰাগী, চিন্তামণি, বিশ্বসত্ৰ, বৰসত্ৰ, ঔতলা, দেৱানন্দ আদি এনে সত্ৰ মঙলদৈত বহুত আছে। মনকৰিবলগীয়া কথা এই যে শাক্ত ৰজা সকলেই বৈষ্ণৱ ধৰ্ম্মৰ কেন্দ্ৰস্বৰূপ সত্ৰসমূহৰ পৃষ্ঠপোষক আছিল। এই সত্ৰ সমূহৰ দ্বাৰা সেই সময়ত শান্তিৰ বাতাবৰণ সৃষ্টিৰ লগতে সমাজৰ মাজত দেখা দিয়া নানা সমস্যা নিস্পত্তিত আগভাগ লৈছিল। সত্ৰ সমূহ ধৰ্ম্ম চৰ্চা, সাহিত্য চৰ্চা, সংস্কৃতিৰ নৃত্য-কলা, চিত্ৰ-কলা, গীত-মাত, নাট্য শালাৰ ওপৰি মানৱীয়

নীতি-নিয়মৰ পথ প্ৰদৰ্শক আছিল। শঙ্কৰী যুগত খ্যাতি লাভ কৰা হৰিহৰ বিপ্ৰৰ নাতি বংশীগোপাল মঙলদৈৰ সুসন্তান আছিল। তেওঁ ঘোপাত বৰ সত্ৰ স্থাপন কৰি বাৰনগৰীয়া সাধুসন্তৰ মিলন ক্ষেত্ৰ গঢ়ি তুলিছিল। সংস্কৃত গীতাৰ পদ অসমীয়ালৈ ভাঙনি কৰোঁতা পণ্ডিত প্ৰবৰ কবি গোবিন্দ মিশ্ৰৰ বাসস্থান, কলাইগাওঁৰ ওচৰৰ ডলাগ্ৰাম আছিল। স্বভাব কবি ৰাম সৰস্বতীয়ে মহাভাৰতৰ পৰা তৰ্জমা কৰা আঠাইশ হাজাৰ পদৰ অধিকাংশ দৰঙী কোঁচ ৰজাৰ চত্ৰ-ছায়াত ৰচনা কৰিছিল দেওধনী নৃত্যৰ উপযোগীকৈ পদাদি ৰচক সুকবি নাৰায়ণ দেৱে দৰঙী ৰজাৰ সভাকবি আছিল বুলি শ্ৰীনবীন চন্দ্ৰ শৰ্ম্মাদেৱে মঙলদৈৰ ওজাপালি প্ৰসঙ্গত লিখিছে। ব্যাসকলাই, কেন্দুকলাই আদি গীতিকাৰ, সুৰকাৰ, নৃত্য শিল্পী বৃহত্তৰ মঙলদৈৰ লোক। দৰঙী ৰজাৰ পৃষ্ঠপোষকতা পোৱা সৰ্ব্বানন্দ ওজাৰ বাহিৰেও মঙলদৈত অনেক ব্যাস-মালচী-গীতৰ পাৰদৰ্শী ওজা আছিল। লোক ৰঞ্জনৰ বাবে নটুৱা, কালিয়া, বহুৱা, ওজাপালি, মেচ-মেচনী, দেওধা, ঢুলীয়াৰ অনুষ্ঠান প্ৰধান আছিল। বৰঢোল, পাতিঢোল, ধেপাঢোল, জয়ঢোল, খোল, মৃদঙ্গ, ভোৰতাল, কৰতাল, ৰামতাল, চৌতাল, পাতিতাল, খুটি তাল, মঞ্জুৰা আদি তালৰ উপৰি বাঁহী, কালী, লাউটোকাৰী, বীণা প্ৰধান বাদ্য যন্ত্ৰ আছিল। বড়ো সকলৰ বাথৌ পূজাক কেন্দ্ৰ কৰি খেৰাই, জনজাতিৰ চিকাৰক কেন্দ্ৰ কৰি হাকোনাচ, ৰাভা জনজাতিৰ পৰা খক্‌চী নৃত্য অহাবুলি শ্ৰীমঙ্গলচণ্ডী ব্ৰহ্ম দেৱে লিখিছে। অতীত মঙলদৈত সংস্কৃতিৰ দল সমূহক 'বিদ্যাকাৰী' নামেৰেহে জনজাত আছিল।

মহামতি নৰনাৰায়ণে খেৰখেৰীয়াৰ পৰা ৰাজধানী তুলি আনি আৰেঙৰ ওচৰৰ এখন ঠাইত ৰাজধানী পাতি, নগৰখন সজাই পৰাই নাম দিছিল মনমোহনপুৰ। ৰজাই পণ্ডিত সকলৰ পৃষ্ঠপোষক আছিল আৰু সংস্কৃত, অসমীয়া ভাষা শিক্ষা, চৰ্চা কৰা টোলবিলাকৰো পৃষ্ঠপোষকতা কৰিছিল।

১৬৩৭ চনত ধৰ্ম্মনাৰায়ণ স্বৰ্গী হোৱাত মহেন্দ্ৰ নাৰায়ণ ৰজা হয়। মহেন্দ্ৰ নাৰায়ণৰ মৃত্যুৰ পাচত ১৬৪৩ খৃঃত চন্দ্ৰ নাৰায়ণ ৰজা হয়। তেওঁৰ দিনত বৃহত্তৰ মঙলদৈৰ অধিবাসী সকলে অতি সুখশান্তিৰে কাল কটাইছিল। তেওঁৰ দিনত মুছলমান সকলে আকৌ অসম দেশ আক্ৰমন কৰে। চন্দ্ৰনাৰায়ণে বহুত সৈন্য গোটাই লৈ আহোম ৰজাৰ সতে লগ হৈ মোগলৰ বিৰুদ্ধে যুদ্ধ কৰে। এই যুদ্ধত পৰাজিত মোগলৰ বহু সৈন্য বন্দী কৰি আকৌ কিছুমানক দাস হিচাপে মোগল বেচাত বিক্ৰী কৰা বুলি বুৰঞ্জীয়ে কয়। বাকী সকল কোঁচ ৰজাৰ ৰাজধানী মনমোহনপুৰ নগৰৰ বাহিৰত মাটিবাৰী দি স্থাপন কৰে।

দৰং ৰাজ্য আহোমৰ কৰতলীয়া হলেও প্ৰায় স্বাধীন ৰাজ্যৰ দৰেই শাসন কৰিছিল। বৃহত্তৰ মঙলদৈ প্ৰজাবৰ্গ ৰজাৰ সোঁহাত স্বৰূপ আছিল। ৰজাই যি কয় প্ৰজাই তাকেই কৰিছিল। সুদীৰ্ঘ দুশ বছৰ ৰাজত্ব কালত ৰজাৰ বিৰুদ্ধে প্ৰজা বিদ্ৰোহৰ নজীৰ নাই। প্ৰজাবৰ্গ সৎ, সৰল আৰু সাহসী আছিল। কৰকাটল সম্পৰ্কত আহোম ৰজাৰ সতে, দৰঙী ৰজাৰ মনোমালিন্য হোৱাত ৰাজকুমাৰ কৃষ্ণ নাৰায়ণৰ আদেশত আহোম ৰজাৰ বিৰুদ্ধে ১৭৯২ খৃঃত যুদ্ধ কৰিবলৈ মঙলদৈয়া বাইজ্‌ সাহসেৰে আগবাঢ়ি গৈছিল। বঙালে অসম দেশ আক্ৰমণ কৰাৰ সময়ত ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে যি ঠাইত দৰঙী ৰজাই গড়মাৰি কোঁঠা নিৰ্ম্মান কৰিছিল সেই ঠাইখনৰ নাম বঙলা গড় (পিচলৈ বঙলাগৰ/বাংলাগড়) বুলিছিল। মানসকলে ব্ৰহ্মপুত্ৰৰ দক্ষিণ ফালে অসমৰ নানা ঠাইত অত্যাচাৰ কৰি শেষত ভটীয়াই আহি, মঙলদৈৰ প্ৰজাসকলৰ ওপৰত অত্যাচাৰ কৰিবলৈ লোৱাত, প্ৰজাবৎসল কোঁচ ৰজাই সসৈন্যে যুদ্ধত অৱতীৰ্ণ হৈ মানক পৰাজয় কৰিছিল। যি ঠাইত এই যুদ্ধত মান সকল পৰাজিত হৈছিল সেই ঠায়েই মানেইঘাটা- পিচলৈ মানেইঘাট নামেৰে জনাজাত হৈছিল।

বিভিন্নস্থানত, বিভিন্ন দিশত ইতিহাস প্ৰসিদ্ধ বহুত ঠাই বৃহত্তৰ মঙলদৈৰ অন্তৰ্গত আছিল। সেইবিলাকৰ ভিতৰত ভ্ৰমৰ বা ভৈৰৱকুণ্ড, ব্যাঘ্ৰপিণ্ডা, ৰাজাগড়, ভেৰাগ্ৰাম, কবিকৰা, কৌপাতি, দলগাওঁ, বৌতা, শিঙিৰি, ৰঙ্গমহল, কুৰুৱা, জয়ন্তীপুৰ, বেলগুৰি, পাথৰিঘাট, দীঘিৰপাৰ, জয়পাল, ৰাজাপুখুৰী, বুঢ়ীনগৰ আদি বহু প্ৰসিদ্ধ ঠায়েই অতীতৰ বৃহত্তৰ মঙলদৈৰ কীৰ্ত্তিৰ স্বাক্ষৰ হৈ আজিও বৈ আছে।

বৃহত্তৰ অঞ্চল সামৰি লোৱা মঙলদৈ নামটি বৰ্ত্তমান জিলাখনৰ সদৰতে সীমাবদ্ধ। ইংৰাজ শাসন কালত Mangaldoi নামটিৰ অসমীয়া ৰূপ আছিল মঙ্গলদই। অতীতৰ ক্ষুদ্ৰ চহৰ খনৰ প্ৰতিষ্ঠান বিলাকৰ নাম ফলকত (চাইনবৰ্ডত) মঙ্গলদই বুলিয়েই লিখিছিল। স্বাধীনতাৰ পৰবৰ্ত্তী কালত মঙ্গলদই, মঙ্গলদৈ হ'ল। মঙ্গলদৈ শব্দটিৰ উচ্চাৰণ কোমল, অনুনাসিক হোৱাই সাহিত্যিক পেঞ্চনাৰ ভবানন্দ ৰাজখোৱা, গজেন্দ্ৰ নাথ চহৰীয়া আদি স্বনামধন্য ব্যক্তিসকলৰ পৰামৰ্শ তথা সিদ্ধান্ত মৰ্ম্মে এতিয়া সকলোৱে মঙলদৈ লিখিবলৈ লৈছে।

*শ্ৰীকলিতা দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি; আৰু কলাইগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক।*



# অৰ্দ্ধ শতিকাৰ পূৰ্বৰ মঙ্গলদৈ অঞ্চলৰ শৈক্ষিক আৰু সামাজিক পৰিবেশ

ভদ্ৰেশ্বৰ নাথ

মানৱ সম্পদৰ ব্যক্তিত্ব বিকাশেই হ'ল শিক্ষা। ই বাস্তৱধৰ্ম্মী আৰু গতিশীল হলেহে শিক্ষাৰ্থীৰ উৎকৰ্ষ সাধিত হয়। বিশ্বৰ প্ৰগতিশীল ৰাষ্ট্ৰ সমূহত প্ৰচলিত শিক্ষা পদ্ধতিৰ দ্বাৰা মানৱ সম্পদৰ প্ৰতিভাৰ বিকাশ ঘটাবলৈ চেষ্টা কৰা পৰিলক্ষিত হৈছে। আৰু কোনো কোনো ৰাষ্ট্ৰত সফলো হৈছে। ইয়াক চিন্তাবিদ সকলৰ সফলতাৰ ফলশ্ৰুতি বুলি কব পাৰি।

এই প্ৰবন্ধত অৰ্দ্ধ শতাব্দীৰ পূৰ্বৰ মঙ্গলদৈ তথা বৰ্ত্তমানৰ দৰং জিলাৰ শৈক্ষিক আৰু সামাজিক পৰিবেশৰ বিষয়ে আলচ কৰিবলৈ লোৱা হৈছে। কবলৈ গলে সেই সময়ত শিক্ষা সকলোৰ বাবে মুক্ত নাছিল। কোঁচ বংশীয় দৰঙী ৰজাসকলৰ ৰাজত্ব কালত শিক্ষা ৰাজপৰিয়ালৰ মাজতেই সীমাবদ্ধ আছিল বুলি কলেও ভুল বুলি কব নোৱাৰি। তাৰ মাজতেই কোনো কোনোৱে যে শিক্ষা লাভৰ সুযোগ লোৱা নাছিল তেনেও নহয়। সূৰ্য্যখড়ি দৈৱজ্ঞই লিখা "দৰঙ্গ ৰাজবংশাৱলী" আৰু গোবিন্দ মিশ্ৰ দেৱৰ 'গীতাৰ ভাঙনিয়ে জলন্ত সাক্ষ্য বহন কৰিছে। দৰঙী ৰজা সকলৰ ৰাজত্ব কালত তেওঁলোকে পশ্চিমৰ বঙ্গদেশৰ পৰা ব্ৰাহ্মণ পণ্ডিতসকলক আনি ভূমিদান দি নিজ ৰাজ্যত থাপিছিল। কালক্ৰমত কোঁচ ৰাজ্যৰ অৱসান ঘটাত সৰ্বসাধাৰণ লোকৰ মাজতো শিক্ষা বিস্তাৰ হবলৈ ধৰে।

এই সম্বন্ধে পম খেদি গলে দেখিবলৈ পাওঁ যে আজীৱন কংগ্ৰেছ সেৱী, মুক্তি যোদ্ধা, বুৰঞ্জীবিদ স্বৰ্গীয় দীনেশ্বৰ শৰ্ম্মাদেৱে প্ৰণয়ণ কৰা মঙ্গলদৈৰ বুৰঞ্জীখন মঙ্গলদৈ মহকুমাৰ অন্তৰ্গত বিশিষ্ট তীৰ্থস্থান সমূহ, দৌল-দেৱালয় আৰু ৰজাদিনীয়া পুখুৰী সমূহৰ বৰ্ণনাৰ বাহিৰে শৈক্ষিক বাতাবৰণৰ বিশেষ কোনো কথা পোৱা নাযায়। ইয়াৰ উপৰি ১৮৯৪ চনত বৃটিছ চৰকাৰে খাজানা অভাবনীয় ভাবে বৃদ্ধি কৰাৰ প্ৰতিবাদ কল্পে পথৰুঘাটত প্ৰজাসকল সমবেত হৈ প্ৰতিবাদৰ ধ্বনি তোলাত বৃটিছ চৰকাৰৰ বিষয়া সকল ক্ষুব্ধ হৈ পৰে আৰু তাত সাধাৰণ প্ৰজা সকলে দলি, লাঠি আদিৰে চৰকাৰী বিষয়া সকলক আক্ৰমণ কৰাত গুলী চালনা কৰা হৈছিল; ফলত ১৪০ জন নিৰপৰাধী কৃষকে প্ৰাণ হেৰুৱাব লগাত পৰিছিল আৰু শতাধিক লোক আহত হৈছিল। উক্ত কাহিনী বৰ্ণিত হৈছিল নৰোত্তম দাসৰ দলি পুৰাণত। সেই গ্ৰন্থতো শৈক্ষিক বাতাবৰণৰ কোনো কাহিনীৰ উল্লেখ নাই।

১৮২৬ চনত ইংৰাজ আৰু ব্ৰহ্মদেশৰ মান সকলৰ মাজত যি ইয়াণ্ডাবু সন্ধিৰ চুক্তি স্বাক্ষৰিত হৈছিল তাৰ ফলশ্ৰুতিত কৰতলীয়া দৰঙী ৰাজ্যও বৃটিছ্ৰ হাতলৈ যায়। শাসনৰ বাঘ জৰী বৃটিছ সকলে পোৱাৰ পিছৰে পৰা পণ্ডিতসকলক আনি বঙালী মাধ্যমত শিক্ষা দিবলৈ আৰম্ভ কৰিছিল। এনে কাৰ্য্যত ক্ষুব্ধ হৈয়েই গুনাভিৰাম বৰুৱা প্ৰভৃতি কেবাগৰাকী লোকে তাৰ প্ৰতিবাদৰ ধ্বনি তুলিছিল।

সময় বাগৰাৰ লগে লগে ৰাজ কাৰ্য্য নিয়াৰিকৈ চলোৱাৰ স্বাৰ্থতেই বৃটিছ চৰকাৰে অসমৰ আন আন ঠাই সমূহৰ লগতে মঙ্গলদৈতো স্কুল প্ৰতিষ্ঠাৰ যো-জা কৰে। এনে কৰাৰ ফলতেই ঠায়ে ঠায়ে দুই এখন প্ৰাইমাৰী বিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ উপৰি ১৯০৩ চনত মঙ্গলদৈ সদৰত এখনি এম, ই স্কুল ৰাইজৰ উদ্যোগত প্ৰতিষ্ঠিত হৈছিল। উক্ত এম, ই স্কুল খনিয়েই ১৯১০ পূৰ্ণপৰ্য্যায়ৰ হাইস্কুললৈ উন্নীত হৈছিল। যিহেতু মঙ্গলদৈত মেট্ৰিক পৰীক্ষা দিয়াৰ কোনো সুযোগ নাছিল সেয়ে পৰীক্ষাৰ্থী সকলে জিলাৰ সদৰ তেজপুৰত গৈ পৰীক্ষাত অৱতীৰ্ণ হৈছিল। এই কাৰ্য্য ১৯৪২ চন পৰ্য্যন্ত অব্যাহত আছিল আৰু ১৯৪৩ চনৰ পৰা পৰীক্ষামূলক ভাৱে মঙ্গলদৈত পৰীক্ষা কেন্দ্ৰ স্থাপন কৰি অৱশেষত ১৯৪৮ চনৰ

পৰা পূৰ্ণ পৰ্য্যায়ৰ কেন্দ্ৰ ৰূপে স্বীকৃতি লাভ কৰে।

শিক্ষানীতি পৰিৱৰ্ত্তন হোৱাৰ পৰিপ্ৰেক্ষিততেই মঙ্গলদৈ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়খনি ১৯৫৭ চনত উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হৈছিল। এই বিদ্যালয়ত কলা আৰু বিজ্ঞান শাখাৰ উপৰিও কাৰিকৰী (vocational) শাখাও আছে।

সুচতুৰ বৃটিছ চৰকাৰে দমন নীতি প্ৰত্যাহাৰ কৰি চলে-বলে কলে-কৌশলে প্ৰজা শাসনৰ অৰ্থে মজলীয়া অসমীয়া (MV) আৰু মজলীয়া ইংলিছ (ME) স্কুল স্থাপনৰ ব্যৱস্থা হাতত লৈছিল। মঙ্গলদৈ চহৰত ছোৱালী মজলীয়া স্কুল আৰু পৰৱৰ্ত্তী কালত অঞ্চল বিশেষে কুৰুৱা, ডুমুনিচকি, হাজৰিকাপাৰা (ৰইনাপীতৰ পাৰ) আদি ঠাইৰ উপৰিও উত্তৰাঞ্চৰ ল'ৰা-ছোৱালীৰ সুবিধাৰ্থে ভেৰগাওঁ এম, ভি স্কুল, টংলাৰ চাদগাড়ী এম-ভি স্কুল, ওদালগুৰিৰ বাহিনীগাওঁত এম-ভি স্কুল প্ৰতিষ্ঠা কৰিছিল। ইয়াৰ বাহিৰেও পশ্চিম দৰঙৰ পাথৰিঘাটত এখন এম-ই স্কুল প্ৰতিষ্ঠা কৰে।

প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে দূৰ অতীতত মঙ্গলদৈত উচ্চ শিক্ষাৰ (প্ৰাইমাৰী শিক্ষাৰ বাহিৰে) অনুষ্ঠান নথকা হেতুকে ছিপাঝাৰৰ দক্ষিণ চুবুৰি গাওঁৰ প্ৰয়াত জগত চন্দ্ৰ চহৰীয়াই হেনো (কাননগু বুলি খ্যাত) ছিপাঝাৰৰ পৰা খাৰুপেটীয়া জাহাজঘাটলৈ গৰু গাড়ীৰে গৈ তাৰ পৰা জাহাজেৰে গুৱাহাটীলৈ গৈ তাত এম, ই স্কুলত পঢ়িছিল। সেই লেখিয়াকৈয়ে নীতি কবি ধনাই বড়াই ৰইনাপীতৰ পাৰৰ এম, ভি স্কুলৰ পৰা এম, ভি স্কুল লিভিং পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীত নৰ্মাল স্কুলত পঢ়িছিল। যিহেতু সেই সময়ত শিক্ষাদান কাৰ্য্য বঙালী মাধ্যমত চলিছিল গতিকে অতি মেধাৱী বড়া দেৱে অতি কম সময়ৰ ভিতৰতে বঙালী ভাষা আয়ত্ব কৰিবলৈ সমৰ্থ হৈছিল। একদৰেই আন এগৰাকী ছিপাঝাৰৰে (হেড মাষ্টৰ বুলি খ্যাত) স্বৰ্গীয় ৰমণী কান্ত বৰুৱাদেৱে ১৯০১ চনত কটন কলেজ প্ৰতিষ্ঠাৰ বছৰতেই ১ম বাৰ্ষিকত নাম ভৰ্ত্তি কৰি দুবছৰৰ অন্তত আই,এ পাছ কৰি কলিকতালৈ গৈ ১৯০৪ চনত সু-খ্যাতিৰে বি, এ, পাছ কৰিছিল। তেখেতৰ খোজ কাটল, আদব-কায়দা, ইংৰাজী কোৱাৰ ভঙ্গিমা সাইলাখ বৃটিছ চাহাবৰ দৰে আছিল।

পৰৱৰ্ত্তী কালত মঙ্গলদৈৰ বহুলোকে বি, এ, বি, এল পাঠ্যক্ৰম শেষ কৰি কোনোৱে চাকৰি কৰি আছে আৰু কোনো কোনো লোকে অধিবক্তা আৰু শিক্ষকতা কৰি গৈছে। সেই সকলৰ ভিতৰত প্ৰয়াত বিপিন চন্দ্ৰ মেধি, ঁপুৰন্দৰ শৰ্ম্মা, ঁৰামেশ্বৰ শৰ্মা, ঁতপেশ্বৰ শৰ্মা, ঁকুতুবুদ্দিন আহমেদ, ঁবীৰেশ্বৰ শৰ্মা, ঁবদৰুদ্দিন আহমেদ, ঁনিধিৰাম বড়া, ঁসত্য বৰুৱা, অধ্যক্ষ আব্দুল মজিদ, ঁগুণাৰাম ডেকা, ঁসন্ধি ৰাম চহৰীয়া, ঁখবিৰুদ্দিন আহমেদ, ঁশৰৎ চন্দ্ৰ বৰুৱা, ঁভূমিধৰ হাজৰিকা, ঁকেশৰ চন্দ্ৰ ভূঞা, ঁহংসধৰ কলিতা, ঁভবানন্দ ৰাজখোৱা, ঁডম্বৰুধৰ শৰ্ম্মা, ঁসম্ভু ৰাম চহৰীয়া, ঁদীন নাথ চহৰীয়া, আৰু শ্ৰী অম্বিকা চৰণ বৰুৱা দেৱ আদি।

ইয়াৰ উপৰিও সেই সময়ৰ অধিবক্তা সকল আছিল ঁশুক্ৰলাল ঘোষ, সত্যেশ চন্দ্ৰ দাসগুপ্ত, ঁকালীপদ নন্দী, ঁদুলেশ্বৰ চাংকাকতিৰ উপৰিও অধিবক্তা মঃ চাইফুদ্দিন আহমেদ, শ্ৰীবিনয় কুমাৰ ঘোষ আদি।

মঙ্গলদৈ মহকুমা সদৰত ১৯০৩ চনত হাইস্কুল আৰম্ভ হোৱাৰ পিছত সুদীৰ্ঘ বিৰতিৰ পিছত ১৯৩০ চনত ছিপাঝাৰত স্থাপিত এম, ই স্কুলখনি, ১৯৩৭ চনত ই হাইস্কুললৈ উন্নীত হৈছিল।

অনুধাৱন কৰিলে দেখা যায় যে মঙ্গলদৈ তথা দৰঙ জিলালৈ বহিৰাগতৰ অবাধ প্ৰবজন ঘটাৰ ফলস্বৰূপে অকল অসমীয়া মাধ্যমৰে নহয় হিন্দী, বঙালী আদি মাধ্যমৰ বহু সংখ্যক বিদ্যালয় গঢ়ি উঠিছে। জনসংখ্যা বৃদ্ধিৰ বাবেই বিদ্যালয়ৰ প্ৰয়োজনীয়তা বৃদ্ধি পাইছে। বৰ্ত্তমানৰ দৰঙ জিলাৰ অৰ্থাৎ মঙলদৈৰ জনসংখ্যা ১৫ (পোন্ধৰ) লাখৰো অধিক হৈছেগৈ। এই বহিৰাগত সকলৰ অধিকাংশই বঙালী আৰু হিন্দী ভাষী লোক। সেয়ে বঙালী আৰু হিন্দী মাধ্যমৰ বহুকেইখন বিদ্যালয় গঢ়ি উঠাৰ উপৰিও প্ৰাদেশীকৃত হৈছে। ইয়াৰ উপৰি টংলা চহৰ আৰু মঙলদৈ চহৰত দুখন 'ডনবস্ক' স্কুল গঢ়ি উঠিছে।

যোৱা চল্লিশ আৰু পঞ্চাশৰ দশকৰ ভিতৰত পূৰ্বৰ মঙলদৈ মহকুমা আৰু বৰ্ত্তমানৰ দৰঙ জিলাৰ ভিতৰত বিভিন্ন পৰ্য্যায়ৰ বিদ্যালয় গঢ়ি উঠিছে। মহকুমাৰ কোনো কোনো গাঁৱত দুই তিনিখন প্ৰাথমিক বিদ্যালয়কে ধৰি প্ৰায় প্ৰতিখন গাঁৱতে একোখন প্ৰাথমিক বিদ্যালয়, দুই তিনিখন গাঁৱঁৰ মাজত একোখন এম-ভি বা এম-ই তথা হাইস্কুলে গঢ় লৈ উঠিছে। উক্ত কালছোৱাৰ ভিতৰত পাথৰিঘাট, দুনী, বুঢ়া, খৈৰাবাৰী, টংলা, হৰিশিঙা, ওদালগুৰি, মাজবাট, আউলাচৌকা, ডাঁহী, দেওমৰনৈ, কলাইগাওঁ, খাৰুপেটীয়া, কৌপাটী আদিৰ উপৰিও পৰৱৰ্ত্তী কালত কুৰুৱা, পকাদলি, ৰঙামাটি, খাৰুপেটীয়া টংলা মডেল হাইস্কুল আৰু শৈলবালা হাইস্কুলৰ উপৰিও বিভিন্ন অঞ্চলত উচ্চ মাধ্যমিক বিদ্যালয় গঢ়ি উঠি শিক্ষাৰ অগ্ৰগতিত ইন্ধন যোগাইছে। ইয়াৰ বাহিৰেও ঠায়ে ঠায়ে এম-ই মাদ্ৰাছা আৰু হাই মাদ্ৰাছা গঢ়ি উঠিছে। অৱশ্যে মঙ্গলদৈৰ দক্ষিণ অঞ্চলৰ চৰ অঞ্চলটো দুই চাৰিখন এম-ই স্কুল আৰু কোনোখন হাইস্কুল আৰু হাই মাদ্ৰাছালৈ উন্নীত হৈছে।

উক্ত বিদ্যালয় সমূহৰ বাহিৰেও দৰঙ জিলাৰ

উত্তৰাঞ্চলত কেবাখনো বড়ো মাধ্যমৰ বিদ্যালয়ে গঢ় লৈ উঠিছে। ইয়াৰ উপৰিও উল্লেখনীয় এই যে সেই ১৯৪৩ চনতেই মঙ্গলদৈ চহৰত স্ত্ৰী শিক্ষাৰ বাবে এখনি হাইস্কুল পূৰ্বৰ এম-ভি স্কুলৰ গৃহতেই আৰম্ভ হৈ বৰ্ত্তমানে ই উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হৈছে। একেদৰেই ল'ৰা-ছোৱালীৰ বাবে সুকীয়া সুকীয়াকৈ গঢ়ি উঠা নাইবা ল'ৰা-ছোৱালীৰ বাবে আছুতীয়াকৈ গঢ়ি উঠা বিদ্যালয় অনেকখন গঢ়ি উঠি ছাত্ৰ-ছাত্ৰীক অধিক সুবিধা প্ৰদান কৰিছে। অৱশ্যে আচৰ্য্যজনক এয়ে যে একোখন ঠাইত আকৌ ওচৰা-ওচৰিকৈ হাইস্কুল গঢ়ি উঠি একে খিনি মানুহৰ মাজতে বিভেদৰ সৃষ্টি কৰি অহা পৰিলক্ষিত হৈছে। ই নিঃসন্দেহেই ক্ষতিকাৰক বুলি অভিহিত কৰিব পাৰি।

উল্লেখনীয় ভাবে কব পাৰি যে বৰ্ত্তমানে মঙ্গলদৈৰ উত্তৰাঞ্চলকে ধৰি প্ৰাদেশীকৃত বিদ্যালয়ৰ সংখ্যা ১১৮ খন, ৩০খন উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৮৮ খন উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৮৮ খন হাইস্কুল। ইয়াৰ বাহিৰে স্বীকৃতি প্ৰাপ্ত আৰু স্বীকৃতি বিহীন অনেক বিদ্যালয় আছে। ইয়াৰ বাহিৰে স্বীকৃতি প্ৰাপ্ত আৰু স্বীকৃতি নোপোৱা বিদ্যালয়কে ধৰি মুঠ ২৯৫ খনৰো অধিক হাইস্কুল আৰু হাই মাদ্ৰাছা স্কুল আছে। বঙালী মাধ্যমৰ হাইস্কুলৰ ভিতৰত টংলা মডেল হাইস্কুল আৰু খৰুপেটীয়া শৈলবালা হাইস্কুল অন্যতম। দুয়োখনেই সহঃ শিক্ষাৰ হাইস্কুল। ইয়াৰ উপৰিও মঙলদৈ চহৰত আছে বিদ্যানিকেতন আৰু খাৰুপেটীয়াত আছে হিন্দী হাইস্কুল।

অকল এয়াই নহয় অসমৰ চুকে-কোণে থকাৰ দৰেই দৰঙতো কেইবাখনো ইংৰাজী মাধ্যমৰ বিদ্যালয়ে গঢ় লৈ উঠিছে। ইয়াৰ উপৰিও দৰঙৰ উত্তৰাঞ্চলত কেবাখনো বড়ো মাধ্যমৰ বিদ্যালয়ে গঢ় লৈ উঠা পৰিলক্ষিত হৈছে। আমি যদি চাওঁ তেনেহলে দেখিবলৈ পাওঁ যে অন্যান্য জিলাৰ লেখিয়াকৈ মঙ্গলদৈতো অনেক হাইস্কুল গঢ় লৈ উঠিছে যদিও কিছুমানৰ শিক্ষান্ত পৰীক্ষাৰ ফলাফল খুউব সন্তোষ জনক নহয়।

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল লক্ষ্য কৰিয়ে বহুতো শিক্ষানুৰাগী অভিভাৱকে প্ৰচলিত শিক্ষা পদ্ধতিৰ প্ৰতি বীতশ্ৰদ্ধ হৈ নতুনকৈ গা কৰি উঠা ইংলিচ মিডিয়ামৰ স্কুল, শঙ্কৰদেৱ শিশু নিকেতন, মহৰ্ষি বিদ্যাপীঠ জাতীয় বিদ্যালয় আদি নব্য শিক্ষানুষ্ঠানত নাম ভৰ্ত্তিৰ বাবে হেতাওপৰা লগোৱা পৰিলক্ষিত হৈছে। উক্ত অৱক্ষয় বোধ কৰিব নোৱাৰিলে পূৰ্বৰে পৰা চলি অহা বিদ্যালয় সমূহৰ ওপৰত মাধ মাৰ পৰিব নিশ্চয়।

এতিয়া আমাৰ সন্মুখত মানুহে বিচাৰিছে কি? কুৰি শতিকা উকলি যোৱাৰ সময়ত বিজ্ঞান আৰু প্ৰযুক্তিৰ চৰম উৎকৰ্ষৰ ফলশ্ৰুতি স্বৰূপে আজিৰ মানুহে বিচাৰে এখন আটক ধুনীয়া ঘৰ, যাতায়তৰ বাবে সেন্দুৰীয়া পথ, স্বচ্ছ ফটিকৰ দৰে এটুপি খোৱা পানী আৰু সৰ্বোপৰি নিজ ল'ৰা-ছোৱালীক মানুহ হিচাপে গঢ় দিয়াৰ এখনি সকলো সুবিধা সম্পন্ন বিদ্যালয়। তেনেস্থলত পূৰ্বাপৰ চলি অহা গতানুগতিক শিক্ষা পদ্ধতিয়ে মানুহৰ মন ভৰাই তুলিব পাৰিছে জনো? সেয়ে পৰিৱৰ্ত্তিত সমাজ ব্যৱস্থাত গঢ় লৈ উঠা বিদ্যালয় সমূহত নিজৰ ল'ৰা-ছোৱালীৰ নামভৰ্ত্তিকৰণত অধিক মনোনিৱেশ কৰা পৰিলক্ষিত হৈছে।

মঙ্গলদৈ মহকুমাৰ কেইগৰাকীমান শিক্ষাপ্ৰেমী লোকৰ অশেষ যত্নৰ ফলশ্ৰুতিতেই তাহানি ১৯৫৪ চনত মঙ্গলদৈ চহৰৰ মাজ মজিয়াত অৱস্থিত মঙ্গলদৈ চৰকাৰী হাইস্কুলত (বৰ্ত্তমান উচ্চতৰ মাধ্যমিক বিদ্যালয়) মঙ্গলদৈ মহাবিদ্যালয়ৰ নৈশ শ্ৰেণী আৰম্ভ হৈছিল বিভিন্ন কাৰ্য্যালয়ত কাম কৰা কেইগৰাকী মান ছাত্ৰক লৈ। অধ্যক্ষৰ দায়িত্ব বহন কৰিছিল সুদীৰ্ঘ ১৭ (সোতৰ) বছৰ ধৰি এম-এল-এ হৈ থকা অধিবক্তা প্ৰয়াত পুৰন্দৰ শৰ্ম্মাদেৱে আৰু মহকুমাধিপতিক সভাপতি আৰু অধিবক্তা প্ৰয়াত বানেশ্বৰ শৰ্মাদেৱক সম্পাদকৰ দায়িত্বৰে। আৰম্ভণিতে শিক্ষক, উকীল আদিৰে শ্ৰেণী পৰিচালনা কৰা হৈছিল।

লিখক এই মহাবিদ্যালয়ৰ ২য় বৰ্ষৰ নিয়মীয়া ছাত্ৰ আছিলো। আমাৰ নাম ভৰ্ত্তি কৰাৰ সময়ৰ পৰাই নিয়মীয়া প্ৰৱক্তাৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হৈছিল আৰু আমি পোৱা শিক্ষক সকল আছিল এই সকল- মাননীয় ˚পুৰন্দৰ শৰ্মা অধ্যক্ষ, ইংৰাজী বিষয়ৰ প্ৰৱক্তা ˚হৃদয়ৰঞ্জন দাস, অসমীয়া বিষয়ত ˚ভৱানন্দ বাজখোৱা (চৰকাৰী হাইস্কুলৰ শিক্ষক) লজিকৰ প্ৰৱক্তা ˚হৰকান্ত মহন্ত, চিভিস্কৰ প্ৰৱক্তা ˚কৰুণা কান্ত শৰ্ম্মা, সংস্কৃতৰ সদাশিৱ চক্ৰৱৰ্তী, বুৰঞ্জীৰ শ্ৰীগজেন্দ্ৰ নাথ ঠাকুৰীয়া (পিচত পলাশবাৰীৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ হৈ গুচি যায়) আদি।

স্মৃতিৰ ওপৰতে নিৰ্ভৰ কৰি কবলৈ গৈছো যে সেই সময়ত অৰ্থাৎ ১৯৫২ চনত আমি নিয়মীয়া ছাত্ৰ আছিলো। নিজেই আৰু অৱসৰপ্ৰাপ্ত প্ৰৱক্তা (মঙলদৈ কলেজৰ বুৰঞ্জী বিষয়ৰ প্ৰৱক্তা) শ্ৰীদেবেশ চন্দ্ৰ নন্দী, বামুণপাৰাৰ শ্ৰীনন্দি শৰ্মা আৰু চপাইৰ শ্ৰীজিতেন্দ্ৰ নাথ চৌধুৰী। (বাকী বিলাকৰ নাম স্মৃতিত অহা নাই আৰু বহু কেইগৰাকী ইতিমধ্যে ইহ সংসাৰৰ পৰা বিদায় লৈছে)

বৰ্তমান মঙ্গলদৈ মহাবিদ্যালয়ত কলা আৰু বিজ্ঞান

উভয় শাখাই আছে। তাৰ উপৰি কেইবাটাও বিষয়ত স্নাতোকত্তৰ শাখা হৈছে। মহাবিদ্যালয় খনিৰ পৰীক্ষাৰ ফলাফলো সন্তোষজনক। তাৰ উপৰিও কোনো বছৰত প্ৰথম শ্ৰেণী নাইবা প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰাৰ একাধিক উদাহৰণ আছে। এই গৌৰৱ চিৰদিন অব্যাহত থাকক এয়ে কামনা।

স্বাধীনোত্তৰ কালত মঙ্গলদৈ মহকুমাৰ বিভিন্ন প্ৰান্তত বিশেষতঃ শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত অসমীয়া মজলীয়া (MV) বিদ্যালয় সমূহৰ বৰঙণি উল্লেখযোগ্য। সেই সময়ত মঙ্গলদৈত বিভিন্ন ঠাইত মজলীয়া বিদ্যালয় সমূহ গঢ়ি উঠিছিল। তাৰ ভিতৰত ইতিমধ্যে উল্লেখ কৰা কেইখনৰ বাহিৰেও দুনী, পাথৰিঘাট, সৰাবাৰী, ডাঁহী আদি ঠাইত। উক্ত মজলীয়া বিদ্যালয় সমূহত সু-খ্যাতিৰে কাম কৰা শিক্ষক সকল যথাক্ৰমে- ৺বাণীকান্ত ডেকা, ৺নিধি ৰাম আচাৰ্য্য, ৺মহী দেৱ শৰ্মা, ৺ভূবন ডেকা, ৺সন্ধি ৰাম ডেকা, ৺শ্ৰীকান্ত চহৰীয়া, ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত ৺মেধীৰাম চহৰীয়া, ৺অভিৰাম শৰ্মা, ৺দণ্ডধৰ বৰুৱা, ৺জগত চন্দ্ৰ নাথ, বিখ্যাত চিকাৰী ৺কমি ৰাম নাথ (তেখেতক বাঘ চিকাৰ কৰোতে বাঘে খাই মাৰিছিল, সম্ভৱতঃ ১৯৩৬-৩৭ চনত) আৰু অন্যান্য অনেকজন। এই সকলৰ ভিতৰতেই কেবাগৰাকীয়ে অৱসৰৰ পিছত নতুনকৈ আৰম্ভ কৰা হাইস্কুল সমূহত অসমীয়া বিভাগৰ শিক্ষক হিচাপে কাম কৰিছিল।

ইয়াৰ উপৰি চৰকাৰী হাইস্কুলৰ (বিশেষতঃ মঙ্গলদৈ) পৰা অৱসৰ লাভ কৰা যেনে ৺কালীৰাম দাস (ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ পোৱা পুনিয়াৰ অধ্যক্ষ শ্ৰীৰমা কান্ত দাসৰ পিতৃ), ৺বদৰুদ্দিন আহমেদ (মাৰৈ) আদি।

অকল এয়াই নহয় মঙ্গলদৈ চৰকাৰী হাইস্কুলৰ পৰা অৱসৰ গ্ৰহণ কৰা ৺ৰমণী কান্ত বৰুৱা দেৱে যিদৰে চাকৰিৰ কালতকৈ অধিক দিন পেন্সন ভোগ কৰিছিল তেনে লেখিয়াকৈ একে বিদ্যালয়ৰ পৰা নৰ্মাল পাছ হিচাপে অৱসৰ গ্ৰহণ কৰা ৺হলধৰ নাথেও চাকৰিতকৈ অধিক কাল পেন্সন ভোগ কৰিছিল।

এই সকলৰ উপৰিও প্ৰাথমিক বিদ্যালয়ত কাম কৰি অৱসৰ গ্ৰহণ কৰা আউলা চৌকাৰ ৺কাতি ৰাম বড়া, ছিপাঝাৰ মজলীয়া স্কুলৰ প্ৰাথমিক খণ্ডৰ শিক্ষক ৺ধৰণী বৰুৱা (ভূক্তাবাৰী), ৺নবিৰুদ্দিন আহমেদ (দোকান পাৰা) বিজুলী বাৰীৰ ৺বনমালী বৰুৱা, ৺কেশৰাম শৰ্মা, চণ্ডীনাথ বৰুৱা (দুবাহাটী), শ্ৰীসন্তো ৰাম বৰুৱা (ভূক্তাবাৰী), ৺পহৰ চন্দ্ৰ শৰ্মা, ৺দয়াৰাম চহৰীয়া আদিৰ নাম উল্লেযোগ্য।

শিক্ষকতাত বিশেষ যোগ্যতা দেখুওৱাৰ বাবে বিভাগীয় নীতি অনুসৰি প্ৰাথমিক বিদ্যালয়ত কাম কৰা শিক্ষক ৺অন্নদা চৰণ গোস্বামী, ৺ভৱ কান্ত কাকতি, ৺নৰপতি কলিতাক Attendance officer হিচাপে নিয়োগ কৰি মহাবিদ্যালয় সমূহ পৰিদৰ্শন কৰাৰ ব্যৱস্থা কৰিছিল। পৰৱৰ্ত্তী কালত তেখেতসকলক পুনৰ প্ৰধান শিক্ষকৰ পদত অধিষ্ঠিত কৰিছিল।

গৌৰৱৰ বিষয় এয়ে যে শিক্ষকসকলক দেশৰ তথা সমাজৰ ধৰণী বুলি আখ্যা দিব পাৰি। তেখেত সকলে নিজ কৰ্ত্তব্য আৰু দায়িত্ব সম্পাদনৰ উপৰিও সমাজ হিতৈষি অনেক কাম নিষ্ঠাৰে সৈতে কৰি আহিছে। স্কুল-কলেজ গঢ়াৰ ক্ষেত্ৰত মুখ্য ভূমিকা সদায়ে লয়। এই প্ৰসঙ্গতে কবলৈ গৈছো মান্যবৰ শ্ৰীঅচ্যুত চন্দ্ৰ বৰুৱা দেৱৰ বাগ্মিতাৰ বাবেই সদৌ অসম শিক্ষক সন্থাৰ সভাপতিৰ আসন অলংকৃত কৰিব পাৰিছিল। মঙ্গলদৈৰ বাবে আন এটি গৌৰৱৰ বিষয় এয়ে যে টংলাত স্থায়ী ভাবে বসতি কৰা, একালৰ এম-এল, সাংসদ ৺হীৰালাল পাটোৱাৰী দেৱ সৰ্বভাৰতীয় প্ৰাথমিক বিদ্যালয়ৰ সভাপতি পদত অধিষ্ঠিত হোৱাৰ সুযোগ মিলিছিল।

কৰ্ত্তব্য নিষ্ঠা আৰু সততাই মানুহক উচ্চৰ পৰা উচ্চতম পদত অধিষ্ঠিত হোৱাৰ সুযোগ প্ৰদান কৰি আহিছে। সেয়ে শিক্ষকতা সেৱাত ব্ৰতী লোকসকলে সততাক সম্বল কৰি লৈ আগবাঢ়ি গলে দেশৰ আৰু ভৱিষ্যত প্ৰজন্মৰ মহৎ উপকাৰ সাধিত হ'ব।

পৰিশেষত ইয়াকে কব বিচাৰিছোঁ যে সৌ সিদিনা ১৯৫১ চনতেই মঙ্গলদৈ মহাবিদ্যালয়ৰ পাতনি নেমেলা হলে বৰ্ত্তমানৰ যি শৈক্ষিক পৰিৱেশ সি হৈ নুঠিলহেতেন। সেয়েহে সমগ্ৰ অসমৰ বিভিন্ন জিলাৰ লগতে দৰঙ জিলাইও সমানে ফেৰ মাৰিবলৈ সক্ষম হৈছে। সুখৰ বিষয় যোৱা শতিকাৰ পঞ্চম দশকৰ পিচত উঠি অহা বহু ছাত্ৰ-ছাত্ৰীয়েই আপোন প্ৰতিভাৰ বলত বিদেশত চাকৰিৰ ক্ষেত্ৰতো নিজৰ যোগ্যতা প্ৰতিপন্ন কৰি সমগ্ৰ বিশ্বক চমক লগাবলৈ সক্ষম হৈছে। উদাহৰণ স্বৰূপে সুদূৰ আমেৰিকাত মঙ্গলদৈৰেই প্ৰতিভাবান ছাত্ৰ শ্ৰীঅতুল চন্দ্ৰ শৰ্মা আৰু মঃ মতিউৰ ৰহমানে নিজৰ কৃতিত্বৰ দাবী কৰিব পাৰিছে। অকল এয়াই নহয় আমাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰৱক্তাৰ পদবীত অধিষ্ঠিত হৈ অনেক জন প্ৰসংশাৰ পাত্ৰ হব পাৰিছে।

দূৰ অতীতত শিক্ষা তথা উচ্চ শিক্ষা মুষ্টিমেয় লোকৰ মাজতেই সীমাবদ্ধ আছিল। আজি কিন্তু সেই সীমাৰেখা অতিক্ৰমি অনেক জনে প্ৰতিভাৰ স্বাক্ষৰ ৰাখিব পাৰিছে। আমি আশা কৰিছো সেই প্ৰতিভাবান সকলে যেন মঙলদৈৰ চাৰিসীমাৰ মাজতে আবদ্ধ নাথাকি আপোন চেষ্টাৰে লব্ধ জ্ঞান

বিতৰণ কৰি আনকো মহীয়ান কৰিবলৈ সংকল্পবদ্ধ হয়।

জ্ঞানৰ কোনো পৰিসীমা নাই। অধিক অধ্যয়ন পুষ্ট হৈ জ্ঞানৰ ভড়াল চহকী কৰিব পৰা জনেহে জগতক চমক লগাব পাৰে। এই প্ৰসঙ্গতেই উল্লেখ কৰিব ওলাইছো যে মঙলদৈৰেই এগৰাকী খ্যাতনমা পণ্ডিতে চুবুৰীয়া নলবাৰী জিলাত এখন সংস্কৃত মহাবিদ্যালয় স্থাপন কৰোঁৱাই তাত সুখ্যাতিৰে সেৱা আগবঢ়োৱা বিদগ্ধ পণ্ডিত অধ্যক্ষ মনোৰঞ্জন শাস্ত্ৰী দেৱৰ ঘৰ আছিল দুণী অঞ্চলৰ ভেৰুৱা গাওঁত। তেখেতৰ দক্ষতাই সৰ্ব্বভাৰতীয় খ্যাতি অৰ্জন কৰিছিল। আন গৰাকী বিচক্ষণ পণ্ডিত আছিল প্ৰয়াত মঃ হুছ্লামুদ্দিন আহমেদ। সুদূৰ কাইৰোত ইচলাম ধৰ্মীয় দীক্ষা লাভ কৰি সুখ্যাতি লাভ কৰিছিল। আৰু কামৰূপ জিলাৰ বদিয়াৰ আৰবী কলেজত অধ্যক্ষতা কৰিছিল। দুয়ো গৰাকী ব্যক্তিয়েই হিন্দু আৰু মুছলমান ধৰ্মীয় গ্ৰন্থ সমূহ অধ্যয়ন কৰি বিস্তৰ জ্ঞানৰ চানেকী দাঙি ধৰিছিল। ইয়াৰ উপৰিও স্বাধীনোত্তৰ কালতে সংস্কৃত ভাষা অধ্যয়ন কৰি বিস্তৰ জ্ঞানৰ অধিকাৰী হোৱা ব্যক্তি আছিল স্বৰ্গীয় ৰঞ্জিত চন্দ্ৰ ভট্টাচাৰ্য্যদেৱ। তেখেতে মঙ্গলদৈৰে দিপিলাত এখন সংস্কৃত টোল পাতি বহু লোকক শিক্ষা দান কৰিছিল।

মঙ্গলদৈ দৰাচলতে বিচক্ষণ পণ্ডিত সকলৰ লীলাভূমি। তেখেত সকলে আৰ্জিত জ্ঞান সমূহৰ আলোকত আটাইকে উদ্ভাষিত কৰাৰ চানেকী বিৰল। এন প্ৰচেষ্টা উঠি অহা চামৰ মাজতো অব্যাহত থাকিলে মঙ্গলদৈৰ নাম জাকত জিলিকা হৈ থাকিব।

---

*শ্ৰীনাথ এজন শিক্ষাবিদ আৰু পশ্চিম ৰঙামাটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ (আউলাচৌকা) অৱসৰপ্ৰাপ্ত অধ্যক্ষ।*



# অতীতৰ পটভূমিৰ প্ৰসঙ্গৰে দৰং জিলাৰ শিক্ষা ব্যৱস্থা

ড০ লোকেশ্বৰ নাথ

শিক্ষাই ব্যক্তি আৰু সমাজৰ সকলো প্ৰকাৰ উন্নতিৰ ক্ষেত্ৰত বিভিন্ন উপায়েৰে সহায় কৰে আৰু আৰ্থ সামাজিক উন্নতি সাধনৰ দ্বাৰা জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নীত কৰে। এনেক্ষেত্ৰত প্ৰকৃত শিক্ষাৰে শিক্ষিত ব্যক্তি দেশৰ মেৰুদণ্ড স্বৰূপ। শিক্ষাৰ বিকাশে দৰিদ্ৰতা নিৰ্মূল কৰি জনমুৰি আয়ৰ বৃদ্ধিৰে দেশৰ জাতীয় আয় বৃদ্ধি কৰে।

শিক্ষা ব্যক্তিগতই হওক বা সামাজিকেই হওক ইয়াৰ আহৰণ, উন্নতি অথবা প্ৰসাৰ সদায় সময় সাপেক্ষ। সময় আগবঢ়াৰ লগে লগে পৃথিবীৰ বিভিন্ন সমাজৰ শিক্ষা, সংস্কৃতি আৰু সভ্যতাৰ পৰিবৰ্ত্তন হৈ হৈ বৰ্ত্তমান পৰ্য্যায়ত উপনীত হৈছে। দেশ তথা সমাজৰ উন্নতিৰ ক্ষেত্ৰত দেখা দিয়া চাহিদা অনুসৰি শিক্ষাৰ নীতি নিৰ্দ্ধাৰিণ আৰু প্ৰবৰ্ত্তন কৰা হয়।

সমাজ তথা দেশৰ প্ৰাকৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত দুৰ্যোগ নাইবা পৰিবৰ্ত্তন সংঘটিত হলে শিক্ষাৰ উন্নতিৰ গতিত স্থবিৰতা আহে নাইবা প্ৰসাৰত বাধা হয়। বৰ্ত্তমান সমাজ প্ৰায় সকলো দিশতে উন্নতিৰ চৰম সীমাত উপনীত হৈছে। অৱশ্যে এই উন্নতি প্ৰাকৃতিক, ৰাজনৈতিক তথা সামাজিক অন্যান্য কাৰণৰ বাবে সমানে নহৈ বিক্ষিপ্ত ভাৱে হোৱাহে দেখা যায়। সকলো দেশ কিম্বা অঞ্চলে আধুনিক শিক্ষাৰ সুযোগ গ্ৰহণ কৰিবলৈ সক্ষম নোহোৱাৰ অন্তৰালত প্ৰাকৃতিক, আৰ্থ-সামাজিক আৰু ৰাজনৈতিক কাৰণকে প্ৰাধান্য দিয়া হয়।

কিছু বছৰ আগলৈকে শিক্ষাৰ উন্নতি তথা প্ৰসাৰৰ ক্ষেত্ৰত প্ৰাকৃতিক কাৰক প্ৰতিবন্ধক হিচাপে দেখা দিছিল; কিন্তু বিজ্ঞানৰ শেহতীয়া আৱিষ্কাৰে আমালৈ কঢ়িয়াই অনা সুবিধাৰ বাবে সেইবোৰ এতিয়া প্ৰতিবন্ধক হৈ থকা নাই। খৃষ্টান মিছনেৰীসকলে ওপৰ অসমৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণভাগত শিক্ষা প্ৰচাৰ কৰা কালত প্ৰাকৃতিক বাধাৰ বাবে পৰিবহন, যোগাযোগ আদিৰ ব্যৱস্থা নথকাত উত্তৰকূল শিক্ষাৰ ক্ষেত্ৰত পিছপৰি আছিল। মঙলদৈ তথা বৰ্তমানৰ দৰং জিলা ইয়াৰ ব্যতিক্ৰম নাছিল। আমেৰিকান বেপ্তিষ্ট মিছনেৰীসকলে ১৮৪৪ চনত শিৱসাগৰত প্ৰথমে ছপাশাল বহুৱায়। ১৮৪৬ চনত তাৰপৰাই তেওঁলোকৰ যত্নত 'অৰুনোদই' নামেৰে এখন মাহেকীয়া কাকত অসমীয়া ভাষাত প্ৰকাশ পায়। ইয়াত ধৰ্ম, বিজ্ঞান আৰু সাধাৰণ বুদ্ধি বৃত্তিয়ে ঠাই পাইছিল। কম সময়ৰ ভিতৰতে আন আন মাহেকীয়া কাকত যেনে আসাম বিলাসিনী (১৮৭১), আসাম মিহিৰ (সপ্তাহিক), আসাম দৰ্পন (১৮৭৪) আৰু আসাম নিউচ (১৮৮০) প্ৰকাশ পাইছিল। জোনাকী নামৰ আন এখন মাহেকীয়া আলোচনী ১৮৮৯ চনত হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰকুমাৰ আগৰৱালা আৰু লক্ষ্মীনাথ বেজবৰুৱাই লগলাগি কলিকতাৰ পৰা প্ৰকাশ কৰিছিল। এইবোৰৰ দ্বাৰা ব্ৰহ্মপুত্ৰৰ দক্ষিণ ভাগৰ বিশেষকৈ পূৰ্ব্বৰ শিৱসাগৰ জিলা, ডিব্ৰুগড় আদি অঞ্চলত শিক্ষাৰ প্ৰসাৰ হৈছিল আৰু দুই এখন শিক্ষানুষ্ঠানও গঢ়ি উঠিছিল।

ইতিমধ্যে শিক্ষা প্ৰচাৰৰ অৰ্থে প্ৰতিষ্ঠা কৰা শিক্ষানুষ্ঠান সমূহত শিক্ষা গ্ৰহণকৰা লোকৰ সংখ্যা বৃদ্ধি পাইছিল যদিও মহিলাসকলে পুৰুষসকলৰ লগত একেলগে বহি শিক্ষা গ্ৰহণ কৰিবলৈ সংকোচ কৰাৰ বাবে মহিলাসকল অশিক্ষিতা হৈয়েই আছিল। মিচেচ কাট্টাৰ, মেৰীকাপেন্টাৰ প্ৰভৃতি বিদেশী বিদূষী মহিলা সকলে এই পৰিস্থিতি উপলব্ধি কৰি স্ত্ৰীশিক্ষাৰ বাবে সুকীয়া বিদ্যালয় স্থাপন কৰিছিল। ১৮৩৯ চনত শদিয়াত প্ৰথমখন মহিলা প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰে। কিন্তু ইয়াৰ সত্তৰ বছৰ পাছত অৰ্থাৎ ১৯০৯ চনতহে মঙলদৈত প্ৰথম মহিলা প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা হয়।

ভাৰতত বেপাৰ বাণিজ্য কৰাৰ অজুহাতত ইখন সিখনকৈ ঠাইবোৰ ক্ৰমে নিজৰ কব্জালৈ নি সেইবোৰৰ শাসনৰ

দায়িত্ব লোৱা আৰু ধৰ্মপ্ৰচাৰ কৰাই ইংৰাজসকলৰ প্ৰধান উদ্দেশ্য আছিল। এই কাম কৰিবলৈ যাওতে ইংৰাজী বিষয় আৰু মাধ্যমেৰে সাধাৰণ শিক্ষা প্ৰদান কৰি মুষ্টিমেয় লোকক কামত ব্যৱহাৰ কৰিছিল। শিক্ষা প্ৰচাৰৰ ক্ষেত্ৰত ইংৰাজ বণিক তথা শাসকক পদানুসৰণ কৰা আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলে পৰ্য্যাপ্ত পৰিমানে সহায় কৰিছিল। ভাৰতীয় সংস্কৃতিৰ আধাৰত প্ৰৱৰ্তন কৰা ইংৰাজী শিক্ষা গ্ৰহণ তথা প্ৰচাৰ কৰাৰ ক্ষেত্ৰত পশ্চিমীয়া শিক্ষাৰে শিক্ষিত এচামলোকে বিশেষকৈ ৰাজা ৰামমোহন ৰায়ৰ দৰে ভাৰতীয় সমাজ সংস্কাৰক পণ্ডিত মনীষীসকলে মিছনেৰীসকলৰ মনত সাহস যোগাইছিল। জন কেৰী আৰু তেওঁৰ বন্ধু দুগৰাকীয়ে লগ লাগি ভাৰতত আধুনিক শিক্ষাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছিল। সমাজ সংস্কাৰৰ ইতিহাসত তেওঁলোকক শ্ৰীৰামপুৰ ত্ৰায়ো নামে জনা যায়। তেওঁলোকেই বাইবেলখন অসমীয়া ভাষাত ভাঙনি কৰি ছপাই উলিয়াইছিল।

ভৌগোলিক তথা প্ৰাকৃতিক প্ৰতিবন্ধকতা শিক্ষা সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰত বাধা হিচাপে কাম কৰে সময়ৰ কোনো এক স্তৰলৈকেহে। কিন্তু বৈজ্ঞানিক আবিষ্কাৰ আৰু কাৰিকৰী উন্নতিয়ে প্ৰাকৃতিক বাধাক সহজে পৰাভূত কৰি শিক্ষা সংস্কৃতি চাৰিওদিশে বিয়পাই তোলে। আনহাতে ৰাজনীতিৰ হস্তক্ষেপত প্ৰাকৃতিক বাধা অতিক্ৰম কৰি শিক্ষা সংস্কৃতি আৰু ধৰ্ম প্ৰচাৰ হোৱা কাৰ্য্য অতি পুৰণি কালৰ পৰাই সহজ সাধ্য হৈ অহাৰ প্ৰমান পোৱা হৈছে। দেশ বিদেশত বৌদ্ধ ধৰ্মৰ প্ৰচাৰ হোৱাৰ ক্ষেত্ৰত আৰু নালন্দা আৰু তক্ষশীলাত সমগ্ৰ পৃথিৱীৰ ছাত্ৰই অধ্যয়ন কৰিবলৈ অহা কাৰ্য্যৰ লগত ৰাজনীতি নিহিত আছিল। বৰ্ত্তমান সময়ত ভাৰতৰ পৰা বিদেশৰ বিশেষকৈ যুক্তৰাষ্ট্ৰ আৰু অষ্ট্ৰেলিয়ালৈ স্নাতক পৰ্য্যায়ৰ শিক্ষাৰ বাবে যোৱা প্ৰচুৰ ছাত্ৰ ছাত্ৰীৰ সম্ভেদ পোৱা হৈছে। ইয়াৰ সংখ্যা ১৯৯৯ চনত ১৮,১৮২ আৰু ২০০১ চনত ২৪, ৭৫৯ জন)। তেওঁলোকে সংস্কাৰ বিহীন ভাৰতীয় শিক্ষা গ্ৰহণ কৰিবলৈ অনিচ্ছুক হৈ নাইবা অ'ত ত'ত থকা তাকৰীয় ব্যৱস্থাত সুযোগ নাপাই বিদেশলৈ যাব লগা হৈছে। ইয়াৰ বাবে ৰাজ্যসমূহৰ গতানুগতিক আৰু ব্যৱহাৰিক জ্ঞান বৰ্জিত শিক্ষানীতিয়ে প্ৰধান দায়ী। কৰ্মমুখী শিক্ষা গ্ৰহণত উদ্দেশ্য আৰ্থিক ভাবে সচ্ছল আৰু কেন্দ্ৰীয় চৰকাৰে বেংকৰ জৰিয়তে আগবঢ়োৱা ঋণৰ সুবিধাৰে মনত দুৰ্জ্জয় সাহসলৈ প্ৰাকৃতিক বাধা অতিক্ৰম কৰি ছাত্ৰ-ছাত্ৰীসকল সেই সেই দেশবোৰত উপস্থিত হৈছে। দৰং জিলাৰ পৰা এজনো ছাত্ৰই এই সুবিধা গ্ৰহণ কৰি বিদেশলৈ যাত্ৰা কৰাৰ বিষয়ে জনা নাযায়।

অতি প্ৰাচীন কালৰ পৰাই ভাৰতীয়লোকে বিভিন্ন সময়ত বিভিন্ন উদ্দেশ্যত শিক্ষা গ্ৰহণ কৰি অহাৰ ঐতিহাসিক প্ৰমাণ পোৱা যায়। এনে শিক্ষা কেৱল ধৰ্মপ্ৰচাৰ, দৰ্শন, সাহিত্য সৃষ্টি আৰু ৰাজকাৰ্য্য পৰিচালনাৰ উদ্দেশ্যতেই ব্যৱহৃত হৈছিল। বৃটিছে সপ্তদশ শতিকাৰ আৰম্ভনীতে ভাৰতত বেপাৰ বাণিজ্য কৰিবলৈ মোগল সম্ৰাট জাহাঙ্গীৰৰ পৰা অনুমতি লৈ প্ৰথমে ১৬১২ চনত চুৰাটত বেপাৰৰ কোঠ পাতে। ১৬৩৩ চনত বঙ্গৰ হৰিপুৰত আৰু ১৬৯৫ চনত কলিকতাত ফৰ্ট উইলিয়াম কোঠ পাতে। তেওঁলোকে ইখন সিখনকৈ অনেক ঠাই বেপাৰ বাণিজ্য কৰিবলৈ হস্তগত কৰি লৈ স্থানীয় সামাজিক ইটো সিটো কাম কৰিবলৈ আৰম্ভ কৰে। ইষ্ট ইণ্ডিয়া কোম্পানীৰ লৰ্ড ক্লাইব ১৭৬০ চনত ইংলেণ্ডলৈ উভতি যোৱাৰ পাছত ভাৰতত ইংৰাজ শাসনৰ আধিপত্য বিস্তাৰ হয়। ওৱাৰেণ হেষ্টিংচে মুছলিম আইন পঢ়াৰ সুবিধাৰ বাবে কলিকতাত ১৭৮১ চনত কলিকতা মাদ্ৰাছা পাতে। ইয়াৰ পাছত জোনাথন ডান্‌কানে ভাৰতৰ কেবাগৰাকীও গুনী জ্ঞানী পুৰুষৰ লগত লগ হৈ ১৭৯২ চনত ভাৰতীয় সংস্কৃতিৰ আধাৰত বিশেষকৈ হিন্দু আইন অধ্যয়নৰ বাবে বেনাৰসত এখন সংস্কৃত কলেজ প্ৰতিষ্ঠা কৰে। ইয়াত দেশৰ বিভিন্ন ঠাইৰ লগতে অসমৰ বহুতো ঠাইৰ ছাত্ৰই অধ্যয়ন কৰিছিল।

বঙ্গদেশৰ কেবাগৰাকীও মহান ব্যক্তিৰ যত্নত ১৮০০ চনত কলিকতাত ফৰ্ট উইলিয়াম কলেজ, ১৮১৭ চনত হিন্দু কলেজ (পিছলৈ ইয়াৰ নাম প্ৰেচিডেন্সি কলেজ ৰখা হয়) প্ৰতিষ্ঠা কৰে। লৰ্ড উইলিয়াম বেন্টিংকৰ মহানুভৱতাৰ সাক্ষীস্বৰূপে অনেক সমাজ হিতকৰ কাম সমাপন হোৱাৰ লগতে ১৮৩৫ চনত কলিকতাত মেডিকেল কলেজ প্ৰতিষ্ঠা হয়। সেই একে চনতেই বোম্বাইত এলফিনষ্টোন কলেজ প্ৰতিষ্ঠা কৰে। অতি কম সময়ৰ ভিতৰতে কলিকতা, বোম্বাইৰ লগতে পঞ্জাব, উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ, মাদ্ৰাজ, ইত্যাদি ঠাইত গঢ়ি উঠা কলেজ আৰু অন্যান্য শিক্ষানুষ্ঠানসমূহৰ পৰীক্ষা সমূহ পৰিচালনাৰ অৰ্থে ১৮৫৫ চনত কলিকতা আৰু বোম্বাইত আৰু ১৮৫৭ চনত মাদ্ৰাজত একোখনকৈ বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰে। কিন্তু উনবিংশ শতিকাৰ ভিতৰত অসমৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান এখনো গঢ়ি উঠা নাছিল।

বৃটিছে নিজৰ লাভালাভৰ বাবে প্ৰতিষ্ঠা কৰা চাহবাগান, ৰেললাইন ইত্যাদি প্ৰতিষ্ঠানবোৰ নিয়াৰিকৈ চলাবৰ বাবে আৰু লগতে শাসন কাৰ্য্যত সহায় কৰিবলৈ ইংৰাজী শিক্ষাৰে শিক্ষিতলোকৰ আৱশ্যকতা বিবেচনা কৰি আৰু লগতে সমাজহিতৈষী কিছুলোকক সন্তুষ্ট কৰাৰ উদ্দেশ্যে উণবিংশ শতিকাৰ শেষৰ ফালে অসমৰ প্ৰত্যেকখন জিলাৰ সদৰ ঠাইতে একোখন উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰে। কিছুবছৰ এনেদৰে চলাৰ পাছত বিংশ শতিকাৰ আৰম্ভনীতে মহকুমাৰ সদৰ ঠাইতো একোখনকৈ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰে আৰু লগে লগে উচ্চ শিক্ষাৰ চাহিদা পূৰোৱাৰ অৰ্থে

কলিকতাত ফৰ্ট উইলিয়াম কলেজ প্ৰতিষ্ঠা কৰা (১৮০০) এশ বছৰ পাছত অৰ্থাৎ ১৯০১ চনত গুৱাহাটীত কটন কলেজ প্ৰতিষ্ঠা কৰে। প্ৰায় তিনিদশকৰ মূৰত ওপৰ অসমৰ ছাত্ৰৰ চাহিদা লাঘৱ কৰাৰ উদ্দেশ্যে ৰাইজে যোৰহাটত জে.বি. কলেজ প্ৰতিষ্ঠা কৰে। আৰু মহিলা শিক্ষাৰ উন্নতিকল্পে গুৱাহাটীত ১৯৩৯ চনত সন্দিকৈ ছোৱালী কলেজ প্ৰতিষ্ঠা কৰে।

১৯০৩ চনত মঙলদৈ নগৰত মঙলদৈ উচ্চ মাধ্যমিক (বৰ্ত্তমান মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক) বিদ্যালয় প্ৰতিষ্ঠা হয়। এইখনেই দৰং জিলাৰ প্ৰথম উচ্চ মাধ্যমিক বিদ্যালয়। মঙলদৈ চহৰৰ বাহিৰেও জিলাৰ প্ৰায় সকলো অঞ্চলৰ পৰা ছাত্ৰ আহি ইয়াত অধ্যয়ন কৰিছিল। এনেকৈ প্ৰায় তিনি দশক পাৰ হৈ যোৱাৰ পাছত জিলাৰ কোনো কোনো ঠাইৰ সমাজহিতৈষী ব্যক্তিসকলে নিজৰ নিজৰ এলেকাত বিদ্যালয় পতাৰ বাবে আগভাগ লয়। ১৯৩০ চনত ছিপাঝাৰত এম. ই. হিচাপে আৰম্ভ কৰা বিদ্যালয়খনেই পাছলৈ উচ্চ মাধ্যমিক (বৰ্ত্তমান ছিপাঝাৰ উচ্চতৰ মাধ্যমিক) স্তৰলৈ উন্নীত কৰে। ইয়াৰ পাছত মঙলদৈ নগৰ বালিকা, দলগাঁও, টংলা, পাথৰিঘাট, কলাইগাঁও, দুনী, ওদালগুৰি, মাজবাট, খাৰুপেটীয়া, হাজৰিকাপাৰা (গান্ধী স্মৃতি), খৈৰাবাৰী প্ৰভৃতি ঠাইত উচ্চ মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা হয়। বিংশ শতিকাৰ ষাঠিৰ পৰা আশী দশকৰ ভিতৰত গোটেই জিলাতে ৪/৫ কিলোমিটাৰ আঁতৰে আঁতৰে একোখন উচ্চ মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা হয়। বৰ্ত্তমান গোটেই জিলাতে ২৫০ খন উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা হৈছে (প্ৰাইভেট আৰু ভেনচাৰ সহ)। এইবোৰত প্ৰায় ৫০,০০০ জন ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে।

উচ্চ মাধ্যমিক শিক্ষাৰ অন্তত উচ্চ শিক্ষা লাভৰ বাবে অতি মুষ্টিমেয় ছাত্ৰ-ছাত্ৰীয়েহে কটন কলেজত ভৰ্ত্তিহোৱাৰ সুযোগ পাইছিল। কিয়নো উত্তৰ পূব ভাৰতৰ বৰ্ত্তমানৰ ছয়খন ৰাজ্যৰ ভিতৰত এইখনেই কলেজিয়েট শিক্ষাৰ একমাত্ৰ অনুষ্ঠান আছিল। গুৱাহাটীলৈ অহা যোৱা আৰু শিক্ষা আহৰণ কালৰ আবাস স্থানৰ সমস্যা আছিল। এনে পৰিস্থিতিত বিংশ শতিকাৰ চতুৰ্থ দশকৰ শতিকাৰ আৰম্ভনীৰ পৰাই প্ৰত্যেক জিলাতে একোখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ সমাজ সচেতন ব্যক্তিসকলে আগভাগ লয় আৰু স্বাধীনতা লাভ কৰাৰ আগমুহূৰ্ত্তত জিলাৰ সদৰ ঠাইত একোখনকৈ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰে। ইয়াৰ অলপ দিনৰ ভিতৰতে মহকুমাৰ সদৰ ঠাইতো মহাবিদ্যালয় পতাৰ বাবে বিশিষ্ট ব্যক্তিসকলে আগভাগ লয় আৰু স্বাধীনতা লাভ কৰাৰ পাছৰ কেইবছৰ মানৰ ভিতৰতে প্ৰত্যেক মহকুমাৰ সদৰতো একোখনকৈ কলেজ প্ৰতিষ্ঠা হয়।

মঙলদৈ মহকুমাৰ সদৰ ঠাই মঙলদৈতো ১৯৫১ চনত মঙলদৈ মহাবিদ্যালয় প্ৰতিষ্ঠা হয়। এই কলেজখন প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত তদানীন্তন মহকুমাধিপতি মাননীয় অমিয় ভূষণ দাশগুপ্ত ডাঙৰীয়াই অহোপুৰুষাৰ্থ চেষ্টা কৰিছিল। তেখেতক সহায় কৰা ব্যক্তিসকলৰ ভিতৰত মাননীয় ৰামেশ্বৰ শৰ্মা, বাসব চন্দ্ৰ বৰুৱা, পুৰন্দৰ শৰ্মা, বিপিন চন্দ্ৰ মেধি, বদৰুদ্দিন আহমেদ, সন্ধিৰাম চহৰীয়া, ভবানন্দ বাজখোৱা আদি বৰেণ্য ব্যক্তিসকলৰ নাম লব পৰা যায়। ১৯৬০ চনত বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত হোৱাৰ পাছত ১৯৬২-৬৩ চনত চৰকাৰৰ পৰা ঘাটিমঞ্জুৰী লাভ কৰে। ১৯৬৫ চনত বিশ্ববিদ্যালয় অনুদান আয়োগে প্ৰথম অৰ্থ সাহায্য আগবঢ়ায়। প্ৰায় ১৫ বছৰ কাল অকল কলা শাখাত চলি অহাৰ অন্তত ১৯৬৬ চনত প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীত বিজ্ঞান শাখা খোলা হয় আৰু ১৯৬৮-৬৯ চনত বিজ্ঞানৰ সাধাৰণ শ্ৰেণী (পাছ কৰ্চ) খোলা হয় আৰু অলপ দিনৰ পাছতে ভূগোল বিষয়ত অনাৰ্চ (মেজৰ) খোলা হয়। এনেদৰে কেবাটাও বছৰ পাৰহৈ যোৱাৰ পাছতহে আশী দশকৰ শেষ ভাগত বিজ্ঞানৰ বাকী বিষয়বোৰত মেজৰ খোলা হয়। বৰ্ত্তমানে তিনিটা বিষয়ত স্নাতকোত্তৰ শ্ৰেণীত পাঠদান দিয়া হয়। কিন্তু কেবাটাও শিক্ষনীয় বিষয় কলেজত অন্তৰ্ভুক্ত কৰিবলৈ বাকী থকাৰ উপৰিও বৰ্ত্তমান সময় সাপেক্ষ বিষয় সমাজৰ চাহিদা অনুসৰি কলেজখনে আগবঢ়াব পৰা নাই। অৱশ্যে আধুনিক সা-সুবিধাৰে নতুন প্ৰজন্মক আকৰ্ষণ কৰিবলৈ অসমৰ কোনো এখন কলেজেই সক্ষম হৈছে বুলি কব নোৱাৰি। এনেক্ষেত্ৰত চৰকাৰ আৰু বিশ্ববিদ্যালয় সমূহৰ সংস্কাৰমুখী শিক্ষা নীতিৰ অতিকৈ প্ৰয়োজন হৈ পৰিছে। সি যি কি নহওঁক, মঙলদৈ কলেজে জিলাখনৰ বৰ্দ্ধিত জনসংখ্যাৰ চাহিদা পূৰাবলৈ অক্ষম হোৱাত আৰু জিলাৰ বিভিন্ন অঞ্চলৰ পৰা চলা সংকাকুল যাতায়তৰ বাবে ছাত্ৰ-ছাত্ৰীসকল ইয়াত পঢ়িবলৈ অহাৰ অসুবিধা লক্ষ্য কৰি গতানুগতিক শিক্ষা ব্যৱস্থাৰেই জিলাখনৰ অ'ত ত'ত চাহিদামতে ৰাইজে কলেজ স্থাপন কৰিছে। টংলা (১৯৭০) , ছিপাঝাৰ (১৯৭১), ওদালগুৰি, খাৰুপেটীয়া, মাজবাট, খৈৰাবাৰী, ওৰাং, দেওমৰনৈ, বুঢ়ীনগৰ, দুনী (গভৰা-দলংঘাট), দিপিলা, মঙলদৈ কমাৰ্চ, মঙলদৈ ছোৱালী কলেজ, কলাইগাঁও, উত্তৰ মঙলদৈ (টংলা), জনতা কলেজ (ছিপাঝাৰ বৰদৌগুৰি), বৰনৈ (দুমুনীচকি), পূব মঙলদৈ (মঙলদৈ), ডাঁহী আৰু দলগাঁও আদি ঠাইত জুনিয়'ৰ আৰু ডিগ্ৰী কলেজ চলি আছে। মঙলদৈ চহৰত ব্যক্তিগত খণ্ডত দুখন ইংৰাজী মাধ্যমৰ জুনিয়'ৰ কলেজো আৰম্ভ হৈছে। দৰং জিলাৰ মঙলদৈত অনুষ্ঠিত চৰকাৰী বি. এড. কলেজখনৰ উপৰিও দেওমৰনৈ, ছিপাঝাৰ আৰু টংলাত বি, এড, কলেজ প্ৰতিষ্ঠা হৈছে। মঙলদৈ চহৰত দৰং জিলাৰ একমাত্ৰ আইন মহাবিদ্যালয়খনো আৰম্ভ হৈ নিজা বিল্ডিঙত আজি কেবাবছৰো

ধৰি চলি আহিছে।

শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত অসমৰ ভিতৰতে দৰং জিলা পূৰ্ব্বৰেপৰা পিছপৰি অহাৰ বাবে, জনসাধাৰণৰ অন্য ঠাইৰ তুলনাত উৎসাহ উদ্দীপনা কম হোৱাৰ বাবে আৰু নিস্বাৰ্থ দক্ষতাপূৰ্ণ ৰাজনৈতিক নেতা নথকাৰ বাবে ওপৰোক্ত ২৬ খন মহাবিদ্যালয়ৰ ২০ খনেই বেচৰকাৰী অৱস্থাত অতি কষ্টৰ মাজেৰে চলি আহিছে। এই ২০ খনৰ ভিতৰত ১৯৮৫ চনতে প্ৰতিষ্ঠা কৰা দৰং জিলাৰ একমাত্ৰ মহিলা কলেজ মঙলদৈ ছোৱালী কলেজখন অন্যতম। বৰ্ত্তমানে দৰং জিলাৰ কলেজ সমূহত প্ৰায় ১২,০০০ জন ছাত্ৰ ছাত্ৰীয়ে অধ্যয়ন কৰি আছে।

ইমানবোৰ স্কুল, কলেজ প্ৰতিষ্ঠা হৈছে যদিও দৰং জিলাৰ ছাত্ৰ-ছাত্ৰীসকল বহু পৰিমানে হতাশাত ভূগি থকাৰ উমান পোৱা হৈছে। ইয়াৰ প্ৰধান কাৰণ হয়তো আধুনিক প্ৰযুক্তি বিদ্যাৰ সা-সুবিধাৰে সু-সজ্জিত তথা কৰ্মমুখী শিক্ষাৰ অভাৱ।

বৰ্ত্তমান কালত দেশৰ ৰাজনীতি আৰু আৰ্থ-সামাজিক দিশত যথেষ্ট পৰিবৰ্ত্তন আৰু সুস্থিৰতা অহাৰ বাবে চাহিদা অনুসৰি দেশৰ শিক্ষা ব্যৱস্থাক গঢ় দিব পৰা হৈছে। প্ৰচলিত শিক্ষা ব্যৱস্থাৰ ওপৰত দেশৰ জনসাধাৰণ বৰ্ত্তমান সন্তুষ্ট হব পৰা নাই। লাখ লাখ শিক্ষিতলোক কৰ্ম্ম সংস্থানহীন হৈ বহি থাকিব লগা হোৱাই দেশৰ শিক্ষিত বুদ্ধিজীৱীসকলক চিন্তিত কৰি তুলিছে। তেওঁলোকে পুনৰ শিক্ষা সংস্কাৰৰ বাবে জনমত তৈয়াৰ কৰাত ব্যস্ত হৈ পৰিছে।

উপযুক্ত বিচাৰ বিবেচনাৰে শিক্ষাক উচ্চতম স্তৰত উপনীত কৰাৰ মানসেৰে মানৱ সম্পদক (জ্ঞানক) সম্পূৰ্ণ বিকাশ ঘটোৱাৰ উদ্দেশ্যে বৰ্ত্তমান পৃথিৱীৰ বিভিন্ন বিশ্ববিদ্যালয়ত সমাজৰ চাহিদামতে শিক্ষনীয় বিষয় প্ৰবৰ্ত্তন কৰা পৰিলক্ষিত হৈছে। অষ্ট্ৰেলিয়াৰ নৰ্থ চিডনী ইনষ্টিটিউটত এই উদ্দেশ্যে প্ৰায় ১০০০ টা বিষয়ৰ ওপৰত শিক্ষা প্ৰদান কৰাৰ পাছত তাৰ প্ৰত্যেকজন শিক্ষাৰ্থীয়ে স্বনিয়োজিত হোৱাৰ পূৰামাত্ৰাই সম্ভাৱনা লাভ কৰিছে।

ছিংগাপুৰত ২০০০ চনৰ জুন মাহত অনুষ্ঠিত হোৱা আন্তৰ্জাতিক শিক্ষা সন্মিলনে একবিংশ শতিকাৰ ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়াৰ উদ্দেশ্যে উন্নত দেশে জ্ঞান আহৰণৰ ক্ষেত্ৰত নতুনত্ব লব লগা আঠটা বিষয়ৰ ওপৰত ব্যৱস্থা গ্ৰহণৰ বাবে ঐক্য মত প্ৰকাশ কৰিছে। সেই কেইটা হৈছে- 'কাৰিকুলাম, শিক্ষাদান, আঁচনি তৈয়াৰ, শিক্ষকৰ পাৰদৰ্শিতা, পুঁজি আহৰণ, নেতৃত্ব, পৰিচালনা আৰু প্ৰশাসনৰ নতুনত্ব। কৰ্নাটকৰ ১১৫ খন কাৰিকৰী কলেজৰ এনে আদৰ্শত গঢ়ি উঠা মাত্ৰ কেইখনমানৰ ভিতৰৰে মণিপাল উচ্চ শিক্ষা একাডেমীৰ দৰে উৎকৃষ্ট শিক্ষানুষ্ঠান গঢ়ি উঠিছে য'ৰ ছাত্ৰই শিক্ষা গ্ৰহণ কৰি সংস্থাপনৰ বাবে হাহাকাৰ কৰি ফুৰিবৰ আৱশ্যক নহয়। অসমৰ পৰা কৰ্নাটকলৈ স্নাতক পৰ্য্যায়ৰ বিভিন্ন শিক্ষা গ্ৰহণৰ বাবে যোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২০০০ চনত ৫০০০ জন আছিল বুলি জনা যায়। এই প্ৰব্ৰজনৰ গুৰিতো আৰ্থ সামাজিক আৰু ৰাজনৈতিক কাৰণ নিহিত আছে। কৰ্নাটক চৰকাৰে শিক্ষা সংস্কাৰৰ ক্ষেত্ৰত ভাৰতৰ ভিতৰতে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে আৰু নিজ ৰাজ্যৰ উপৰিও গোটেই ভাৰততে সেই শিক্ষা জনপ্ৰিয় হৈ উঠিছে। আধুনিক প্ৰযুক্তি বিদ্যাৰে আগবঢ়োৱা সেই চৰকাৰৰ শিক্ষা ব্যৱস্থা অসমৰ বাবে আদৰ্শ হোৱা উচিত। বৰ্ত্তমান কালত বিজ্ঞানৰ বিভিন্ন অৱদানবোৰৰ পৰস্পৰ সমন্বয়ত গঢ়ি উঠা শিক্ষা ব্যৱস্থা সমাজ তথা ব্যক্তিৰ উন্নয়নত অপৰিহাৰ্য্য হৈ পৰিছে আৰু ইয়াৰ প্ৰতি লক্ষ্য কৰিয়েই কম্পিউটাৰৰ জৰিয়তে স্কুলীয়া ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়াৰ উদ্দেশ্য ১৯৮৪ চনৰ পৰাই ভাৰতৰ কেবাখনো ৰাজ্যত ব্যাপক ধৰণে ব্যৱস্থা গ্ৰহণ কৰা দেখা গৈছে যদিও অসমত ইয়াৰ কাৰ্য্যকাৰিতা একেবাৰে পুতৌ লগা অৱস্থাতে আছে।

শিক্ষাৰ প্ৰকৃত লক্ষ্য পূৰাবলৈ নতুন ধৰণে কাৰিকুলাম প্ৰস্তুত কৰি সম্পূৰ্ণ বিকেন্দ্ৰীকৰণৰ জৰিয়তে একবিংশ শতিকাৰ শিশু আৰু যুৱকক শিক্ষাদানৰ উপযোগী কৰি তোলাৰ প্ৰয়োজনীয়তা সচকিত নাগৰিকে উপলব্ধি কৰিছে। এনেক্ষেত্ৰত যুগৰ লগত খাপ খুৱাই অসমৰ নতুন প্ৰজন্মক শিক্ষা প্ৰদান কৰিবলৈ ব্যৰ্থ হোৱাৰ বাবেই বাংগালোৰ, হায়দৰাবাদ, দিল্লী প্ৰভৃতি ঠাইৰ শিক্ষানুষ্ঠানত ভৰ্ত্তি হবলৈ বছৰে বছৰে কেবাহাজাৰকৈ ছাত্ৰ-ছাত্ৰী অসমৰ পৰা সেই সেই ঠাইলৈ গৈ আছে। কৰ্নাটকৰ মুখ্যমন্ত্ৰীয়ে ২০০৫ চনৰ ভিতৰত শিক্ষা ব্যৱস্থা ছিংগাপুৰৰ দৰে গঢ়ি তুলিব বুলি দৃঢ় পদক্ষেপ লৈছে। তেওঁৰ জনপ্ৰিয় শিক্ষা ব্যৱস্থাত Hare RAM, hare Krishna এক স্থানীয় মন্ত্ৰ হিচাপে ব্যৱহৃত হৈছে (RAM=Random Access Memory আৰু Krishna - S.M. Krishna)। শিক্ষাৰ ক্ষেত্ৰত নতুনত্বৰ ঢল বোৱাই দিয়াৰ বাবেই তেওঁক দেশৰ শিল্প বিজ্ঞানৰ ওপৰত সম্ভেদ থকা জ্ঞানী (IT=Information Technology Savvy-Knowledgeable Savvy) মুখ্যমন্ত্ৰী বোলে।

উপৰোক্ত উদাহৰণৰ জৰিয়তে আলোচনা কৰাৰ উদ্দেশ্য এয়ে যে শিক্ষাবিদ আৰু সচকিত নাগৰিক সকলে আমাৰ ভৱিষ্যৎ প্ৰজন্মই কৰ্মমুখী তথা আধুনিক প্ৰযুক্তি বিদ্যাৰ শিক্ষা লাভৰ বাবে যেন ৰাজ্যৰ বাহিৰলৈ বা বিদেশলৈ যাব লগা নহয়, তাৰ প্ৰতি নজৰ দিয়ে। এই ক্ষেত্ৰত দৰং জিলাৰ বাবে জিলাৰ সদৰ ঠাইত অৱস্থিত মঙলদৈ কলেজখনক কেন্দ্ৰস্থল হিচাপে ব্যৱহাৰ কৰিব পৰাৰো সম্ভাৱনা নথকা নহয়।

*ড° নাথদেৱ মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, সমাজকৰ্মী আৰু এজন চিন্তাবিদ।*



# দৰঙৰ পুৰণি পুথি-পাজিঁ

জীৱন চন্দ্ৰ শৰ্মা

আজিৰ দৰং জিলাৰ যিটো সীমা অতীজতে দৰং ৰাজ্য বা দৰং দেশৰ সেই সীমা নাছিল। স্বৰ্গদেউ প্ৰতাপ সিংহই ১৬১৪ খৃঃত কোচ ৰজা পৰীক্ষিত নাৰায়ণৰ ভায়েক বলি নাৰায়ণক দিয়া দৰং ৰাজ্যৰ সীমা আছিল পূৱে ভৈৰবী নদী, (ভৰলী নদী) পশ্চিমে কৰ্ত্তিয়া বা কৰতোৱা নদী, উত্তৰে গামৰি গিৰি (ভোটৰ পাহাৰৰ অংশ বিশেষ) আৰু দক্ষিণে শ্ৰীপৰ্বত। কিন্তু দৰঙী ৰজা সকলৰ শেষৰ পিনে এই সীমা সংকুচিত হৈ বৰ্ত্তমান দৰং জিলাৰ যিটো সীমা তাত হে ৰয়গৈ।

দৰং ৰাজ্যৰ প্ৰথমজন ৰজা বলি নাৰায়ণে বা ধৰ্মনাৰায়ণে মোহণ পুৰত (বৰ্ত্তমান মঙ্গলদৈ নগৰৰ উত্তৰ পশ্চিমে ৩ কিলোমিটাৰ দূৰত) স্থায়ী ৰাজধানী পাতিছিল আৰু তেওঁৰ উত্তৰাধিকাৰী সকলে তাতেই থাকি দুশবছৰৰ অধিককাল আহোমৰ কৰতলতীয়া ৰজা হিচাপে ৰাজ্য শাসন কৰিছিল। দৰঙী ৰজাসকলৰ বেছি কেইজন ৰজাই সাহিত্য সঙ্গীত, শিল্পকলা আদিৰ প্ৰতি অনুৰাগী আছিল আৰু এই ৰজাসকলৰ পৃষ্ঠপোষকতা লাভ কৰি বহুকেইজন পণ্ডিতে অনেক কাব্য, অনুবাদ সাহিত্য, স্মৃতি শাস্ত্ৰ, জ্যোতিষ শাস্ত্ৰ আদি ৰচনা কৰি থৈ গৈছে। অৱশ্যে এই প্ৰাতঃ স্মৰণীয় পণ্ডিত সকলৰ ৰচনা খিনিকে একমাত্ৰ আমাৰ প্ৰাচীন পুথিৰ তালিকাৰ অন্তৰ্ভুক্ত কৰিলে নহ'ব; বিদ্যুৎসাহী ভূঞা আৰু পালবংশী ৰজাসকলৰ অধীনত থকা সময়তো এই অঞ্চলত কেইবাগৰাকী পণ্ডিতে সংস্কৃত ভাষাত গ্ৰন্থ ৰচনা কৰি সৰ্বভাৰতীয় খ্যাতি অৰ্জন কৰি গৈছে। এই গোটেই খিনি গ্ৰন্থকে আমি দুটা ভাগত ভাগ কৰিব পাৰোঃ- এবিধ সংস্কৃত ভাষাত ৰচনা কৰা পুথি আৰু আনবিধ পুৰণি আসমীয়া ভাষাত ৰচনা কৰা পুথি। তলত দুয়োবিধ পুথিৰ উল্লেখ মাত্ৰ কৰা হ'ল।

সংস্কৃত ভাষাত লিখা পুথি ঃ

দৰঙীয়া পণ্ডিতৰ দ্বাৰা ৰচিত প্ৰাচীন সংস্কৃত গ্ৰন্থৰ উল্লেখ কৰোতে পোন প্ৰথমে মনলৈ আহে মহাৰাজ ৰত্নপালৰ শাসনকালৰ (খৃঃ ১১ শ শতিকা) বেদবিদ সম্বৎসৰৰ (যাক দৰঙত শিয়ালা বৈষ্ণৱ বুলি কোৱা হয়) চতুৰ্থ কি পঞ্চম অধস্তন পুৰুষ বেদাচাৰ্য্যৰ কথা। এওঁ প্ৰাচীন কামৰূপ ৰাজ্যৰ স্মৃতি নিবন্ধকাৰ সকলৰ ভিতৰত অন্যতম। এওঁৰ প্ৰখ্যাত গ্ৰন্থখনৰ নাম হ'ল 'স্মৃতি ৰত্নাকৰ'।

বেদাচাৰ্য্যৰ পিচৰ উল্লেখযোগ্য পণ্ডিত গৰাকী হ'ল ৰাজগুৰু দামোদৰ মিশ্ৰ। পালবংশী ৰজাসকলৰ পতন, কোচ আৰু আহোম ৰাজশক্তিৰ উত্থানৰ সময়তে অৰ্থ্যৎ ১৪ শ শতিকা মানত উত্তৰ পাৰে ভূঞা সকল শক্তিশালী হৈ উঠে। আৰু সুকীয়া ৰাজ্য স্থাপন কৰি বৌতাত তেওঁলোকে ৰাজধানী পাতে। এই পণ্ডিত গৰাকীয়ে ভূঞা ৰজাৰ হৈ ভাগৱত গীতাৰ টীকা (যাৰ কথা বৈকুণ্ঠ নাথ ভট্টদেৱে কথা গীতাৰ মুখবন্ধত উল্লেখ কৰিছে), কিৰাতৰ্জুনীয় টীকা, স্মৃতি সাগৰ, গঙ্গাজল আদি ৰচনা কৰি গৈছে। গঙ্গাজলত তেওঁৰ পৃষ্ঠপোষক ৰজাজনৰ নাম শিশুৰজা ঝাম্পট নাৰায়ণ বুলি উল্লেখ কৰিছে। কিন্তু এতিয়ালৈকে অসম বুৰঞ্জীত ঝম্পট নাৰায়ণ নামৰ কোনো ভূঞা ৰজাৰ উল্লেখ পোৱা নাযায়।

দামোদৰ মিশ্ৰৰ পিচৰ উল্লেখযোগ্য পণ্ডিত গৰাকী হ'ল- পীতাম্বৰ সিদ্ধান্ত বাগীশ। এই গৰাকী পণ্ডিতৰ সময় আচৰ্য্য মনোৰঞ্জন শাস্ত্ৰীয়ে ১৫২৫ খৃঃ ৰ পৰা ১৬১৫ খৃঃ বুলি উল্লেখ কৰিছে। তেওঁৰ এই সুদীৰ্ঘ কালছোৱাত কোচ ৰজা নৰনাৰায়ণ, চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱ, তেওঁৰ পুত্ৰ পৰিক্ষিত নাৰায়ন আৰু শেষত দৰঙী ৰজা ধৰ্ম্ম নাৰায়ণৰ সান্নিধ্যলৈ

আছে আৰু এই কোচ ৰজাসকলৰ ৰাজ পুৰোহিত মৰ্য্যাদা লাভ কৰে। বাগীশ ভট্টাচাৰ্য্য দেৱে ৩২ খন সংস্কৃত গ্ৰন্থ ৰচনা কৰে; তাৰে ভিতৰত ১৮ কৌমুদা বা ধৰ্মশাস্ত্ৰ আৰু বাকী কেইখন অন্যান্য বিষয়ৰ গ্ৰন্থ। তেওঁৰ ৰচিত কৌমুদী কেইখন হ'ল- তীৰ্থ কৌমুদী, তিথি কৌমুদী, মলমাস কৌমুদী, সংক্ৰান্তি কৌমুদী, দুৰ্গোৎব কৌমুদী, বিবাদ কৌমুদী, শ্ৰাদ্ধ কৌমুদী, নিৰ্ণয় কৌমুদী, সম্বন্ধ কৌমুদী, তত্ত্ব কৌমুদী, আহ্নিক কৌমুদী, বিবাহ কৌমুদী, আশোক কৌমুদী আৰু পত্ৰ কৌমুদী। তেওঁৰ অন্যান্য গ্ৰন্থ কেইখন হ'ল- জন্মাষ্টমী পূজা পদ্ধতি, শ্ৰীশ্ৰী দূৰ্গাপূজা পদ্ধতি, শ্ৰীশ্ৰী লক্ষ্মী পূজা পদ্ধতি আদি। এই জনা মহান পণ্ডিতৰ ঘৰ আছিল মঙ্গলদৈ মহকুমাৰ সৰাবাৰী গাৱঁত। তেওঁৰ বংশধৰ এতিয়াও তাত আছে।

সম্বৎসৰ আৰু বেদাচাৰ্য্য মহামহোপাধ্যায় ৰাজগুৰু দামোদৰ মিশ্ৰ আৰু পীতাম্বৰ সিদ্ধান্ত বাসীশৰ বিষয়ে অধিক জানিবলৈ হ'ল আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰীৰ ক্ৰমে Journal of the Assam Research society Vol XIV-1960; Journall of Gauhati University 1954-1955 আৰু Souvenir All India Oriental Conference Vol XXI- 1961 প্ৰকাশিত প্ৰবন্ধ চাওঁক।

দৰঙৰ আন এজন উল্লেখযোগ্য সংস্কৃত পণ্ডিত হ'ল চতুৰ্ভুজ মিশ্ৰ। এওঁ ১৪০৮ খৃঃ মানত সপ্তসতী চণ্ডীৰ টীকা গ্ৰন্থ এখন প্ৰণয়ন কৰে। এওঁৰে সম্ভৱতঃ ৯ম অধস্তন পুৰুষ শ্ৰীধৰ মিশ্ৰই সংস্কাৰ দীপিকা নামৰ স্মৃতি গ্ৰন্থ এখন ৰচনা কৰে।

পুৰণি অসমীয়া ভাষাত লিখা পুথি ঃ

পূৰ্বৰ মহাৰাজ নৰনাৰায়ণ আৰু চিলাৰায়ৰ কোচ বেহাৰৰ ৰাজসভা যি দৰে পণ্ডিত, সাহিত্যিক সঙ্গীতজ্ঞ আদি বৰণ্য ব্যক্তিৰে সুশোভিত আছিল, সেইদৰে ধৰ্ম নাৰায়ণৰ মোহন পুৰৰ ৰাজসভাও ৰাজ্যৰ বাৰেণ্য পণ্ডিত, সাহিত্যিক কলা-কুশলী লোকৰ দ্বাৰা সুশোভিত আছিল। তেওঁ এই পণ্ডিত মণ্ডলিক নানা ভাবে সহায় কৰি সাহিত্য, সঙ্গীত আদি সুকুমাৰ কলাৰ সাধনাত ব্ৰতী কৰিছিল।

ৰাম সৰস্বতী পোনতে মহাৰাজ নৰনাৰায়ণৰ ৰাজসভাৰ পণ্ডিত আছিল। নৃপতি গৰাকীৰ অনুৰোধ ক্ৰমে তেওঁ সংস্কৃত মহাভাৰতৰ পদ অসমীয়ালৈ অনুবাদ কৰিবলৈ লয়। নৰনাৰায়ণৰ পিছত ক্ৰমে ৰজা ৰঘুদেৱ, ধৰ্মনাৰায়ণ, মহেন্দ্ৰ নাৰায়ণ বা সুন্দৰ নাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰি সাহিত্য চৰ্চা কৰে। তেওঁৰ ৰচিত পুথি কেইখন হ'লঃ- ভীষ্ম পৰ্ব, বিৰাট পৰ্ব, জটাসুৰ বধ, বৃত্ৰাসুৰ বধ, কৰ্ণ পৰ্ব, মহীৰাৱণ বধ আৰু জয়দেৱ গীত গোবিন্দ পদৰ অনুবাদ। ভীষ্ম পৰ্বৰ এঠাইত ধৰ্মনাৰায়ণৰ প্ৰশংসা এনেদৰে গাইছে-

নৃপতি যে ধৰ্ম্মৰায় যাৰ যশ সৰে গাই
স্বদেশী বিদেশী সৱে প্ৰজা।

ৰাম সৰস্বতীৰ পুত্ৰ গোপীনাথ পাঠকেও পিতৃৰ পদানু সৰণ কৰি মহাভাৰতৰ পদ অনুবাদ কৰে। পিতৃৰ লগত সহযোগ কৰি তেওঁ সভাপৰ্ব, দ্ৰোণ পৰ্ব, স্বৰ্গাৰোহণ পৰ্ব অসমীয়ালৈ অনুবাদ কৰে।

ধৰ্মনাৰায়ণ ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰি সাহিত্য চৰ্চা কৰা আন কেইগৰাকীমান পণ্ডিত হ'ল দ্বিজ দামোদৰ, লক্ষ্মীনাথ দ্বিজ, কংসাৰি কবি বিদ্যা পঞ্চানন আদি। দ্বিজ দামোদৰে শৈল্য পৰ্ব, লক্ষ্মী নাথ দ্বিজে শান্তি পৰ্ব, কংসাৰি কবিয়ে কিৰাট পৰ্ব অসমীয়ালৈ অনুবাদ কৰে। বিদ্যা পঞ্চাননৰ কাব্য হ'ল অম্বাৰ চৰিত্ৰ আৰু পাতালি কাণ্ড ৰামায়ণ। শুভনাথ দ্বিজ নামৰ এজন পণ্ডিতে স্বপ্নাধ্যায় আৰু ধৰ্মসংবাদ নামৰ দুখন পুথি ৰচনা কৰিছিল বুলি জনা যায়। কিন্তু পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে উদ্ধাৰ কৰা স্বপ্নাধ্যায় নামৰ গ্ৰন্থখনৰ লেখকৰ নাম নাই।

ৰজা ধৰ্মনাৰায়ণৰ সময়তে জাগাৰা সত্ৰৰ প্ৰতিষ্ঠাতা শ্ৰীশ্ৰী হৰি দেৱৰ শিষ্য হৰিচৰণ মিশ্ৰৰ পৌত্ৰ গোবিন্দ মিশ্ৰই বৰ্ত্তমান কলাই গাৱঁৰ ওচৰৰ ডলা নামৰ গাৱঁত থাকি গীতা খন অসমীয়ালৈ অনুবাদ কৰে। প্ৰখ্যাত মনসা কবি সুকবি নাৰায়ণ দেৱেও ধৰ্ম্মনাৰায়ণৰ পৃষ্ঠপোষকতাত পদ্মাপুৰাণ বা সুক নান্নী ৰচনা কৰে বুলি আমাৰ কেইবা গৰাকী পণ্ডিতে মত পোষণ কৰে। সুকনান্নীৰ ভাষা আৰু কাব্যত অঙ্কিত সামাজিক চিত্ৰনেও কবি গৰাকী যে মঙলদৈ অঞ্চলৰ লোক আছিল তাক প্ৰমাণ কৰে। ধৰ্ম্মনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰা আন এজন কবি হ'ল চন্দ্ৰ শেখৰ বা সাগৰ খড়ি। তেওঁৰ কাব্য হ'ল কুৰ্মাৱলী বধ। সাগৰ খড়ি এগৰাকী জ্যোতিষ আৰু নিদান শাস্ত্ৰৰো পণ্ডিত আছিল। তেওঁ অশ্বনিদান নামৰ গ্ৰন্থ এখনি ৰচনা কৰা বুলি দীনেশ্বৰ শৰ্মাই মঙ্গলদৈৰ বুৰঞ্জীত উল্লেখ কৰিছে।

দৰঙৰ তৃতীয় গৰাকী ৰজা চন্দ্ৰ নাৰায়ণৰ দিনত (খৃঃ১৬৪৩-৬০) ভৱানন্দ মিশ্ৰই খটৰা সত্ৰৰ ইতিহাস 'গোবিন্দ চৰিত' ৰচনা কৰে। তেওঁ হৰিবংশ নামৰ পুথি এখনো ৰচনা কৰিছিল বুলি জনা যায়। নৱম ৰজা হয় নাৰায়ণৰ দিনত সম্পূৰ্ণ ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ খন অনুবাদ কৰে ৰতিকান্ত দ্বিজ, নৰোত্তম দ্বিজ, নন্দেশ্বৰ দ্বিজ, যশোধৰ দ্বিজ, খৰ্গেশ্বৰ দ্বিজ আৰু বিশ্বেশ্বৰ দ্বিজে। এওঁলোক দিপীলা আৰু মাহৰি পাৰাৰ পণ্ডিত

আছিল। জয়ৰাম নামৰ এজন লোকে 'শীতলা পুথি' এখন ৰচনা কৰে। স্কন্দ পুৰাণৰ আখ্যান লৈ লিখা এই পুথিখন বসন্ত ৰোগৰ চিকিৎসা কৰা দৰঙৰ বৈদ্য সকলে বৰ্ত্তমানেও ব্যৱহাৰ কৰে।

দৰঙী ৰজা সমুদ্ৰ নাৰায়ণৰ দিনত (উনবিংশ শতিকাৰ প্ৰাৰম্ভতে) সূৰ্য্য খড়ি দৈৱজ্ঞই দৰং ৰাজবংশাৱলী ৰচনা কৰে। পুথিখন অসম্পূৰ্ণ যদিও দৰঙৰ কোচ ৰাজবংশৰ বহুখিনি কথা ইয়াত পোৱা যায়। এওঁৰ পূৰ্বপুৰুষ শ্ৰীধৰ কোচ ৰজা নৰনাৰায়ণৰ সভাপণ্ডিত আছিল। জ্যোতিষ খণ্ড-সাধ্য এওঁৰ উল্লেখযোগ্য জ্যোতিষৰ পুথি। সূৰ্য্য খড়িয়েও 'ৰাজমাৰ্ত্তণ্ড নামৰ এখন জ্যোতিষৰ পুথি ৰচনা কৰিছিল বুলি জনা যায়। এৰঁৰ ঘৰ আছিল লোক্ৰাই মৌজাৰ খাটিকুচি গাৱঁত।

দৰঙী ৰজা জগত নাৰায়ণৰ পুত্ৰ গন্ধৰ্বনাৰায়ণৰ আদেশ ক্ৰমে পীতাম্বৰ সিদ্ধান্ত বাসীশৰ বংশধৰ সূৰ্য্যদেৱে এখন বংশাৱলী লিখে। জগত নাৰায়ণৰ আন এজন পুত্ৰ মধুনাৰায়ণে 'অগ্নি পুৰাণ' বা 'যমৰ ঘৰত জীয়ন্ত মানুহ' নামৰ এখনি সৰু কবিতাৰ পুথি ৰচনা কৰে। ঘোৰাঁৰ চিকিৎসা বিষয়ক এখনি গ্ৰন্থ 'ঘোৰা নিদান' লিখকৰ নাম নাই যদিও মঙলদৈ পণ্ডিতৰে ৰচনা বুলি অনুমান হয়। ১৮৩৩ শকত দৰঙৰ সৰু ঔতলাৰ 'উমা মহন্তৰ 'যথা দৃষ্টং তথা লিখিতং' কৰি লিখা 'চামৰাই চৰিত্ৰ'ৰ প্ৰতিলিপি এটা পোৱা গৈছে। লিখকৰ নাম নাই। দৰঙৰ পৰশুৰাম দ্বিজৰ ধৰ্মসুবাস আৰু বিষ্ণু সুবাস নামৰ পুথি দুখনো উল্লেখযোগ্য।

দৰঙৰ বৈদ্য সকলৰ ঘৰত জৰা ফুৰা কৰা মন্ত্ৰ পুথি বহুতো আছে। এইবোৰৰ লিখকৰ নাম নাই; কিন্তু ইয়াৰ বহুখিনি যে দৰঙী বৈদ্য সকলৰ সৃষ্টি তাক নুই কৰিব নোৱাৰি। এটা সময়ত দৰঙী জ্যোতিষী সকলৰ জোলোঙাত পাঁজি (সংপঞ্জি) নামৰ এক শ্ৰেণীৰ জ্যোতিষৰ পুথি আছিল। আজিকালিৰ পঞ্জিকাৰ পৰিবৰ্ত্তে দিন-বাৰ, গ্ৰহ-নক্ষত্ৰৰ স্থিতি আদি গণণা কৰোঁতে তেওঁলোকে ইয়াৰ ব্যৱহাৰ কৰিছিল। তাৰ ভাষা পুৰণি অসমীয়া যদিও ই কিছুপৰিমাণে ইঙ্গিত পূৰ্ণ। বৰ্ত্তমান জ্যোতিষী সকলে ব্যৱহাৰ নকৰাৰ ফলত ই লুপ্ত প্ৰায় হৈ গৈছে।

ওপৰত আমাৰ জ্ঞাত দৰঙী পণ্ডিতৰ দ্বাৰা ৰচিত কেইখনমান মাত্ৰ প্ৰাচীন পুথিৰহে উল্লেক কৰা হ'ল. বিদ্যুৎসাহী ভূঞা পালবংশী আৰু দৰঙী ৰজাসকলৰ দিনত আৰু যে গ্ৰন্থ ৰচিত হোৱা নাছিল এনে কথা ন দি ক'ব নোৱাৰি। বহু গ্ৰন্থ সংৰক্ষণৰ অভাৱ, প্ৰাকৃতিক দুৰ্যোগ, বিভিন্ন বিপ্লৱ আদিৰ কাৰণে লোপ পোৱাটো অসম্ভৱ নহয়। দৰঙৰ অনুসন্ধিৎসু পণ্ডিতৰ অভাৱত বহু গ্ৰন্থ যে এতিয়াও উদ্ধাৰ হ'বলৈ বাকী হৈছে, ইও অসত্য নহয়।


সহায়ক গ্ৰন্থ ঃ

১। মঙ্গলদৈৰ বুৰঞ্জী - দীনেশ্বৰ শৰ্মা।

২। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত - ড° সত্যেন্দ্ৰ শৰ্মা।

৩। আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰীৰ নিবন্ধ।


*শ্ৰীশৰ্মাদেৱ মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক আৰু এজন প্ৰবন্ধ লেখক।*



# দৰঙৰ উল্লেখযোগ্য পুৰাতাত্বিক সমল

সুনীল কুমাৰ গোস্বামী

১৯৮৩ চনত গঠিত বৰ্ত্তমানৰ দৰঙ জিলাখন আছিল মোৱামৰীয়া বিদ্ৰোহৰ পিছত আহোমসকলে কামৰূপ, নলবাৰী, শোণিতপুৰ আৰু গোবালপাৰাৰ কিছু অংশ বাদ দি দৰঙী ৰজাক প্ৰদান কৰা দৰং ৰাজ্য।[১] এই দৰঙৰ পুৰাতাত্বিক সমলৰ ক্ষেত্ৰত কোনো গ্ৰন্থ, বিৱৰণ নাইবা টোকা আদি বিশেষ ভাবে পাবলৈ নাই। সেইবুলি এইটো নহয় যে তেনে সমল সমূহ নাই। মাথোন ইয়াৰ উপযুক্ত অধ্যয়নাদিহে হোৱা নাছিল। ৰাজ্যিক পুৰাতত্ব বিভাগৰ জৰীপ কাৰ্য্যৰ বিৱৰণীত কলাইগাওঁৰ দমৰাপোটাৰ ভগ্নাৱশেষৰ উল্লেখহে পোৱা যায়।[২] বৰ্ত্তমানৰ শোণিতপুৰ জিলাত থকা পুৰাকীৰ্ত্তিৰ অপৰ্য্যাপ্ততালৈ চাই পণ্ডিত সকলে দৰঙৰ পুৰাতত্ব বুলিলে সেই সময়ত তাকেই বুজাইছিল। পণ্ডিত ঁদীনেশ্বৰ শৰ্মাৰ পিছত ড° নগেন শৰ্মা আৰু ঁ কৰুণাময় হৰিপদ দেৱগোস্বামী আদিৰ দৰে দুই এক পণ্ডিতে বৰ্ত্তমান দৰঙৰ এই দিশৰ সমল কিছু বাহ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ আলোচনাচক্ৰ আদিত দাঙি ধৰিছিল। বিভাগীয় দায়িত্ব হিচাপে এই লেখকেও ইয়াৰ কিছু আভাস দাঙি ধৰিছে বিভিন্ন লেখাৰ যোগে। এতিয়ালৈ উদ্ধাৰ হোৱা মূৰ্ত্তি বা তেনে কিছু সমলে জিলাখনৰ বুৰঞ্জীক ষষ্ঠ শতিকালৈ লৈ যোৱাৰ থল উলিয়াই দিবৰ বাবে সমৰ্থ হ'ব বুলি আমি ভাবো। তলত তেনে তিনিবিধ সমলৰ বিশদ আলোচনা কৰা যাওক-

**(১) বিজুলীবাৰীৰ বিষ্ণু** - ১৯৮৫ চনত মাৰৈ বিজুলী বাৰীৰ শ্ৰীঅৰুণ দাসৰ ঘৰত পুখুৰী খান্দোতে উদ্ধাৰ হোৱা কেইবিধমান ব্ৰঞ্জৰ (মিশ্ৰিত ধাতু) মূৰ্ত্তি তেতিয়াৰ উপায়ুক্ত শ্ৰীযুত প্ৰেমচাৰণ দেৱৰ সহযোগত অসম ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষণ কৰি ৰখা হৈছে। ইয়াৰে ডাঙৰ বিষ্ণু মূৰ্ত্তি এটা, সৰু বিষ্ণু এটা, কালি মূৰ্ত্তি এটা আৰু আনটো অচিনাক্ত দেৱী মূৰ্ত্তি। ডাঙৰ মূৰ্ত্তিটোৰ জোখ আৰু ওজন ক্ৰমে ৬০×৩৩ ছেণ্টিমিটাৰ আৰু ৩২ কেজি ৩০০ গ্ৰাম। সমপদস্থানংক ভঙ্গিমাত চাৰিওখন হাততে ঘড়ীৰ কাটাৰ দিশত শংখ, চক্ৰ, গদা আৰু পদ্ম আয়ুধ কেইপদ ধাৰণ কৰি আছে। প্ৰাচীন কালৰ ব্ৰাহ্মণ্য মূৰ্ত্তি বিদ্যাত (Brahmonical Iconography) থকাৰ দৰে ইয়াৰ কীৰ্ত্তিমুকুটে শিৰৰ শোভা বঢ়াইছে। কটিবস্ত্ৰ, মেখেলা, উপবীত আৰু বনমালাই আভূষণৰ কাম কৰিছে। আয়ুধবিহীন ভাবে লক্ষ্মী সৰস্বতীয়ে সঙ্গ দিয়াৰ উপৰিও ক্ৰমাগত ভাবে অংকিত কৰা হৈছে। লতাখচিত, চাৰিখুৰা বিশিষ্ট পীঠস্থানত পদ্মকোষটো সুন্দৰ ভাৱে দেখা পায়। কিন্তু বাহন হিচাবে ইয়াত গড়ুৰক খোদিত কৰা হোৱা নাই। লক্ষীৰ হাতত চোৰবৰ চিহ্ন দেখা গৈছে যদিও পুৰা মাত্ৰাই ইয়াক আয়ুধ বুলি ক'ব নোৱাৰি। ৰাষ্ট্ৰীয় সংগ্ৰহালয়ৰ মহা-নিৰ্দেশক ড° ৰবীন দেৱ চৌধুৰী দেৱে ইয়াৰ খোদিত ৰূপৰ ওপৰত ভিত্তি কৰি খৃঃ



১০ম/১১শ শতিকাৰ বুলি ঠাৱৰ কৰিছে। উদাহৰণ স্বৰূপে বহুতো পণ্ডিতে কব খোজে যে অসমত ভাস্কৰবৰ্মাৰ শাসন কালত শক্তি সাধনাৰ ব্যৱস্থা নাছিল। তেওঁ কেৱল শিৱ সাধকহে আছিল। নিধনপুৰ তাম্ৰশাসনত পোৱা "প্ৰনম্য দেৱ শশিশেখৰং প্ৰিয়ং পিনাকিনং............" কথাযাৰিয়ে সেইটোকে বুজায়। তদুপৰি এই লিপিতেই বহুক্ষেত্ৰত বিষ্ণুৰহে উল্লেখ পোৱা গৈছে। যিহেতু ভাস্কৰবৰ্মাৰ শেষ কাল সপ্তম শতিকাৰ মাজভাগলৈ (৬৫০ খৃঃ)।[৫] গতিকে আমি বিজুলীবাৰীৰ বিষ্ণু ওঁ সেই সময়ৰ হ'ব পাৰে বুলি কব পাৰো। আনহাতে দৰং ৰাজবংশাৱলীমতেওঁ গোঁহাইকমল আলিৰ উত্তৰে পূজাৰ বিধান কিছু অবৈদিক বা 'কৈৰাতজমত' আছিল।[৬] সেয়ে ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত মাবৈ সত্ৰৰ ওচৰত মূৰ্ত্তি কেইটা উদ্ধাৰ হোৱালৈ চাই এই অঞ্চলটিত যে খৃঃ ৬/৭ম শতিকাৰ পৰাই এটি বৈষ্ণৱীয় ধাৰা প্ৰবাহিত হৈছিল সেই কথাটোও কব পৰা যায়। গতিকে বৈষ্ণৱীয় ধাৰাৰ লগতে দৰং পুৰাতত্বৰো কিছু প্ৰাচীনত্ব পাব পাৰো।

(২) **আন এটি শিলামূৰ্ত্তি** ঃ- ১৯৭০ চনত দৰঙী ৰাজ পৰিয়ালৰ কুমাৰ বি. এন. দেৱে ৰাজ্যিক সংগ্ৰহালয়ত জমা দিছিল। ভাৰতৰ কোনো ঠাইতে এতিয়ালৈ তদ্ৰুপ মূৰ্ত্তি উপলব্ধ হোৱা নাই, যিটোৰ নামকৰণ জনজাতীয় দূৰ্গা বুলি সংগ্ৰহালয় কৰ্তৃপক্ষই কৰিছে।[৭] শিলত (বালি শিল) কটা ২৯x২১ ছেঃ মিঃ জোখৰ এই মূৰ্ত্তিটোৰ আয়ুধ, আভূষণ আদি বিশেষ একো নাই যদিও ছন্দ্ৰনায়িকা বা উগতাৰাৰ দৰে তিনিটা চকুৰে সমপদস্থানক ভঙ্গিমাত আছে। চকু কেইটা সোণৰ চাব লগোৱা একোটা গাঁতহে মাথোন। তেনেকৈ নাভি, নাক-কাণ আৰু মুখৰ বাবে একোটা সৰু বিন্ধাহে আছে। অলংকাৰ হিচাপে ডিঙিৰ পৰা বুকুলৈ ইংৰাজী 'ভি' আখৰৰ দৰে কেইটামান গজালৰ টুপিৰ দৰে চিহ্নহে লগোৱা আছে। হাত দহখন যদিও নাভিদেশৰ পৰা কান্ধলৈ সমান্তৰাল ভাবে প্ৰসাৰিত হৈ আছে। ভঙ্গিমাবিহীন ভাবে থকা হাত এই মূৰ্ত্তিটোতহে দেখা পোৱা যায়। পাদস্থানত তিনিটা পুৰুষ মূৰ্ত্তিয়ে বিদ্যাধৰৰ ৰূপ পৰিগ্ৰহ কৰাৰ উপৰিও পীঠস্থানত এটি স্পষ্টভাৱে সিংহ বুলি ধৰিব পৰা নাযায় যদিও জন্তুৰ ছবি দেখা যায়। কীৰ্ত্তিমুকুট বা কীৰ্ত্তিমুখবিহীন শিলাপটখন ওপৰৰ ফালে জোঙা হৈ আছে। তলৰ খালি অংশত কিছু পদুম ফুল অংকিত কৰা আছে। খোদিত ধৰণৰ ওপৰত ভিত্তি কৰি সংগ্ৰহালয় কৰ্তৃপক্ষই ইয়াক জনজাতীয় দূৰ্গা বুলি নামকৰণ কৰিছে। নাক আৰু মুখৰ গঢ় আৰু অলংকৰণ পদ্ধতি চাই ইয়াক জনজাতীয় বুলি ক'ব পৰা যায় যদিওঁ ইয়াৰ কিছু অধ্যয়নৰ প্ৰয়োজন আছে। শিল্পতন্ত্ৰ বা মূৰ্ত্তিবিদ্যাৰ।[৮] কোনো গ্ৰন্থত ইয়াৰ উল্লেখ নথকাটো আৰু আমবাৰী খনন কাৰ্য্য নাইবা সূৰ্য্যপাহাৰৰ উপলব্ধ মূৰ্ত্তিসমূহত এনে ধৰণৰ মূৰ্ত্তি নথকাটোৱেই কিছু সমস্যাত পেলায়। তাৰোপৰি জনজাতীয় লোকৰ মাজত কেৱল বাথৌ বা শিৱৰহে প্ৰচলন আছিল। আনএটি উল্লেখযোগ্য কথা হ'ল মূৰ্ত্তিটোৰ



পিছফালে তিনিটা পাতেৰে বাৰডাল শাখাযুক্ত এডাল গদাৰ ছবি আছে। তিনিটা সমান ঠাকৰ ওপৰত থকা গছ ডালৰ তলৰ ঠাল কেইটা সমতল ভাবে আছে। ইয়াৰ পৰা ইয়াত কিবা বৌদ্ধ ধৰ্মীয় ছাপো থকিব পাৰে।[৯] কাৰণ কোনো মূৰ্ত্তিৰ পিছফালে শিলাপটত এনে অলংকৰণ দেখা যায়। আনহাতে এনেধৰণৰ সাধাৰণ অলংকৰণ আৰু গোটা পদ্ধতিটোৱে আমাক খৃঃ দ্বিতীয়/তৃতীয় শতিকাৰ বুলি ভাবিবৰ থল উলিয়াই দিয়ে। তাৰোপৰি কোনোবা দৰঙী খনিকৰৰ কেঁচা হাতৰ পৰশো হয়তো হ'ব পাৰে। আমি ক্ষেত্ৰ অধ্যয়ণ কৰি ইয়াৰ অৱস্থিতি বা কোঁচ ৰাজ পৰিয়ালত ইয়াৰ পূজা হৈছিল নে নাই বা কোনে নিৰ্মান কৰোৱাইছিল এই বিষয়ে একো জানিব নোৱাৰিলো। মুঠৰ ওপৰত কোঁচ আমোলৰ বুলি ভাবিলেওঁ ই ইমান পিছৰ যুগৰ হ'ব নোৱাৰে। শেষ কথা দৰঙত যে বহু শতিকা আগতেই মূৰ্ত্তিবিদ্যাৰো প্ৰচলন আছিল সেইটো ইয়েই প্ৰমাণ কৰিব।

(৩) **চন্দ্ৰঝাৰৰ মুদ্ৰা** ঃ- ১৯৯২ চনত খৈৰাবাৰী ৰাজহচক্ৰ নামখলা গাঁৱৰ চন্দ্ৰঝাৰ নামে ঠাইখনত বৰ্ত্তমান ৰাজ্যিক সংগ্ৰহালয়ৰ সঞ্চালক আৰু এই লেখকে কেইটামান ৰূপৰ মুদ্ৰা সংগ্ৰহ কৰিবলৈ সক্ষম হওঁ। অসমৰ এগৰাকী মুদ্ৰা বিশেষজ্ঞ এচ. কে. বোস আৰু ড° ৰবীন দেৱ চৌধুৰীয়ে এই কেইটা নেপালী মুদ্ৰা বুলি ঠাৱৰ কৰিছে।[১০] ইয়াৰ দুটা কাঠমাণ্ডুৰ জয়প্ৰকাশ মল্ল দেৱৰ আৰু আন চাৰিটা ভাত গাঁৱৰ জয়ৰঞ্জিত মল্লদেৱৰ। উত্তৰ পূব ভাৰতত উদ্ধাৰ হোৱা কেইটা হৈছে প্ৰথম নেপালী মুদ্ৰা। উল্লেখযোগ্য এই জয়প্ৰকাশ মল্লদেৱ প্ৰায় আঢ়ৈ বছৰ কাল দেশান্তৰিত হৈ আছিল।[১১] ইয়াৰ পৰা কব পৰা যায় যে হিমালয়ৰ পাদদেশ খৈৰাবাৰী টংলা

আদি অঞ্চললৈওঁ তেওঁ হয়তো আহিছিল। মুদ্ৰা কেইটা ১৭৫৩ চনৰ (NS. 739) যিটো বৰ্ত্তমানো নেপালত পোৱা যায়। আনহাতে ৰঞ্জিত মল্লদেৱৰ মুদ্ৰাকেইটা খৃঃ ১৭২২ চনৰ (NS. 742) ৰ বুলি ঠিৰাং কৰা হৈছে। জয়মল্ল দেৱৰ দৰে এওঁৰো তলতীয়া প্ৰধানৰ দ্বাৰা ক্ষমতাৰ পৰা অপসাৰিত হৈছিল। গোৰ্খা জাগৰণৰ আগলৈকে এওঁ এই ভাতগাঁও অঞ্চলৰ শাসন কৰ্তা আছিল। প্ৰতিটো মুদ্ৰাৰ ওজন ৫.৩ গ্ৰাম আৰু প্ৰত্যেকৰে বিপৰীত পিঠিত ত্ৰিশূল আৰু তৰোৱালৰ ছবি অঁকা আছে। সন্মুখ পিঠিত দুটা ডম্বৰুৰ মাজত "শ্ৰীশ্ৰী জয়ৰঞ্জিত মল্লদেৱ" আৰু "শ্ৰীশ্ৰী জয়প্ৰকাশ মল্লদেৱ" বুলি লিখা আছে। জয়প্ৰকাশ মল্লদেৱৰ মুদ্ৰা কেইটাৰ ওজন ৪.৮৮ গ্ৰাম। শ্ৰীবোস ডাঙৰীয়াই ৰজা দুজন দেশান্তৰিত হোৱাৰ কথা উল্লেখ কৰিছে যদিও সেইবাৰেই পোৱা হৈছে বুলি কোৱা নাই। আমিহে অনুমান কৰিছো।



অন্যহাতে সেই ঠাইটুকুৰাত চন্দ্ৰখাল নামে এটি পুখুৰীও আছিল। ঠাইখনৰ অৱস্থিতিলৈ লক্ষ্য কৰিলে কব পৰা যায় যে তাত চন্দ্ৰ নামৰ কোনো প্ৰতিপত্তিশীল লোক এজনে বাস কৰিছিল। প্ৰাচীন কালৰ মহাজন (marchent) বা সদাগৰ যিয়ে ঠাইখনৰ সকলো দিশ চোৱা-চিতা কৰিছিল। তেওঁ হয়তো এই চন্দ্ৰ নামৰ লোকজন হ'ব পাৰে। ব্ৰিটিছ সকল অহাৰ আগলৈ একোটা অঞ্চলত একোজন মহাজনে (Stockist) সেই অঞ্চলৰ বেহা-বেপাৰ নিয়ন্ত্ৰণ কৰিছিল। গতিকে এই চন্দ্ৰ নামৰ লোকজনৰ হাতত নেপালৰ মুদ্ৰা থকাটো একো আচৰিত কথা নহয়। বৰং এইটোহে ঠাৱৰ কৰিব পৰা যায় যে হিমালয়ৰ পাদদেশত দৰঙ জিলাৰ উত্তৰে চীন, নেপাল, ভূটান, তিব্বত, বাৰ্মা আদিকে সামৰি এটি আন্তঃৰাষ্ট্ৰীয় বাণিজ্য ব্যৱস্থাই গঢ় লৈ উঠিছিল। তাৰোপৰি জিলা গেজেটিয়াৰত উল্লেখ থকা দৰঙৰ উত্তৰ দিশত থকা ছয়খন দুৱাৰ (khaling duwars etc.) হয়তো এই আন্তঃৰাষ্ট্ৰীয় বাণিজ্য ব্যৱস্থাক সামৰি লোৱা ছয়টা পথ আছিল। যাৰ যোগেদি উপৰোক্ত দেশ কেইখনৰ লগত যোগাযোগৰ সুবিধা কৰি লৈছিল। মুঠৰ ওপৰত চন্দ্ৰঝাৰৰ মুদ্ৰাই অসম নেপালৰ লগতে বাকী ৰাষ্ট্ৰৰ লগত থকা সম্পৰ্কৰ কথাই প্ৰমাণ কৰিব। এনে কিছু সমলে দৰঙৰ ইতিহাসত নিশ্চয় বহুল অৰিহণা দিব।


1. Bulletin of the Assam State Museum- NO. VIII 1986 p. 148.
2. Archacology of Assam- Kamrup Anusandhan Samiti 1984 (Yearly Report)
3. Souvenir- Seminar on legends and Archacology of North-East-Mangaldai, 1985.
4. Inscription of Assam- M.M. Sarmah, G.U. 1978 p.40.
5. History of Assam- K.L. Baruah.
6. Darrang Rajbansawali- Ed. by N.C. Sarmah, p.65.
7. Sculpture of Assam- R.D. Choudhary, p.39.
8. JARS- Vol XXXII No. 182, p. 39.
9. ড° নগেন্দ্ৰ নাথ শৰ্মা দেৱেওঁ তেনেদৰে মন্তব্য কৰে।
10. JARS- Vol XXXIV 122, p. 10.
11. Walsh E.H.- The coinage of Nepal, Delhi-1990, p. 28.


---

*শ্ৰীগোস্বামী দৰং জিলাৰ সংগ্ৰহালয় বিষয়া আৰু গৱেষক।*



# স্বায়ত্ব শাসিত মহাবিদ্যালয়

ড° ৰেণু দেৱী

ভাৰতবৰ্ষত উচ্চ শিক্ষা সম্পৰ্কে বহুত ধৰণৰ সমালোচনা শুনিবলৈ পোৱা যায়। ডিগ্ৰী লাভৰ কাৰণে বহিঃ পৰীক্ষাক কেন্দ্ৰ কৰি শিক্ষাদানত গুৰুত্ব দিয়াৰ কাৰণে উচ্চ শিক্ষাৰ উদ্দেশ্য অতিশয় ঠেক গণ্ডীৰ হৈ পৰিছে। শিক্ষা আয়োগে কোৱাৰ দৰে শিক্ষকে শিক্ষাৰ্থীক জ্ঞান দান কৰাৰ উপৰিও জ্ঞানপিপাসু মনে সত্যৰ অন্বেষণত নতুন জ্ঞান সৃষ্টি কৰাৰ উপৰিও পুৰণা জ্ঞানো সমাজৰ প্ৰয়োজন অনুযায়ী নতুনকৈ সজাই লোৱাৰ ইচ্ছা বঢ়াব লাগে। উচ্চ শিক্ষানুষ্ঠান সমূহে সমাজৰ বিভিন্ন ক্ষেত্ৰত নেতৃত্ব দিয়াৰ উপৰিও শিক্ষাৰ্থীৰ মানসিকতা গঢ়ি তোলাৰ বাবে সামাজিক দায়বদ্ধতা জাগৰিত কৰিব লাগিব। এনে উদ্দেশ্য সফল কৰিবলৈ মানৱ আৰু বস্তু সম্পদৰ উন্নতিকৰণৰ অতি প্ৰয়োজন হৈ পৰিছে।

স্বাধীনতাৰ পিছৰে পৰা বিশ্ববিদ্যালয়ৰ সংখ্যা বঢ়াৰ লগতে মহাবিদ্যালয়ৰ সংখ্যাও বাঢ়ি গৈছে। এখন বিশ্ববিদ্যালয়ৰ তলত বহুতো মহাবিদ্যালয় থকাৰ কাৰণে এইবোৰৰ শৈক্ষিক মানদণ্ড পৰীক্ষা কৰাও সম্ভৱপৰ নহয়। একোটা অঞ্চলত মহাবিদ্যালয় স্থাপন কৰিলেও ইয়াৰ প্ৰকৃত উদ্দেশ্য আৰু লক্ষ্যৰ বিষয়ে উদ্যোক্তাসকল সজাগ নোহোৱাৰ কাৰণে কোনোমতে মহাবিদ্যালয়খন চলাই বিশ্ববিদ্যালয়ৰ স্বীকৃতি লোৱাটো মুখ্য উদ্দেশ্য বুলি ভাবে। ফলত বেচিভাগ মহাবিদ্যালয় বৈষয়িক আৰু মানৱ সম্পদৰ অভাৱত ভূগিছে। বিশ্ববিদ্যালয়ৰ তলত থকা এই মহাবিদ্যালয় সমূহৰ মুখ্য উদ্দেশ্য হৈছে বিশ্ববিদ্যালয়ে নিৰ্বাচন কৰা পাঠ্যক্ৰম অনুযায়ী শিক্ষাদান দি বিশ্ববিদ্যালয়ৰ পৰিচালিত পৰীক্ষাৰ বাবে শিক্ষাৰ্থীক প্ৰস্তুত কৰা। অৱশ্যে দুই এখন ভাল মহাবিদ্যালয় আছে য'ত বহুতো বিভাগত সুদক্ষ শিক্ষক থকা বাবে নতুন ধৰণৰ শিক্ষা দান দিয়াৰ উপৰিও গৱেষণাৰ মাধ্যমেৰে নিজৰ সাধনাৰ ফলাফল দিব পাৰিছে। আন কিছুমান মহাবিদ্যালয়ে নিজৰ সম্পদেৰে সমাজৰ উন্নতি সাধনৰ চেষ্টা চলাইছে। কেৱল বৌদ্ধিক দিশতে নহয়-- সাংস্কৃতিক, খেলা-ধূলা আদিতো নেতৃত্ব লোৱাৰ চেষ্টা চলাইছে।

উচ্চ শিক্ষাৰ পৰিসৰ বহল কৰিবলৈ মহাবিদ্যালয়সমূহক স্বাধীনতা দিয়াৰ কথা চিন্তা কৰা হৈছিল। শিক্ষা আয়োগে (১৯৬৪-৬৬ চনত) অনুমোদন কৰিছিল যে যিবোৰ মহাবিদ্যালয়ে বা কিছুমান মহাবিদ্যালয়ে নিজৰ উন্নতি সাধন কৰিব পাৰে তেওঁলোকক স্বায়ত্ব শাসন দিয়াৰ কথা চিন্তা কৰিব। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিয়েও উচ্চ শিক্ষাৰ উন্নতিকৰণৰ বাবে "স্বায়ত্ব শাসিত মহাবিদ্যালয়" স্থাপনৰ প্ৰস্তাৱ লয়। শিক্ষা আয়োগৰ অনুমোদনৰ পিছত দক্ষিণ ভাৰতত যি কেইখন মহাবিদ্যালয়ক স্বায়ত্ব শাসন দান কৰিছিল তাৰ ফলাফলৰ ওপৰত ভিত্তি কৰি ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে বিশ্ববিদ্যালয়ৰ তলত অধিক মহাবিদ্যালয়ক স্বায়ত্ব শাসন দিয়াৰ প্ৰস্তাৱ দিছিল যাতে স্বাধীনভাৱে কাম কৰি মহাবিদ্যালয়সমূহে বৌদ্ধিক দিশত আগবাঢ়ি যাব পাৰে। বিশ্ববিদ্যালয়ৰ কোনো বিভাগকো স্বায়ত্ব শাসন প্ৰদান কৰিব পাৰে যাতে তেওঁলোকে নিজৰ পাঠ্যক্ৰম, বিষয় বস্তু, শিক্ষণ প্ৰণালী, গৱেষণা আদি নিজৰ মতেৰে কৰিব পাৰে আৰু বৌদ্ধিক মানদণ্ড উচ্চৰ পৰা উচ্চতৰ কৰিব পাৰে। আন ৰাজ্যত স্বায়ত্ব শাসিত মহাবিদ্যালয়ৰ সংখ্যা বাঢ়ি আহিলেও অসমত এতিয়ালৈকে এখনো মহাবিদ্যালয়ে স্বায়ত্ব শাসন লাভ কৰা নাই।

স্বায়ত্ব শাসিত মহাবিদ্যালয়ৰ বিশেষত্ব কি হ'ব? এই প্ৰশ্নটো বহুতে সোধে। স্বায়ত্ব শাসিত মহাবিদ্যালয় সমূহে আন মহাবিদ্যালয়ৰ দৰে বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম, শিক্ষণ প্ৰণালী, পৰীক্ষা প্ৰণালী আদি গ্ৰহণ নকৰিব পাৰে। নিজৰ পাঠ্যক্ৰম, বিষয়বস্তু, শিক্ষণ প্ৰণালী, পৰীক্ষা প্ৰণালী আদি নিজে নিৰ্দ্ধাৰণ কৰিব পাৰে। মহাবিদ্যালয়ৰ ভৰ্ত্তিকৰণৰ নিয়ম নিজে ঠিক কৰিব পাৰে অৱশ্যে চৰকাৰৰ সংৰক্ষণ নীতি মানি চলিব লাগিব। ইয়াৰ মূল্যাঙ্ক কৰা আৰু পৰীক্ষা লোৱাৰ নীতি নিজে নিৰ্দ্ধাৰণ কৰিব। ইয়াৰোপৰি বৌদ্ধিক, প্ৰশাসনীয়, সাংস্কৃতিক বা সামাজিক কাৰ্য্যৱলী সংগঠন আদি ৰূপায়িত আৰু পৰিচালনা কৰিবলৈ বিভিন্ন সমিতি গঠন কৰাৰ স্বাধীনতা থাকিব। বিশ্ববিদ্যালয়ৰ দৰে ইয়াতো প্ৰশাসনীয় আৰু বৌদ্ধিক কাৰ্য্যাৱলী

কৰিবলৈ গভাৰ্নিং বডী, একাডেমিক কাউন্সিল আৰু বৰ্ড অব ষ্টাডিজ থাকিব য'ত শিক্ষক প্ৰতিনিধিৰ উপৰিও বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞ থাকিব। বিশ্ববিদ্যালয় অনুদান আয়োগে নিৰ্দ্ধাৰণ কৰি দিয়া নিয়ম অনুযায়ী এই তিনিখন সমিতিলৈ নিৰ্বাচন কৰি দিয়া সদস্যসকলৰ কাৰণে বিশ্ববিদ্যালয়ৰ অনুদান নিষ্প্ৰয়োজন। অৱশ্যে স্বায়ত্ব শাসিত মহাবিদ্যালয় সমূহে নিজৰ বৈশিষ্ট্য আৰু সাফল্য দেখুৱাব লাগিব। ভাল ফল দেখুৱাব নোৱাৰিলে স্বায়ত্ব শাসন উঠাই লোৱাৰ দায়িত্ব বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু বিশ্ববিদ্যালয়ৰ আছে।

প্ৰশ্ন হয়, কোনবোৰ মহাবিদ্যালয়ে স্বায়ত্ব শাসনৰ বাবে আবেদন কৰিব পাৰে? আয়োগে নিৰ্দ্ধাৰণ কৰা কিছুমান নিয়ম মানি চলিলে এখন মহাবিদ্যালয়ক স্বায়িত্ব শাসিত পৰ্য্যায়লৈ উঠাব পাৰি। প্ৰথমে মহাবিদ্যালয়খনৰ বৌদ্ধিক মানদণ্ড উচ্চ হ'ব লাগিব। সেইটো নিৰ্ভৰ কৰিব মহাবিদ্যালয়খনৰ পৰীক্ষাৰ ভাল ফলাফলৰ লগতে শৈক্ষিক আৰু সহঃ পাঠ্যক্ৰমৰ কাৰ্য্যাৱলীত শিক্ষাৰ্থীসকলে পাৰদৰ্শিতা দেখুৱাই মহাবিদ্যালয়খনৰ নাম উজ্বল কৰাৰ উপৰিও শিক্ষকসকলৰ বৌদ্ধিক সাফল্যই মহাবিদ্যালয়ৰ গৌৰৱ বঢ়াব লাগিব। জাতি, ধৰ্ম, বৰ্ণ আৰু সকলোধৰণৰ সামাজিক ব্যৱধান নিৰ্বিশেষে ভৰ্ত্তিকৰণ আৰু শিক্ষক নিৰ্বাচন কৰাৰ ওপৰত গুৰুত্ব দিব লাগিব। মহাবিদ্যালয়ৰ সাফল্য নিৰ্ভৰ কৰা পুথিভঁড়াল, শ্ৰেণী আদি লোৱাৰ সুবিধা, আহিলা পাতি উপযুক্ত আছে নে নাই তাক চাই ইয়াৰ পৰিচালনা বৌদ্ধিক দিশৰ উন্নতিৰ কাৰণে কৰা হয় নে নহয় তাক বিচাৰ কৰিব লাগিব। পুঁজিৰ ফালৰ পৰা চাব লাগিব যাতে চৰকাৰ বা পৰিচালনা সমিতিয়ে মহাবিদ্যালয়ৰ উন্নতিকৰণত অধিক টকা মঞ্জুৰ কৰে। শিক্ষক আৰু শিক্ষাৰ্থীৰ মতামতত প্ৰশাসনে গুৰুত্ব দিয়ে নে নিদিয়ে তাক চোৱাৰ উপৰিও শিক্ষকসকলক পাণ্ডিত্য বঢ়াবলৈ গৱেষণা, পৰীক্ষা কৰিবলৈ শিক্ষামূলক নতুনত্ব আৰু সংস্কাৰ সাধন কৰিবলৈ যি বৌদ্ধিক স্বাধীনতা লাগে তাক দিব লাগিব।

এইবোৰ বান্ধি দিয়া নিয়মে দেখুৱাই দিছে যে স্বায়ত্ব শাসন লাভ কৰিবলৈ ইচ্ছুক মহাবিদ্যালয়ে আন মহাবিদ্যালয়তকৈ সাফল্যৰ মাপকাঠিত আগবাঢ়ি থকাৰ উপৰিও ইয়াৰ মানৱ আৰু বিষয় সম্পদ চহকী হ'ব লাগিব। নক'লৈও হব যে উপযুক্ত ঘৰ, বিভিন্ন বিষয়ৰ বাবে শ্ৰেণী লোৱাৰ সুবিধা, বিজ্ঞানৰ ৰসায়ন গৃহ, খেল-পথাৰ, সন্মিলন কোঠা, শিক্ষকৰ কোঠা, ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ সাফল্য আৰু বহিঃ পাঠ্যক্ৰমৰ কাৰ্য্যাৱলীত দেখুৱা পাৰদৰ্শিতাই মহাবিদ্যালয়ৰ গৌৰৱ কঢ়িয়াই অনাৰ লগতে মহাবিদ্যালয়খনক বিশেষ সুবিধা লাভ কৰাটো সহায় কৰিব। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ আৰু উন্নতিকৰণত যেনে গৃহ নিৰ্মাণ, শিক্ষকক গৱেষণা আৰু পৰীক্ষাৰ বিশেষ সুবিধা দিয়া, নতুন বিষয় খোলাৰ বাবে সকলো সুবিধা দান আদি বিভিন্ন দিশৰ উন্নতিকৰণৰ খৰচ ৰাজ্য-চৰকাৰে বহন কৰাত সন্মতি জনাব লাগিব।

অসমৰ কেইখন মহাবিদ্যালয়ে তেনেধৰণৰ সাফল্য দেখুৱাব পাৰিব বা কেইখন মহাবিদ্যালয়ে স্বায়ত্ব শাসনৰ বাবে অধিক দায়িত্ব লব? কেইখনমান চৰকাৰী বা বেচৰকাৰী মহাবিদ্যালয়ৰ বাহিৰে বেচিভাগ মহাবিদ্যালয়ৰে অৱস্থা বৰ শোচনীয়। প্ৰয়োজনীয় বৈষয়িক সুবিধাবোৰ নোহোৱাৰ কাৰণে ছাত্ৰ-ছাত্ৰীয়ে বহুতো অসুবিধা ভোগ কৰে। শ্ৰেণী লোৱাৰ অসুবিধা হোৱাৰ উপৰিও উপযুক্ত গ্ৰন্থাগাৰ আৰু পঢ়া কোঠা বহু মহাবিদ্যালয়তে নাথাকে যিটো মহাবিদ্যালয়ৰ বৌদ্ধিক পৰিৱেশ উন্নত কৰাৰ কাৰণে অতি প্ৰয়োজন। তিনিবছৰীয়া স্নাতক পাঠ্যক্ৰম আৰম্ভ কৰিলেও প্ৰয়োজনীয় শিক্ষকৰ নিয়োগ আজিলৈকে হোৱা নাই। ফলত পাঠদানত বহুখিনি অসুবিধাৰ সৃষ্টি হৈছে। যি কেইজন শিক্ষক আছে তেখেতসকলৰ ওপৰত পাঠদানৰ বোজা বেছিকৈ পৰাৰ বাবে তেওঁলোকে বৌদ্ধিক দিশৰ উন্নতিৰ কথা চিন্তাই কৰিব নোৱাৰে। পশ্চিমীয়া দেশ সমূহত ব্যক্তিগত অনুদানৰ কাৰণে মহাবিদ্যালয়সমূহ সমৃদ্ধ হোৱাৰ লগতে বৌদ্ধিক পৰিৱেশৰো উন্নতি সাধন কৰিব পাৰে। নিউ ইয়ৰ্কত থকা হাণ্টাৰ কলেজ আৰু বাৰ্ট কলেজ একোখন বিশ্ববিদ্যালয়ৰ দৰে ডাঙৰ আৰু সমৃদ্ধ। এই স্বায়ত্ব শাসিত মহাবিদ্যালয়সমূহে গৱেষণা, শিক্ষা আৰু পৰীক্ষাত উন্নতি কৰিব পাৰিছে উপযুক্ত বৌদ্ধিক পৰিৱেশ থকাৰ বাবে। এনেবোৰ মহাবিদ্যালয় ৰাজনৈতিক হস্তক্ষেপৰ পৰা সম্পূৰ্ণ মুক্ত হোৱৰ কাৰণে শিক্ষকৰ নিৰ্বাচন আৰু শিক্ষাৰ্থীৰ ভৰ্ত্তিকৰণ যোগ্যতাৰ ভিত্তিত হয়। বেচিভাগ ব্যক্তিগত মহাবিদ্যালয় ব্যক্তিৰ অনুদানৰ ওপৰত স্থাপন হোৱা বাবে ইয়াৰ অৰ্থনৈতিক অৱস্থাও টনকিয়াল হৈ থাকে। তুলনামূলক ভাবে চালে আমাৰ বহু মহাবিদ্যালয়ৰ অৱস্থা তাৰ হাইস্কুলতকৈও বেয়া। গতিকে আমাৰ মহাবিদ্যালয়সমূহৰ বৈষয়িক আৰু মানৱ সম্পদ উন্নত কৰাৰ অতি প্ৰয়োজন।

দেখা গ'ল, স্বায়ত্বশাসিত মহাবিদ্যালয়ে পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ পৰা গৱেষণা কৰালৈ সকলো কাম কৰিব লাগিব। প্ৰত্যেক বিভাগে মুৰব্বী আৰু আন শিক্ষকসকলৰ সহযোগত স্নাতক শ্ৰেণীৰ পাঠ্যক্ৰম, বিষয় বস্তু আৰু শিক্ষণ প্ৰণালী প্ৰস্তুত কৰাৰ উপৰিও পৰীক্ষা পৰিচালনা কৰা, বহিঃ পাঠ্যক্ৰমৰ কাৰ্য্যাৱলী, বিভাগীয় গ্ৰন্থাগাৰ, ৰসায়নাগাৰ, আহিলা-পাতি আদি সংগঠনৰ কাম কৰিব লাগিব। ফলত শিক্ষকসকলৰ কামৰ বোজা আগতকৈ বাঢ়িব। কম শিক্ষকেৰে এনেধৰণৰ কাম কৰিবলৈ হ'লে শৈক্ষিক পৰিৱেশ উন্নত কৰাৰ কথা ভাবিব নোৱাৰি। দিল্লীত এন. আই. এ. পিয়ে পতা ৰাষ্ট্ৰীয় স্বায়ত্ব শাসিত মহাবিদ্যালয় এখনৰ মুৰব্বী এগৰাকীয়ে কৈছিল যে প্ৰথমে সকলো শিক্ষকে খুব উৎসাহেৰে কাম কৰিলেও লাহে লাহে তেওঁলোকৰ কামৰ বোজা বেচি হোৱা বুলি অভিযোগ কৰিবলৈ ধৰিছিল। সীমিত শিক্ষক আৰু সম্পদেৰে এনেধৰণৰ মহাবিদ্যালয় পৰিচালনা কৰাটো অতিশয় কষ্টকৰ হৈ পৰে। অসমতো স্বায়ত্ব শাসনৰ মহাবিদ্যালয় হিচাবে স্বীকৃতি লাভ কৰিবলৈ আগবাঢ়ি নহাৰ মূলতে আছে সীমিত শিক্ষকৰ সংখ্যা আৰু বৈষয়িক সম্পদৰ অভাৱ।

*ড° দেৱী গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা।*



# তোমাক নো কি নামেৰে মাতো

**খবিৰ আহমেদ**

সঁচা কথাকে কম। কাকতে পত্ৰে মাজে মাজে পঢ়িবলৈ পোৱাৰ বাদে এতিয়া মোৰ বুকুৰ ভিতৰত বাঁহ সাজি বহি থকা মঙ্গলদৈ নামৰ যাদুকৰী শব্দটোৰ লগত তেতিয়া লৈকে মোৰ কোনো যোগ সূত্ৰ হোৱা নাছিল। মাত্ৰ শুনিছিলো 'মঙ্গলদৈ' নামৰ ঠাই এখন ভূটানৰ পাদদেশত। সেইপিনেদি হেনো ভৈৰৱকুণ্ডলৈ পিকনিক খাবলৈ যাব পাৰি। বচ! মোৰ ভিতৰৰ 'ভৌগোলিক মানুহটোৱে মঙ্গলদৈৰ বিষয়ে ইমানেই জানিছিল।

১৯৭২ ৰ শেষৰ ফালে মোৰ ভৌগোলিক সীমাৰেখাডাল পানীত শিল গুটি এটা মাৰি দিলে পানীৰ ওপৰত সৃষ্টি হোৱা আঁক ডাল লাহে লাহে বহল হৈ হৈ পাৰৰ ফালে গৈ থকাৰ দৰে মঙ্গলদৈৰ ভৌগোলিক আঁকডালে হঠাৎ ডাঙৰ হৈ হৈ যাবলৈ ধৰিলে। আৰু এই শিলগুটিতো মোৰ মনৰ পুখুৰীটোত মাৰি দিলে দুজন বন্ধুৱে মঙ্গলদৈৰ বিচিত্ৰ মেধি আৰু ডাঁহীৰ ফালৰ জলতি শৰ্মাই।

গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়িবলৈ আহি আঠ নং ছাত্ৰাবাসত মোৰ দুই মঙ্গলদৈয়া বন্ধু- বিচিত্ৰ আৰু জলতি। লগে লগে আৰু নতুন শব্দ কেইটা মানে লুকা ভাকু খেলিলেহি মনৰ ভিতৰত।

"ইউনাইটেড ক্লাব", সমৰেন্দ্ৰ নাৰায়ণ দেৱ "পুতলা ঘৰ" "সিদ্ধাৰ্থ" "কাশ্মিৰী শইকীয়া" আৰু কিছুদিনৰ পাছত অসমৰ চৌদিশ ৰজন জনাই যোৱা ভূপেন হাজৰিকাৰ মঙ্গলদৈ তোমাৰ নাম হওক মঙ্গল তোমাৰ..........."

বিচিত্ৰই কৈছিল "বল মঙ্গলদৈ যাওঁ, সাহিত্য সভা চাবা, পুতলা ঘৰৰ চুটিং হোৱা মঙ্গলদৈ কলেজ চাবা.........."

মোৰ তেতিয়া মঙ্গলদৈলৈ অহা নহ'ল। কলেজখনো দেখাৰ সৌভাগ্য নহ'ল। লগতে সৌভাগ্য নহ'ল তেতিয়া মোৰ দেহমন তলওপৰ কৰি ৰখা "পুতলা ঘৰ" কথাছবি খনৰ সেই মৰম লগা নায়ক নায়িকা লগ পোৱাৰ।

বেয়া নাপাব। অতীত মই ভাল পাওঁ। বৰ্ত্তমানৰ ওপৰত কোনো আস্থা নাই। ভৱিষ্যতৰ সপোনে মানুহক কেতিয়াবা বাৰুকৈয়ে ঠগি যায়। অতীত সদায় সঁচা। অতীত মোৰ প্ৰিয় শব্দ।

এতিয়া মঙ্গলদৈলৈ চাকৰি কৰিবলৈ আহি ভাল লাগিছে- মঙ্গলদৈ কলেজে সোণালী জয়ন্তী পাতিছে। বহু মানুহৰ জীৱনত নিজৰ ৰূপালী, সোণালী জয়ন্তী আদি পতা হয়তো নহয় গৈ। সময়ে কেতিয়াবা বৰ নিষ্ঠুৰ ভাবে মানুহৰ সপোনবোৰ, আশাবোৰ মুচৰি পেলায়। অনুষ্ঠাবোৰ, সৎ, মহান উদ্দেশ্য আগত ৰাখি স্থাপন কৰা অনুষ্ঠানবোৰ এইক্ষেত্ৰত সৌভাগ্যবান বুলিয়েই কব পাৰি। অনুষ্ঠানবোৰ নমৰে। একো একোচাম দেশ, জাতি, আৰু আপোন মাটি ভালপোৱা মানুহে এইবোৰ মৰিবলৈ নিদিয়ে- জীয়াই ৰাখে। এওঁলোকে বহুত দিয়ে, বিনিময়ত একো নিবিচাৰে। মাথো জীয়াই থকাটো বিচাৰে তেওঁলোকে দেখা স্বপ্নবোৰ- অনুষ্ঠানবোৰ।

মঙ্গলদৈৰ দৰে গাঁও গাঁও লগা শান্ত সমাহিত সৰু ঠাই এডোখৰত পঞ্চাচ বছৰৰ আগেয়ে দেখা এচাম দূৰদৰ্শী মানুহৰ সপোন বাস্তৱত ৰূপায়িত হৈছে। তেওঁলোকে সপোন দেখিছিল মঙ্গলদৈ কলেজে এদিন সোণালী জয়ন্তীবৰ্ষত ভৰি দি শতবাৰ্ষিকি উদ্‌যাপনৰ ফালে আগবাঢ়িব- এখোজ দোখোজকৈ। আমিও আজি সোণালী জয়ন্তী বছৰত এনেকুৱা আশা এটাকে কৰিছো।

যোৱা পঞ্চাচটা বছৰে কলেজখনে মানুহক কি দিলে

বা মানুহৰ আশা আকাঙ্খা কিমান পূৰা কৰিব পাৰিলে সেয়া মঙ্গলদৈৰ ৰাইজে দেখি আহিছে। বহুত পোহৰ মুখী হ'ল মঙ্গলদৈয়া ৰাইজ। দৰঙৰ চুকে কোণে। দেশৰ চুকে কোণে, উত্তৰে দক্ষিণে পূবে পশ্চিমে এই কলেজৰ পৰা ওলাই যোৱা বহু ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সিচঁৰিত হৈ আছে। কলেজখনত ভৰি দিয়েই দেখা তেওঁলোকৰ বহুতৰ স্বপ্ন হয়তো বাস্তৱত পৰিণত হ'ল বা বহুতৰ নহ'ল। হোৱা নোহোৱাৰ, পোৱা নোপোৱাৰ হিচাপ নিকাচ আজি হয়তো তেওঁলোকে নলয়। কিন্তু নিজেও নজনাকৈ বুকুৰ ভিতৰত একো একো সময়ত তেওঁলোকে কঢ়িয়াই লৈ ফুৰে কলেজখনক- মঙ্গলদৈ কলেজখনক।

মানুহৰ চিন্তাধাৰাৰ্লে আমূল পৰিৱৰ্তনৰ জোৱাৰ আহিছে। এই চিন্তাবোৰ সঠিকৰূপত ৰূপায়িত কৰাৰ দায়িত্ব আমাৰ সকলোৰে। আমাৰ স্কুল কলেজৰ শিক্ষক শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী সকলোৰে এই ক্ষেত্ৰত দায়িত্ব অসীম। আমি সচেতন হব লাগিব প্ৰধানতঃ দুটা কথাৰ প্ৰতি- আমি কি শিকাইছো আৰু আমি কি শিকিছো? আমি যি শিকাইছো, সেই শিক্ষাই দেশখনক ভাল পাবলৈ, নিজৰ আইক চিনি পাবলৈ বাৰু একে সময়তে আমাৰ ছাত্ৰ-ছাত্ৰীক কিবা উৎসাহ যোগাব পাৰিছেনে?

আমি বহুত আশা নকৰো। মাথো আশা ৰাখিম মঙ্গলদৈ মহাবিদ্যালয়ে যাতে সোণালী জয়ন্তীৰ দুৱাৰদলি গৰকি ভৱিষ্যতে আহিব ধৰা শতবাৰ্ষিকিৰ দিনবোৰলৈ আগবাঢ়ি যাওঁতে জাতিটোৰ, দেশৰ মানুহৰ ঐতিহ্যৰ জয়ধ্বজাও লগতে কঢ়িয়াই যায়।

মঙ্গলদৈ কলেজ! তোমাক নো কি নামেৰে মাতো?

---

*শ্ৰী আহমেদ দেৱ এগৰাকী কথা সাহিত্যিক আৰু দৰঙৰ আৰক্ষী অধীক্ষক।*



# মঙ্গলদৈ কলেজৰ ৰজত জয়ন্তী সমাৰোহৰ ৰেঙণি, কাৰ্য্যসূচী আৰু উদ্বৃত্ব ধনৰ ব্যৱহাৰ

ড০ গিৰীশ গোস্বামী

১৯৫১ চন ২০ চেপ্তেম্বৰ তাৰিখে মঙ্গলদৈ ৰাজহুৱা পুথিভৰালত অংকুৰ মেলা মঙ্গলদৈ কলেজে ১৯৫৬ চনত স্বস্থানত প্ৰতিস্থিত হৈ আজি এক বিৰাট মহীৰূহত পৰিণত হল। তাহানিৰ মাত্ৰ ৬০ গৰাকী উৎসাহী বিদ্যাৰ্থীৰ মহুৰতেৰে শুভাৰম্ভ কৰা এই পীঠস্থানত আজি তিনি সহস্ৰাধিক ছাত্ৰছাত্ৰীয়ে প্ৰত্যহ শিক্ষাগ্ৰহণ কৰে। অধ্যক্ষ সহ মাত্ৰ সাত গৰাকী শিক্ষাদাতা আৰু মাথোন এগৰাকী কাৰ্য্যালয় সহায়কৰ ঠাইত আজি এই পৰিসংখ্যা যথাক্ৰমে ৮৩ গৰাকী আৰু ৪৫ গৰাকী হলগৈ।

লুইতত বহু পানী বৈ গ'ল। মঙ্গলদৈ কলেজৰ ৰূপ লাৱন্যও ক্ৰমাৎ সলনি হল। আটকধুনীয়া অসম আৰ্হিৰ ঘৰদুৱাৰ আৰু দেশী বিদেশী নানান বিধৰ বৃক্ষৰোপনেৰে কলেজ চৌহদ সুশোভিত হ'ল। কলেজত কৃষিপাম হল, উপাৰ্জক শিক্ষাৰ্থী আঁচনি (earner-learner Scheme) প্ৰবৰ্তিত হল আৰু হল বহু সুৰক্ষিত ছাত্ৰী নিবাস আৰু অধ্যক্ষৰ বাসভৱন। কলেজ পৰিয়ালৰ লোকৰ সেৱাৰ লাভৰ বাবে কলেজ সমবায় ভাণ্ডাৰ। কেৱল বিদ্যায়তনিক কাৰ্য্যক্ৰমনিকাৰ পৰিসীমাৰ মাজতে আবদ্ধ নাথাকি বিদ্যাৰ্থী সংগঠনৰ ভৱিষ্যৎ গঢ়াৰ বাবে ন-ৰূপত প্ৰতিষ্ঠিত হল জাতীয় শিক্ষাৰ্থী বাহিনী আৰু জাতীয় সেৱা আঁচনি। এই সুসংগঠিত আঁচনি আৰু বাহিনীসমূহে কলেজৰ শৃংখলাৰক্ষা আৰু কলেজ চৌহদ চিকুনাই ৰখাৰ উপৰিও ক্ৰমাগতভাৱে প্ৰকৃতিক নিয়ন্ত্ৰণ কৰিবলৈকো দুঃসাহস কৰিলে। সলাই দিবলৈ সক্ষম হল মঙ্গলদৈ নদীৰ একাবেঁকা গতিপথ। তাৰেই ফলশ্ৰুতিত কলেজ কেনেলৰ যোগেদি পোনবাটে গতি কৰি বৰলুইতক সাৱতি ললে মঙ্গলদৈ নদীয়ে। বাৎসৰিক বন্যাৰ কবলৰ পৰা ৰক্ষা পৰিল গোঁসাইগাঁও, পুনিয়াকে ধৰি চৈধ্যখন গাঁৱৰ বাসিন্দাসকল।

১৯৭৬-৭৭ চন। চাওঁতে চাওঁতে চফল ডেকাত পৰিণত হল মঙ্গলদৈ কলেজ। ৰাজ অভিষেকৰ আয়োজন চলিল ৰজত জয়ন্তীৰ যোগেদি। ১৭ জুলাই, ১৯৭৬ চন। কলেজ পৰিচালনা সমিতিৰ সভাত সিদ্ধান্ত গ্ৰহণ কৰা হ'ল মহা আড়ম্বৰেৰে ৰজত জয়ন্তী পালনৰ। ২৮ জুলাই তাৰিখে কলেজৰ শিক্ষক, কৰ্ম্মচাৰী আৰু ছাত্ৰ প্ৰতিনিধিৰ সভাত ৰজত জয়ন্তী উদ্‌যাপনৰ বিষয়ে বিতং আলোচনাৰ অন্তত এখন উদ্‌যাপন সমিতি গঠনৰ খচৰা তৈয়াৰ কৰাৰ লগতে উৎসৱৰ যাৱতীয় খৰচৰ তালিকা যুগুত কৰি ডেৰ লক্ষ টকা খৰচৰ এখন খচৰা বাজেটো তৈয়াৰ কৰা হ'ল। ২৩ আগষ্ট তাৰিখে তেতিয়াৰ মঙ্গলদৈ মহকুমাৰ (বৰ্তমান দৰং জিলা) বিভিন্ন শ্ৰেণীৰ লোকৰ প্ৰতিনিধিৰে সমন্বিত ৰাজহুৱা সভাত এখন শক্তিশালী ৰজত জয়ন্তী উদ্‌যাপন সমিতি গঠনৰ চুড়ান্ত ৰূপ দিয়া হল। জয়ন্তী উপলক্ষে এখনি তথ্যগধুৰ স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ লগতে কলেজৰ শিক্ষক শিক্ষাৰ্থীৰে যৌথ প্ৰচেষ্টাত এখনি প্ৰদৰ্শনীৰো আয়োজন কৰিবলৈ সিদ্ধান্ত লোৱা হল। লগতে ৰজত জয়ন্তীৰ সেউজী স্মৃতি চিৰদিন সজীৱ কৰি ৰাখিবলৈ কলেজ প্ৰাংগনত এটি প্ৰেক্ষাভৱন নিৰ্মাণৰ সিদ্ধান্ত কৰি সমুদায় প্ৰকল্পৰ বাবে ডেৰ লক্ষ টকাৰ খৰচ সাপেক্ষে ইতিমধ্যে যুগুতোৱা খচৰা বাজেট সহ অভিলাষী আঁচনিখনত অনুমোদন জনোৱা হল আৰু ১৯৭৬ চনৰ ডিচেম্বৰ মাহৰ ৩০/৩১ আৰু ১৯৭৭ চনৰ জানুৱাৰী মাহৰ ১/২ তাৰিখ সামৰি মুঠ চাৰিদিনীয়াকৈ ৰজত জয়ন্তীৰ মূল উৎসৱ পালনৰ দিন নিৰ্দ্দিষ্ট কৰা হ'ল।

সেই সময়ত মঙ্গলদৈ কলেজত প্ৰেক্ষাভৱন নিৰ্মাণৰ

কাৰণে কেন্দ্ৰীয় চৰকাৰ বা বিশ্ববিদ্যালয় অনুদান আয়োগৰপৰা কোনো আৰ্থিক মঞ্জুৰী পোৱাৰ সুবিধা নাছিল। তাৰ পূৰ্বে প্ৰেক্ষাভৱন নিৰ্মাণৰ অৰ্থে উক্ত উৎসৰপৰা আৰ্থিক অনুদান পাব পৰাৰ সুবিধা আছিল যদিও তেতিয়া মঙ্গলদৈ কলেজৰ আৰ্থিক অনুদান পাব পৰাৰ সুবিধা আছিল যদিও তেতিয়া মঙ্গলদৈ কলেজৰ অৱস্থা চালুকীয়া আছিল আৰু অন্যান্য উন্নয়নমূলক কামত অধিক মনোনিবেশ কৰা হেতুকে প্ৰেক্ষাভৱনৰ অভাৱ অনুভৱেই কৰা হোৱা নাছিল। গতিকে বাজেটৰ ডেৰ লক্ষ টকা সংগ্ৰহৰ বাবে গোটেই মহকুমাবাসীৰ ওচৰত সাহায্যপাত্ৰ আগবঢ়োৱাৰ বাহিৰে গত্যন্তৰ নাছিল।

২৮ জুলাইৰ সাধাৰণসভাই বহুকেইখন উপসমিতিৰ সমন্বয়েৰে এখন জয়ন্তী উদ্‌যাপন সমিতি গঠনত অনুমোদন দিলে যদিও বিত্তসংগ্ৰহৰ কাৰণে কোনো পৃথক উপসমিতি গঠন কৰাৰ পৰা বিৰত থাকি এই গধুৰ বোজা এককভাবে এই লেখকৰ ওপৰত ন্যস্ত কৰিলে।

**বিত্ত সংগ্ৰহৰ মধুৰ স্মৃতিবোৰ ঃ**

ডেৰ লক্ষ টকা সংগ্ৰহৰ লক্ষ্য সন্মুখত ৰাখি বিত্ত সংগ্ৰহৰ প্ৰাক মুহূৰ্ত্তত থিৰাং কৰা হল- মহকুমাটোৰ সকলো ব্যক্তিকেই যৎকিঞ্চিৎ দান বৰঙণিৰ যোগেদি হলেও তেওঁলোকৰ এই অতি মৰমৰ উচ্চশিক্ষাৰ কেন্দ্ৰটোৰ লগত পুনৰবাৰ সকলোকে জড়িত কৰা হওঁক। সেয়েহে প্ৰতিখন গাঁৱে ভূঞে যোৱাৰ সিদ্ধান্ত লোৱা হ'ল। ভ্ৰমণত মটৰ গাড়ী ব্যৱহাৰ কৰিলে সংগ্ৰহ কাৰ্য্যত অধিক ব্যয় হোৱাৰ ভয়ত অতি দূৰণিবাট দুই এঠাইৰ বাহিৰে আন সকলোতে "বাপুৰ অটোখন" ব্যৱহাৰ কৰা হল। কলেজৰ শিক্ষক-শিক্ষাৰ্থী সকলোৱে, যেতিয়াই যাকে আহবান কৰা হল, বিত্তসংগ্ৰহ কাৰ্য্যত আনন্দমনে সঁহাৰি জনালে। মঙ্গলদৈ মহকুমাৰ বিভিন্ন নগৰ-চহৰ, গাঁও-ভুই, হাট-বজাৰ সকলোতে দান বৰঙণি সংগ্ৰহ কৰা হল। কোনোৱে কতো নিৰাশ নকৰিলে। জয়ন্তী উদ্‌যাপনৰ বাজেটখন সততে চকুৰ আগত ভাঁহি থকা বাবে সংগ্ৰহ কাৰ্য্য চলাওঁতে যিমান পাৰি মিতব্যয়ী হোৱাৰ চেষ্টা কৰা হ'ল। দূৰণীবটিয়া ঠাইলৈ সংগ্ৰহকাৰ্য্য চলাবলৈ গলেও সংগ্ৰহকাৰী দলক ভাত খুউৱাৰ পৰা বিৰত থাকি কেৱল চাহ-জলপানহে যোগান ধৰা হ'ল। সৰ্ব্বাধিক দান আগবঢ়ালে ভেৰগাঁও নিবাসী শ্ৰীভোগীৰাম ডেকাই। কেইখনমান চাহ বাগিচাৰ উপৰিও কিছু শকত পৰিমানৰ দান বৰঙণি আগবঢ়ালে খাৰুপেটীয়া, টংলা আৰু ওডালগুৰি চহৰৰ ব্যৱসায়ীমহলে। চাকৰীজীৱি, চিকিৎসক, আইনজীৱি আদিৰ উপৰিও মহকুমাটোৰ শিক্ষক শ্ৰেণীয়ে যথেষ্ট দান বৰঙণি যোগান ধৰিলে। মঙ্গলদৈ চহৰৰ হয়তো প্ৰতিজন ব্যক্তি বা প্ৰতিটো ব্যৱসায়িক প্ৰতিষ্ঠানেই ইয়াৰ অংগীভূত হল। উচ্চ শিক্ষাৰে শিক্ষিত নহওঁ ৰজাপুখুৰীৰ ছমছেৰ দেৱানীৰ এহেজাৰ টকীয়া দানৰ কথা আমি কেতিয়াবা পাহৰিব পাৰিম জানো? একেদৰেই মনত পৰে দলগাঁও, কৌপাটি অঞ্চলৰ ৰাইজৰ উদাৰচিতীয়া দান বৰঙণিৰ কথা। স্মৃতিৰ পটত ভাঁহি উঠে আন কিছুমান ঘটনা পৰিঘটনাৰ টুকুৰা স্নেপশ্বট।

'৭৬ চনৰ নবেম্বৰ মাহৰ ১৭ তাৰিখ। সিদিনা বাপুৰ অটোখনৰ আৰোহী এই লেখকৰ লগতে অধ্যাপকদ্বয় শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মা আৰু শ্ৰীকুমুদ চন্দ্ৰ সন্দিকৈ। দিনৰ দিনটো কলাইগাঁও টংলা পথৰ বিভিন্ন ঠাইত দান বৰঙণি সংগ্ৰহ কৰি কৰি সন্ধিয়াৰ পিছত পালোগৈ পুৰণিটংলাৰ ওচৰৰ মৌজাদাৰ ৰবাৰ ঘৰ। অতি উদাৰচিত্তে দান বৰঙণি আগবঢ়োৱাৰ পিছত চাহ জলপানেৰে আপ্যায়িত কৰিলে মৌজাদাৰৰ পৰিয়ালে। বিদায় লওঁতে ৰাতি প্ৰায় আঠ বাজিলে। মুকলি অটোখন বাপুৱে চলাই দিলত ফিৰফিৰিয়া চেঁচা বতাহে কেউজনকেই আমনি কৰাত লাগিল। লগত কোনো ধৰণৰ গৰম কাপোৰ নথকা বাবে এটা সময়ত মঙ্গলদৈলৈ ওভোটা ওখোৰা মোখোৰা ৰাষ্টাটোত চলন্ত অটোখনৰ আটাইকেইজন ব্যক্তিৰেই শৰীৰৰ শীতজৰ্জ্জৰিত কম্পনে অটোখন যেন আৰু অধিক কপাই তুলিলে। খুব মন্থৰ গতিৰে আহি এটা সময়ত কলাইগাঁও পাব হলো। শীতৰ প্ৰকোপ আঁতৰাবলৈ একোকাপ গৰম চাহৰ প্ৰয়োজনবোধ প্ৰতিজনেই কৰিছিল যদিও কোনোৱে মুখ খুলি নকলে। বাটৰ কাষৰ দোকান পোহাৰ ইতিমধ্যেই বন্ধ। তেনেতে অধ্যাপক শৰ্মাই সেইঠাইত তেখেতৰ এজন প্ৰাক্তন ছাত্ৰৰ কথা উনুকিয়াত ৰাতি ন বজাত তাতেই সোমালো। পদূলিমুখৰ জপনাখন খুলি গৈ দেখিলো ঘৰ অন্ধকাৰ। শুইছে ছাগৈ সকলো। হঠাৎ ভিতৰৰ ঘৰ এটাত ক্ষীণ পোহৰ এটা দেখি আশাৰ সঞ্চাৰ হল। গৃহস্থক নাম ধৰি মাতোতে বিচনাৰপৰা উঠি আহিল। হাতত থকা চাকিগছিৰ ক্ষীণ পোহৰত চাৰৰ মুখখন দেখি আচৰিত হল আৰু আথেবেথে আদৰি নি বহুৱালে। সেই ৰাতিখন পৰিয়ালৰ আন সকলোকে জগাই তুলি চাহলুচিৰ লগতে নাৰিকল ৰুকি দি আমাক আপ্যায়িত কৰিলে আৰু ধনবিত দি বিদায় দিলে। মানুহজনৰ আন্তৰিকতাত আমি বিমোহিত হলো। পুনৰ অটোত কপনি তুলি তুলি মঙ্গলদৈ পাওঁতে নিশা প্ৰায় ১১ বাজিল। সেই শাৰীৰিক কষ্ট সহ্য কৰিব নোৱাৰি শ্ৰীশৰ্মা পিছদিনা নৰিয়াত পৰিল। শাৰীৰিক কষ্ট হলেও মন কিন্তু অধিক দৃঢ় হল। স্মৃতিবোৰ ৰোমন্থন কৰিলে আজিও মন এই মহান অনুষ্ঠান

খনিৰ ওচৰত অৱনত হয়।

অন্য এদিনৰ স্মৃতি। দান বৰঙণি সংগ্ৰহৰ অৰ্থে কৌপাটি অঞ্চলত ঘূৰি ফুৰি শ্ৰীনাৰায়ণ লহকৰৰ ঘৰত উপস্থিত হলো। আমাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ অন্তত শ্ৰীলহকৰে অতি দুখেৰে ব্যক্ত কৰিলে তেখেতৰ সেই বছৰৰ আৰ্থিক দুৰ্দ্দশাৰ কথা। মানুহজন কৃষি ব্যৱসায়ী। অতি আসাৰে চাৰি বিঘাকৈ মাটিত জলকীয়া খেতি কৰি প্ৰতিকুল বতৰৰ বাবে এপয়চাৰো মুখ নেদেখাত মানুহজন হতাশা গ্ৰস্থ। শ্ৰীশৰ্মাই সংস্কৃতৰ শ্লোক এটা মাতি তেখেতক প্ৰবোধবানী শুনালে- 'ডাব নাৰিকলৰ ভিতৰখন আপোনা আপুনি যেনেদৰে সুস্বাদু পানীৰে পৰিপূৰ্ণ হয়, ভগৱান সুপ্ৰসন্ন হলে তেখেতৰ ওচৰলৈও আই লক্ষ্মী নিজেই চাপি আহিব" শ্ৰীলহকৰ আশ্বস্ত হল আৰু অধিক বাক্যব্যয় নকৰি এশ এটকা দান দি পেট্ৰন হ'ল। এইবোৰ স্মৃতিৰ টুকুৰা।

বিত্তসংগ্ৰহ অভিমানত অতি আন্তৰিকতাৰে সহযোগ আগবঢ়ালে কলেজ পৰিয়ালৰ প্ৰতি গৰাকী ব্যক্তিয়েই- লাগিলে তেওঁ শিক্ষাৰ্থীয়েই হওঁক বা শিক্ষাদাতাই হওঁক নতুবা মঙ্গলদৈ চহৰৰ আন কোনো গণ্যমান্য চিকিৎসক, চৰকাৰী বিষয়া ব্যৱসায়ী বা আইনজীৱিয়েই হওঁক।

চেপ্তেম্বৰ মাহৰ ২২ তাৰিখৰ পৰা ডিচেম্বৰ মাহৰ ২২ তাৰিখলৈ পূৰ্ণ গতিত চলিল বিত্ত সংগ্ৰহ অভিযান। মঙ্গলদৈ মহকুমাৰ লোকৰ উপৰিও গুৱাহাটী চহৰৰ বিভিন্ন দাতা আৰু অফিচ কাৰ্য্যালয়তো ধন সংগ্ৰহ কাৰ্য্য চলোৱা হল। তাৰোপৰি এই কলেজৰ পৰা যোৱা প্ৰায় প্ৰতিগৰাকী প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়েই জয়ন্তী উৎসৱৰ সফলতা কামনা কৰি যথাসাধ্যে দান বৰঙণি আগবঢ়ালে।

ইতিমধ্যে কলেজৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ লগত আলোচনা কৰি সেই বছৰৰ কলেজ সপ্তাহো জয়ন্তী উৎসৱত অধিক জেউতি চৰাব পৰাকৈ একেলগে উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হল। সেই মৰ্মে ২৮ ডিচেম্বৰৰ (১৯৭৬) পৰা ২ জানুৱাৰী (৭৭) লৈ যৌথভাৱে কলেজ সপ্তাহ আৰু জয়ন্তী উৎসৱৰ কাৰ্য্যক্ৰমণিকা প্ৰস্তুত কৰা হল। ২৮ ডিচেম্বৰত কলেজ সপ্তাহ আৰম্ভ হল যদিও জয়ন্তী সমাৰোহ প্ৰকৃততে আৰম্ভ হল ২৯ তাৰিখে অসমৰ ৰাজ্যপাল তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ কুলপতি শ্ৰীলালন প্ৰসাদ সিঙৰ জয়ন্তী উৎসৱৰ উদ্বোধনী ভাষণৰ লগে লগেহে। সিদিনাই আবেলি অধিবক্তা তপেশ্বৰ শৰ্মাই স্মৃতি গ্ৰন্থখনি উন্মোচন কৰে আৰু সন্ধিয়া তেতিয়াৰ অসমৰ মীনমন্ত্ৰী উপেন দাসে প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰে। তাৰ পিছতে মঙ্গলদৈৰ মহকুমাধিপতি শ্ৰীচন্দ্ৰ কুমাৰ শৰ্মাই সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে।

৩০ ডিচেম্বৰ তাৰিখে এখনি অতি উচ্চস্তৰৰ আৰু উপভোগ্য আলোচনা চক্ৰ অনুষ্ঠিত হয়। এই আলোচনাচক্ৰ উদ্বোধন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপকুলপতি ড° হিতেন্দ্ৰ বৰুৱাদেৱে আৰু তাত কেবা গৰাকীয়ো বিশিষ্ট ব্যক্তিয়ে অংশ গ্ৰহণ কৰে। তেখেতসকলৰ ভিতৰত ড° মথুৰা নাথ গোস্বামী (প্ৰাক্তন উপকুলপতি, গু, বি.), আনোৱাৰা টাইমুৰ (ৰাজ্যিক) শিক্ষামন্ত্ৰী), ড° ভি. বি. মিশ্ৰ (গু. বি.), বিষ্ণুদেৱ শৰ্মা (শিক্ষাধিকাৰ), প্ৰানেশ্বৰ পাঠক (অধ্যক্ষ, টংলা কলেজ), হীৰেন দত্ত (গু. বি.), ৰমেশ চন্দ্ৰ চহৰীয়া (বিধায়ক, টংলা) আদি।

৩১ ডিচেম্বৰৰ আবেলি কলেজৰ প্ৰাক্তন ছাত্ৰ আৰু শিক্ষকসকলৰ মাজত এখন উপভোগ্য প্ৰীতি ফুটবল খেল সম্পন্ন কৰা হয়।

১ জানুৱাৰী (১৯৭৭) তাৰিখে গৃহমন্ত্ৰী হিতেশ্বৰ শইকীয়াই প্ৰাক্তন ছাত্ৰ সমাৰোহ উদ্বোধন কৰে। কলেজৰ প্ৰতিষ্ঠাতা অধ্যক্ষ পুৰন্দৰ শৰ্মাৰ পৌৰহিত্যত অনুষ্ঠিত সেই সমাৰোহত গজেন্দ্ৰ নাথ ঠাকুৰীয়া (প্ৰাক্তন উপাধ্যক্ষ), ভৱানন্দ ৰাজখোৱা (প্ৰতিষ্ঠাতা অধ্যাপক), সত্যেশ দাসগুপ্ত (প্ৰতিষ্ঠাতা অধ্যাপক), শিৱপ্ৰসাদ ৰাজখোৱা (প্ৰাক্তন ছাত্ৰ), ৰামচন্দ্ৰ সিং (প্ৰাক্তন ছাত্ৰ) আদি ব্যক্তিয়ে অংশ গ্ৰহণ কৰে। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে প্ৰাক্তন ছাত্ৰ সমৰেন্দ্ৰ নাৰায়ণ দেৱে।

২ জানুৱাৰী তাৰিখৰ সামৰণি উৎসৱত সভাপতিত্ব কৰে বিধায়ক লক্ষ্মীকান্ত শইকীয়াই আৰু মুখ্য অতিথিৰ ভাষণ দিয়ে অসমৰ মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহই। সেই সামৰণি উৎসৱতেই ভালেকেইগৰাকী ব্যক্তিক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। তেখেতসকলৰ ভিতৰত অমিয়ভূষণ দাসগুপ্ত (প্ৰতিষ্ঠাতা সভাপতি), ৰামেশ্বৰ শৰ্মা (প্ৰতিষ্ঠাতা সম্পাদক), পুৰন্দৰ শৰ্মা (প্ৰতিষ্ঠাতা অধ্যক্ষ), ভোগীৰাম ডেকা (দাতা), ফনিভূষণ বসু (দাতা, মৰণোত্তৰ ভাৱে) আৰু কৰিম বস্কৰ (দাতা, মৰণোত্তৰ ভাৱে) নাম উল্লেখনীয়। মুকলি সভাত ভাষণদান কৰা ব্যক্তিসকলৰ ভিতৰত ধৰনীধৰ দাস (সাংসদ), ৰমেশ চন্দ্ৰ চহৰীয়া (বিধায়ক), বাহাদুৰ বসুমতাৰী (বিধায়ক), হাচিমুদ্দিন আহমেদ (বিধায়ক), গিয়াচুদ্দিন আহমেদ (মুখ্য কাৰ্য্যবাহী সদস্য) আৰু কানন বৰদলৈ (অধ্যক্ষা, বি.টি. কলেজ)। শেষত শলাগৰ শৰাই আগবঢ়ায় অধ্যক্ষ প্ৰবোধ চন্দ্ৰ গোস্বামীদেৱে।

সন্ধিয়া অসম চৰকাৰৰ সাংস্কৃতিক দলৰ দ্বাৰা নাট পৰিবেশনেৰে ৰজত জয়ন্তী সমাৰোহৰ পৰিসমাপ্তি ঘোষণা কৰা হয়।

এনেদৰেই ১৯৭৬-৭৭ চনৰ ৰজত জয়ন্তী সমাৰোহৰ সামৰণি মৰা হ'ল। অধ্যাপক জীৱন চন্দ্ৰ শৰ্মাৰ দ্বাৰা সম্পাদিত, জয়ন্তী সমাৰোহৰ পৰিপূৰক ১১০ পৃষ্ঠাৰ স্মৃতি গ্ৰন্থখন তথ্যগধূৰ আৰু সৰ্ব্বজন সমাদৃত হোৱা বাবে জয়ন্তী উদ্‌যাপন

সমিতি আনন্দিত হয়। জয়ন্তী সমাৰোহৰ লগত ৰজিতা খুৰাই অনুষ্ঠিত কৰা প্ৰদৰ্শনীখন উপভোগ কৰি দৰ্শকবৃন্দ বিমোহিত হৈছিল আৰু তাৰেই অন্যতম দৰ্শক ৰাজ্যপাল সিঙে প্ৰদৰ্শনী স্থলিত উপস্থিত থকা দৰং জিলাৰ উপায়ুক্তক এই প্ৰদৰ্শনীৰ পৰিচালক-পাৰদৰ্শী ব্যক্তিসকলক আৱশ্যক হলে তেখেতৰ বিভাগীয় কাৰ্য্যত সাময়িকভাৱে নিয়োগ কৰিবলৈকো উপদেশ দিয়ে।

জয়ন্তী সমাৰোহৰ অন্তত দেখা গল পূৰ্বতে নিৰ্দ্ধাৰিণ কৰা খৰচৰ খচৰা বাজেটৰ জোৰা মাৰিবপৰাকৈ বিত্ত সংগ্ৰহৰ লক্ষ্যত উপনীত হব পৰা গৈছে। স্মৃতিগ্ৰন্থখনৰ ২৫,০০০ টকা খৰচকে ধৰি জয়ন্তী উৎসৱৰ অন্যান্য প্ৰাত্যহিক কৰ্মত হোৱা সৰ্বমুঠ খৰচ প্ৰায় ৫০,০০০ টকা ব্যয় কৰাৰ অন্তত সংগৃহীত ধনৰ প্ৰায় ৯০,০০০ টকা ৰাহি হল। এই ৰাহি ধনখিনি বেংকত জমা ৰখাৰ লগতে বিদায় সমাগত অধ্যক্ষ প্ৰবোধ গোস্বামীয়ে প্ৰেক্ষাভৱন নিৰ্মাণ সমিতি এখন গঠন কৰি দিলে যাতে এই কষ্টোপাৰ্জিত ৰাহি ধনখিনি কোনেও অপব্যৱহাৰ কৰিব নোৱাৰে। এই সমিতিখনত এই লেখকৰ লগতে ৫/৬ জন জ্যেষ্ঠ অধ্যাপকৰ উপৰিও দুজন ৰাইজৰ প্ৰতিনিধিকো অন্তৰ্ভূক্ত কৰা হল। কিছুদিনৰ কাৰণে বেংকত থকা ৰাহি ধনখিনি অতি সুৰক্ষিত বুলি ভাবি আটায়ে আশ্বস্থ হলো। তেজপুৰৰ এজন স্থপতিবিদৰ পৰা প্ৰেক্ষাভৱনৰ নস্কা আৰু আনুমানিক নিৰ্মাণব্যয়ৰ পৰিমান সংগ্ৰহ কৰা হল। ইতিমধ্যে অধ্যক্ষ গোস্বামীয়ে অৱসৰ গ্ৰহণ কৰি মঙ্গলদৈ কলেজ এৰিলে।

১৯৭৯ চনৰ পৰা সদৌ অসম ছাত্ৰসন্থাৰ নেতৃত্বত অসম আন্দোলন আৰম্ভ হল। ১৯৮৩-৮৪ চন আন্দোলনৰ ভৰপকৰ সময়। আন্দোলনৰ কিছুমান প্ৰভাৱ কলেজখনৰ ওপৰতো নপৰাকৈ নাথাকিল। সম্পূৰ্ণ এটা বছৰ ছাত্ৰ ছাত্ৰীসকলে শ্ৰেণীবৰ্জ্জন কৰাৰ উপৰিও সেইসময়ৰ মাহিলী মাছুখিনি দিয়াৰ পৰাও ছাত্ৰসমাজ বিৰত থাকিল। চৰকাৰৰ ঘৰৰ পৰা মাহিলী ঘাটি মঞ্জুৰীৰ ধনখিনিৰ বাহিৰে এটা পয়চাও নহা হল। সেই সময়ত কলেজখনত অমঞ্জুৰীপ্ৰাপ্ত পদত থকা ১৩ জন শিক্ষক-শিক্ষয়িত্ৰী আৰু ১৯ জন তৃতীয়-চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীক মাহিলী বেতন দিবলৈ ধনৰ নাটনিয়ে দেখা দিলে। চাওঁতে চাওঁতে অৰ্থসংকট ক্ৰমাৎ ঘনীভূত হল। কিছুক্ষেত্ৰত কলেজৰ ধনৰ অপব্যৱহাৰৰো অভিযোগ উত্থাপিত হল। চৰকাৰৰ মঞ্জুৰীপ্ৰাপ্ত পদৰ শিক্ষক কৰ্মচাৰীৰ ঘাটি মঞ্জুৰীৰ শিতানৰ ধনখিনিৰপৰাই চানকাঢ়ি অমঞ্জুৰীপ্ৰাপ্ত পদৰ শিক্ষক কৰ্মচাৰীসকলকো আংশিকভাৱে বেতন দিবলৈ লোৱাত কলেজ পৰিয়ালত অসন্তুষ্টিয়ে দেখা দিলে। তেনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত কলেজ কৰ্ত্তপক্ষৰ দুই এজনৰ লোভনীয় দৃষ্টি পৰিল প্ৰেক্ষাভৱন নিৰ্মাণৰ শিতানত থকা এই ৰাহি ধনখিনিৰ ওপৰত। কিন্তু প্ৰেক্ষাভৱন নিৰ্মাণ সমিতিৰ সন্মতি অবিহনে বেংকত থকা এই ৰাহিধন লৰাব পৰা নাযায়। কিছুসংখ্যক অভাৱগ্ৰস্থ শিক্ষক কৰ্মচাৰীৰ হতুৱাই নিৰ্মাণ সমিতিৰ সদস্যসকলক প্ৰভাৱিত কৰি ধনখিনি সৰকোৱাৰ চেষ্টাও নচলাকৈ নাথাকিল। অৱশ্যে নিৰ্মাণ সমিতিৰ সদস্যসকলৰ মনৰ দৃঢ়তাত তেনে প্ৰচেষ্টা ফলৱতী নহল। তথাপিতো এই হেঁচা বিভিন্ন উপায়ে ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰাত উপায়ান্তৰ হৈ গুৱাহাটীৰ বামুনীমৈদামত নতুনকৈ গঢ় লৈ উঠা উদ্যোগপামৰ ওচৰত প্ৰেক্ষাভৱনটোৰ কাৰণে ১২০ ফুট দীঘল আৰু ৬০ ফুট বহল জোখৰ Iron Structure এটাৰ ফৰ্মাচ দিয়া হল। খুব কম দিনৰ ভিতৰতে ৯০,০০০ টকাৰ বিনিময়ত Iron Structure আহি পালে আৰু ৰাহি ধনখিনিৰ সদব্যৱহাৰ কৰিব পৰা হল। উদ্যোগপামৰ লোকেই আহি Structure উঠাই থিকথাক কৰি দিলে। আমাৰ ফালৰপৰা তাৰ বাবে ওখ ভেটি বান্ধি দিয়া হল।

এইদৰেই ৰজত জয়ন্তীৰ বাবে সংগৃহীত ধনেৰে জয়ন্তী উৎসৱ উদ্‌যাপন কৰাৰ অন্তত তাৰ উদ্বৃত্ব ধনখিনিৰে বহু আকাংখিত প্ৰেক্ষাভৱনৰ প্ৰথম সোপান নিৰ্মাণ কৰা হল।

Iron Structure থিয় কৰোৱাহে হল, ওপৰৰ টিনৰ চালিখন কিন্তু ধনৰ অভাৱত লগাব পৰা নহল। বহুবছৰ এনেদৰে আকাশলৈ চাই থকাৰ অন্তত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তিৰ সময়ত প্ৰতি বছৰে প্ৰেক্ষাভৱন নিৰ্মাণৰ বাবদ আদায় লোৱা ধন কিছু জমা হোৱাত সেই ধনৰ লগত কলেজ পৰিচালনা সমিতিয়ে কলেজৰ অন্য শিতানৰ পৰা আৰু কিছু ধন আবণ্টনৰ অনুমতি দিয়াত ওপৰৰ টিনপাতখিনি লগোৱা হল। আৰু কিছু বছৰৰ পিছত ১৯৮৭-৮৮ চনত দুকাশৰ পকীবেৰ দুখন নিৰ্মাণ কৰা হল। ১৯৯৪ চনত মঙ্গলদৈ কলেজত অনুষ্ঠিত হোৱা অসম কলেজ শিক্ষক সংস্থাৰ ত্ৰিচত্বাৰিংশতম্ অধিবেশনৰ সময়ত বৰ খৰখেদাকৈ আসোৱাহপূৰ্ণ ভাৱে অৰ্দ্ধনিৰ্মিত প্ৰেক্ষাভৱনটোৰ দক্ষিণমূৰত মঞ্চগৃহ এটা নিৰ্মাণ কৰা হল। শেষত ২০০১ চনত এই বৃহৎ প্ৰেক্ষাভৱনটোৰ চৌকাষ আৰু মজিয়াখন দুখলপীয়াকৈ পকী কৰা হল। এতিয়াও কিন্তু প্ৰেক্ষাভৱনটোৰ পূৰ্ণতাপ্ৰাপ্তিলৈ বহুত কাম বাকী।

তৎস্বত্বেও আজি এই প্ৰকাণ্ড প্ৰেক্ষাভৱনটো মঙ্গলদৈ কলেজৰ ৰজত জয়ন্তী সমাৰোহৰ উদ্বৃত্ব ধনৰ সৎব্যৱহাৰৰ এটা মনোৰম প্ৰতীক।

*ড° গোস্বামী মঙ্গলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ।*



# মঙলদৈ মহাবিদ্যালয়ৰ প্ৰথমজন অধ্যক্ষ ৺পুৰন্দৰ শৰ্মা

তৰুণ চন্দ্ৰ শৰ্মা

শিক্ষা প্ৰতিষ্ঠানেই হওঁক অথবা সংঘ প্ৰভৃতি অন্যান্য অনুষ্ঠানেই হওঁক এইবোৰৰ জয়ন্তী উৎসৱ (ৰূপালী জয়ন্তী, সোণালী জয়ন্তী, হীৰক জয়ন্তী ইত্যাদি) ত একোখন স্মৃতি গ্ৰন্থ প্ৰকাশ কৰি অনুষ্ঠানৰ ইতিবৃত্ত প্ৰকাশ কৰাৰ লগতে সেই অনুষ্ঠান প্ৰতিষ্ঠা কৰোঁতা লোকসকলৰ স্মৃতি ৰোমন্থনৰ দ্বাৰা কৰি তেওঁলোকৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা প্ৰকাশ কৰাটো এটা অপৰিহাৰ্য কৰ্ত্তব্য। কিয়নো সেই ব্যক্তি সকলৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলত প্ৰতিষ্ঠা হোৱাৰ বাবেহে তেনে অনুষ্ঠানে জয়ন্তী উৎসৱ উদযাপন কৰিবলৈ সক্ষম হয়। আনহাতে ভৱিষ্যত উত্তৰাধিকাৰীসকলেও প্ৰতিষ্ঠাতা সকলৰ বিষয়ে ভালদৰে জানিব পাৰে আৰু তেওঁলোকৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হ'বলৈ প্ৰেৰণা লাভ কৰে। মঙলদৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপন কৰাৰ শুভক্ষণত এই শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কাৰ্যত ওতঃপ্ৰোত ভাৱে জড়িত ব্যক্তি সকলৰ বিষয়ে যৎকিঞ্চিত হলেও লেখা প্ৰকাশ কৰি অথবা স্মৃতি ৰোমন্থনৰ দ্বাৰা তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰিবলৈ প্ৰচেষ্টা হাতত লোৱাটো বাস্তৱিকতেই এটা প্ৰশংসনীয় কাৰ্য্য হৈছে। এই ব্যক্তিসকলৰ আশাশুধীয়া চেষ্টা আৰু অক্লান্ত পৰিশ্ৰমৰ ফলত প্ৰতিষ্ঠিত হোৱা বাবেই এই মহৎ শিক্ষানুষ্ঠানে আজি পঞ্চাশ বছৰ অতিক্ৰম কৰি সোণালী জয়ন্তী উদ্‌যাপন কৰিবলৈ সক্ষম হৈছে। ইং ১৯৫১ চনৰ কোনো এক শুভক্ষণত অংকুৰিত হোৱা বীজ আজি এজোপা বিৰাট মহীৰুহত পৰিণত হৈছে আৰু তাৰ সুশীতল ছাঁত আজি হাজাৰ হাজাৰ বিদ্যাৰ্থীয়ে নিৰাপদ আশ্ৰয় গ্ৰহণ কৰিছে। মঙলদৈ মহাবিদ্যালয় প্ৰতিষ্ঠা কাৰ্য্যৰ সৈতে জড়িত ব্যক্তিসকলৰ ভিতৰত ৺অমিয় ভূষণ দাসগুপ্ত (মঙলদৈ মহকুমাৰ তদানীন্তন মহকুমাধিপতি), ৺পুৰন্দৰ শৰ্মা (প্ৰতিষ্ঠাপক অধ্যক্ষ), ৺ ৰামেশ্বৰ শৰ্মা (সম্পাদক), আৰু ৺জীৱন চন্দ্ৰ শৰ্মা (কাৰ্য্যালয় সহায়ক) ৰ নাম বিশেষভাৱে উল্লেখযোগ্য। ইং ১৯৬৬ চনত মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে যোগদান কৰোঁতা শিক্ষাবিদ, সাহিত্যিক শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামীৰ অক্লান্ত চেষ্টাৰ ফলত এই শিক্ষানুষ্ঠান এক জাকত-জিলিকা শিক্ষানুষ্ঠানত পৰিণত হ'ল। ইং ১৯৫১ চনৰ ছেপ্তেম্বৰ মাহত মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এটি কোঠালিত নৈশ শ্ৰেণীৰে মাত্ৰ ৬০ জন ছাত্ৰ-ছাত্ৰী ভৰ্ত্তি কৰি শুভাৰম্ভ কৰা মঙলদৈ মহাবিদ্যালয় অসংখ্য বৃক্ষৰাজিৰ দ্বাৰা সুশোভিত এক বৃহৎ চৌহদ আৰু আটক ধুনীয়া অসম আৰ্হিৰ গৃহসমূহৰ দ্বাৰা এক বৃহৎ অনুষ্ঠানত পৰিণত হৈছে।

এই মহাবিদ্যালয় প্ৰতিষ্ঠা কৰোঁতা স্থপতি সকলৰ ভিতৰত প্ৰথম অধ্যক্ষ ৺পুৰন্দৰ শৰ্মাৰ জীৱন কাল তথা কাৰ্য্যাৱলীৰ চমু বিৱৰণ দিয়াৰ প্ৰসঙ্গত আমি উপৰোক্ত কথাখিনি বৰ্ণনা কৰিলো। বিচক্ষণ ৰাজনীতিবিদ, শিক্ষাবিদ আৰু প্ৰবীণ আইনজ্ঞ ৺পুৰন্দৰ শৰ্মাৰ ইং ১৯০৩ চনৰ ১ জুন তাৰিখে মঙলদৈ চহৰৰ নিকটবৰ্ত্তী বামুণ পাৰা গাঁৱত জন্ম হয়। তেখেতৰ পিতৃ আছিল ৺দেৱভূষণ শৰ্মা আৰু মাতৃ আছিল ৺দেৱযানী দেৱী। দেৱযানী আছিল সেইকালৰ মঙলদৈ মহকুমাৰ এগৰাকী মূধাফুটা ব্যক্তি অৱসৰ প্ৰাপ্ত চিৰস্তাদাৰ, অনাৰেৰী মেজিষ্ট্ৰেট আৰু অসম লেজিছলেটিভ কাউঞ্চিলৰ মেম্বাৰ ৺পদ্মনাভ শৰ্মাৰ কন্যা। হাজৰিকাপাৰাৰ পৰা আহি ৺দেৱভূষণ শৰ্মাই বামুণপাৰা গাঁৱত স্থায়ী ভাৱে বাস কৰিছিল। তেওঁ মঙ্গলদৈৰ মহকুমাধিপতি কাৰ্য্যালয়ৰ চিৰস্তাদাৰ আছিল। তেওঁৰ পাঁচগৰাকী পুত্ৰ আৰু তিনি গৰাকী কন্যাৰ ভিতৰত ৺পুৰন্দৰ শৰ্মা আছিল দ্বিতীয়। তেওঁ মঙ্গলদৈ চহৰত স্কুলীয়া শিক্ষা শেষ কৰি গুৱাহাটীৰ কটন কলেজত নাম ভৰ্ত্তি কৰে আৰু ইং ১৯২৩ চনত অৰ্থনীতি বিষয়ত সন্মানসহ বি. এ. ডিগ্ৰী লাভ কৰি কলিকতা বিশ্ববিদ্যালয়লৈ এম. এ পঢ়িবলৈ যায়। উক্ত বিশ্ববিদ্যালয়ৰ পৰা ইং ১৯২৭ চনত তেওঁ অৰ্থনীতিত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি এম. এ ডিগ্ৰী লাভ কৰে। ইং ১৯২৮ চনত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ পৰাই বি. এল. ডিগ্ৰীও লাভ কৰে। আইনৰ ডিগ্ৰী লাভ কৰি আহি তেওঁ মঙলদৈ আদালতত আইন ব্যৱসায় আৰম্ভ কৰে। মাত্ৰ

কিছুদিন ওকালতি কৰিয়েই তেওঁ কংগ্ৰেছত যোগদান কৰি সক্ৰিয় ৰাজনীতিত আত্মনিয়োগ কৰে। কংগ্ৰেছত যোগদান কৰাৰ পিছত অসমৰ এগৰাকী সিংহ পুৰুষ ৺দেশভক্ত তৰুণ ৰাম ফুকনৰ সান্নিধ্যলৈ আহে আৰু তেওঁৰ স্নেহৰ পাত্ৰ হয়। ৺ফুকনৰ ককায়েক ৺নবীন ৰাম ফুকনৰ কন্যা দেৱকুমাৰীৰ সৈতে তেওঁ বিবাহ পাশত আৱদ্ধ হয়। তেওঁৰ বৈবাহিক জীৱন কিন্তু বেছিদিন মধুৰ হৈ নাথাকিল। এটি পুত্ৰ আৰু এজনী কন্যা সন্তান জন্ম দিয়াৰ পিছতে তেখেতৰ পত্নী দেৱকুমাৰীয়ে হৃদৰোগত আক্ৰান্ত হৈ ইহলীলা সম্বৰণ কৰে। তেখেতৰ মাতৃহীনা সন্তান দুটিক বৌৱেক শ্ৰীযুতা সৰোজ কুমাৰী দেৱী (৺নবীন চন্দ্ৰ শৰ্মা, বি. এল. দেৱৰ ভাৰ্য্যা) য়ে ডাঙৰ দীঘল কৰে। আত্মীয় স্বজন আৰু পৰিয়ালৰ লোকসকলৰ একান্ত অনুৰোধ এৰাব নোৱাৰি তেখেতে দ্বিতীবাৰ বিবাহ বান্ধোনত আৱদ্ধ হয়। ভগৱানৰ কি বিচিত্ৰ বিধান! তেখেতৰ এই গৰাকী পত্নীয়েও সন্নিপাত জ্বৰত ভুগি শান্তি বিয়াৰ পূৰ্বে ইহ সংসাৰ ত্যাগ কৰে। তাৰ পিছত তেখেতে সাংসাৰিক বন্ধনৰ ফালে পিঠি দি ৰাজনীতিকে জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰি সম্পূৰ্ণ ৰূপে আত্মানিয়োগ কৰিলে। ইং ১৯৩৭ চনৰ পৰা ইং ১৯৫৬ চনলৈ তেওঁ অসম বিধান সভাৰ সদস্য আছিল। ইং ১৯৩৭ চনৰ পৰা ইং ১৯৩৯ চনলৈ অৱশ্যে তেখেতে কংগ্ৰেছত সক্ৰিয় ভাৱে যোগদান কৰা নাছিল; ১৯৩৯ চনৰ পিছতহে তেখেতে সক্ৰিয় ভাৱে কংগ্ৰেছত যোগদান কৰে। তেখেতৰ খুৰা শহুৰেক দেশভক্ত তৰুণৰাম ফুকনৰ সান্নিধ্যত তেখেত কংগ্ৰেছ কৰ্মীৰূপে সম্পূৰ্ণৰূপে আত্মনিয়োগ কৰে। ১৯৫১ চনত কিছুদিনৰ বাবে তেখেত অসম বিধান সভাৰ অধ্যক্ষ হিচাপেও কাৰ্য্যনিৰ্বাহ কৰিছিল। মন্ত্ৰীত্ব লাভৰ বাবে তেখেতে কোনো দিনে হাবিয়াস কৰা নাছিল। অসমৰ মাত্ৰ দুগৰাকী প্ৰবীণ কংগ্ৰেছ কৰ্মী ৺বিজয় চন্দ্ৰ ভাগৱতী আৰু ৺পুৰন্দৰ শৰ্মাই কোনোদিনে মন্ত্ৰীৰ গাদী দখল কৰিবলৈ প্ৰচেষ্টা চলোৱা নাছিল বুলি অসমৰ এগৰাকী প্ৰখ্যাত সাংবাদিক শ্ৰীনৰেশ ৰাজখোৱা দেৱে ইং ২০০২ চনত বাতৰি কাকতত প্ৰকাশিত এটি প্ৰবন্ধত উল্লেখ কৰিছে। বহুকাল বিধায়ক হোৱা সত্বেও তেখেত কিয় মন্ত্ৰী হ'ব নোৱাৰিলে বুলি মই এদিন তেখেতক প্ৰশ্ন কৰাত তেখেতে দুগৰাকীমান কংগ্ৰেছ বিষয়ববীয়াৰ বাবে মন্ত্ৰীত্বৰ পৰা বঞ্চিত হোৱা বুলি কৈছিল। ষড়যন্ত্ৰৰ বলি হোৱাৰ বাবেই তেখেতে ইং ১৯৫৭ চনৰ বিধান সভাৰ নিৰ্বাচনতো কংগ্ৰেছ দলৰ প্ৰাৰ্থী হিচাপে টিকেট নাপালে। তথাপি তেখেতে দলৰ বিৰুদ্ধে কোনো কাৰ্য্যত লিপ্ত হোৱা নাছিল। ১৯৫৭ চনৰ বিধান সভাৰ নিৰ্বাচনত তেখেতৰ জ্যেষ্ঠ ভ্ৰাতৃ ৺নবীন চন্দ্ৰ শৰ্মা বি. এল দেৱে স্বতন্ত্ৰ দলৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দিতা কৰিছিল। মঙলদৈ মহকুমাৰ কুৰুৱা অঞ্চলৰ লোকসকলৰ মাজত তেখেত অতি জনপ্ৰিয় আছিল বাবে মোৰ পিতৃ (তেখেতৰ নিজা মোমায়েক) ৺কনক চন্দ্ৰ শৰ্মাই তেখেতক এদিন মাথো তালৈ গৈ ককায়েকৰ হকে নিৰ্বাচনী প্ৰচাৰ চলাবলৈ বাৰম্বাৰ অনুৰোধ কৰা স্বত্বেও তেখেতে দলৰ বিৰুদ্ধে প্ৰচাৰ চলাবলৈ সন্মত নহ'ল। এইটো এটা বিৰল দৃষ্টান্ত। বৰ্ত্তমান দলীয় টিকেট নোপোৱা লোকে এঘণ্টাৰ ভিতৰতে নিজা দল ত্যাগ কৰি নিৰ্দলীয়া প্ৰাৰ্থী হিচাপে নিৰ্বাচন খেলিবলৈ কুণ্ঠা বোধ নকৰে, নাইবা দলীয় নীতিক বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন কৰি আন দলৰ প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলায়। ৺শৰ্মাদেৱে ইং ১৯৩৫ চনৰ পৰা ১৯৪০ চনলৈ আৰু ইং ১৯৫০ চনৰ পৰা ১৯৫৬ চনলৈ মঙ্গলদৈ লোকেল বৰ্ডৰ চেয়াৰমেন আছিল। সেই সময়তে তেখেতে বহুতো জনহিতকৰ কাৰ্য সম্পাদন কৰিছিল। জনস্বাস্থ্য আৰু জনশিক্ষা- এই দুয়োটা গুৰুত্বপূৰ্ণ বিভাগ তেতিয়া লোকেল বৰ্ডৰ হাতত আছিল। জনশিক্ষা আৰু জনস্বাস্থ্যৰ উন্নতিৰ হকে গভীৰ ভাৱে আত্মানিয়োগ কৰি তেখেতে মঙলদৈ মহকুমাৰ প্ৰায় গাঁৱতে খোৱা পানীৰ অভাৱ দূৰ কৰিবলৈ একোটিকৈ পুখুৰী খনাই দিছিল আৰু গাঁৱে-ভূঞে শিক্ষা বিস্তাৰৰ অৰ্থে সম্ভৱপৰ অঞ্চলত অন্ততঃ এমাইল দূৰত্বৰ ভিতৰত একোখনকৈ প্ৰাথমিক বিদ্যালয় স্থাপন কৰিছিল। তেখেতৰ কাৰ্য্যকালতে কুৰুৱা, বৰবৰি, ভেৰগাওঁ, হৰিশিঙা, মাজবাট, বুঢ়ী নগৰ, ৰঙামাটি প্ৰভৃতি ভিতৰুৱা ঠাইত নিজে আগভাগ লৈ একোখন দাতব্য চিকিৎসালয় পাতি দিয়াৰ ব্যৱস্থা কৰিছিল। ভিতৰুৱা গাওঁসমূহৰ যোগাযোগ ব্যৱস্থা উন্নত কৰিবলৈ তেখেতৰ কাৰ্য্যকালতে ভালেমান আলিবাট নিৰ্মাণ কৰা হৈছিল। সেই সময়ত মঙলদৈ মহকুমাৰ চাহবাগিচা থকা ঠাইবোৰৰ সাপ্তাহিক হাটবোৰ চাহ বাগিচাৰ ভিতৰত আছিল। তেতিয়া সেই হাটবোৰত বাগিচাৰ মালিকবোৰৰ একচেতীয়া কৰ্ত্তৃত্ব আছিল। তাত চৰকাৰ বা ৰাইজৰ কোনো দাবী গ্ৰাহ্য কৰা নহৈছিল। ৺শৰ্মাদেৱ চেয়াৰমেন হৈ থকা সময়তে চাহবাগিচাবোৰৰ পৰা সাপ্তাহিক হাটবোৰ উঠাই আনি চৰকাৰী মাটিত বহুওৱাৰ ব্যৱস্থা কৰে। বাগিচাৰ বাহিৰলৈ হাটবোৰ উলিয়াই অনাৰ ফলত সেইবোৰ লোকেল বৰ্ডৰ আয়ৰ এক প্ৰধান উৎস হৈ পৰিল। তেখেতে দুনী, বুঢ়া, দেওমৰনৈ, খৈৰাবাৰী, ভেৰগাওঁ, ডুমুনিচকী, পশ্চিম ৰঙামাটি প্ৰভৃতি কেইবাখনো নৰ প্ৰতিষ্ঠিত হাইস্কুলৰ পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্ব বহন কৰি সেই অনুষ্ঠানসমূহ গঢ়ি উঠাত সহায় কৰিছিল। তেখেত প্ৰায় পোন্ধৰ বছৰ ভাৰতীয় ৰে'লৰে বৰ্ডৰো সদস্য আছিল।

মঙলদৈ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ৺পুৰন্দৰ শৰ্মাৰ অপৰিসীম বৰঙণিৰ কথা মঙলদৈ বাসীয়ে সততে সোঁৱৰণ কৰি থাকিব লাগিব। মঙলদৈ মহকুমাত উচ্চ শিক্ষাৰ প্ৰসাৰৰ হেতু ইং ১৯৫১ চনৰ ১৪ জুলাই তাৰিখে অনুষ্ঠিত হোৱা ৰাজহুৱা সভাই কলেজ প্ৰতিষ্ঠা কৰিবলৈ খাটাং সিদ্ধান্ত গ্ৰহণ কৰি ৺শৰ্মাদেৱক কলেজৰ অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰিছিল। নৱ প্ৰতিষ্ঠিত কলেজৰ অধ্যক্ষৰ গুৰু দায়িত্ব গ্ৰহণ কৰি ইং ১৯৫১ চনৰ পৰা ইং ১৯৬৬ চনৰ চেপ্তেম্বৰলৈ সেই দায়িত্ব বহন কৰে। ইং ১৯৫১ চনৰ পৰা ইং ১৯৬০ চনলৈ কোনো বেতন নোলোৱাকৈ তেখেতে এই চালুকীয়া অনুষ্ঠানটি সু -প্ৰতিষ্ঠিত

হোৱাৰ ক্ষেত্ৰত যি অৱদান আগবঢ়ালে সেয়ে মহাবিদ্যালয়ৰ ইতিহাসত তেখেতৰ নাম চিৰস্মৰণীয় হৈ থাকিব। তেখেতৰ কাৰ্যকালতে মহাবিদ্যালয়খনি মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা স্থানান্তৰিত হৈ উপহুপাৰা বৰ্তমান স্থানলৈ যায়। চৰকাৰৰ পৰা আবণ্টন লাভ কৰা অটব্য হাবি-জঙ্গলেৰে পৰিবেষ্টিত স্থানত হাবি-বন কাটি চাফা কৰি মহাবিদ্যালয় ভৱন নিৰ্মাণ কৰি অতিশয় জয়াল ঠাইখন পবিত্ৰ বিদ্যাভূমিলৈ ৰূপান্তৰিত কৰা হ'ল।

কিছুমান অতিশয় সৌভাগ্যবান লোক বুলি আনৰ দ্বাৰা বিবেচিত ব্যক্তিৰ পাৰিবাৰিক জীৱন সংঘাতেৰে পৰিপূৰ্ণ। ঁপুৰন্দৰ শৰ্মাৰ পাৰিবাৰিক জীৱনো সংঘাতপূৰ্ণ। এবাৰ নহয় দুবাৰ বিবাহ পাশত আবদ্ধ হৈয়ো তেখেত পত্নীহাৰা হৈ নিঃসঙ্গ জীৱন যাপন কৰিবলগীয়াত পৰে। দুটি এমাডিমা কেচুঁৱা এৰি প্ৰথমা পত্নীয়ে অকাল মৃত্যুক সাৱটি লোৱাৰ পিছত তেখেতে দ্বিতীয়বাৰ বিয়া কৰাইছিল; কিন্তু দ্বিতীয় বিবাহো বিষাদপূৰ্ণ হ'ল। শান্তি বিয়া কৰি দ্বিতীয় ভাৰ্য্যাক নিজ গৃহলৈ আনিবলৈ নৌপাওঁতেই সন্নিপাত জ্বৰত পিতৃগৃহতে তেওঁৰ পৰলোকপ্ৰাপ্তি হয়। তেখেতৰ একমাত্ৰ পুত্ৰয়ো ভৰযৌৱন কালতে মৃত্যু বৰণ কৰে। তেখেতৰ একমাত্ৰ কন্যাক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা, অসমৰ প্ৰাক্তন এড্‌ভোকেট্ জেনেৰেল শ্ৰীপাচুগোপাল বৰুৱাদেৱে বিয়া কৰায়। এই কন্যা গৰাকীয়েও অকালতে মৃত্যু বৰণ কৰে। তেখেতৰ পৰলোক প্ৰাপ্তিৰ এবছৰ পূৰ্ণ নৌহওঁতেই তেখেতৰ একমাত্ৰ কন্যাই ইহ জীৱন ত্যাগ কৰে। সেইবাবে কন্যাৰ বিয়োগ শোকে তেখেতক স্পৰ্শ কৰিব নোৱাৰিলে। অকাল মৃত্যুত পতিত হোৱা দুগৰাকী পত্নী আৰু একমাত্ৰ পুত্ৰৰ শোকত অকণো বিচলিত নোহোৱা ঁশৰ্মা দেৱক শ্ৰীমদ্ভাগৱদ্ গীতাৰ সাংখ্যযোগৰ ৫৬ নং শ্লোকত বৰ্ণিত "স্থিত প্ৰজ্ঞ" আখ্যা দিব পাৰি। শীতকালীন শাক-পাচঁলিৰ খেতি আৰু গৰু পোহাত তেখেতৰ বৰ ৰাপ আছিল। বামুণপাৰাৰ পশ্চিমে থকা বেজপাৰা গাঁৱত নোৱা নদীৰ পাৰত তেখেতে এখন পাম পাতি তাত নানা ধৰণৰ শাক-পাঁচলি আৰু কুঁহিয়াৰ খেতি কৰিছিল। তাত তেখেতে এজনী প্ৰকাণ্ড সিন্ধি গাই আৰু ভালে সংখ্যক থলুৱা গাই পুহিছিল। সেই পাম ৰখীয়া উৰিয়া মুনিহ-তিৰোতা হালক তেখেতে নিজা পৰিয়ালৰ লোক জ্ঞান কৰি মৰম কৰিছিল। প্ৰত্যেক দিনাই ৰাতিপুৱা আৰু আবেলি তেখেতে চাইকেল চলাই পাম পৰিদৰ্শন কৰিবলৈ যোৱা আমি দেখিছিলো। উজনি আৰু নামনি অসমৰ প্ৰায়বিলাক বিশিষ্ট ব্যক্তিৰ সৈতে অন্তৰঙ্গতা আছিল বাবেই সেই ব্যক্তিসকলৰ সৰহভগেই তেখেতক দেখা কৰিবলৈ তেখেতৰ বাসস্থানলৈ আহিছিল। সেইসকল ৰাজনীতিবিদ , শিক্ষাবিদ, সাহিত্যিক প্ৰভৃতিৰ ভিতৰত দেশভক্ত তৰুণ ৰাম ফুকন, ঁগোপীনাথ বৰদলৈ আৰু তেখেতৰ পত্নী শ্ৰীযুতা সুৰবালা বৰদলৈ, ঁবিষ্ণুৰাম মেধি, ঁমহাদেৱ শৰ্মা, ঁবেণুধৰ শৰ্মা, ঁবিমলা প্ৰসাদ চলিহা, যাদৱ প্ৰসাদ চলিহা, ঁসুৰেশ চন্দ্ৰ ৰাজখোৱা, ঁমথুৰানাথ গোস্বামী, ঁবিজয় চন্দ্ৰ ভাগৱতী, ঁউমাকান্ত গোস্বামী, ঁদিবাকৰ গোস্বামী আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। ঁবিষ্ণুৰাম মেধিৰ মন্ত্ৰীসভাৰ ঁসিদ্ধি নাথ শৰ্মা আৰু ঁমতিৰাম বৰা কেইবাৰো তেখেতৰ বাসভৱনলৈ আহিছিল। ঁকামাখ্যা প্ৰসাদ ত্ৰিপাঠি, ঁবিশ্বদেৱ শৰ্মা, ঁবিজয় শৰ্মা প্ৰভৃতিকো আমি তেজপুৰলৈ যাওঁতে বা ঘূৰি আহোতে তেখেতৰ বাসস্থান পদাৰ্পণ কৰা দেখিছো। তেতিয়া মন্ত্ৰীৰ গাড়ীৰ আগে-পাছে আৰক্ষীৰ গাড়ী আৰু পিছত শাৰী পাতি যোৱা অসংখ্য গাড়ী নথকাত মন্ত্ৰী অহা বুলি কোনেও গমকেই নাপাইছিল। ঁপুৰন্দৰ শৰ্মা এগৰাকী সুবক্তা আৰু অধ্যয়নশীল ব্যক্তি আছিল। প্ৰাচীন পুৰাণ সমূহ ব্যাপক অধ্যয়ন কৰি বিস্তৰ জ্ঞান সঞ্চয় কৰিছিল বাবেই তেখেতে ধৰ্মালোচনী সভাসমূহত অতিশয় পাণ্ডিত্যপূৰ্ণ্য বক্তৃতা দিব পাৰিছিল। এই গৰাকী বৰেণ্য ব্যক্তি মঙলদৈ মহকুমাৰ পুৰণি দিনৰ অনেক স্মৰণীয় কথা জনা এগৰাকী জীৱন্ত গেজেট আছিল। মঙলদৈৰ বিভিন্ন ঠাই, সেইকালৰ মূধাফুটা ব্যক্তিসকল আৰু স্মৰণীয় ঘটনাৰ বিবৰণ তেখেতৰ নখ দৰ্পণত আছিল। সন্ধিয়া সময়ত তেখেতৰ সৈতে খোজ কাঢ়ি ফুৰিবলৈ যাওঁতে তেখেতে এইবোৰ কাহিনী প্ৰায়েই কৈছিল।

আজি এই গৰাকী মহৎ ব্যক্তি আজি আমাৰ মাজত নাই। ইং ১৯৮৭ চনৰ আগষ্ট মাহত তেখেতে ইহলোক ত্যাগ কৰি নশ্বৰ ধামলৈ গুছি গৈছে। তেখেতৰ জনহিতকৰ কৰ্মৰাজিয়ে তেখেতৰ নাম সদায় সোঁৱৰাই থাকিব।

আমাৰ এই লেখাখিনিত ঁপুৰন্দৰ শৰ্মাক আমি এগৰাকী অসাধাৰণ ব্যক্তিৰূপে অথবা অতিমানৱৰূপে চিত্ৰিত কৰাৰ প্ৰয়াস কৰা নাই। তেখেত আমাৰ দৰেই এগৰাকী ধূলি-বোকাৰ সাধাৰণ মানুহেই আছিল; কিন্তু তেখেতৰ প্ৰতিভা, কৰ্মশক্তি, মানসিক দৃঢ়তা, একগ্ৰতা প্ৰভৃতি গুণবোৰ আছিল অসাধাৰণ। ইয়াত লিপিবদ্ধ কৰা কথাবোৰৰ সৰহখিনিয়েই আমি ঁশৰ্মা দেৱৰ মুখৰ পৰা নিজকাণে শুনিছিলোঁ। দুই-চাৰি কথা আমি তেখেতৰ বোৱাৰীৰেক (বৰ্ত্তমান চাৰিকুৰি ছয় বছৰত ভৰি দিয়া) শ্ৰীযুতা সৰোজ কুমাৰী দেবীৰ পৰা সংগ্ৰহ কৰিছোঁ। পণ্ডিত শ্ৰীযুত প্ৰভাত চন্দ্ৰ শৰ্মা দেৱৰ পৰাও ইয়াত সন্নিবিষ্ট দুই-এটা তথ্য জানি লৈছো।

শেষত -

"যিবা কিছু বঢ়া দেখা ইটো অপৰাধ এৰা
ব্যাস দেন্ত কথাত ৰঞ্জন।।"

এই ফাঁকিৰ দ্বাৰা আমাৰ লেখাখিনিত থকিব পৰা বিসঙ্গতিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।

---

*শ্ৰীশৰ্মা গান্ধীস্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অসমীয়াৰ বিষয় শিক্ষক আৰু সুলেখক।*



# সাহিত্য একাডেমী বঁটা প্ৰাপ্ত আমাৰ প্ৰাক্তন সহকৰ্মী শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মা

ড° ৰমেন ৰায়

২০০২ চনটো অসমৰ কাৰণে এটি শুভ বছৰ। কাৰণ এই বছৰটোত অসমৰ দুগৰাকী সাৰস্বতসাধকে সাহিত্য একাডেমী বঁটা লাভ কৰিছে। এজন নলিনীধৰ ভট্টাচাৰ্য্য, তেওঁ এগৰাকী কবি, সমালোচক আৰু প্ৰবন্ধকাৰ। অন্য এজন শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মা সংস্কৃত আৰু অসমীয়া সাহিত্যৰ এগৰাকী বিদগ্ধ পণ্ডিত। এগৰাকী মাৰ্জিত ৰুচিসম্পন্ন অমায়িক উদাৰচেতা ন্যায়পৰায়ণ ব্যক্তি।

মঙলদৈ চহৰৰ ওচৰত ডাঁহী নগাৱঁত ১৯২৮ চনৰ ৮ ফেব্ৰুৱাৰীত শ্ৰীশৰ্মাৰ জন্ম হয়। তেওঁ এজন মেধাবী ছাত্ৰ আছিল। পাতিদৰং বিনোদিনী টোলত তেওঁ সংস্কৃত অধ্যয়ন কৰিছিল এই টোলৰ পৰা তেওঁ 'ভুবন প্ৰতিমা' বৃত্তি লাভ কৰিছিল। তেওঁ নলবাৰী সংস্কৃত কলেজৰ পৰা 'ব্যাকৰণ শাস্ত্ৰী' উপাধি লাভ কৰিছিল আৰু এই উপাধি পৰীক্ষাত উৎকৃষ্ট ফল প্ৰদৰ্শনৰ বাবে তেওঁ 'অভিজ্ঞান সাৰ্বভৌম' ৰৌপ্য পদক লাভ কৰিছিল।

শ্ৰীশৰ্মাই ১৯৫১ চনত মেট্ৰিকুলেশ্বন, ১৯৫৫ চনত আই. এ. ১৯৬১ চনত বি. এ. আৰু ১৯৬৫ চনত সংস্কৃতত এম. এ. পাচ কৰে। এম. এ. ফাইনেল বাদে সকলো পৰীক্ষা তেওঁ প্ৰাইভেট হিচাপে দিয়ে। ১৯৪৮ চনৰ পৰা তেওঁ শিক্ষাদান কাৰ্য্যত ব্ৰতী হয়। শিক্ষকতাৰ কাৰ্য্য নিষ্ঠাৰে কৰি ইমানবোৰ পৰীক্ষাত ভালদৰে উত্তীৰ্ণ হোৱা সহজ কথা নহয়।

১৯৬৬ চনৰ পৰা শ্ৰীশৰ্মা মঙ্গলদৈ কলেজৰ অসমীয়া বিভাগত আংশিক প্ৰবক্তা হিচাপে শিক্ষাদান কৰে আৰু ১৯৬৭ চনৰ পৰা এই কলেজত সংস্কৃত বিভাগৰ অধ্যাপক ৰূপে যোগদান কৰি ১৯৮৯ চনৰ ৩১ অকটোবৰত সংস্কৃত বিভাগৰ মূৰব্বী অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰে। শ্ৰীশৰ্মাই মঙলদৈ কন্যা মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপেও কেবাবছৰ কাম কৰে।

শ্ৰীশৰ্মাই অধ্যয়ন-অধ্যাপনা আৰু গাৰ্হস্থ্য ধৰ্ম পালন কৰিও বিভিন্ন সাহিত্য-সংস্কৃতি মূলক কামত নিজক ব্যাপৃত ৰাখে। ১৯৬৬ চনত তেওঁ বিষ্ণু শৰ্মা ৰচিত ' পঞ্চতন্ত্ৰ' অসমীয়াত অনুবাদ কৰে। অসম প্ৰকাশনৰ পৰা প্ৰকাশিত এই অনুবাদ গ্ৰন্থখনি সুধী সজ্জনৰ দ্বাৰা প্ৰশংসিত হৈছে।

শ্ৰীশৰ্মাই 'দৰঙী শব্দকোষ' সংকলন আৰু সম্পাদনা কৰে। 'হেমকোষ' ( পঞ্চম সংস্কৰণ) আৰু 'চন্দ্ৰকান্ত অভিধান'ত ( দ্বিতীয় সংস্কৰণ) নথকা দৰং অঞ্চলৰ ৩৬৫২ টা শব্দ এই শব্দকোষত সন্নিবিষ্ট হৈছে। শ্ৰীশৰ্মাৰ মতে, ই পূৰ্ণাঙ্গ অভিধান নহয়। ই বৰ্তমান প্ৰচলিত অভিধান সমূহৰ পৰিপূৰক স্বৰূপ। ই দৰঙী শব্দ সংগ্ৰহৰ এটি ক্ষুদ্ৰ দিগ্ দৰ্শন মাথোন। তদুপৰি শ্ৰীশৰ্মাই অসমীয়া আৰু সংস্কৃত ভাষাত ভালেমান প্ৰবন্ধ ৰচনা কৰে, যিবোৰ বিভিন্ন আলোচনীৰ পাতত সিঁচৰিত হৈ আছে।

শ্ৰীশৰ্মাৰ অবিস্মৰণীয় কীৰ্তি বাণভট্টৰ 'কাদম্বৰী' অনুবাদ। কাদম্বৰী বাণৰ অমৰ গদ্যকাব্য। ই সংস্কৃত সাহিত্যৰ এটি অমূল্য সম্পদ। সংস্কৃত গদ্য ৰচনা দুবিধ-কথা আৰু আখ্যায়িকা। 'কাদম্বৰী' কথা কাব্য। ইতিপূৰ্বে আনন্দৰাম বৰুৱা ভাষা কলা সাংস্কৃতিক কেন্দ্ৰই 'কাদম্বৰী'ৰ অসমীয়া অনুবাদ এখন প্ৰকাশ কৰি অসমীয়া ভাষা সাহিত্য ভঁৰাললৈ এক বিশেষ বৰঙণি আগবঢ়াইছে। শ্ৰীশৰ্মাৰ এই 'কাদম্বৰী' পাঠ কৰি পাঠকে কেৱল কাদম্বৰীৰ কথায়েই নহয়, প্ৰাসঙ্গিক বহুতো কথা জানিব পাৰিব।

মনৰ ভাৱ গদ্যত প্ৰকাশ কৰিব পাৰি, পদ্যতো প্ৰকাশ কৰিব পাৰি। পদ্য মনত ৰখা সহজ। মন কৰিবলগীয়া কথা এই যে, সংস্কৃত ভাষাত ব্যাকৰণ, জ্যোতিষ, বিধি, চিকিৎসা আদি বিষয়তো গ্ৰন্থ ৰচিত হৈছে পদ্যত অৰ্থাৎ ছন্দোবদ্ধ পদত। কালক্ৰমে ছন্দক বাদ দি গদ্য কাব্য ৰচিত হবলৈ লয়। পদ্যাত্মক ৰচনাতকৈ গদ্যাত্মক ৰচনা কষ্টকৰ। এজনৰ পাণ্ডিত্য প্ৰমাণিত

হয় গদ্য ৰচনাত - গদ্য কবীনাং নিকষং বদন্তি।

'কাদম্বৰী'ৰ পূৰ্ববৰ্তী দুটি কথা কাব্য হ'ল গুনাঢ্যৰ 'বড্ড কহা' বা বৃহৎ কথা, আৰু সুবন্ধুৰ বাসবদত্তা। 'কাদম্বৰী'ৰ পূৰ্বভাগ বাণৰ ৰচনা। 'কাদম্বৰী'ৰ উত্তৰভাগ বাণৰ সুযোগ্য পুত্ৰ ভূষণ ভট্ট বা পুলিন্দৰ ৰচনা। কথাংশৰ বক্তা বৈশম্পায়ন নামৰ এক শুক চৰাই। শ্ৰোতা বিদিশাধিপতি শূদ্ৰক। উজ্জয়িনীৰ ৰজা চন্দ্ৰপীড় আৰু গন্ধৰ্ব ৰাজকুমাৰী কাদম্বৰীৰ প্ৰণয় কাহিনী এই গ্ৰন্থৰ মুখ্য উপজীব্য বিষয়। প্ৰসঙ্গক্ৰমে ইয়াত পুণ্ডৰীক আৰু কাদম্বৰীৰ প্ৰিয় সখী মহাশ্বেতাৰ প্ৰণয়কাহিনী সন্নিবিষ্ট হৈছে। 'কাদম্বৰী'ৰ উত্তৰ ভাগত এটি শ্লোক আছে, তাৰ অৰ্থ বাণ (শৰ) সংযোজনৰ শব্দ শুনিলে অধ্যয়ন ত্যাগ কৰিবলগীয়া হয়। সেইদৰে কাদম্বৰীৰ ৰচক বাণৰ নাম ললে কবিসকল নিজৰ ৰচনা কাৰ্য্যৰ পৰা বিৰত হয়। 'কাদম্বৰী' শব্দৰ এটি অৰ্থ সুৰা। সুৰামত্ত ব্যক্তিয়ে অন্নাদি ভোজন কৰি তৃপ্তি নাপায়। অনুৰূপ কাদম্বৰীৰ পাঠকৰ আহাৰত তৃপ্তি নাথাকে।

'কাদম্বৰী'ৰ কাহিনীৰ উৎস গুনাঢ্যৰ 'বড্ড কহা' বা 'বৃহৎ কথা' বুলি অনুমান কৰা হয়। 'বড্ড কহা' পৈশাচী প্ৰাকৃতত লিখা। গ্ৰন্থখন লুপ্ত। 'বড্ড কহা'ৰ কাহিনী ক্ষেমেন্দ্ৰৰ 'বৃহৎ কথা মঞ্জৰী' আৰু সোমদেৱৰ 'কথাসৰিৎসাগৰ'ত পোৱা যায়। এই কিতাপ দুখনত ৰজা সুমনসৰ কথা আছে। অনুমান কৰা হয়, এই ৰজা সুমনসেই 'কাদম্বৰী'ৰ চন্দ্ৰাপীড়। অৱশ্যে বাণ ভট্টই পূৰ্বোক্ত 'বৃহৎ কথামঞ্জৰী' আৰু 'কথাসৰিৎসাগৰ'ক হুবহু অনুসৰণ কৰা নাই, অলপ পৰিবৰ্তন সাধনো কৰিছে।

বাণৰ ৰচনাত বৰ্ণনাৰ আতিশয্য আছে। সমাসৰ জটিলতা আছে। তথাপি বাণৰ গুণমুগ্ধ পণ্ডিতৰ সংখ্যা তাকৰ নহয়। কিছুমান পণ্ডিতৰ মতে, বাণোচ্ছিষ্টং জগৎ সৰ্বম্।- বাণৰ দ্বাৰা সমস্ত জগৎ উচ্ছিষ্ট হৈছে। অৰ্থাৎ সকলোবোৰ বস্তুৰ বৰ্ণনাই বাণৰ কাব্যত পোৱা যায়। বাণ হ'ল মূৰ্তিমান প্ৰতিভা। জগতৰ মন নাৰীয়ে হৰণ কৰিব নোৱাৰে। বাণৰ ৰস আৰু ভাৱ সম্পৃক্ত সাহিত্যকৃতিয়েহে পাৰে। জয়দেৱৰ দৃষ্টিত, বাণ কবিতাৰূপিনী কামিনীৰ হৃদয়ত বাস কৰা মদন। 'হৃদয় বসতিঃ পঞ্চ বাণস্তু বাণঃ। বক্ৰোক্তি মণ্ডিত বাক্য কাব্যত কবিজনাৰ দ্বাৰা প্ৰশংসিত। এই বক্ৰোক্তি প্ৰয়োগত নৈপুণ্য আছিল সুবন্ধু, বাণভট্ট আৰু কবিৰাজ ৰাজশেখৰৰ। চতুৰ্থ জন আছে নে নাই, কোৱা টান। 'সেডোচল'ৰ মতে, কালিদাস যদি ৰসেশ্বৰ, বাণ তেনেহলে সৰ্বেশ্বৰ। এইবোৰ কোৱাৰ অৰ্থ বাণ সাধাৰণ কবি নহয় আৰু তেওঁৰ কাদম্বৰীও সাধাৰণ ৰচনা নহয়। কবিগুৰু ৰবীন্দ্ৰনাথৰ মতে এনে কাব্যৰ যথাৰ্থ অনুবাদ অসাধ্য নহয় কিন্তু দুঃসাধ্য। এই কাৰ্য্যটো যে শ্ৰীশৰ্মাই ভালদৰেই কৰিব পাৰিছে তাৰ প্ৰমাণ সাহিত্য একাডেমী বঁটা- সুধী সজ্জনৰ অকুণ্ঠ প্ৰশংসা।

'কাদম্বৰী' অসমীয়া অনুবাদ সাহিত্য ফুলনিৰ এটি উৎকৃষ্ট ফুল- যাৰ ৰূপ আছে, সুৰভিও আছে। যি কেৱল দৃষ্টিনন্দন নহয়, তৃপ্তিদায়কো। অসমীয়া ভাষা সাহিত্যলৈ শ্ৰীশৰ্মাই যথেষ্ট বৰঙণি আগবঢ়াইছে। বয়োবৃদ্ধ (মনত নহয়) নিৰলস এই পণ্ডিতপ্ৰবৰৰ লিখনি এতিয়াও সচল। আমি জানো শ্ৰীশৰ্মাই ১৯৭৯ চনৰ পৰা 'অসমীয়া সংস্কৃত অভিধান' শীৰ্ষক এক বৃহৎ আৰু মহৎ প্ৰকল্পত নিজক যুক্ত কৰি ৰাখিছে।

শ্ৰীশৰ্মাৰ সাহিত্যজীৱন সফল। গাৰ্হস্থ্য জীৱনো সফল। তেওঁৰ পুত্ৰ, কন্যা, পুত্ৰ-বধূ (বোৱাৰী) আটায়ে প্ৰৱক্তা। জেষ্ঠ কন্যা ড° মঞ্জুলা শৰ্মা গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ বিভাৰ। তেওঁৰ স্বামী শ্ৰীদিলীপ শৰ্মা এগৰাকী কৃতী ছাত্ৰ, কৃতী প্ৰৱক্তা, কৃতী লেখক। এনে শিক্ষিত সংস্কৃতিবান পৰিয়াল দৰং নহয়, সমগ্ৰ অসমতেই বিৰল।

শ্ৰীশৰ্মা আমাৰ প্ৰাক্তন সহকৰ্মী। শ্ৰীশৰ্মাই অভিধান সংকলন আৰু সম্পাদনা কৰিছে। আমাৰ দৃষ্টিত শ্ৰীশৰ্মা নিজেই এখন জীৱন্ত অভিধান। আমাৰ আটাইবোৰ সহকৰ্মীয়ে তেওঁক সমীহ কৰে, শ্ৰদ্ধা কৰে। অলপতে আমাৰ শিক্ষক গোটৰ পৰা শ্ৰীশৰ্মাক সম্বৰ্দ্ধনা জনোৱা হয়। তাতে শ্ৰীশৰ্মাক এটি অভিনন্দন পত্ৰ দিয়া হয়। আমাৰ এজন জ্যেষ্ঠ প্ৰৱক্তা শ্ৰীভূপেন্দ্ৰ নাথ কাকতিয়ে কয়, শ্ৰীশৰ্মাৰ অভিনন্দন পত্ৰত ভুল থকাটো বৰ দুখৰ কথা হ'ব। ইয়াৰ মৰ্মাৰ্থ- যিজন মানুহে সদায় শুদ্ধ অসমীয়া কথা কয়, শুদ্ধ বানান লিখাৰ ওপৰত গুৰুত্ব দিয়ে, তেওঁক প্ৰদান কৰা অভিনন্দন পত্ৰত ভুল থাকিব নালাগে। আন এজন জ্যেষ্ঠ অধ্যাপক ড° খলিলুৰ ৰহমানে মোৰ লগতে শব্দাৰ্থ লৈ আলোচনা প্ৰসঙ্গতে এদিন কৈছে, আগতে আমি শব্দাৰ্থৰ বিষয়ে নিশ্চিত হ'বলৈ শ্ৰীশৰ্মাৰ শৰণাপন্ন হৈছো, শ্ৰীশৰ্মাৰ প্ৰতি এই যে সমীহৰ ভাব, এই যে শ্ৰদ্ধা, ই কেৱল শ্ৰীকাকতি আৰু ড° ৰহমানৰ নহয়, সকলো সহকৰ্মীৰ।

বাতৰিকাকতত শ্ৰীশৰ্মাৰ একাডেমী বঁটা পোৱাৰ কথা প্ৰকাশিত হোৱাৰ তিনিদিন মান পাছৰ কথা। মোৰ মিছেছে শ্ৰীশৰ্মাৰ খবৰটো কথা প্ৰসঙ্গত মোৰ ল'ৰাক জনাইছিল। এদিন ৰাতি ১০ মান বজাত জাৰ্মানীত থকা মোৰ ল'ৰাই মোক ফোন কৰিলে, তোমাৰ এজন সহকৰ্মীয়ে শুনিলো সাহিত্য একাডেমীৰ বঁটা পাইছে। ই সঁচানে? মই ক'লো, হয় সঁচা। মই ঘৰলৈ গৈ তেওঁক অভিনন্দন জনাই আহিছো। মোৰ ল'ৰাই ক'লে দাৰুণ খবৰ! সঁচাকৈয়ে ই 'দাৰুণ খবৰ'! খবৰৰ নিচিনা খবৰ। নহয় জানো?

শ্ৰীশৰ্মাই সাহিত্য একাডেমীৰ বঁটা পোৱাত সকলোৱে আনন্দিত। আমি কিন্তু কেৱল আনন্দিত নহয় গৰ্বিতও, কাৰণ শ্ৰীশৰ্মা এদিন আমাৰ সহকৰ্মী আছিল।

*ড° ৰমেন ৰায় ইংৰাজী, বংলা আৰু সংস্কৃত বিষয়ত এম. এ.কাব্যতীৰ্থ, মঙলদৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ আৰু এজন সুলেখক।*



# মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, উপাধ্যক্ষ আৰু কৰ্মচাৰীসকল

শৰৎ চন্দ্ৰ শৰ্মা

**প্ৰস্তাৱনা ঃ**

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সামৰণি পৰে ১৯৪৭ চনৰ ১৫ আগষ্টত। বহু ত্যাগৰ বিনিময়ত আমি ৰাজনৈতিক স্বাধীনতা পালো। ইয়াৰ পিচতেই আৰম্ভ হ'ল স্বাধীনতাৰ কাঁচিয়লি ৰ'দত দেশ গঢ়াৰ স্বপ্ন। দৰিদ্ৰতা, অজ্ঞতাৰ তিমিৰ নাশি পুৰণি পৃথিৱী খনিক নকৈ চোৱাৰ অদম্য আবেগৰ জোৱাৰে দেশবাসীক পুনৰ সংকল্পবদ্ধ কৰিলে - প্ৰকৃত স্বাধীনতা অৰ্জনৰ বাবে অগ্ৰসৰ হ'বলৈ। অসম চৰকাৰৰ বৃহৎ বৃহৎ অনুষ্ঠান যেনে- বিশ্ব বিদ্যালয়, উচ্চ ন্যায়ালয়, ইঞ্জিনিয়াৰিং কলেজ, মেডিকেল কলেজ, আয়ুৰ্বেদিক কলেজ আদি স্থাপনত প্ৰাণপণে লাগিছিল- সেই সময়ত গাওঁ-ভূঁই, নগৰ-চহৰত বিদ্যালয়, পুথিভঁৰাল, পথ নিৰ্মানৰ অৰ্থে ৰাইজে চৰকাৰলৈ অপেক্ষা নকৰি নিজেই হাতে কামে লাগিছিল। "দেশ বুলিলে আদেশ নালাগে" এই যথাৰ্থ মৰ্ম সেই সময়ত সকলোৱে অনুভৱ কৰিছিল।

এনে এক পৰিৱেশত মঙলদৈ মহকুমাধিপতি প্ৰয়াত অমিয় ভূষণ দাস গুপ্ত আৰু স্থানীয় দূৰদৰ্শী, জ্ঞানী-গুণী লোক সকলে ১৯৫১ চনৰ ২০ চেপ্তেম্বৰত মঙলদৈ মহাবিদ্যালয়ৰ শুভাৰম্ভণী কৰে। আজি এই সোণালী জয়ন্তীৰ মুহূৰ্ত্তত মহাপ্ৰাণ ব্যক্তিসকললৈ শ্ৰদ্ধাৰে স্মৰণ কৰিছো। চৰকাৰ তথা বহুজনৰ আৰ্থিক আৰু কায়িক শ্ৰমৰ বিনিময়ত মহাবিদ্যালয় খনি গঢ়ি উঠিছে। সোণালী জয়ন্তীৰ স্মৃতি গ্ৰন্থৰ সম্পাদকে মোক অৱসৰ প্ৰাপ্ত অধ্যক্ষ আৰু উপাধ্যক্ষ আৰু কৰ্মচাৰী সকলৰ বিষয়ে লিখাৰ বাবে সীমা বান্ধি দিছে। এই জ্ঞান তীৰ্থত ১৯৬৯ চনৰ পৰা ১৯৯৯ চনলৈ অৰ্থনীতি বিভাগৰ অধ্যাপক হিচাপে সেৱা আগবঢ়াই নিজকে ধন্য মানিছো। এই কালছোৱাত প্ৰথম গৰাকী অধ্যক্ষৰ বাদে আন সকলোকে সতীৰ্থ হিচাপে পাইছো। সুদীৰ্ঘ কালৰ অনেক কথাই মনলৈ আহিছে। লিখনি চমুকৈ হাতী মাৰি ভুৰুকাত ভৰোৱাৰ দৰেহে কৰিব লাগিব। বহুজন বৰ্ণাঢ্য ব্যক্তিয়ে অধ্যক্ষ, উপাধ্যক্ষৰ দায়িত্বত থাকি অনুষ্ঠানটিক মহিমামণ্ডিত কৰি গৈছে। তেখেত সকল কীৰ্তিতকৈয়ো মহান। প্ৰথমতে অৱসৰ প্ৰাপ্ত অধ্যক্ষ, দ্বিতীয়তে উপাধ্যক্ষ আৰু শেষত কৰ্মচাৰী সকলৰ বিষয়ে প্ৰৱন্ধটিত চমু আভাস দিবলৈ চেষ্টা কৰা হ'ব।

**অধ্যক্ষ প্ৰয়াত পুৰন্দৰ শৰ্মা, এম.এ; বি.এল**



মঙলদৈ মহাবিদ্যালয় আৰম্ভ হোৱাৰ দিনৰে পৰা ১১/৯/৬৬ তাৰিখলৈ শৰ্মাদেৱে অধ্যক্ষ হিচাপে কাৰ্য্যনিৰ্বাহ কৰে। ইয়াৰে প্ৰথম চোৱা অৰ্থাৎ আৰম্ভনীৰ দিনৰে পৰা ১৯৬০ চনৰ নৱেম্বৰ মাহলৈ অবৈতনিক অধ্যক্ষ হিচাপে আৰু তাৰ পিছৰ কেইবছৰ পূৰ্ণকালীন অধ্যক্ষ হিচাপে কাৰ্য্যনিৰ্বাহ কৰে। তেখেতৰ কাৰ্য্যকালতেই মহাবিদ্যালয়ে এক পূৰ্ণাঙ্গ ৰূপ পায়। ১৯৫৫ চনত প্ৰথম তিনিটা কোঠা ১২,১৬০.০০ টকাত নিৰ্মাণ কৰা হয়। বৰ্তমান ইয়াক উপাধ্যক্ষৰ কাৰ্য্যালয় আৰু পুথিভঁৰাল হিচাপে ব্যৱহাৰ কৰা হৈছে।

**ট্ৰাইবেল ছাত্ৰাবাস ঃ** চৰকাৰী অনুদানেৰে বৰ্তমানৰ ২৮ নং কোঠালিৰ পৰা আৰম্ভ কৰি পূৱলৈ আঠটা কোঠালি বিশিষ্ট ছাত্ৰ নিবাস, প্ৰথম অধ্যক্ষ গৰাকীৰ কাৰ্য্যকালত ইং ১৯৫৬ চনত ১০,৬৬৮.০০ টকাৰে নিৰ্মাণ হয়। বৰ্তমান ইয়াত

পাঠদান কৰা হয়। এটা কোঠালি ৰাজনীতি বিজ্ঞান বিভাগৰ কাৰ্য্যালয় হিচাপেও ব্যৱহৃত হৈছে। ছাত্ৰ নিবাস আৰু পুৰণা ভৱনৰ মাজত অধ্যক্ষৰ কোঠালি নিৰ্মাণ কৰা হৈছিল যদিও বৰ্তমান ইয়াত কাৰ্য্যালয়ৰ এটি অংশ পৰিচালনা কৰা হয়।

**নতুন ভৱন নিৰ্মাণ ঃ** বিশ্ববিদ্যালয় অনুদান আয়োগে ১৯৬২ চনত এক লাখ ষাঠি হাজাৰ টকাৰ অংশ ভিত্তিক মঙলদৈ মহাবিদ্যালয়লৈ অনুদান আগবঢ়ায়। এই ধনেৰে নতুন ভৱনটো অৰ্থাৎ বৰ্তমানৰ ৬নং কোঠালিৰ পৰা ২২নং কোঠালি পৰ্য্যন্ত গাম্ভীৰ্য্যপূৰ্ণ অংশ নিৰ্মাণ কৰা হয়। এই খণ্ডক মহাবিদ্যালয়খনৰ প্ৰধান খণ্ড বুলি কব পাৰি।

অন্যান্য প্ৰগতি সম্পৰ্কে উল্লেখ কৰিব পৰা যায় যে তেখেতৰ কাৰ্য্যকালতেই ১৯৬০ চনত মহাবিদ্যালয়খনিয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতক শ্ৰেণী পৰ্য্যন্ত স্বীকৃতি লাভ কৰে, ১৯৬২ চনত ঘাটি মঞ্জুৰী পায়। তাৰোপৰি বিশ্ববিদ্যালয় অনুদান আয়োগৰ তালিকা ভূক্ত হয় আৰু পৰ্য্যাপ্ত পৰিমাণৰ মঞ্জুৰী পাবলৈ সক্ষম হয়, ১৯৬৬ চনত বিজ্ঞানৰ শ্ৰেণী সমূহ খোলা হয় আৰু স্নাতক শ্ৰেণীত কলা শাখাত পাঁচটা বিভাগত সন্মান শ্ৰেণী খোলা হয়। তেখেতে দিয়া প্ৰস্তাৱৰ ভিত্তিত ছাত্ৰী নিবাসৰ নিৰ্মানৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা পিছলৈ অনুদান পোৱা যায়।

শ্ৰদ্ধেয় শৰ্মাদেৱে এবছৰৰ বাবে অসম কলেজ শিক্ষক সংস্থাৰ সভাপতিৰ আসন শুৱনি কৰিছিল। কটন কলেজত অধ্যয়নৰত অৱস্থাত প্ৰয়াত ড° সূৰ্য্যকুমাৰ ভূঞা দেৱে সংকলন কৰা সাতসৰী অসম বুৰঞ্জীৰ প্ৰেছ কপি কৰোতা সকলৰ মাজত এখেতো আছিল।

প্ৰতিষ্ঠাপক অধ্যক্ষ গৰাকীয়ে এই মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উপলক্ষে প্ৰকাশ কৰা স্মৃতি গ্ৰন্থত "Mangaldai College : A short Retrospect" নামৰ প্ৰবন্ধত লিখিছিল "We have experienced failures and achievements, hopes and disappoinments but the good work we have done will remain even we pass away" অৰ্থাৎ "আমি অকৃতকাৰ্য্য আৰু কৃতকাৰ্য্য তথা আশা আৰু নিৰাশাৰ সন্মুখীন হৈছিলো; কিন্তু আমি যি এটা মঙ্গলাত্মক কাৰ্য্য কৰিলো সেইটো আমি আতৰি গলেও থাকিব।" অধ্যক্ষ শৰ্মাদেৱে ধৰা ধাম এৰি গ'ল যদিও "এৰি গ'ল এটি মাথো অমিয়া ঝংকাৰ।" কীৰ্তি যস্য সঃ জীবতি। কৃতজ্ঞ সমাজে তেখেতক সদায় শ্ৰদ্ধাৰে সুঁৱৰিব।

**অধ্যক্ষ প্ৰবোধ চন্দ্ৰ গোস্বামী, এম.এ. বি.টি.**



১৯৬৬ চনৰ ২২ চেপ্তেম্বৰ তাৰিখে শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামীদেৱে মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে যোগদান কৰে। ইয়াৰ আগতে তেখেতে নলবাৰী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক আছিল। গোস্বামী ডাঙৰীয়াই মঙলদৈ মহাবিদ্যালয়খনৰ উন্নয়নৰ অৰ্থে দেহে প্ৰাণে খাটিছিল। তেখেতৰ জীৱন আৰু মহাবিদ্যালয় এক হৈ গৈছিল। যেন মহাবিদ্যালয়ে তেখেতৰ জীৱন আৰু জীৱনেই মহাবিদ্যালয়। ১৯৭১ চনত গোস্বামীদেৱে সম্পাদকৰ দায়িত্ব পায়। ইয়াৰ পিছৰ পৰা বিভিন্ন নিৰ্মাণ মূলক আঁচনি কাৰ্য্যকৰী কৰে। বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ অৰ্থ সাহায্যত ছাত্ৰী নিবাস নিৰ্মাণ, মহাবিদ্যালয়ৰ উত্তৰ দিশৰ সুদীৰ্ঘ পকীবেৰ আৰু অধ্যক্ষৰ কাৰ্য্যালয় আৰু অধ্যাপকৰ জিৰণী কোঠা, পশ্চিমৰ ব্লকটোৰ ২৩ আৰু ২৪ নং ৰুম নিৰ্মান, ছাত্ৰীৰ জিৰণী কোঠা আৰু আন্তঃ কলেজ ফুটবল প্ৰতিযোগিতাৰ ৰাহি হোৱা চৌধ্য হাজাৰ টকাৰে এটি মুকলি মঞ্চ নিৰ্মাণ কৰা হয়। তেখেতৰ পৰিচালনাতেই ১৯৭৬ চনত মহাবিদ্যালয়ে ৰূপালী জয়ন্তী অনুষ্ঠিত কৰে। ৰূপালী জয়ন্তীৰ পৰা ৰাহি হোৱা ধনেৰে পিছলৈ ৮০´ x ৬০´ জোখৰ এটি প্ৰেক্ষাগৃহৰ বাবে লোৰ খুটা আৰু ওপৰৰ ফ্ৰেমটো কিনা হয়। তেখেতৰ দিনতে এটি ছাত্ৰবাসৰ আঁচনি অনুমোদনৰ অৰ্থে বিশ্ববিদ্যালয় অনুদান আয়োগলৈ প্ৰেৰণ কৰা হৈছিল। পিছলৈ আৱশ্যকীয় ধন আহিছিল আৰু ছাত্ৰ নিবাস নিৰ্মান হ'ল।

তেখেতে বিজ্ঞানৰ স্নাতক শ্ৰেণী সমূহ আৰম্ভ কৰে আৰু ১৯৭৩ চনত বিজ্ঞান বিভাগে অসম চৰকাৰৰ ঘাটি মঞ্জুৰী লাভ কৰে। বিজ্ঞানৰ পৰীক্ষাগাৰ সমূহ প্ৰতিষ্ঠা তেখেতৰ দিনতে হয়। শিক্ষা বিজ্ঞানৰ বিভাগ (সাধাৰণ পাঠ) আৰু ভূগোল বিজ্ঞান বিভাগৰ সন্মান শাখা ছাৱে আৰম্ভ কৰে। তেখেতৰ অধ্যক্ষতাতেই এই মহাবিদ্যালয়ত "উত্তৰ পূৱ ভাৰত ভূগোল সংস্থা"ৰ বাৰ্ষিক অধিবেশন অনুষ্ঠিত হয়। ভাৰত তথা অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা পণ্ডিত মণ্ডলীৰ আলোচনা সমূহ বৰ গাম্ভীৰ্য্য পূৰ্ণ আছিল।

শিক্ষা অকল শিক্ষাৰ বাবে নহয়। বৰং শিক্ষাক জীৱনৰ লগত সংযোগ সাধনাৰ প্ৰচেষ্টা গোস্বামী ছাৱে কৰিছিল। সাহিত্য চৰ্চাৰ অনুকুল পৰিবেশ গঢ়াৰ অৰ্থে মঙলদৈ মহাবিদ্যালয়ত অসম সাহিত্য সভাৰ এটি শাখা গঠন কৰা হয়। কৃষি পাম স্থাপন কৰি দুখীয়া ছাত্ৰ সকলক থকাৰ সুবিধা কৰি দি কৃষি কাৰ্য্য কৰি উপাৰ্জন কৰিবলৈ "Earner Learner Scheme" প্ৰবৰ্তন কৰা হৈছিল। কৃষি পামত থকা কেইবাগৰাকী শিক্ষাৰ্থীয়ে জীৱনত বিশেষ কৃতিত্ব অৰ্জন

কৰিবলৈও সক্ষম হৈছিল। ৰাষ্ট্ৰীয় সেৱা আঁচনি প্ৰৱৰ্তন কৰি, শিক্ষাৰ্থীসকলৰ মাজত কৰ্মব্যস্ত হৈ থাকিবলৈ তেখেতে ভাল পাইছিল। পৰিকল্পনা সংস্থা (Planning Forum) পুনৰগঠন কৰি দুটাকৈ আৰ্থ-সামাজিক জৰীপ কৰি তথ্য সমূহ দুখনি পুস্তিকা ৰূপে ছপা কৰি সেই সময়ৰ মূখ্য মন্ত্ৰীকে ভিতৰ কৰি বিভিন্নজনক প্ৰদান কৰা হৈছিল। অসম কলেজ শিক্ষক সংস্থাৰ বাৰ্ষিক অধিবেশনেও এই কাৰ্যৰ বাবে প্ৰশংসা কৰিছিল। সমবায় ভিত্তিত কলেজ কেন্টিন আৰু গ্ৰাহক সমবায় সমিতি তেখেতৰ উদ্যোগতেই স্থাপন কৰা হৈছিল। সঞ্চয় আৰু ঋণ দান সমিতিখন গোস্বামী ছাৰৰ পৃষ্ঠপোষকতাত দিনে দিনে সক্ৰিয় হৈ আছে। বৃত্তি মূলক মনোভাৱ গঢ়িবলৈ এটি "ভোকেচনেল গাইডেঞ্চ চেল" গঠন কৰা হৈছিল। মাজে মাজে বুদ্ধিৰ পৰীক্ষাও লোৱা হৈছিল। দক্ষতা দেখুওৱা সকলক নগদ টকাৰে পুৰস্কাৰ দিয়া হৈছিল।

যেতিয়া প্ৰাকৃতিক পৰিবেশ সংৰক্ষণৰ অৰ্থে বৃক্ষৰোপনৰ কোনো আঁচনি নাছিল, তেতিয়াই অধ্যক্ষ ছাৰে নাহৰ, বকুল আদি স্থানীয় গছ-গছনিৰ উপৰিও বিভিন্ন স্থানৰ পৰা অন্যান্য কিছুমান উদ্ভিদ আনি কলেজ চৌহদত ৰোপন কৰিছিল। গছ-গছনি ৰোপন তথা তদাৰকীকৰণ তেখেতৰ দৈনন্দিন কাৰ্য্যতালিকাত আছিল। যাৰ ফলত এটা পুলিও হৰণ ভগন হোৱা নাছিল।

"বকুল যেতিয়া সৰে" নামৰ গল্প সংকলনেৰে আৰম্ভ কৰা সাহিত্যিক গোস্বামী ছাৰ, মূলতে ৰামধেনু যুগৰ সাহিত্যিক। ৰামধেনুত প্ৰকাশ হোৱা প্ৰবন্ধ ৰাজি বৰ্তমান পুস্তক আকাৰে প্ৰকাশ হৈ ওলাইছে। তেখেতৰ নন্দন তত্ত্ব, শিক্ষা আৰু অৰ্থনীতি মূলক আৰু আত্মজীৱনী মূলক গ্ৰন্থ ৰাজি প্ৰকাশ হৈছে। অসম চৰকাৰে তেখেতৰ সাহিত্যি কৰ্মৰ স্বীকৃতি হিচাবে সাহিত্যিক পেঞ্চন প্ৰদান কৰিছে। ভীষ্ম প্ৰতীম ছাৰে আশীৰ উৰ্ধত যদিও, কাপ কাঁঠি এতিয়াও সামৰা নাই। ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰো, যাতে ভীষ্ম প্ৰতীম সাধক গৰাকীয়ে দীৰ্ঘ জীৱন লাভ কৰি বাকী থকা কাম খিনি সম্পন্ন কৰিব পাৰে। তেখেতৰ জীৱনাদৰ্শই দিগভ্ৰান্ত সমাজক নতুন দিশৰ সন্ধান দিব, এয়ে আমাৰ পৰম আশা।



### অধ্যক্ষ আব্দুল মজিদ, এম এ, এল এল বি

ইং ১৯৫৬ চনতেই মঙলদৈ মহাবিদ্যালয়ত পৌৰ বিজ্ঞান বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰা, প্ৰয়াত আব্দুল মজিদ দেৱে দৰং জিলাত স্নাতকোত্তৰ উপাধি লাভ কৰা মুষ্টিমেয় কেইগৰাকী মানৱ মাজত অন্যতম। ১৯৬৬ চনৰ পৰা ১৯৭৭ চনলৈ এখেতে মহাবিদ্যালয়ৰ উপাধ্যক্ষ হিচাপে থাকে। তেখেত ১/১/৭৭ তাৰিখে অধ্যক্ষৰ পদত অধিষ্ঠিত হয় আৰু প্ৰথম পৰ্য্যায়ত ১৭/৮/৮৩ তাৰিখলৈ আৰু দ্বিতীয় পৰ্য্যায়ত ১৯/৩/৮৬ ৰ পৰা ১৮/৩/৮৮ তাৰিখলৈ অধ্যক্ষৰ পদত থাকে। তেখেতৰ কাৰ্য্যকালত বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ অৰ্থ সাহায্যত ছাত্ৰাবাসটো নিৰ্মাণ হয়। নতুন বিভাগ যেনে- আৰবী, পৰিসংখ্যা আৰু প্ৰাণী বিজ্ঞান বিভাগ আৰম্ভ কৰে আৰু ভালে কেইটা বিভাগত সন্মান (Honours) খোলে। শ্ৰেণী কোঠাৰ অভাৱ দূৰ কৰিবৰ বাবে খেৰ বাঁহেৰেই দক্ষিণ ফালে কেইবাটাও শ্ৰেণী কোঠা নিৰ্মাণ কৰি শ্ৰেণী সমূহ চলমান কৰি ৰাখে। প্ৰেক্ষাগৃহৰ লোহাৰ খুটা আৰু চালৰ ফ্ৰেম লগোৱা হয়। ছাত্ৰৰ জিৰণী কোঠা নিৰ্মণ কৰা হয়। মঙলদৈ নদীখনে মহাবিদ্যালয় আৰু নগৰখনৰ মাটি বছৰি বছৰি খহোৱাৰ প্ৰতিকাৰ কল্পে তেখেতে নদীটো মঙলদৈ নদীৰ দলঙৰ পৰা পোনাই নিয়াৰ আঁচনি গ্ৰহণ কৰি ৰাষ্ট্ৰীয় সেৱা আঁচনি প্ৰশিক্ষাৰ্থী সকলক লৈ কাম আৰম্ভ কৰে আৰু মঙলদৈ নদীখন পোণে পোণে ব্ৰহ্মপুত্ৰলৈ খান্দি নি ভালেমান ঠাই গড়াখহনীয়াৰ পৰা ৰক্ষা কৰাত সফলকাম হয়।

অধ্যক্ষ মজিদে বাল্যাৱস্থাৰ পৰাই পিতৃ বিয়োগকে আৰম্ভ কৰি অনেক বিপৰ্য্যয়ৰ সন্মুখীন হয়। তেখেত যেন ধৈৰ্য্যৰ প্ৰতিমূৰ্ত্তি। ষাঠি বছৰৰ মূৰামূৰি সময়ত আইনৰ পৰীক্ষাত কৃতকাৰ্য্য হৈ চাকৰিৰ অৱসৰৰ পিছত মজিদ চাহাবে আইন ব্যৱসায় আৰম্ভ কৰিছিল; যদিও অতি আকস্মিকভাৱে নিজ গাওঁ ঘোপাত, জীৱনৰ যৱনিকা পৰে। দৰঙৰ ঐতিহ্য সমূহ লিখি তেখেতে বৰ আনন্দ পাইছিল। তিনিখন মান কিতাপ মই জনাত প্ৰকাশ হৈছিল। অসমীয়া আৰু ইংৰাজী ভাষাত তেখেতৰ সমানে দক্ষতা আছিল।

### ড° পূৰ্ণ চন্দ্ৰ বৰা, এম. এ. পি. এইছ. ডি.



দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক ড° পূৰ্ণ চন্দ্ৰ বৰাই ১/৭/৭৭ তাৰিখৰ পৰা উপাধ্যক্ষ পদত অধিষ্ঠিত হয় আৰু ১৮/৮/৮৩ তাৰিখৰ পৰা ১৮/৮/৮৬ তাৰিখলৈ পুনৰ, অধ্যক্ষ আব্দুল মজিদৰ অৱসৰৰ পিছত ১৩/৩/৯২ তাৰিখলৈ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে মঙলদৈ মহাবিদ্যালয়ৰ কাৰ্য্য পৰিচালনা

কৰে। সুদীৰ্ঘ আঠ বছৰ কাল তেখেত ভাৰপ্ৰাপ্ত অধ্যক্ষ আছিল। অধ্যক্ষ মজিদৰ কাৰ্য্যকালত বন্ধা ঘৰ লানি টিনৰ কৰি ভেটি পকা কৰে, ২৪ নং কোঠালিটো নতুনকৈ নিৰ্মান কৰাই প্ৰেক্ষাগৃহটোত টিন পাত লগাই পূব আৰু পশ্চিমৰ পকীবেৰ কৰায়। বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ পৰা পোৱা ধনেৰে প্ৰাণীবিদ্যাৰ পৰীক্ষাগাৰ নিৰ্মাণ কৰাৰ উপৰিও ছাত্ৰী নিবাসৰ লগত এটি ঘৰ বন্ধায়। ড° বৰা অন্তৰ্মূখী (Introvert) প্ৰকৃতিৰ লোক আছিল। তেখেতে স্নাতক মহলাৰ উপযোগীকৈ "Elements of Indian Philosophy" নামৰ পুথি ৰচনা কৰে। অসম সাহিত্য সভা প্ৰত্ৰিকাত ভালেমান লিখনি প্ৰকাশ পাইছিল। তেখেতৰ সাহিত্য কৰ্মৰ স্বীকৃতি স্বৰূপে অসম চৰকাৰে সাহিত্যি পেঞ্চন প্ৰদান কৰিছিল। ড° বৰা এই মহাবিদ্যালয়ৰ চালুকীয়া অৱস্থাতে নিযুক্তি লাভ কৰিছিল বাবেই ধন সংগ্ৰহ, স্বীকৃতি আদি কাৰ্য্যৰ বাবেও শ্ৰম কৰিব লাগিছিল। ড° বৰা দেৱ অৱসৰৰ পিছত স্বৰ্গী হয়।

**শ্ৰীশিৱ কান্ত শৰ্মা, এম এ, এল এল বি**



ইং ১/৭/৯২ তাৰিখে শ্ৰীশিৱ কান্ত শৰ্মাই মঙলদৈ মহাবিদ্যালয়ত অধ্যক্ষ পদত নিযুক্তি লাভ কৰে আৰু ৩১/৩/৯৬ তাৰিখে অৱসৰ গ্ৰহণ কৰে। তেখেতৰ কাৰ্য্যকালত প্ৰেক্ষাগৃহৰ ৰঙ্গমঞ্চটো নিৰ্মাণ হয়। দুই এটা সামান্য মেৰামতিৰ কাম হয়। আৰু অসম কলেজ শিক্ষক সংস্থাৰ এক বাৰ্ষিক অধিবেশন অনুষ্ঠিত হৈ যায়। তেওঁৰ দিনতে অসমীয়া, ৰাজনীতি বিজ্ঞান আৰু বুৰঞ্জী বিভাগত স্নাতকোত্তৰ শ্ৰেণী এই মহাবিদ্যালয়ত আৰম্ভ হয়।

**ড° লোকেশ্বৰ নাথ, এম.এচ.চি; এম.ফিল; বি.টি; পি এইচ ডি**

ড° নাথে ১/৫/৯৫ তাৰিখে অধ্যক্ষ পদ পায় আৰু ৩১/৩/৯৯ তাৰিখে অৱসৰ গ্ৰহণ কৰে। তেখেতে কাৰ্য্যভাৰ লৈয়ে কলেজখন বিভিন্ন কামৰ বাবে হাতে-কামে লাগিছিল। তেখেতে সেই সময়ৰ কলেজৰ S/A শ্ৰীখৰ্গেৰাম সুত, Accountant শ্ৰীঘন বৰুৱা, শ্ৰীসাধিৰাম বৰা আদিৰ লগ হৈ U.G.C ৰ পৰা পাবলগীয়া ৭ম আৰু ৮ম প্লেনৰ বাবে নিজে



দিল্লীলৈ গৈ যোগাযোগ কৰে। ৮ম প্লেনৰ উদ্ভিদ বিজ্ঞান ঘৰটিৰ বাবে ২ লাখ টকা আৰু কিতাপ আলোচনী আৰু বিজ্ঞান সজুলিৰ বাবে ১,৩৬,৫০০.০০ টকাৰ কিস্তি লাভ কৰে। তেখেতৰ কাৰ্য্যকালত উদ্ভিদ বিজ্ঞানৰ গবেষণাগাৰ, পশ্চিমৰ ব্লকটোত দুটা পাঠদান কোঠা, ছাত্ৰী নিবাসৰ পশ্চিম আৰু উত্তৰ সীমাৰ পকীবেৰ, মহাবিদ্যালয়ৰ গৃহসমূহৰ পশ্চিমৰ সুদীৰ্ঘ পকীবেৰ নিৰ্মাণ, প্ৰেক্ষাগৃহৰ ওচৰৰ পূৰ্বৰ কৃষি পামৰ ঘৰটি ভাঙি সেই বস্তু সমূহেৰেই তিনিটা কোঠা বিশিষ্ট এটি গৃহ নিৰ্মাণ কৰা হয়। তেখেতৰ কাৰ্য্যকালতেই অধ্যক্ষ পৰিষদৰ বাৰ্ষিক সভা ইয়াত অনুষ্ঠিত হৈছিল। মঙলদৈ মহকুমা সম্পৰ্কে ভূগোল ভিত্তিক কিতাপ এখনি তেখেতে ১৯৭৬ চনতেই প্ৰকাশ কৰিছিল।

**ড° অমিয়া দেৱী এম. এ, পি, এইচ, ডি**



ড° অমিয়া দেৱীয়ে মঙলদৈ মহাবিদ্যালয়ত ১/৪/৯৯ তাৰিখ পৰা ৩১/৭/২০০০ তাৰিখলৈ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্বত থাকে। তেখেতৰ কাৰ্য্যকালত এটা ষ্ট্ৰং ৰুম নিৰ্মাণ কৰা হয়। পশ্চিমৰ ব্লকটোৰ ২৯ আৰু ৩০ নং কোঠা আৰু ৰেশম বিল্ডিঙৰ আধা-আধি কাম সম্পন্ন হয়। তাৰোপৰি পুথিভড়ালৰ স্থায়ী ভৱনৰ কিছু কাম সম্পন্ন হয়। ড° দেৱীৰ এখনি অনুবাদিত গল্পৰ পুথি প্ৰকাশ পাইছে। তাৰোপৰি তেখেতৰ বহুতো ইতিহাসমূলক প্ৰবন্ধ আলোচনীত প্ৰকাশ পাইছে।

**ড° গিৰীশ চন্দ্ৰ গোস্বামী, এম.এছ.চি.বি.টি.এম.ফিল.পি.এইছ.ডি.**

ড° গিৰীশ চন্দ্ৰ গোস্বামীয়ে ২০০০ চনৰ আগষ্টৰ পৰা ২০০১ চনৰ এপ্ৰিল মাহলৈ অতি হ্ৰস্বকাল মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাবে কাৰ্য্যনিৰ্বাহ কৰে। ৰুম নং ২৯ আৰু ৩০ তথা ৰেচম বিভাগৰ ভৱনটো সম্পূৰ্ণ কৰণ, মহাবিদ্যালয়ৰ পূব সীমাত ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা মঙলদৈ নৈ লৈ বেদখল উচ্ছেদ কৰি পকীবেৰ নিৰ্মাণ, ছাত্ৰী নিবাসৰ পকী পাকঘৰ নিৰ্মাণ, কেইবাটাও ইউৰিনেল আৰু পায়খানা নিৰ্মাণ, প্ৰেক্ষাগৃহৰ মজিয়া পকী কৰণ হয়। ড° গোস্বামীয়ে শ্ৰেণী সমূহ ভালদৰে তদাৰক কৰাৰ ফলত মহাবিদ্যালয়ৰ শিক্ষাদান কাৰ্য্যাৱলী



ভালদৰে চলে। এই কাৰ্য্যাৱলী নিতান্তই আদৰ্শনীয়।

**অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ সকল ঃ**

মঙলদৈ মহাবিদ্যালয়ত বহুকেইগৰাকী গুণী ব্যক্তিয়ে উপাধ্যক্ষ পদত থাকি অনুষ্ঠানটিৰ সৰ্বাঙ্গীণ উন্নতীত অৰিহণা যোগাই গৈছে। প্ৰথম উপাধ্যক্ষ হিচাপে দায়িত্ব বহন কৰিছিল অধ্যাপক হৃদয় ৰঞ্জন দাসে। তেখেত ইংৰাজী সাহিত্যৰ অধ্যাপক আছিল। অধ্যাপক দাসে ১৯৫২ চনত এই মহাবিদ্যালয় এৰি যায়। অধ্যাপক গজেন্দ্ৰ নাথ ঠাকুৰীয়া ১৯৫৮ চনৰ পৰা '৬১ চনলৈ উপাধ্যক্ষ পদত থাকে। তেখেতে চালুকীয়া এই অনুষ্ঠানটিৰ উন্নয়নৰ বাবে দেহে-কেহে লাগিছিল।



ইয়াৰ পিছত উপাধ্যক্ষ হয় অধ্যাপক আব্দুল মজিদ। ১৯৬৬-৭৭ চনলৈ উপাধ্যক্ষ আৰু পিছলৈ অধ্যক্ষ পদ পায়। উপাধ্যক্ষ আব্দুল মজিদ অধ্যক্ষ পদলৈ পদোন্নতি হোৱাত জ্যেষ্ঠতম অধ্যাপক ড° পূৰ্ণ চন্দ্ৰ বৰাই উপাধ্যক্ষ পদ পায়। অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক গোপীনাথ শৰ্মা দেৱে ১৯৯২ চনৰ এপ্ৰিলৰ পৰা জুন মাহলৈ উপাধ্যক্ষ তথা ভাৰপ্ৰাপ্ত অধ্যক্ষ পদত কাৰ্য্যনিৰ্বাহ কৰে।



তেখেতৰ অৱসৰ গ্ৰহণৰ পিছত ড° দীপ্তি প্ৰসাদ বৰুৱা ১৯৯২ চনৰ পৰা ১৯৯৬ চনলৈ উপাধ্যক্ষ হয়। ইতিহাস আৰু ইংৰাজী সাহিত্যৰ স্নাতকোত্তৰ উপাধি প্ৰাপ্ত ড° বৰুৱা এগৰাকী সুপণ্ডিত আৰু সাধু চৰিত্ৰৰ লোক। ইতিহাসৰ দহখনমান গ্ৰন্থ তেখেতে ৰচনা কৰিছে। প্ৰকৃততে তেখেত ইতিহাসৰ এগৰাকী সুপণ্ডিত। মহাবিদ্যালয়ৰ ভিতৰুৱা প্ৰতিটো অনুষ্ঠানৰ বাবে তেখেত অপৰিহাৰ্য্য ব্যক্তি আছিল।





ড° উষা বৰা ১৯৯৬ চনৰ পৰা এপ্ৰিলৰ পৰা ডিচেম্বৰ পৰ্য্যন্ত উপাধ্যক্ষা আছিল। অসমীয়া বিভাগৰ অধ্যাপিকা হিচাপে ১৯৬০ চনতেই তেখেতে এই মহাবিদ্যালয়ত যোগদান কৰিছিল।



ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱা ১৯৯৭ চনৰ পৰা ১৯৯৮ চনৰ কেইমাহ মান উপাধ্যক্ষ হৈছিল। তেখেতৰ এখনি কবিতাৰ পুথি প্ৰকাশিত হৈছে। উল্লেখযোগ্য যে ড° বৰুৱা দৈনিক আসাম ট্ৰিবিউনৰ মঙলদৈৰ স্থানীয় সাংবাদিক।

ড° অমিয়া দেৱী ১৯৯৮ চনৰ পৰা ২০০০ চনলৈ উপাধ্যক্ষ আছিল আৰু মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল।

বৰ্তমান ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামী ২০০০ চনৰ পৰাই উপাধ্যক্ষ পদত আৰু ২০০১ চনৰ মে' মাহৰ পৰা ভাৰপ্ৰাপ্ত অধ্যক্ষ পদত আছে। সেই সময়ৰ পৰাই ড° ৰমেন ৰায় উপাধ্যক্ষ হিচাপে আছে।

**অৱসৰ প্ৰাপ্ত কৰ্মচাৰী সকল ঃ**

অৱসৰ প্ৰাপ্ত কৰ্মচাৰী সকলৰ কথা মনলৈ আহিলে পোণতে মনত পৰে ১৯৫১ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে মঙলদৈ পাব্লিক লাইব্ৰেৰী আৰম্ভ হোৱা মঙলদৈ কলেজৰ প্ৰথমজনা কাৰ্য্যালয় সহায়ক প্ৰয়াত জীৱন চন্দ্ৰ শৰ্মা দেৱলৈ। এইজনা ব্যক্তিয়ে কলেজৰ কাৰ্য্যালয়ৰ বাবে আৱশ্যকীয় কাগজ, পত্ৰ, চিয়াহী, কলম আদি নিজেই যোগাৰ কৰি লৈছিল। তেখেত সেই সময়ৰ লোকেল বোৰ্ড অফিচৰ কাৰ্য্যালয় সহায়ক আছিল যদিও অতি শ্ৰম আৰু সাহসেৰে সেই সময়ৰ কাৰ্য্যালয়ৰ কামবোৰ চম্ভালি লৈছিল। আনকি কলেজ শিক্ষকৰ প্ৰয়োজন হোৱাত তেখেত নিজেই তেজপুৰলৈ গৈ দৰং কলেজৰ সেই সময়ৰ ইংৰাজী অধ্যাপক শ্ৰীহৃদয় ৰঞ্জন দাসক মঙলদৈ কলেজৰ অধ্যাপক হিচাপে লৈ আহিছিল।





প্ৰয়াত শৰ্মাৰ পিছত মঙলদৈ কলেজৰ স্থায়ী কাৰ্য্যালয় সহায়ক হিচাপে নিযুক্তি পায় মঃ মহচীন আলিদেৱে ১৯৫২ চনৰ শেষৰ ফালে। তেখেতে তেতিয়াৰ পৰাই অতি শ্ৰম আৰু দক্ষতাৰে কলেজৰ কাৰ্য্যালয়ৰ সকলো কাম-কাজ চম্ভালি লয় আৰু মহাবিদ্যালয়ৰ গতি আৰু প্ৰগতিৰ সহায়ক হিচাপে কাম কৰি যায়। কাৰ্য্যালয় সহায়ক হিচাপে আৰু কোনো কামকে নোৱাৰো বচন নোবোলা আলিয়ে প্ৰায় চাৰিদশক কাল মহাবিদ্যালয়ৰ অপৰিহাৰ্য্য ব্যক্তি আছিল। আলিয়ে তদাৰকী সহায়ক (SA) হিচাবে অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পিছত তেখেতে ব্যৱসায়ত লাগি আছে।



১৯৫৯ চনৰ পৰা কাৰ্য্যালয় সহায়ক হিচাপে চাকৰি আৰম্ভ কৰা শ্ৰীখঙি ৰাম সুত ধীৰ স্থিৰ আৰু নিষ্ঠাবান কৰ্মচাৰী আছিল। তেখেতে তদাৰকী সহায়ক পদৰ পৰা অৱসৰ গ্ৰহণ কৰে। মঃ তৈয়ব আলিয়েও পুথিভঁৰালৰ সহায়ক হিচাপে ১৯৬৭ চনৰ পৰা ১৯৭৫ চনলৈ সেৱা আগবঢ়াইছিল। তেখেতো কৰ্মতৎপৰ ব্যক্তি আছিল।



কাৰ্য্যকালতেই ভূপেন্দ্ৰ নাৰায়ণ চৌধুৰী আৰু ভদ্ৰ কান্ত বড়ো মৃত্যু মুখত পৰে। প্ৰয়াত চৌধুৰী এজন অতি নিষ্ঠাবান আৰু পৰিশ্ৰমী লোক আছিল।



চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ ভিতৰত প্ৰয়াত ভজন লাল যাদব একক চৰিত্ৰৰ লোক আছিল। মঙলদৈ মহাবিদ্যালয়ৰ কিঞ্চিত মানো হানি তেওঁ সহ্য কৰিব নোৱাৰিছিল। মহাবিদ্যালয়ত চকীদাৰ হিচাপে যোগদান কৰাৰ পিছৰে পৰাই ভজনে অতি নিয়মীয়াকৈ কলেজখনকে নিজৰ ঘৰৰ দৰে ভাবিছিল।



প্ৰাৰম্ভিক কালৰ কৰ্মচাৰী শ্ৰীযোগেশ্বৰ কলিতাই দীৰ্ঘদিন চাকৰিৰ অন্তত অৱসৰ গ্ৰহণ কৰে। শ্ৰীকলিতাই কলেজৰ কামবোৰ অতি নিষ্ঠাৰে কৰিছিল।

প্ৰয়াত নন্দ ৰাম বড়োৱে চাকৰিৰ জীৱন সম্পূৰ্ণ কৰি অৱসৰ পাইছিল। অতি নিষ্ঠাবান কৰ্মী নৰেন্দ্ৰ ডেকা, কাশীনাথ শৰ্মা, নাৰায়ন সিং আৰু চাহাবুদ্দিন আহমেদ অকালতে মৃত্যু মুখত পৰে।

শেষত মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰ উন্নয়ন কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই আলোচনা সামৰণি মাৰিলো।

।। "জয়তু মঙলদৈ মহাবিদ্যালয়"।।

---

*শ্ৰীশৰ্মা মঙলদৈ মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক আৰু এজন চিন্তাবিদ।*



# মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত শিক্ষকবৃন্দৰ বিষয়ে এক নষ্টালজিক অনুভূতি

জামালুদ্দিন আহমেদ

তাহানিৰ অবিভক্ত দৰং জিলাৰ মঙলদৈ চহৰৰ সমীপত ১৯৫১ চনৰ ২০ চেপ্তেম্বৰৰ কোনো এক শুভমুহূৰ্ত্তত অঙ্কুৰিত হোৱা জ্ঞানবৃক্ষ মঙলদৈ মহাবিদ্যালয়ে গৌৰৱোজ্জ্বল বাৱন্নটা বসন্ত গৰকি আজি ফলে-ফুলে জাতিস্কাৰ এক মহীৰুহত পৰিণত হৈছে। এই বাৱন্ন বছৰৰ প্ৰতিটো ক্ষণতে প্ৰাণোচ্ছল যৌৱনৰ বসন্তৰে দলদোপ হেন্দোলদোপ লগা এজাক জ্ঞানপিপাসু বিদ্যাৰ্থীয়ে মঙলদৈ মহাবিদ্যালয়ত প্ৰৱেশ কৰিছে। সেয়ে বিগত বাৱন্নটা বছৰ গৰকি আহিলেও মঙলদৈ মহাবিদ্যালয়ে প্ৰৌঢ়ত্ব লাভ কৰা নাই। বৰং গৰকি অহা বছৰবোৰৰ সঞ্চিত অভিজ্ঞতাৰে অধিক কৰ্মপ্ৰেৰণা আৰু উদ্যম লৈ মহাবিদ্যালয় চৌহদৰ চিৰসেউজ বৃক্ষৰাজিৰ সৈতে মঙলদৈ মহাবিদ্যালয়ো চিৰ সেউজীয়া হৈয়ে আছে।

প্ৰতিবছৰে এই মহাবিদ্যালয়ত প্ৰৱেশ কৰা প্ৰাণোচ্ছল যৌৱনৰ বসন্তজাকে বাৱন্নটা বছৰত প্ৰয়াত ভজনলাল যাদৱ আৰু আজি তেওঁৰ পুত্ৰ ভদ্ৰ লাল যাদৱে বজোৱা পিতলৰ ঘণ্টাধ্বনিৰ তালে তালে জ্ঞানৰ ৰত্ন ভাণ্ডাৰৰ পৰা মণি-মুকুতা সংগ্ৰহ কৰি হাঁহিমুখে সাফল্যৰ বৈজয়ন্তীমালা পিন্ধি জীৱন গঢ়াৰ পথত প্ৰতিবছৰে অগ্ৰসৰ হয়। সৌ তাহানিতে অঙ্কুৰিত জ্ঞান বৃক্ষক এই অৱস্থা প্ৰাপ্ত কৰাত এই জ্ঞান মন্দিৰৰ এচাম পুৰোহিতৰ আশাসুধীয়া প্ৰচেষ্টা, অধ্যয়ন পুষ্ট অভিজ্ঞতা আৰু কৰ্ত্তব্যনিষ্ঠা জড়িত হৈ আছে। যাৰ ফলত মঙলদৈ মহাবিদ্যালয়ৰ পৰা শিক্ষা সমাপ্ত কৰি আজি বহুতেই নিজ নিজ কৰ্মক্ষেত্ৰত পাৰদৰ্শিতাৰে দেশমাতৃৰ সেৱাত ব্ৰতী হ'ব পাৰিছে।

মঙলদৈ মহাবিদ্যালয়ৰ সেইচাম জ্ঞানৰ পুৰোহিত আজি কৰ্মৰত অৱস্থাত নাই সঁচা, কিন্তু তেওঁলোকৰ দূৰদৰ্শিতা, সততা আৰু আদৰ্শ পাছৰ চামৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ আছে। এই লিখনিত সেইচাম পুৰোহিত তথা অৱসৰপ্ৰাপ্ত অধ্যাপক-অধ্যাপিকাৰ বিষয়ে এক নষ্টালজিক অনুভূতি ব্যক্ত কৰাৰ প্ৰয়াস কৰা হ'ল। অৱশ্যে নিখুঁত যোগাযোগৰ অভাৱৰ বাবে সকলোৰে সম্পূৰ্ণ তথ্য দাঙি ধৰিব পৰা নগ'ল। তাৰ বাবে সংশ্লিষ্ট সকলোলৈ ক্ষমা প্ৰাৰ্থনা জনালোঁ।

মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৃতী অধ্যাপক অধ্যাপিকাসকলৰ বিষয়ে কোৱাৰ আগতে কিছুকথা নক'লে এই লিখনি আধৰুৱা হ'ব। সেয়া হ'ল নব্বৈৰ দশকৰ আগৰছোৱালৈকে শিক্ষক জিৰণি কোঠাত চলি অহা কথা। শিক্ষক জিৰণি কোঠাত প্ৰৱেশ দ্বাৰ দুখনৰ কাষত থকা চকী কেইখনত সদায় জ্যেষ্ঠ অধ্যাপক ড° দিপ্তী প্ৰসাদ বৰুৱা, কুমুদ চন্দ্ৰ সন্দিকৈ, প্ৰভাত শৰ্মা, জীৱন শৰ্মা, ড° উষা বড়া, দেৱেশ নন্দী আৰু খৰ্গেশ্বৰ গোস্বামী, প্ৰয়াত নাহাৰুণ নেছা, গোপীনাথ শৰ্মা, শৰৎ শৰ্মা আদি বহে। সেয়ে উক্ত ব্যক্তিসকল বহা চকী কেইখন খালী থাকিলেও তাত নতুন তথা কণিষ্ঠ অধ্যাপক-অধ্যাপিকাসকল নবহি কোঠাৰ দক্ষিণ ফালে থকা চকী বা আৰ্ম বেঞ্চত বহে। ই সেইসময়ৰ শিক্ষক জিৰণি কোঠাৰ এক অলিখিত নিয়মৰ দৰে। কাৰণ মঙলদৈ মহাবিদ্যালয়ৰ গাম্ভীৰ্যৰ প্ৰতীক স্বৰূপ জ্যেষ্ঠ শিক্ষকবৃন্দ বহা আসনত বহাটো নতুন চামৰ বাবে এক স্পৰ্দ্ধাৰ লেখিয়া কথা। ই এক সুন্দৰ শিষ্টাচাৰো।

জ্যেষ্ঠ অধ্যাপক-অধ্যাপিকাসকল শিক্ষাক জিৰণি কোঠাত বহি থকা সময়ত তেওঁলোকৰ হাতত একাধিক নিৰ্দৰ্শন পুথি (Referance books) আছিল। জিৰণিৰ সময়ত তেওঁলোকে অযথা কথাৰ মহলা নামাৰি অধ্যয়নৰত আছিল। ফলত নতুন চাম শিক্ষকেও জিৰণি কোঠাৰ গাম্ভীৰ্য ৰক্ষা কৰি

চলিব লগা হৈছিল। শিক্ষক গোটৰ সভাও জিৰণি কোঠাতে অনুষ্ঠিত হৈছিল। গোটৰ সভাবোৰত কুমুদ সন্দিকৈৰ যুক্তিপূৰ্ণ বক্তব্য, ড° দিপ্তীপ্ৰসাদ বৰুৱাৰ চমু অথচ তথ্যপূৰ্ণ মন্তব্য, ক্ষীতেশ্বৰ কোঁচ দেৱৰ তথ্য গধুৰ ভাষণ, ড° নগেন শৰ্মাৰ গহীন বক্তব্য আদিয়ে সভাৰ পৰিৱেশ গহীন কৰি তুলিছিল। অধ্যাপক প্ৰভাত চন্দ্ৰ শৰ্মা দেৱে গোটৰ সভাত সদায় কাৰ্য্যবিৱৰণী আৰু প্ৰস্তাৱ আদি লগে লগে লিপিবদ্ধ কৰি সভাত শেষত সভাপতিৰ স্বাক্ষৰ লোৱাইছিল। ফলত সভাৰ কথালৈ কোনো সন্দেহৰ অৱকাশ বোৱা নাছিল।

সেই জ্যেষ্ঠ অধ্যাপক-অধ্যাপিকাসকলে আজি অৱসৰ গ্ৰহণ কৰিছে। তেওঁলোকৰ চমু পৰিচিতি হ'ল-

**(১) অধ্যাপক প্ৰভাত চন্দ্ৰ শৰ্মা**, *এম.এ., ব্যাকৰণ শাস্ত্ৰী-* মঙলদৈ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক শ্ৰীযুত প্ৰভাত চন্দ্ৰ শৰ্মা এগৰাকী নীৰৱ সাহিত্যিক। দৰঙী শব্দকোষ সম্পাদনা কৰাৰ উপৰিও তেওঁৰ কেইবাখনো গ্ৰন্থ ইতিমধ্যে প্ৰকাশ হৈছে। অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ শৰ্মাদেৱক সাহিত্য একাডেমীয়ে 'কাদম্বৰী' নামৰ সংস্কৃত উপন্যাসৰ অনুবাদৰ বাবে ২০০২ চনৰ সাহিত্য একাডেমীৰ অনুবাদ সাহিত্য বঁটা প্ৰদান কৰিছে।



শ্ৰীযুত প্ৰভাত শৰ্মা ইং ১৯২৯ চনৰ ৩১ অক্টোবৰত ডাঁহী মৌজাৰ নগাওঁ গাঁৱত জন্ম হয়। ইং ১৯৬৮ চনৰ ১৪ অক্টোবৰত তেওঁ মঙলদৈ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰে। সংস্কৃত বিষয়ৰ উপৰিও তেখেতে অসমীয়া বিষয়তো পাঠদান কৰিছিল। তেওঁ সুখ্যাতিৰে ২১ বছৰ ৩ মাহ শিক্ষাদান কৰি উক্ত বিভাগৰ মুৰব্বী অধ্যাপক পদৰ পৰা ইং ১৯৮৯ চনৰ ৩১ অকটোবৰত অৱসৰ লয়। শ্ৰীযুত প্ৰভাত চন্দ্ৰ শৰ্মা বৰ্ত্তমান মঙলদৈ বামুণপাৰা নিবাসী।

**(২) অধ্যাপক দেৱীদাস নেওগ**; *এম.এ.এল.এল.বি.-* ইং ১৯৩২ চনৰ ৩০ এপ্ৰিলত জন্ম গ্ৰহণ কৰা শ্ৰীযুত দেৱীদাস নেওঁগ দেৱে ১৯৬০ চনৰ ২৪ অক্টোবৰত মঙলদৈ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰে। সুদীৰ্ঘ ৩১ বছৰ ৭ মাহ কৃতিত্বৰে শিক্ষাদান কৰি তেওঁ ১৯৯২ চনৰ ৩০ এপ্ৰিলত অৱসৰ লয়। অধ্যাপনা কৰি থকা সময়তে আইনৰ স্নাতক ডিগ্ৰী লাভ কৰা নেওঁগ দেৱে অৱসৰৰ পাছত মঙলদৈ কৰ্টত আইনজীৱি হিচাপে যোগ দিয়ে। উজনি অসমত জন্ম গ্ৰহণ কৰি চাকৰি সূত্ৰে মঙলদৈলৈকে অহা শাস্ত্ৰীয় সংগীত প্ৰেমী শ্ৰীযুত নেওগ চাৰ বৰ্ত্তমান মঙলদৈ চহৰৰ শলাল পাৰাৰ স্থায়ী বাসিন্দা।



**(৩) অধ্যাপক খৰ্গেশ্বৰ গোস্বামী**; *এম.এ., বি.টি-* তাহানিৰ অভিভক্ত দৰং জিলাৰ বিহগুৰিত ইং ১৯৩৪ চনৰ ১ মাৰ্চত এটি নৈষ্ঠিক ব্ৰহ্মণ পৰিয়ালত খৰ্গেশ্বৰ গোস্বামীদেৱে জন্ম গ্ৰহণ কৰে। ইং ১৯৬৫ চনৰ ১৮ আগষ্টত তেওঁ মঙলদৈ মহাবিদ্যালয়ত অৰ্থনীতি বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰে। ছাত্ৰ-ছাত্ৰীৰ মাজত কে. জি. চাৰ নামে পৰিচিতি গোস্বামীয়ে সুদীৰ্ঘ ২৮ বছৰ ৭ মাহ সফলতাৰে অধ্যাপনা কৰি ইং ১৯৯৪ চনৰ ২৮ ফেব্ৰুৱাৰীত অৱসৰ গ্ৰহণ কৰে। সদালাপি সৰ্বজনপ্ৰিয় আৰু ৰাজনৈতিক ভাবে সচেতন গোস্বামীয়ে আঞ্চলিকতাবাদী ৰাজনীতিৰ সতে জড়িত আছিল, যদিও পাছলৈ সক্ৰিয় ৰাজনীতিৰ পৰা আঁতৰি আছিল। মাথোন কেইদিনমান শয্যাগত হৈ থাকি ১৯৯৮ চনৰ ১৩ জানুৱাৰী, তথা মাঘ বিহুৰ উৰুকাৰ দিনা তেওঁ গুণমুগ্ধসকলক কন্দুৱাই ইহ সংসাৰ ত্যাগ কৰে। প্ৰয়াত গোস্বামীৰ পৰিয়াল বৰ্ত্তমান মঙলদৈ নগৰৰ ১নং ৱাৰ্ডৰ নিবাসী।



**(৪) অধ্যাপক অৰবিন্দ কুমাৰ সেন**, *এম.এ. (ডবল)-* সদূৰ পশ্চিম বঙ্গৰ কলকাতা চহৰত ইং ১৯৩১ চনৰ ১ জানুৱাৰীত জন্ম গ্ৰহণ কৰা অৰবিন্দ কুমাৰ সেনে ১৯৬৫ চনৰ ৯ নৱেম্বৰত মঙলদৈ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰে। সদায় ধূতি-পাঞ্জাবী পৰিহিত শুভ্ৰকেশী সেন এগৰাকী হাড়ে-হিমজুৱে আদৰ্শবান ভাৰতীয় শিক্ষক। অল্পভাষী প্ৰচুৰ অধ্যয়নপুষ্ঠ তথা সহজ-সৰল জীৱন নিৰ্বাহত বিশ্বাসী সেন শিক্ষক-ছাত্ৰৰ মাজত অতি প্ৰিয় আছিল। তেওঁ সুদীৰ্ঘ ৩৬ বছৰৰো অধিক কাল অধ্যাপনা কৰি ইংৰাজী বিভাগৰ মুৰব্বী পদৰ পৰা ইং ১৯৯০ চনৰ ৩১ ডিচেম্বৰত অৱসৰ লয়। ইয়াৰ পাছত তেওঁ নৱ প্ৰতিষ্ঠিত মঙলদৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ পদ গ্ৰহণ কৰি অধ্যাপনা বৃত্তি বৰ্ত্তাই ৰাখে। কিন্তু ৰোগাক্ৰান্ত হৈ কৰ্মভূমি মঙলদৈ এৰি জন্মভূমি কলকাতালৈ গুচি যায়। তাতেই তেওঁ স্বৰ্গগামী হয়।



(৫) **অধ্যাপক গোপীনাথ শৰ্মা;** *এম.এ.-* ইং ১৯৩২ চনৰ ৩০ জুনত জন্ম গ্ৰহণ কৰা শ্ৰীযুত গোপীনাথ শৰ্মাই ১৯৬০ চনৰ ৩ চেপ্তেম্বৰত মঙলদৈ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰে। তেওঁ ৩১ বছৰ ১০ মাহ সফলতাৰে শিক্ষাদান কৰি ক্ৰমে উপাধ্যক্ষ পদ অলংকৃত কৰি ১৯৯২ চনৰ ৩০ জুনত অৱসৰ গ্ৰহণ কৰে। বৰ্তমান তেওঁ পূণ্য তীৰ্থ ভূমি কামাখ্যাৰ বাসিন্দা।

(৬) **অধ্যাপক সন্তনাথ শৰ্মা;** *এম.এচ.ছি-* মঙলদৈ মহাবিদ্যালয়ৰ গণিত বিভাগৰ প্ৰৱক্তা হিচাপে ইং ১৯৬৫ চনৰ ৮ চেপ্তেম্বৰত যোগদান কৰা শ্ৰীযুত সন্তনাথ শৰ্মাই উক্ত বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে ইং ১৯৯৩ চনৰ ৩১ মাৰ্চত অৱসৰ লয়। মঙলদৈ মহাবিদ্যালয়ত সুদীৰ্ঘ ২৭ বছৰ ৭ মাহ অধ্যাপনা কৰা শৰ্মা দেৱে শিক্ষক গোটৰো সভাপতি পদ অলংকৃত কৰিছিল।



(৭) **অধ্যাপক ৰাজেন্দ্ৰ বৰুৱা;** *এম.এ.(ডবল), বি.টি., এল.এল.বি.-* মঙলদৈ মহাবিদ্যালয়ত চিৰ সেউজ ডেকা বুলি পৰিচিত ৰাজেন্দ্ৰ বৰুৱা ইং ১৯৩৫ চনৰ ৩১ মাৰ্চত জন্ম গ্ৰহণ কৰে। প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা জীৱন আৰম্ভ কৰি পিছত মঙলদৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ অধ্যাপক হিচাপে ২৬ বছৰ ৮ মাহ কৃতিত্বৰে শিক্ষাদান কৰি তেওঁ ১৯৯৫ চনৰ ৩১ মাৰ্চত অৱসৰ লয় যদিও তেওঁ ১৯৬৮ চনৰ ৯ আগষ্টৰ পৰা আজিলৈ মঙলদৈ মহাবিদ্যালয় পৰিয়ালৰ পৰা আঁতৰি আহিব পৰা নাই। মঙলদৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS), স্কাউট এণ্ড গাইড, আদিৰ সতে সততে জড়িত সদা নবীন বৰুৱা দেৱ আজিও মহাবিদ্যালয়ৰ একেৰাৰ নোৱাৰা অংগ স্বৰূপ। বিশেষকৈ ১৯৭৭-৮৩ চনৰ মঙলদৈ নদীৰ গতিপথ সলনি কৰি ব্ৰহ্মপুত্ৰত পেলাই দিয়াৰ মূল কাণ্ডাৰী হিচাপে সেইসময়ৰ অধ্যক্ষ প্ৰয়াত আব্দুল মজিদ দেৱৰ সহযোগত এখেত কলেজ কেনেলৰ জন্মদাতা। অৱসৰৰ পাছত বৰুৱা ছাৰে পূৰ্ণোদ্দমে মঙলদৈ আইন মহাবিদ্যালয়, শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়, দৰং জিলা ৰেড ক্ৰচ চছাইটি আদিৰ লগত জড়িত হৈ পৰে। তেওঁ মঙলদৈৰ জ্যোতি নগৰ নিবাসী।



(৮) **অধ্যাপক দেবেশ চন্দ্ৰ নন্দী;** *এম.এ.এল.এল.বি.-* বুৰঞ্জী বিভাগৰ কৃতী অধ্যাপক শ্ৰীযুত দেবেশ চন্দ্ৰ নন্দীয়ে ইং ১৯৯৬ চনৰ ৩১ জানুৱাৰীত মঙলদৈ মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে। তেওঁ ১৯৬২ চনৰ ২৭ জুলাইত এই মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগত যোগদান কৰে। তেওঁ মঙলদৈ মহাবিদ্যালয়ত সুদীৰ্ঘ ৩৩ বছৰ ৭ মাহ অধ্যাপনা কৰে। তেখেতৰ যত্নতে মঙলদৈ কলেজৰ NCC বিভাগটো প্ৰতিষ্ঠিত হয়। মঙলদৈ শান্তিপুৰ নিবাসী নন্দীদেৱে বৰ্তমান এখন ব্যক্তিগত ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ অধ্যক্ষ।



(৯) **অধ্যাপক কুমুদ চন্দ্ৰ সন্দিকৈ;** *এম.এ.-* মঙলদৈ মহাবিদ্যালয়ত ইং ১৯৬৩ চনৰ ৪ অক্টোবৰত অৰ্থনীতি বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰা শ্ৰীকুমুদ চন্দ্ৰ সন্দিকৈদেৱে ইং ১৯৩৬ চনৰ ২৯ ফেব্ৰুৱাৰীত উজনি অসমৰ শিৱসাগৰ জিলাত জন্ম হয়। ইং ১৯৯৬ চনৰ ২৯ ফেব্ৰুৱাৰীত অৱসৰ গ্ৰহণ কৰা সন্দিকৈ দেৱে এই মহাবিদ্যালয়ত ৩১ বছৰ ৫ মাহ কৃতিত্বৰে শিক্ষাদান কৰিছিল। তেখেতৰ শ্ৰুতিমধুৰ পাঠ-পঠনে সেই সময়ৰ অৰ্থনীতি বিভাগৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিছিল।



(১০) **অধ্যাপক ড° দিপ্তী প্ৰসাদ বৰুৱা;** *এম. এ.(ডবল), পি.এইচ.ডি.-* ৰাজনীতি আৰু বুৰঞ্জী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰীধাৰী শিক্ষাবিদ গৱেষক ড° দিপ্তী প্ৰসাদ বৰুৱা ইং ১৯৩৬ চনৰ ৩১ মাৰ্চত গোলাঘাটৰ এক সংস্কৃতিবান পৰিয়ালত জন্ম গ্ৰহণ কৰে। একাধিক বুৰঞ্জীৰ পাঠ্যপুথি ৰচোতা ড° বৰুৱা ইং ১৯৬০ চনৰ ১৬ ছেপ্তেম্বৰত মঙলদৈ মহাবিদ্যালয়ত বুৰঞ্জী বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰে। পাছত উক্ত বিভাগৰ মুৰব্বী আৰু মহাবিদ্যালয়ৰ উপাধ্যক্ষ পদত থাকি ইং ১৯৯৬ চনৰ ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰে। ড° বৰুৱা বৰ্তমান মঙলদৈ নিবাসী।

(১১) **অধ্যাপক জীৱন চন্দ্ৰ শৰ্মা;** *এম.এ.-* ইং ১৯৩৬ চনৰ ৩১ মাৰ্চত ছিপাঝাৰৰৰ লোক্ৰাই গাঁৱত জন্ম গ্ৰহণ কৰা শ্ৰীযুত জীৱন শৰ্মাই ইং ১৯৬৪ চনৰ ৪ অক্টোবৰত মঙলদৈ মহাবিদ্যালয়ৰ অধ্যাপক হিচাপে যোগদান কৰে। তেওঁ এই মহাবিদ্যালয়ত সুদীৰ্ঘ ৩১ বছৰ ৬ মাহ অধ্যাপনা কৰি



অসমীয়া বিভাগৰ অধ্যাপক হিচাপে ইং ১৯৯৬ চনৰ ৩১ মেʼত অৱসৰ লয়। মঙলদৈ বামুণপাৰা নিবাসী অধ্যাপক শৰ্মা দেৱ বৰ্ত্তমান মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া স্নাতকোত্তৰ শ্ৰেণীৰ অংশকালীন অধ্যাপক।

(১২) **অধ্যাপিকা ড° উষা বড়া;** *এম.এ., পি.এইচ.ডি.-* মঙলদৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষা পদৰ পৰা ইং ১৯৯৬ চনৰ ৩১ ডিচেম্বৰ অৱসৰ গ্ৰহণ কৰা ড° উষা বড়া নগাঁৱৰ বোৰাবী তথা মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰয়াত ড° পূৰ্ণ চন্দ্ৰ বড়াৰ পত্নী। এগৰাকী আদৰ্শ শিক্ষয়িত্ৰী হিচাপে ড° উষা বড়াই এই মহাবিদ্যালয়ত সুদীৰ্ঘ ৩৫ বছৰ অধ্যাপনা কৰি অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকাৰ পদো অলংকৃত কৰে। সদায় নিয়মানুবৰ্তিতাৰে চলা ড° উষা বড়াই অৱসৰ গ্ৰহণ কৰাৰ পাছতে ডক্টৰেট ডিগ্ৰী লাভ কৰি আমাৰ বাবে অনুপ্ৰেৰণাৰ উৎস হয়। তেওঁ বৰ্ত্তমান গুৱাহাটী নিবাসী।

(১৩) **অধ্যাপক ড° নগেন্দ্ৰ নাথ শৰ্মা;** *এম.এ., এম.ফিল., পি.এইচ.ডি. -* মঙলদৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক পদৰ পৰা ইং ১৯৯৮ চনৰ ৩১ জানুৱাৰীত অৱসৰ গ্ৰহণ কৰা ড° নগেন্দ্ৰ নাথ শৰ্মা এগৰাকী সৰবৰহী লোক। তেওঁ ইং ১৯৬৪ চনৰ ১১ নবেম্বৰত এই মহাবিদ্যালয়ত যোগদান কৰে। ইং



১৯৩৮ চনৰ ৩১ জানুৱাৰীত জন্মগ্ৰহণ কৰা ড° শৰ্মা এগৰাকী বিচক্ষণ ৰাজনীতিজ্ঞ আৰু সুবক্তা। তেওঁ অসম বিধান সভাৰ এগৰাকী প্ৰাক্তন বিধায়ক। ড° শৰ্মা বৰ্ত্তমান মঙলদৈ নিবাসী।

(১৪) **অধ্যাপক নৰেন্দ্ৰ কুমাৰ সিং;** *এম.এছ.ছি -* ইং ১৯৩৮ চনৰ ৩০ এপ্ৰিলত বিহাৰত জন্ম গ্ৰহণ কৰা নৰেন্দ্ৰ কুমাৰ সিং দেৱে ইং ১৯৬৭ চনৰ ১২ জানুৱাৰীত মঙলদৈ মহাবিদ্যালয়ৰ ৰসায়ন বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰে। মৃদুভাষী সিংদেৱে মঙলদৈ মহাবিদ্যালয়ত সুদীৰ্ঘ ৩১ বছৰ ৩ মাহ নিপুনতাৰে অধ্যাপনা কৰি ইং ১৯৯৮ চনৰ ৩০ এপ্ৰিলত



অৱসৰ গ্ৰহণ কৰে। তেওঁ ৰসায়ন বিভাগৰ মুৰবী অধ্যাপকৰ পদতো আছিল। তেওঁ বৰ্ত্তমান মঙলদৈ ইছলামপুৰৰ নিবাসী।

(১৫) **অধ্যাপক ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱা;** *এম.এ. (ডবল), পি.এইচ.ডি-* মঙলদৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ হিচাপে ইং ১৯৯৮ চনৰ ১ জুনত অৱসৰ গ্ৰহণ কৰা ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱা এগৰাকী সাহিত্য সমালোচক আৰু কবি। তেওঁ অসম ট্ৰিবিউন কাকতৰ মঙলদৈস্থ নিজা বাতৰি দিওঁতা। অসমীয়া আৰু ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰীধাৰী ড° বৰুৱা ইং ১৯৩৮ চনৰ ১ জুনত গোলাঘাটৰ এক আদৰ্শ আৰু সংস্কৃতিবান পৰিয়ালত জন্ম হয়। ড° বৰুৱাই ইং ১৯৬৪ চনৰ ৮ জানুৱাৰীত মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰি পাছলৈ উক্ত বিভাগৰ মুৰব্বী অধ্যাপকৰ পদ লাভ কৰে। তেওঁ মঙলদৈ মহাবিদ্যালয়ত সুদীৰ্ঘ ৩৩ বছৰ ৫ মাহ অধ্যাপনা কৰাৰ উপৰিও অসমীয়া স্নাতকোত্তৰ শ্ৰেণীতো পাঠদান কৰে। ড° বৰুৱাদেৱ বৰ্ত্তমান মঙলদৈ নিবাসী।

(১৬) **অধ্যাপক জগন্নাথ শৰ্মা;** *এম.এ. -* ইং ১৯৪০ চনৰ ৩০ এপ্ৰিলত ৰঙিয়াৰ ওচৰত জন্ম গ্ৰহণ কৰা জগন্নাথ শৰ্মা দেৱে ইং ১৯৭২ চনৰ ৬ মাৰ্চত মঙলদৈ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰে। পাছলৈ তেওঁ উক্ত বিভাগৰ মুৰব্বী অধ্যাপকৰ পদো অলংকৃত কৰে। তেওঁ মঙলদৈ মহাবিদ্যালয়ত সুদীৰ্ঘ ২৮ বছৰ ২ মাহ



অধ্যাপনা কৰে। অল্পভাষী, আদৰ্শ শিক্ষক জগন্নাথ শৰ্মা দেৱে ইং ২০০০ চনৰ ৩০ এপ্ৰিলত অৱসৰ গ্ৰহণ কৰে। বৰ্ত্তমান তেওঁ মঙলদৈৰ ৰাজাপাম নিবাসী।

(১৭) **অধ্যাপক ক্ষীতেশ্বৰ কোচ;** *এম.এ.বি.টি., এল.এল.বি -* শ্ৰীযুত ক্ষীতেশ্বৰ কোচ দেৱে ইং ১৯৪০ চনৰ ৩১ মে তাৰিখে চপাই মৌজাৰ চমুৱাপাৰা গাঁৱত জন্মগ্ৰহণ কৰে। তেওঁ ক্ৰমে সৰাবাৰী (দেওধনী ঘাট) মজলীয়া বিদ্যালয়, দেওমৰনৈ উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰি ইং ১৯৬৭ চনৰ ২৪ জুলাইত মঙলদৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগত প্ৰৱক্তা হিচাপে যোগ দিয়ে।



সদা স্পষ্টবাদী নিৰ্ভীক অধ্যাপক কোচ দেৱে সুদীৰ্ঘ ৩২ বছৰ ৩ মাহ অধ্যাপনা কৰি মঙলদৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ মুৰব্বী অধ্যাপক পদৰ পৰা ইং ২০০০ চনৰ ৩১ মেʼত অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পাছত তেওঁ মঙলদৈ কৰ্টত

অধিবক্তা হিচাপে যোগ দিয়ে। বৰ্ত্তমান মঙলদৈ চহৰ নিবাসী কোচ দেৱ আঞ্চলিকতাবাদী ৰাজনীতিৰ এগৰাকী নিষ্ঠাবান কৰ্মী।

(১৮) **অধ্যাপক ইদ্রিছ আলি;** *এম.এ.* - শিশু সাহিত্যিক এম. ইব্ৰাহীম আলিৰ পুত্ৰ চালেহ মহম্মদ ইদ্রিছ আলি (এ.এছ.এম ইদ্রিছ আলি) ইং ১৯৪১ চনৰ ৩১ মাৰ্চত জন্ম হয়। তেওঁ ১৯৮৭ চনৰ ২৫ আগষ্টত মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে। ইয়াৰ আগতে তেওঁ নগাওঁ ছোৱালী মহাবিদ্যালয়ত অধ্যাপনা কৰিছিল। কবি গীতিকাৰ আলি চাহেবক অসমীয়া সাহিত্যিক সমাজে চমুকৈ ইদ্রিছ আলি নামেৰেহে জানে। তেওঁ মঙলদৈ মহাবিদ্যালয়ত অধ্যাপনা কৰি থকা কালতে অসম সাহিত্য সভাৰ উপসভাপতি পদতো অধিষ্ঠিত হৈছিল। আলি চাহেবে মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক পদৰ পৰা ইং ২০০১ চনৰ ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰে। সুবক্তা, কৃতী অধ্যাপক আলি চাহেবে মঙলদৈ মহাবিদ্যালয়ত ১৩ বছৰ ৮ মাহ অধ্যাপনা কৰে। তেওঁক অসম চৰকাৰে সাহিত্যিক পেঞ্চন আগবঢ়ায়। বৰ্ত্তমান তেওঁ মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া স্নাতকোত্তৰ শ্ৰেণীবো অংশকালীন অধ্যাপক। তেওঁ মঙলদৈ ২ নং ৱাৰ্ডৰ সাহিত্য নগৰ নিবাসী।



(১৯) **অধ্যাপক শৰৎ চন্দ্ৰ শৰ্মা;** *এম.এ., বি.টি.* - শ্ৰীযুত শৰৎ চন্দ্ৰ শৰ্মা দেৱে ইং ১৯৪১ চনৰ ৩১ আগষ্টত ৰইনাকুছি মৌজাৰ ব্যাসপাৰা গাঁৱত জন্ম গ্ৰহণ কৰে। তেওঁ ইং ১৯৬৯ চনৰ ১ ছেপ্তেম্বৰত মঙলদৈ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰে। সুদীৰ্ঘ ৩২ বছৰ ৪ মাহ উক্ত বিভাগত অধ্যাপনা কৰি ইং ২০০১ চনৰ ৩১ আগষ্টত তেওঁ বিভাগীয় মুৰব্বী পদত থাকি অৱসৰ গ্ৰহণ কৰে। বিভিন্ন কাকত আলোচনীৰ অৰ্থনৈতিক নিবন্ধকাৰ শৰৎ চন্দ্ৰ শৰ্মা বৰ্ত্তমান মঙলদৈ মিলনপুৰ নিবাসী।



(২০) **অধ্যাপক ভাৰত চন্দ্ৰ শৰ্মা;** *এম.এ.* - ইং ১৯৪১ চনৰ ৩১ আগষ্টত মঙলদৈ চহৰৰ সমীপৰ বামুণপাৰা গাঁৱত জন্ম গ্ৰহণ কৰা ভাৰত চন্দ্ৰ শৰ্মা দেৱে ইং ১৯৭১ চনৰ ৩ এপ্ৰিলত মঙলদৈ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰে। তেওঁ ইং ২০০১ চনৰ ৩১ আগষ্টত এই মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক পদৰ পৰাই অৱসৰ গ্ৰহণ কৰে। সহজ-সৰল আদৰ্শবান শিক্ষক হিচাপে সৰ্বজন প্ৰিয় ভাৰত চন্দ্ৰ শৰ্মাই তেওঁৰ সুদীৰ্ঘ ৩০ বছৰ ৪ মাহ চাকৰি জীৱনত মাত্ৰ কেইটিমান হে আকস্মিক ছুটী লৈ এক বিৰল উদাহৰণ ৰাখি থৈ গৈছে বুলি জনা যায়। তেওঁ অমঞ্জুৰীপ্ৰাপ্ত মঙলদৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ পদ অলংকৃত কৰিছে। বৰ্ত্তমান তেওঁ ২নং বামুণপাৰা নিবাসী।



(২১) **অধ্যাপিকা দিপালী নেওগ;** *এম.এছ.ছি.* - শ্ৰীমতী দিপালী নেওঁগ ইং ১৯৪২ চনৰ ৩১ মে'ত উজনি অসমৰ শিৱসাগৰ জিলাত জন্ম গ্ৰহণ কৰে। তেওঁ ইং ১৯৬৬ চনৰ ১২ আগষ্টত মঙলদৈ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগত প্ৰৱক্তা হিচাপে যোগদান কৰে। তেওঁ উক্ত বিভাগত সুদীৰ্ঘ ৩৫ বছৰ অধ্যাপনা কৰি ইং ২০০২ চনৰ ৩১ মে'ত বিভাগীয় মুৰব্বী অধ্যাপিকা পদৰ পৰা অৱসৰ গ্ৰহণ কৰে।



সদা সহজ সৰল আৰু অসমীয়া সাজ-কাপোৰ পৰিহিতা শ্ৰীমতী নেওগ দৰং জিলা গ্ৰাহক সুৰক্ষা ফৰাম'ৰ এগৰাকী অন্যতম সদস্য আছিল। বৰ্ত্তমান তেওঁ মঙলদৈ শলালপাৰা নিবাসী এগৰাকী সৰবৰহী মহিলা।

*জামালুদ্দিন আহমেদ মঙলদৈ মহাবিদ্যালয়ৰ আৰবী বিভাগৰ মুৰব্বী অধ্যাপক।*

# মঙলদৈ মহাবিদ্যালয়ৰ অকালতে মৃত্যু বৰণ কৰা আৰু কলেজ এৰি যোৱা কেইগৰাকীমান শিক্ষক-শিক্ষয়িত্ৰী

মতিৰাম মেধি

মঙলদৈ মহাবিদ্যালয়ত দীৰ্ঘকাল অধ্যাপনা কৰি অনুষ্ঠানখনিৰ বৌদ্ধিক উন্নয়নৰ দিশত যথেষ্ট অৰিহণা যোগাই ভালেকেইজন মাননীয় শিক্ষক-শিক্ষয়িত্ৰীয়ে অন্য সংস্থান পাই গুচি গৈছে বা কেইজনমানক আমাৰ মাজৰ পৰা অকালতে নিয়তিয়ে লৈ গৈছে। তেওঁলোকৰ স্মৃতি সংক্ষেপে ধৰি ৰখাৰ প্ৰয়াস কৰা হ'ল-

**চাকৰি কৰি থকা অৱস্থাত মৃত্যু বৰণ কৰা প্ৰৱক্তাসকলঃ**

**অধ্যাপক সুৰেণ ডেকা** এম-এচ-চিঃ- প্ৰয়াত সুৰেণ ডেকাদেৱে ছিপাঝাৰৰ ব্যাসপাৰা গাৱত জন্ম গ্ৰহণ কৰে। তেখেতে ১৯৬৯ চনত মঙলদৈ মহাবিদ্যালয়ত জীৱবিজ্ঞানৰ (Biology) মুৰব্বী প্ৰৱক্তা হিচাপে যোগদান কৰে আৰু তেওঁৰ যত্নতে উক্ত বিভাগটিয়ে মহাবিদ্যালয়ৰ এটি লেখৰ বিভাগ হিচাপে অগ্ৰগতি লাভ কৰে। পিছত ১৯৭৪ চনত উদ্ভিদ বিজ্ঞান আৰু প্ৰাণী বিজ্ঞান দুটা সুকীয়া বিভাগ হোৱাত ডেকাদেৱ উদ্ভিদবিদ্যা বিভাগৰ মুৰব্বী হয়। নিজৰ বিভাগটি নিয়াৰিকৈ পৰিচালনা কৰাৰ উপৰিও ডেকাদেৱে সেই সময়ৰ অধ্যক্ষ শ্ৰীযুত প্ৰবোধ গোস্বামী দেৱৰ লগত শ্ৰেণীকোঠা নিৰ্মান, গছপুলি ৰোৱা আদি মহাবিদ্যালয়ৰ বিভিন্ন উন্নয়নমূলক কামত আগভাগ লৈছিল। এজন অমায়িক শিক্ষক হিচাপে সৰ্বজন প্ৰিয় ডেকাদেৱে কলেজখন আৰু উদ্ভিদ বিজ্ঞান বিভাগটিক মনে ভবা মতে গঢ় দিবলৈ নৌ পাওঁতেই তেখেতক ১৯৮২ চনৰ চেপ্তেম্বৰ মাহত নিষ্ঠুৰ কালে আমাৰ মাজৰ পৰা লৈ যায়।



**অধ্যাপিকা মিচ্ নাহাৰুণ নেচা,** *এম-এ-* দৰং জিলাৰ টংলা নগৰত জন্মগ্ৰহণ কৰা প্ৰয়াত নাহাৰুণ নেচাই ১৯৬৪ চনত মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ এগৰাকী প্ৰৱক্তা হিচাপে যোগদান কৰে। পাণ্ডিত্যপূৰ্ণ, সুকণ্ঠী পঠনেৰে সকলোকে মোহিত কৰিব পৰা এই গৰাকী বাইদেৱে অসমীয়া বিষয়টিৰ উন্নয়নৰ বাবে চিন্তা-চৰ্চা কৰাৰ লগতে কলেজৰ ছাত্ৰী নিবাসৰ অধীক্ষিকা, মঙলদৈ কলেজ সাহিত্য চ'ৰা, কলেজ আলোচনী আদিৰ দায়িত্ব লৈ যথেষ্ট অৰিহণাৰে সমৃদ্ধ কৰিছে। তদুপৰি অসমীয়া ভাষা-সাহিত্যৰ বিভিন্ন প্ৰবন্ধ পাতি লেখি বিদ্বৎ সমাজত সমাদৃত হৈছে। চাকৰি কাল শেষ নৌহওতেই এই গৰাকী বিদুষী মহিলাক আমাৰ মাজৰ পৰা নিয়তিয়ে হৰি নিয়ে।



**অধ্যাপিকা বিদ্যুৎ প্ৰভা দাস-**

*এম.এছ.চি, বি.টি* - ১৯৭২ চনত প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰৱক্তা হিচাবে বিদ্যুৎ প্ৰভা দাসে যোগদান কৰে। পিছত ১৯৭৪ চনত প্ৰাণী বিজ্ঞান বিভাগটি পৃথক বিভাগ হোৱাত প্ৰয়াত দাস উক্ত বিভাগৰ মুৰব্বী অধ্যাপিকা হয় আৰু ২০০০ চনৰ ৮ জানুৱাৰীলৈ তেখেত উক্ত পদতে কাৰ্য্যনিৰ্বাহ কৰি থাকে। এই গৰাকী অধ্যাপিকাৰ যত্নতে মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগটি সকলো দিশতে পূৰ্ণতা প্ৰাপ্ত হয়। বিশেষকৈ প্ৰয়াত দাসৰ সুদক্ষ পৰিচালনাত ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণী লাভ কৰাৰ লগতে ১৯৮৮ চনত এগৰাকী ছাত্ৰীয়ে প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে। উল্লেখযোগ্য যে তেখেতে প্ৰায় ১৫ বছৰ কাল মহাবিদ্যালয় ছাত্ৰী নিবাসৰ অধীক্ষিকা হিচাপে দক্ষতাৰে সেৱা আগবঢ়াই। তেখেতৰ অকাল মৃত্যুত প্ৰাণী বিজ্ঞান বিভাগৰ লগত মহাবিদ্যালয়ৰ যথেষ্ট ক্ষতি হ'ল।



সোনালী জয়ন্তীৰ এই শুভ মুহূৰ্ত্তত প্ৰয়াত আটাইকে আমি শ্ৰদ্ধা নিবেদিছোঁ।

**মঙলদৈ মহাবিদ্যালয় এৰি যোৱা কেইজনমান প্ৰৱক্তা ঃ**

**অধ্যাপক মদন লাল চতুৰ্বেদী,** *এম.এ. (ডবল), বি.টি.-* মঙলদৈ মহাবিদ্যালয়ৰ বিদ্যায়তনিক দিশত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা আহি অতি কষ্ট আৰু ত্যাগেৰে সেৱা আগবঢ়োৱা ব্যক্তিসকলৰ অন্যতম আছিল শ্ৰীযুত মদনলাল চতুৰ্বেদীদেৱ। উত্তৰ প্ৰদেশৰ সীতাপুৰ চহৰৰ পৰা আহি ১৯৬৩ চনত মঙলদৈ মহাবিদ্যালয়ত ভূগোলৰ মুৰব্বী হিচাপে যোগদান কৰা শ্ৰীযুত চতুৰ্বেদী চাৰ সুন্দৰ চেহেৰাৰ এজন পণ্ডিত লোক আছিল। তেখেতৰ সুদক্ষ পৰিচালনাত মঙলদৈ মহাবিদ্যালয়ত ভূগোল বিভাগটিয়ে সমগ্ৰ অসমতে এটি সুকীয়া নামেৰে পৰিচিত হয়। বিশেষকৈ ১৯৭২ চনত উক্ত বিভাগত আৰম্ভ হোৱা সন্মান পাঠ্যক্ৰমত, ১৯৭৫ চনৰ স্নাতক পৰীক্ষাত এজন ছাত্ৰই প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান দখল কৰি গুৱাহাটী বিশ্ববিদ্যালয়ত মঙলদৈ মহাবিদ্যালয়ৰ নাম গৌৰৱেৰে লিপিবদ্ধ কৰে। চতুৰ্বেদী চাৰৰ ব্যক্তিত্ব, পাণ্ডিত্য আৰু মধুৰ ভাষণে ছাত্ৰ-ছাত্ৰীসকলক ভূগোলৰ প্ৰতি বিশেষভাৱে আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। ফলত দৰঙৰ বাহিৰৰ বিভিন্ন ঠাইৰ ছাত্ৰ-ছাত্ৰী মঙলদৈ কলেজত ভূগোল পঢ়িবলৈ আহিছিল। তেখেতৰ লগতে সেই সময়ৰ ভূগোল বিভাগৰ আন আন প্ৰৱক্তা সকলে 'ভূগোল পঢ়া'ৰ যি পৰিৱেশ গঢ়ি তুলিছিল তাৰ ফলস্বৰূপে বৰ্ত্তমানলৈ ভালেমান ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণী পোৱাৰ উপৰিও এতিয়ালৈকে চাৰিজন ছাত্ৰই গুৰু পাঠ্যক্ৰমত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হৈছে। ১৯৮১ চনত তেখেতে মঙলদৈ কলেজ এৰি যায় যদিও দৰঙৰ প্ৰতিগৰাকী ভূগোল প্ৰেমী প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মাজত চতুৰ্বেদী চাৰ সদায়ে বিৰাজমান।



**অধ্যাপিকা শ্ৰীবিজয়া চক্ৰবৰ্ত্তী,** *এম.এ.-* মঙলদৈ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগটি অধিক সুন্দৰ আৰু শক্তিশালী হৈ উঠে ১৯৬৫ চনত শ্ৰীবিজয়া চক্ৰবৰ্ত্তী বাইদেউৱে শিক্ষয়িত্ৰী হিচাপে যোগদান কৰাৰ পিছতে। এগৰাকী ভাল শিক্ষয়িত্ৰী তথা বিদুষী মহিলা হোৱাৰ উপৰিও শ্ৰদ্ধেয়া বাইদেউ এগৰাকী অভিজ্ঞ খেলুৱৈ আৰু দক্ষ সমাজ সংগঠিকা হিচাপে সমগ্ৰ দৰঙতে পৰিচিত হয়। বিশেষকৈ ছয় বছৰ ধৰি চলা বিদেশী বহিষ্কাৰ আন্দোলনত এগৰাকী সাহসী আৰু ত্যাগী মহিলা নেত্ৰী হিচাপে শ্ৰীযুতা বাইদেউক সকলোৱে মনত ৰাখিছে। তেখেতৰ বলিষ্ঠ ৰাজনৈতিক কৰ্মৰ পটভূমিও মঙলদৈ কলেজ বুলি কলেও ভুল কৰা নহব। কিয়নো মঙলদৈ কলেজত গঢ়ি উঠা তেখেতৰ কৰ্মৰ বুনিয়াদৰ ভিত্তিতে বৰ্ত্তমানে এগৰাকী মন্ত্ৰী হিচাপে দেশক সেৱা কৰিব পাৰিছে। শ্ৰীযুতা বাইদেউৱে মঙলদৈ কলেজত খোৱা পানীৰ বাবে পাঁচ লাখ টকা ব্যয়েৰে এটি গভীৰ নলী-নাদ বহুৱাৰ ব্যৱস্থা কৰি দি শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ উপকাৰ সাধন কৰিছে।



**অধ্যাপক শশীভূষন লালকৰ্ণ,** *এম.এ.; বি.এড, বি.এল.-* ১৯৬৫ চনতে বিহাৰৰ পৰা আহি মঙলদৈ মহাবিদ্যালয়ত ইংৰাজী বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰা প্ৰয়াত শশীভূষন লালকৰ্ণ এজন দক্ষ শিক্ষক আছিল। ১৯৮০ চনতে তেখেতে মঙলদৈ কলেজ এৰি গুচি যায় যদিও তেখেতৰ শ্ৰুতি মধুৰ ইংৰাজী পাঠ পঠনে সকলো ছাত্ৰ-ছাত্ৰীকে মুগ্ধ কৰিবলৈ সক্ষম হৈছিল। "লাল চাৰ" হিচাপে পৰিচিত এই গৰাকী শিক্ষকৰ চেষ্টাত ইংৰাজীৰ বহুতো জটিল পাঠো সহজতে ছাত্ৰ-ছাত্ৰীৰ বোধগম্য হৈছিল। মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে এই গৰাকী শিক্ষকক সদায়ে সোঁৱৰণ কৰিব।

**অধ্যাপক মিনহাৰ আলি মণ্ডল,** *এম.এ.এল.এল.বি-* ধুবুৰী জিলাৰ মানকাছাৰত জন্ম গ্ৰহণ কৰা শ্ৰীযুত মণ্ডলদেৱে ১৯৭২ চনত মঙলদৈ মহাবিদ্যালয়ত ইংৰাজী বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰে। এগৰাকী জনপ্ৰিয় শিক্ষক হিচাপে মণ্ডলদেৱে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক ৰসাল বক্তৃতাৰে ইংৰাজী সাহিত্যৰ প্ৰতি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। বাওঁপন্থী আদৰ্শৰে প্ৰভাবিত মণ্ডল চাৰে নিজস্ব ভাবাদৰ্শৰে আৰু নিয়মানুবৰ্ত্তিতাৰে শ্ৰেণীত পাঠদান কৰিছিল।



**অধ্যাপক ৰণেন্দু সেন,** *এম.এ.-* কলকাতা নিবাসী শ্ৰীযুত সেনদেৱে ১৯৬৬ চনত বঙালী বিভাগৰ প্ৰৱক্তা হিচাপে মঙলদৈ মহাবিদ্যালয়লৈ আহে। অমায়িক, শান্ত সেনদেৱ বঙালী সাহিত্যৰ এগৰাকী পণ্ডিত লোক। তেখেতে বিভিন্ন প্ৰবন্ধ পাতি লেখাৰ উপৰিও সুকুমাৰ কলাৰ প্ৰতি আগ্ৰহী ব্যক্তি আছিল। পাৰিবাৰিক কাৰণত তেখেতে মঙলদৈ কলেজ ১৯৮০ চনৰ মাজভাগত এৰি যায় যদিও তেখেতৰ সজগুণবোৰ এতিয়াও সজীৱ হৈ আছে।



এইসকল শিক্ষক-শিক্ষয়িত্ৰীৰ উপৰিও বিভিন্ন সময়ত বিভিন্নজনে কম সময়ৰ বাবে মঙলদৈ মহাবিদ্যালয়ত শিক্ষকতা কৰিছে। এই সকলো শিক্ষক-শিক্ষয়িত্ৰীৰ নাম বিভাগীয় সংক্ষিপ্ত পৰিচিতি যোগে প্ৰকাশ কৰা হৈছে।



# প্ৰয়াত জীৱন চন্দ্ৰ শৰ্মা- এক কৰ্মময় জীৱন

প্ৰফুল্ল চন্দ্ৰ শৰ্মা

যিকোনো অনুষ্ঠান প্ৰতিষ্ঠানৰ জন্ম লগ্নত বহু ব্যক্তি জড়িত হৈ পৰি নিঃস্বাৰ্থভাৱে সেই অনুষ্ঠান-প্ৰতিষ্ঠানৰ কাম কৰি আত্মতুষ্টি লভে। মঙ্গলদৈ মহাবিদ্যালয় প্ৰতিষ্ঠাহোৱাৰ প্ৰাকমুহূৰ্ত্তত সেইদৰেই নিবিড়ভাৱে জড়িত হৈ পৰিছিল মঙ্গলদৈ বাসী আদৰ্শবান, কৰ্ত্তব্যপৰায়ণ আমাৰ পিতৃ প্ৰয়াত জীৱন চন্দ্ৰ শৰ্ম্মাদেৱ।

মঙ্গলদৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ শুভলগনত মহাবিদ্যালয়ৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত কৰ্ম্মযোগী, দৃঢ়মনা প্ৰয়াত শৰ্ম্মাদেৱৰ কণ্ঠকৰ, কৰ্ম্মময় জীৱনৰ কৰ্ম্মৰাজি মানসপটত ভাঁহি উঠিছে।

জীৱন যুদ্ধৰ সংগ্ৰামী শৰ্ম্মাদেৱে পিতৃ ঁজগন্নাথ শৰ্ম্মা আৰু মাতৃ ঁৰত্নেশ্বৰী দেৱীৰ দ্বিতীয় সন্তান ৰূপে ইং ১৯০৮ চনৰ ২ জানুৱাৰী তাৰিখে জন্ম গ্ৰহণ কৰিছিল ছিপাঝাৰৰ হাজৰিকাপাৰা গাঁৱত।

শৰ্ম্মাদেৱে মঙ্গলদৈ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত ১৯৩২ চনত এণ্ট্ৰেন্স পৰীক্ষা সুখ্যাতিৰে পাছ কৰি গুৱহাটীৰ কটন কলেজত নাম ভৰ্ত্তি কৰি পিছত ৰুৰ্কিৰ আৰ্ট স্কুলত পঢ়াৰ মানসেৰে যাৱতীয় নথি পত্ৰ আদি আনি ঘৰুৱা আৰ্থিক অনাটনৰ বাবেই মনৰ অদম্য হেপাঁহ পৰিত্যাগ কৰি শিক্ষা জীৱনৰ সামৰণি পেলাব লগীয়া হৈছিল।

এণ্ট্ৰেন্স পাছ কৰাৰ পিছত ঘৰুৱা শিক্ষকতাৰে চাকৰি জীৱন আৰম্ভ কৰি তেখেতে হাজৰিকাপাৰাত নিজে প্ৰতিষ্ঠা কৰা এম, ভি, স্কুলত শিক্ষকতা, মঙ্গলদৈ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ত কেৰাণী, পুনঃ শিক্ষকতা, মঙ্গলদৈ পাব্লিক পুথিভঁড়ালৰ গ্ৰন্থগাৰিক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি ১৯৩৮ চনত মঙ্গলদৈ লোকেল বৰ্ড (পিছলৈ মহকুমা পৰিষদ) ত নিগাজীকৈ চাকৰি কৰি ১৯৭০ চনত অৱসৰ লোৱাৰ পাছতো চৰকাৰৰ পৰা পোৱা আশ্বাসৰ বাহিৰে পেঞ্চন আৰু অন্যান্য ভাট্টাৰপৰা বঞ্চিত হৈছিল। ইং ১৯৯০ চনত ৮৩ বছৰ বয়সত পৰলোক প্ৰাপ্তি হোৱা সুবিধাবাদী হব নোখোজা শৰ্ম্মাদেৱে ত্যাগ কৰিয়ে আজীৱন কটাই কৰো ওপৰত ক্ষোভ, আক্ষেপ নাৰাখিলে। অভাৱ অনাটনৰ মাজতো তেখেত আৰু তেখেতৰ সুযোগ্যা সহধৰ্ম্মিণী প্ৰয়াত ৰত্নাবালা দেৱীয়ে দুখ, দৈন্য, অৱসাদ, ক্লান্তি সকলো পাহৰি আৰু আনকো সেইবোৰ জানিব নিদি অসীম ধৈৰ্য্য গুণেৰে ছয়পুত্ৰ আৰু দুই জীয়ৰীক সু-শিক্ষাৰে স্নাতক কৰি তুলিছিল।

ভাষা জননীৰ বেদীত উল্লেখনীয় বৰঙণি নেথাকিলেও ব্যস্তময় কৰ্মৰ মাজতো সাহিত্য চৰ্চাৰ কৰি ভাল পোৱা শৰ্ম্মাদেৱৰ হাতে লিখা এখন নাটকৰ উপৰিও বিভিন্ন প্ৰবন্ধ-পাতি, খুহটীয়া গল্প-গুজৰ, ব্ৰহ্মজ্যোতি, প্ৰান্তিক আদি আলোচনীত প্ৰকাশ পাইছিল। শিল্পকৰ্মৰ প্ৰতি ধাউতি থকা তেখেতৰ নিজা সৃষ্টি "ফুলৰ চানেকী"ৰ দুয়োটা খণ্ড হাতে লিখা অৱস্থাত আনৰ হাতত পৰি হৰলুকি হোৱাত তেখেতে মৰ্ম্মান্তিক আঘাত পাইছিল।

কৌতুক অভিনেতা ৰূপে খ্যাতি থকা শৰ্ম্মাদেৱে 'ভাস্কৰবৰ্মা', 'আলিবাবা', 'ছত্ৰপতি শিবাজী', 'মিছৰ কুমাৰী', 'আচাম হলিউদ', 'মগৰীবৰ আজান', 'কাশ্মীৰ কুমাৰী', 'মণিৰাম দেৱান', পহিলা তাৰিখ' প্ৰভৃতি নাটকত অভিনয় কৰি প্ৰশংসিত হৈছিল। শুভ্ৰ খদ্দৰৰ দীঘল পাঞ্জাবী আৰু চুৰিয়া পিন্ধা শৰ্ম্মাই প্ৰথম আৰু শেষবাৰৰ বাবে 'আসাম হলিউদ' নাটকত কোণ্ট-পেণ্ট, নেকটাই পৰিধান কৰি 'ডিৰেকটৰ বাবু'ৰ ভাও দিছিল। তেখেত এগৰাকী ফুটবল আৰু সুদক্ষ ভলীবল খেলুৱৈও আছিল।

মঙ্গলদৈ মহকুমাৰ তেতিয়াৰ মহকুমাধিপতি স্বনামধন্য অমিয় ভূষণ দাসগুপ্ত মহোদয়ৰ উদ্যোগ আৰু আপ্ৰাণ চেষ্টাত মঙ্গলদৈত প্ৰথম এখন নৈশ মাহাবিদ্যালয় ১৯৫১ চনত স্থাপন হয়। মহকুমাধিপতিৰ কাৰ্য্যালয়ৰ পৰা কোনো লোকৰ সন্মতি সাপেক্ষে শৰ্মাদেৱক মহাবিদ্যালয়ৰ অবৈতনিক কাৰ্য্যালয় সহকাৰী হিচাপে নিযুক্তি দিছিল। এখনি নৈশ মহাবিদ্যালয় জন্ম হোৱাৰ আনন্দত, নিৰ্দেশক্ৰমে ২০/৯/৫১ তাৰিখে তেখেতে নিজে কাগজ বহ, ৰেজিষ্ট্ৰাৰ, ৰছিদ বহী বিনামূলীয়াকৈ যা-যোগাৰ কৰি মঙ্গলদৈ পাব্লিক পুথি ভঁড়ালত সন্ধিয়া আই, এ শ্ৰেণীৰ শুভাৰম্ভ সূচনা কৰি ১২ জন ছাত্ৰৰ নাম ভৰ্ত্তি কৰাইছিল। পৰিচালনা সমিতিৰ সভাপতিৰ (মহকুমাধিপতি) পৰা পোৱা সাহসক মূলধন হিচাপে লৈ অৰ্থ-সংগ্ৰকে আদি কৰি প্ৰয়োজনীয় সকলো কাম নিয়াৰিকৈ কৰাৰ উপৰিও জন্মতে মৰহি যাবলৈ নিদি মহাবিদ্যালয়খনৰ উন্নতিৰ হকে দুই এটা অভাৱনীয় কৰ্ম্ম কৰি পৰিচালনা সমিতিৰ ৰোষতো পৰিছিল। অবৈতনিক অধ্যক্ষ আৰু সম্পাদকৰ দীৰ্ঘদিনীয়া অনুপস্থিতত কিছুমান গধুৰ আৰু ক্ষমতাৰ বাহিৰৰ দায়িত্বও উপযাচি মূৰ পাতি লবলগীয়া হৈছিল। ইংৰাজী আৰু বুৰঞ্জীৰ অধ্যাপকৰ স্থায়ী নিযুক্তিলৈ পৰিচালনা সমিতিৰ সৈতে আলোচনাৰ বাবে "শ্ৰেণী ভঙ্গ"ৰ বাবে ছাত্ৰ-সন্থাৰ সম্পাদক মহিবুল হক (অধ্যাপক ড° আমানুল হকৰ জ্যেষ্ঠ ভাতৃ) প্ৰমুখ্যে ছাত্ৰসকলে মহাবিদ্যালয় গুৰি ধৰি খুটি পুতি থকা শৰ্ম্মাদেৱকেই দিয়া নেৱানেপেৰা হেঁচা আৰু অদমনীয় মনোভাবৰ বাবেই নিৰুপায়ত পৰি 'শ্ৰেণীভঙ্গ'ৰ নিৰ্দ্দেশ By order of the Principal বুলি দিবলগীয়া হৈছিল। অধ্যাপক বিচৰাৰ কাৰ্য্যও তেওঁৰ মূৰৰ ওপৰত পৰাত তেজপুৰ, গুৱাহাটী আদি ঠাই ঘূৰি ফুৰিছিল। নিযুক্তিত প্ৰাৰ্থীৰ চৰ্ত্ত কৰ্ত্তৃপক্ষই পূৰণ নকৰা হেতু প্ৰাৰ্থী বিশেষৰপৰা শৰ্ম্মাদেৱেই তিৰষ্কাৰ ঠাট্টা-মস্কৰা পাইছিল। ধৰ্মঘট পৰিহাৰ আৰু ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থৰ বাবে তেজপুৰ দৰং কলেজৰ অধ্যাপক হৃদয় ৰঞ্জন দাস দেৱক ফুচুলাই মেলি অলপ সৰহ বেতনেৰে ইংৰাজী অধ্যাপক হিচাপে নিযুক্তি দিয়াইছিল। পুনঃ ছাত্ৰৰ তীব্ৰতৰ দাবী আৰু মহাবিদ্যালয় বন্ধ হোৱাৰ আশংকা, উৰ্দ্ধতন কৰ্ত্তৃপক্ষৰ হেমাহি, অনুপস্থিতি আদিৰ কথা চিন্তা কৰি আবেদনকাৰী পলাশবাৰীৰ গজেন্দ্ৰ নাথ ঠাকুৰীয়া দেৱক বুৰঞ্জীৰ অধ্যাপক হিচাপে সমিতিৰ অনুমোদন অবিহনে টেলিগ্ৰাম যোগে নিযুক্তি পঠায়। আৰু পিছদিনা সম্পাদক, অধ্যক্ষক বিষয়টো অৱগত কৰাত পৰিচালনা সমিতিৰ ক্ষমতাত হস্তক্ষেপৰ বাবে খঙত অগ্নি শৰ্ম্মা হৈ তেখেতসকলে শৰ্ম্মাদেৱক গালি গালাজ কৰি নানা কটু কথা শুনাইছিল। শৰ্ম্মাদেৱেও ধৈৰ্য্য হেৰুৱাই মহাবিদ্যালয়ৰ উন্নতিৰ বাবেই তেনে কৰা বুলি গৰজি উঠিও ক্ষমা বিছাৰিছিল। সভাপতি উদাৰমনা জিতেন্দ্ৰ নাথ দাস মহোদয়ৰ (দাসগুপ্ত দেৱৰ বদলিৰ পিছত) হস্তক্ষেপত উক্ত নিযুক্তিৰ অনুমোদন হৈছিল। ছাত্ৰ-ছাত্ৰীয়ে অপৰিসীম কষ্ট আৰু যত্নৰ কৃতকাৰ্য্যতাত আনন্দিত হৈ শৰ্ম্মাদেৱক কৃতজ্ঞতা জনাইছিল।

মহাবিদ্যালয় পুথি ভঁড়াল পৰিদৰ্শনৰ কালত শৰ্ম্মাদেৱে বিপাঙত পৰি বুদ্ধি উলিয়াই প্ৰায় কিতাপ শূণ্য দুটা আলমাৰী ৰাতিৰ ভিতৰতে দুই চাৰিখন কলেজীয়া কিতাপ সংগ্ৰহ কৰি আৰু নিজ গৃহৰ পৰা অনা গল্প-উপন্যাস, স্কুলীয়া কিতাপ আদিৰে ভৰ্ত্তি কৰি পৰিদৰ্শকক সন্তুষ্ট কৰাই প্ৰশংসিত হোৱাৰ লগতে মহাবিদ্যালয়ৰ সন্মান ৰাখিছিল। ল'ৰালিত অনা শৰ্ম্মাদেৱৰ অলক্ষিতে ঘৰুৱা কিতাপৰ মাজৰ পৰা ৩/৪ খন পুৰণি ডাইৰেকটৰী পঞ্জিকা ওলোৱাত পিছত হাঁহিৰ ৰগৰ উঠিছিল।

পৰিদৰ্শকে মনোনীত কৰা মহাবিদ্যালয়ৰ বৰ্ত্তমানৰ ৫০ বিঘা মাটিৰ বিৰোধিতা কৰি চহৰৰ পূব প্ৰান্তৰ ৰজাঘৰীয়া ১১ (এঘাৰ) বিঘা মাটিৰ বাবে সেইসময়ৰ পৰিচালনা সমিতিৰ সভাত দুগৰাকী সদস্যই অনুমোদনৰ নেৱানেপেৰাকৈ জোৰ দিয়া কাৰ্য্যত শৰ্মাদেৱে তবধ মানিছিল। সভাৰ অনুমতি লৈ তেখেতে ৫০ বিঘা মটিৰ ভবিষ্যত উপকাৰিতাৰ বিষয়ে যুক্তি সহকাৰে বক্তব্য দাঙি ধৰাত উক্ত সদস্য দুজনে তেখেতক সভাত মাত মতাৰ অধিকাৰ নাই বুলি আৰু অযুক্তিকৰ কথাৰে অপমান কৰিছিল। শৰ্ম্মাদেৱে অপমান পাই তীব্ৰ প্ৰতিবাদ কৰি এইখন পৰিচালনা সমিতিৰ নহয় মঙ্গলদৈয়া ৰাইজৰহে মহাবিদ্যালয় বুলি তেখেতে ক্ষোভ প্ৰকাশ কৰিছিল। শেষত এই ৫০ বিঘা মাটিৰে চূড়ান্ত অনুমোদন হৈছিলগৈ।

সাংসাৰিক বোজা, দুটা চাকৰিৰ অপৰ্য্যাপ্ত পৰিশ্ৰম, মহাবিদ্যালয় কৰ্ত্তৃপক্ষৰ খাম-খেয়ালি ইত্যাদি কাৰণত ১৯৫৩ চনৰ প্ৰথম ভাগত মহাবিদ্যালয়ৰ পদটো ইস্তফা দিয়ে। তেখেতৰ যৎপৰোনাস্তি কষ্টকৰ পৰিশ্ৰম আৰু চেষ্টাই ভাঙোনমুখী মহাবিদ্যালয়খনৰ উন্নতিকৰণৰ হকে যি অৰিহণা যোগাইছিল, আনে নহলেও সেইসময়ৰ প্ৰাক্তন ছাত্ৰই সদায় মনত ৰাখি আহিছে।

উল্লেখ নকৰি নোৱাৰি যে এইজনা অন্যতম প্ৰতিষ্ঠাপক তথা অবৈতনিক কাৰ্য্যালয় সহকাৰীক বিগত ২৫ বছৰীয়া "ৰূপালী জয়ন্তী" কৰ্মকৰ্ত্তা সকলৰ অৱহেলাৰ কাৰণেই উক্ত উৎসৱত আমন্ত্ৰণ নোপোৱা বুলি শৰ্ম্মাদেৱে নিদাৰুণ আঘাত পাই ক্ষোভেৰে আক্ষেপ কৰি লিখি থৈ গৈছে।

শৰ্ম্মাদেৱে মঙ্গলদৈ বাণিজ্য মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো ওতঃপ্ৰোত ভাবে জড়িত হৈ আছিল।

দৃঢ়মনা, সদালাপী, সদাহাস্যমুখী শৰ্ম্মাদেৱৰ নিৰ্ভীক কাৰ্য্য-দক্ষতা আৰু কৰ্মনিপুণতাই আমাক অনুপ্ৰাণিত কৰি আহিছে যদিও নিঃস্বাৰ্থ সমাজসেৱাৰ আদৰ্শ আমি লব পৰা নাই।

*লেখক শ্ৰীশৰ্ম্মা মঙ্গলদৈৰ এগৰাকী সমাজ সেৱী।*

# স্বৰ্গীয় ভূপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱ সম্পৰ্কে দুষাৰ

চন্দ্ৰ কান্ত ডেকা

প্ৰয়াত ভূপেন্দ্ৰ নাৰায়ণ চৌধুৰীদেৱে দৰং জিলাৰ চপাই মৌজাৰ টেঙাবাৰী গাঁৱৰ (বৰ্ত্তমান মঙ্গলদৈ পৌৰ সভা এলেকাৰ (৭নং ওৱাৰ্ড) এটি আঢ্যৱন্ত সংস্কৃতিৱান পৰিয়ালত জন্ম গ্ৰহণ কৰি প্ৰাথমিক শিক্ষা লাভ কৰিছিল মঙলদৈ নগৰ বালক বুনিয়াদী বিদ্যালয়ত। প্ৰাথমিক শিক্ষা শেষ কৰি ১৯৪৭ চনত মঙ্গলদৈ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত (বৰ্ত্তমানৰ মঙ্গলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়) ক্লাচ থ্ৰিত (তৃতীয় শ্ৰেণী) নাম ভৰ্তি কৰি অধ্যয়ন আৰম্ভ কৰিছিল। ইং ১৯৫৬ চনত হাইস্কুলীয়া শিক্ষা সাং কৰি আৰ্থিক অনাটনৰ বাবে উচ্চ শিক্ষা লাভ কৰিব নোৱাৰিলে যদিও উচ্চ শিক্ষা লাভ কৰাৰ প্ৰয়াসেৰে মঙ্গলদৈ মহাবিদ্যালয়ৰ আই. এ. মহলাত (নৈশ) নাম ভৰ্তি কৰিছিল। কিন্তু তাতো আৰ্থিক দুৰ্বলতাই কৃতকাৰ্য্যতাৰ পথত বাধাৰ প্ৰাচীৰ হিচাপে থিয় দিছিল। পৰিয়ালৰ জীৱিকা নিৰ্বাহৰ হেতু মঙ্গলদৈ নগৰ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ (বৰ্ত্তমানৰ মঙ্গলদৈ নগৰ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়) প্ৰধান শিক্ষকৰ কাৰ্য্যালয়ত কাৰ্য্যালয় সহায়ক হিচাপে কাম কৰিব লগীয়াত পৰিছিল। পিছলৈ তেখেতে আৰ্থিক দিশত কিছু সুবিধাৰ্থে মঙ্গলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ কাৰ্য্যালয়ত কাৰ্য্যালয় সহায়ক হিচাপে চাকৰিত যোগদান কৰিছিল। সেই পদস্থলতে কিছুবছৰ সুখ্যতিৰে কাৰ্য্যনিৰ্বাহ কৰাৰ পিছত কৰ্মৰত অৱস্থাতে হঠাৎ হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু বৰণ কৰে। মৃত্যুৰ সময়ত তেখেতে তেখেতৰ মাতৃ, ভ্ৰাতৃ ২ জন, পত্নী, ল'ৰা সন্তান ২জন, কন্যা ৪জনী আৰু বহু বন্ধু বান্ধৱ এৰি থৈ যায়।

জীৱিকাৰ অৰ্থে কৰা উক্ত উল্লেখিত ধৰণৰ কামতেই তেখেত ক্ষান্ত থকা নাছিল। উত্তৰ মঙ্গলদৈ মধ্য ইংৰাজী, উচ্চ ইংৰাজী বিদ্যালয় দুখন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেখেতে যথেষ্ট অৰিহণা আগবঢ়াইছিল। অকল সেয়ে নহয়, তেখেতে উক্ত বিদ্যালয় দুখনত প্ৰতিষ্ঠাপক সম্পাদক হিচাপেও দায়িত্ব বহন কৰিবলগীয়াত পৰিছিল। বিদ্যালয় দুখনৰ প্ৰতিষ্ঠাৰ বেলিকা তেখেত তেখেতৰ সাময়িক সতীৰ্থসকলক লগত লৈ অঞ্চলৰ গাওঁ সমূহৰ লোকৰ ঘৰে ঘৰে গৈ বতৰত ধান, গছ, বাঁহ আদি সংগ্ৰহ কৰিও ঘূৰি ফুৰিবলগীয়া হৈছিল। ইয়াৰ উপৰিও মেধিপাৰা প্ৰাথমিক বিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো তেখেতে প্ৰভূত পৰিমাণৰ সহায় সহযোগিতা আগবঢ়াইছিল। অঞ্চলৰ বহুতো স্বেচ্ছাসেৱী অনুষ্ঠান প্ৰতিষ্ঠানৰ লগতো বিশেষ ভাৱে জড়িত আছিল। বিশেষকৈ ৰাজহুৱা অনুষ্ঠান, - অঞ্চলৰ খেতিয়ক ৰাইজৰ সুবিধাৰ্থে বেগা নদীৰ ওপৰৰ স্বৰ্গীয় দণ্ডিৰাম ডেকা দেৱৰ দ্বাৰা নিৰ্মিত পিছলৈ ভাঙি যোৱা মাটিৰেই কেঁচা বান্ধটোৰ ঠাইতেই অঞ্চলৰ ৰাইজৰ সহযোগত পুনৰ এটা মাটিচে কেঁচা বান্ধ বন্ধাৰ কামো তেখেতে দেহে কেহে লাগি লাগি সম্পন্ন কৰিছিল য'ত পিছলৈ চৰকাৰী সাহায্যত এটা পকা প্ৰতিৰোধক বান্ধো নিৰ্মণ হ'ল।

প্ৰৱেশিকা পৰীক্ষা পাছ কৰাৰ পিছত চাকৰি জীৱন আৰম্ভ কৰাৰ আগেয়ে সেই সময়ৰ অঞ্চলৰ একমাত্ৰ স্বেচ্ছাসেৱী অনুষ্ঠান বুলিবৰ,- "চপাই নৱজ্যোতি সংঘ" টিৰো জন্ম দিয়াতো তেখেতে তেখেতৰ সাময়িক সতীৰ্থসকলৰ সতে যথেষ্ট কষ্ট স্বীকাৰ কৰি সফলতা লাভ কৰিবলৈ সক্ষম হৈছিল। এক কথাত ক'বলৈ হলে সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান বোৰত একাণপতীয়া ভাৱে দৃঢ়তাৰে লাগি সফলতা লভিব পৰা সামাজিক জীৱনটোৰ বাবে তেখেতে অঞ্চলৰ ৰাইজৰ মাজত যথেষ্ট সন্মান, সমাদৰ লাভ কৰিছিল আৰু মৃত্যুৰ পিছতো আজিও শ্ৰদ্ধাৰ পাত্ৰ হৈয়েই আছে আৰু আগলৈও থাকিব।

প্ৰয়াত চৌধুৰী দেৱৰ বিদেহী আত্মাৰ সদ্‌গতি, চিৰশান্তিৰ কামনা কৰিলো।

---

*শ্ৰীডেকা চপাই অঞ্চলৰ এগৰাকী উদ্যোগী ব্যক্তি আৰু এজন সাহিত্যসেৱী।*



# মঙলদৈ মহাবিদ্যালয়ৰ 'ৰাষ্ট্ৰীয় সেৱা আঁচনি', 'কলেজ কেনেল' আৰু 'কৃষি পাম'

ৰাজেন্দ্ৰ বৰুৱা

১৯৫১ চনত ৬০ জন শিক্ষাৰ্থীৰে আৰম্ভ কৰা মঙলদৈ মহাবিদ্যালয় গঢ়ি তোলাত ৰাইজৰ প্ৰভূত বৰঙণি আছে। সেইদৰে মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলেও মহাবিদ্যালয়ৰ শৈক্ষিক দিশত সৰ্ব্বতো প্ৰকাৰে অগ্ৰগতিৰ বাবে কাম কৰি আহিছে। মঙলদৈ মহাবিদ্যালয়ে শৈক্ষিক দিশৰ বাহিৰেও কিছুমান সমাজ সেৱা মূলক কামৰ জৰিয়তে মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। এই প্ৰসঙ্গত ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS), প্ৰাপ্ত বয়স্ক শিক্ষা আঁচনি (Adult Education Scheme), কলেজ কেনেল (College Canal), মঙলদৈ মহাবিদ্যালয়ৰ কৃষি পামৰ নাম উল্লেখযোগ্য। তলত সেইবোৰৰ চমু আভাষ দাঙি ধৰা হ'ল।

**ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS) ঃ** আমাৰ দেশত মহাবিদ্যালয়ত স্নাতক পৰ্য্যায়ত সমাজ সেৱাক পাঠ্যক্ৰমৰ অন্তৰ্ভূক্ত কৰাৰ বিভিন্নজনে পৰামৰ্শ দিছিল যদিও কেইবাটাও পৰ্য্যায় অতিক্ৰম কৰাৰ পিচত গান্ধী জন্ম শতবাৰ্ষিকীৰ লগত সঙ্গতি ৰাখি ১৯৬৯ চনৰ ২৪ চেপ্তেম্বৰৰ পৰা ৩৭ খন বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয়ত ঐচ্ছিক ভাবে ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS) প্ৰৱৰ্ত্তন কৰা হৈছে। বৰ্ত্তমানে ভাৰতৰ প্ৰায় সকলো বিশ্ববিদ্যালয়কে এই আঁচনিৰ অন্তৰ্ভূক্ত কৰা হৈছে।

**এন. এছ. এছৰ. মূল লক্ষ্য ঃ** ই মূলতঃ ৰাষ্ট্ৰীয় সামাজ সেৱা মূলক যুৱ কাৰ্য্যসূচী। ইয়াৰ প্ৰধান লক্ষ্য হ'ল- অধ্যয়নৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা গঠন মূলক কামৰ জৰিয়তে সমাজ আৰু ৰাষ্ট্ৰক সেৱা কৰা, সমাজৰ দুৰ্ব্বল শ্ৰেণীৰ লোকক তেওঁলোকৰ সমস্যা ৰাজিৰ সমাধানৰ উপায় উদ্ভাৱন কৰা, বন্ধ আৰু জিৰণী সময়ৰ সৎ ব্যৱহাৰ কৰা, শ্ৰমৰ মৰ্য্যদা শিকা আৰু অধ্যয়ন কৰি থকা সময়তেই জীৱনৰ বাস্তৱ দিশৰ লগত পৰিচয় হোৱা।

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে আত্মোপলব্ধি, সু-নেতৃত্ব, সাধাৰণ জ্ঞানৰ প্ৰসাৰতা, ছাত্ৰ-ছাত্ৰীৰ মাজত গঢ়ি উঠা যুৱ-উদ্‌বিগ্নতা উপসম ঘটোৱা, সমাজক বুজি পোৱা আৰু সমাজৰ বাস্তৱ সমস্যাবোৰৰ অভিজ্ঞতা লাভ কৰা, সমাজ সেৱাৰ প্ৰকৃত অৰ্থ বুজি পোৱা, শ্ৰমৰ মৰ্যদাৰ যথোপযুক্ত ব্যৱহাৰ কৰা, সমাজ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত সু-সম্পৰ্ক গঢ়ি তোলা আদি গুণ লাভ কৰিবলৈ সমৰ্থ হয়।

**মঙলদৈ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনি ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ত ১৯৭১ চনৰ পৰাই ৰাষ্ট্ৰীয় সেৱা আঁচনি প্ৰৱৰ্ত্তন হয় যদিও আন কেইবাখনো মহাবিদ্যালয়ৰ লগতে মঙলদৈ মহাবিদ্যালয়ত ১৯৭২ চনতহে আৰম্ভ হয়। ১২/৯/৭২ তাৰিখৰ পৰা ২১/৯/৭২ তাৰিখলৈ পশ্চিম বঙ্গৰ শান্তি নিকেতনৰ Department of Social Work ৰ দ্বাৰা আয়োজিত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্য্যসূচী বিষয়াৰ (Programme Officer) প্ৰশিক্ষণ লৈ মই ২৩/১২/৭২ তাৰিখৰ পৰা অনুষ্ঠানিক ভাবে মঙলদৈ মহাবিদ্যালয়ত কাম আৰম্ভ কৰো। এই খিনিতে কোৱা ভাল হ'ব যে, প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ পৰিচালনাত গান্ধী জন্ম শতবাৰ্ষিকী উপলক্ষে লোৱা বিভিন্ন কাৰ্য্য-সূচীৰ জৰিয়তে মহাবিদ্যালয়ত এটা সমাজসেৱাৰ পৰিৱেশ ইতিমধ্যেই গঢ়ি উঠিছিল। এই ক্ষেত্ৰত অধ্যক্ষ শ্ৰীযুত প্ৰবোধ চন্দ্ৰ গোস্বামী আৰু সমাজসেৱা বিভাগৰ সম্পাদক ছাত্ৰ শ্ৰীহেমকান্ত শইকীয়াৰ নাম উল্লেখযোগ্য।

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ জৰিয়তে দেওবাৰে বা বন্ধৰ দিনত অৰ্দ্ধদিনীয়া, এদিনীয়াকৈ সমাজ সেৱাৰ কাম কৰা হয়। বছৰেকত এটা ২/৩ দিনীয়া শিবিৰ পতা হয়। প্ৰায় প্ৰত্যেক বছৰতে একোটাকৈ পাঁচ দিনীয়া বা দহ দিনীয়া "বিশেষ শিবিৰ" পাতি পালিত গাওঁত (Adopted Village) শ্ৰমদান, আৰ্থ-সামাজিক শৈক্ষিক জৰীপ কৰা হয়। ছাত্ৰ-ছাত্ৰীৰ উপযোগী বিভিন্ন বিষয়ৰ ওপৰত বিভাগীয় অভিজ্ঞ লোকৰ দ্বাৰা (Resource Person) আলোচনা চক্ৰ, কৰ্মশালাৰ আয়োজন কৰা হয়। মনোৰঞ্জনৰ বাবে সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ নিজা নতুন সৃষ্টিৰ প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ দিয়া হয়।

মহাবিদ্যালয়ত অনুষ্ঠিত বিভিন্ন সমাবেশত স্বেচ্ছাসেৱক সকলে অংশগ্ৰহণ কৰাৰ উপৰিও, মঙলদৈ ৰাসোৎসৱ, চকু চিকিৎসা শিবিৰ, বানপানী, আদিৰ সময়ত নিয়মীয়া সেৱা আগবঢ়ায়। শিক্ষক-শিক্ষয়িত্ৰী সকলে সততে সহযোগ কৰি ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰে।

**১৯৭২ চনৰ পৰা ২০০২ চনলৈ মঙলদৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সমাজসেৱা শিবিৰ ঃ**

১৯৭২ চনৰ পৰা ২০০২ চনলৈ মুঠ ২১ টা বছৰেকীয়া বিশেষ সমাজ সেৱা শিবিৰ অনুষ্ঠিত হয়। সমাজসেৱা শিবিৰৰ জৰিয়তে নাহৰবাৰী, সৰাবাৰী, নাৰিকলি, কমাৰপাৰা, কপালী বস্তি, গোসাইগাওঁ, গেৰীমাৰী, সাথৈয়া কুমাৰ পৰা, বামুণপাৰা-মিলনপুৰ আৰু মঙলদৈ মহাবিদ্যালয় কৃষি পামত শ্ৰমদান আৰু সামাজিক অৰ্থনৈতিক জৰীপ কৰা হয়। এই শিবিৰ বোৰৰ ভিতৰত নাহৰবাৰীত জলসিঞ্চনৰ বাবে দোঙখন্দা, সৰাবাৰী দলংঘাটত মাথাউৰি বান্ধা, নাৰিকলীত পুখুৰী পৰিস্কাৰ কৰি মাছ পোহাৰ উপযোগী কৰা, কমাৰপৰা আৰু গোসাইগাওঁত ১০ টা চৌবাচ্ছা সহ দমকল যোগান ধৰা ৰাস্তা মেৰামতি কৰা, সাথৈয়া কুমাৰ পৰাত "কনকলতা পুখুৰীৰ" পাৰ বন্ধা আৰু মাছ পোহাৰ ব্যৱস্থা কৰোৱা, বামণপাৰা মিলনপুৰ হৈ উপহুপাৰালৈ নতুন ৰাস্তা তৈয়াৰ কৰা, মঙলদৈ মহাবিদ্যালয়ত কৃষি পাম সম্প্ৰসাৰণ কৰা আদি কাম বিশেষভাৱে উল্লেখযোগ্য। শিবিৰৰ কালছোৱাত ছাত্ৰ-ছাত্ৰীৰ উপযোগী বিভিন্ন বিষয়ৰ ওপৰত দক্ষ ব্যক্তিৰ দ্বাৰা বক্তৃতা প্ৰদান কৰা হয়।

২০/৯/৮২ তাৰিখৰ পৰা ২৯/৯/০২ তাৰিখলৈ পশ্চিম বঙ্গৰ আলিপুৰ দুৱাৰত জয়ন্তীত অনুষ্ঠিত শিবিৰত (INTER STATE ECO-DEVELOPMENT CAMP), মঙলদৈ মহাবিদ্যালয় আৰু দক্ষিণ কামৰূপৰ ৩০ জন ছাত্ৰ-ছাত্ৰী কাৰ্য্যসূচী বিষয়া সহ যোগদান কৰি সক্ৰিয় অংশ গ্ৰহণ কৰে।

১৯৭৭ চনত আৰম্ভ কৰি ১৯৮২ চনত সমাপ্ত কৰা NSS ৰ ৫ টা বিশেষ শিবিৰ আৰু ৰাইজৰ সহযোগত "কলেজ কেনেল" খান্দি মঙলদৈ নদীৰ গতি সলনি কৰি ব্ৰহ্মপুত্ৰৰ লগত সংযোগ কৰা কাৰ্য্যৰ দ্বাৰা ৰাষ্ট্ৰীয় পৰ্য্যায়ত সুনাম অৰ্জন হৈছে।

১৬/৭/৮৬ তাৰিখৰ পৰা ২০/৭/৮৬ তাৰিখলৈ মঙলদৈ মহাবিদ্যালয়ত "বিশ্ববিদ্যালয় পৰ্য্যায়ৰ প্ৰশিক্ষণ আৰু সমাজসেৱা শিবিৰত" ৩০০ জন ছাত্ৰ-ছাত্ৰী আৰু ৪৫ জন কাৰ্য্যসূচী বিষয়াই অংশ গ্ৰহণ কৰে।

**মঙলদৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিশেষ কাৰ্য্যসূচী "প্ৰাপ্ত বয়স্কসকলৰ শিক্ষা আঁচনি"**

মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ অংশগ্ৰহণেৰে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিভিন্ন কাম কৰা হয়।

(১) ১৯৭২ চনৰ পৰা ১৯৭৯ চনলৈ স্বাক্ষৰতা অভিযান চলোৱা হৈছে। মঙলদৈ মহাবিদ্যালয়ৰ আৰ্জি শিক্ষা লোৱা আঁচনিৰ ছাত্ৰ কেইজনে কমাৰপাৰা প্ৰাথমিক বিদ্যালয়ত আবেলি অবৈতনিক ভাৱে পাঠদান কৰে। আনবোৰ স্বেচ্ছাসেৱকে নিজ গাওঁ বা মেচৰ ওচৰত থকা নিৰক্ষৰক স্বাক্ষৰ কৰাৰ ব্যৱস্থা কৰি প্ৰতিবেদন দাখিল কৰিছে।

(২) ১৯৭৯ চনৰ ৩ বছৰৰ বাবে National Adult Education Programme ৰ অধীনত ৩০ টা কৈ শিক্ষা কেন্দ্ৰ খোলা হয়। স্বেচ্ছাসেৱক ছাত্ৰ-ছাত্ৰীয়ে নিৰ্দেশক হিচাপে সেৱা আগবঢ়ায়। কাৰ্য্যসূচী বিষয়াই সামগ্ৰীক ভাৱে গোটেই আঁচনি পৰিচালনা কৰে।

(৩) ১৯৮২ চনৰ পৰা ১৯৮৬ চনলৈ Adult Education Programme নামেৰে বয়স্ক শিক্ষা আঁচনি পৰিচালিত হয়। ২৫/৯/৮৬ তাৰিখৰ পৰা ২৯/৯/৮৬ তাৰিখলৈ বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত মঙলদৈ মহাবিদ্যালয়ত ট্ৰাইবেল জনগোষ্ঠীৰ মাজত নিৰক্ষৰতাৰ সমস্যা আৰু তেওঁলোকৰ সামাজিক উন্নয়নৰ সাম্ভাব্য উপায় শীৰ্ষক চেমিনাৰ পতা হয়।

(৪) ১৯৮৬ চনৰ পৰা MPFL বা Mass Programme for Functional Literacy বা ব্যৱহাৰিক জনসাক্ষৰতা আঁচনি মতে কাম কৰা হয়। এই আঁচনিৰ ৰূপায়ণৰ ক্ষেত্ৰত এই লেখকে লিখা আলেখ্য অল ইণ্ডিয়া ৰেডিঅ'ৰ গুৱাহাটী কেন্দ্ৰই ২২/৯/৯২ তাৰিখে সন্ধিয়া আৰু তাৰ পৰৱৰ্ত্তী সময়ত প্ৰচাৰ কৰিছে। সেইদৰে এজন নিৰ্দেশক শ্ৰীপ্ৰমোদ চন্দ্ৰ ডেকা আৰু এজন ন-শিকাৰু শ্ৰীনবেন ডেকাৰ সাক্ষাৎকাৰ টি, ভি ত প্ৰচাৰ হৈছে।

**কলেজ কেনেল (College Canal) ঃ**

**পূৰ্ব্বাভাস ঃ** মঙলদৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ দ্বাৰা "Youth Against Dirt and Disesse" "অপৰিষ্কাৰ, অপৰিছন্নতা আৰু বেমাৰৰ বিৰুদ্ধে যুৱ শক্তি" শীৰ্ষক বিশেষ সমাজ সেৱা শিবিৰ অনুষ্ঠিত কৰা হৈছিল পশ্চিম মঙলদৈৰ কমাৰপাৰা, কপালী বস্তি আদি গাঁৱত ১৯৭৬-৭৭ চনত। ১১/১০/৭৬ পৰা ২০/১০/৭৬ তাৰিখলৈ এই দহদিনীয়া শিবিৰত মঙলদৈ মহাবিদ্যালয়ৰ বাহিৰেও ৰঙিয়া মহাবিদ্যালয়ৰ কাৰ্য্যসূচী বিষয়া শ্ৰীহিৰেণ শৰ্মা আৰু ১৯ জন NSS ছাত্ৰই যোগদান কৰিছিল। শিবিৰ মুকলি কৰিছিল সেই সময়ৰ আসমৰ মীন মন্ত্ৰী শ্ৰীযুত উপেন দাস দেৱে।

এই শিবিৰৰ জৰিয়তে আৰ্থসামাজিক স্বাস্থ্য বিষয়ক জৰীপ, বৃক্ষৰোপণ, প্ৰাথমিক বিদ্যালয় মেৰামতি আদি কাম কৰা হৈছিল। মঙলদৈ ভেৰাঘাট আৰু কলেজৰ ওচৰে-পাজৰে জৰীপ আৰু চৰজমিন কৰি দেখা গৈছিল যে, ওচৰেৰে বৈ যোৱা নোৱা নদী আৰু কিছু আঁতৰত পূবফালেদি বৈ গৈ মনিতাৰিৰ ওচৰত মঙলদৈ নদীৰ লগ লগাত বাৰিষা এই গোটেই অঞ্চল জলমগ্ন হৈ পৰে। দুটা নদীৰ দুয়ো কুল উপচা বানপানীয়ে স্থানীয় ৰাইজক যথেষ্ট আহুকালত পেলায়। মঙলদৈ নদীৰ গতি সলনি কৰি পোনে পোনে ব্ৰহ্মপুত্ৰত পেলাব পাৰিলে এই অঞ্চলৰ ৰাইজৰ কিছু সকাহ হ'ব এইটো চিন্তা পোনতে মনলৈ আহিল।

**মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস গড়াখহনীয়াৰ কবলতঃ**

মঙলদৈ নদীটো মঙলদৈ মহাবিদ্যালয়ৰ দক্ষিণ অংশইদি পূবা-পশ্চিমাকৈ বৈ গৈছে। প্ৰতিবছৰে গড়াখহনীয়া হৈ ১৯৭৫-৭৬ চনত একেবাৰে ওচৰ চাপে আৰু ছাত্ৰী নিবাস গড়াখহনীয়াৰ কবলত পৰাৰ উপক্ৰম হয়। বিভাগীয় কৰ্তৃপক্ষই গড়াখহনীয়া ৰোধ কৰিব যত্ন কৰিছে যদিও ফলৱতী হোৱা নাই। সেই সময়ৰ অধ্যক্ষ আব্দুল মজিদ দেৱে মোৰ সৈতে কমাৰপাৰাত এই বিষয়ে আলোচনা কৰি উৎসাহিত হৈ মঙলদৈ নৈৰ গতি সলনি কৰা কামত আত্মানিয়োগ কৰাৰ সংকল্প গ্ৰহণ কৰে। উল্লেখযোগ্য যে অধ্যক্ষ সকল মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সমিতিৰ পদেন সভাপতি।

**মঙলদৈ নদীৰ গতিপথ ঃ** ১৯৭৭ চনত মঙলদৈ নদী মঙলদৈ চহৰৰ প্ৰায় মাজেৰে বৈ গৈ ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ মাজেৰে (লোহাৰ দলঙৰ তলেৰে) ৰাজ্যিক পৰিবহন নিগমৰ পৰা ৫/৬ গজ মান আঁতৰত এটা চোঁকা ভাজলৈ পশ্চিম উত্তৰফালে গতি কৰে।

ভেৰাৰঘাটত ৫২ নং ৰাষ্ট্ৰীয় পথৰ একেবাৰে কাষেৰে বৈ গৈ মঙলদৈ মহাবিদ্যালয়ৰ পিছফালে দক্ষিণ দিশে বৈ যায় আৰু কিছু দূৰত দক্ষিণ পশ্চিম মুৱা হৈ বঙলাগড়ৰ দক্ষিণে প্ৰায় ৩/৪ কিলোমিটাৰ আঁতৰত মনিটাৰী গাঁৱত পূৱত নোৱা নদীৰ লগত মিলিত হৈ ব্ৰহ্মপুত্ৰত পৰিছে। মঙলদৈ পৰিবহন অস্থানৰ ওচৰৰ পৰা মনিটাৰীৰ ওচৰত লগ লগা মঙলদৈ নদীৰ এই খণ্ডৰ দীঘ প্ৰায় ৪/৫ কিলোমিটাৰ। এই খণ্ড নদীৰ গতি যদি উত্তৰৰ পৰা দক্ষিণলৈ পোনে পোনে বোৱাই নিব পৰা যায় তেতিয়াহলে বানপানীৰ পৰা সকাহ পোৱাৰ ওপৰিও আন কিছুমান উপকাৰ সাধন হব সেয়ে-

কলেজ কেনেল খণ্ডাৰ পৰিকল্পনা কৰা হ'ল নিম্নোক্ত কাৰণত ঃ-

১। প্ৰতি বছৰে হোৱা মঙলদৈ নদী আৰু নোৱা নদীৰ দুকুল উপচি পৰা বানপানী আৰু গড়াখহনীয়াৰ পৰা মঙলদৈ চহৰৰ দক্ষিণ পশ্চিম অঞ্চলক সকাহ দিয়া।

২। মঙলদৈ ছাত্ৰী নিবাস গড়াখহনীয়াৰ পৰা মুক্ত কৰা আৰু নদীৰ বুকুত থকা মাটি উপযুক্ত কামত ব্যৱহাৰ কৰা।

৩। ভেৰাৰঘাটত ৰাষ্ট্ৰীয় ঘাইপথৰ খহনীয়া ৰোধ কৰা।

৪। মঙলদৈ নদী পোনে পোনে ব্ৰহ্মপুত্ৰত পেলাই দিব পাৰিলে মঙলদৈ চহৰৰ সম্প্ৰসাৰণৰ লগতে ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান পতাৰ সুবিধা হ'ব।

৫। গেৰীমাৰী অঞ্চলত থকা প্ৰায় ১৭০০ বিঘা চৰকাৰী মাটি খেতি আৰু আবাসিক কামত ব্যৱহাৰৰ উপযোগী কৰা।

৬। ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ ৰক্ষণা-বেক্ষণ আৰু দক্ষিণ অঞ্চলত পৰিকল্পিত ভাৱে এখন আদৰ্শ চহৰ গঢ়ি তোলা।

৭। বাৰিষা কালত ভৱিষ্যতে ব্ৰহ্মপুত্ৰৰ লগত মঙলদৈ নদীৰ বাণিজ্যিক জলপথৰ ব্যৱস্থা কৰা।

৮। যিহেতু মঙলদৈ নদীৰ এই অংশটোৱে মঙলদৈ চহৰখনক নিকটৱৰ্তী গেৰীমাৰী অঞ্চলৰ পৰা বিশেষকৈ বাৰিষা পৃথককৈ ৰাখিছিল। গতিকে এই প্ৰতিবন্ধক আঁতৰি গ'লে বিভিন্ন ধৰণৰ সা-সুবিধা আহিব লগতে মঙলদৈ নগৰৰ সম্প্ৰসাৰণ হ'ব।

৯। নদীৰ গতি সলনি হ'লে মৰা নদীটো মাছ পালনৰ বাবে ব্যৱহাৰ কৰা।

**কলেজ কেনেল খাণ্ডাৰ প্ৰাৰম্ভিক প্ৰস্তুতি ঃ**

মঙলদৈ নদীৰ চোকা ভাঁজ কাটি ব্ৰহ্মপুত্ৰৰ এক বোঁৱতী সুঁতি (বেগা নদীত) পেলাই ব্ৰহ্মপুত্ৰ নদৰ লগত সংযোগ কৰিবৰ বাবে প্ৰধানকৈ তলত দিয়া প্ৰস্তুতিৰ আৱশ্যক হ'ল -

(ক) ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিশেষ সমাজসেৱা শিবিৰ অনুষ্ঠিত কৰিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত যোগাযোগ আৰু বিশেষ শিবিৰৰ আঁচনি প্ৰস্তুত কৰি দাখিল কৰা হ'ল।

(খ) মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা, শিক্ষক-কৰ্মচাৰী গোট আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধিনায়ক শ্ৰীবিজয় কুমাৰ শৰ্মা আৰু সদস্য সকলৰ লগত আলোচনা কৰা হ'ল।

(গ) মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সমিতিৰ সভাপতি আব্দুল মজিদ দেৱৰ লগত বিতং আলোচনা কৰা হ'ল।

(ঘ) স্থানীয় ৰাইজ আৰু হিতাধিকাৰী গাওঁৰ ৰাইজৰ লগত সাম্ভাব্য সহায়-সহযোগৰ বাবে মুকলি আলোচনা হ'ল।

(ঙ) মহকুমাধিপতি, ৰাজহ চক্ৰ বিষয়া আৰু আন আন সংশ্লিষ্ট বিষয়া সকলৰ লগত যোগাযোগ।

(চ) নদী কটা কামত সহায় কৰিবলৈ "কৰ্ম অভিজ্ঞতা" শিতানত শ্ৰমদানৰ বাবে বিদ্যালয় সমূহলৈ আহ্বান জনোৱা হ'ল।

(ছ) বান নিয়ন্ত্ৰন বিভাগৰ সহকাৰী অভিযন্তা শ্ৰীৰাম কুমাৰ চাহুৰ (বৰ্ত্তমান বৰুৱা) দ্বাৰা কলেজ কেনেলৰ Blue Print কৰি মঙলদৈ নদীৰ Bed Level ৰ পৰা ব্ৰহ্মপুত্ৰৰ সুঁতিৰ Bed Level লৈ ৩৫০০ ফুট কলেজ কেনেলৰ আঁচনি গ্ৰহণ আৰু নক্সা অনুসৰি আৰম্ভণিতে ১০ ফুটৰ পৰা ১২ ফুটলৈ আৰু পিছলৈ ৬ ফুটৰ পৰা ৮ ফুট দ কৰি খন্দাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ল।

**কলেজ কেনেল খন্দাৰ সিদ্ধান্ত আৰু কামৰ আঁচনি ঃ**

সকলো দিশে বিবেচনা কৰি আৰু সকলোৰে পৰা সহায়-সহযোগৰ সম্ভাৱনীয়তালৈ লক্ষ্য কৰি কলেজ কেনেল খন্দা কামৰ বাবে বিশেষ শিবিৰ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হ'ল। ইয়াৰ বাবে কাৰ্য্যসূচী ছপা কৰা হ'ল। ১/১১/৭৭ তাৰিখৰ পৰা ১০/১১/৭৭ তাৰিখলৈ হ'ব লগীয়া এই শিবিৰৰ কাম পৰিচালনাৰ বাবে অধ্যক্ষ মহোদয়ে শিক্ষক কৰ্মচাৰী সকলৰ এখন কাৰ্য্যকৰী সমিতি গঠন কৰি দিয়ে। কাৰ্য্যসূচী বিষয়াই সেইদৰে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত শিবিৰৰ কামৰ দায়িত্ব ভগাই দি এখন ছাত্ৰ-ছাত্ৰী পৰিচালনা সমিতি গঠন কৰি দিয়ে। কাৰ্য্যসূচীত কলেজ কেনেলত শ্ৰমদানৰ বাহিৰেও নিৰক্ষৰতা দূৰীকৰণ, ক্ষুদ্ৰ সঞ্চয় আঁচনি, সমবায় আন্দোলন, পৰিয়াল কল্যান, উন্নত কৃষি পদ্ধতি আদি বিষয়ৰ আলোচনা চক্ৰ, আৰ্থ-সামাজিক স্বাস্থ্য আৰু শিক্ষামূলক জৰীপ আদি কৰাৰ ব্যৱস্থা ৰখা হয়।

আবেলি Games Without Equipment, যেনে বল নোহোৱাকৈ বল খেলা- "ধ্বনি খেলা", মনোযোগী খেল, Music Chair, ভম্মাসুৰ খেল আদি খেলাৰ ব্যৱস্থা ৰখা হয়।

**কলেজ কেনেলৰ কাম আৰম্ভ ঃ**

৩১/১০/৭৭ তাৰিখে শিবিৰাৰ্থী সকলে আবেলি মঙলদৈ মহাবিদ্যালয়ত উপস্থিত হয় আৰু শিবিৰাৰ্থী সকলক লাচিত, চিলাৰায়, পিয়লী, মনিৰাম আৰু শ্বহীদ নামেৰে ৫ টা দলত বিভক্ত কৰা হয়। দল নায়কৰ উপৰিও, কাৰ্য্যালয়, খাদ্য, প্ৰাথমিক চিকিৎসা, আলোচনা চক্ৰ, শ্ৰমদান আদিৰ বাবে একোজনকৈ ছাত্ৰক দায়িত্ব দিয়া হৈছিল। অধিনায়কে সকলো শিবিৰাৰ্থীৰ পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰে। সেইদৰে অধ্যাপক-অধ্যাপিকা সকলকো অধ্যক্ষ মহোদয়ে কামৰ পৰিচালনাৰ দায়িত্ব ভগাই দিয়ে।

১/১১/৭৭ তাৰিখে ৰাতিপুৱাই ৯-৪৫ বজাত আনুষ্ঠানিক ভাৱে শিক্ষা মন্ত্ৰালয় আৰু সামাজিক উন্নয়ন বিভাগৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী শ্ৰীযুতা ৰেণুকা দেৱী বৰকটকীয়ে শিবিৰ মুকলি কৰে। তেখেতৰ লগত সাংসদ হীৰালাল পাটোৱাৰী, বিধায়ক শ্ৰীযুত ৰমেশ চন্দ্ৰ চহৰীয়া, শ্ৰীযুত লক্ষীকান্ত শইকীয়া, মহকুমাধিপতি শ্ৰীভূধৰ চন্দ্ৰ ফাটোৱালী, পৌৰ সভাৰ সভাপতি শ্ৰীহেম ডেকা আৰু ভালেমান লোক উপস্থিত থাকে। এই কেনেল খন্দা কাম ১/১১/৭৭ তাৰিখে আৰম্ভ কৰি ১০/১১/৭৭ তাৰিখে সামৰা হয়। মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰী সকলে শ্ৰমদানত অংশ গ্ৰহণ কৰাৰ উপৰিও চুবুৰীয়া ভালেমান গাওঁৰ লোকে এই কামত অংশ গ্ৰহণ কৰে। ইতিমধ্যে ৩/১১/৭৭ তাৰিখে মঙলদৈৰ লোহা দলঙৰ দক্ষিণ পূব ফালে কলেজ "College Canal, A Bridge to Brahmaputra, NSS, Mangaldai College. 1977" নামেৰে এখন বেনাৰ আঁৰি দিয়াত ওচৰৰ গাঁৱৰ ৰাইজৰ সংখ্যা অংশগ্ৰহণকাৰী হিচাপে আৰু বাঢ়িল। এইদৰে সকলোৰে সহযোগত কলেজ কেনেলৰ কাম আগবাঢ়িল। ৫/১১/৭৭ তাৰিখে সন্ধিয়া আকাশবাণীৰ বাতৰিৰ যোগেদিও এই বিষয়ত প্ৰচাৰ হয়। আনহাতে মঙলদৈস্থ পশুপালন বিষয়া, মীন বিষয়া, কৃষি পৰিদৰ্শক আৰু অন্যান্য দক্ষ ব্যক্তি সকলে বিভিন্ন আলোচনা চক্ৰৰ যোগেদি শিবিৰাৰ্থীসকলক উৎসাহিত কৰে। ৭/১১/৭৭ তাৰিখে NSS ৰ আঞ্চলিক বিষয়া আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ সেই সময়ৰ যুৱ কল্যান বিষয়া শ্ৰীভূপেন চন্দ্ৰ দাসে উক্ত শিবিৰ পৰ্য্যবেক্ষণ কৰি দুই দিন ধৰি শিবিৰাৰ্থী সকলৰ লগত থাকে আৰু শিবিৰাৰ্থী সকলক বিভিন্ন দিহা পৰামৰ্শ দিয়ে।

উক্ত শিবিৰৰ যোগেদি প্ৰস্তাৱিত ৩৫০০ ফুটৰ ভিতৰত

৮০০ ফুট কেনেল খন্দা হয়। ১০/১১/৭৭ তাৰিখে অধ্যক্ষ আব্দুল মজিদ দেৱৰ সভাপতিত্বত বহা সামৰণি অনুষ্ঠানত কলেজ কেনেল সমিতি নামৰ সমিতি এখন গঠন কৰা হয়। এই সমিতিত অধ্যক্ষ আব্দুল মজিদ, সভাপতি, অধ্যাপক ৰাজেন্দ্ৰ বৰুৱা সম্পাদক, শ্ৰীঅশোক ডেকা, শ্ৰীগিৰিধৰ ডেকা আৰু অধ্যাপক শ্ৰীসুৰেন ডেকাক যুটীয়া সম্পাদক আৰু প্ৰত্যেক গাঁৱৰে একোজনকৈ সদস্য লৈ মুঠ ৪২ জনীয়া কলেজ কেনেল কমিটিখন গঠন কৰা হয়।

এই শিবিৰৰ পিছত ১৬/১/৭৮ তাৰিখে ২৩৩ জন গাঁৱৰ ৰাইজৰ অংশগ্ৰহণৰ দ্বাৰা পুনৰ কেনেলৰ কাম আৰম্ভ কৰা হয়। উল্লেখযোগ্য যে সেইদিনা মাঘ বিহু উপলক্ষে অনুষ্ঠিত ৰচী টনা খেলৰ যোগেদি কাম আৰম্ভ কৰা হয়। ৰচী টনা খেলৰ প্ৰথম দল কুমাৰ পাৰা আৰু দ্বিতীয় দল আছিল গোসাইগাওঁৰ ৰাইজ। এইদৰেই ছাত্ৰ-ছাত্ৰী, শিক্ষক, গাৱলীয়া ৰাইজ আৰু বিভিন্ন চৰকাৰী বিষয়াৰ সহযোগত মঙলদৈ নদীৰ মাজত ভেটা দি কলেজ কেনেলেৰে পানী বোৱাই নিয়াৰ চেষ্টা ফলৱতী হয়। ৩৫০০ ফুট দৈৰ্ঘ্যৰ কলেজ কেনেলটিৰে ১৮/৪/৭৮ তাৰিখে আবেলি প্ৰায় ৪ বজাত পোন প্ৰথমবাৰৰ বাবে মঙলদৈ নদী ব্ৰহ্মপুত্ৰৰ লগত সংযোগ কৰা হয়। এই দিনটো মঙলদৈ মহাবিদ্যালয়ৰ কৰ্মী সকলে ৰাইজৰ সহযোগত খন্দা কলেজ কেনেলৰ বাবে স্মৰণীয় দিন। এইদৰেই ১৯৭৭ চনৰ নবেম্বৰ মাহৰ ১ তাৰিখে আৰম্ভ কৰা কলেজ কেনেলৰ কাম NSS ৰ ৫ টা বিশেষ শিবিৰ, ৰাইজৰ শ্ৰমদান, বিভিন্ন বিদ্যালয়ৰ দশম মানৰ কৰ্ম অভিজ্ঞতাৰ কাম, মঙলদৈ বিটি কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু এছ. এছ. বি ৰ স্বেচ্ছাসেবকৰ পৰিশ্ৰমৰ ফলত ১৯৮২ চনৰ ১৬ নবেম্বৰত সম্পূৰ্ণ হয়।

**বিত্তীয় ব্যৱস্থা ঃ**

কলেজ কেনেল খন্দা হোৱাৰ বিনিময়ত কোনো চৰকাৰী অনুদান পোৱা হোৱা নাই যদিও গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৭৭ চনৰ পৰা ১৯৮২ চনলৈ ৫ বছৰত মুঠ ২১ হাজাৰ টকা পোৱা হয়। উক্ত সময়ছোৱাত NSS ৰ বছৰেকীয়া গ্ৰেণ্টৰ পৰা মুঠ ৯ হাজাৰ টকা কেনেলৰ কামত খৰচ কৰা হৈছিল। সেয়ে ৫ বছৰত সৰ্বমুঠ ৩০ হাজাৰ টকাৰে ৰাইজৰ সহযোগত কলেজ কেনেলৰ কাম সম্পূৰ্ণ কৰা হয়।

**কলেজ কেনেলৰ হিতাধিকাৰী ঃ** কলেজ কেনেল খন্দাৰ পিছত মঙলদৈ চহৰৰ দক্ষিণাঞ্চল বানপানী আৰু খহনীয়াৰ পৰা ৰক্ষা পৰে আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান স্থাপিত হয়। তাৰ ভিতৰত-

(১) আইন মহাবিদ্যালয়, কন্যা মহাবিদ্যালয়, কলেজিয়ট হাইস্কুল, নেৰিম, মহৰ্ষি বিদ্যালয় আদি শিক্ষানুষ্ঠান স্থাপন।

(২) ভেবাৰঘাটত স্থায়ী বেচৰকাৰী বাছ আস্থান স্থাপন।

(৩) গেৰীমাৰীত এখন পৰিকল্পিত আবাসিক নগৰ স্থাপন। এই অঞ্চলত বৰ্তমানে ৯১৭ টা পৰিয়ালেৰে মুঠ জনসংখ্যা প্ৰায় ৫০০০ বুলি জানিব পৰা গৈছে।

(৪) গেৰীমাৰী আৰু ইয়াৰ দক্ষিণ পশ্চিমে থকা প্ৰায় ১৭০০ বিঘা চৰকাৰী মাটিত খেতি আৰু বসবাসৰ বাবে উপযোগী কৰা আৰু আবণ্টনৰ জৰিয়তে চৰকাৰৰ ৰাজহ বৃদ্ধি।

(৫) চৌধ্যখন গাওঁ গড়াখহনীয়া আৰু বানপানীৰ পৰা ৰক্ষা পোৱা।

(৬) ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ভেবাৰঘাট অঞ্চলক গড়াখহনীয়াৰ পৰা মুক্ত কৰা।

(৭) মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস আৰু কৃষি পাম মঙলদৈ নদীৰ খহনীয়াৰ পৰা ৰক্ষা কৰা । আৰু

(৮) চৰ অঞ্চললৈ যাতায়তৰ ব্যৱস্থা কৰা ইত্যাদি উল্লেখযোগ্য।

মহাবিদ্যালয় আৰু ৰাইজ তথা চৰকাৰৰ লগত গঠন মূলক কামৰ সম্পৰ্ক স্থাপন হ'ল কলেজ কেনেলৰ যোগেদি; কিয়নো-

(১) বানপানী, গড়াখহনীয়াৰ কবলৰ পৰা মুক্ত কৰাৰ প্ৰচেষ্টা সফল হোৱাত কলেজ আৰু ৰাইজৰ মাজত এটা মধুৰ সম্পৰ্ক গঢ়ি উঠে।

(২) ছাত্ৰ-ছাত্ৰীসকল এই বৃহৎ কামৰ জৰিয়তে আত্মবিশ্বাস আৰু আত্মনিৰ্ভৰশীল হোৱাত সহায়ক হৈছে।

(৩) ৰাইজে উচ্চ শিক্ষানুষ্ঠানৰ প্ৰতি এটা ধনাত্মক মনোভাৱ পোষণ কৰিছে।

(৪) সমাজ তথা দেশৰ প্ৰতি কৰ্তব্য পালনৰ এক মহান আদৰ্শ এই কলেজ কেনেলৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিছে লগতে পঢ়াশুনাৰ উপৰিও যে সামাজিক কামত জড়িত হ'ব পাৰি তাকে প্ৰমাণ কৰিছে।

(৫) বিদেশী বহিষ্কাৰ আন্দোলনৰ সময়ত স্বাৱলম্বী হোৱাৰ মানসিকতাত কলেজ কেনেলৰ কামৰ যোগেদি ছাত্ৰ-ছাত্ৰীক কৰ্ম-সংস্কৃতিৰ আদৰ্শহি বিশেষ ভাবে সহায় কৰিছে আৰু ৰাষ্ট্ৰীয় পৰ্যায়তো সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে।

(৬) এই বৃহৎ কামটি বিভাগীয় পৰিকল্পনাৰে কৰিবলৈ হ'লে কেইবাকোটি টকা আৱশ্যক হ'লহেতেন। কলেজ কেনেলৰ জৰিয়তে অতি কম খৰচতে এই কামটি সমাধা হোৱাত ৰাইজ পৰম উপকৃত হয়।




Dug by : NSS volunteers, teachers and students of Mangaldai College in association with the local people during 1977- 82.

এইদৰেই মঙলদৈ কলেজ কেনেল ছাত্ৰ-ছাত্ৰী আৰু বাইজৰ যোগেদি এটা বৃহৎ অঞ্চল বানপানী আৰু খহনীয়াৰ পৰা ৰক্ষা কৰি যুগমীয়া কৃতি ৰাখিবলৈ সক্ষম হৈছে।

**মঙলদৈ কলেজ কৃষিপাম আৰু আৰ্জি শিক্ষা লোৱা আঁচনিঃ**

১৯৬৯ চনৰ কথা। সেইসময়ত দণ্ডিৰাম দত্ত অসমৰ মন্ত্ৰী আৰু মঙলদৈ কলেজৰ গভাৰ্নিং বডিৰ সভাপতি অধ্যক্ষ শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী আৰু অধ্যাপিকা নগেন শৰ্মাৰ উদ্যোগত এখন কৃষি পাম খোলাৰ ব্যৱস্থা কৰা হ'ল। প্ৰয়াত জনা কলিতাই কোনো পৰিশ্ৰামিক নোলোৱাকৈ নিজা খৰচত খেতিৰ কামত যোগ দিয়ে। তেখেতে দুজন কলেজীয়া ছাত্ৰক কামত সহায় কৰিবলৈ লগত ৰাখিলে। ২৬/৯/৭১ তাৰিখে কলিতা দেৱৰ মৃত্যু হয়। তেখেতৰ আধৰুৱা কৃষি পামৰ আঁচনি সম্পূৰ্ণ কৰাৰ বাবে চিন্তা-চৰ্চা কৰা হ'ল। এই আঁচনিক "Agriculture Bias Scheme" নাম দিয়া হৈছিল।

ভবিষ্যতে যাতে কৃষি বিষয়ৰ পাঠ্যক্ৰম এই কলেজত প্ৰবৰ্ত্তন কৰিব পৰা যায় তালৈ লক্ষ্য ৰাখি এই আঁচনি লোৱা হৈছিল।

**আৰ্জি শিক্ষালোৱা আঁচনি (The Earner Learner Scheme)ঃ**

মঙলদৈ মহাবিদ্যালয়ত বহুতো দুখীয়া ছাত্ৰ দূৰৰ গাওঁৰ পৰা আহি পঢ়ে। হোষ্টেলত থাকিব নোৱাৰে, খৰচৰ অভাৱ। এনেবোৰ দুখীয়া অথবা মেধাৱী ছাত্ৰৰ বাবে আৰ্জি শিক্ষা লোৱাৰ আঁচনি প্ৰবৰ্ত্তন কৰা হ'ল। এই আঁচনি অনুসৰি ছাত্ৰসকলে ফাৰ্মত কাম কৰি উপাৰ্জন কৰিব আৰু উপাৰ্জিত ধনেৰে কলেজত শিক্ষা লাভ কৰিব। ইয়াৰ বাবে তলত দিয়া ধৰণে ব্যৱস্থা ৰখা হ'ল-

(১) কৃষি পামত দুখীয়া মেধাৱী ছাত্ৰই বিনা ভাড়াই থাকি সৰল জীৱন যাপন কৰিব।

(২) সপ্তাহত কমেও দহ ঘণ্টা কৃষি পামত শ্ৰমদান কৰিব।

(৩) কলেজ কৃষি পামৰ ভিতৰতেই কিছু মাটি তেওঁলোকক খেতি কৰিবলৈ দিয়া হ'ব আৰু তাৰ উপাৰ্জন তেওঁলোকৰ নিজা হব। ইয়াৰ বাবে তেওঁলোকে হিচাপ দাখিল কৰিব লাগিব।

(৪) ছাত্ৰ সকলে গোটেই কৃষি পামৰ যত্ন লব লাগিব। বিশেষকৈ চৌহদৰ বেৰ, বতৰৰ খেতি আৰু ফল-মূলৰ বাগিছা আদিৰ।

(৫) কামৰ প্ৰতি আগ্ৰহ আৰু অংশগ্ৰহণ, লগতে পঢ়া শুনাৰ অগ্ৰগতিৰ ওপৰত ভিত্তি কৰি দ্বিতীয় বা তৃতীয় বছৰ ফাৰ্মত ৰখা নৰখা নিৰ্ণয় কৰা হব।

**আৰ্জি শিক্ষা লোৱা আঁচনিৰ পৰা বিশেষ উপকাৰ ঃ**

(১) শ্ৰীইন্দ্ৰ কান্ত কোঁচ উক্ত আঁচনিমতে কলেজ ফাৰ্মত ১৯৭২ চনৰ পৰা ১৯৭৪ চনলৈ দুই বছৰ আছিল আৰু ডিষ্টিংচন লৈ বি.এ. পাছ কৰিছিল। অসমৰ ভিতৰতে প্ৰথম

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শ্ৰেষ্ঠ কলেজ মঙলদৈৰ শ্ৰেষ্ঠ স্বেচ্ছাসেৱক হিচাপে শ্ৰীকোচে ভাৰতৰ বিভিন্ন ৰাজ্যৰ আন এঘাৰজন যুৱকৰ সৈতে জাপান, শ্ৰীলংকা আৰু ভাৰতৰ বিভিন্ন ঠাই ভ্ৰমণৰ সুবিধা পায়।

(২) শ্ৰীমতিৰাম মেধি আৰ্জি শিক্ষালোৱা আঁচনিত ১৯৭২-৭৩ চনত ফাৰ্মত থাকি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত ভূগোল বিষয়ৰ অনাৰ্ছত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে। এওঁ বৰ্ত্তমান মঙলদৈ মহাবিদ্যালয়ৰ জ্যেষ্ঠ প্ৰৱক্তা।

(৩) শ্ৰীদেবেন্দ্ৰ শৰ্মাই উক্ত ফাৰ্মত থাকি সম্পূৰ্ণ পঢ়া খৰচ উলিওৱাৰ উপৰিও ঘৰতো সাময়িক ভাবে নিজা উৎপাদিত আলু আদি দিব পাৰিছিল। শ্ৰীশৰ্মা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ (১৯৭৬-৭৭ বৰ্ষত) অধিনায়ক আছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত যোগাসনত প্ৰথম হৈ গল্ড মেডেল লাভ কৰি কলেজলৈ সন্মান কঢ়িয়াই আনিব পাৰিছিল।

(৪) ইয়াৰ উপৰিও ১৯৭০ চনৰ পৰা ১৯৮৩ চনলৈ মুঠ ৭০ জন ছাত্ৰই পঢ়া খৰচ উলিয়াই পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ সুযোগ পাইছিল।

(৫) শ্ৰীপ্ৰভাত চৌধুৰী মঙলদৈ মহাবিদ্যালয়ৰ কৃষি পামৰ লগত আৰম্ভণিৰে পৰাই জড়িত। তেওঁ ১৯৭২ চনৰ পৰাই কৃষিকামত নিজে জড়িত হৈছিল।

(৬) Earner-Learner Scheme ৰ প্ৰতি সহাঁৰি জনাই মহাবিদ্যালয়ৰ ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসতো আলু আৰু আন আন শাক পাচঁলিৰ খেতি কৰি আবাসী সকলে মেচৰ খৰচ কমাইছিল।

**কৃষি পামৰ ধনাত্মক দিশ ঃ**

(১) ছাত্ৰ সকলৰ মাজত মিতব্যয়ী হোৱাৰ মানসিকতা গঢ়ি উঠিছিল।

(২) কলেজৰ সম্পত্তিৰ ওপৰত চকু দিছিল বা নিয়মানুবৰ্তিতা ৰক্ষা কৰিছিল।

(৩) আত্মবিশ্বাস আৰু আত্মপ্ৰত্যয়ৰ ভাব দৃঢ় হৈছিল।

(৪) আধুনিক কৃষি পদ্ধতি, উন্নত বীজ আৰু সাৰৰ ব্যৱহাৰ সম্পৰ্কে জ্ঞান বাঢ়িছিল।

(৫) কৃষি বিভাগ আৰু খণ্ড উন্নয়ন প্ৰতিষ্ঠানৰ লগত যোগসূত্ৰ স্থাপন হৈছিল।

(৬) নিজে কৰা খেতিৰ ফচল চপাই বিমল আনন্দ লাভ কৰিছিল।

(৭) কলেজ কৃষিপামত উৎপাদিত নানাবিধ তৰকাৰী, ফলমূল শিক্ষক, ছাত্ৰ-ছাত্ৰীয়ে কিনি নি আনন্দ লাভ কৰিছিল। বিশেষকৈ অধ্যক্ষ শ্ৰীযুত প্ৰবোধ চন্দ্ৰ গোস্বামী দেৱে কৃষি পামৰ বিক্ৰী কেন্দ্ৰৰ পৰা নিজে ফচল কিনি নিছিল।

**কৃষি পামৰ অগ্ৰগতি ঃ**

১৯৬৯ চনত আৰম্ভ কৰা কৃষি পামৰ নিয়মীয়া উৎপাদন ১৯৭৭ চনৰ পৰা আৰম্ভ হয়। ১৯৭৩ চনৰ পৰা ১৯৭৭ লৈ উৎপাদিত ফচল বিক্ৰী কৰি পোৱা টকাৰে ১৫ একৰ মাটিৰ স্থায়ী বেৰ, হালৰ গৰু, গৰুগাড়ী, মাটিৰ উন্নয়ন আদিৰ কাম কৰা হয়। উল্লেখযোগ্য যে মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপক শ্ৰীযুত প্ৰভাত চন্দ্ৰ শৰ্মা দেৱে তেওঁৰ নিজৰ বলধ গৰুহাল বিনা পইচাই এবছৰৰ বাবে খেতি কৰিবলৈ দিছিল। ইয়াৰ পিছত ১৯৭৩ চনত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিশেষ শিবিৰৰ জৰিয়তে ৩ একৰ মটিত ফলমূলৰ বাগিচা পতা হয়। আৰ্জি শিক্ষা লোৱা আঁচনিৰ ছাত্ৰ সকলেও প্ৰতি বছৰত নিজে খোৱাৰ উপৰিও উৎপাদিত খেতিৰ ফচল বেচি নিজৰ পঢ়া শুনাত খৰচ কৰিব পাৰিছিল।

১৯৭৯-৮০ চনৰ পৰা বিভিন্ন কাৰণত ফাৰ্মৰ উৎপাদন কমিব ধৰে। বিশেষকৈ বিদেশী বহিষ্কাৰ আন্দোলনৰ প্ৰভাৱ আৰু ছাত্ৰ-ছাত্ৰী সকলৰ আস্থা কমি অহাৰ ওপৰিও ফলমূলৰ বাগিছাৰ পশ্চিমাংশত ছাত্ৰবাস নিৰ্মান কৰিব লোৱাত এই ফাৰ্মৰ প্ৰতি সকলোৰে উদ্যোগ কমি আহে।

**পৰৱৰ্ত্তী কাৰ্য্যসূচী ঃ**

আৰ্জি শিক্ষা লোৱা আঁচনি বন্ধ ৰখা হ'ল। কিন্তু কৃষি পাম চলি থাকিল। কলেজৰ উদ্ভিদ বিদ্যাৰ অধ্যাপক ড° আমানুল হকে এই কৃষি পামতেই গৱেষণা কৰি পি.এইচ.ডি. ডিগ্ৰী লাভ কৰে। কলেজ কৰ্তৃপক্ষৰ আশাসুধীয়া চেষ্টাৰ ফলত বৰ্ত্তমানে উদ্ভিদ বিদ্যা বিভাগৰ দ্বাৰা আৰু নতুনকৈ খোলা ৰেচম বিভাগৰ পাঠ্যক্ৰমৰ দ্বাৰা উন্নত পদ্ধতিৰে খেতি কৰি ছাত্ৰৰ কৃষি কাৰ্য্যৰ প্ৰতি আকৰ্ষিত কৰা হৈছে। সময়ে সময়ে গুৱাহাটী আনাতাঁৰ কেন্দ্ৰৰ যোগেদি কৃষি পামৰ বিষয়ে প্ৰচাৰ কৰা হৈছে। মহাবিদ্যালয়ৰ নতুন ভৱন নিৰ্মাণ কৰিবলগীয়া হোৱাত খেতিৰ মাটি কমি গৈছে। ইতিমধ্যে ৰেচম বিভাগ আৰু উদ্ভিদ বিজ্ঞান বিভাগ স্থাপিত হোৱাত পূৰ্বৰ কৃষি পামৰ ঠাইত কিছু নতুন নতুন গছ-গছনি ৰোপণ কৰা হৈছে। সেয়ে পূৰ্বৰ কৃষিপাম মহাবিদ্যালয়ৰ অন্যান্য আঁচনিৰ লগতে জড়িত হৈছে।

*লেখক মঙলদৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক, এগৰাকী সমাজসেৱী, মনোজ্ঞ ব্যক্তি, মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ৰ'ভাৰ লিডাৰ, এন.এচ.এচ. ৰ কাৰ্য্যসূচী বিষয়া আৰু কৃষিপামৰ গুৰিধৰোঁতা।*



# মঙলদৈ মহাবিদ্যালয়ৰ চমু সাংস্কৃতিক ইতিহাস

প্ৰভাত চৌধুৰী

অৰ্দ্ধ শতিকা গচকা মঙলদৈ মহাবিদ্যালয়ৰ যিদৰে নিজা বিদ্যায়তনিক এক ইতিহাস আছে একেদৰে আছে ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক ইতিহাস। বৰ্ণাঢ্য সাংস্কৃতিক ঐতিহ্যৰে ভৰপূৰ অসমৰ দৰং জিলাৰো আছে স্বকীয় সংস্কৃতি। ১৯৭১ চনলৈ এতিয়াৰ দৰং জিলা (তাহানিৰ মঙলদৈ মহকুমা)ৰ একমাত্ৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ আছিল মঙলদৈ মহাবিদ্যালয়। বৰ্ত্তমানৰ দৰং জিলাৰ সকলো অঞ্চলৰে পৰা অহা ছাত্ৰ-ছাত্ৰীৰ উপৰিও ঢেকিয়াজুলি, উত্তৰ কামৰূপৰ বিভিন্ন ঠাইৰ পৰাও এইখন বিদ্যামন্দিৰলৈ বহুতো ছাত্ৰ ছাত্ৰীৰ আগমন ঘটিছিল আৰু সেই সকলৰ মাজৰ পৰাই বিকশিত হৈছিল বহুতো সম্ভাৱনাপূৰ্ণ গায়ক-গায়িকা, অভিনেতা-অভিনেত্ৰী, বাদ্যযন্ত্ৰী, চিত্ৰ শিল্পী তথা সাংস্কৃতিক কৰ্মীৰ। তেওঁলোকৰ মাজৰ বহু সম্ভাৱনাপূৰ্ণ প্ৰতিভা সুযোগৰ অভাৱত হেৰাই গল আৰু কিছুমানে পৰবৰ্ত্তী কালত সাংস্কৃতিক জগতখনত নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল। বিগত পঞ্চাছ বছৰৰ তেনে প্ৰতিভাবান শিল্পী তথা সাংস্কৃতিক কৰ্মীৰ সম্পূৰ্ণ তালিকা গোটাবলৈ সুদীৰ্ঘ সময় যত্ন কৰা হৈছে যদিও তথ্যৰ অভাৱৰ বাবে বহু ব্যক্তিৰ নাম এই প্ৰবন্ধত হয়তো বাদ পৰি গৈছে। সেই অনিচ্ছাকৃত ত্ৰুটিৰ বাবে সেইসকল নমস্য ব্যক্তিৰ ওচৰত আৰম্ভণিতে বিনম্ৰভাৱে ক্ষমা প্ৰাৰ্থনা কৰা হৈছে।

জন্ম লগ্নত মহাবিদ্যালয়ৰ নিজা গৃহ নাছিল আৰু নৈশ শাখাৰে মঙ্গলদৈ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত পেট্ৰোমাক্সৰ পোহৰত এমুঠিমান বিভিন্ন বয়সৰ ছাত্ৰ-ছাত্ৰীয়ে পাঠ গ্ৰহণ কৰিছিল। সুবিধাৰ বাবে এটা এটা দশকৰ সাংস্কৃতিক ইতিহাস লিখিবলৈ লোৱা হৈছে।

পঞ্চাছৰ দশকৰ আৰম্ভণিতে পহিলা বছৰৰ ছাত্ৰ-ছাত্ৰীসকলে মঙলদৈ নাট্য মন্দিৰত উইলিয়াম শ্বেক্সপিয়েৰৰ নাটক 'Merchant of Venis' ৰ অভিনয় কৰিছিল। ইংৰাজী ভাষাত অভিনীত এই নাটকত অভিনয় কৰা সকলো ব্যক্তিৰ সন্ধান পোৱা নগলেও ৰাজাপাম নিবাসী ˚দীন ডেকাই চাইলকৰ আৰু ৰেণু বৰুৱাই পৰ্চিয়াৰ ভাওত অভিনয় কৰিছিল বুলি জানিব পৰা গৈছে। খুব সম্ভৱ সেইখনেই মঙলদৈত প্ৰথম সহ অভিনীত নাট। এই দশকটোত ছাত্ৰ ছাত্ৰী সকলে সৰস্বতী পূজা নাইবা দীঘলীয়া বন্ধৰ আগতে প্ৰতিবছৰে দুই এখন নাটক মঞ্চস্থ কৰিছিল। পঞ্চাছ-ষাঠি জনমান ছাত্ৰ-ছাত্ৰীৰে দশকটোৰ শেষৰফালে মহাবিদ্যালয়ৰ নিজা গৃহ নিৰ্মাণ হোৱাত বৰ্ত্তমানৰ ঠাইলৈ স্থানান্তৰিত হয়। সেই সময়ত অনুষ্ঠিত হোৱা বিচিত্ৰানুষ্ঠানবোৰত মহাবিদ্যালয়ৰ নিজা শিল্পীৰ উপৰি মঙলদৈ চহৰৰ পাৰদৰ্শী শিল্পীসকলেও যোগদান কৰিছিল। প্ৰথম বছৰৰ ছাত্ৰ শ্ৰীযুত শিৱ প্ৰসাদ ৰাজখোৱা সাংস্কৃতিক সম্পাদক আছিল আৰু গান গাবলৈ চেষ্টা কৰা কথা আমাৰ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ স্মৃতি গ্ৰন্থত নিজে লিখি গৈছে। (ভাল খেলুৱৈ ৰাজখোৱা দেৱ কলকাতা উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ) আন এজন ছাত্ৰ উদয় দাসে তবলা বজাইছিল।

১৯৫৮ চনত মঙলদৈ চহৰৰ চাৰিটা ওৱাৰ্ডত জেনেৰেটৰযোগে বিদ্যুৎ যোগানৰ ব্যৱস্থা হয় যদিও চহৰৰ পৰা দূৰ হোৱা বাবে মহাবিদ্যালয়ত পেট্ৰোমাক্স অব্যাহত থাকে। প্ৰাক্তন অধ্যক্ষ ˚পূৰ্ণচন্দ্ৰ বৰাই প্ৰথম চাকৰিত যোগদান কৰিয়েই সাংস্কৃতিক দিশটো চোৱা চিতা কৰিছিল। সেই সময়ছোৱাৰ কেইগৰাকীমান ছাত্ৰীয়ে মঙলদৈ নাট্য মন্দিৰত ৰূপকোঁৱৰৰ "শোণিত কুঁৱৰী" নাটকখন মঞ্চস্থ কৰিছিল। তাত অংশ গ্ৰহণকাৰী শিল্পীসকল আছিল হেমন্তী দেৱী (বাণ ৰজা) অমলা কটকী (অনিৰুদ্ধ) ৰেণু বৰুৱা (চিত্ৰলেখা) দেৱী চাংকাকতি (উষা) আৰু অন্যান্য ভাওত সবিতা হাজৰিকা,

বিদ্যাৱতী পাটোৱাৰী, ৰেণু দেৱী আদি। ১৯৫৮ চনৰ পৰা মহাবিদ্যালয়ৰ নিজা মাটিত নিয়মীয়াকৈ সৰস্বতী পূজাত বিচিত্ৰানুষ্ঠান অনুষ্ঠিত হৈছিল। মহাবিদ্যালয়ৰ পুৰণি গৃহ দুটাৰ মাজৰ খালী ঠাইখিনিতে অস্থায়ী মঞ্চ তৈয়াৰ কৰা হৈছিল। বিভিন্ন ছাত্ৰীৰ পৰা খুজি অনা শাৰীৰে 'উইংচ' 'স্কাই' আদিৰ ব্যৱস্থা কৰা হৈছিল। এই সময়ছোৱাৰ উল্লেখযোগ্য আন কেইগৰাকীমান শিল্পী হ'ল প্ৰফুল্ল শৰ্মা (কৌতুক অভিনেতা), অলকা ডেকা, মেনকা ডেকা (উভয়ে গায়িকা), বিজুলী ত্ৰমঞ্জ (অভিনেত্ৰী), ৰমেন ডেকা (তবলা বাদক আৰু গায়ক)।

১৯৬০ চনত মহাবিদ্যালয়খনে বি. এ লৈকে পাঠদান কৰিবলৈ লয়। সেই বছৰতে দৰ্শনৰ অধ্যাপক শ্ৰীযুত দেৱীদাসে নেওগে চাকৰিত যোগদান কৰিয়েই সাংস্কৃতিক বিভাগৰ তদাৰক কৰিবলৈ লয়। তেখেত নিজে এজন নাট্যকাৰ, সু-সাহিত্যিক আৰু সঙ্গীতানুৰাগী ব্যক্তি আছিল। ১৯৬০ চনতে তেতিয়াৰ ছাত্ৰ ঁকিৰন শৰ্মাৰ 'এৰা সুঁতিৰ মোহ' মঞ্চস্থ কৰা হয় আৰু একে বছৰতে আকাশবাণী গুৱাহাটীয়ে আয়োজন কৰা নাট প্ৰতিযোগিতাত যোগদান কৰি উচ্চ প্ৰশংসা লাভ কৰে। ইয়াত অংশ গ্ৰহণ কাৰী শিল্পী সকল আছিল হৰিহৰ শৰ্মা, প্ৰবীণ ডেকা (প্ৰাক্তন সাংসদ), মাধৱ চহৰীয়া, অমিয় দাস, গিৰিশ ডেকা, কিৰণ শৰ্মা আদি। মঙ্গলদৈ মহাবিদ্যালয়ত এই দশকৰ আৰম্ভণিতে আব্দুল মজিদ ৰচিত প্ৰথমখন পূৰ্ণাঙ্গ নাট 'বাঞ্চিতা' মঞ্চস্থ কৰা হয়। এই খন নাটকতে প্ৰাক্তন প্ৰবক্তা ক্ষিতেশ্বৰ কোঁছে মহিলাৰ ভাওত অভিনয় কৰিছিল। এই দশকৰ আৰম্ভণিৰ বছৰ কেইটাত মঞ্চস্থ হোৱা আন কেইখনমান উল্লেখযোগ্য নাট হ'ল দেৱীদাস নেওগ ৰচিত স্ত্ৰী চৰিত্ৰ বৰ্জিত নাটক 'সদাশিৱৰ জোঁৱাই চিলেকচন', 'প্ৰেমকান্তৰ প্ৰেম', সমৰেন্দ্ৰ নাৰায়ণ দেৱ ৰচিত 'মৰম জ্যোতিৰ পম খেদি খেদি' আৰু অধ্যাপক নগেন শৰ্মা ৰচিত আৰু পৰিচালিত নাট 'নৱৌ'। এই সময়ছোৱাত অভিনয়ত অংশ লোৱা শিল্পীসকল আছিল ঁকিৰণ শৰ্মা, হৰিহৰ শৰ্মা, আজিমুদ্দিন আহমেদ, মহেশ্বৰ চহৰীয়া, নীল চহৰীয়া, ঁহৰিচৰন শৰ্মা, উদ্ধৱ দাস, ৰেণু শইকীয়া, ভৱপ্ৰিয়া শইকীয়া আৰু মাকণী শইকীয়া। এই সময়ছোৱাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা শতাধিক হৈছিল। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধিৰ লগে লগে নৱাগত আদৰণি সভা আৰু মহাবিদ্যালয় সপ্তাহ প্ৰতিবছৰে অনুষ্ঠিত হ'বলৈ ধৰে।

ষাঠিৰ দশকৰ মাজভাগলৈ নাট্যকৰ্মীসকলৰ ভিতৰত কেইটামান উল্লেখযোগ্য নাম হ'ল সমৰেন্দ্ৰ নাৰায়ন দেৱ, বংশী ডেকা, বাসৱ চহৰীয়া, নন্দী ডেকা, আলোক শৰ্মা, হৰেকৃষ্ণ গোস্বামী, ভবেন ডেকা, ঁজনেন বড়া, ৰেণু কোঁৱৰ, ডলী হাজৰিকা, প্ৰণতি হাজৰিকা, মঞ্জুলিকা দাস (নাথ), দ্বিজেন শইকীয়া, ৰুক্মল হাজৰিকা, তুলিকা বৰদলৈ, পূৰবী হাজৰিকা, ৰুণু শইকীয়া, গোলাপ বৰুৱা, জয়ন্ত বৰুৱা, অনুপম হাজৰিকা আদি।

সেইদৰে সঙ্গীতত ৰেৱন নাথ (ছিপাঝাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ), ঁক্ষীৰা শইকীয়া, নিজৰাবড়া, ঁকিৰণ দে (হাজৰিকা) আৰু ঁবাসৱ দাস। ঁক্ষীৰা শইকীয়া একাধিকবাৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠা কণ্ঠ সংগীত শিল্পী আছিল।

মহাবিদ্যালয়ৰ নতুন গৃহ সম্পূৰ্ণ হোৱাৰ লগে লগে ষাঠিৰ দশকৰ শেষৰ ফালে ছাত্ৰ-ছাত্ৰীসকলে দুবছৰমানৰ বাবে এটা প্ৰকাণ্ড 'হল ঘৰ' লাভ কৰিলে। বৰ্ত্তমানৰ ৬,৭ আৰু ৮ নং কোঠা তিনিটা তেতিয়া এটা 'হল' আছিল আৰু তাৰ ভিতৰত অস্থায়ী মঞ্চ সাজি নৱাগত আদৰণি সভা আৰু মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক অনুষ্ঠানবোৰ সুকলমে অনুষ্ঠিত কৰিব পৰা গৈছিল। মহাবিদ্যালয়ত বিজ্ঞান শাখা মুকলি কৰাৰ লগে লগে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হৈ পাঁচ শতাধিক হৈছিলগৈ। এই সময়ছোৱাতে মহাবিদ্যালয়ত বিজুলী সংযোগ হোৱাত সাংস্কৃতিক কৰ্মীসকলৰ এটা ডাঙৰ অভাৱ দূৰ হ'ল। কিন্তু দুবছৰ পাছতে শ্ৰেণীকোঠাৰ অভাৱ হোৱাত মাজত দুখন বেৰ দিয়াত হল ঘৰটোৰ পৰা সেই সুবিধাকণ নোহোৱা হোৱাত পুনৰ পূৰ্বৰ ঠাইত (বৰ্ত্তমান প্ৰেক্ষাপ্ৰকোষ্ঠ থকা ঠাইত) সাংস্কৃতিক অনুষ্ঠানবোৰ উদ্‌যাপন কৰিবলৈ লোৱা হয়।

ষাঠিৰ দশকৰ শেষৰ ফালৰ নাট্য শিল্পী সকল হ'ল গৌৰীকান্ত ডেকা, কামদা প্ৰসাদ চৌধুৰী, তৰুলতা বৰুৱা, চাৰু হাজৰিকা, অচ্যুত শৰ্মা, ঝিল্কাৰাম কলিতা, আব্দুল ৰৌফ, চাদিকুৰ ৰহমান, কমললোচন দাস, ঁইন্দুভূষন শৰ্মা, দীপালী চহৰীয়া, অন্তি ডেকা, উপমা বড়া, বীণা ডেকা, অৱনী কুমাৰ দত্ত, দ্বিজেন চলিহা, ঁআব্দুল্লা মেহমুদ, গোবিন্দ উপাধ্যায়, অমূল্য চৰণ ডেকা, প্ৰসন্ন চহৰীয়া, যোগেন চহৰীয়া, হৰেশ্বৰ শৰ্মা, কামেশ্বৰ দেৱশৰ্মা, দীপ্তি দেৱী, জ্যোৎস্না চহৰীয়া (দত্ত), ঁবেণীমাধৱ বড়া, দিব্যজ্যোতি বৰুৱা, মাধুৰী বৰুৱা আদি।

কণ্ঠ শিল্পী সকলৰ ভিতৰত সুখময় দে, কণিকা দেৱী (ভট্টাচাৰ্য), কল্পনা বৰুৱা (শৰ্মা), শুক্লেশ্বৰ ডেকা, ৰন্তি বৰুৱা, পুতুল ডেকা, লীনা গোস্বামী, মলয় চক্ৰৱৰ্ত্তী, দিব্যজ্যোতি বৰুৱা, বাণী বৰুৱা, ভৱতোষ তালুকদাৰ, দিলীপ দাস, স্বৰ্ণলতা শৰ্মা, কল্পনা দাস, ঁঅনুপ বৰুৱা আৰু শ্যামল চক্ৰৱৰ্ত্তী। দিব্যজ্যোতি বৰুৱা একাধিকবাৰৰ বাবে শ্ৰেষ্ঠা গায়িকা আছিল। সেইদৰে বাদ্য সঙ্গীতত গৌৰী ডেকা, ভৱতোষ তালুকদাৰ, প্ৰদীপ দৈমাৰী (প্ৰথম গীটাৰ বাদক), ৰবিৰাম বড়ো, ৰন্তি বৰুৱাৰ লগতে এই লিখক ১৯৬৮ চনৰ পৰা ১৯৭২ চনলৈ

সাংস্কৃতিক সংগঠক আৰু তবলাবাদক আছিল। এই সকলৰ ভিতৰৰ পৰা কণিকা দেৱী ভট্টচাৰ্য আকাশবাণী আৰু দূৰদৰ্শনৰ নিয়মীয়া কণ্ঠশিল্পী, এতিয়াও গীত গাই আছে।

এই দশকৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ প্ৰতীক চিহ্নটো অধ্যাপক দেৱীদাসে নেওগে কৰা পৰিকল্পনা অনুসৰি মঙ্গলদৈৰ শিল্পী ৰাতুল দাসে অঙ্কণ কৰি উলিয়ায় আৰু ১৯৬০-৬১ চনৰ সোণেশ্বৰ শৰ্মা সম্পাদিত মহাবিদ্যালয়ৰ আলোচনীত প্ৰকাশিত হয়। ১৯৭২ চনত প্ৰতীকটো সামান্য সংশোধন কৰা হয়। অসমৰ এগৰাকী প্ৰখ্যাত গীতিকাৰ, শিল্পী- ফজলুল কৰিমো এই দশকতে মহাবিদ্যালয়ৰ ছাত্ৰ আৰু আলোচনী সম্পাদক আছিল।

এই দশকৰ চিত্ৰ শিল্পীসকল আছিল গৌৰী কান্ত ডেকা, লীনা গোস্বামী, গুলনাৰ চুলতানা আৰু ফনীন্দ্ৰ শৰ্মা।

সত্তৰৰ দশকৰ আৰম্ভণিত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা এহেজাৰৰ ওচৰা-ওচৰি আছিল যদিও শেষৰ ফালে দুহেজাৰমান হৈছিল। ১৯৭২ চনত মহাবিদ্যালয়ৰ দ্বাৰা আয়োজিত আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ ৰাহি হোৱা ধনেৰে নিৰ্মিত প্ৰেক্ষাপ্ৰকোষ্ঠটোৱে সাংস্কৃতিক কৰ্মীসকলক উৎসাহিত কৰে। প্ৰতিবছৰে নৱাগত আদৰণি সভা আৰু মহাবিদ্যালয় সপ্তাহত অস্থায়ী ভাবে বভা দিয়াৰ সামগ্ৰী বিচাৰি মানুহৰ ঘৰে ঘৰে, চৰকাৰী বিভাগে বিভাগে দৌৰি ফুৰিবলগীয়া কষ্টৰ পৰা সাংস্কৃতিক কৰ্মীসকলে মুক্তি লাভ কৰে। লগতে প্ৰতিযোগিতাবোৰত অংশগ্ৰহণকাৰীৰ সংখ্যাও বৃদ্ধি পাবলৈ ধৰে।

এই দশকৰ অভিনেতা-অভিনেত্ৰী আৰু নাট্য কৰ্মীসকল আছিল ভৃগীৰাম দাস, সুশোভন বসু, ৰমাপ্ৰসাদ চৌধুৰী, বীৰেন দে, নাচিৰুদ্দিন আহমেদ, অপূৰ্ব ডেকা, দ্বীপ্তি দেৱী, জগদীশ বৰ্মন, হৰেন্দ্ৰ মোহন ভট্টাচাৰ্য্য, স্বপন ঘোষ, মঞ্জুলা সিংহ, দীপালী বৰুৱা, বৰুণ দাস, সুশীল দে, শোভনা ডেকা, জ্যোৎস্না চহৰীয়া (দত্ত), বীণা ডেকা, পাপৰি বৰুৱা, বিপুল দেউৰী, কুলেন ডেকা, গিৰিশ ডেকা, কমল দে, নীলাক্ষি চহৰীয়া, দীপক চহৰীয়া, মহম্মদ হান্নান, ৰাজেন ভূঞা, অপূৰ্ব ভট্টাচাৰ্য্য (বৰ্ত্তমান অসম জাতীয়তা বাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি), কুলেন কলিতা, তিলক প্ৰসাদ বৰুৱা, বসন্ত নাথ (বুল), নৰ ডেকা, ভবেন চহৰীয়া, আমিনুল হক শইকীয়া (মুকুল), কপিঞ্জল বৰুৱা, পুলিন নাথ, জয়ন্ত ডেকা, চফিকুৰ ৰহমান, সমৰ দে, নৰ কুমাৰ শৰ্মা, প্ৰাঞ্জল ডেকা, প্ৰেমানন্দ শিকদাৰ আদি।

কণ্ঠ শিল্পী সকলৰ ভিতৰত নাম লব লাগিব কুলেন বড়ো, কুমুদ বড়া, অৱনী চহৰীয়া, চন্দ্ৰশেখৰ ৰায়, দ্বিজেন্দ্ৰ মোহন দেৱ শৰ্মা, দ্বীপ্তি দেৱী, দীপালী দাস (কাকতি), দীপিকা শৰ্মা (দেৱী), বীণা চহৰীয়া, গিৰি ৰাণী দাস (দেৱী), নীলিমা নাথ, যুথিকা দেৱী, মোচাদ্দিক হুছেইন, মহেন্দ্ৰ ডেকা, অঞ্জলি চক্ৰৱৰ্ত্তী, পবিত্ৰী ডেকা, মণ্টু চহৰীয়া, শুভ্ৰজ্যোতি বৰুৱা, আজিজুৰ ৰহমান, মুনু ডেকা, জয়ন্ত নেওঁগ (যাদুকৰ হিচাপে খ্যাত), তন্দ্ৰালী চৌধুৰী আৰু মিফতাহুৰ ৰহমান।

এই দশকতে প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰীয়ে নৃত্য প্ৰদৰ্শন কৰে। নৃত্য শিল্পী সকল আছিল জুৰিটি চহৰীয়া, সবিতা দাস, ৰঞ্জিতা দেৱী, মঞ্জুলা সিংহ, প্ৰতিমা হাজৰিকা, অণিমা চহৰীয়া আৰু তন্দ্ৰালী চৌধুৰী। কিন্তু দুবছৰমানৰ পিছত নৃত্য প্ৰদৰ্শন স্থগিত ৰখা হয়।

বাদ্য সঙ্গীতত অংশ গ্ৰহণকাৰী সকলৰ ভিতৰত যতীন নাথ, বিশ্বজিৎ মিত্ৰ, মৃণাল ডেকা, অজিত নাৰায়ণ দাস, প্ৰদ্যুৎ নাৰায়ণ দেৱ আদিৰ নাম উল্লেখ যোগ্য।

১৯৭২ চনত যুৱ মহোৎসৱত যোগদান কৰি কুলেন বড়োৱে প্ৰচলিত জনজাতীয় লোক সঙ্গীত বিভাগত দ্বিতীয় পুৰষ্কাৰ লাভ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিছিল। তেখেত এজন সুদক্ষ খেলুৱৈও আছিল।

মঙলদৈ মহাবিদ্যালয়ৰ এজন সঙ্গীতানুৰাগী অধ্যাপকে ১৯৭৪ চনৰ পৰা শাস্ত্ৰীয় সঙ্গীতৰ তিনিটা শাখাৰ (কণ্ঠ, বাদ্য আৰু নৃত্য) শ্ৰেষ্ঠ প্ৰতিযোগীলৈ প্ৰতিবছৰে এটাকৈ বিশেষ উদগণি বঁটা আগবঢ়াইছিল। এই বঁটাটোৰ নাম 'অনামী বঁটা' আছিল। মঙলদৈ চহৰৰ বিশিষ্ট অধিবক্তা, মঙলদৈ আইন মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীবিনয় কুমাৰ ঘোষেও শ্ৰেষ্ঠ লোক সঙ্গীতৰ শিল্পীলৈ তেখেতৰ পিতৃৰ নামত " মন্মথ চন্দ্ৰ ঘোষ সোঁৱৰণী বঁটা" আগবঢ়াইছিল। অৱশ্যে পাছলৈ এই দুয়োটা বঁটাৰ প্ৰচলন বন্ধ হয়। ১৯৭৯-৮০ বৰ্ষত বিদেশী বহিষ্কৰণ আন্দোলনৰ ছহীদ সকলৰ প্ৰতি সমবেদনা জনাই সকলো সাংস্কৃতিক অনুষ্ঠান বন্ধ ৰখা হৈছিল। আনহাতে এই দশকতে আৰম্ভ হোৱা মঙলদৈ মহা বিদ্যালয় সাহিত্য চ'ৰাৰ কোনো এক অধিবেশনত সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে দৰঙী কলা কৃষ্টিৰ প্ৰদৰ্শন কৰা হৈছিল।

সত্তৰৰ দশকৰ উল্লেখযোগ্য চিত্ৰশিল্পী কেইজনমান হ'ল আয়েচা বিলকিচ বেগম, মহিউদ্দিন জিয়াউল হক, বীৰেন দে আদি।

আশীৰ দশকৰ প্ৰথম বছৰকেইটা অসম আন্দোলনে ম্লান কৰিলেও সাংস্কৃতিক কৰ্মীয়ে আন্দোলনৰ মাজতো তেওঁলোকৰ নিজ নিজ ক্ষেত্ৰত কাম কাজ অক্ষুণ্ণ ৰাখিছিল। এই দশকটোত কেইবাগৰাকীও সম্ভৱনাপূৰ্ণ শিল্পীৰ মহাবিদ্যালয়ত প্ৰৱেশ ঘটিছিল।

অভিনয়ৰ দিশত প্ৰণৱ চহৰীয়া, বিপুল চলিহা, হীৰেণ কুমাৰ দাস (প্ৰাক্তন বিধায়ক), নুৰুল ইছলাম, চফিক আলাম আবিদ, ইৰান ৰায়, নিৰুপম ডেকা, পাপৰি চহৰীয়া, আব্দুল আজিজ, গিৰিশ শইকীয়া, সীমান্ত কুসুম শৰ্মা, বৈজয়ন্তী ঘোষ, দিলীপ চহৰীয়া, নৃপেন বেজবৰুৱা, কৃষ্ণেন্দু ডেকা, জয়ন্ত ডেকা, ভৱজ্যোতি চহৰীয়া হেমন্ত বৰুৱা আৰু দাদুল চলিহাৰ নাম উল্লেখযোগ্য।

কণ্ঠ সঙ্গীতত কুন্তল নাৰায়ণ দাস, জীৱেন্দ্ৰ মোহন দেৱশৰ্মা, বিমল কোঁৱৰ, প্ৰতিমা ৰয় (দাস), মধুস্মিতা নাথ, মানসী ডেকা, দ্বীপ্তি দেৱী, কাকলি নাথ, খনীন্দ্ৰ বৰুৱা, মিতালী শইকীয়া, চন্দ্ৰমা দেৱী, জাহ্নৱী দেৱী, অণিমা দেৱী, ভূপেন কলিতা আদিৰ নাম উল্লেখযোগ্য।

বাদ্য যন্ত্ৰী সকলৰ ভিতৰত উল্লেখযোগ্য হ'ল প্ৰসন্ন বৰুৱা (বাঁহী), নৱ কুমাৰ শৰ্মা (তবলা), নৱজ্যোতি কলিতা (গীটাৰ), মৃণাল বৰদলৈ আৰু গকুল চহৰীয়া (তবলা)।

এই সকলৰ ভিতৰত জীৱেন্দ্ৰ মোহন দেৱ শৰ্মা আৰু প্ৰসন্ন বৰুৱা আকাশবাণীৰ নিয়মীয়া শিল্পী।

চিত্ৰ শিল্পী হিচাপে খৰ্গেশ্বৰ বৰুৱা, কাবুল বেজবৰুৱা, মণ্টু দাস আৰু সীমান্ত কুসুম শৰ্মাৰ অৱদান উল্লেখনীয়। কেইবাটাও গুণৰ অধিকাৰী সীমান্ত কুসুম শৰ্মাই এই দশকৰ শেষৰ ফালে মহাবিদ্যালয়ত খুব সম্ভৱ প্ৰথমবাৰৰ বাবে মুকাভিনয়ৰ সূচনা কৰে।

এই দশকতে অৰ্দ্ধ নিৰ্মিত প্ৰেক্ষাগৃহত সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত কৰিব পৰা হয়।

নব্বৈৰ দশকত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তিনিহাজাৰমান হয়গৈ। সেই অনুপাতে সাংস্কৃতিক কৰ্মী তথা শিল্পী কলা-কুশলীৰ সংখ্যাও যথেষ্ট হাৰত বৃদ্ধি পায়। এই সকলৰ ভিতৰত কেইজনমানে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত যুৱমহোৎসৱত অংশ গ্ৰহণ কৰি পুৰস্কাৰ অৰ্জনেৰে মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয়।

নব্বৈৰ দশকৰ পৰা বৰ্ত্তমানলৈ নাট্য কৰ্মী তথা বিশিষ্ট অভিনেতা অভিনেত্ৰী সকল হ'ল- বিশ্বজিৎ শৰ্মা, মীৰা বৰুৱা, জিতুমণি পাঠক, জিণ্টু মণি কলিতা, নৱজ্যোতি মহন্ত, মনোজ ডেকা, মৃণাল ৰাজবংশী, চিন্ময় কটকী, কৃষ্ণেন্দু ডেকা, প্ৰশান্ত নাথ, ৰুবী ডেকা, বৰ্ণালী ডেকা, অভিজিৎ শৰ্মা, চন্দন বৰুৱা, ধ্যানজ্যোতি চহৰীয়া, জ্যোতিৰ্ম্ময় শৰ্মা, প্ৰণৱ কুমাৰ ডেকা, ৰণেন্দ্ৰ কুমাৰ ডেকা, হিতেশ ডেকা, ধীৰেন কলিতা, প্ৰসন্ন কুমাৰ শৰ্মা, ধনদা ডেকা, নিৰ্মালি দেৱী শৰ্মা, দিলীপ ডেকা, মঞ্জুৱাণী ডেকা, মীৰা বৰুৱা, বিশ্বজ্যোতি শৰ্মা, বিনয় কৃষ্ণ ভট্টাচাৰ্য্য, অৰুণ ডেকা, হেমন্ত কুমাৰ শৰ্মা, কুমাৰেশ দত্ত, মনোজ ডেকা, পূজা বৰুৱা, মীৰা কলিতা, মৰমী শইকীয়া, ৰীণা শইকীয়া, হীৰেন ডেকা, শচীন চহৰীয়া, বিষ্ণু ডেকা, দুলাল বৰুৱা, মানৱ প্ৰতীম বৰুৱা, নয়নমণি শৰ্মা, ৰেণু দেৱী, অশান্ত কুমাৰ ডেকা, কমল কুমাৰ বৰুৱা, মুকুণ্ড বৰদলৈ, উপেন্দ্ৰজিৎ কলিতা, সীমান্ত ডেকা, ৰাজু ভূঞা, ৰোণাল্ড হাজৰিকা, মৃত্যুঞ্জয় কুমাৰ দেৱশৰ্মা, মুনীন্দ্ৰ শৰ্মা, ৰাজৰ্ষি ভৰদ্বাজ, ৰাতুল বৈশ্য, বিপুলজ্যোতি শৰ্মা, দীপক কলিতা, চম্পা ৰাণী দেৱী, প্ৰেমানন্দ বৰুৱা, ধনদা হাজৰিকা, মনালিচা বৰুৱা, ৰাণা ৰাজবংশী, ধীৰেণ নাথ, বৈজয়ন্তী কলিতা, অতুল কলিতা, ব্ৰজেন তালুকদাৰ, তিলক ৰাজবংশী, গীতাঞ্জলী ফুকন, সোণালী দেউৰী, অতুল কুমাৰ শইকীয়া, সুৰজিৎ নাথ আৰু মৌচুমী ডেকা।

কণ্ঠ সঙ্গীত তথা বাদ্যযন্ত্ৰত নাম লব লাগিব মিতালী শইকীয়া, শুভলক্ষ্মী কটকী, বিজন নাথ, মুনীন্দ্ৰ বৰুৱা, প্ৰণতি কলিতা, ৰিণ্টিমণি ডেকা, বসন্ত শৰ্মা, সাগৰিকা ডেকা, সংগীতা ঠাকুৰীয়া, প্ৰাঞ্জল শৰ্মা, পলাশ নাথ, ধৰিত্ৰী ডেকা, নৱনীতা ডেকা, সংগীতা ভৰদ্বাজ, ডেইজী শৰ্মা, পাপৰি বড়া, ৰশ্মিৰেখা দেৱী, জয়শ্ৰী শৰ্মা, ৰেখা সিং, মিতালী ডেকা, আব্দুল ৰৌফ আহমেদ, ৰাজু পাঠক (তবলা) ঋতুমণি ডেকা, ববিতা ৰায়, গীতিমা শৰ্মা, প্ৰণতি বৰুৱা, পংকজ শৰ্মা, মঞ্জুৰাণী নাথ, ৰেখামণি চহৰীয়া, প্ৰণতি শইকীয়া, প্ৰণৱজ্যোতি বৰুৱা (মেণ্ডোলীন বাদক) লক্ষ্যহীৰা ডেকা, গুলবদন আহমেদ, ভাগ্য শইকীয়া আদি উল্লেখযোগ্য।

সেইদৰে নৃত্যত নৱনীতা ডেকা, নৱনীতা বৰুৱা, মৌচুমী ঘোষ, পূজা বৰুৱা, জুনম নিশি চহৰীয়া, ৰিণীমা, দিম্পি শৰ্মা আদিয়ে পাৰদৰ্শী শিল্পীৰ স্থান অধিকাৰ কৰিছে।

সুকুমাৰ কলাতো এই মাহাবিদ্যালয়ত আৰম্ভণিৰ পৰা বৰ্ত্তমানলৈকে বহুকেইজন গুণী শিল্পীৰ সমাবেশ ঘটিছে। সেইসকলৰ ভিতৰত গৌৰীকান্ত ডেকা, দ্বিজেন চলিহা, মণ্টু দাস, কাবুল বেজবৰুৱা, অণিমা দেৱী, দাদুল চলিহা, সীমান্ত কুসুম শৰ্মা, কৃষ্ণ শইকীয়া, দুলাল ডেকা, গগন চহৰীয়া, অতুল ডেকা, সত্যেন্দ্ৰ নাথ চৌধুৰী, গিৰীশ শৰ্মা, গৌতম ঠাকুৰীয়া, গৌতম বৰুৱা, অদিতি ডেকা, জিণ্টুমণি বৈশ্য, মুনীন্দ্ৰ শৰ্মা, কুশল হাজৰিকা, নৱজিৎ শইকীয়া, কৃষ্ণ শইকীয়া আৰু মৃত্যুঞ্জয় কুমাৰ দেৱ শৰ্মা অন্যতম।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত যাঠিৰ দশকৰ মাজভাগৰ পৰাই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যোগদান কৰি আহিছে। বিভিন্ন সময়ত নাটক আৰু অভিনয়ত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। একাধিক অভিনেতাই আন্তঃ বিশ্ববিদ্যালয় নাট

প্ৰতিযোগিতাতো অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিছে। জয়ন্ত ডেকা তাৰ ভিতৰত অন্যতম।

১৯৯০-৯১ চনত সীমান্ত কুসুম শৰ্মাই মুকাভিনয়ত স্বৰ্ণ পদক আৰু ১৯৯১-৯২ চনত ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ১৯৯৪-৯৫ বৰ্ষত ব্যঙ্গ নাট প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰে। এই বছৰতে মুকাভিনয়ত দলীয়ভাৱে স্বৰ্ণ পদক লাভ কৰি মহাবিদ্যালয়লৈ যশস্যা কঢ়িয়াই আনে। তাৰোপৰি একেটা বছৰতে ধনদা হাজৰিকাই নাট প্ৰতিযোগিতাত সহঃ শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান কঢ়িয়াই আনি মহাবিদ্যালয়লৈ বিৰল খ্যাতি আনিবলৈ সক্ষম হয়। ১৯৯৭-৯৮ বৰ্ষৰ যুৱ মহোৎসৱত যোগদান কৰা নাট্য দলটোৱে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে; মুকাভিনয়তো বিশেষ প্ৰশংসা পত্ৰ লাভ কৰে। ২০০০-২০০১ চনত যোগদান কৰা নাট্য দলটিয়ে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰাৰ লগতে ৰাজৰ্ষি ভৰদ্বাজে শ্ৰেষ্ঠ সহঃ অভিনেতা আৰু বিপুলজ্যোতি শৰ্মাই শ্ৰেষ্ঠ পৰিচালক তথা দ্বিতীয় শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰে। এই দলটোৱে পূজা বৰুৱাই দ্বিতীয় শ্ৰেষ্ঠা অভিনেত্ৰীৰ পুৰস্কাৰ লাভ কৰে। ১৯৯৪ চনৰ মুকাভিনয়ৰ যোগেদি স্বৰ্ণ পদক লাভ কৰা দলটোৰ শিল্পী সকল আছিল হেমন্ত কুমাৰ শৰ্মা, প্ৰণৱ কুমাৰ ডেকা, ৰাণা ৰাজবংশী, প্ৰসন্ন শৰ্মা, ধীৰেন নাথ, অৰূপ ডেকা আৰু সংগীত পৰিচালক ৰাজীৱ লোচন নাথ। একে বছৰতে ব্যঙ্গ নাট প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰা দলটিৰ শিল্পীসকল আছিল ধনদা হাজৰিকা, মনালিচা বৰুৱা, প্ৰণৱ কুমাৰ ডেকা, ধীৰেন নাথ, হেমন্ত কুমাৰ শৰ্মা আৰু ৰাণা ৰাজবংশী। ১৯৯৭-৯৮ চনৰ যুৱ মহোৎসৱৰ স্বৰ্ণপদক বিজয়ী নাট্যদলটিৰ শিল্পীসকল আছিল বিশ্বজিৎ শৰ্মা, মীৰা বৰুৱা, জিতুমণি পাঠক, জিণ্টুমণি কলিতা, নৱজ্যোতি মহন্ত, মনোজ ডেকা, মৃণাল ৰাজবংশী আৰু চিন্ময় কটকী। ২০০১-২০০২ বৰ্ষৰ যুৱমহোৎসৱৰ শ্ৰেষ্ঠা অভিনেত্ৰীৰ আসন দখল কৰে এই মহাবিদ্যালয়ৰ ছাত্ৰী মৌচুমী ডেকাই।

চাৰু কলা বিভাগটোৱেও যুৱ মহোৎসৱত সময়ে সময়ে সুনাম অৰ্জন কৰি মহাবিদ্যালয়লৈ সন্মান কঢ়িয়াই আনিছে। ১৯৮৯ চনত দাদুল চলিহাই সুকুমাৰ কলাত দুটাকৈ পদক লাভ কৰে। ১৯৯৭-৯৮ বৰ্ষতো প্ৰশংসা পত্ৰ লাভ কৰে।

সুখৰ কথা যে এই মহাবিদ্যালয়ৰ পৰা ওলোৱা কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰী বৰ্তমান আকাশবাণী আৰু দূৰদৰ্শনৰ নিয়মীয়া শিল্পী। সেইদৰে কেইবাজনো অভিনেতা-অভিনেত্ৰীয়ে ৰাজ্যিক স্তৰত দৃশ্য-শ্ৰাব্য কলাৰ বিভিন্ন মাধ্যমেদি নিজক প্ৰতিষ্ঠিত কৰিছে। সেইসকলৰ ভিতৰত অৱনী কুমাৰ দত্ত, ˚আব্দুল্লা মেহমুদ, আলোক শৰ্মা, আমিনুল হক শইকীয়া (পুতলা ঘৰ বোলছবিৰ নায়ক), স্বপন ঘোষ, হীৰেন দাস, পুলিন নাথ, জয়ন্ত ডেকা, নিৰ্মালি দেৱী শৰ্মা, চিন্ময় কটকী, জিতুমণি পাঠক আৰু জিণ্টুমণি কলিতাৰ নাম উল্লেখনীয়।

আশীৰ দশকৰ শেষ ভাগৰ মহাবিদ্যালয়ৰ ছাত্ৰী ভানু চহৰীয়া (ডেকা) এগৰাকী প্ৰতিভা সম্পন্না নৃত্য শিল্পী আছিল। মঙলদৈ মহাবিদ্যালয়ৰ অনামী বঁটা বিজয়ীনি শিল্পী গৰাকীয়ে বৰ্ত্তমান সত্ৰীয়া নৃত্যৰ সাধনা আৰু প্ৰশিক্ষণত ব্যস্ত আছে।

সাংস্কৃতিক বিভাগটোৰ তত্বাবধায়ক হিচাপে বিভিন্ন সময়ত কাৰ্যনিৰ্বাহ কৰা অধ্যাপকসকলৰ অৱদানো অনস্বীকাৰ্য। ˚পূৰ্ণ চন্দ্ৰ বড়া, দেবী দাস নেওগ, ˚খৰ্গেশ্বৰ গোস্বামী, ভাৰত চন্দ্ৰ শৰ্মা, প্ৰণৱ শৰ্মা, হৰিমন ডেকা আৰু বিচিত্ৰ কুমাৰ মেধি সেই সকলৰ ভিতৰত অন্যতম।

মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীৰ প্ৰাক্তন সম্পাদক তথা সাংস্কৃতিক কৰ্মী এই লিখককো আকাশবাণীয়ে গীতিকাৰ হিচাপে স্বীকৃতি দিয়াৰ বহু আগতেই "মহাবিদ্যালয় সঙ্গীত" ৰচনাৰ জৰিয়তে ৰূপালী জয়ন্তী বৰ্ষত গীতিকাৰ বুলি স্বীকৃতি প্ৰদান কৰি ধন্য কৰিছে। তাৰ বাবে মঙলদৈ মহাবিদ্যালয়ৰ ওচৰত আজীৱন কৃতজ্ঞ হৈ ৰ'ম।

মঙলদৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক কৰ্মীসকলে সদায় এটা সম্পূৰ্ণ সুসজ্জিত প্ৰেক্ষাগৃহৰ অভাৱ অনুভৱ কৰি আহিছে। সোণালী জয়ন্তীয়ে সেই অভাৱ দূৰ কৰাৰ বাবে পদক্ষেপ লব বুলি আশা কৰিলোঁ আৰু লগতে মহাবিদ্যালয়ৰ বাৰ্ণাঢ্য সাংস্কৃতিক পৰম্পৰাৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

কৃতজ্ঞতা- অধ্যাপক দেৱীদাস নেওঁগ, হৰিহৰ শৰ্মা, অধ্যাপক প্ৰভাত চন্দ্ৰ শৰ্মা, আলোক শৰ্মা, ভবেন ডেকা, বাসৱ চহৰীয়া, প্ৰফুল্ল শৰ্মা, দ্বিজেন মোহন শৰ্মা, জেৰন্দ্ৰ মোহন দেৱ শৰ্মা, স্বপন ঘোষ, বিপুল চলিহা, নিৰ্মালি দেৱী শৰ্মা, গৌৰীকান্ত ডেকা, প্ৰাঞ্জল শৰ্মা, নয়নমণি শৰ্মা, মৃত্যুঞ্জয় কুমাৰ দেৱ শৰ্মা, অৱনী কুমাৰ দত্ত, ভানু চহৰীয়া (ডেকা) আৰু ৰূপালী জয়ন্তী স্মৃতি গ্ৰন্থ।

---

*শ্ৰীচৌধুৰী মঙলদৈ চপাই মৌজাৰ মৌজাদাৰ, আকাশবাণী আৰু দূৰদৰ্শনৰ স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ, ভাৰতীয় গণনাট্য সংঘৰ দৰং জিলা শাখাৰ সভাপতি।*



# মঙলদৈ মহাবিদ্যালয়ত সাহিত্য চৰ্চাৰ পৰিৱেশ

ডিম্বেশ্বৰ বৰুৱা

বৰ্তমান যুগৰ মানৱ সমাজ আৰু সভ্যতা-সংস্কৃতিৰ উত্তৰণত শিক্ষানুষ্ঠান সমূহে অধিক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। প্ৰতিখন উচ্চ শিক্ষাৰ অনুষ্ঠান সমাজ তথা মানৱ জীৱনৰ সৰ্বাঙ্গীন উন্নতিৰ দিক্-দৰ্শক। দৰং জিলাৰ সৰ্বপ্ৰথম উচ্চ শিক্ষাৰ অনুষ্ঠান মঙলদৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ শুভলগনত সেই মহৎ উদ্দেশ্য সাধনৰ সোণোৱালী সপোন জিলিকি উঠিছিল। মঙলদৈ নগৰৰ সমীপৱৰ্তী উপহুপাৰা অঞ্চলৰ চৰকাৰী মাটিত জন্ম লাভ কৰা মঙলদৈ মহাবিদ্যালয়ে যুগধৰ্মক আঁকোৱালি সময়ৰ লগত খোজ মিলাই আঢ়ৈ কুৰি বছৰ অতিক্ৰম কৰিলে। ঐতিহ্য বহনকৰি স্ব-মহিমাৰে বৰ্তমান কালত অৱস্থান কৰা শিক্ষানুষ্ঠানখনিয়ে ইয়াৰ প্ৰতিষ্ঠাপক বিদ্যোৎসাহী মহাপ্ৰাণ ব্যক্তিসকল আৰু অঞ্চলটোৰ জনসাধাৰণৰ আশা-প্ৰত্যাশাক কিমান বাস্তৱত পৰিণত কৰিব পাৰিছে সেয়া বিদ্বান সমাজত বিদিত। আধুনিক জগতত শিক্ষাৰ আমূল পৰিৱৰ্তন হৈছে। এনে এক প্ৰেক্ষাপটত সম্পূৰ্ণ ৰূপে অনগ্ৰসৰ অসম তথা দৰং জিলাত শিক্ষাৰ সম্প্ৰসাৰণত মঙলদৈ মহাবিদ্যালয়ে অন্ততঃ এক প্ৰশংসনীয় ভূমিকা পালন কৰি আহিছে; সেইটো অনস্বীকাৰ্য্য। জন্ম লগ্নৰে পৰা আৰম্ভ কৰি বিগত পঞ্চাশ বছৰে শিক্ষানুষ্ঠান খনিত উচ্চ শিক্ষাৰ প্ৰসাৰ আৰু বিকাশৰ বাবে সময়োপযোগী কাৰ্য-পন্থা গ্ৰহণ কৰি শিক্ষাৰ মান উন্নত কৰাৰ বাবে সংশ্লিষ্ট সকলোৱে অহো-পুৰুষাৰ্থ কৰি আহিছে। মহাবিদ্যালয় খনিৰ বিদ্যা-শিক্ষাৰ এই শৈক্ষিক পৰিৱেশৰ মাজতে জীৱন সম্পৃক্ত অন্যান্য বিদ্যায়তনিক দিশবো উন্মোচন হৈছে আৰু তাৰ জৰিয়তে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী উভয়ৰে শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ পথ সুগম হৈছে। এই ক্ষেত্ৰত অনুষ্ঠানখনিৰ সুন্দৰ শৈক্ষিক পৰিৱেশৰ মাজত গঢ়ি উঠা সাহিত্য চৰ্চাৰ পৰিৱেশৰ কথা বিশেষ ভাৱে উল্লেখনীয়।

দৰং জিলা অতীজৰে পৰা সাহিত্য চৰ্চাৰ বাবে ঐতিহ্যমণ্ডিত। দৰঙী কোঁচ ৰজা সকলৰ পৃষ্ঠপোষকতাত দৰঙত সাহিত্য চৰ্চাই বিশেষ ভাৱে অগ্ৰাধিকাৰ পাইছিল। পৰৱৰ্তী কালত বহু বিশিষ্ট সাহিত্যিকে দৰঙী সাহিত্যৰ ভঁড়াল চহকী কৰিছে। সাহিত্য সাধনাত সমৃদ্ধিশালী জিলাখনৰ এই ঐতিহাসিক পটভূমিয়ে মঙলদৈ মহাবিদ্যালয়ত সাহিত্য চৰ্চাৰ ক্ষেত্ৰত অৰিহণা যোগাইছে বুলি ক'ব পাৰি। শিক্ষাদান আৰু শিক্ষা গ্ৰহণৰ দৰে পবিত্ৰ কাৰ্যৰ যোগেদি জীৱন গঢ়াৰ অনুশীলনৰ মাজত এই বিদ্যা মন্দিৰত গুৰু-শিষ্যৰ যি মণি-কাঞ্চণ সংযোগ ঘটিছে তাৰ মাজত সাহিত্য প্ৰতিভাৰো বিকাশ হৈছে। শিক্ষক আৰু শিক্ষাৰ্থীৰ হৃদয় আৰু মনৰ পৰা বিকশিত হৈ অনন্যৰূপত প্ৰকাশ পোৱা সাহিত্য প্ৰতিভাই মহাবিদ্যালয়ৰ শৈক্ষিক বাতাৱৰণত অভিনৱ পৰিৱেশৰ সংযোজন ঘটাইছে। এই ক্ষেত্ৰত পৰৱৰ্তী কালত আন কেইবাটাও দিশৰ পৰা অতুলনীয় অৱদান আছে; এই প্ৰসঙ্গতে কিছু আলোকপাত কৰিব পাৰি।

**মঙলদৈ মহাবিদ্যালয়ৰ আলোচনী ঃ**

মঙলদৈ মহাবিদ্যালয়ত মহাবিদ্যালয়ৰ আলোচনী খনে সাহিত্য চৰ্চাৰ পৰিৱেশ গঢ়াত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। ১৯৫৮-৫৯ চনত প্ৰথমবাৰ মঙলদৈ মহাবিদ্যালয় আলোচনীখনৰ প্ৰথম সংখ্যা প্ৰকাশ হৈছিল। এই আলোচনী সংখ্যাতে মহাবিদ্যালয়ৰ সাহিত্যানুৰাগী লেখক-লেখিকাসকলৰ সাহিত্য কৰ্মই প্ৰকাশৰ মুখ দেখিছিল। মঙলদৈ মহাবিদ্যালয়ৰ সাহিত্য সাধনাৰ পৰিৱেশটোৰ বাবে সেয়া আছিল অতি সুখকৰ

বতৰা। আলোচনীখনে মহাবিদ্যালয় আৰু সাহিত্য প্ৰেমী সমাজত সাহিত্যৰ সুগন্ধি বিয়পাইছিল আৰু বৌদ্ধিক প্ৰতিভা প্ৰকাশৰ সেন্দুৰীয়া আলি গঢ়িছিল। আলোচনীখনৰ প্ৰথম সংখ্যাৰ পৰা আৰম্ভ কৰি সাম্প্ৰতিক কাললৈ প্ৰকাশিত বিভিন্ন সংখ্যাৰ আলোচনীয়ে মহাবিদ্যালয়ত আত্মপ্ৰকাশ ঘটা লেখক-লেখিকাসকলৰ নিৰ্বাচিত লেখনী সমূহ প্ৰকাশ কৰি নতুন নতুন লেখক-লেখিকাসকলক উৎসাহিত কৰি আহিছে। বিভিন্ন ৰচনা-ৰাজিৰে প্ৰতি বছৰে প্ৰকাশিত হৈ অহা আলোচনীখনৰ প্ৰকাশিত বৰ্ষ, প্ৰতি সংখ্যাৰ সম্পাদক আৰু ভাৰপ্ৰাপ্ত তত্ত্বাৱধায়ক অধ্যাপক সকলৰ এক চমু তথ্য দাঙি ধৰা হ'লঃ-

| সংখ্যা | বৰ্ষ | সম্পাদক | তত্ত্বাৱধায়ক |
|---|---|---|---|
| ১ম | ১৯৫৮-৫৯ | শ্ৰীবোধেশ্বৰ ডেকা | শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা |
| ২য় | ১৯৬০-৬১ | শ্ৰীসোণেশ্বৰ শৰ্মা | শ্ৰীদেৱীদাস নেওগ |
| ৩য় | ১৯৬১-৬২ | শ্ৰীহৰ গৌৰী অধিকাৰী | শ্ৰীপূৰ্ণ চন্দ্ৰ বড়া |
| ৪ৰ্থ | ১৯৬২-৬৩ | শ্ৰীমহেশ্বৰ কলিতা | শ্ৰীদেৱীদাস নেওগ |
| ৫ম | ১৯৬৩-৬৪ | শ্ৰীতুৰাৰাম ডেকা | " |
| ৬ষ্ঠ | ১৯৬৪-৬৫ | মঃ ফজলুল কৰিম | " |
| ৭ম | ১৯৬৫-৬৬ | শ্ৰীবাসৱ চন্দ্ৰ চহৰীয়া | " |
| ৮ম | ১৯৬৬-৬৭ | শ্ৰীহেম কান্ত ডেকা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ৯ম | ১৯৬৭-৬৮ | শ্ৰীঅৰুণ চন্দ্ৰ দাস | " |
| ১০ম | ১৯৬৮-৬৯ | শ্ৰীনৰেন হাজৰিকা | " |
| ১১শ | ১৯৬৯-৭০ | শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী | " |
| ১২শ | ১৯৭০-৭১ | শ্ৰীদীন বন্ধু শৰ্মা | " |
| ১৩শ | ১৯৭১-৭২ | মঃ মহিউদ্দিন জিয়াউল হক | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৪শ | ১৯৭২-৭৩ | শ্ৰীপ্ৰেমানন্দ নাথ | " |
| ১৫শ | ১৯৭৩-৭৪ | শ্ৰীভবেন্দ্ৰ চন্দ্ৰ ডেকা | " |
| ১৬শ | ১৯৭৪-৭৫ | শ্ৰীভুৱণ চন্দ্ৰ কলিতা | " |
| ১৭শ | ১৯৭৫-৭৬ | শ্ৰীদেবেন্দ্ৰ কুমাৰ শৰ্মা | " |
| ১৮শ | ১৯৭৬-৭৭ | শ্ৰীভৱকান্ত হাজৰিকা | " |
| ১৯শ | ১৯৭৭-৭৮ | শ্ৰীপৰমানন্দ ৰাজবংশী | শ্ৰীমতী নাহাৰুণ নেচা |
| ২০তম | ১৯৭৮-৭৯ | শ্ৰীশৈলেন্দ্ৰ কুমাৰ শৰ্মা বৰুৱা | শ্ৰীমহেন্দ্ৰ প্ৰসাদ বৰুৱা |
| ২১তম | ১৯৭৯-৮১ | শ্ৰীপঙ্কজ কুমাৰ গোস্বামী | শ্ৰীবিজয় চন্দ্ৰ গোস্বামী |
| ২২তম | ১৯৮১-৮২ | শ্ৰীগজেন্দ্ৰ বৰুৱা | শ্ৰীভাৱত চন্দ্ৰ শৰ্মা |
| ২৩তম | ১৯৮২-৮৩ | শ্ৰীবিশ্বজিৎ গোস্বামী | " |
| ২৪তম | ১৯৮৩-৮৪ | শ্ৰীদুলাল বৰুৱা | " |
| ২৫তম | ১৯৮৫-৮৬ | শ্ৰীশিৱ প্ৰসাদ বৰুৱা | শ্ৰীমতিৰাম মেধি |
| ২৬তম | ১৯৮৬-৮৭ | শ্ৰীমিনাৰাম হাজৰিকা | " |
| ২৭তম | ১৯৮৭-৮৮ | শ্ৰীভবেশ বৰুৱা | " |
| ২৮তম | ১৯৮৮-৮৯ | শ্ৰীমুক্তানন্দ শৰ্মা | ইদ্ৰিছ আলি |
| ২৯তম | ১৯৮৯-৯০ | মমতাজ খানম | শ্ৰীবুদ্ধিন চন্দ্ৰ হাজৰিকা |
| ৩০তম | ১৯৯১-৯২ | শ্ৰীবৰ্বিতা কুমাৰী মাজু ডেকা | ইদ্ৰিছ আলি |
| ৩১তম | ১৯৯২-৯৩ | মঃ আমিনুল হক | " |
| ৩২তম | ১৯৯৩-৯৪ | শ্ৰীলক্ষ্যধৰ শৰ্মা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৩৩তম | ১৯৯৪-৯৫ | শ্ৰীজয়ন্ত শৰ্মা | " |
| ৩৪তম | ১৯৯৫-৯৬ | শ্ৰীপ্ৰণৱ ভট্ট | ইদ্ৰিছ আলি |
| ৩৫তম | ১৯৯৬-৯৭ | শ্ৰীচন্দন শইকীয়া | শ্ৰীমতিৰাম মেধি |
| ৩৬তম | ১৯৯৭-৯৮ | শ্ৰীঅৰুণ শৰ্মা | " |
| ৩৭তম | ১৯৯৮-৯৯ | শ্ৰীদ্বীপ কিশোৰ শইকীয়া | ড° বিজয় কুমাৰ শৰ্মা |
| ৩৮তম | ১৯৯৯-২০০০ | শ্ৰীঅসীম শৰ্মা | শ্ৰীবিচিত্ৰ কুমাৰ মেধি |
| ৩৯তম | ২০০০-২০০১ | শ্ৰীপ্ৰবীণ বৰুৱা | " |
| ৪০তম | ২০০১-২০০২ | সম্পাদনা সমিতি | শ্ৰীডিম্বেশ্বৰ বৰুৱা |

সময়ৰ পৰিৱৰ্তনৰ লগে লগে মহাবিদ্যালয়ৰ আলোচনীখনে নতুনত্বক আহ্বান জনাই নতুন নতুন সাজ-সজ্জাৰে সুশোভিত হৈছে। অসমীয়া আৰু ইংৰাজী ভাষাত প্ৰকাশিত আলোচনীখনৰ সৰস আৰু ৰুচিবোধক ৰচনা ৰাজিয়ে পাঠক সমাজক সাহিত্যৰ সোৱাদ দি আহিছে আৰু শিক্ষানুষ্ঠানখনিত সাহিত্যৰ ক্ষেত্ৰ ব্যাপ্ত কৰি তুলিছে। আলোচনীখনৰ প্ৰেৰণাত মহাবিদ্যালয়ত সময়ে সময়ে বহুজন লেখক-লেখিকাৰ আত্ম প্ৰকাশ ঘটিছে। লেখক সকলৰ কাপৰ পৰা ওলোৱা গল্প-কবিতা, উপন্যাসিকা, নাটক, সাহিত্য-সংস্কৃতি বিষয়ক প্ৰবন্ধ-নিবন্ধ, বিজ্ঞান ভিত্তিক প্ৰবন্ধ, সমালোচনা সাহিত্য, হাস্য-ব্যঙ্গ ৰচনা, জীৱনীমূলক প্ৰবন্ধ, ভ্ৰমণৰ কাহিনী আদি ভিন্ন ৰুচি সম্পন্ন ৰচনা ৰাজিয়ে আলোচনীৰ সংখ্যাবোৰক সৰ্বাঙ্গসুন্দৰ কৰাৰ লগতে মহাবিদ্যালয়ত সাহিত্যৰ ধাৰা এটি প্ৰবাহিত কৰিছে। মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখনৰ জৰিয়তে গঢ়ি উঠা মহাবিদ্যালয় পৰ্যায়ৰ সাহিত্য ক্ষেত্ৰখনত সাহিত্য প্ৰতিভাৰে ভুমুকি মৰা বহুজন লেখক-লেখিকাই তেওঁলোকৰ সাহিত্য কৃতিত্বক অসমৰ বহল সাহিত্য জগতখনলৈ কঢ়িয়াই নি প্ৰতিষ্ঠা লাভ কৰিছে। প্ৰতিষ্ঠিত সাহিত্যিক সকলৰ ভিতৰত প্ৰয়াত কবি-গীতিকাৰ, নাট্যকাৰ-অভিনেতা ফজলুল কৰিম; কবি-গীতিকাৰ, প্ৰবন্ধকাৰ প্ৰভাত নাৰায়ণ চৌধুৰী; কবি সঞ্জয় কুমাৰ তাঁতী; নাট্যকাৰ যতীন্দ্ৰ মোহন নাথ; গল্পকাৰ-প্ৰাবন্ধিক ড° বিজয় কুমাৰ শৰ্মা; গল্পকাৰ-ঔপন্যাসিক, নাট্যকাৰ, প্ৰাবন্ধিক ড° পৰমানন্দ ৰাজবংশী; কবি মঞ্জু দেৱী; কবি-প্ৰবন্ধকাৰ ড° ৰাম চন্দ্ৰ ডেকা; প্ৰবন্ধকাৰ ড° কনক চন্দ্ৰ চহৰীয়া; মতিৰাম মেধি আদিৰ নাম বিশেষ ভৱে উল্লেখনীয়। এইসকল সাহিত্যিকৰ উপৰিও মাহাবিদ্যালয়ৰ ছাত্ৰ অৱস্থাত সাহিত্য চৰ্চা কৰি মহাবিদ্যালয় আলোচনীত বিভিন্ন লেখনী নিয়মীয়া ভাৱে প্ৰকাশ কৰা লেখকৰ ভিতৰত ধনপতি কলিতা, ভূমিধৰ কটকী, ৰাজেন শইকীয়া, তুৰাৰাম ডেকা, বলিৰাম কেওট, হৰিহৰ শৰ্মা, ভূবন চন্দ্ৰ কলিতা, অৰুণ কুমাৰ বৰুৱা, নিৰঞ্জন শৰ্মা, সাধিৰাম বৰা, তৰুণ চন্দ্ৰ শৰ্মা, পবিত্ৰ নাৰায়ণ

চৌধুৰী, নৰেন হাজৰিকা, কমল লোচন দাস, ভৰত চন্দ্ৰ ডেকা, দীনেশ ডেকা, কৈলাশ শৰ্মা, লোহিত চন্দ্ৰ কলিতা, গৌৰী কান্ত ডেকা, খগেন্দ্ৰ নাথ বৰা, বিজয়া মেধি, ধীৰেণ কুমাৰ শৰ্মা, কামদা প্ৰসাদ চৌধুৰী, ভবেন চন্দ্ৰ ডেকা, মোহন ডেকা, কণিকা দৈমাৰী, নৰেন্দ্ৰ কুমাৰ বৰুৱা, সাবিত্ৰী তালুকদাৰ, ভৰকান্ত হাজৰিকা, প্ৰণতি দেৱী, ৰত্না বৰুৱা, গজেন বৰুৱা, তৰুণ আজাদ ডেকা, পুনুৰাম কলিতা, কাঞ্চন বৰুৱা, মেঘালী দেৱী, শৈলেন্দ্ৰ কুমাৰ শৰ্মা, ঘটেশ্বৰ বৰুৱা, ঘনকান্ত হাজৰিকা, ধনেশ্বৰ বৰুৱা, চিনু প্ৰভা হুজুৰী, ডিম্বেশ্বৰ বৰুৱা, সৎৰাম ডেকা, বিনয় কুমাৰ চলিহা, ধৰ্মকান্ত বৰুৱা, মমতাজ খানম, ৰাজেন হাজৰিকা, গণেশ দত্ত, মৃদুল কুমাৰ চহৰীয়া, জিতেন ৰাজবংশী, শিখাৰাণী দেৱী, মৃণাল কুমাৰ ৰাজবংশী, শৈলেন ৰাজবংশী, লুটফুৰ জামান, কস্তুৰী দেৱী, চিনুপ্ৰিয়া ডেকা, প্ৰদীপা শৰ্মা আদিৰ নাম স্মৰ্তব্য। এই সকল লেখক-লেখিকাই মঙলদৈ মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাৰ ক্ষেত্ৰৰ পৰা নিজৰ সাহিত্য সাধনাক সাহিত্যৰ বেদীত স্থাপন কৰি ভাষা-সাহিত্যলৈ বৰঙণি যোগাবলৈ প্ৰয়াস কৰিছে। বহু জনে নীৰৱ সাধকৰ ভূমিকাও গ্ৰহণ কৰিছে।

শিক্ষাদানৰ লগত সততে ব্যস্ত থকা মহাবিদ্যালয়ৰ কেইবাগৰাকীও শিক্ষক-শিক্ষয়িত্ৰীয়ে মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীত তেওঁলোকৰ বহুমূলীয়া ৰচনা প্ৰকাশ কৰিছিল। সেই সাহিত্যিক সকল হ'লঃ 'খৰিকাজাই' কবি ভৱানন্দ ৰাজখোৱা; 'পঞ্চতন্ত্ৰ' আৰু 'কাদম্বৰী'ৰ অনুবাদক আৰু প্ৰবন্ধকাৰ হিচাপে খ্যাত অধ্যাপক প্ৰভাত চন্দ্ৰ শৰ্মা; প্ৰবন্ধকাৰ অধ্যাপক জীৱন চন্দ্ৰ শৰ্মা; দাৰ্শনিক প্ৰাবন্ধিক আৰু জ্যোতিষ ৰূপে খ্যাত অধ্যাপক (পৰৱৰ্তী কালত অধ্যক্ষ) ড° পূৰ্ণ চন্দ্ৰ বৰা; ৰামধেনু যুগতে প্ৰতিষ্ঠা লাভ কৰা গল্পকাৰ অধ্যাপক দেৱীদাস নেওগ; কবি ঔপন্যাসিক, সমালোচক প্ৰাবন্ধিক ৰূপে প্ৰতিষ্ঠিত ড° ৰমেন ৰায়; কবি, সমালোচক-প্ৰবন্ধকাৰ ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱা; কবি-গীতিকাৰ, প্ৰবন্ধকাৰ অধ্যাপক ইদ্ৰিছ আলি প্ৰমুখ্য। অসমৰ সাহিত্য জগতৰ এই সকল সু-সাহিত্যিকৰ ৰচনা ৰাজিয়ে আলোচনীখনৰ মান উন্নত কৰাৰ লগতে মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাৰ পৰিৱেশলৈ গভীৰতা আনিছে আৰু উঠি অহা সাহিত্য সাধক সকলক উদ্‌গণি যোগাইছে। পূৰ্বসুৰী সকলৰ দৰে মহাবিদ্যালয়ৰ আলোচনীখনত বিভিন্ন লেখনী প্ৰকাশ কৰা বৰ্ত্তমান কালৰ অধ্যাপক-অধ্যাপিকাসকলৰ ভিতৰত হ'ল- শৰৎ চন্দ্ৰ শৰ্মা, ভূপেন্দ্ৰ নাথ কাকতি, প্ৰয়াত নাহাৰুণ নেচা, ড° অমিয়া দেৱী, বিজয় চন্দ্ৰ গোস্বামী, জয়চন্দ্ৰ শৰ্মা, বিচিত্ৰ কুমাৰ মেধি, ড° আমানুল হক, কুমুদ চন্দ্ৰ শৰ্মা, মতিৰাম মেধি, জামালুদ্দিন আহমেদ, হৰিশ ডেকা, ডিম্বেশ্বৰ বৰুৱা, শচীন চহৰীয়া, পৰেশ কুমাৰ শৰ্মা, বনানি চক্ৰৱৰ্তী, লীনা শইকীয়া উল্লেখযোগ্য।

মঙলদৈ মহাবিদ্যালয়ৰ সুদীৰ্ঘকাল সাহিত্য চৰ্চাত আলোচনী খনে এইদৰে এক সোণালী ইতিহাস ৰচিছে। যিসকল সাহিত্য প্ৰেমী লোকে উচ্চ শিক্ষানুষ্ঠানখনিত সাহিত্যৰ বাতাৱৰণ সৃষ্টি কৰাৰ আশাৰে আলোচনীখন প্ৰকাশৰ উদ্যোগ লৈছিল সেই সকলৰ আশা নিশ্চয় ফলৱতী হৈছে। ভাষা-সাহিত্যলৈ মঙলদৈ মহাবিদ্যালয়ৰ আলোচনী খনিয়ে কিঞ্চিৎ বৰঙণি আগবঢ়াইছে।

**মঙলদৈ কলেজ সাহিত্য চ'ৰা ঃ**

মঙলদৈ মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাৰ আন এক প্ৰাণকেন্দ্ৰ হ'ল মঙলদৈ কলেজ সাহিত্য চ'ৰা। মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উদ্যোগত ১৯৭০ চনত এই সাহিত্য চ'ৰাৰ প্ৰতিষ্ঠা হৈছিল। অসমৰ সাহিত্য সভাৰ দ্বাৰা স্বীকৃত সাহিত্য চ'ৰাৰ উদ্দেশ্য আছিল মহাবিদ্যালয়ত সাহিত্য চৰ্চাৰ পৰিৱেশ গঢ়া আৰু অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি যোগোৱা। মহাবিদ্যালয়ৰ অধ্যক্ষ সকল ক্ৰমে- শ্ৰীযুত প্ৰবোধ চন্দ্ৰ গোস্বামী, শ্ৰীযুত আব্দুল মজিদ, ড° পূৰ্ণ চন্দ্ৰ বৰা, শ্ৰীযুত গোপীনাথ শৰ্মা, শ্ৰীযুত শিৱ কান্ত শৰ্মা, ড° লোকেশ্বৰ নাথ, ড° অমিয়া দেৱী, ড° গিৰীশ চন্দ্ৰ গোস্বামী আৰু ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামীয়ে বৰ্তমানলৈ চ'ৰাৰ সভাপতি ৰূপে ইয়াৰ গুৰি ধৰিছে। মঙলদৈ মহাবিদ্যালয়ত সাহিত্য চৰ্চাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা চ'ৰাৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল অধ্যাপক বসন্ত কুমাৰ গোস্বামী। গোস্বামী দেৱৰ প্ৰযত্নত ঠন ধৰি উঠা মঙলদৈ কলেজ সাহিত্য চ'ৰাই প্ৰসাৰ লাভ কৰে ইয়াৰ দ্বিতীয় গৰাকী সম্পাদক অধ্যাপক প্ৰভাত চন্দ্ৰ শৰ্মাৰ উদ্যোগত। এই সময়খিনিত চ'ৰাৰ মাহেকীয়া বৈঠক সমূহত ভাষা-সাহিত্য আৰু সংস্কৃতি বিষয়ক বিভিন্ন বক্তৃতা প্ৰদান আৰু আলোচনা অনুষ্ঠিত হৈছিল। পুতলা নাচ, খুলীয়া ভাউৰীয়া, ঢেপাচুলীয়া, খেৰাই নৃত্য, ঝুমুৰ নৃত্য আদি চ'ৰাৰ জৰিয়তে প্ৰদৰ্শন কৰাই শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত দৰঙী সংস্কৃতিৰ আভাস দাঙি ধৰাৰ লগতে সাংস্কৃতিক মনোৰঞ্জনৰ ব্যৱস্থা কৰা হৈছিল। মহাবিদ্যালয়ত এই সাহিত্য চ'ৰাৰ জৰিয়তে সাহিত্য-সংস্কৃতিৰ ধাৰাটো বোৱাই নিয়াৰ ক্ষেত্ৰত চ'ৰাৰ তৃতীয় গৰাকী সম্পাদক অধ্যাপক জীৱন চন্দ্ৰ শৰ্মাৰ তত্বাৱধানত তদনুৰূপ কাৰ্য্য সম্পাদন হৈছিল। চ'ৰাৰ সম্পাদিকা অধ্যাপিকা নাহাৰুণ নেচা আৰু সহঃ সম্পাদক অধ্যাপক শৰৎ চন্দ্ৰ শৰ্মা আছিল চ'ৰাৰ সুদক্ষ কৰ্মী।

মঙলদৈ কলেজ সাহিত্য চ'ৰাৰ উদ্যোগত অসম সাহিত্য সভাৰ ভাষা-জ্ঞান পৰীক্ষা সংসদৰ পৰীক্ষা কেন্দ্ৰ এটি

মঙলদৈ মহাবিদ্যালয়ত খোলা হৈছিল। এই কেন্দ্ৰটিৰ জৰিয়তে পৰীক্ষাত অৱতীৰ্ণ হৈ প্ৰাগ্ ভাৰতী পৰ্যন্ত কেইবাগৰাকীও অনা-অসমীয়া লোকে উত্তীৰ্ণ হৈছিল। অসমীয়া ভাষা সাহিত্যৰ উন্নতি আৰু জাতীয় জীৱনৰ কল্যাণৰ হকে বিভিন্ন কাৰ্য-পন্থা গ্ৰহণ কৰিবলৈ অসম সাহিত্য সভাক অনুৰোধ জনাই চ'ৰাৰ পৰা সময়ে সময়ে গঠনমূলক প্ৰস্তাৱ আগবঢ়াই অহা হৈছে। চ'ৰাৰ আমন্ত্ৰণ ক্ৰমে অসমৰ কেইবাগৰাকীও স্বনামধন্য সু-সাহিত্যিকে মঙলদৈ মহাবিদ্যালয়লৈ আহি ভাষা-সাহিত্য আৰু সংস্কৃতি বিষয়ক বক্তৃতা প্ৰদান কৰি মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাৰ পথাৰত সাৰ-পানী যোগাইছে। সেই সকলৰ ভিতৰত অসমৰ সু-সাহিত্যিক কবি ভবানন্দ ৰাজখোৱা, অতুল চন্দ্ৰ বৰুৱা, আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী, ৰজনী কান্ত দেৱ শৰ্মা, গজেন্দ্ৰ নাথ চহৰীয়া, মুনীন বৰকটকী, লক্ষ্মীনন্দন বৰা, অতুলানন্দ গোস্বামী, নবীন চন্দ্ৰ শৰ্মা আদি অসমীয়া সাহিত্যৰ পুৰুধাসকলৰ নাম চ'ৰাৰ বুৰঞ্জীত উজ্জ্বলি আছে।

মঙলদৈ কলেজ সহিত্য চ'ৰাই বিগত সময় খিনিত মহাবিদ্যালয়ত সাহিত্য চৰ্চাৰ ক্ষেত্ৰত এইদৰে এক বিশেষ ভূমিকা লৈ আহিছে। ইয়াৰ উপৰিও চ'ৰাই অসম সাহিত্য সভা আৰু দৰং জিলা সাহিত্য সভাৰ সাংগঠনিক কামত সহযোগ আগবঢ়াই আহিছে। বৰ্তমানলৈ অসমৰ বহু কেইগৰাকী সাহিত্যিক আৰু শিল্পী সাধকক সম্বৰ্দ্ধনা যাঁচি মঙলদৈ কলেজ সাহিত্য চ'ৰাই সাহিত্য-সংস্কৃতিৰ বিকাশত উদাৰতাৰ পৰিচয় দাঙি ধৰিছে। অসমীয়া লোক-সংস্কৃতিৰ বহুমূলীয়া অঙ্গ 'দৰঙী লোক-গীত আৰু লোক-কথাৰ সংগ্ৰহ' আৰু 'দৰঙী উপভাষাৰ বিচাৰ-বিশ্লেষণ'ৰ দৰে অতি প্ৰয়োজনীয় কাম কৰাৰ ক্ষেত্ৰতো মঙ্গলদৈ কলেজ সাহিত্য চ'ৰাই আগভাগ লৈছিল। চ'ৰাৰ জৰিয়তে মঙলদৈ মহাবিদ্যালয়ত সঙ্গীত চৰ্চাৰ আৰম্ভণিও কৰা হৈছিল।

মঙলদৈ কলেজ সাহিত্য চ'ৰা সুদীৰ্ঘ ইতিহাসক চ'ৰাৰ মূল উদ্দেশ্য সাধনত বিশেষকৈ সাহিত্যৰ চৰ্চা আৰু সাহিত্যিকৰ বিকাশ ঘটোৱাত প্ৰশংসনীয় সফলতা আহিছে বুলি ক'ব পাৰি। স্থানৰ অভাৱত চ'ৰাৰ লেখক-লেখিকা সকলৰ নাম ল'ব পৰা আলোচনীৰ পাতত লেখনী প্ৰকাশ কৰা আটাইকেইগৰাকী অধ্যাপক-অধ্যাপিকাই চ'ৰাৰ নিয়মীয়া লেখক আছিল।

মঙলদৈ কলেজ সাহিত্য চ'ৰাৰ পূৰ্বৰ ঐতিহ্য অক্ষুন্ন ৰাখি ইয়াৰ মূল উদ্দেশ্য সাধনত অৰিহণা যোগাবলৈ বৰ্তমানৰ চ'ৰাৰ সদস্য-সদস্যা আৰু সাহিত্যানুৰাগী লেখক-লেখিকা সকলৰ সহযোগত চ'ৰাৰ বৰ্তমান সম্পাদক এই লেখকে অকুণ্ঠ প্ৰয়াস কৰি আহিছে। মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষত চ'ৰাৰ তৰফৰ পৰা গঠন মূলক কাৰ্য সম্পাদনৰ আশা কৰা হৈছে। সোনালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ শুভাৰম্ভণিত চ'ৰাৰ লেখক-লেখিকা, গায়ক-গায়িকাসকলৰ প্ৰতিভা প্ৰদৰ্শনেৰে আমন্ত্ৰিত অতিথি, শিক্ষক-কৰ্মচাৰী আৰু মহাবিদ্যালয়ৰ প্ৰায় তিনিহাজাৰ ছাত্ৰ-ছাত্ৰীৰে ভৰপূৰ মহাবিদ্যালয় প্ৰেক্ষাগৃহত, 'সোণালীৰ প্ৰথম পুৱা' নামৰ এখনি বিচিত্ৰানুষ্ঠান অনুষ্ঠিত কৰা হৈছিল। আশা কৰিছোঁ, এইদৰে মঙলদৈ কলেজ সাহিত্য চ'ৰাৰ প্ৰগতিৰ সোপান ৰচনা হ'ব।

**প্ৰাচীৰ পত্ৰিকা ঃ**

প্ৰাচীন কালৰ দেৱাল লেখন, স্তম্ভ লেখন পদ্ধতিৰ নতুন সংস্কৰণ আধুনিক যুগৰ প্ৰাচীৰ পত্ৰিকা সাহিত্য চৰ্চা আৰু সাহিত্য প্ৰতিভা প্ৰকাশৰ অভিনৱ মাধ্যম। অধিক মিতব্যয়িতা আৰু কম আয়াসত প্ৰাচীৰ পত্ৰিকাৰ জৰিয়তে সাহিত্যৰ চৰ্চা আৰু বিকাশত অৰিহণা যোগাব পাৰি। নতুন লেখক-লেখিকাৰ আত্ম প্ৰকাশত সহায় কৰিব পাৰি। মঙলদৈ মহাবিদ্যালয়তো সেই উদ্দেশ্য সাধনৰ বাবে ইং ১৯৭২-১৯৭৩ চনত প্ৰথমবাৰ প্ৰাচীৰ পত্ৰিকা প্ৰকাশৰ দিহা কৰা হৈছিল। সেই সময়ৰ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক প্ৰেম আনন্দ নাথ আৰু বহুতো উদ্যোগী ছাত্ৰ-ছাত্ৰীৰ প্ৰচেষ্টাত প্ৰথম সংখ্যা প্ৰাচীৰ পত্ৰিকাৰ জন্ম হৈছিল। পৰৱৰ্তী কালত মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ সম্পাদক গৰাকীয়ে প্ৰাচীৰ পত্ৰিকাখনিৰ সম্পদনাৰ দায়িত্ব পালন কৰি আহিছে। আৰম্ভণিৰে পৰা প্ৰতি মাহে প্ৰকাশিত হোৱা প্ৰাচীৰ পত্ৰিকা খনিৰ বছৰটোৰ ভিতৰত কেইটামান সংখ্যা প্ৰকাশ হয়। প্ৰাচীৰ পত্ৰিকাত মহাবিদ্যালয়ৰ লেখক লেখিকা ছাত্ৰ-ছাত্ৰীসকলে সকলো সময়তে তেওঁলোকৰ ৰচনাসমূহ প্ৰকাশ কৰা সুবিধা পাই আহিছে। মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাখনৰ প্ৰেৰণাতে বৰ্তমান বিভিন্ন বিভাগৰ উদ্যোগী ছাত্ৰ-ছাত্ৰীসকলে প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি বিভাগীয় ভাবেও সহিত্য চৰ্চা আৰু বিভাগীয় বিভিন্ন বিষয়-বস্তুৰ বিষয়ে আলোচনা, প্ৰবন্ধ, বিভিন্ন সংবাদ আদি প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিছে। বিভাগীয় প্ৰাচীৰ পত্ৰিকাৰ ভিতৰত ভূগোল বিভাগৰ 'মৌচুমী', অসমীয়া বিভাগৰ 'কুঁহিপাত', ৰসায়ন বিভাগৰ 'ক্ৰিষ্টেল' প্ৰাণী বিজ্ঞান বিভাগৰ 'ডলফিন', ৰাজনীতি বিজ্ঞান বিভাগৰ আৰু বুৰঞ্জী বিভাগৰ প্ৰাচীৰ পত্ৰিকাৰ নাম উল্লেখযোগ্য। মহাবিদ্যালয়ৰ এই প্ৰাচীৰ পত্ৰিকা কেইখনে সাহিত্য চৰ্চাত বিশেষ ভূমিকা গ্ৰহণ কৰিছে বুলি ক'ব পাৰি।

**মঙলদৈ কলেজ সাহিত্য বিভাগ ঃ**

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ যোগেদি মহাবিদ্যালয়ত সাহিত্যৰ পৰিৱেশ সৃষ্টিৰ উল্লেখনীয় প্ৰচেষ্টা চলাই অহা হৈছে। এই বিভাগে মহাবিদ্যালয়ৰ

ছাত্ৰ-ছাত্ৰীক সাহিত্য ৰচনাৰ প্ৰেৰণা যোগাই আহিছে। বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত সাহিত্য বিভাগে ভিন্ন ধৰ্মী সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰি লেখক-লেখিকাসকলক উৎসাহিত কৰাৰ লগতে স্বীকৃতি প্ৰদান কৰি আহিছে। এই বিভাগৰ পৰা প্ৰতি বছৰে 'প্ৰেৰণা' নামেৰে এখনি কবিতা আলোচনী প্ৰকাশিত হৈ আহিছে। প্ৰথমে "নতুন কবিতা" নামেৰে এই আলোচনীখনৰ জন্ম হৈছিল। মহাবিদ্যালয়ৰ নতুন চাম কবিক কাব্য চৰ্চা কৰাত এই আলোচনীখনিয়ে যথেষ্ট উদ্দীপনা যোগাই আহিছে।

**অধ্যয়ন চক্ৰ ঃ**

'মঙলদৈ কলেজ অধ্যয়ন চক্ৰ' নামেৰে অনুষ্ঠান এটিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অধ্যয়ন আৰু সাহিত্য চৰ্চাৰ পৰিৱেশ গঢ়ি উঠিছিল। বৰ্তমান 'অসমীয়া বিভাগৰ অধ্যয়ন চক্ৰ'ই মহাবিদ্যালয় তথা বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য প্ৰতিভা বিকাশৰ বাবে উদ্যোগ লৈছে। এই অধ্যয়ন চক্ৰই সাহিত্য প্ৰতিভা সন্ধানী প্ৰতিযোগিতা, বক্তৃতা প্ৰদান আদিৰ জৰিয়তে মহাবিদ্যালয়ত সাহিত্য-সংস্কৃতিৰ প্ৰৱাহ বোৱাবলৈ প্ৰয়াস কৰিছে।

সহিত্য জাতিৰ দাপোন। সাহিত্যই জাতীয় জীৱনৰ প্ৰতিটো অঙ্গকে সুন্দৰ-সুঠাম আৰু সুশোভিত কৰি জাতিৰ আয়ুস ৰেখা দীঘলীয়া কৰে। সেই বাবে সাহিত্যৰ স্থান সকলোৰে উৰ্দ্ধত। সাহিত্যৰ নান্দনিক সৌন্দৰ্যই যুগে যুগে মানুহৰ অন্তৰ জয় কৰি আহিছে। সেয়েহে পৃথিৱীৰ এনে এখন ঠাই নাই য'ত সাহিত্যৰ সাধক আৰু পাঠকৰ অভাৱ। সাহিত্যৰ স্ৰষ্টাক প্ৰকৃততে কোনো বিশেষ পৰিৱেশ বা অনুষ্ঠানিকতাৰ প্ৰয়োজন নহয়। গতিশীল সময়, পৰিৱৰ্তিত মূল্যবোধ আৰু যুগধৰ্মৰ আহ্বানে সাহিত্যৰ প্ৰাণ চালিকা শক্তিক উজ্জীৱিত কৰে; তথাপি সামূহিক জীৱনত বান্ধ খাই থকা ব্যক্তিজীৱনৰ সৃজনীশীল প্ৰতিভা কেতিয়াবা অপ্ৰকাশ থাকি সুপ্ত অৱস্থাতে হৃদয়ত অন্তঃশলীলা ৰূপত প্ৰবাহিত হৈ থাকে। তেনেৰোৰ প্ৰতিভা বৰ্হিজগতলৈ উলিয়াই আনি ৰূপ ৰসেৰে সমৃদ্ধ কৰি মানুহৰ অন্তৰত তাৰ সুবাস সিঁচি দিয়াৰ ক্ষেত্ৰত কেতিয়াবা বিভিন্ন পৰিৱেশ আৰু প্ৰেৰণাৰ প্ৰয়োজন হয়। মঙলদৈ মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাৰ পৰিৱেশেও সেই একেই প্ৰেৰণাকে যোগাই আহিছে।


প্ৰসঙ্গ ঃ

১। মঙলদৈ মহাবিদ্যালয় আলোচনী (বিভিন্ন সংখ্যা)

২। ৰূপালী জয়ন্তী স্মৃতি গ্ৰন্থ ঃ মঙলদৈ মহাবিদ্যালয়

৩। কাৰ্য-বিৱৰণী টোকা বহী, মঙলদৈ কলেজ সাহিত্য চ'ৰা

৪। তথ্য দাতা ঃ অধ্যাপক জীৱন চন্দ্ৰ শৰ্মা
শ্ৰীপ্ৰভাত চৌধুৰী
অধ্যাপক ভূপেন্দ্ৰ নাথ কাকতি


---


*শ্ৰীবৰুৱা মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী।*



# খেলা-ধূলাত মঙলদৈ মহাবিদ্যালয়

শচীন চহৰীয়া

ভাষা সাহিত্য আৰু সংস্কৃতিৰ দৰে বৰ্ত্তমান খেল- পথাৰ এটা জাতিৰ সভ্যতাৰ অন্যতম জোখ-মাপ। ব্যক্তিৰ শাৰিৰীক, মানসিক উৎকৰ্ষ সাধনৰ লগতে ব্যক্তিৰ সামগ্ৰিক বিকাশৰ বাবে খেলৰ প্ৰয়োজনীয়তা যুগে যুগে সকলোৰে স্বীকাৰ কৰি আহিছে। সম্প্ৰতি খেলা-ধূলা এক নিচাৰ বস্তু হৈ থকা নাই, ইয়াৰ লগত পেশাও জড়িত হৈ পৰিছে। বৰ্ত্তমান বিশ্বত অতি কম মূলধনতে কেৱল কঠোৰ পৰিশ্ৰম আৰু অনুশীলনৰ জৰিয়তে সৎ ধন উপাৰ্জন কৰি চহকী আৰু সু-প্ৰতিষ্ঠিত হোৱাৰ উত্তম মাধ্যম হৈছে ক্ৰীড়া। সেয়েহে ক্ৰীড়াৰ প্ৰতি মানুহৰ আকৰ্ষণ আৰু ইয়াৰ জনপ্ৰিয়তা দ্ৰুত গতিত বৃদ্ধি পাব ধৰিছে। বৰ্ত্তমান বিশ্ববাসী খেল জগতক লৈ উত্ৰাৱল। ইয়াৰ লগে লগে বিভিন্ন প্ৰতিযোগিতাত ফেৰ মাৰিব পৰাকৈ বিভিন্ন দেশত উদ্ভাৱন হৈছে নতুন বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা। এসময়ৰ মনোৰঞ্জনৰ বাবে হোৱা খেলা-ধূলা বৰ্ত্তমান ব্যক্তি জীৱনলৈ 'গ্লেমাৰ' কঢ়িয়াই আনিব পৰা এক অৰ্থকাৰী মাধ্যম হৈ পৰিছে।

ব্যক্তিগত নিজা প্ৰচেষ্টাৰ লগতে বৰ্ত্তমান চৰকাৰীভাৱেও খেলুৱৈ সকলৰ প্ৰতিভা বিকাশৰ বাবে যথেষ্ঠ সহায়-সহযোগ আগবঢ়োৱা হৈছে। ভাৰতৰ বিভিন্ন ৰাজ্যত ক্ৰীড়া প্ৰশিক্ষণ কেন্দ্ৰ 'ছাই'ৰ জৰিয়তে ক্ৰীড়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰি ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় পৰ্য্যায়লৈ ক্ৰীড়াবিদ সকলৰ উত্তৰণৰ চিন্তা কৰা হৈছে আন বিভিন্ন সুবিধাৰ লগতে খেলুৱৈ পেঞ্চনৰো ব্যৱস্থা কৰা হৈছে। কিন্তু দুখৰ বিষয় ১০০ কৌটিতকৈ অধিক জনসংখ্যাৰ ভাৰতবৰ্ষ জনসংখ্যাৰ ফালৰ পৰা বিশ্বৰ দ্বিতীয় শ্ৰেষ্ঠ দেশ হৈও আন্তৰাষ্ট্ৰীয় পৰ্য্যায়ত এতিয়ালৈ খেলৰ প্ৰায় সকলো ক্ষেত্ৰতে বাৰুকৈয়ে পুতৌ লগা। আমাৰ ৰাজ্যৰ বেলিকাও চৰকাৰীভাৱে ক্ৰীড়াৰ ক্ষেত্ৰত যথোপযুক্ত ভাৱে গুৰুত্ব আৰোপ নকৰাত আৰু আজিকোপতি অসমত সুস্থ গতিশীল ক্ৰীড়া নীতি হৈ নুঠাৰ বাবে যথেষ্ট প্ৰতিভা সম্পন্ন খেলুৱৈ থকা সত্বেও ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় প্ৰতিযোগিতাত সঠিক ভাৱে ফেৰ মাৰিব পৰা নাই। দুই একোগৰাকী প্ৰতিভাবান খেলুৱৈয়ে কেৱল নিজ প্ৰচেষ্টাৰে বিশ্ব দৰবাৰত থিয় দি অসমৰ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

সুদক্ষ খেলুৱৈ জাতিৰ গৌৰৱ। এই মূল মন্ত্ৰ সাৰোগত কৰি দেশৰ শিক্ষানুষ্ঠান সমূহত ক্ৰীড়াৰ বাতাবৰণ গঢ়ি তোলাৰ যি চেষ্টা কৰা হৈছে মঙলদৈ মহাবিদ্যালয়তো প্ৰতিষ্ঠা কালৰে পৰাই খেলা-ধূলাৰ উন্নতি কল্পে যথেষ্ট গুৰুত্ব দি অহা হৈছে। মহাবিদ্যালয়ত আৰম্ভণীতে ফুটবল, হকী, বাস্কেটবল, টেবুল টেনিছ, ল'নটেনিচ, বেডমিন্টন, ভলীবল আদিৰ ব্যৱস্থাৰে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন প্ৰতিযোগিতাৰ বাবে উৎসাহিত কৰা হৈছিল। এইবোৰৰ ভিতৰত ফুটবল খেলাত অসমৰ ভিতৰতে মঙলদৈ মহাবিদ্যালয়ৰ এক সুকীয়া স্থান আছিল। প্ৰায় প্ৰতিবছৰে বিভিন্ন ঠাইত আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ কৃতকাৰ্য্য হ'ব পাৰিছিল। এই মহাবিদ্যালয়ৰ পৰা কেইবাগৰাকী ছাত্ৰই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফুটবল দলৰ হৈ কেইবা বছৰো খেলত অংশ গ্ৰহণ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছিল। এই সকলৰ ভিতৰত শ্ৰীযুত ফনীধৰ ডেকা, শ্ৰীযুত অৱনী কুমাৰ দত্ত, শ্ৰীযুত শিৱ দৈমাৰী, শ্ৰীযুত ইছাহক খাখলাৰী অন্যতম আছিল।

ফুটবল খেলৰ এটি সুস্থ বাতাবৰণ থকা হেতুকে ১৯৭২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাখনি প্ৰশংসনীয় পৰিচালনাৰে ইয়াত

অনুষ্ঠিত হৈ জিলাৰ ফুটবল খেলুৱৈ সকলক উৎসাহিত কৰিছিল। ই আছিল আমাৰ বাবে অতি গৌৰৱৰ বিষয়। অৱশ্যে আজি কিছু বছৰ ধৰি বিভিন্ন কাৰণ বশতঃ আমাৰ মহাবিদ্যালয়ত ফুটবলৰ ভাল বাতাবৰণ এটি সৃষ্টি কৰিব পৰা নাই যদিও এই সন্দৰ্ভত চিন্তা-চৰ্চা কৰি থকা হৈছে।

মঙলদৈ মহাবিদ্যালয়ত বহিঃদ্বাৰ আৰু অন্তঃদ্বাৰ দুয়োটা বিভাগতে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ অৰ্থে কৰ্তৃপক্ষই সুবিধা প্ৰদান কৰি আহিছে। বহিঃদ্বাৰ খেল সমূহৰ ভিতৰত বৰ্ত্তমান আধুনিক সময়ৰ উপযোগী সকলো ধৰণৰ খেলৰ ব্যৱস্থা আছে যদিও দুই এবিধ খেলৰ সামগ্ৰীৰ অভাৱত ছাত্ৰ-ছাত্ৰীক সুবিধা দিব পৰা নাই। সেয়েহে যোৱা বছৰৰ পৰা খেল উন্নয়ন পুঁজি এটি গঠন কৰি আৱশ্যকীয় খেল সামগ্ৰী আৰু উন্নয়নৰ দিশত বিশেষ গুৰুত্ব দিছে। এই বছৰৰ পৰা নতুনকৈ বাস্কেটবলৰ সুবিধাৰ লগতে প্ৰশিক্ষণ আদিৰ ব্যৱস্থাৰ বাবে কৰ্তৃপক্ষই গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ জৰিয়তে সমগ্ৰ জিলাৰ খেলুৱৈ সকল উপকৃত হ'ব।

আন্তঃমহাবিদ্যালয় ক্ৰীড়া সমাৰোহত মঙলদৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা যোগদান কৰি অহা হৈছে। অৱশ্যে মাজতে এই ক্ৰীড়া সমাৰোহ বন্ধ হৈ থকা বাবে যোগদান কৰিব পৰা নাছিল। ১৯৯৮/৯৯ চনত পাণ্ডু মহাবিদ্যালয়ত এই ক্ৰীড়া সমাৰোহ অনুষ্ঠিত হয় আৰু অসমৰ প্ৰায়বোৰ মহাবিদ্যালয়ে যোগদান কৰে। এই বছৰটি আমাৰ মহাবিদ্যালয়ৰ বাবে অতি সুনামৰ বছৰ আছিল। কেইবাগৰাকী খেলুৱৈয়ে এথলেটিক খেলৰ বিভিন্ন শিতানত সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পদ অৰ্জন কৰি মহাবিদ্যালয়লৈ সন্মান কঢ়িয়াই আনিছিল।

১৯৯৮-৯৯ বৰ্ষৰ আন্তঃমহাবিদ্যালয় যুৱ ক্ৰীড়া সমাৰোহত মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল আৰু তেওঁলোকৰ পদক সমূহ ঃ

ৰমেন্দ্ৰ নাৰায়ণ দেৱ ঃ ৩ টা সোণ।
বিপুল চহৰীয়া ঃ ৩ টা সোণ।
শেৱালী বড়ো ঃ ২ টা সোণ, ১ টা ব্ৰঞ্জ।
ৰবীন বসুমাতাৰী ঃ ১ টা সোণ, ১ টা ব্ৰঞ্জ।
জিটুমণি চহৰীয়া ঃ ১ টা সোণ।
নৱজ্যোতি ৰাজবংশী ঃ ১ টা ব্ৰঞ্জ।

ইয়াৰ আগতেও দুই এগৰাকী ছাত্ৰ-ছাত্ৰীয়ে এথলেটিক শিতানত মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। ১৯৭৯ চনত বিশ্ববিদ্যালয় ক্ৰীড়া সমাৰোহত ১৫০০ মিটাৰ দৌৰত উপহুপাৰা গাঁৱৰ শ্ৰীদেৰেন বৰুৱাই প্ৰথম ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল। ৫০০০ মিটাৰ দৌৰত শ্ৰীবৰুৱাই ৪ৰ্থ স্থান দখল কৰিব পাৰিছিল। ১৯৮৪-৮৫ চনত মহাবিদ্যালয়ৰ ছাত্ৰ উপহুপাৰা নিবাসী শ্ৰীকনক বৰুৱাই বিশ্ববিদ্যালয় ক্ৰীড়া সমাৰোহত ৫০০০ মিটাৰ দৌৰ প্ৰতিযোগিতাত সোণৰ পদক আৰু ১০,০০০ মিটাৰত ৰূপৰ পদক লাভ কৰি মহাবিদ্যালয় তথা দৰঙলৈ সুনাম কঢ়িয়াই আনে। অসম ভিত্তিত অনুষ্ঠিত মাৰাথান দৌৰ প্ৰতিযোগিতাত শ্ৰীকনক বৰুৱাই শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে।

১৯৮৭-৮৮ বৰ্ষত মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীধ্ৰুৱ শৰ্মাই (উপহুপাৰা) ২০০ মিটাৰ দৌৰ প্ৰতিযোগিতাত বিশ্ববিদ্যালয় ক্ৰীড়া সমাৰোহত ব্ৰঞ্জৰ পদক লাভ কৰে।

ইয়াৰ আগলৈ ষাঠীৰ দশকতো মহাবিদ্যালয়ৰ কেইবাগৰাকী ছাত্ৰই গৌৰৱ কঢ়িয়াই আনিছিল। তাৰ ভিতৰত (কলিকতা উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ) ১ম বৰ্ষৰ ছাত্ৰ শ্ৰীযুত শিৱ প্ৰসাদ ৰাজখোৱা উল্লেখযোগ্য। তেখেত দীৰ্ঘদিন ধৰি জিলা ক্ৰীড়া সন্থাৰ (MSA) গুৰি ধৰোতা আছিল আৰু সন্থাটিৰ নতুনকৈ ৰূপ দি ক্ৰীড়াৰ পৰিৱেশ গঢ়ি তোলাত প্ৰভূত অৰিহণা আগবঢ়াইছিল। ১ম বৰ্ষৰ ছাত্ৰ শ্ৰীযুত আশোক ডেকা আৰু শ্ৰীযুত নগেন চৌধুৰী দেৱেও সেই সময়ত ফুটবলত জিলাৰ হৈ প্ৰতিনিধিত্ব কৰিছিল।

১৯৭৪-৭৫ বৰ্ষৰ সময়ত শ্ৰীযুত আশুতোষ চৌধুৰী আৰু শ্ৰীযুত জয়ন্ত দাস দুয়ো গৰাকীয়ে বহিঃদ্বাৰ আৰু আন্তঃদ্বাৰ দুয়োটা শিতানতে বিশেষ ভাৱে পাৰদৰ্শিতা দেখুৱাইছিল। শ্ৰীযুত আশুতোষ চৌধুৰী বহুদিন ধৰি ৰাষ্ট্ৰীয় পৰ্য্যায়ত টেবুল টেনিছ প্ৰশিক্ষক হিচাপে নিযুক্তি পাইছিল। বৰ্ত্তমান তেখেত জিলা ক্ৰীড়া বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। অসমৰ উদীয়মান ছাত্ৰ মঙলদৈ মহাবিদ্যালয়ৰ খেল বিভাগৰ সম্পাদক ক্ৰীড়া সংগঠক শ্ৰীযুত দুৰ্গা দাস বড়ো অসম চৰকাৰ ক্ৰীড়া ৰাজ্যিক মন্ত্ৰীৰ অসন অলংকিত কৰি মহাবিদ্যালয় খনলৈ সন্মান কঢ়িয়াই আনে।

মহাবিদ্যালয়ৰ ছাত্ৰীৰ ভিতৰত শ্ৰীপ্ৰজ্বলিতা বড়াই অসম দলৰ হৈ কাবাডীত প্ৰতিনিধিত্ব কৰিছিল। ই মঙলদৈ মহাবিদ্যালয়ৰ বাবে অতি গৌৰৱৰ বিষয়। শেহতীয় ভাৱে মহাবিদ্যালয়ৰ কৃতী ছাত্ৰী শ্ৰীশেৱালী বড়োৱে অসম দলৰ হৈ কাবাডী, খো-খো আৰু এথলেটিক প্ৰতিযোগিতাত যোগদান কৰি মহাবিদ্যালয় তথা সমগ্ৰ দৰং জিলাৰ বাবে গৌৰৱ কঢ়িয়াই আনে। বিভিন্ন খেলত পাৰদৰ্শিতাৰ বাবে তেওঁ বৰ্ত্তমান আৰক্ষী বিভাগত নিযুক্তি পায়।

ভলীবল প্ৰতিযোগিতাত মহাবিদ্যালয় খেলুৱৈ সকলে আৰম্ভণীৰ পৰা অংশ গ্ৰহণ কৰি আহিছে। ১৯৯৯-২০০০ বৰ্ষত গুৱাহাটী বিশ্ববিদ্যালয়ে আয়োজন কৰা কৃষ্ণকান্ত সন্দিকৈ আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাত আমাৰ

মহাবিদ্যালয়ে বিজয়ী দলৰ খিতাপ লাভ কৰি দৰঙ জিলাৰ সুনাম কঢ়িয়াই আনে। চুড়ান্ত খেলত মঙলদৈ মহাবিদ্যালয়ে বজালী মহাবিদ্যালয়ক পৰাজিত কৰে।

১৯৯৯-২০০০ চনৰ চুড়ান্ত ভলীবল বিজয়ী দলৰ ছাত্ৰসকল হ'ল ঃ

১) শ্ৰীপল্লৱ প্ৰাণ শাণ্ডিল্য।
২) " জিতেন হাজৰিকা।
৩) " সীমান্ত চহৰীয়া।
৪) " লক্ষ্য শৰ্মা।
৫) " অকন খাখলাৰী।
৬) " জয়ন্ত শৰ্মা।
৭) " কুশল ডেকা।
৮) " নিতু ডেকা।
৯) " মুকুট ডেকা।
১০) " দিব্যজ্যোতি ডেকা।
১১) " নৱজ্যোতি শৰ্মা।
১২) " হৰমোহন চহৰীয়া।

ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীশচীন চহৰীয়া আৰু অধ্যাপক শ্ৰীহৰিমন ডেকাই দলক নেতৃত্ব দিয়ে।

উল্লেখ্য উক্ত চুড়ান্ত দলৰ শ্ৰীপল্লৱ প্ৰাণ শাণ্ডিল্য আৰু শ্ৰীজিতেন হাজৰিকাই অসম দলত বাছনিভূক্ত হয় আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ত খেলি আমালৈ গৌৰৱ কঢ়িয়াই আনে। এইবোৰৰ উপৰিও মহাবিদ্যালয়ত প্ৰতিবছৰে মহাবিদ্যালয় সপ্তাহ উপলক্ষে বহিঃদ্বাৰ আৰু আন্তঃদ্বাৰ বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াৰ জৰিয়তে খেলুৱৈ সকলক বাছনি কৰি উন্নত খেলৰ বাবে উৎসাহিত কৰা হয়। শ্ৰেণীসমূহৰ মাজতো প্ৰতি বছৰে ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰি খেলৰ প্ৰতি অনুৰাগ বঢ়াবলৈ যত্ন কৰা হৈছে। খেলৰ বাবে খেল পথাৰ খনিৰো আধুনিকীকৰণ কৰি উপযোগী কৰি তোলা হৈছে। মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° লোকেশ্বৰ নাথ চাৰে খেলপথাৰৰ লগতে ক্ৰীড়াৰ উন্নয়ন সন্দৰ্ভত বিভিন্ন ধৰণে উৎসাহিত কৰাৰ বাবে তেখেতলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়া দৰঙৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান মঙলদৈ মহাবিদ্যালয়ৰ হেজাৰ হেজাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সুপ্ত প্ৰতিভা আমি প্ৰতক্ষ্য কৰিছোঁ। এই প্ৰতিভা বিকশিত আৰু প্ৰকাশিত কৰিবলৈ ইয়াত যথেষ্ট সমল আছে। ইয়াক বাস্তৱত ৰূপ দি সুদক্ষ খেলুৱৈ সৃষ্টি কৰিবলৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ, ছাত্ৰ একতা সভা আৰু খেলুৱৈ সকলৰ অশেষ ত্যাগ আৰু প্ৰচেষ্টা অব্যাহত থাকিব লাগিব। খেলুৱৈসকলে অশেষ ধৈৰ্য্য, কঠোৰ পৰিশ্ৰম, প্ৰশিক্ষণ আৰু নিয়মীয়া অনুশীলনৰ জৰিয়তে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সচেষ্ট হ'ব লাগিব।

আৰম্ভণিৰে পৰা এতিয়ালৈকে যিসকল ক্ৰীড়াবিদ, ক্ৰীড়া সংগঠক আৰু ক্ৰীড়ানুৰাগী ছাত্ৰ-ছাত্ৰীয়ে জিলা, ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ বিভিন্ন প্ৰতিযোগিতাত যোগদান কৰি নিজক প্ৰতিষ্ঠা কৰাৰ লগতে মহাবিদ্যালয় আৰু লগতে জিলাখনলৈ সুনাম কঢ়িয়াই অনাত অৰিহনা যোগালে আমি আটাইলৈ আজিৰ এই সোণালী জয়ন্তীৰ শুভমুহূৰ্ত্তত ধন্যবাদ জ্ঞাপন কৰি কৃতজ্ঞতা যাচিছোঁ।

এইখিনিতে মহাবিদ্যালয়ত খেলৰ উন্নত পৰিৱেশ এটি সৃষ্টি কৰিবলৈ যথাসম্ভৱ তলৰ দিশ কেইটাৰ প্ৰতি গুৰুত্ব দিব লাগিব ঃ-

- আধুনিক যুগৰ প্ৰায়বোৰ খেল প্ৰবৰ্ত্তনৰ নিশ্চিতকৰণ।
- বিজ্ঞান সন্মত প্ৰশিক্ষণৰ ব্যৱস্থা।
- বহিঃদ্বাৰ আৰু আন্তঃদ্বাৰ খেলৰ বাবে প্ৰয়োজনীয় খেলৰ সামগ্ৰীসমূহৰ অভাৱ পূৰণ।
- মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতা সমূহ পৰিকল্পিত আৰু পদ্ধতিগত ভাবে অনুষ্ঠিত কৰাৰ ব্যৱস্থা।
- আন্তঃমহাবিদ্যালয়, ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্য্যায়ত প্ৰতিভাবান খেলুৱৈৰ অংশগ্ৰহণ নিশ্চিতকৰণ।
- খেলুৱৈ সকলে ক্ৰীড়াক এক পেশা হিচাপে লৈ কঠোৰ পৰিশ্ৰম আৰু নিয়মীয়া অনুশীলনৰ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ।
- মহাবিদ্যালয়ৰ সুস্থ ক্ৰীড়া-নীতি প্ৰবৰ্ত্তন আৰু ইয়াক অটুট ৰখা।

আমি আশা কৰিছোঁ মঙলদৈ মহাবিদ্যালয়ৰ এটি সুস্থ ক্ৰীড়া পৰিৱেশ ৰচনা হৈ ক্ৰীড়ামোদী ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰচেষ্টাত অসম তথা ভাৰতৰ ক্ৰীড়া জগতত মঙলদৈ তথা মঙলদৈ মহাবিদ্যালয়ৰ গৌৰৱময় ঐতিহ্য স্থাপিত হ'ব। সঠিক ভাৱে শিক্ষাগ্ৰহণৰ লগতে ক্ৰীড়া ক্ষেত্ৰত প্ৰত্যেকে প্ৰকৃত যুঁজাৰু হৈ নিজৰ জীৱন প্ৰতিষ্ঠা কৰাৰ লগতে জাতিটোক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰক।

---

*শ্ৰীচহৰীয়া মঙলদৈ মহাবিদ্যালয়ৰ উদ্ভিদ বিদ্যা বিভাগৰ প্ৰবক্তা, এজন সমাজকৰ্ম্মী আৰু ক্ৰীড়া প্ৰেমী লোক।*



# ।। মঙ্গলদৈ মহাবিদ্যালয়ৰ গ্ৰন্থগাৰ ঃ এটি চমু খতিয়ান।।

জেহিৰ আহমেদ মহম্মদ ইকবাল

সোণালী জয়ন্তী উদ্‌যাপন কৰা মঙলদৈ মহাবিদ্যাল দৰং জিলাৰ একমাত্ৰ পূৰ্ণাঙ্গ উচ্চ শিক্ষাৰ অনুষ্ঠান। ১৯৫১ চনতে প্ৰতিষ্ঠাপিত এই মহাবিদ্যালয়খনিয়ে সম্প্ৰতি বিদ্যায়তনিক দিশত এক স্বয়ং সম্পূৰ্ণতা লাভ কৰি ই অতি আধুনিক পাঠ্য বিষয় সমূহকো সামৰি লৈ অধিক সম্প্ৰসাৰণৰ পিনে অগ্ৰসৰ হৈছে। সৰ্বাঙ্গীন বিকাশ আৰু উন্নয়নত মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰটি যে অপৰিহাৰ্য সম্পদ এই কথা সৰ্বজন বিদিত। বিগত আঢ়ৈ কুৰি বছৰে মহাবিদ্যালয়ৰ গ্ৰন্থগাৰটিয়ে উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। কলা আৰু বিজ্ঞান -এই দুয়োটা শাখাৰে প্ৰায় সকলো বিষয়ৰ পাঠদানৰ ব্যৱস্থা থকা মঙ্গলদৈ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটি জিলা পুথি ভৰালৰ সমকক্ষ হিচাপে পৰিগণিত হোৱাৰ যোগ্য। বৰং দুষ্প্ৰাপ্য অনেক অমূল্য গ্ৰন্থ সংগ্ৰহ আৰু সংৰক্ষণৰ দিশত মহাবিদ্যালয় গ্ৰন্থাগাৰটি অধিক সম্পদশালী আৰু স্বয়ং সম্পূৰ্ণ বুলি ক'ব পৰা যায়।

মহাবিদ্যালয় এখনৰ আবিচ্ছেদ্য অংগ হিচাপে গ্ৰন্থাগাৰ এটিৰ প্ৰয়োজনীয়তা বোধ কৰি ১৯৫৬ চনতে ইয়াক ৰূপ দিয়াৰ উদ্যোগ পৰিলক্ষিত হৈছিল যদিও ১৯৬৫ চনতহে ই ঠন ধৰি উঠে, বিশেষতঃ প্ৰতিষ্ঠাপক অধ্যক্ষ শিক্ষাবিদ অধ্যক্ষ প্ৰবোধ চন্দ্ৰ গোস্বামীৰ ঐকান্তিক প্ৰচেষ্টাত। আৰম্ভণি কালত গ্ৰন্থাগাৰটি গঢ় দিয়াৰ মহান কাৰ্যত জড়িত হৈ পৰিছিল সেই সময়ৰ মঙ্গলদৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপনৰ সতে ওতঃপ্ৰোত ভাৱে জড়িত প্ৰয়াত জীৱনচন্দ্ৰ শৰ্মা (অধ্যাপক অনিল শৰ্মাৰ পিতৃ) আৰু মহাবিদ্যলয়ৰ অধ্যাপক ৰূপে যোগদান কৰা অধ্যাপক গজেন ঠাকুৰীয়া, ড° দীপ্তি প্ৰসাদ বৰুৱা, অধ্যাপক জীৱনচন্দ্ৰ শৰ্মা আৰু প্ৰয়াত তৈয়ব আলিয়ে মঙ্গলদৈ মহাবিদ্যালয় গ্ৰন্থাগাৰটিৰ পূৰ্ণ ৰূপ দিয়াত যথেষ্ট অৰিহণা আগবঢ়াইছিল। মহাবিদ্যালয় কাৰ্যালয় সহায়ক হিচাপে থকা আৰু পিছলৈ কাৰ্যালয় অধীক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰা মহম্মদ মহচীন আলিয়েও এই কাৰ্যত যথেষ্ট আগভাগ লৈছিল। অৱশ্যে তেতিয়াও গ্ৰন্থাগাৰটি চালুকীয়া অৱস্থাতে আছিল।

১৯৭২ চনৰ ২৬ নৱেম্বৰ তাৰিখে পূৰ্ণ পৰ্যায়ৰ গ্ৰন্থাগাৰিক হিচাপে মই কামত যোগদান কৰাৰ সময়ত গ্ৰন্থাগাৰত কিতাপৰ সংখ্যা আছিল মাত্ৰ চাৰি হাজাৰ মান। আলমাৰীৰ সংখ্যা আছিল মুঠ বাৰটা আৰু আছিল এখ টেবুল আৰু দুখন চকী। ইয়াৰ বিপৰীতে বৰ্ত্তমান কিতাপৰ সংখ্যা হৈছেহি পঞ্চাশ হাজাৰ, লগতে বিবিধ আলোচনী, জাৰ্নেলে আৰু বাতৰি কাকত ইত্যাদি। এতিয়া এই গ্ৰন্থাগাৰত আলমাৰী আছে প্ৰায় এশ ত্ৰিশটা। একেদৰে চকী-মেজ কেটলগ্ বস্ক (Catalogue) ইত্যাদিৰ সংখ্যা হৈছে পঞ্চাশৰো অধিক। অতি সম্প্ৰতি আধুনিক প্ৰযুক্তিৰ সংযোগ ঘটাই গ্ৰন্থাগাৰটি অধিক স্বয়ং সম্পূৰ্ণ কৰি তোলাৰ পৰিকল্পনা কৰি এটি কম্পিউটাৰ যন্ত্ৰ স্থাপন কৰা হৈছে। উল্লেখযোগ্য যে, অধ্যক্ষ শ্ৰদ্ধেয় প্ৰবোধ চন্দ্ৰ গোস্বামীদেৱৰ কাৰ্যকালতে আৰম্ভ কৰা ছাত্ৰ সাহায্য নিধিৰে (Student's Aid Fund ) দুখীয়া ছাত্ৰ-ছাত্ৰী আৰু মেধাবী শিক্ষাৰ্থীক সাহায্য আগবঢ়োৱাৰ ব্যৱস্থা আজিও অব্যাহত আছে। ইয়াৰ দ্বাৰা অনেক ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে। পোনতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম থকাৰ বাবে গ্ৰন্থাগাৰত বুক বেংক (Book Bank) ৰো ব্যৱস্থা আছিল যদিও বৰ্ত্তমান সেই ব্যৱস্থা উঠাই দিয়া হৈছে। তাৰ পৰিৱৰ্তে গ্ৰন্থাগাৰৰ পৰা

অবাৰিতভাৱে অধ্যয়নৰ বাবে প্ৰয়োজনীয় পাঠ্যপুথি, প্ৰসংগীয়া পুথি বা অন্যান্য দুষ্প্ৰাপ্য গ্ৰন্থৰ যোগান ধৰা হৈ আছে।

গ্ৰন্থাগাৰৰ বাবে প্ৰয়োজনীয় কিতাপ সমূহ মূলতঃ কলেজৰ ধন আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ (U.G.C.) অনুদানেৰে ক্ৰয় কৰা হয়। লগতে অনেক ব্যক্তি আৰু প্ৰতিষ্ঠানৰ পৰাও দান হিচাপে বুজন সংখ্যক গ্ৰন্থ এই গ্ৰন্থাগাৰে লাভ কৰিছে। মহাবিদ্যালয়ৰ আন এগৰাকী



*ইউ.জি.চি.ৰ অনুদানেৰে নৱনিৰ্মিত মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰ*

অধ্যক্ষ (অৱসৰ প্ৰাপ্ত) ড° লোকেশ্বৰ নাথ দেৱৰ দিনত এই বিদ্যালয়ৰ কেন্দ্ৰীয় পুথিভঁৰালৰ উদ্যোগত মহাবিদ্যালয়ৰ বিভিন্ন বিভাগত বিভাগীয় (Departmental) তথা চেমিনাৰৰ লাইব্ৰেৰী স্থাপনৰ দিহা কৰা হয়। সুখৰ বিষয় যে, মহাবিদ্যালয় স্নাতকোত্তৰ শ্ৰেণীৰ পাঠদানৰ ব্যৱস্থা হোৱাৰ ফলত আজি এই বিভাগীয় তথা চেমিনাৰ লাইব্ৰেৰীবোৰ এক পূৰ্ণ পৰ্য্যায়ত উপনীত হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা আগবঢ়োৱা ধনেৰে বৰ্ত্তমান এটি প্ৰশস্ত নতুন গ্ৰন্থাগাৰ ভৱনৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। এই ভৱনৰ সংলগ্ন কৰি এসময়ৰ অসম চৰকাৰৰ মন্ত্ৰী প্ৰয়াত দণ্ডীৰাম দত্তৰ পৰিয়ালৰ আৰ্থিক সাহায্যৰে এটি 'অধ্যয়ন কক্ষ' নিৰ্মাণ কৰা হৈছে। মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে প্ৰয়াত দত্তৰ পৰিয়ালৰ বদান্যতাত নিৰ্মিত এই অধ্যয়ন কক্ষটোৱে মঙ্গলদৈ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ এটা বহুদিনীয়া অভাৱ পূৰণ কৰিলে সেয়ে এই ছেগতে আমি প্ৰয়াত দত্তৰ পৰিয়ালৰ সদস্যবৰ্গলৈ আন্তৰিক কৃতজ্ঞতা আগবঢ়ালোঁ। অৱশ্যে নতুনকৈ নিৰ্মিত ভৱনটোৱেও বৰ্ত্তমানৰ গ্ৰন্থ আৰু আচবাবৰ বোজা বহন কৰিব নোৱাৰাৰ বাবে পূৰ্বৰ মূল মহাবিদ্যালয় ভৱনতে গ্ৰন্থাগাৰৰ এটি অংশ চলাই থাকিবলগীয়া হৈছে। এনেদৰে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ দুটা কেন্দ্ৰীয় পুথিভঁৰালে ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক-অধ্যাপিকাৰ লগতে কৰ্মচাৰী সকললৈও অবিৰতভাৱে সেৱা আগবঢ়াই আছে।

সম্প্ৰতি মঙ্গলদৈ মহাবিদ্যালয় গ্ৰন্থাগাৰত সৰ্বমুঠ ৬ (ছয়) গৰাকী কৰ্মচাৰী নিযুক্তি হৈছে। এওঁলোক হ'ল ঃ শ্ৰীমহেশ্বৰ শৰ্মা, শ্ৰীমতী খঞ্জনা ডেকা, মঃ মনোৱাৰ আলি, মঃ তবিবুল্লা আহমেদ, উমেশ শৰ্মা আৰু শ্ৰীগজেন বড়ো। এই সকল সতীৰ্থৰ একাগ্ৰতা আৰু কৰ্ম তৎপৰতাৰ ফলত মহাবিদ্যালয় গ্ৰন্থাগাৰটি সুচাৰুৰূপে পৰিচালিত হৈ আছে।

মঙ্গলদৈ মহাবিদ্যালয়ৰ দৰে ঐতিহ্যমণ্ডিত অতিপুৰণি শিক্ষানুষ্ঠানৰ পুথিভঁৰালটিৰ অধিক উন্নয়ন আৰু বিকাশৰ প্ৰয়োজন নিশ্চয় আছে। বিশেষকৈ অধুনিক প্ৰযুক্তিৰ সংযোগ ঘটাই গ্ৰন্থালয়টি অধিক গতিশীল আৰু উপযোগী কৰাৰ লগতে সকলো নতুনকৈ প্ৰকাশিত গ্ৰন্থ পুথিভঁৰাললৈ আমদানী কৰাৰ প্ৰয়োজন আছে। আশা ৰাখিছোঁ, পৰ্য্যায়ক্ৰমে এই কামবোৰ সম্পন্ন হ'ব আৰু মহাবিদ্যালয় গ্ৰন্থাগাৰটি জ্ঞান আহৰণ, অধ্যয়নৰ আৰু গৱেষণাৰ উৎকৃষ্ট কেন্দ্ৰৰূপে গঢ়ি উঠিব।

---

*লেখক মঙলদৈ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক।*



# মঙ্গলদৈ কলেজ শিক্ষক গোট ঃ এটি বিহঙ্গম দৃষ্টি

ৰমণীকান্ত চহৰীয়া

মঙলদৈ কলেজ শিক্ষক গোট হৈছে অসম কলেজ শিক্ষক সংস্থাৰ এটি স্বীকৃতি প্ৰাপ্ত গোট।

অসমৰ শিক্ষা ব্যৱস্থাৰ বিশেষভাবে কলেজীয়া শিক্ষা ব্যৱস্থাৰ সৰ্বাংগীন উন্নতিৰ বাবে অবিহণা আগবঢ়োৱা ৰাজ্যখনত এটা সুন্দৰ সাংস্কৃতিক বাতাবৰণ গঢ়ি তোলা, ব্যক্তিৰ মৌলিক অধিকাৰ আৰু মানবীয় প্ৰমূল্য ৰক্ষা কৰি ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতি বজাই ৰখাত অবিহণা যোগোৱা আৰু কলেজ শিক্ষক সকলৰ মৰ্য্যদা আৰু চাকৰিৰ সন্দৰ্ভত সকলো প্ৰকাৰৰ উন্নতিৰ বাবে যত্ন কৰা আদি উদ্দেশ্য সাধনৰ বাবে ১৯৪৯ চনত অসম কলেজ শিক্ষক সংস্থাৰ জন্ম হয়। অসমৰ ঘাটি মঞ্জুৰীপ্ৰাপ্ত কলেজ শিক্ষকসকলৰ একমাত্ৰ সংস্থা।

মঙলদৈ কলেজ শিক্ষক গোটৰ উদ্দেশ্য আৰু লক্ষ্য অসম কলেজ শিক্ষক সংস্থাৰ লক্ষ্যতকৈ বেলেগ নহয়। অসম কলেজ শিক্ষক সংস্থাৰ স্বীকৃতিপ্ৰাপ্ত গোট হিচাপে মঙলদৈ কলেজ শিক্ষক গোটে সংস্থাৰ সংবিধান অনুযায়ী সকলো কাৰ্য্য নিয়াৰিকৈ পালন কৰি আহিছে। সংস্থাৰ পঞ্চাশৰ দশকৰে স্বীকৃতিপ্ৰাপ্ত গোট হিচাপে আজিও মঙলদৈ কলেজ শিক্ষক গোটে সংস্থাৰ সকলো নিৰ্দেশ কাৰ্য্যকৰী কৰি আহিছে।

মঙলদৈ কলেজ শিক্ষক গোটে অসম কলেজ শিক্ষক সংস্থাৰ সকলো কাৰ্য্যসূচীত সক্ৰিয় ভাবে অংশ গ্ৰহণ কৰি আহিছে। সংস্থাৰ বিভিন্ন নায্য দাবী পূৰণৰ বাবে সময়ে সময়ে লোৱা আন্দোলনৰ কাৰ্য্যসূচীতো মঙলদৈ কলেজ শিক্ষক গোটে পূৰ্ণ সহযোগ আগবঢ়োৱাৰ উপৰিও মঙলদৈ কলেজৰ বিদ্যায়তনিক সমস্যাবোৰ সমাধানৰ ক্ষেত্ৰতো সক্ৰিয় ভূমিকা লৈ আহিছে। ১৯৭৫ চনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ দৰমহাৰ হাৰ অসমৰ কলেজ শিক্ষকৰ ক্ষেত্ৰটো প্ৰয়োগৰ বাবে অসম কলেজ শিক্ষক সংস্থাই আৰম্ভ কৰা পৰীক্ষা বৰ্জন আন্দোলনৰ সময়ত অসমৰ অন্য কলেজত হোৱাৰ দৰে মঙলদৈ কলেজ শিক্ষক গোটৰ সাত গৰাকীমান সদস্যাইও চৰকাৰী ষড়যন্ত্ৰত ভৰি দি AACTA ৰ এটা গোট মঙলদৈ কলেজত গঠন কৰি মঙলদৈ কলেজত প্ৰাক-বিশ্ববিদ্যালয় পৰীক্ষা অনুষ্ঠিত হোৱাত সহায় কৰিছিল। পৰৱৰ্ত্তী কালত এই সকল সদস্যও পুনৰ মঙ্গলদৈ কলেজ শিক্ষক গোটলৈ ঘূৰি আহি সংস্থাৰ বিষয়বাবো লৈছিল। সেইসময়ৰ মঙলদৈ কলেজ শিক্ষক গোটৰ সম্পাদক অংক শাস্ত্ৰ বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত সন্ত নাথ শৰ্মা দেৱক গোটে পৰীক্ষাত অসহযোগ কৰাৰ বাবে জিলা কৰ্ত্তৃপক্ষই পুলিচৰ হতুৱাই এৰেষ্ট কৰি নি এদিন এৰাতি হাজোতত ৰাখিছিল। শ্ৰীযুত শৰ্মা ছাৰ সংস্থাৰ আন্দোলনৰ ক্ষেত্ৰত আমাৰ কলেজৰ প্ৰথমজন নিৰ্য্যাতিত কৰ্ম্মচাৰী।

গঠন ঃ- মঙলদৈ কলেজত স্থায়ী পদত শিক্ষকতা কৰা সকলো শিক্ষকে মঙলদৈ কলেজ শিক্ষক গোটৰ সদস্য। সদস্য সকলৰ মাজৰ পৰা এজন সভাপতি, এজন উপসভাপতি, এজন সাধাৰণ সম্পাদক, এজন সহ-সাধাৰণ সম্পাদক আৰু কেইগৰাকীমান সদস্যক বছেৰেকীয়া সাধাৰণ সভাই নিৰ্বাচন কৰি দি এখন কাৰ্য্যকৰী সমিতি গঠন কৰে। উক্ত কাৰ্য্যকৰী সমিতিৰ কাৰ্য্যকাল সংস্থাৰ কাৰ্য্যকৰী কালৰ দৰে এবছৰীয়া। বিশেষ কাৰণত ইয়াৰ কাৰ্য্যকাল সাধাৰণ সভাই বৃদ্ধি কৰিব পাৰে।

কাৰ্য্য ঃ- অসম কলেজ শিক্ষক সংস্থাৰ নিৰ্দেশ পালন কৰি বিভিন্ন কাৰ্য্যসূচী পালন কৰাৰ উপৰিও মঙলদৈ কলেজ শিক্ষক গোটে মঙলদৈ কলেজৰ বিদ্যায়তনিক দিশটো চোৰাচিতা কৰে। গোটৰ সদস্য সকলে কলেজৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে

সকলো ধৰণৰ দিহা-পৰামৰ্শ দি কলেজ কৰ্তৃপক্ষৰ লগত সহায়-সহযোগ আগবঢ়াই আহিছে। এই গোটৰ সদস্য সকলৰ সহায় সহযোগত মঙলদৈ কলেজত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ কলেজ ফুটবল টুৰ্ণামেণ্ট দুবাৰকৈ সুকলমে অনুষ্ঠিত কৰা হৈছিল। কলেজৰ ৰূপালী জয়ন্তী উৎসৱত এই গোটৰ সদস্যসকলে অতি সক্ৰিয় ভাবে কাম কৰি সাফল্যমণ্ডিত কৰিছিল। বৰ্ত্তমান অনুষ্ঠিত কৰিবলগীয়া কলেজৰ সোণালী জয়ন্তী উৎসৱৰ কাৰণেও এই গোটৰ সদস্যসকলে অতি সক্ৰিয় ভাবে সহযোগ আগবঢ়াই আহিছে।

এই গোটৰ সদস্য অধ্যাপক ড° দীপ্তি প্ৰসাদ বৰুৱা দেৱ গুৱাহাটী বিশ্ববিদ্যালয়ৰ Academic Council সদস্য হিচাপে নিৰ্বাচিত হৈ সেৱা আগবঢ়োৱাৰ উপৰিও ডঃ নগেন্দ্ৰ নাথ শৰ্মা দেৱে গুৱাহাটী বিশ্ববিদ্যালয় কোৰ্ট সভাৰ সদস্য আৰু এই চ'ৰাৰ লিখক ৰমণীকান্ত চহৰীয়া গুৱাহাটী বিশ্ববিদ্যালয় কৰ্ট সভাৰ দুটা কাৰ্য্যকালৰ (অৰ্থাৎ ৬ বছৰ) বাবে একাডেমীক কাউঞ্চিল আৰু Faculty of Arts সদস্য হিচাপে নিৰ্বাচিত হৈ সেৱা আগবঢ়াই আহিছে।

এই গোটৰ সদস্য ডঃ নগেন্দ্ৰ নাথ শৰ্মাদেৱে ১৯৭৮ চনত কালাইগাঁও বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল। বৰ্তমান কেন্দ্ৰীয় জলসম্পদ উন্নয়ন দপ্তৰৰ ৰাজ্যিক পৰ্য্যায়ৰ মন্ত্ৰী শ্ৰীযুতা বিজয়া চক্ৰৱৰ্তীও মঙলদৈ কলেজৰ শিক্ষক গোটৰ এগৰাকী সক্ৰিয় সদস্যা আছিল। এইটো বিশেষ গৌৰৱৰ বিষয় যে এই গোটৰ প্ৰাক্তন সদস্য এই কলেজৰ সংস্কৃত বিভাগৰ প্ৰাক্তন মূৰব্বী অধ্যাপক শ্ৰীযুত প্ৰভাত চন্দ্ৰ শৰ্মাদেৱে (সংস্কৃত কাদম্বৰী গ্ৰন্থখনৰ) অনুবাদ সাহিত্যৰ বাবে ২০০২ বৰ্ষৰ সাহিত্য অকাডেমী বঁটা পাইছে। এই গোটৰ সদস্য অসমীয়া বিভাগৰ প্ৰাক্তন মূৰব্বী অধ্যাপক ইদ্ৰিছ আলিদেৱে অসম সাহিত্য সভাৰ উপ সভাপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰি যোৱাটোও উল্লেখযোগ্য।

অসম কলেজ শিক্ষক সংস্থাৰ নেতৃত্ব ঃ- মঙ্গলদৈ কলেজ শিক্ষক গোটৰ কেইবাগৰাকী সদস্যই অসম কলেজ শিক্ষক সংস্থাৰ বিভিন্ন পদত কাৰ্য্যনিৰ্বাহ কৰি নেতৃত্ব দি আহিছে।

১৯৬১ চনত তেজপুৰত অনুষ্ঠিত অসম কলেজ শিক্ষক সংস্থাৰ ১১ তম অধিবেশনত মঙলদৈ কলেজ শিক্ষক গোটৰ সভাপতি তথা এই কলেজৰ অধ্যক্ষ বৰ্ত্তমান প্ৰয়াত মাননীয় পুৰন্দৰ শৰ্মাদেৱে সভাপতিত্ব কৰিছিল। ১৯৮৬ চনত তেজপুৰ কলেজত অনুষ্ঠিত অসম কলেজ শিক্ষক সংস্থাৰ ৩৪ তম অধিবেশনত মঙ্গলদৈ কলেজ শিক্ষক গোটৰ সদস্যা শ্ৰীবিজয়া চক্ৰৱৰ্তী (বৰ্ত্তমান কেন্দ্ৰীয় মন্ত্ৰী) ১৯৮৬-৮৭ বৰ্ষৰ বাবে অসম কলেজ শিক্ষক সংস্থাৰ উপসভানেত্ৰী নিৰ্বাচিত হৈছিল। এই চ'ৰাৰ লিখকে ১৯৯৪-৯৫, ১৯৯৫-৯৬, ১৯৯৭-৯৮, ১৯৯৮-৯৯ আৰু ২০০০-২০০১ বৰ্ষ অৰ্থাৎ ৫টা বৰ্ষৰ বাবে অসম কলেজ শিক্ষক সংস্থাৰ সাধাৰণ সম্পাদক হিচাপে সেৱা আগবঢ়োৱাৰ সুযোগ পাইছিল। ইয়াৰ উপৰিও এই গোটৰ সদস্য শ্ৰীযুত ক্ষীতেশ্বৰ কোচ, শ্ৰীযুত ভূপেন কাকতি, শ্ৰীযুত গিৰীশ চন্দ্ৰ গোস্বামীকে ধৰি কেইবাগৰাকী শিক্ষকে অসম কলেজ শিক্ষক সংস্থাৰ সদস্য হিচাপে সেৱা আগবঢ়াইছিল। মঙ্গলদৈ কলেজ শিক্ষক গোটৰ আহ্বান ক্ৰমে ১৯৯৪ চনত অসম কলেজ শিক্ষক সংস্থাৰ ৪৪ তম অধিৱেশন খন মঙলদৈ কলেজত সুকলমে আৰু নিয়াৰিকৈ অনুষ্ঠিত হৈছিল।

সামৰণি ঃ- মঙ্গলদৈ কলেজ শিক্ষক গোট অসম কলেজ শিক্ষক সংস্থাৰ এটি অতি সক্ৰিয় গোট। সকলো শিক্ষক এই গোটৰ সদস্য হৈ থকাটো এই গোটটিৰ এটা বৈশিষ্ট্য। মঙলদৈ কলেজ শিক্ষক গোট আৰু অসম কলেজ শিক্ষক সংস্থাৰ ঐক্য চিৰদিন সুদৃঢ় হৈ থাকক ইয়াৰ কামনা কৰিলো।

---

*শ্ৰীচহৰীয়া মঙলদৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী আৰু অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন সম্পাদক।*



মহেশ্বৰ শৰ্মা

# মঙ্গলদৈ কলেজ কৰ্মচাৰী গোট- এটি আলোকপাত



সাধিৰাম বড়ো

সদৌ অসম কলেজ কৰ্মচাৰী সন্থা গঠন হয় ইং ১৯৬০ চনত। অসমৰ ঘাটি মঞ্জুৰী প্ৰাপ্ত কলেজ সমূহ ইয়াৰ অন্তৰ্ভুক্ত। মঙ্গলদৈ কলেজ স্থাপন হয় ইং ১৯৫১ চনত। ঘাটি মঞ্জুৰী প্ৰাপ্ত হোৱাৰ দিনৰে পৰাই সদৌ অসম কলেজ কৰ্ম্মচাৰী সন্থাৰ অন্তৰ্ভুক্ত হয়।

লক্ষ্য আৰু উদ্দেশ্য ঃ (ক) অসমৰ ঘাটি মঞ্জুৰী প্ৰাপ্ত কলেজ সমূহৰ প্ৰত্যেকতে অনাশিক্ষক কৰ্ম্মচাৰীসকলৰ একোটাকৈ গোট বা সন্থা (Unit) আছে। এই অনাশিক্ষক কৰ্ম্মচাৰীসকলৰ নৈতিক আৰু বৌদ্ধিক মানদণ্ড উন্নত কৰাৰ প্ৰচেষ্টা চলোৱা, তেওঁলোকৰ মাজত শিক্ষাগত বিকাশৰ বাবে আগ্ৰহ সৃষ্টি কৰা, নিস্বাৰ্থ আৰু দক্ষ সেৱাৰ মনোভাৱ গঢ়ি তোলা। নিজ নিজ শিক্ষানুষ্ঠান সমূহৰ বিকাশ আৰু উন্নতিৰ বাবে ব্ৰতী হবলৈ চেতনা গঢ়ি তোলা আৰু অসমৰ শিক্ষা জগতত বিশেষকৈ উচ্চ শিক্ষা ব্যৱস্থাত যথোপযুক্ত ভূমিকা গ্ৰহণৰ বাবে তেওঁলোকক আগবঢ়াই দিয়া।

(খ) সন্থাৰ সদস্য সকলৰ মাজত ঐক্য, সহযোগিতা আৰু পাৰস্পৰিক সহায়ৰ মনোভাৱ গঢ়ি তোলা।

(গ) অনা-শিক্ষক কৰ্ম্মচাৰীসকলৰ বেতন, বানচ, ভৱিষ্যতনিধি, পেঞ্চন আৰু পদোন্নতি তথা চাকৰিৰ লগত জড়িত সমূহ বিষয়ৰ ক্ষেত্ৰত উন্নতি সাধনৰ বাবে দেশৰ সাংবিধান প্ৰদত্ত অধিকাৰ অনুযায়ী আলোচনা, সংগ্ৰাম সংগঠিত কৰা আৰু অন্যান্য সংবিধান সন্মত ব্যৱস্থা গ্ৰহণ কৰা। বিশ্ববিদ্যালয়ৰ মঞ্জুৰী আয়োগৰ (U.G.C) নিৰিখৰ বেতন লাভৰ বাবে প্ৰচেষ্টা চলোৱা।

(ঘ) অনাশিক্ষক কলেজকৰ্ম্মচাৰী সকলৰ চাকৰিৰ মান, অৱস্থা আৰু নিৰপত্তা ৰক্ষাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা।

(ঙ) সন্থাৰ লক্ষ্য আৰু উদ্দেশ্য সাধনৰ বাবে সাধাৰণ ভাৱে কৰ্ম্মচাৰী সংগঠনৰ লগত বিশেষ ভাৱে উচ্চশিক্ষাৰ লগত জড়িত বিভিন্ন অংশৰ লোকৰ সংগঠন সমূহৰ লগত সমন্বয় সাধন আৰু ঐক্য গঢ়ি তোলা। পাৰস্পৰিক সহায়-সহযোগিতাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা।

প্ৰত্যেকখন কলেজতে অনা শিক্ষক কৰ্ম্মচাৰী গোট (U.G.C) গঠনৰ লগতে জিলা ভিত্তিক একোখনকৈ "জিলা কলেজ কৰ্ম্মচাৰী সন্থা" আছে। দৰং জিলাৰ ঘাটি মঞ্জুৰী প্ৰাপ্ত পাঁচখন কলেজলৈ (মঙ্গলদৈ কলেজ, ছিপাঝাৰ কলেজ, টংলা কলেজ, খাৰুপেটিয়া কলেজ আৰু ওদালগুৰি কলেজ) দৰং জিলা কলেজ কৰ্ম্মচাৰী সন্থা গঠন হৈছে। এই সন্থাই ঘাটি মঞ্জুৰী প্ৰাপ্ত কলেজ কেইখনৰ অনাশিক্ষক কৰ্ম্মচাৰী সকলৰ সৰ্বতোপ্ৰকাৰৰ উন্নতি আৰু সমন্বয়ৰ হকে কাম কৰি আহিছে। প্ৰতিষ্ঠাৰে পৰা মঙ্গলদৈ কলেজৰ শ্ৰীঘনকান্ত বৰুৱা আৰু টংলা কলেজ শ্ৰীসুৰেন্দ্ৰ নাথ শৰ্মা দেৱে ক্ৰমে সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি গৈছে। ছিপাঝাৰ মহাবিদ্যালয়ৰ শ্ৰীটংকেশ্বৰ ডেকাই সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি গৈছে। বৰ্ত্তমান শ্ৰীঘনকান্ত বৰুৱা দেৱে সভাপতি আৰু শ্ৰীমহেশ্বৰ শৰ্মাই সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। এই সন্থাৰ কাৰ্য্যকাল বৰ্ত্তমান দুবছৰীয়া।

মঙ্গলদৈ কলেজ কৰ্ম্মচাৰী গোটৰ প্ৰতিষ্ঠাৰে পৰা প্ৰৱক্তা শ্ৰীৰাজেন্দ্ৰ বৰুৱা দেৱে গোটৰ সভাপতি হিচাপে কাৰ্য পৰিচালনা কৰি গৈছে। তেওঁৰ অৱসৰৰ পিছত প্ৰৱক্তা মঃ ইদ্ৰিছ আলি দেৱে সভাপতি হিচাপে কাৰ্য্য নিৰ্বাহ কৰি গৈছে। বৰ্ত্তমান প্ৰৱক্তা শ্ৰীঅনিল চন্দ্ৰ শৰ্মা দেৱে সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। সেইদৰে গোটৰ সম্পাদক হিচাপে যথাক্ৰমে শ্ৰীখড়্গিৰাম সুত, শ্ৰীহৰেশ্বৰ শৰ্মা, আৰু আব্দুল মতলিবে কাৰ্যনিৰ্বাহ কৰি গৈছে। বৰ্ত্তমান শ্ৰীমহেশ্বৰ শৰ্মাই গোটৰ সম্পাদক হিচাপে কাৰ্য নিৰ্বাহ কৰি আছে।

মঙ্গলদৈ কলেজৰ কৰ্মচাৰী গোটে গোটৰ সদস্য সকলৰ ওপৰিও অন্যান্য ঘাটি মঞ্জুৰী প্ৰাপ্ত কলেজ সমূহৰ কৰ্মচাৰী বা তেওঁৰ পৰিয়ালৰ বেমাৰ আজাৰৰ চিকিৎসাৰ বাবে আবেদন ভিত্তিত কিঞ্চিৎ পৰিমানে হলেও আৰ্থিক সাহায্য কৰি আহিছে। তৰোপৰি আমাৰ কলেজত অনুষ্ঠিত হৈ যোৱা সদৌ অসম কলেজ অধ্যক্ষ পৰিষদৰ বাৰ্ষিক অধিবেশন, সদৌ অসম কলেজ শিক্ষক সন্থাৰ (ACTA) বাৰ্ষিক অধিবেশন, সদৌ অসম শিশু বিজ্ঞান সমাৰোহ, জ্যোতি প্ৰসাদ আগৰৱালা স্মৃতি ৰক্ষা সমিতি, সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ স্থায়ী গৃহ নিৰ্মান সমিতি আৰু জিলা ভিত্তিক দুই এটা অনুষ্ঠানক দান বৰঙণি আগবঢ়োৱা হৈছে।

ইয়াৰ উপৰিও গোটৰ সভাত গৃহীত প্ৰস্তাৱবোৰৰ ভিত্তিত কলেজ কৰ্তৃপক্ষই কৰ্মচাৰীৰ অকাল মৃত্যুত এককালিন সাহায্য আগবঢ়াইছে।

কৰ্মচাৰী গোটৰ অনুৰোধৰ ভিত্তিত কলেজ কৰ্মচাৰীৰ আকস্মিক মৃত্যু বা অৱসৰৰ পিছত পৰিয়ালত উপযুক্ত অৰ্হতা সম্পন্ন ল'ৰা-ছোৱালীক কলেজৰ কৰ্তৃপক্ষই মৰকলৰ ব্যৱস্থা কৰিছে।

মঙলদৈ কলেজ কৰ্মচাৰী গোটে প্ৰত্যেক বছৰে শিক্ষামূলক ভ্ৰমণ, শিক্ষক আৰু ছাত্ৰৰ লগত প্ৰীতি মূলক খেল-ধেমালি অনুস্থিত কৰি আহিছে।

মঙলদৈ কলেজ কৰ্মচাৰী গোটৰ তৰফৰ পৰা কলেজত কাৰ্য্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰা অধ্যক্ষ আৰু উপাধ্যক্ষসকল, তদাৰকী সহায়ক দ্বয় মঃ মহচিন আলি আৰু শ্ৰীখড়িৰাম সূত দেৱ, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী শ্ৰীযোগেশ্বৰ কলিতা, নন্দৰাম বড়ো আৰু গোটৰ বিদায়ী সভাপতি দ্বয় শ্ৰীৰাজেন্দ্ৰ বৰুৱা আৰু মঃ ইদ্ৰিছ আলি দেৱক বিদায় সম্বৰ্দ্ধনা জনোৱা হয়।

কলেজ কৰ্মচাৰী গোটৰ সদস্য সকলে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী সকলৰ অধ্যাপনা আৰু অধ্যয়নৰ লগত জড়িত থকা যাৱতীয় কাৰ্য্য পৰিচালনাৰ ওপৰিও মহাবিদ্যালয়ৰ পৰিয়ালৰ সামগ্ৰিক উন্নয়নৰ লগত জড়িত হৈ আহিছে। কলেজ কৃষি পাম স্থাপন আৰু পৰিচালনা, ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ (N.S.S) লগত ওতঃপ্ৰোত ভাবে জড়িত হৈ আহিছে। কলেজ কেনেল খান্দি মঙ্গলদৈ চহৰৰ পৰিবৰ্দ্ধন আৰু কলেজৰ ছাত্ৰী নিবাসক ৰক্ষা কৰা কামত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সদস্য সকলৰ লগত শাৰিৰীক পৰিশ্ৰমৰ উপৰিও গাওঁৰ ৰাইজ আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিষয় ববীয়া সকলৰ লগত যোগসূত্ৰ স্থাপনত কলেজ কৰ্মচাৰীসকলে বিশেষ অৰিহণা যোগাই গৈছে।

এই কলেজৰ কৰ্মচাৰী শ্ৰীঘনকান্ত বৰুৱা, শ্ৰীঅচ্যুত চন্দ্ৰ শৰ্মা, শ্ৰীমহেশ্বৰ শৰ্মা, শ্ৰীবেণুধৰ বণিয়া আৰু মঃ কুদ্ৰত আলিয় সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ কাৰ্য্যনিৰ্বাহক সদস্য হিচাপে কাৰ্য্যনিৰ্বাহ কৰি গৈছে। বৰ্ত্তমান আমাৰ কলেজৰ কৰ্মচাৰী শ্ৰীঅচ্যুত চন্দ্ৰ শৰ্মা দেৱে সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ সাংগঠনিক সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছে।

কলেজ প্ৰতিষ্ঠাৰে পৰা তেতিয়াৰ লোকেল বৰ্ডৰ কৰ্মচাৰী প্ৰয়াত জীৱন চন্দ্ৰ শৰ্মা দেৱে অবৈতনিক ভাবে কাৰ্য্যালয়ৰ কাম-কাজ পৰিচালনা কৰিছিল। তেওঁ কামৰ পৰা অব্যাহতি লোৱাত মঃ মহচিন আলি দেৱে কাৰ্য্যালয়ৰ দায়িত্ব চমজি লয়। আলিদেৱে সুচাৰুৰূপে কাৰ্য্যনিৰ্বাহ কৰি তদাৰকী সহায়ক হিচাপে অৱসৰ গ্ৰহণ কৰে। তাৰ পিছত শ্ৰীখড়িৰাম সূত দেৱে তদাৰকী সহায়ক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰে। চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী শ্ৰীযোগেশ্বৰ কলিতা, ভজন লাল যাদৱ আৰু নন্দ ৰাম বড়ো দেৱে প্ৰতিষ্ঠাৰে পৰা কাম কৰি অৱসৰ গ্ৰহণ কৰে। ইয়াৰোপৰি কাৰ্য্যকালৰ মাজতে কাৰ্য্যালয়ৰ সহায়ক ক্ৰমে ভদ্ৰ বড়ো, ভূপেন্দ্ৰ নাৰায়ণ চৌধুৰী, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নৰেণ ডেকা, চাহাবুদ্দিন আহমেদ, ফজল আলীয়ে ইহলীলা সম্বৰণ কৰে। এইখিনিতে তেওঁলোকক স্মৰণ কৰিছো।

কলেজকৰ্মচাৰী সকল হৈছে এখন মহান অনুষ্ঠানৰ হৃদপিণ্ড স্বৰূপ। চৰকাৰৰ অনুমোদন সাপেক্ষে কলেজৰ অধ্যক্ষজনে কলেজখন, শিক্ষক কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকলক নিয়ন্ত্ৰণ কৰে। কলেজ এখনৰ মূখ্য অথবা প্ৰবীণ গোট হৈছে কৰ্মচাৰী সন্থা। কৰ্মচাৰীসকলে ছাত্ৰ-ছাত্ৰীসকলৰ বিধিমতে অধ্যয়নৰ লগত সংগতি থকা সকলো কাৰ্য্য পৰিচালনা, শিক্ষক সকলৰ যাৱতীয় কাৰ্য্যৰ লগতে ভাববিনিময় আৰু অধ্যক্ষজনক সততে সৎ দিহা পৰামৰ্শ দি কলেজখনৰ উন্নয়নৰ হকে চিন্তা চৰ্চা কৰে। কলেজ পৰিচালনা সমিতিত নিৰ্বাচিত কলেজ কৰ্মচাৰী সন্থাৰ সদস্যজনে কলেজৰ খতিয়ান দাঙি ধৰিবলৈ সক্ষম হয়। এখন কলেজৰ মূল্যায়ন আৰু প্ৰত্যায়নৰ জুমুঠিৰ মূল কৰ্মচাৰীসকলৰ কাৰ্য্যালয়ৰ নথি-পত্ৰত ধৰি ৰখা হয়। বৰ্ত্তমান বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ স্বায়ত্ব শাসিত সংস্থা "ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যায়ন পৰিষদ" (National Assessment and Accresitation Council) চমুকৈ "নাক"ৰ দ্বাৰা কলেজ বিলাকৰ মূল্যাংকন দিশৰ গতি-বিধি নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে। মঙ্গলদৈ কলেজতো "নাক"ৰ প্ৰাৰম্ভিক বৈঠক এখন অনুষ্ঠিত হৈ যায় আৰু তাত কৰ্মচাৰী সকলেও অংশগ্ৰহণ কৰিছে। মহাবিদ্যালয় এখনৰ গতি-বিধি নিয়ন্ত্ৰণত কলেজ কৰ্মচাৰী সন্থাৰ দায়িত্ব আৰু কৰ্ত্তব্য অসীম।

*শ্ৰীমহেশ্বৰ শৰ্মা মঙলদৈ মহাবিদ্যালয় কৰ্মচাৰী গোটৰ সম্পাদক, গ্ৰন্থগাৰ সহায়ক, শ্ৰীসাধিৰাম বৰা মহাবিদ্যালয়ৰ গাণণিক।*



# মঙলদৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সম্পৰ্কে দুষাৰ

ৰূপকান্ত ডেকা

আজি ৫৬ বছৰ আগৰ কথা। ১৯৪৫-৪৬ চনত প্ৰবেশিকা পৰীক্ষাত সফলতা লাভ কৰি উচ্চ শিক্ষা লবৰ বাবে প্ৰথমতে যোৰহাট ইঞ্জিনিয়াৰিং কলেজলৈ বুলি গলো। লগত আছিল বন্ধুবৰ ˚দুৰ্গাৰাম চৌধুৰী (পিটি) আৰু তেখেতৰ দাদা ˚লোহিত চন্দ্ৰ চৌধুৰী। দেখিলোঁ, ২য় মহাসমৰৰ যুদ্ধৰ সময়ত কলেজখনত সৈন্যই শিবিৰ পতা বাবে ছাত্ৰবাস আৰু কলেজৰ অৱস্থা তেনেই শোচনীয়। সেয়ে নামভৰ্ত্তিৰ কাম দেৰি হব। তাৰ পৰা ঘূৰি আহি গুৱাহাটী কটন কলেজলৈও গলো তাতো সেই একে অৱস্থা। তেতিয়া আমাৰ আৰু কলেজত পঢ়া নহ'ল।

তাহানি ১৯৫১ চন। লিখক স্কুলবৰ্ড অফিচৰ এজন অফিচ সহায়ক। এদিনাখন হঠাতে আমাৰ কাৰ্য্যালয়লৈ এখন উকা কাগজ লৈ আহিল আমাৰ পৰম শ্ৰদ্ধাৰ সংস্কৃত শিক্ষা গুৰু ˚ধৰ্ম্মনাথ শৰ্মা শাস্ত্ৰী দেৱ। হাতত কাগজখন দি কৈছিল "তই যিমান পাৰ শিক্ষক সকলৰ চহী লবি, কাৰণ মঙলদৈত কলেজ পতা সম্পৰ্কে উৰ্দ্ধতন কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিব লাগে। ছাৰৰ নিৰ্দ্দেশ মতে উক্ত কামটো সিদিনাখনেই সমাধা কৰিব পৰা হ'ল। কাৰণ নকৈ হোৱা অফিচলৈ শিক্ষকসকলৰ উপৰিও অন্যান্য বহু লোকৰ সমাগম হৈছিল। প্ৰায় এশ মান লোকৰ চহীৰে কাগজখন চাৰৰ হাতত দিয়াত বৰ ভাল পালে আৰু আশীৰ্ব্বাদ দিলে।

**মহাবিদ্যালয়ৰ শিক্ষা আৰম্ভঃ**- উক্ত চনতেই মঙলদৈ চৰকাৰী হাইস্কুলতে নৈশ কলেজ হিচাপে আৰম্ভ কৰিলে। ছাত্ৰ বিলাক আছিল নানা চৰকাৰী বিভাগৰ কৰ্মচাৰী। অধ্যক্ষ হ'ল মনাবৰ ˚পুৰন্দৰ শৰ্মা আৰু সম্পাদক ˚বাণেশ্বৰ শৰ্মা জ্যেষ্ঠ অধিবক্তা। অধ্যাপক সকল- ˚সতোশ চন্দ্ৰ দাসগুপ্ত অধিবক্তা, ˚ভবানন্দ ৰাজখোৱা, ˚বকদুল আলি, গজেন্দ্ৰনাথ ঠাকুৰীয়া, কৰুণা শৰ্মা আদি কেইবাজনো অবৈতনিক শিক্ষাবিদ লোক।

**মূলপুঁজি সম্পৰ্কে**ঃ- বৰ্ত্তমান মহাবিদ্যালয়খনৰ মূলপুঁজি হ'ল তাহানি ২য় মহাসমৰৰ আৰম্ভনিতে ১৯৩৯ চনতে বয় বস্তুবোৰ নিয়মিতভাৱে, সুলভ দৰত পাবলৈ বুলি চৰকাৰৰ পৰামৰ্শ মতে মঙলদৈ চহৰতে এঘাৰটকীয়া অংশীদাৰ সকলকলৈ এখন নগৰ সমবায় ষ্টোৰ গঠন হৈছিল। লিখকৰ দেউতা স্বৰ্গীয় হলিৰাম ডেকা ও (১নং বেজপাৰা গাঁৱৰ) উক্ত সমবায় ষ্টোৰৰ অংশীদাৰ আছিল। কালক্ৰমত মহাসমৰ থামিল, খোৱা দ্ৰব্যাদি, মাল-বস্তু আদিও নিয়মিত দৰত, সঠিক সময়তে পোৱা হ'ল। সেয়ে সমবায় ষ্টোৰখন অনাৱশ্যক বুলি ভাবি বন্ধ কৰিবলৈ ঠিক কৰিলে। সকলো টকা পইচাৰ হিচাপ পত্ৰ ঠিক হোৱাৰ পাচত অংশীদাৰ সকলৰ সৰ্ব্ব সন্মতিক্ৰমে ৰাহি হোৱা ধন ৪০০০ (চাৰিহাজাৰ) টকা অযাচিতে এই মঙলদৈ মহাবিদ্যালয়লৈ আগবঢ়ায়। সেয়েহে উল্লেখ কৰিব পাৰি কলেজ নিৰ্মাণ ক্ষেত্ৰত ১ম আগৰণুৱা দাতা বুলিব লাগিব সমবায় ষ্টোৰৰ অংশীদাৰ সকলক। তেখেত সকলৰ বহুতো গুণী মানী লোক ইহ সংসাৰত নাই। কিন্তু তেখেত সকলৰ পুত্ৰ-নাতি আদি জীৱিত আছে। আজিৰ এই মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ দিনাখন সেই মৃত লোক সকললৈ আত্মাৰ সদ্‌গতি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱা হওঁক। চিৰ শান্তি লাভ কৰক।

প্ৰকাশ নকৰি থাকিব নোৱাৰি যে সেই সমবায় ষ্টৰৰ সম্পাদক জন আছিল এজন অতিশয় সাধু-অমায়িক, পবিত্ৰবাদী সৎপুৰুষ স্বৰ্গীয় ভোগৰাম পাটোৱাৰী দেৱ- তেখেতলৈ এই লিখকে শ্ৰদ্ধাঞ্জলি জনালোঁ।

*শ্ৰীডেকা মঙলদৈ মহাবিদ্যালয়ৰ প্ৰথম বছৰৰ ছাত্ৰ, মুক্তিযোদ্ধা আৰু এজন সমাজসেৱক।*



জয়চন্দ্ৰ শৰ্মা

# অসম বিজ্ঞান সমিতি, মঙলদৈ শাখা- এটি আলোকপাত



কুমুদ চন্দ্ৰ শৰ্মা

বিজ্ঞানৰ বিভিন্ন বিষয়ত কাম কৰি থকা ব্যক্তিসকল একগোট হৈ আলোচনা কৰাৰ আৱশ্যকতা কোনেও নুই কৰিব নোৱাৰে। ইয়াৰ ফলশ্ৰুতিতেই জন্ম হয় বিজ্ঞান সমিতিৰ। বিজ্ঞানৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কথা মনলৈ অহাৰ সময়তেই দুটা তাৰিখ যথাক্ৰমে ১৯৫৬ চনৰ ১৯ নবেম্বৰ আৰু ১৯৭১ চনৰ ২৯ এপ্ৰিলৰ কথা আহি পৰে। প্ৰথম তাৰিখটো যেনেকৈ সমগ্ৰ অসমৰ বাবে গুৰুত্বপূৰ্ণ ঠিক তেনেকৈ দ্বিতীয় তাৰিখটো দৰং জিলাৰ বাবে বিশেষভাৱে তাৎপৰ্য্যপূৰ্ণ। বিজ্ঞানক অধিক জনমুখী কৰিবৰ বাবে এই দুটা তাৰিখতেই আত্মপ্ৰকাশ কৰিছিল ক্ৰমে অসম বিজ্ঞান সমিতি আৰু অসম বিজ্ঞান সমিতিৰেই মঙলদৈ শাখা। অসম বিজ্ঞান সমিতিৰ জন্মলগণত ড° প্ৰসন্ন গোস্বামী, ড° পৱন মহন্ত, অধ্যাপক হৰিশ গোস্বামী আদি মহান বিজ্ঞান শিক্ষকসকল উপস্থিত থকাৰ দৰে অসম বিজ্ঞান সমিতিৰ মঙলদৈ শাখাৰ জন্ম লগণতো ড° কিশোৰী মোহন পাঠক, ড° অখিল চন্দ্ৰ শৰ্মা, ড° শ্যামা প্ৰসাদ শৰ্মা আদি বিজ্ঞান শিক্ষক সকলৰ দিহা পৰামৰ্শ উল্লেখনীয়। দেশৰ উঠি অহা ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান শিক্ষাৰ প্ৰসাৰণ আৰু জনপ্ৰিয়তা বৃদ্ধি কৰাৰ লগতে দেশৰ এই ভৱিষ্যৎ নাগৰিক সকলক বৈজ্ঞানিক দৃষ্টি-ভঙ্গীৰে অনুপ্ৰাণিত কৰাটোও এই বিজ্ঞান সমিতি সমূহৰ লক্ষ্য। এই লক্ষ্যকেই আগত ৰাখি মঙলদৈ মহাবিদ্যালয়, মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ উপৰিও মঙলদৈ চহৰৰ কেইবাগৰাকী চিকিৎসক তথা বিজ্ঞানপ্ৰেমী ব্যক্তিক সদস্য হিচাপে লৈ অসম বিজ্ঞান সমিতিৰ মঙলদৈ শাখা গঠন কৰা হয়। প্ৰথমখন কাৰ্য্য-নিৰ্বাহকত অধ্যক্ষ প্ৰবোধ চন্দ্ৰ গোস্বামী (মঙলদৈ মহাবিদ্যালয়) সভাপতি, অধ্যক্ষ আবু শ্বেৰীফ (মঙলদৈ উচ্চ মাধ্যমিক বিদ্যালয়) কাৰ্য্যকৰী সভাপতি আৰু প্ৰবক্তা ভূপেন্দ্ৰ নাথ কাকতী (মঙলদৈ মহাবিদ্যালয়) সম্পাদক হিচাপে থাকে। ইতিমধ্যে ৭/৮/৭১ তাৰিখে অনুষ্ঠিত হোৱা অসম বিজ্ঞান সমিতিৰ কাৰ্য্যকৰী সভাই মঙলদৈ শাখাক অসম বিজ্ঞান সমিতিৰ স্বীকৃতি প্ৰাপ্ত শাখা বুলি অনুমোদন জনায়। এই সমিতিৰ পৰৱৰ্ত্তী বিভিন্ন কাৰ্য্য-নিৰ্বাহকত ক্ৰমে অধ্যক্ষসকল আব্দুল মজিদ, ড° পূৰ্ণ চন্দ্ৰ বৰা, শ্ৰীশিৱ শৰ্মা, ড° লোকেশ্বৰ নাথ, ড° গিৰীশ চন্দ্ৰ গোস্বামী, আৰু জ্যেষ্ঠ প্ৰবক্তা শ্ৰীসন্তনাথ শৰ্মা সভাপতি ৰূপে আৰু প্ৰবক্তা সকল ক্ৰমে ভাস্কৰমল্ল বুজৰবৰুৱা, নাৰায়ণ মুদৈ আৰু কুমুদ চন্দ্ৰ শৰ্মাই সম্পাদক ৰূপে কাৰ্য্য-নিৰ্বাহ কৰিছিল। এইখিনিতে মহাবিদ্যালয়ৰ প্ৰাকৃতিক শোভা বৰ্দ্ধনৰ ক্ষেত্ৰত অসম বিজ্ঞান সমিতিৰ মঙলদৈ শাখাৰ প্ৰতিষ্ঠাপক সভাপতি অধ্যক্ষ প্ৰবোধ চন্দ্ৰ গোস্বামী আৰু সমিতিৰ সক্ৰিয় সদস্য উদ্ভিদ বিদ্যা বিভাগৰ মুৰব্বী প্ৰয়াত সুৰেন্দ্ৰ নাথ ডেকাৰ ভূমিকা উল্লেখযোগ্য। বৰ্ত্তমান সমিতিৰ কাৰ্য্য-নিৰ্বাহকত মঙলদৈ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামী সভাপতি আৰু জ্যেষ্ঠ প্ৰবক্তা ড° আমানুল হক সম্পাদক হিচাপে আছে।

সমিতিৰ বিভিন্ন কাৰ্য্যকালত অনুষ্ঠিত হোৱা কেইটামান বিশেষ কাৰ্য্যসূচী চমুকৈ উল্লেখ কৰা হ'ল-

১৯৮৬ চনত অসম বিজ্ঞান সমিতি মঙলদৈ শাখাৰ উদ্যোগত পৰিৱেশ সচেতন মাহ (Environmental Awareness Month) উদ্‌যাপন উপলক্ষে 'উত্তৰ পূৱ ভাৰতত

পৰিৱেশ প্ৰদূষণ আৰু প্ৰতিকাৰ' (Environmental Pollution in North-East India and its Remedy) শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচনা চক্ৰত ড° লোকেশ্বৰ নাথ, ভূপেন্দ্ৰ নাথ কাকতী, মতিৰাম মেধি আৰু কুমুদ চন্দ্ৰ শৰ্মাই গৱেষণা পত্ৰ উপস্থাপন কৰে। এই সম্পৰ্কীয় মূল সভাত অসম বিজ্ঞান সমিতিৰ সভাপতি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° কিশোৰী মোহন পাঠকে পৌৰহিত্য কৰে। আমন্ত্ৰিত বিশিষ্ট ব্যক্তি হিচাপে ড° কুলেন্দু পাঠক, ড° মহন্ত কলিতা, ড° দুলাল চন্দ্ৰ গোস্বামী আৰু অধ্যাপক বিনয়ভূষণ চৌধুৰীয়ে (প্ৰাক্তন মেয়ৰ, গুৱাহাটী) তথ্য-সমৃদ্ধ ভাষণ আগবঢ়ায়। 'ব্ৰহ্মপুত্ৰ উপত্যকা বিজ্ঞান উত্তৰণ ভ্ৰমণসূচী, ১৯৮৭ চনত মূল কাৰ্যসূচী হিচাপে বিজ্ঞান প্ৰদৰ্শনী, বিজ্ঞান কুইজ আৰু ইলেকট্ৰনিক প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয়। উক্ত কাৰ্য্যসূচীৰ ভিতৰত জনস্বাস্থ্য বিষয়ত কিছু কথা অৱগত কৰাৰ বাবে মঙলদৈ মহকুমাৰ সমস্যা জৰ্জৰিত দুখন গাঁও "হাতীমূৰীয়া' আৰু '২ নং চেঙাপাৰা'ক বাচনি কৰি মঙলদৈ অসামৰিক চিকিৎসালয়ৰ চিকিৎসকৰ দ্বাৰা স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰা হয়। ১৯৮৮ চনৰ ২৬ ফেব্ৰুৱাৰীত 'পৰিৱেশ উন্নয়ণ শিবিৰ'ৰ আলোচনা চক্ৰত সন্তনাথ শৰ্মা, ড° গিৰিশ চন্দ্ৰ গোস্বামমী, অনিল চন্দ্ৰ শৰ্মা, ড° যাদৱ নাথ, ৰাজেন্দ্ৰ বৰুৱা, বিদ্যুৎ প্ৰভা দাস, ড° আমানুল হক, কুমুদ চন্দ্ৰ শৰ্মা, ভূপেন্দ্ৰ নাথ কাকতী, ড° খলিলুৰ ৰহমান, বিচিত্ৰ মেধি, মতিৰাম মেধি, বুদ্ধিন হাজৰিকা, জয়চন্দ্ৰ শৰ্মা আদি শিক্ষকসকল আলোচক হিচাপে অংশ গ্ৰহণ কৰে। কলাইগাওঁ, বালিপাৰা আৰু ডাঁহী অঞ্চলতো পৰিৱেশ সচেতনতাৰ বিষয়ত মঙলদৈ শাখাৰ উদ্যোগত বিভিন্ন কৰ্মশালা অনুষ্ঠিত কৰা হৈছিল। মঙলদৈ মহাবিদ্যালয়ত অনুষ্ঠিত তেনে এখন সভাত পৰিৱেশ সমস্যা আৰু তাৰ প্ৰতিকাৰ বিশেষকৈ পানী বিষয়ত বিস্তৃতভাৱে আলোচনা কৰা হয়।

সেইদৰে বিংশ শতিকাৰ '৮০ আৰু '৯০ৰ দশকত অসম বিজ্ঞান সমিতিৰ মঙলদৈ শাখাৰ উদ্যোগত মাধ্যমিক আৰু উচ্চমাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান আৰু গণিত বিষয়ৰ শিক্ষকসকলক বৰ্তমান পাঠ্যপুথিৰ লগত বজিতা খোৱাকৈ বৌদ্ধিক দিশৰ উৎকৰ্ষ সাধনৰ বাবে দৰং জিলা ভিত্তিক কেইবাখনো কৰ্মশালা অনুষ্ঠিত কৰা হয়। এই কৰ্মশালা সমূহত মাধ্যমিক পৰ্য্যায়ৰ শতাধিক শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশ গ্ৰহণ কৰে। এই কৰ্মশালা সমূহত মঙলদৈ মহাবিদ্যালয়ৰ বয়োজ্যেষ্ঠ কেইবাগৰাকী শিক্ষকে পাঠদান কৰাৰ উপৰিও কটন আৰু দৰং মহাবিদ্যালয়ৰ পৰা কেইবাগৰাকী পাৰদৰ্শী ব্যক্তি উপস্থিত থাকে। বিজ্ঞানক জনপ্ৰিয়কৰণৰ উদ্দেশ্যে সমিতিৰ সদস্যসকলে দৰং জিলাৰ বিভিন্ন বিদ্যালয়ত গণিত আৰু বিজ্ঞানৰ নানা বিষয়ত জনপ্ৰিয় বক্তৃতা সময়ে সময়ে প্ৰদান কৰে। তাৰোপৰি ৰাজ্যিক ভিত্তিত আয়োজিত আলোচনা চক্ৰ কৰ্মশালা, প্ৰশিক্ষণ আদিত এই শাখাৰ পৰা প্ৰতিনিধিত্ব কৰি প্ৰতিনিধি সকলে পৰৱৰ্তীকালত দৰং জিলাৰ বিভিন্ন অঞ্চলত বিজ্ঞানভিত্তিক আলোচনা চক্ৰ সভা আদিৰ আয়োজন কৰি ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞানৰ বিভিন্ন বিষয়ৰ জ্ঞান দি আহিছে।

অসম বিজ্ঞান সমিতিৰ উদ্যোগত ১৯৯০ চনত দৰং জিলা 'জ্ঞান-বিজ্ঞান সমিতি' গঠন হয়। এই সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি হিচাপে মঙলদৈ মহাবিদ্যালয়ৰ গণিত বিভাগৰ মুৰব্বী শ্ৰীসন্তনাথ শৰ্মা আৰু সম্পাদক হিচাপে প্ৰবক্তা মতিৰাম মেধিয়ে কাৰ্য্য-নিৰ্বাহ কৰে। সমিতিখনে নিৰক্ষৰতা দূৰীকৰণ, পৰিৱেশ প্ৰদূষণ নিয়ন্ত্ৰণ, জনস্বাস্থ্য আৰু অনাময় ব্যৱস্থা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, নাৰী শিক্ষা আদিৰ বিষয়ে সমগ্ৰ দৰং জিলাতে ব্যাপক অভিযান আৰম্ভ কৰে। এই অভিযানত মঙলদৈ মহাবিদ্যালয়ৰ আটাইখিনি শিক্ষক-শিক্ষয়িত্ৰী আৰু কিছু সংখ্যক ছাত্ৰ-ছাত্ৰী জড়িত হৈ জনসাধাৰণৰ মাজত কাৰ্য্যসূচী ৰূপায়নত ব্যস্ত হৈছিল। মঙলদৈ মহাবিদ্যালয়ৰ শিক্ষক সকল ক্ৰমে শৰৎ চন্দ্ৰ শৰ্মা, বিদ্যুৎ প্ৰভা দাস, ড° গিৰীশ চন্দ্ৰ গোস্বামী, ভূপেন্দ্ৰ নাথ কাকতী, ড° আমানুল হক, অনিল চন্দ্ৰ শৰ্মা, ড° লোকেশ্বৰ নাথ, কৃষ্ণ কান্ত শইকীয়া, কুমুদ চন্দ্ৰ শৰ্মা, পুণ্য শৰ্মা, ড° খলিলুৰ ৰহমান, বুদ্ধিন হাজৰিকা, শচীন চহৰীয়া, বিচিত্ৰ কুমাৰ মেধি আদিয়ে বিশেষভাৱে অংশ গ্ৰহণ কৰাটো উল্লেখযোগ্য। তদুপৰি সমিতিৰ লক্ষ্য আৰু উদ্দেশ্যমতে বিভিন্ন সভাসমিতি আৰু আলোচনা চক্ৰত জিলাখনৰ দক্ষ ব্যক্তিসকলৰ উপৰিও অসম জ্ঞান-বিজ্ঞান সমিতিৰ বিভিন্ন পাৰদৰ্শী ব্যক্তিয়ে অংশ গ্ৰহণ কৰিছিল। দৰং জিলা জ্ঞান-বিজ্ঞান সমিতিৰ জৰিয়তে ছিপাঝাৰ উন্নয়ন খণ্ড এলেকাত পূৰ্ণ সাক্ষৰতা অভিযান ৰূপায়িত কৰাৰ ব্যৱস্থা কৰা হৈছিল। বৰ্তমানে মঙলদৈ মহাবিদ্যালয়ৰ জ্যেষ্ঠ প্ৰবক্তা ড° আমানুল হকৰ সভাপতিত্বত সমিতিখনে কাৰ্য্যনিৰ্বাহ কৰি আছে।

এইখিনিতে উল্লেখযোগ্য যে ১৯৯৩ চনৰ পৰা ভাৰত চৰকাৰৰ দ্বাৰা অনুমোদিত আৰু অসম চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ দ্বাৰা গঠিত ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমিতিৰ এটা অংশ হিচাপে দৰং জিলা শিশু বিজ্ঞান সমিতি খনে কাৰ্যানিৰ্বাহ কৰি আছে। এই সমিতিত দৰঙৰ আন আন ব্যক্তিসকলৰ লগতে মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে আটাইখিনি শিক্ষক-শিক্ষয়িত্ৰী বিশেষভাৱে জড়িত। ১৭ বছৰৰ তলৰ

বয়সৰ ছাত্ৰ-ছাত্ৰীক বিজ্ঞানৰ বিভিন্ন বিষয়বস্তুৰ লগত প্ৰকল্পযোগে জড়িত কৰি তোলাটো সমিতিখনৰ মূল উদ্দেশ্য। সমিতিখন গঠনৰ প্ৰাৰম্ভিক প্ৰক্ৰিয়াত জ্যেষ্ঠ প্ৰবক্তা ড° আমানুল হক আৰু জ্যেষ্ঠ প্ৰবক্তা অনিল চন্দ্ৰ শৰ্মাই মুখ্য ভূমিকা লোৱাৰ উপৰিও অসম বিজ্ঞান সমিতিৰ মঙলদৈ শাখাৰ কেইবাজনো সদস্যই আগভাগ লয়। সমিতিখনৰ প্ৰথম জিলা সমন্বয়ৰক্ষী হিচাপে ড° আমানুল হক আৰু প্ৰণৱ কুমাৰ শৰ্মাই কাৰ্য্যনিৰ্বাহ কৰিছিল। বৰ্ত্তমান মঙলদৈ মহাবিদ্যালয়ৰ জ্যেষ্ঠ প্ৰবক্তা বিচিত্ৰ কুমাৰ মেধি সভাপতি আৰু প্ৰবক্তা প্ৰণৱ কুমাৰ শৰ্মাই জিলা সমন্বয়ৰক্ষী হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।

ইতিমধ্যে ভালেমান শিশু বিজ্ঞানীয়ে বিজ্ঞানভিত্তিক বিভিন্ন প্ৰকল্প ৰাষ্ট্ৰীয় পৰ্য্যায়ত দাঙি ধৰি সুমান অৰ্জন কৰিবলৈ সক্ষম হৈছে।

মঙলদৈ মহাবিদ্যালয়ত অঙ্কুৰিত হোৱা ওপৰোক্ত তিনিওখন সমিতিত মহাবিদ্যালয়ৰ তদানীন্তন অধ্যক্ষসকলৰ দিহা-পৰামৰ্শ, নবীন আৰু প্ৰবীণ শিক্ষকসকলৰ বিভিন্ন কাৰ্য্য-সূচীত সক্ৰিয় অংশগ্ৰহণে দৰংজিলাৰ বিজ্ঞানৰ বুনিয়াদ ৰচনা কৰাত যথেষ্ট অৰিহণা যোগাই আহিছে। এই লিখনিত নাম উল্লেখ কৰিবলৈ বৈ যোৱা বিজ্ঞানী আৰু বিজ্ঞান প্ৰিয় বিদ্বৎসকললৈ তেখেতসকলৰ অৰিহণাৰ বাবে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰি লিখনিৰ সামৰণি মাৰিলোঁ।

---

*শ্ৰীজয় চন্দ্ৰ শৰ্মা ঃ অসম বিজ্ঞান সমিতিৰ মঙলদৈ শাখাৰ সদস্য আৰু ৰসায়ন বিভাগৰ শিক্ষক।*
*শ্ৰীকুমুদ চন্দ্ৰ শৰ্মা ঃ অসম বিজ্ঞান সমিতিৰ মঙলদৈ শাখাৰ সদস্য আৰু উদ্ভিদবিদ্যা বিভাগৰ প্ৰবক্তা।*



# মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰাবাস আৰু ছাত্ৰীনিবাস ঃ প্ৰতিষ্ঠা আৰু অগ্ৰগতি

মঞ্জু কলিতা

স্বনামধন্য শিক্ষানুৰাগী, সমাজ সচেতক সকলৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলস্বৰূপে ১৯৫১ চনৰ এটি শুভ ক্ষণত জন্মলাভ কৰা মঙলদৈ মহাবিদ্যালয়খনি দৰঙৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰী তথা জ্ঞান অন্বেষকসকলৰ সান্নিধ্যত ক্ৰমে জীপাল হৈ উঠে। সময়ৰ অগ্ৰগতিৰ লগে লগে মহাবিদ্যালয়খনিয়ে চাৰিওফালৰ পৰা বিকশিত হ'বলৈ ধৰে। সেই সময়ত দৰং জিলাৰ একমাত্ৰ উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল মঙলদৈ মহাবিদ্যালয়লৈ জিলাৰ বাহিৰৰ বিভিন্ন প্ৰান্তৰ পৰাও জ্ঞান বন্তি উজ্জ্বলাবলৈ এই শিক্ষা মন্দিৰলৈ ঢাপলি মেলিছিল। আওহতীয়া অঞ্চলবোৰৰ পৰা অহা বিভিন্ন প্ৰতিভা সম্পন্ন ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত প্ৰয়োজন হ'ল ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ। ফলস্বৰূপে মহাবিদ্যালয়ৰ পূৱ আৰু পশ্চিম দিশত প্ৰতিষ্ঠিত হ'ল ছাত্ৰীনিবাস আৰু ছাত্ৰাবাস যাৰ অবিহনে মহাবিদ্যালয়খন সম্পূৰ্ণ বুলি কব নোৱাৰি। প্ৰতিষ্ঠাৰে পৰা বৰ্ত্তমানলৈ ছাত্ৰীনিবাস আৰু ছাত্ৰাবাসে বহুতো প্ৰতিভা উজ্জ্বলিত কৰিলে যিসকলে দেশৰ বিভিন্ন প্ৰান্তত সেই অভিজ্ঞতাৰে নিজৰ নিজৰ জীৱন সাৰ্থক কৰাৰ লগতে মহাবিদ্যালয়ৰখনিৰ সুনাম কঢ়িয়াই আনিছে।

**মহাবিদ্যালয়ৰ ছাত্ৰাবাস ঃ**

১৯৬৫ চনত মহাবিদ্যালয়খনিৰ বৰ্ত্তমানৰ এন. এছ. এছ. NSS ৰ কাৰ্য্যালয়ৰ পৰা ৩৬ নম্বৰ কোঠালৈ এই পাঁচটা কোঠা সামৰি "ট্ৰাইবেল হোষ্টেল" (Tribal Hostel) নামে মহাবিদ্যালয়খনত প্ৰথমে ছাত্ৰাবাসৰ আৰম্ভণি হয়। সেই সময়ত আবাসী ছাত্ৰৰ সংখ্যা আছিল ১৮ জন। মহাবিদ্যালয় কৰ্তৃপক্ষই এই হোষ্টেলখনি নিৰ্মানত মুঠ ১০,৬৬৮.০০ টকা ব্যয় কৰে আৰু তাত প্ৰধানকৈ ট্ৰাইবেল ছাত্ৰকেই সুবিধা প্ৰদান কৰা হৈছিল। ছাত্ৰবাসটিত ছাত্ৰসকলে সেই সময়ত 'মেচ' কৰি থকা বাবে কৰ্তৃপক্ষৰ পৰা তদাৰক কৰিবলৈ কোনো অধীক্ষক নিয়োগ কৰা হোৱা নাছিল। পোন প্ৰথমে ১৯৬৫ চনতহে ছাত্ৰসকলক তদাৰক কৰিবলৈ মহাবিদ্যালয়ৰ জ্যেষ্ঠ প্ৰৱক্তা শ্ৰীযুত গিৰীশ চন্দ্ৰ গোস্বামী দেৱক দায়িত্ব অৰ্পন কৰে। তেখেতে ১৯৭৪ চনলৈ এই দায়িত্ব সুচাৰুৰূপে পালন কৰে। প্ৰথম অৱস্থাত অধীক্ষকৰ কোনো মাননীৰ ব্যৱস্থা নাছিল। ১৯৭২ চনৰ পৰা প্ৰতিমাহে ৫০.০০ টকাকৈ অধীক্ষকক মাননি দিয়াৰ ব্যৱস্থা ৰখা হয়। এইখিনিতে বিশেষভাৱে উল্লেখ কৰিব পাৰি যে- সত্তৰ দশকৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ ছাত্ৰৰ সংখ্যা বৃদ্ধি হোৱাত দুখীয়া ছাত্ৰসকলক নিজে আৰ্জি শিক্ষা লোৱা (Earner Learner Scheme) আঁচনিৰ জৰিয়তে কিছু ছাত্ৰৰ থকা আৰু পঢ়াৰ সুব্যৱস্থা কৰা হয়। সেই সময়ৰ অধ্যক্ষ মাননীয় শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামীদেৱৰ আঁচনিমতে অধ্যাপক শ্ৰীৰাজেন্দ্ৰ বৰুৱাৰ দক্ষ পৰিচালনাত মহাবিদ্যালয়ৰ চৌহদত এটি খেৰী ঘৰত কেইগৰাকীমান ছাত্ৰই বিভিন্ন কৃষি কাৰ্য্যত আত্মনিয়োগ কৰি গঢ়ি তোলা কৃষি পাম খনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। দুখীয়া আৰু মেধাবী ছাত্ৰসকলক আবাসৰ লগতে কৃষিকাৰ্য্যৰ জৰিয়তে নিজে উপাৰ্জ্জন কৰি পঢ়াশুনাত উদ্যোগ যোগোৱা কৃষিপামৰ আঁচনিখন সেই সময়ৰ মহাবিদ্যালয় কৰ্তৃপক্ষৰ এখন উপযুক্ত আঁচনি আছিল।

১৯৭৮ চনত মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় আব্দুল মজিদদেৱৰ সময়ত ছাত্ৰাবাস নিৰ্মাণৰ বাবে বিশ্ববিদ্যালয়

অনুদান আয়োগৰ পৰা মুঠ ৮,৫০,০০০.০০ টকাৰ অৰ্থসাহায্য লাভ কৰে আৰু মহাবিদ্যালয় নিৰ্মাণ সমিতিৰ জৰিয়তে অধীক্ষকৰ বাসভবনকে ধৰি যথোচিতভাবে ছাত্ৰাবাসৰ নিৰ্মাণ কাৰ্য্য সম্পাদিত হয়। সেই চনতে (১৯৭৮) নতুন ভৱনলৈ ছাত্ৰাবাস স্থানান্তৰিত কৰা হয়। সেই সময়ত ছাত্ৰাবাসৰ অধীক্ষক আছিল জ্যেষ্ঠ প্ৰৱক্তা শ্ৰীক্ষীতেশ্বৰ কোচ দেব।

ইয়াৰ পিছত ছাত্ৰাবাসৰ অধীক্ষকৰ দায়িত্ব পালন কৰা অধ্যাপক সকল হ'ল ক্ৰমে ড° দীপ্তি প্ৰসাদ বৰুৱা, ড° লোকেশ্বৰ নাথ, ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱা, ড° লোকেশ্বৰ নাথ (পুনৰ), শ্ৰীডিম্বেশ্বৰ বৰুৱা আৰু শ্ৰীক্ষীতেশ্বৰ কোচ (পুনৰ)।

আৰম্ভণিতে দৰং জিলাৰ বিভিন্ন ঠাইৰ ১৮ জন ছাত্ৰৰে ছাত্ৰাবাস আৰম্ভ হয় যদিও পিছলৈ যথেষ্ট সংখ্যক ছাত্ৰক ইয়াত থকাৰ সুবিধা প্ৰদান কৰা হয় আৰু ছাত্ৰসকলে এই ছাত্ৰাবাসতে থাকি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ মহাবিদ্যালয়ৰ সুনাম অৰ্জন কৰে। উক্ত ছাত্ৰাবাসৰে উদীয়মান ছাত্ৰ শ্ৰীহৰগোবিন্দ গোস্বামী অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনত দেশ মাতৃৰ বাবে প্ৰাণ উছৰ্গা কৰি শ্বহীদ হয়। তেওঁৰ স্মৃতিত এই ছাত্ৰাবাসত এটি পুথিভঁৰাল স্থাপন কৰা হয়।

বৰ্ত্তমান বিভিন্ন কাৰণত মহাবিদ্যালয়ৰ ছাত্ৰাবাসত আবাসী ছাত্ৰৰ নামভৰ্ত্তি হাৰ একেবাৰে কমি যোৱা বাবে ছাত্ৰাবাসটো নিয়মীয়াকৈ চলা নাই। এই ছাত্ৰাবাসটো পুনৰ সঞ্জীৱিত কৰিবলৈ সকলো ছাত্ৰ-অভিভাৱক আৰু মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ বৰ্ত্তমান সমানে গুৰুত্ব আহি পৰিছে।

**মহাবিদ্যালয়ৰ ছাত্ৰীনিবাস ঃ**

মহাবিদ্যালয়ৰ খেল পথাৰৰ পূব প্ৰান্তত সম্পূৰ্ণ সুৰক্ষিত আৰু প্ৰাকৃতিক সৌন্দৰ্য্যৰে সুশোভিত ছাত্ৰীনিবাসটিৰ আৰম্ভণি ১৯৬৯ চনত হয় যদিও ১৯৭০ চনৰ পৰাহে ছাত্ৰীসকলক থাকিবলৈ দিয়া হয়। সেই সময়ৰ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামীদেৱৰ তত্ত্বাবধানাত ১৬,১৯,৭৭.০০ টকা খৰচ কৰি এই ছাত্ৰীনিবাস নিৰ্মাণ কৰা হয়। এই ছাত্ৰীনিবাস স্থাপনৰ লগে লগে দৰং জিলাত স্ত্ৰী-শিক্ষাৰ উচ্চ শিক্ষা প্ৰসাৰত গুৰুত্ব পায়। মঙলদৈ মহকুমাৰ গৃহ বিভাগৰ সহকাৰী কাৰ্য্যবাহী অভিযন্তা শ্ৰীহৰেন্দ্ৰ চক্ৰৱৰ্ত্তী দেৱে ইয়াৰ প্ৰয়োজনীয় নক্‌সা প্ৰস্তুত কৰি দিয়ে। মুঠ ১৭ টা কোঠাৰে নিৰ্মিত ছাত্ৰী নিবাস খনিত প্ৰথমে আসনৰ সংখ্যা আছিল ৫২। ১৯৮৬ চনত ছাত্ৰীৰ আধিক্যৰ প্ৰতি লক্ষ্য কৰি অনুসূচীত জাতি উন্নয়ন পৰিষদৰ অনুদানেৰে ৩ টা কোঠা নিৰ্মাণ কৰা হয় আৰু পিছলৈ ১৯৯৯ চনত মঙলদৈ সমষ্টিৰ বিধায়ক শ্ৰীহিৰেন কুমাৰ দাস দেৱৰ জৰিয়তে লাভ কৰা অনুদানেৰে ২টা কোঠা নিৰ্মাণ কৰা হয়। বৰ্ত্তমান প্ৰায় ১০০ গৰাকী ছাত্ৰী থকাৰ সুবিধা আছে।

নিবাসৰ অবাসী সকলৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোকেশ্বৰ নাথ দেৱে ছাত্ৰীনিবাসৰ চৌহদৰ পকীবেৰ নিৰ্মাণ কৰে। বৰ্দ্ধিত আবাসীৰ বাবে আগৰ ঠেক ৰান্ধনিঘৰটি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গিৰীশ চন্দ্ৰ গোস্বামী দেৱে আহল-বহলকৈ নিৰ্মাণ কৰি দিয়ে। ড° গোস্বামী দেৱে ছাত্ৰীনিবাসৰ পূব দিশত ভূমি সীমাত পকী বেৰখন নিৰ্মাণ কৰে। ভাৰপ্ৰাপ্ত অধ্যক্ষা ড° অমিয়া দেৱীৰ কাৰ্যকালত মঙলদৈ সমষ্টিৰ বিধায়ক শ্ৰীহিৰেন কুমাৰ দাস দেৱৰ জৰিয়তে লাভ কৰা অনুদানেৰে ছাত্ৰীনিবাসৰ খোৱা পানীৰ ব্যৱস্থাও সুচল কৰি দিয়া হয়। বৰ্ত্তমান অধ্যক্ষ ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামী দেৱে ছাত্ৰীনিবাসৰ আবাসীক দেখা কৰা কোঠাটিৰ চাৰিওফালৰ বেৰ আৰু গ্ৰিলৰ ব্যৱস্থা কৰি দিয়ে।

এই ছাত্ৰীনিবাসটিৰ আৰম্ভণিৰ অধীক্ষিকা আছিল মহাবিদ্যালয়ৰ শিক্ষাবিভাগৰ প্ৰৱক্তা শ্ৰীসুচিত্ৰা বৰুৱা ইয়াৰ পিছত যথাক্ৰমে অসমীয়া বিভাগৰ প্ৰৱক্তা নাহাৰুণ নেচা, প্ৰাণী বিজ্ঞান বিভাগৰ মুৱক্কী অধ্যাপিকা বিদ্যুৎ প্ৰভা দাস, সংস্কৃত বিভাগৰ প্ৰৱক্তা শ্ৰীভাৰতী কলিতা, দৰ্শন বিভাগৰ প্ৰৱক্তা শ্ৰীমৈত্ৰেয়ী শৰ্মা, ইংৰাজী বিভাগৰ প্ৰৱক্তা শ্ৰীৰূপাৱাণী ভূএগ্ৰা, শিক্ষা বিভাগৰ প্ৰৱক্তা শ্ৰীৱবিতা শৰ্মা আৰু ১৯৯৬ চনৰ পৰা বৰ্ত্তমানলৈ দৰ্শন বিভাগৰ প্ৰৱক্তা এই লেখিকাই অধীক্ষিকাৰ দায়িত্ব পালন কৰিছে। ইয়াৰ মাজতে মহাবিদ্যালয়ৰ প্ৰৱক্তা শ্ৰীবন্দনা গোস্বামীয়ে অস্থায়ী ভাবে ছাত্ৰীনিবাসৰ দায়িত্ব গ্ৰহণ কৰিছিল।

উল্লেখযোগ্য যে প্ৰয়াত নাহাৰুণ নেচাৰ কাৰ্য্যকালত পুথিভঁড়ালৰ ব্যৱস্থা কৰি অবাসীসকলৰ অধ্যয়নৰ সুবিধা কৰা হয়। প্ৰয়াত বিদ্যুৎ প্ৰভা দাসে আবাসীসকলৰ সুবিধাৰ বাবে এটি টি. ভি আৰু ৰেডিঅ'ৰ ব্যৱস্থা কৰি দিয়ে। বৰ্ত্তমান ছাত্ৰী নিবাসৰ আবাসী সকলৰ সুবিধাৰ্থে মহাবিদ্যালয়ৰ কৰ্ত্তপক্ষৰ সহযোগত টেলিফোন সেৱাৰ ব্যৱস্থা কৰা হৈছে। ছাত্ৰীনিবাসটোৰ অন্যান্য দিশৰ উন্নয়নৰ বাবেও কৰ্তৃপক্ষৰ ওচৰত আবেদন জনোৱা জনোৱা হৈছে।

ছাত্ৰীনিবাসৰ আৰম্ভণিতে থকা কৰ্মচাৰী শ্ৰীমাকনী সূত আৰু শ্ৰীচন্দ্ৰশেখৰ বৰা বৰ্ত্তমানেও কৰ্মৰত অৱস্থাতে আছে। বৰ্ত্তমান ছাত্ৰীনিবাসত শ্ৰীসোমেশ্বৰী নাথ, শ্ৰীতিলক ডেকা আৰু নৈশ শাখাৰ পহৰাৰ দায়িত্বত শ্ৰীপৰমা শৰ্মাই দায়িত্ব পালন কৰি আছে। এই নিবাসৰ এগৰাকী কৰ্মচাৰী শ্ৰীনৰ্মদা

দেৱীৰ যোৱাবেলি মৃত্যু হয়। শ্ৰীদুৰ্ল্লভ নাথ আৰু শ্ৰীগণপতি নাথো এসময়ত ইয়াৰ কৰ্মচাৰী আছিল।

অতি সম্প্ৰতি গতানুগতিক পাঠ্যক্ৰমৰ বাদেও শিক্ষাৰ আনুষঙ্গিক বিষয়সমূহ যেনে খেলা-ধূলা, সাহিত্য-সংস্কৃতি আদিৰ দিশতো ছাত্ৰীসকলক অনুপ্ৰাণিত কৰা হৈছে। অধীক্ষিকা শ্ৰীভাৰতী কলিতাৰ সময়ত সাহিত্যৰ প্ৰতিভাৰ বিকাশৰ বাবে এখনি "দীপান্বিতা" নামেৰে প্ৰাচীৰ পত্ৰিকাৰো ব্যৱস্থা কৰা হয়। বৰ্ত্তমানেও ই চলি আছে। ছাত্ৰীনিবাসত সুকীয়াকৈ ছাত্ৰী জিৰণি কোঠা নাই যদিও বিভিন্ন খেলা-ধূলাৰ সামগ্ৰী আৰু নিয়মীয়াকৈ বাতৰি কাকতৰ ব্যৱস্থা কৰি অহা হৈছে। প্ৰতিবছৰে নবাগত আদৰণি সভাত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াৰোপৰি শনিবাৰে বিভিন্ন উৎসৱ পাৰ্বণত বিশেষ চ'ৰাও অনুষ্ঠিত হয়।

**ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ নিয়ম নীতি**

নিবাসত থাকিবলৈ বিচৰা ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্ত্তিৰ সময়ত প্ৰ-পত্ৰ পূৰণ কৰি মহাবিদ্যালয়ৰ অধ্যক্ষৰ ওচৰত আবেদন কৰিব লাগে। আবাসীৰ বাচনিৰ বাবে মহাবিদ্যালয়ৰ এখন সুকীয়া সমিতিৰ জৰিয়তে মেধাসম্পন্ন প্ৰাৰ্থীক প্ৰথমে নিৰ্বাচন কৰা হয়। পৰ্যায়ক্ৰমে অনুসূচীত জাতি (SC), অনুসূচীত জনজাতি (ST) অন্যান্য পিছপৰা জাতি (OBC), শাৰিৰীকভাৱে অক্ষম আৰু আৰ্থিক দিশত পিছপৰা প্ৰাৰ্থীসকলক সুবিধা প্ৰদান কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে আবাসত থাকিলে মহাবিদ্যালয় কৰ্ত্তৃপক্ষই বান্ধি দিয়া কিছুমান নিৰ্দিষ্ট নিয়ম মানি চলিব লাগে। এই নিয়ম উলঙ্ঘা কৰিলে ছাত্ৰ-ছাত্ৰীসকলক কৰ্ত্তৃপক্ষই বিহিত ব্যৱস্থা লয়।

যিসকল আবাসীয়ে এই ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসত সম্পূৰ্ণ নিয়ম নীতি পালন কৰি সঠিকভাৱে শিক্ষা সমাপ্ত কৰি নিজৰ লগতে সমাজৰ তথা এই মহাবিদ্যালয়খনিৰ সুনাম কঢ়িয়াই আনিলে, মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ শুভ মুহূৰ্ত্তত আটাইলৈ আন্তৰিক ধন্যবাদ জনাইছোঁ। যিসকলৰ নব চিন্তা আৰু প্ৰেৰণাৰে এই আবাস দুখনি প্ৰতিষ্ঠিত হৈ জ্ঞানৰ বন্তি জ্বলোৱাত সহায় কৰিলে সেই মহান ব্যক্তি সকললৈ আজিৰ এই সোণালী ক্ষণত কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে ছাত্ৰী নিবাসৰ পূৰ্বৰ অধিক্ষীকা প্ৰয়াত নাহাৰুণ নেচাৰ সোঁৱৰণত ছাত্ৰী নিবাসৰ পথত এটি সুন্দৰ তোৰণ তেখেতৰ পৰিয়াল বদান্যতাত নিৰ্মিত হৈছে। এইখিনিতে নেচা বাইদেউৰ পৰিয়ালবৰ্গলৈ আমি আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।



*ছাত্ৰী নিবাসৰ একাংশ*

*শ্ৰীমঞ্জু কলিতা মঙলদৈ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ প্ৰবক্তা আৰু ছাত্ৰীনিবাসৰ অধীক্ষিকা।*

# প্ৰয়াত সন্ধিৰাম চহৰীয়া

ডিম্বেশ্বৰ শইকীয়া

সন্ধিৰাম চহৰীয়াৰ জন্ম হৈছিল ১৯০৬ চনৰ ১৮ ফেব্ৰুৱাৰীত। জন্মস্থান দৰং জিলাৰ ছিপাঝাৰৰ সাতঘৰীয়া গাওঁ। পিতৃৰ নাম তনু চহৰীয়া, মাতৃ দোভাগী চহৰীয়া। ১৯২৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত মঙলদৈ চৰকাৰী হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষা দি তেখেত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ১৯৩১ চনত কটন কলেজৰ পৰা আই. এ, ১৯৩৩ চনত বি. কম আৰু ১৯৩৬ চনত বি. এল পাছ কৰি মঙলদৈত ওকালতি আৰম্ভ কৰে। তেখেতে অনেক সময়ত নিজৰ বৃত্তি ওকালতিতকৈ সমাজ সেৱাৰ কামতহে বেছি মনোযোগ দিছিল। দৰং জিলা সাহিত্য সভাই প্ৰকাশ কৰি উলিওৱা 'দৰং জেউতি' নামৰ জীৱনী গ্ৰন্থৰ তৃতীয় খণ্ডত তেখেতৰ জীৱনী ইতিমধ্যে প্ৰকাশ পাইছে। বিভিন্ন সামাজিক কামৰ ভিতৰত মঙলদৈ মহাবিদ্যালয়ৰ উন্নয়নৰ হকে কৰা খিনি স্মৰণীয়। ১৯৫৭ চনৰ পৰা ১৯৫৯ চনলৈ তেখেত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সতে ঘনিষ্ঠভাৱে জড়িত আছিল। ১৯৫৯ চনত মহাবিদ্যালয়ত বি. এ. শ্ৰেণী খোলাৰ সময়ত তেখেতে লোৱা এটি বিশেষ ভূমিকাৰ কথা মনকৰিবলগীয়া। টকা পইচাৰ সমস্যাৰ বাবে বি. এ শ্ৰেণী খোলাৰ বাবে সমিতিৰ কোনো কোনো সদস্যই দোধোৰ-মোধোৰ অৱস্থাত থকাত তেখেতে নিজে ১৫,০০০.০০ (পোন্ধৰ হাজাৰ) টকা সংগ্ৰহ কৰাৰ দায়িত্ব লৈছিল আৰু নিজে ধন সংগ্ৰহ সমিতিৰ সম্পাদকো আছিল। তেখেতে একক প্ৰচেষ্টাৰে প্ৰায় ৭০০০.০০ (সাত হাজাৰ) টকা মহাবিদ্যালয়ৰ পুঁজিত জমা দিছিল। অৱশ্যে মঙলদৈ মহকুমাৰ (সেই সময়ৰ) বিভিন্ন স্থানত ধন সংগ্ৰহ কৰি তেখেতক সেই ঋণ পৰিশোধৰ যত্ন কৰিছিল যদিও প্ৰায় ১৯৭৬ চনলৈ তেখেতৰ নিজা ৫০০০.০০ (পাঁচ হাজাৰ) টকা মহাবিদ্যালয়ৰ পুঁজিত সোমাই আছিল। তেখেতৰ এই সজ প্ৰচেষ্টাৰ বাবে মঙলদৈ মহাবিদ্যালয়ে হয়তো বি এ শ্ৰেণীৰ affiliation সোনকালে লাভ কৰিলে। অকল সেয়ে নহয়, মহাবিদ্যালয়ৰ বাবে চৰকাৰী মঞ্জুৰী অনা, ঘৰ-দুৱাৰ নিৰ্মাণ কৰা, বিজ্ঞান শাখা আৰম্ভ কৰা আদি প্ৰায়বোৰ কামৰ লগত তেখেত জড়িত হৈ পৰিছিল। মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ সময়ত আমি তেখেতৰ এই নিস্বাৰ্থ সেৱাৰ শলাগ লৈছো। ভগৱানে তেখেতক চিৰশান্তি প্ৰদান কৰক।

*শ্ৰীডিম্বেশ্বৰ শইকীয়া, প্ৰাক্তন সম্পাদক, দৰং জিলা সাহিত্য সভা*

# এৰি অহা সেই দিনবোৰ

দেৱীদাস নেওগ



ইং ১৯৯২ চনত চাকৰিৰ পৰা অৱসৰ লৈছিলো। তাৰ পিছতো কেবাবাৰো মঙলদৈ মহাবিদ্যালয়ৰ সমুখৰ পকী আলিটোৰে অহা যোৱা কৰিবলগীয়া হৈছিল। মহাবিদ্যালয়ৰ আগফালে আঁকি থোৱা মহাবিদ্যালয়ৰ প্ৰতীক (Emblem) টো দেখিলেই মনত পৰি যায় ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক ৺ৰবীন শৰ্মালৈ। অসমৰ্থতা প্ৰকাশ কৰিছিলো যদিও ৺শৰ্মাৰ তাড়নাতেই কেইদিনমান চেষ্টা কৰি মহাবিদ্যালয়ৰ প্ৰতীকৰ নক্সা (Model) এটা আঁকিছিলো। কাঠ পেঞ্চিলেৰে আঁকা সেই প্ৰতীকটোত আছিল সৰু-ডাঙৰ দুটা বৃত্ত। সৰু বৃত্তটোত আছিল এটা যোগচিন। সেই চিনটোৰ অৰ্থ হ'ল সমন্বয় (Assimilation) বা সম্প্ৰীতি। ডাঙৰ বৃত্তটোত আছে এটা পূৰণ চিন যাৰ অৰ্থ হ'ল বিস্তৃতি বা বিশালতা (Expansion)। ডাঙৰ বৃত্তটোৰ চাৰিও কাষে থকা কাঁড় কেইদালৰ অৰ্থ হ'ল চৌদিশে বিকীৰণ। সমগ্ৰ প্ৰতীকটোৰ অৰ্থ হ'ল যুদ্ধ বা সংঘাত নহয়, সমন্বয়ৰ মাধ্যমেৰেহে বিশাল হব পাৰি। বিশালতাও

সাৰ্থক হয় চৌদিশে জ্যোতি বিয়পাই দিলেহে। হয়তোবা এড্‌লাৰ (Adler)ৰ মনোবৈজ্ঞানিক তত্ত্ব আৰু হেগেলীয় দৰ্শনৰ প্ৰভাবতেই নক্সাটো আঁকিছিলো। কাঠ পেঞ্চিলেৰে অঁকা নক্সা। চিত্ৰকৰ শ্ৰীৰাতুল দাসে ব্লকৰ উপযোগী কৰাৰ উপৰি পৰিধানৰ উপযোগী কৰিবলৈ বাহিৰৰ চীল্ডখন আঁকি দিছিল। হয়তো চিত্ৰৰ ভাৰ সাম্যতা (Balance) ৰক্ষা কৰিবলৈ ধানৰ আগকেইটা আঁকিছিল।

প্ৰাক্তন ছাত্ৰ ˚ কিৰণ শৰ্মাৰ ওচৰতো মই ঋণী। আলোচনী কাকত আদিত প্ৰবন্ধ গল্পৰ দৰে কিবাকিবি লিখিলেও নাটক লিখি পোৱা নাছিলো ˚ কিৰণ শৰ্মাৰ তাড়নাতেই একঙ্কীয়া নাটক লিখিবলৈ আৰম্ভ কৰিছিলো। 'সদাশিৱৰ জোঁৱাই চিলেকচন' নামৰ মোৰ প্ৰথম একঙ্কীয়া নাটকখন ˚ কিৰণ শৰ্মা, আজিমুদ্দিন আহমেদকে আদি কৰি কেইজনমান ছাত্ৰই কলেজ-সপ্তাহ উপলক্ষে অনুষ্ঠিত হোৱা সাংস্কৃতিক সমাৰোহত মঞ্চস্থ কৰিছিল। তাৰ পিচৰে পৰা কেইবা বছৰলৈকে কলেজ সপ্তাহ উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলে মঞ্চস্থ কৰিবলৈ কেইখনমান একঙ্কীয়া নাটক লিখিছিলো। সদাশিৱৰ (জাজমেন্ট) নাইনটিন এইটি ফ'ৰ, সাগৰ সঙ্গমত কতনা সাতুৰিলো, শইকীয়া গ্ৰুপ ইত্যাদি। অধিক সংখ্যকেই আছিল ব্যঙ্গাত্মক নাটিকা। এচাম দৰ্শকে ৰস পালেও এচাম ৰাইজৰ অপ্ৰীতিভাজনো হৈ পৰিছিলো। যিয়েই নহওক সেই নাটকবোৰত অংশগ্ৰহন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত কুমাৰ সমৰেন্দ্ৰ নাৰায়ণ দেৱকে আদি কৰি দুজনমানে পিচত নাট্যজগতত সুখ্যাতি লাভ কৰিছিল। তাৰ বাবে মই অৱশ্যে কৃতিত্ব দাবী কৰিব নোৱাৰো। কাৰণ ফুল ফুলে নিজৰ ক্ষমতাত। মালীয়ে মাথোন গছৰ গুৰিত সাৰ-পানী দিয়ে। জোৰ কৰি আঁহত গছত গোলাপ ফুল ফুলাব নোৱাৰে। মালী হিচাপেও মই বৰ পাকৈত নাছিলো। কাৰণ নাটক -অভিনয় সম্বন্ধীয় মোৰ অভিজ্ঞতা আৰু জ্ঞান অতি সীমিত আছিল। 'এবচাৰ্ড নাটক' প্ৰচলন হোৱাৰ পিচত আওভাও নাপাই সেইখন জগতৰ পৰা পলায়ন কৰিছিলো।

এৰি অহা দিনবোৰৰ কথা সুঁৱৰি ভাল লাগে কাৰণেই কথাবোৰ লিখিলো।

ইং ১৯৭৭ চনৰ পৰা ১৯৯২ চনলৈকে (মাজতে এবছৰ বাদ দি) সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক হৈ আছিলো। সেই বছৰৰে পৰা কলেজ সপ্তাহ উপলক্ষে অনুষ্ঠিত হোৱা শাস্ত্ৰীয় সঙ্গীত প্ৰতিযোগিতাৰ কণ্ঠ, বাদ্য আৰু নৃত্য শাখাৰ শ্ৰেষ্ঠ প্ৰতিযোগী তিনিজনালৈ 'অনামী-বঁটা' নামৰ একোটিকৈ বিশেষ বঁটা দিয়াৰ ব্যৱস্থা কৰা হৈছিল। এই বঁটা তিনিটা আগবঢ়াই আহিছিল নাম প্ৰকাশত অনিচ্ছুক জনৈক শাস্ত্ৰীয় সঙ্গীত প্ৰেমীয়ে। নাম প্ৰকাশত অনিচ্ছাৰ কাৰণ দৰ্শাই বঁটা দিওঁতাজনে কৈছিল কাৰোবাৰ নামত বঁটা দিলে যাৰ নামত বঁটাটো দিয়া হয় তেওঁকহে ভাল পাই দিয়াৰ দৰে হয়। কিন্তু বঁটাত কাৰো নাম নাথাকিলে প্ৰতিযোগিতাৰ বিষয় বস্তুৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰাৰ দৰে হয়। প্ৰতিযোগীসকলেও উৎসাহ পায়। অনামী-বঁটা নামৰ বঁটা কেইটা ইং ১৯৭৭ চনৰ পৰা ১৯৯৪ চনমানলৈকে দিয়া হৈছিল বুলি গম পাওঁ। তাৰ পিচৰ কথা নাজানো। ইং ১৯৭৮ চনৰ পৰা কেইবছৰমানলৈ লোক সঙ্গীতৰ শ্ৰেষ্ঠ প্ৰতিযোগীজনলৈ অধিবক্তা শ্ৰীবিনয় ঘোষে তেখেতৰ স্বৰ্গগত পিতৃৰ নামত 'মন্মথ ঘোষ সোঁৱৰণী বঁটা' এটাও আগবঢ়াই আহিছিল।

*লেখক মঙলদৈ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ অৱসৰ প্ৰাপ্ত মুৰব্বী অধ্যাপক।*



# কেনেকৈনো গ'লো জাপানলৈ!

ইন্দ্ৰজিৎ কোঁচ

সেয়া আছিল ১৯৭১ চন। H.S.L.C. পাছ কৰি উঠি মোৰ চকুত টোপনি নোহোৱা হ'ল। কাৰণ এফালে মোৰ একান্ত ইচ্ছা হ'ল কলেজত নাম ভৰ্তি কৰা আনফালে শোচনীয় আৰ্থিক অৱস্থাৰ হেঁচাত মোৰ সকলো ইচ্ছা মনতে মাৰ নিয়াব খোজা এক নিষ্ঠুৰ বাস্তৱ। তথাপি হাইস্কুল শিক্ষান্ত পৰীক্ষা দিয়াৰ পাচত আনৰ ঘৰত শ্ৰমদান কৰি মাত্ৰ ৬০ টকা উপাৰ্জন কৰিছিলো। মনতে ভাবিছিলো যদি মই কলেজত পঢ়িব নোৱাৰো তেতিয়াহলে এই ৬০ টকাও মই গোটেই জীৱন খৰচ নকৰাকৈ ৰাখি থম।

অৱশেষত অনেক গুণাগঠাৰ পাচত এদিন ৬০ টকাকে

লৈ মই কলেজলৈ বুলি ঘৰৰ পৰা খোজ ললো। তেতিয়া মই নাজানো কলেজত পঢ়িবলৈনো কিমান টকা লাগে। কলেজত আহি গম পালো ইতিমধ্যে ক্লাচ আৰম্ভ হৈছে। আনহাতে বিজ্ঞান শাখাত নাম ভৰ্তি কৰিবলৈ লাগে ৯৯ টকা। নিৰাশ হৈ কলেজৰ বাৰান্দাতে ইফাল-সিফাল কৰি মনতে অধ্যক্ষ মহোদয়ক লগ ধৰাৰ কথা ভাবিলো। কিন্তু লাজ আৰু ভয়ত মই বাৰেপতি থমকি ৰও। অৱশেষত কোনোমতে সাহস গোটাই মই অধ্যক্ষ মহোদয়ৰ কোঠাৰ সন্মুখৰ দৰজাত লগোৱা গেৰুৱা ৰঙৰ পৰ্দাখন সামান্য একাষৰীয়া কৰি তেওঁলৈ চাওঁতেই তেওঁ মোলৈ চাই কলে- 'আহা'। লগে লগে যেন মই এটা নতুন জীৱন ঘূৰাই পালো। কাৰণ সেই 'আহা' মাতষাৰত যেন আছিল কোনো দেৱতাৰ আশিস। মোৰ সকলো কথা শুনি তেওঁ চৌধুৰী উপাধিৰ (বৰ্ত্তমান তেওঁ ইহ সংসাৰত নাই) কাৰ্যালয় সহায়কজনক মাতি আনি মোৰ ৬০ টকাকে জমা লৈ বিজ্ঞান শাখাত নামভৰ্তিৰ ব্যৱস্থা কৰিবলৈ কৈ তেওঁ কলে যে বাকী থকা টকাখিনি Scholarship পালে কাটি লব পৰা হ'ব। অকল সেয়াই নহয়- তেওঁ মোৰ থকাৰ বাবে অধ্যাপক শ্ৰীৰাজেন বৰুৱা চাৰৰ অতিৰিক্ত হৈ থকা ঘৰটিও ঠিক কৰি দিলে লগতে লাইব্ৰেৰীৰ পৰা যিমানখিনি পাৰি কিতাপ দিয়াৰ ব্যৱস্থাও কৰি দিলে। আৰম্ভ হ'ল মোৰ বহু আকাঙ্খিত কলেজীয়া শিক্ষা। কিন্তু সেই অধ্যক্ষ মহোদয় গৰাকীনো কোন? তেওঁ মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু বা অধ্যক্ষ মহোদয়েই নহয়- তেওঁক মই হৃদয়ত চিৰপূজনীয় দেৱতা হিচাপে ভক্তি কৰোঁ। তেওঁৰ ওচৰত মই চিৰঋণী কিন্তু মোৰ বাবে দুখৰ কথা হ'ল- তেওঁ আশাকৰা মতে মই মোৰ যোগ্যতা দেখুৱাব নোৱাৰিলো। কিন্তু মোৰ বাবে তেওঁৰ আশিস পোৱাতকৈ ডাঙৰ সৌভাগ্য আৰু জীৱনলৈ আহিব নোৱাৰে। সেই দেৱতুল্য মোৰ চিৰআৰাধ্য অসাধৰণ গুণেৰে বিভূষিত অধ্যক্ষৰ আসন অলঙ্কৃত কৰা ব্যক্তিগৰাকী হ'ল শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী চাৰ। তেওঁৰ মহানুভৱতা মোৰ ক্ষেত্ৰতেই সীমাবদ্ধ নহয়- মোৰ দৰে বহুতো ল'ৰাই পাচলৈ তেওঁৰ সৃষ্টি 'আৰ্জি শিক্ষা লোৱা আঁচনি'ৰ যোগেদি কলেজত পঢ়িবলৈ অনুপ্ৰাণিত হৈছিল।

স্বাৱলম্বিতা! চাৰে আমাক স্বাৱলম্বী হোৱাত জোৰ দিছিল। কথাপ্ৰসঙ্গত বাৰে বাৰে ইয়াৰ মৰ্ম বুজাইছিল। মইতো স্বাৱলম্বী আছিলোৱেই- কিন্তু সেইটো হৈছিলো বাধ্যত পৰি। কিন্তু পাছলৈ বুজিছিলো স্বাৱলম্বী হোৱাৰ উপকাৰ কিমান সুদূৰপ্ৰসাৰী! এজন স্বাৱলম্বী লোকৰ গাত আন বহুতো গুণ নিজে নিজে ফুটি উঠে। তাৰ ভিতৰত হ'ল- 'আত্মবিশ্বাস'। এই আত্মবিশ্বাস হ'ল এজন ব্যক্তিৰ মনৰ এক অফুৰন্ত ইন্ধনস্বৰূপ। স্বামী বিবেকানন্দৰ কাথাত 'আত্মবিশ্বাসতেই হয় ভগবানৰ স্থিতি'। তাৰ পাচত স্বাৱলম্বীলোকৰ গাত ফুটি উঠে সংসাহস। পৰিস্থিতিৰ লগত ফেৰ মাৰিব পৰাকৈ মনত স্থিতি হয় নিভীক কাৰ্যপন্থা। অসৎ সকলে সৃষ্টি কৰা পৰিস্থিতিক চুৰমাৰ কৰিব পৰাকৈ গাত উদ্ভাসিত হয়- দৈৱশক্তি। এয়া মোৰ উপলব্ধি, পাছলৈ সৎসাহসেৰে কৰ্মক্ষেত্ৰত লোৱা পদক্ষেপৰ পৰা পোৱা অভিজ্ঞতা। এই লিখনিত সেইসকলো কথা লিখা সম্ভৱ নহ'ব বাবে মাত্ৰ মোৰ উপলব্ধিখিনিকে থোৰতে লিখিছো।

প্ৰাক্ বিশ্ববিদ্যালয় পাছ কৰাৰ পাছত অধ্যক্ষ চাৰৰ পৰামৰ্শমতে কলেজ কৃষিপামত থাকিব ললো। চাৰে নিজেই কৃষিপামলৈ দৈনিক আহিছিল আৰু সকলো চাই-চিতি পৰামৰ্শ দিছিল। আনকি খেতিৰ ফচল বেচাৰ বাবেও আমাক ব্যৱস্থা কৰি দিছিল। প্ৰকৃততে কৃষি কাৰ্যত তেওঁৰ আগ্ৰহ দেখি আচৰিত হবলগীয়া হৈছিলো। পাছত গম পাইছিলো- তেওঁ 'কৃষি পণ্ডিত' উপাধি লাভ কৰিছিল বহু আগতেই। এই কৃষি পাম পাছলৈ 'আৰ্জি শিক্ষা লোৱা আঁচনি'ত পৰিণত হৈছিল; আৰু তাৰ জৰিয়তে দুখীয়া ল'ৰাই শিক্ষা লাভ কৰি বৰ্ত্তমান যথোপযুক্ত কৰ্মসংস্থান লাভ কৰি জীৱন অতিবাহিত কৰিছে। কৃষিপামৰ ওপৰি এইবাৰ আহিলো N.S.S. লৈ। তাত পালো আৰু এজন চাৰক, তেওঁ হ'ল অধ্যাপক শ্ৰীৰাজেন্দ্ৰ বৰুৱা চাৰ। N.S.S. ত মঙলদৈ কলেজে লাভ কৰিলে অসমৰ ভিতৰত প্ৰথম স্থান, আৰু N.S.S. ৰ শিক্ষাৰ্থী হিচাপে আমাৰ ভাগ্য হ'ল অসমৰ ভিতৰত প্ৰথম স্থান লাভ কৰাৰ। প্ৰকৃততে মোৰ ভাগ্য বুলি কৈছো যদিও এয়াই বৰুৱা চাৰ আৰু অধ্যক্ষ চাৰৰ আশীৰ্বাদহে। ইতিমধ্যে মোৰ মনৰ হীনমন্যতা ক্ৰমে নাইকিয়া হৈছিল আৰু মই নিজৰ যোগ্যতাৰ প্ৰমাণ পাবলৈ বিভিন্ন প্ৰতিযোগিতাত ভাগ লৈ সফল হৈছিলো। তাৰ ভিতৰত দৌৰ প্ৰতিযোগিতা অন্যতম। সদৌ মঙলদৈ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ তৰফৰ পৰা পতা ছিপাঝাৰৰ পৰা মঙলদৈলৈ হোৱা দৌৰ প্ৰতিযোগিতাত প্ৰথম হোৱা বাবে মই যেনেকৈ আনন্দিত হৈছিলো, তেনেকৈয়ে আনন্দিত হৈছিল অধ্যক্ষ চাৰ। এনেকৈয়ে অজানিতভাৱে হয়তো চলিছিল অন্য এক প্ৰস্তুতি- সেয়া হ'ল জাপান ভ্ৰমণৰ।

মানুহে সৎ উদ্দেশ্যৰে কৰা পৰিশ্ৰম কেতিয়াও অথলে নাযায়। তাকে প্ৰমাণিত হ'ল যেতিয়া ভাৰত চৰকাৰৰ শিক্ষা দপ্তৰে মোক জাপান দেশৰ "Japanese Youth Goodwill Cruise Programme" ত যোগদান কৰাৰ বাবে মনোনীত কৰিলে। আৰু সেয়া সম্ভৱ হৈছিল মোৰ গোটেই ছাত্ৰ জীৱনৰ Bio-data ৰ ভিত্তিত। এই যোগ্যতাৰ থলী আছিল মঙলদৈ

মহাবিদ্যালয়- য'ত তেতিয়া আছিল বৰুৱা চাৰৰ দৰে এজন N.S.S. ৰ কাৰ্যসূচী বিষয়া আৰু মহামান্য গোস্বামী চাৰৰ দৰে এগৰাকী অধ্যক্ষ।

জাপানত ভৰি দিয়েই গম পাইছিলো সেইখন দেশ আচৰিত দেশ। এক ৰহস্যময় দেশ। চাৰিটা প্ৰধান দ্বীপ আৰু বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ দ্বীপপুঞ্জৰে গঠিত জাপান দেশৰ সৰ্ব্বমুঠ মাটিকালি আমাৰ দেশৰ মধ্যপ্ৰদেশৰ সমানহে হ'ব। ভৌগলিক দিশৰ পৰা চাবলৈ গলে জাপান দেশৰ শতকৰা ৭৮ ভাগতকৈয়ো বেচিভাগ পৰ্বত-পাহাৰে আগুৰা। খনিজ সম্পদৰ দিশতো দেশখন মুঠেই চহকী নহয়। তাতে মহাসমৰত দুবাৰকৈ হোৱা বোমা বিস্ফোৰণত ধ্বংসস্তুপত পৰিণত হৈছিল হিৰোচিমা আৰু নাগাচাকি নামৰ চহৰ দুখন। তেজস্ক্ৰিয় শক্তিৰ প্ৰতিক্ৰিয়া চলিছিল বহুদিনলৈ। মহাযুদ্ধত দেশত মতা মানুহৰ সংখ্যা ভীষণ ভাৱে কমি গৈছিল। তেনে এখন দেশ আকৌ অতি সোনকালেই বিশ্বক আচৰিত কৰি আগবাঢ়ি গ'ল শিল্প, বাণিজ্য, বিজ্ঞান প্ৰযুক্তি আদি প্ৰায় সকলো দিশত। আনকি সেয়াই নহয় আমেৰিকা, জাৰ্মানী আদি দেশৰ লগতো ফেৰ মাৰি শিল্প প্ৰযুক্তিৰ ক্ষেত্ৰত পৃথিৱীৰ ভিতৰত প্ৰথম স্থান দখল কৰি উন্নত দেশৰ শাৰীত থিয় দিলে। এই আচৰিত সফলতাৰ অন্তৰালত থকা ৰহস্যনো কি? সেয়াই আছিল মোৰ কৌতুহল আৰু সেই ৰহস্যৰ আঁত ধৰা পৰিছিল প্ৰতিজন জাপানীৰ জীৱন যাপনৰ নমুনাত।

জাপানত ভৰি দিয়েই চকুত পৰিল জাপানী সকলৰ জাতীয় চৰিত্ৰ। অতি হাঁহিমুখীয়া আৰু সৰল স্বভাৱৰ জাপানীসকল প্ৰতিজনেই যেনেকৈ বিজ্ঞানসম্মত তেনেকৈয়ে অতি সৎ স্বভাৱৰ। প্ৰতিজনৰ উচ্চ মানসিকাই আনিছে সামাজিক সুখ আৰু স্থিৰতা আনফালে আৰ্থিক স্বচ্ছলতা। জাপানীসকলৰ জীৱন ধাৰণৰ মানদণ্ড ভাবিব নোৱাৰা ধৰণে উন্নত।

১৯৭৬ চনৰ ৪ জনুৱাৰীৰ দিনা দোক মোকালিতে জাপান দেশীয় বিমান এখনত উঠি দিল্লীৰ পৰা জাপানলৈ ৰাওনা হৈছিলোঁ। বিমানখনে বেংকক আৰু হংকঙত অলপ সময়ৰ বাবে অৱতৰণ কৰি গৈ অৱশেষত জাপানৰ সময় মতে ৮-৩০ বজাত জাপানৰ ৰাজধানী অতি ধুনীয়া আৰু পৃথিৱীৰ ভিতৰতে আটাইতকৈ জনবহুল মহানগৰী টকিঅ'ত উপস্থিত হৈছিল। তাতে আমাক আগবঢ়াই নিবলৈ অহা কৰ্মকৰ্তা বিশজন মান ৰখি আছিল। তেওঁলোকক লগ পোৱাৰ লগে লগে এনেহেন লাগিল যেন তেওঁলোক আমাৰ বহুদিনীয়া নলেগলে লগা বন্ধুহে। তেওঁলোকৰ হাঁহিমুখীয়া ব্যৱহাৰ আৰু আতিথ্য পৰায়ণতাই আমাক নিমিষতে মুহি পেলালে। সেই দিনা টকিঅ'ৰ "Chimbachi-di-ichi নামৰ হোটেলত আমাৰ থকাৰ ব্যৱস্থা কৰা হৈছিল।

পিচদিনা ৰাতিপুৱাৰ লগে লগে চকুৰ আগত ধৰা পৰিল চমৎকাৰ জাপানৰ এক সপোন পুৰীৰ দৰে লগা অতি ধুনীয়া মহানগৰীৰ লয়লাস। মই কল্পনা কৰাতকৈ জাপান বহুত উন্নত। প্ৰথম দিনা আমাক প্ৰধান মন্ত্ৰীৰ কাৰ্য্যালয়ত স্বাগতম জনোৱা হৈছিল। উল্লেখযোগ্য যে ভাৰতৰ পৰা আমি মুঠ বাৰজন প্ৰতিনিধি গৈছিলো। তাৰ ভিতৰত মই আছিলো অসমৰ পৰা যোৱা একমাত্ৰ প্ৰতিনিধি। এচিয়া মহাদেশৰ অন্যান্য দেশৰ পৰাও বহু সংখ্যাক প্ৰতিনিধি আমন্ত্ৰিত হৈছিল। "Japanese Youth Goodwill Cruise Programme" নামৰ আঁচনিৰ অধীনত প্ৰতিবছৰে জাপান চৰকাৰে বিভিন্ন দেশৰ যুৱক সকলক আমন্ত্ৰণ কৰে। প্ৰধান মন্ত্ৰীৰ মন্ত্ৰণালয়ৰ অধীনত গৱেষণামূলক আঁচনিত ১৮ ৰ পৰা ২৫ বছৰৰ ভিতৰত প্ৰায় ৪০০ (চাৰিশ) মান যুৱ প্ৰতিনিধিয়ে ভাগ লৈছিল। তাৰে প্ৰায় ৩০০ (তিনিশ) মান আছিল জাপানী ডেকা-গাভৰু। আমাৰ মাজত ভাৱ বিনিময়ৰ সুবিধা দিয়া হৈছিল আৰু প্ৰত্যেক দেশৰ বিভিন্ন দিশৰ লগত চিনাকী হোৱাৰ সুবিধা দিছিল। আমি প্ৰথমে জাপানৰ টকিঅ', কিয়'তো, ওৱাকায়ামা আদি ঠাইত কিছুদিন থাকি তাৰ জাপানী যুৱক-যুৱতীসকলৰ লগত চিনাকী হৈছিলো আৰু একেলগে থাকি ভাৱ বিনিময় কৰিছিলো লগতে তেওঁলোকৰ আধুনিক আৰু পৌৰাণিক দুয়োখন জগতকে চোৱাৰ সুবিধা পাইছিলো। এনেকৈ দুমাহ কটোৱাৰ পিছত Nippon Maru নামৰ জাহাজ এখনত উঠি আমি সকলোৱে (অৰ্থাৎ জাপানীসকলৰ লগতে বিভিন্ন দেশৰ প্ৰতিনিধিসকল) জাপানৰ পৰা বিদায় লৈছিলো। এই Nippon Maru নামৰ জাহাজখন সাগৰ মহাসাগৰৰ বুকুৰেদি আহি ভাৰতবৰ্ষৰ মুম্বাই পাওঁতে ১৩ (তেৰ) দিন লাগিছিল। আহোতে শ্ৰীলংকা আৰু চিঙ্গাপুৰতো সোমাই অহাৰ সুবিধা দিয়া হৈছিল। পাচত আমি মুম্বাইত জাহাজৰ পৰা নামি দেশৰ মাটিত ভৰি দিছিলো। জাপানী বন্ধু-বান্ধৱী সকলে আমাৰ পৰা বিদায় লৈছিল। তেওঁলোকৰ বিদায় সম্ভাষণ "চায়োনাৰা" তেতিয়া মোৰ বাবে চকুলোৰ কাৰণ হৈ পৰিছিল।

*লেখক শ্ৰীকোচ (ইন্দ্ৰ কান্ত কোচ) মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু বৰ্তমানে এগৰাকী গাণনিক বিষয়া।*


স্মৃতি ৰোমন্থন

# মঙলদৈ কলেজত পঢ়াৰ আনন্দ আৰু গৌৰৱ

ড° কনক চন্দ্ৰ চহৰীয়া



অতীতৰ সুবৰ্ণপীঠশোভিত দৰঙ্গ দেশ, যি দৰঙ্গ দেশে কোঁচ ৰজা বলি নাৰায়ণ ওৰফে ধৰ্মনাৰায়ণৰ দিনত বিস্তৃত হৈ নাম পায় দৰঙ্গ ৰাজ্য আৰু সেই দৰঙ্গ ৰাজ্যৰ সোঁমাজতে দেশে স্বাধীনতা পোৱাৰ চাৰি বছৰ পিছত প্ৰতিষ্ঠা হৈছিল "কৰ্মত যোগ, ত্যাগত ভোগ"ক তোৰণতে তিলক কৰি সুশোভিত হৈ থকা মোহময়ী মঙলদৈ কলেজ। যাৰ সমুখৰ কাড় যেন জোঙা শাৰী শাৰী নাহৰ আৰু স্ফটিক সৌধ যেন নিমজ ওখ ওখ ইউকিলিপতাচ বোৰে দাঙি ধৰে সুউচ্চ জ্ঞানস্পৃহাৰ এক প্ৰতীকি বাসনা। এচাম জ্ঞানম্বেষী নমস্য সাধকে বাণী বন্দনাৰ আশাৰে পঞ্চাশৰ প্ৰথমটো দশকতে প্ৰতিষ্ঠা কৰি থৈ যোৱা মঙলদৈ কলেজত আজি নিৰন্তৰ ধ্বনিত হৈছে সাৰস্বত সাধনাৰ সেই মঙ্গল মন্ত্ৰ।

ইতিহাস প্ৰসিদ্ধ দৰঙ্গ ৰাজ্যৰ ৰাজহাউলিৰ দক্ষিণ দিশে ধ্যানমগ্ন যোগীৰ দৰে বিগত আঢ়ৈ কুৰি বছৰে অচল-অটল এই মঙলদৈ কলেজৰ জ্ঞান চৰ্চাৰ লগতে নৈসৰ্গিক শোভায়ো আজি সুদীৰ্ঘ কাল গুণমুগ্ধ সকলৰ মন আকাশত তোলপাৰ লগাই আহিছে। তপোবনময় এই বিদ্যাশ্ৰমত এবাৰ সোমাই সৌন্দৰ্য্য সুধা পান কৰিবলৈ সন্মুখৰ পথচাৰী সকলৰো কৌতূহল জাগে। কি সেই কৌতূহলোদ্দীপক যাদুকৰী মায়াজাল? কোনে দিলে সেই নৈসৰ্গিক সন্মোহন?

নক'লেও হ'ব, আন বহুজনৰ দৰে ময়ো ল'ৰালিৰে পৰাই কলেজৰ সেই সুবিমল সৌন্দৰ্য্যৰ সন্মোহনৰ পৰা হাত সাৰিব পৰা নাছিলো। বয়স বঢ়াৰ লগে লগে ক্ৰমশঃ হৈ পৰিছিলো সেই সৌন্দৰ্য্য সুধাৰ এগৰাকী গুণমুগ্ধ ভক্ত। সৰুতে পিতাৰ লগত মঙ্গলদৈলৈ যোৱাৰ সুবিধা হলেই চিটি বাছৰ খিৰিকীৰ কাষত বহি লৈ কলেজ খনৰ সেই মনোমোহা সেউজ শোভা চাবলৈ সদায় উৎসুক হৈ পৰিছিলো। কলেজৰ প্ৰায় দহ কিলোমিটাৰ মান পশ্চিমে শাকতোলা পাৰৰ বৰ আঠিয়াবাৰী আমাৰ গাওঁ। গাৱঁৰ কিছু ওচৰতে আছে দৰঙী লোক সাহিত্যৰ সুপ্ৰখ্যাত চৰিত্ৰ শিয়ালা গোঁসাইৰ পিতৃভূমি ৰবাবাৰী ওৰফে বৰদৌলগুৰি। সেই পুণ্যভূমি বৰদৌলগুৰিতে বাছত উঠি যেতিয়া সৰ্পিল গতিৰ শাকতোলা পাৰ হৈ সুদুৰৰ নোবানৈৰ পাৰৰ বঙলাগড় বাগিচা পাও তেতিয়া তাৰ সেউজীয়া শোভাত মই বিমুগ্ধ হৈ পৰো। কিন্তু কিমান পৰ? বাগিচাৰ আটাইখিনি সেউজীয়া মোৰ সৰু চকুহালিৰে চোৱা শেষ নৌহওতেই দক্ষিণ দিশেদি শাৰী শাৰীকৈ গুচি যায় নুনি আৰু চোম গছৰ পুলি। এৰা, বাপতি সাহোন মঙলদৈৰ এয়াই এড়ী-মুগাৰ পামখনি। আৰু ভাবিবলৈ সময় নাই, চকু-পচাৰতে আটাইবোৰেই আঁতৰি গৈ গজদন্তমিনাৰৰ দৰে 'হমঠকতে' আহি পৰে মঙলদৈ কলেজৰ সেই সুউচ্চ ইউকিলিপতাচ আৰু আকাশ ফুটোৱাৰ আশাৰে শাৰী পাতি ৰৈ থকা নাহৰবোৰ। নাহৰৰ তলেৰে আকৌ সেই তোৰণ খন; য'ত খোদিত কৰা হৈছে ভগৱত গীতাৰ বাণী ঃ "কৰ্মত যোগ, ত্যাগত ভোগ" আৰু উপনিষদৰ অমোঘ মন্ত্ৰ ঃ "তমসো মা জ্যোতিৰ্গময়ী" খচিত প্ৰতীক চিহ্ন।

আনদহজন ল'ৰাৰ দৰে মোৰ কোমলমতীয়া মনতো কৌতূহল জাগে, কোন সেইজনা জ্ঞান তপস্যী, যাৰ মানস কুঞ্জত প্ৰথমেই ধৰা দিছিল এই হেন মহান বাণী খোদিত তোৰণ। কোন সেইজনা তপোবন বিহাৰী সুপণ্ডিত মনিষী যিয়ে নান্দনিক ছন্দ ভৰা নাহৰ, আকাশ চুমা ইউকিলিপতাচ, দৰদ ভৰা দেৱদাৰু, বেলি লুকোৱা বকুল, আলসুৱা আমলখি

আৰু শৰীৰ শীতলোৱা শিলিখাৰ ছায়াৰে সজাই তুলিছিল নন্দন কানন হেন এই কলেজখনি। মোৰ ল'ৰালিতে মন আকাশত দেখা দিয়া এই প্ৰশ্নৰ সমিধান তেতিয়া নাপালো যদিও কলেজৰ সেই প্ৰানোচ্ছল ৰূপ-বৰ্ণ-গন্ধ আৰু স্পৰ্শৰ প্ৰতি থকা বাসনা লাহে লাহে আৰু তীব্ৰ হ'বলৈ ধৰিলে। ইফালে ইতিমধ্যে মই পাঠশলাৰ পৰা গৈ হাইস্কুলীয়া ছাত্ৰ হৈছিলো। ডাঙৰজনা ককাইদেউ তেতিয়া মঙলদৈ কলেজৰ ছাত্ৰ। শাকতোলাৰ বান এতিয়া যেনেকৈ আছে তেতিয়াও আছিল, বছৰটোত তিনি-চৰিবাৰ। খেতিৰ যিকন মাটি তাতেই পিতায়ে কপালৰ ঘাম মাটিত পেলাই শাকতোলাৰ সতে যুঁজি যুঁজি ৰোৱাকে ৰুই ওৱা বন দোৱা কৰি যি কেইটা ধান পায় তাৰ লগতে বাৰীৰ পান-তামোল খিনিৰ যোগেদি ককাইদেউৰ কলেজীয়া খৰচ আৰু আমাৰ তলৰ কেইটাৰ হিচাপ মিলায়।

১৯৭৬ চনৰ কথা। কলেজ তেতিয়া ৰূপালী জয়ন্তীৰ ৰূপজ্যোতিৰে প্ৰজ্বলিত। ককাইদেৰে অনা কলেজৰ আলোচনী আৰু ৰূপালী জয়ন্তীৰ স্মৃতিগ্ৰন্থখনত হঠাতে চকুপৰিল। দেখিলো, কলেজৰ প্ৰাক বিশ্ববিদ্যালয়ৰ শ্ৰেণীত প্ৰথমবাৰৰ বাবে প্ৰথমবিভাগ পোৱা তিনিজন কৃতীছাত্ৰৰ এজন শ্ৰীশিৱ প্ৰসাদ ৰাজখোৱা, কলেজৰ প্ৰথমজন ডিষ্টিংচন গ্ৰেজুৱেট দেৱেন্দ্ৰ নাথ শৰ্মা, অনাৰ্চত প্ৰথমবাৰৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰতে প্ৰথমশ্ৰেণীৰ প্ৰথম স্থান পাওঁতা মতিৰাম মেধি, কলেজৰ পৰা গৈ এম-এ পৰীক্ষাত প্ৰথমবাৰৰ বাবে প্ৰথম হওঁতা ভূদেৱ বসুমতাৰী আৰু ৰাষ্ট্ৰীয় সেৱা আচনিত অসমৰ ভিতৰত প্ৰথম হৈ বিদেশলৈ যোৱা ইন্দ্ৰ কান্ত কোঁচকে ধৰি বহুজন কৃতিমান ছাত্ৰ-ছাত্ৰীৰ আলোকচিত্ৰ। অকল সেয়ে নহয়, প্ৰথমবাৰৰ বাবে সাক্ষাৎ হ'লো কলেজখনৰ প্ৰতিষ্ঠাকালৰ সেই সকল স্বনামধন্য জ্ঞানন্বেষী সাধক পুৰুষৰ নাম আৰু সচিত্ৰৰ সতে। নকলেও হ'ব, সেই জ্ঞানমনিষীসকলৰ মাজতেই মই আৱিষ্কাৰ কৰিলো কলেজখনক বিদ্যাশ্ৰম কৰি জ্ঞানৰ সাধনা কৰা সুপণ্ডিত অধ্যক্ষ প্ৰবোধ চন্দ্ৰ গোস্বামী মানুহজনক। মোক ল'ৰালিৰে পৰা কলেজখনৰ যিটো কথা জনাৰ বাবে ব্যাকুল কৰি ৰাখিছিল। সেই কথাটোৰেই আছিল যশস্যী অধ্যক্ষ প্ৰবোধ চন্দ্ৰ গোস্বামীৰ পৰিচয়। সঁচাকথা, প্ৰতিষ্ঠা কালৰ অধ্যক্ষ পুৰন্দৰ শৰ্মাৰ পিছত পণ্ডিত পুৰুষ প্ৰবোধ চন্দ্ৰ গোস্বামী দেৱেই কলেজখনক নিজহাতে গঢ়দি সঁচা অৰ্থত সাধনাৰ সুতীৰ্থত পৰিণত কৰি থৈ গ'ল আৰু সেই সুতীৰ্থতেই সাধনা কৰি ইতিহাস প্ৰসিদ্ধ পথৰুঘাটৰ মতিৰাম মেধিয়ে পোন প্ৰথম বাৰৰ বাবে কলেজখনলৈ প্ৰথম শ্ৰেণীৰ প্ৰথমস্থানৰ গৌৰৱ কঢ়িয়াই আনিছিল। সৰাবাৰীৰ ইন্দ্ৰ কোচে কৰ্ম সংস্কৃতিৰ গুণে অসমৰ ভিতৰতে শ্ৰেষ্ঠ হৈ সুদূৰ জাপানলৈ যাব পাৰিছিল। কলেজখনৰ এই গৌৰৱোজ্বল ঐতিহ্যবোৰ পঢ়ি সেই আলোচনী আৰু স্মৃতিগ্ৰন্থ খনৰ পৰা এনেকি প্ৰেৰণা পাইছিলো নাজানো, কিন্তু মনৰ মণিকোঠাত ল'ৰালিৰে পৰা লাগি থকা মঙলদৈ কলেজ প্ৰীতি আৰু বেছি গাঢ় হৈ উঠিছিল। যাৰ বাবে নেকি হাইস্কুলৰ দেওনা গচকি ছিপাঝাৰতে উচ্চতৰ মাধ্যমিক স্তৰত বিজ্ঞান পঢ়িলো যদিও মঙলদৈ কলেজত অসমীয়া অনাৰ্চ লৈ ডিগ্ৰী পঢ়াৰ হেঁপাহটো ফল্গুৰ দৰে বৈ থাকিল। স্বীকাৰ কৰিব লাগিব কলেজখনৰ সেইসময়ৰ অসমীয়া বিভাগটোৱে মোক বাৰুকৈয়ে আকৃষ্ট কৰিছিল। নমস্য অধ্যাপক-অধ্যাপিকা সকলৰ উপৰিও কৃতীছাত্ৰ খগেন্দ্ৰ নাৰায়ণ কোঁৱৰ, পৰমানন্দ ৰাজবংশী, চাৰু চহৰীয়া, ভৱ হাজৰিকা, মঞ্জুদেৱী, সাবিত্ৰী তালুকদাৰ আদিয়ে কলেজখনত গঢ়ি তোলা সেই সময়ৰ সাহিত্যৰ পৰিৱেশটোও মোৰ কাৰণে আছিল বিশেষ পৰিচিত। হয়তো সেই কাৰণেই বিজ্ঞান শাখাত ডিগ্ৰী পঢ়াৰ মানসিকতা বাদ দি ১৯৮৬ চনত মঙলদৈ কলেজৰ অসমীয়া বিভাগৰ এজন ছাত্ৰ হিচাপে আত্মপৰিচয় গ্ৰহণ কৰোহি। সন্দেহ নাই, ল'ৰালিৰে পৰা থকা অপৰিসীম মোহ আৰু সুতীব্ৰ বাসনাৰ বাবেই সময়ত মই মঙলদৈ কলেজ পৰিয়ালৰ এজন হ'ব পাৰিছিলোঁ।

এবছৰ পিছৰ কথা। অৰ্থাৎ ১৯৮৭ চন। ইতিমধ্যে ছাত্ৰ সন্থাৰ নেতৃত্বত চলা ছবছৰীয়া অসম আন্দোলনৰ পৰিসমাপ্তি ঘটিছিল। কলেজৰে তিনিজনকৈ প্ৰাক্তন ছাত্ৰ অসম চৰকাৰৰ বিধায়ক ৰূপে শাসনৰ গাদীত বহিছিল। মঙলদৈৰ পৰিস্থিতি তেতিয়া বেছ গমগমীয়া। কলেজখনলৈ অৱশ্যে পুনৰ পঢ়াৰ পৰিৱেশ এটা উভতি আহিবলৈ ধৰিছিল। ১৯৭৫ চনতে ভূগোল বিষয়ত বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পোৱা কলেজৰ গৌৰৱটো ইতিমধ্যে বাৰ বছৰ পুৰণি হৈ গৈছিল। সুদীৰ্ঘ বাৰ বছৰ মানে এটা যুগ। পৰিষ্কাৰ কথা, অসম আন্দোলনৰ উত্থান-পতনৰ ছায়া-প্ৰচ্ছায়াৰ ফলশ্ৰুতিতে বিগত প্ৰায় এটা দশক ধৰি কলেজখনৰ বহুতো কৃতিমান ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা সূৰ্য্য ৰাহুৰ গ্ৰাসত আবদ্ধ থাকি সমগ্ৰ জীৱনৰ বাবেই অন্ধকাৰত পতিত হ'ব লগা হৈছিল। কিন্তু সময়ত যুগৰ পৰিসমাপ্তি ঘটিল। কলেজৰ সৌভাগ্যৰ সূৰ্য্য আকৌ উদয় হ'ল। ১৯৮৭ চনৰ প্ৰথম তিনিবছৰীয়া স্নাতক চূড়ান্ত পৰীক্ষাত পদাৰ্থ বিজ্ঞানৰ ছাত্ৰী মিনু কোঁৱৰে প্ৰথম শ্ৰেণী লাভ কৰি কলেজৰ হৃত গৌৰৱ পুনৰ উদ্ধাৰ কৰিলে। আয়োজন হ'ল সম্বৰ্দ্ধনা সভা। বহুজনৰ লগতে আমিও কৃতী ছাত্ৰী কোঁৱৰক সম্বৰ্দ্ধনা সভাত সশ্ৰদ্ধ সম্ভাষণ জনাই কলো ঃ "আপুনি এটা যুগৰ অৱসান ঘটাই আমাক প্ৰেৰণা দিলে। আপোনাৰ এই সাৰ্থকতা কলেজখনৰ পৰম্পৰা হওঁক।" এৰা পৰম্পৰা। কিন্তু

কোনে ৰক্ষা কৰিব এই পৰম্পৰা? এই পৰম্পৰা ৰক্ষাৰ বাবে আমি আটায়ে জানো দায়বদ্ধ নহয়? কথাবোৰ ভাবি ভাবি সেই খন সভাৰ পিছৰ পৰাই কি জানো হ'ল, মোৰ দৰে বানেমাৰা গাঁৱৰ ল'ৰাজনকো কিবা এক দুৰ্লভ বাসনাই অনবৰতে খুন্দিয়াবলৈ ধৰিলে। মনত জন্মিল কিবা এটা পোৰাৰ উন্মাদনা। কালৰো কিবা আচৰিত গতি, সম্পূৰ্ণ এবছৰ পিছত অৰ্থাৎ ১৯৮৮ চনত মোৰ বাসনাই মোকে আচৰিত কৰি কলেজখনলৈ লৈ আহিল বিশ্ববিদ্যালয়ৰ ভিতৰতে প্ৰথম শ্ৰেণীৰ প্ৰথম স্থানৰ গৌৰবটো। আৰু অসমীয়া বিষয়ত সেই আশাতীত স্থানৰ অধিকাৰী কৰিলে আমাক। মোৰ মন ময়ূৰী উভতি গ'ল ১৯৭৫ চনত এই একেখন আসন লাভ কৰা ভূগোল বিভাগৰ কৃতিমান ছাত্ৰ শ্ৰদ্ধেয় মতি মেধি দেৱৰ ওচৰলৈ, জিলিকি উঠিল মঙ্গলদৈ কলেজৰ কৰ্মসংস্কৃতিৰ গৌৰৱ ইন্দ্ৰকোচৰ ছবিখন আৰু মনত পৰিল অসমীয়া বিভাগৰ একালৰ কৃতীছাত্ৰ খগেন্দ্ৰ কোঁৱৰৰ জ্ঞান গভীৰ মুখ খন। কলেজৰ স্বৰ্ণোজ্বল ঐতিহ্য ৰোমন্থনত মই মানুহটো ৰোমাঞ্চিত হৈ পৰিলো। আকৌ আৰম্ভ হ'ল সম্বৰ্দ্ধনা আৰু শুভাশীষৰ পৰম্পৰা। মোৰ গুৰু আসনৰ অধিষ্ঠাতা নমস্য অধ্যাপক-অধ্যাপিকা, সন্মানীয় কৰ্মচাৰী আৰু সহৃদয় ছাত্ৰ-ছাত্ৰীসকল আনন্দিত হ'ল কলেজৰ সুদিন অহা বুলি আৰু মই আনন্দত আত্মহাৰা হলো অগ্ৰজসকলৰ সাধনাৰ পৰম্পৰা ৰক্ষিত হোৱা দেখি, নিজক এজন সৌভাগ্যবান বুলি ভাবি।

আমাৰ আশীৰ দশকটোৰ পিচতে অৰ্থাৎ নব্বৈৰ দশকটো কলেজখনৰ বাবে এটা গৌৰৱময় অধ্যায়। এই দশকটোত কলেজখনৰ প্ৰায় প্ৰতিটো বিভাগতে স্নাতক পৰ্য্যায়ত ডিষ্টিংচনসহ প্ৰথমশ্ৰেণী পাবলৈ সক্ষম হ'ল। সন্দেহ নাই, কলেজখনৰ এই ফলাফলৰ বাবেই বহুকেইটা বিভাগত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰাৰো বাট মুকলি হৈ পৰে। ছাত্ৰ-ছাত্ৰীসকলৰ এই কৃতিত্বই অৱশ্যে কলেজখনৰ একমাত্ৰ গৌৰৱ নহয়। ইয়াৰ লগত সমানে জড়িত হৈ আছে অধ্যাপক-অধ্যাপিকা সকলৰো সাৰস্বত সাধনা। নিজ নিজ অধ্যয়ন ক্ষেত্ৰত লাভ কৰা সুখ্যাতি আৰু এম. ফিল, ডক্টৰেটৰ দৰে সন্মানীয় ডিগ্ৰীয়ে একালে যেনেকৈ অধ্যাপক-অধ্যাপিকা সকলৰ গৱেষণা জীৱন মহীয়ান কৰি তুলিছে ঠিক তেনেদৰে আনফালে এই সাধনা সৌধই কলেজখনক গৌৰৱময় কৰ্মসংস্কৃতিৰো অংশীদাৰ কৰি তুলিছে। নকলেও হ'ব, কলেজখনৰ কৰ্মচাৰী সকলৰ সহৃদয় সহযোগিতাৰ বাবেই ছাত্ৰ আৰু শিক্ষক সকলে এনেদৰে নিৰন্তৰ সাধনাৰ বাটত সগৌৰৱে খোজ দিব পাৰিছে। কলেজৰ সোণালী জয়ন্তী বৰ্ষত ইয়াতকৈ আৰু কি ডাঙৰ আদৰ্শ আমাক লাগে? কৰ্মসূত্ৰে আমি আজি য'তেই নাথাকো কিয়, কলেজখনৰ এনে প্ৰতিটো সুখবৰ আৰু আদৰ্শই মোক এতিয়াও উন্মাদ কৰি তোলে। ক'ব নোৱাৰাকৈয়ে কলেজখনৰ গৌৰবানন্দত মই মানুহটো ভিতৰি ভিতৰি ওফন্দি উঠো। কাড় যেন জোঙা নাহৰৰ শাৰীবোৰলৈ মনত পৰি ভাবো, সঁচাই ৰাৰু তাত লুকাই আছিল নেকি সাধনাৰে ওপৰলৈ উঠি আকাশ ফুটোৱা প্ৰতীকি প্ৰেৰণা? আৰু চিক্‌মিকিয়া ইউকিলিপতাচ বোৰ? আছিল নেকি ৰাৰু তাত নিকা জ্ঞান গৰিমাৰে ওখ সমাজ গঢ়াৰ এক উদ্দীপ্ত চেতনা! কথাবোৰ ভাবি মই মানুহটো সাংঘাতিক ভাবে ভাবুক হৈ পৰো। কোনো এক দুৰ্বল মুহূৰ্ত্তত চকু দুটা সেমেকি উঠে। মনটোৱে কান্দে-সঁচাকৈয়ে হ'ল জানো মোৰ কাড় যেন জোঙা নাহৰৰ সাধনা? আহৰণ কৰিলো জানো ইউকিলিপতাচৰ দৰে ওখ জ্ঞানৰ গৰিমা? দৰদী দেৱদাৰুৰ দৰে হ'ল নে ৰাৰু মোৰ সেউজীয়া হৃদয়? শৈক্ষিক সাধনাৰ দীঘলীয়া বাটত আজি উভতি চাই দেখিছো- বৈ গ'ল বহু উত্তৰ নিমিলা অংক, আধৰুৱা হ'ল সাধনাৰ সাঁচিপাত আৰু জ্ঞানৰ গৰিমা মন্ত্ৰ। সমাধান ক'ত? সমাধানেই দিব জানো সান্ত্বনাৰ সুবাস? প্ৰকৃত প্ৰশান্তি ক'ত সমাধানত নে নিৰন্তৰ সাধনাত? নিশ্চয় সাধনাতহে আছে সেই সুবিমল গৌৰৱ আৰু ত্যাগতেই আছে বাসনাৰ প্ৰশান্তি। সেই কাৰণেই নেকি জ্ঞানকাশত হঠাৎ ভুমুকি মাৰি মোক সান্ত্বনা দিবলৈ নামি আহে তোৰণৰ সেই মহাবাণী ঃ "কৰ্মত যোগ, ত্যাগত ভোগ"। মই আশ্বস্ত হওঁ আৰু মোৰ কামনা ৰঙীন মনে আজিও সংগোপনে গৈ সেই তোৰণ তলত সভক্তিৰে সেৱা লৈ কয় ঃ মোক নিৰন্তৰ কৰ্ম সাধনা দিয়া, মোক ত্যাগৰ মন্ত্ৰ শিকোৱা, মোক তোমাৰ গৌৰৱৰ অংশীদাৰ কৰা- জীৱনৰ মঙ্গল দুৱাৰ, সৰস্বতী মোৰ, মঙলদৈ কলেজ- তোমাক মোৰ সহস্ৰ প্ৰণাম।

---

*ড° চহৰীয়া মঙলদৈ মহাবিদ্যালয়ৰ এজন প্ৰাক্তন কৃতি ছাত্ৰ, বৰ্তমান সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা, এজন উদীয়মান লেখক। উল্লেখনীয় যে ড° চহৰীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগতো অতিথি অধ্যাপক ৰূপে সেৱা আগবঢ়াই আছে।*

# মঙলদৈ মহাবিদ্যালয়ৰ লগত হোৱা মোৰ সম্পৰ্ক আৰু ৰূপালী জয়ন্তীৰ স্মৃতি

লক্ষীকান্ত শইকীয়া



মঙলদৈ মহাবিদ্যালয়ৰ লগত হোৱা মোৰ সম্পৰ্ক ভিন্নৰূপী। ১৯৬০ চনৰ পৰা ১৯৬২ চনলৈ মই এই মহাবিদ্যালয়ৰ এজন ছাত্ৰ। ১৯৭৫ চনৰ পৰা ১৯৭৮ চনলৈ মই এই মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি। ১৯৭৭ চনত হোৱা এই মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি। ১৫/০৭/৮৬ তাৰিখৰ পৰা ১৫/০৩/৯০ লৈ এই মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি হিচাপে সদস্য নিযুক্ত হওঁ। এতিয়া পুনৰ ২০০২ চনৰ পৰা মঙলদৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছো। এই মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপনৰ বাবে আয়োজন কৰা ৰাজহুৱা সভাৰ সভাপতি হিচাপে উদ্‌যাপন সমিতিৰ কাৰ্য্যকৰী সমিতিৰ এজন সদস্য হিচাপেও সেৱা আগবঢ়াই আছোঁ।

মই ১৯৬০ চনত মঙলদৈ চৰকাৰী উচ্চ মাধ্যমিক (বৰ্ত্তমান উচ্চতৰ মাধ্যমিক) বিদ্যালয়ৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৬০ চনত মঙলদৈ মহাবিদ্যালয়ৰ 'আই-এ' (Intermediate Arts) শ্ৰেণীত নাম ভৰ্ত্তি কৰি ১৯৬২ চনলৈ পঢ়ো। ভাবিবলৈ আচৰিত লাগিলেও মহাবিদ্যালয়ৰ পূবফালে থকা মাজৰ পুৰণি ঘৰটোত তেতিয়া থকা তথাকথিত 'ছাত্ৰবাসত' আবাসিক হিচাপে থাকি আই-এৰ দুবছৰীয়া পাঠ্যক্ৰম শেষ কৰিছিলো। মোৰ লগতে থকা সেই সময়ৰ আবাসিক ছাত্ৰৰ ভিতৰত শ্ৰীশিৰ প্ৰসাদ বৰুৱা (বৰ্ত্তমান বিদ্যালয়ৰ উপপৰিদৰ্শক হিচাপে অৱসৰ পাইছে), প্ৰয়াত মহেশ্বৰ কলিতা (১৯৬২-৬৩ চনৰ এই মহাবিদ্যালয়ৰ আলোচনী সম্পাদক), প্ৰয়াত ভুবন কছাৰী, শ্ৰীমায়াৰাম কছাৰী, শ্ৰীশশধৰ বৰুৱা আৰু শ্ৰীদুৰ্গেশ্বৰ ৰাভাৰ নামেই মোৰ মনত আছে। আমি পঢ়ি থকা সময়ত এই মহাবিদ্যালয়ৰ অধ্যক্ষ আছিল প্ৰাক্তন বিধায়ক, প্ৰাক্তন লোকেল বৰ্ডৰ চেয়াৰমেন আৰু জ্যেষ্ঠ অধিবক্তা প্ৰয়াত পুৰন্দৰ শৰ্মা আৰু উপাধ্যক্ষ আছিল শ্ৰীযুত গজেন্দ্ৰ নাথ ঠাকুৰীয়া, অধ্যাপক সকলৰ ভিতৰত আছিল আব্দুল মজিদ (পিছলৈ উপাধ্যক্ষ আৰু অধ্যক্ষ হয়), প্ৰয়াত পূৰ্ণচন্দ্ৰ বড়া (তেখেতো পিছলৈ উপাধ্যক্ষ আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ হয়), শ্ৰীযুত হিৰেন চন্দ্ৰ বৈশ্য, শ্ৰীমতী উষৰী ঘোষ, প্ৰয়াত টি. চি. বৰ্ষ্টগি, শ্ৰীযুত গোপীনাথ শৰ্মা, শ্ৰীযুত দিপ্তী প্ৰসাদ বৰুৱা, শ্ৰীযুত দেৱীদাস নেওঁগ, শ্ৰীযুত নাৰায়ণ দাস আৰু শ্ৰীমতী উষা বৰা। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰিয় আছিল মহৰুম আব্দুল মজিদ চাৰ আৰু প্ৰয়াত পূৰ্ণচন্দ্ৰ বৰা চাৰ। প্ৰয়াত টি. চি. বৰ্ষ্টগি চাৰ খোনা আছিল। শ্ৰেণীত কোনোবা ছাত্ৰ-ছাত্ৰীয়ে আন কাৰণত হাঁহিলেও তেখেতৰ বাবেই হাঁহিছে বুলি সন্দেহ কৰি ছাত্ৰ-ছাত্ৰীসকলক সততে খং কৰিছিল আৰু শ্ৰেণীতেই গালি পাৰিছিল। পিছলৈ শ্ৰীযুত দেৱীদাস নেওঁগ চাৰ আৰু শ্ৰীযুত দিপ্তী প্ৰসাদ বৰুৱা চাৰো ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰিয় হৈ উঠে। কঠোৰ নিয়মনীতি আৰু শৃংখলা ৰক্ষা কৰি চলিছিল উপাধ্যক্ষ শ্ৰীযুত গজেন্দ্ৰনাথ ঠাকুৰীয়া চাৰে। তেখেতে বুৰঞ্জী পঢ়ুৱাইছিল আৰু পাঠদান শেষ কৰাৰ চমকপ্ৰদ নমুনাই ছাত্ৰ-ছাত্ৰীসকলক মোহিত কৰিব পাৰিছিল। তেখেতৰ শ্ৰেণীত পাঠদান কৰি দিয়া বক্তব্যৰ সামৰণিৰ ভঙ্গিমাই মোৰ মনত আজিও প্ৰভাৱ বিস্তাৰ কৰি আছে। আমি পঢ়ি থকা সময়তে মহাবিদ্যালয়ৰ পশ্চিমফালৰ নতুন ভৱনৰ আধাৰশিলা স্থাপন কৰা হৈছিল।

আমি পঢ়ি থকা অৱস্থাত মঙলদৈ মহাবিদ্যালয়ত "ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী"ৰ (N.C.C.) প্ৰশিক্ষণ নিয়মীয়া আছিল। এই বাহিনীৰ ভাৰপ্ৰাপ্ত বিষয়া অধ্যাপক আছিল মহৰুম আব্দুল মজিদ চাৰ। মই মঙলদৈ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত পঢ়ি থাকোতেই ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী নিম্নখাপৰ (Junior Division) প্ৰশিক্ষণ লৈ 'এ' প্ৰমাণ পত্ৰ (A' certificate) লৈছিলো। মঙলদৈ মহাবিদ্যালয়ত পঢ়ি থকা বছৰ দুটাত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীত প্ৰশিক্ষণ লৈ 'বি' প্ৰমাণ পত্ৰ (B' certificate) আৰু 'চি' প্ৰমাণ পত্ৰ (C' certificate) লবলৈ সক্ষম হৈছিলো। এই সময়চোৱাতেই তেতিয়াৰ অসমৰ ৰাজধানী শিলঙৰ 'গেৰিচন

গ্ৰাউণ্ড'ত আয়োজিত ১৯৬১ চনৰ ২৬ জানুৱাৰীৰ 'গণতন্ত্ৰ দিৱস'ৰ কুছকাৱাজত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ সদস্য হিচাপে নিৰ্বাচিত হৈ মই যোগদান কৰাৰ সুবিধা পাইছিলো। তাৰোপৰি অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত বাৰ্ষিক আৰু সামাজিক শিৱিৰত যোদগান কৰাৰ উপৰিও ভাৰতৰ কেবাখনো উল্লেখযোগ্য ৰাজধানী নগৰলৈ ভ্ৰমণ কৰাৰ সুবিধা পাইছিলো। আনকি চীনে ভাৰত আক্ৰমন কৰাৰ সময়ত ভাৰত চৰকাৰে গ্ৰহণ কৰা সামৰিক বাহিনীৰ জৰুৰী নিযুক্তি আঁচনিত (Emergency Commission) 'চেকেণ্ড লেফটেনাণ্ট হিচাপে অস্থায়ী নিযুক্তিও লাভ কৰিছিলো। কিন্তু ঘৰৰ প্ৰবল বাধাত সেই পদৰীত যোগদান কৰা নহ'ল। সেই চাকৰিত যোগদান কৰিলে হয়তো মোৰ জীৱন ধাৰাই সলনি হৈ গ'লহেতেন। আমি ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীত প্ৰশিক্ষণ লোৱা বাবেই ১৯৬২ চনত চীনৰ আক্ৰমনৰ সময়ত মঙলদৈত এটা 'নেচনেল ভলণ্টিয়াৰ ফৰ্চ' নামৰ যুৱ বাহিনী গঠন কৰি সামৰিক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছিলো আৰু চনৰ আক্ৰমনৰ ফলত নেফাৰ পৰা (বৰ্ত্তমানৰ অৰুণাচল প্ৰদেশ) অহা অগণন ভগনীয়াক মঙলদৈ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত আশ্ৰয় দি সেৱা শুশ্ৰুষা কৰিবলৈ সক্ষম হৈছিলো। সেই সময়ৰ অসমৰ মূখ্যমন্ত্ৰী প্ৰয়াত বিমলা প্ৰসাদ চলিহাই মঙলদৈলৈ অহাত গান্ধী ময়দানত অভিবাদন জনাওঁ। আমাৰ সেই কামৰ বাবে মুখ্যমন্ত্ৰী চলিহাই ভূয়সী প্ৰশংসা কৰিছিল।

মঙলদৈ মহাবিদ্যালয়ত 'আই-এ' পঢ়ি উঠি জীৱিকাৰ বাবে অসমৰ তেতিয়াৰ ৰাজধানী শ্বিলঙলৈ গৈ অসম চৰকাৰৰ যোগান বিভাগৰ হিচাপ শাখাত 'হিচাপ সহায়ক' (Accounts Assistant) চাকৰিত সোমাও আৰু শ্বিলঙৰ বিখ্যাত মিচনাৰী মহাবিদ্যালয় 'চেণ্ট এডমান্দছ মহাবিদ্যালয়'ত নাম ভৰ্ত্তি কৰি তাৰ পৰা ৰাজনীতিক বিজ্ঞানত সন্মান সহ স্নাতক ডিগ্ৰী লৈ গুৱাহাটী বিশ্ববিদ্যালয়ত ৰাজনীতিক বিজ্ঞানৰ স্নাতকোত্তৰ শ্ৰেণীত নাম লগাওঁ।

১৯৬৮ চনত মঙলদৈ মহাবিদ্যালয়ত ৰাজনীতি বিজ্ঞানৰ প্ৰৱক্তাৰ চাকৰিৰ বিজ্ঞাপন দিয়াত ময়ো দৰখাস্ত কৰিছিলো যদিও স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল নোলোৱাত আৰু মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণী ছাত্ৰসন্থাৰ সাধাৰণ সম্পাদক আৰু সেই সূত্ৰেই সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি নিৰ্বাচিত হোৱা কাৰণে মঙলদৈ মহাবিদ্যালয়লৈ আহি মই ৰাজনীতি কৰি থাকিম বুলি বিবেচনা কৰিয়েই মোক এই মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ প্ৰৱক্তাৰ পদত নিযুক্তি নিদিলে। সিও মোৰ জীৱনৰ এই মহাবিদ্যালয়ৰ লগত হোৱা আন এটা অভিজ্ঞতা আৰু স্মৃতি।

১৯৭২ চনৰ সাধাৰণ নিৰ্বাচনত কলাইগাওঁ সমষ্টিৰ পৰা কংগ্ৰেছ প্ৰাৰ্থী হিচাপে অসম বিধান সভালৈ নিৰ্বাচিত হোৱাত আৰু কংগ্ৰেছে ৰাজ্য চৰকাৰ গঠন কৰাৰ পিছত মোক মঙলদৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি নিযুক্তি দিয়ে ১৯৭৫ চনত। তেতিয়াৰ পৰা ১৯৭৮ চনলৈ সেই দায়িত্বত থাকো। মই পৰিচালনা সমিতিৰ সভাপতি হৈ থকা সময়ত এই মহাবিদ্যালয়ৰ অধ্যক্ষ আছিল শ্ৰীযুত প্ৰবোধ চন্দ্ৰ গোস্বামী দেৱ। তেখেত প্ৰকৃততে আছিল একেৰাহে এজন শিক্ষাবিদ, সংগঠক আৰু প্ৰশাসক। তেখেতৰ প্ৰভাৱশালী ব্যক্তিত্বই মহাবিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক মণ্ডলীৰ সহযোগ লাভ কৰি মহাবিদ্যালয় খনত এক সুষ্ঠ শৈক্ষিক পৰিবেশৰ সৃষ্টি কৰি এজন সাৰ্থক অধ্যক্ষৰূপে প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হৈছিল। তেখেতৰ যত্নতেই মহাবিদ্যালয়খনৰ চৌহদত গছ-গছনিৰে এক প্ৰাকৃতিক সৌন্দৰ্য্য আৰু পৰিৱেশৰ সৃষ্টি কৰিব পৰাই নহয়, মহাবিদ্যালয়খনত কলা আৰু বিজ্ঞান বিভাগৰ সকলো বিষয়ৰ শিক্ষাদানেৰে এখন পূৰ্ণাঙ্গ মহাবিদ্যালয় হিচাপে গঢ়ি তুলিব পাৰিছিল আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰাও অনুগ্ৰহ লাভ কৰি বহুতো অনুদান লাভ কৰিছিল। শ্ৰদ্ধেয় গোস্বামীৰ অধ্যক্ষতাৰ সময়চোৱাই মঙলদৈ মহাবিদ্যালয়ৰ সোণালী অধ্যায় আছিল বুলি কলেও অতিৰিক্ত কৰা নহ'ব।

মই পৰিচালনা সমিতিৰ সভাপতি হৈ থকা সময়ত ১৯৭৬ চনৰ ২৮ ডিচেম্বৰৰ পৰা ১৯৭৭ চনৰ ২ জানুৱাৰীলৈ মঙলদৈ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উদ্‌যাপন কৰা হয়। ৰূপালী জয়ন্তীৰ বিভিন্ন কাৰ্য্যসূচীত আন আন বিশিষ্ট ব্যক্তিৰ উপৰিও সেই সময়ৰ অসমৰ ৰাজ্যপাল শ্ৰীযুত এল. পি. সিং, মুখ্যমন্ত্ৰী শ্ৰীযুত শৰৎ চন্দ্ৰ সিংহ, শিক্ষা মন্ত্ৰী প্ৰয়াত হৰেন্দ্ৰনাথ তালুকদাৰ, ৰাজ্যিক শিক্ষামন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়া, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য প্ৰয়াত ডঃ হিতেন্দ্ৰ বৰুৱা, প্ৰাক্তন উপাচাৰ্য্য প্ৰয়াত ডঃ মথুৰানাথ গোস্বামীয়ে যোগদান কৰি ৰূপালী জয়ন্তী সাফল্য মণ্ডিত কৰি তোলাত সহযোগ কৰিছিল। মঙলদৈ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ আটাইতকৈ উল্লেখনীয় দিশটো আছিল- এই মহাবিদ্যালয় স্থাপনৰ লগত শ্ৰদ্ধেয় বিশিষ্ট ব্যক্তিসকল, সমূহ ছাত্ৰ-ছাত্ৰী, ন-পুৰণি শিক্ষক মণ্ডলী, মঙলদৈ মহকুমাৰ সকলো শিক্ষানুষ্ঠান, ৰাজহুৱা প্ৰতিস্থান, চৰকাৰী বিভাগ, জন প্ৰতিনিধিৰ ৰূপালী জয়ন্তীত সক্ৰিয় সহযোগ আৰু উপস্থিতিয়ে ৰূপালী জয়ন্তীৰ স্থলী আৰু গোটেই মহকুমাটোতে এক উৎসৱ মুখৰ পৰিৱেশৰ সৃষ্টি কৰিব পৰাটো। সোণালী জয়ন্তীও মহা পয়োভৰেৰে উদ্‌যাপিত হওঁক আৰু মহাবিদ্যালয়খনিৰ শৈক্ষিক পৰিৱেশৰ উন্নতিত ই প্ৰভাৱ বিস্তাৰ কৰক; সোণালী জয়ন্তী উদ্‌যাপনৰ এই শুভমুহূৰ্ত্তত আন্তৰিকতাৰে তাকেই কামনা কৰিছো।

---

*শ্ৰীশইকীয়া মঙলদৈ মহাবিদ্যালৰ প্ৰাক্তন ছাত্ৰ, এজন সমাজকৰ্মী, চিত্ৰাবিদ, মহাবিদ্যালয়ৰ লগত সদায় জড়িত থকা এজন ব্যক্তি আৰু বৰ্ত্তমানে এগৰাকী অধিবক্তা।*

# স্মৃতিৰ সখুঁৰা

আকলু দেৱ শৰ্মা



১৯৫৮ চনৰ জানুৱাৰী মাহৰ ১৮ তাৰিখে মঙ্গলদৈ চৰকাৰী হাইস্কুলত (বৰ্তমান উচ্চতৰ মাধ্যমিক) ৭ম শ্ৰেণীত নাম ভৰ্ত্তি কৰি পাঠদান কৰা দিনৰে পৰাই শ্ৰেণীকোঠাত এবিধ নতুন সামগ্ৰী দেখিবলৈ পাওঁ। ৭ম শ্ৰেণীৰ গ শাখাৰ আমাৰ শ্ৰেণীকোঠাটো বিদ্যালয়ৰ শিক্ষক সকলৰ সমূহীয়া কোঠাৰ পূবে লগা লগি। মোৰ কৌতুহল ওপজা নতুন বস্তুটো মানুহ বহা এখন টুলৰ দৰে যদিও মোৰ তেতিয়াৰ মূৰৰ সমান ওখ। সামগ্ৰীবিধ হাতেৰে লাৰিও চাইছোঁ। তাৰে তলত কেতিয়াবা মৰা চগাপোক পৰি থকা দেখা পাওঁ। লগৰ ল'ৰাবোৰেও সেইখন কি নাজানে। শিক্ষকসকলেও পাঠদানৰ সজুঁলি হিচাপে সেইবিধ ব্যৱহাৰ কৰা দেখা নাই।

এদিনাখন আমাক বুৰঞ্জী পঢ়োৱা শিক্ষক প্ৰয়াত শ্ৰদ্ধেয় নৰেশ্বৰ শৰ্মাদেৱক (ড° সতীশ চন্দ্ৰ ভট্টাচাৰ্য্যৰ দেউতাক) সামগ্ৰীবিধৰ বিষয়ে সোধাত তেখেতে কলে যে, সেইখনৰ ওপৰত নিশা মেণ্টেল লাইট থোৱা হয় আৰু সেইটো কোঠাতেই মঙ্গলদৈ কলেজৰ আই. এ. শ্ৰেণীৰ পাঠদান কৰা হয়। সেই সময়ত কলেজ বুলিলে আমাৰ ধাৰণা অতি উচ্চ। তাতে আজি কালিৰ কম্পিউটাৰৰ যুগৰ ছাত্ৰ সকলৰ দৰে আমি তেতিয়াৰ দিনত সিমান কথা জানিবলৈ সুবিধা পোৱা নাছিলো। তেখেতৰ পৰা কলেজৰ কথা শুনিলো।

সেই বছৰৰে গৰমৰ বন্ধৰ পিছত উপহুপাৰাত থাকি স্কুললৈ অহা যোৱা কৰোঁ। ৰান্ধনি ঘৰটো ইকৰাৰ বেৰাবে সাজি লওঁ। থকা ঘৰ শ্ৰীযুত ঘটেশ্বৰ বৰুৱাৰ বহা ঘৰ। মোৰ লগত আছিল কৃতী ছাত্ৰ প্ৰয়াত গজেন্দ্ৰ নাথ চহৰীয়া। ইকৰাবোৰ আমি নিজে কাটি আনিছিলো বৰ্তমানৰ মঙ্গলদৈ কলেজৰ প্ৰধান পদূলিটো থকা ঠাইখনৰ পৰা। এয়া মাত্ৰ ৫০ বছৰ আগৰ বাস্তৱ। বৰ্তমানে অনুজসকলে সেই কথা বিশ্বাস কৰিবলৈ টান পোৱা কথা।

সেইবছৰৰে শেষ ভাগত এদিন আবেলি ঘৰৰ পৰা যাওঁতে বৰ্তমান কলেজৰ প্ৰথম পুৰণা বিল্ডিংটোৰ খুটাপোতা অনুষ্ঠান হৈ থকা দেখা পাওঁ। তাত দেখো আমাৰ সংস্কৃত শিক্ষক ˚ধৰ্মনাথ শৰ্মা শাস্ত্ৰী মহোদয় প্ৰমুখ্যে বহুতো গণ্যমান্য ব্যক্তি আৰু মহকুমাধিপতিৰ উপস্থিতিত গৃহাৰম্ভৰ কাম হৈ আছে। মাংগলিক কাৰ্য্যৰ অন্তত আমাক একো আজুলি মাহ প্ৰসাদ আৰু চেনিচম্পা কল একোটাকৈ দিলে। মনতে ভাব হ'ল ভৱিষ্যতে এই কলেজত পঢ়িবলৈ পালে বৰ আনন্দ লাগিব। তেতিয়া ৭ম শ্ৰেণীতহে পঢ়ি আছোঁ।

১৯৫৮ চনত মেট্ৰিকুলেচন পৰীক্ষাত কৃতকাৰ্য্যতা লাভ কৰিয়েই আৰ্থিক অনাটনৰ বাবে শিক্ষকতা ব্ৰতত ব্ৰতী হও যদিও উচ্চ শিক্ষা লাভ কৰাৰ মনত অদম্য হেঁপাহ। এদিন শ্ৰীযুত প্ৰবোধ শৰ্মা (বৰ্তমান উকিল) শ্ৰীযুত বীৰেশ্বৰ শৰ্মা শ্ৰীযুত সখিল ডেকা সহ কেইজনমান লগ লাগি কলেজৰ অধ্যক্ষ কৃতবিদ প্ৰয়াত পুৰন্দৰ শৰ্মাদেৱক লগ ধৰি নৈশ শাখা খোলাৰ বাবে অনুৰোধ কৰোঁ। ইতিমধ্যে স্থায়ী গৃহলৈ কলেজ স্থানান্তৰিত হোৱাত নৈশ শাখা উঠি গৈছিল আৰু দিনৰ ভাগতহে পাঠদান হৈছিল।

সেই মহানুভৱ গৰাকীয়ে আমাক একেমুখে কলে যে ২০ জন শিক্ষাৰ্থী হলেই তেখেতে আমাৰ সুবিধাৰ বাবে নৈশ শাখা খুলিব পাৰে। সেইমতে আমি শিক্ষাৰ্থীবোৰৰ লগত যোগাযোগ কৰি ২৮ জন হলো আৰু নামভৰ্ত্তি কৰিলোঁ।

১৯৬০ চনত আই. এ. পৰীক্ষাত নৈশ শাখাৰ প্ৰায় সকলো প্ৰাৰ্থীয়েই কৃতকাৰ্যতা লাভ কৰিলে। সেই সময়ত

আমি ইংৰাজী বিষয়ৰ অধ্যাপক পোৱা নাছিলো। আই. এ. পৰীক্ষাৰ মাত্ৰ কেইমাহমান আগতেহে পাণিকৰ নামৰ অধ্যাপক এগৰাকী পাইছিলো। আই. এ. শ্ৰেণীত Commercial Geography বিষয় আছিল। আমাৰ লগত পঢ়াসকলক ছাত্ৰ নুবুলি শিক্ষাৰ্থী শব্দহে ব্যৱহাৰ কৰিছোঁ, কাৰণ ৪৫ বছৰ বয়সৰ উৰ্দ্ধবো কেইগৰাকীমান শিক্ষাৰ্থী আছিল। সকলোৰে নাম উল্লেখ কৰা সম্ভৱ নহয় তথাপি মঙলদৈ হাইস্কুলৰ শিক্ষক ৺লোহিত চন্দ্ৰ ডেকাৰ নাম লব লাগিব। তেখেতেও আমাৰ লগত পঢ়িহে বি. এ. পাছ কৰে। নৈশ শাখাৰ ফলাফলত সন্তোষ পাই পুনৰ বি. এ. শ্ৰেণী খোলাত অধ্যক্ষ মহোদয়ে অনুমতি দিয়ে। অসমীয়া বিষয়ত হিৰণ্য বৈশ্য, লজিকত ৺ড° পূৰ্ণ চন্দ্ৰ বৰাদেৱক পাইছিলো।

আই. এ. পৰীক্ষাৰ কেইমাহমান আগৰ পৰাই আমি কলেজৰ পুৰণা বিল্ডিংঙৰ দুটা কোঠাত হোষ্টেল কৰি আছিলো। পুৱা টিউচন, দিনত শিক্ষকতা আৰু নিশা কলেজৰ পাঠগ্ৰহণ- এটা বাস্তৱজীৱন। বৰ্তমানৰ Chemistry Department ৰ Building থকা ঠাইত এটা ডাঙৰ খাল আছিল আৰু সেইটো আমাৰ গা ধোৱা থল আছিল। পাৰত প্ৰকাণ্ড শিমলু গছ। দমকল এটা আছিল যদিও পানীবোৰ বেছি আইৰণ থকা। সেই সময়ৰ কলেজৰ পশ্চিমে থকা বৰ্তমানে এক নং কলনি দুই নং কলনি আদি নামকৰণ হোৱা মৰিশালি। নিশা বাঘ ভালুক ওলায়। অকলে কোনো মানুহ নাযায়। সেই ঠাই এতিয়া ফুলনিলৈ পৰিৱৰ্তিত হৈছে। নাহৰ ফুলৰ সুবাসে আমোল মোলাই থাকে। এই কৃতিত্বৰ গুৰি মাননীয় অধ্যক্ষসকল, অধ্যাপকসকল, কলেজ পৰিচালনামণ্ডলী আৰু ন পুৰণি শিক্ষাৰ্থীসকল।

১৯৬২ চনত আমাৰ নৈশ শাখাৰ পৰীক্ষাৰ্থী ৺দেবেন্দ্ৰ নাথ শৰ্মাই Distingtion লাভ কৰে। আমাৰ পৰীক্ষাৰ্থীসকলৰ প্ৰায় ভাগেই উত্তীৰ্ণ হয়। আমাক শ্ৰদ্ধেয় শ্ৰীযুত গোপীনাথ শৰ্মা, মঃ আব্দুল মজিদ, ড° উষা বৰা আদিয়ে নিষ্ঠাৰে পাঠদান কৰিছিল। T.C. Rastrogi নামৰ ইংৰাজীৰ অধ্যাপকজনেও আমাক পঢ়ুৱাইছিল। আমাক অধ্যাপকসকলে নিষ্ঠা, আন্তৰিকতাৰে আৰু অতি পৰিশ্ৰম কৰি সহৃদয়তাৰে পাঠদান কৰিছিল। আনকি জাৰৰ দিনতো আমাৰ পাঠদান হৈছিল নিশা ৮/৯ বজালৈ।

আজি এই পবিত্ৰ দিনত দেহী-বিদেহী সেই সকল অধ্যক্ষ, অধ্যাপকলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।

*'জয়তু মঙলদৈ মহাবিদ্যালয়'*

---

*লেখক মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু ডাঁহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ।*

# শৈশৱৰ ডুখৰীয়া স্মৃতি

লিলি দেৱী



মানুহৰ জীৱনটোৱেই হৈছে বহুল ঘটনা পৰিঘটনা, উত্থান-পতন, স্মৰণীয় একোটি মুহূৰ্ত্ত, সুখ দুখ আৰু হাঁহি কান্দোনেৰে বিজড়িত।

তেনেদৰেই দিনৰ পিছত দিন, মাহ, বছৰ বাগৰি গ'ল। সকলোৱে একোটি বয়স পাৰ কৰি দিলে। লগে লগে মঙলদৈ মহাবিদ্যালয়খনিয়েও পঞ্চাশ বছৰ সম্পন্ন কৰিলে। পঞ্চাশ বছৰ। সময় নদীৰ কোবাল সোঁতত কেনেকৈ যে পাৰ হৈ গ'ল বছৰবোৰ ভাবিলে আচৰিত হওঁ। মঙ্গলদৈ মহাবিদ্যালয়ৰ "সোণালী জয়ন্তী" উৎসৱৰ আড়ম্বৰপূৰ্ণ আয়োজনৰ প্ৰাকমুহূৰ্ত্তত মোৰ মনলৈ আহিছে। শৈশৱৰ কিছুমান ডুখৰীয়া মধুৰ স্মৃতি। যি স্মৃতিয়ে মোৰ মানস পটত প্ৰায়েই দোলা দি থাকে। কিন্তু মই সপোনতো ভবা নাছিলো যে শৈশৱৰ সেই স্মৃতিৰ কথা মই লিখিবলৈ সুযোগ পাম। নভবা কথা কিছুমান মানুহৰ জীৱনত ঘটি যায়- সেই বাবেই জীৱন ৰহস্যময়।

মনৰ দাপোনত এতিয়াও জিলিকি আছে মঙ্গলদৈ কলেজৰ প্ৰথম পিকনিকৰ দলটো পিক্‌নিক্ খোৱা ঠাইখন। শৈশৱৰ মধুৰ স্মৃতিৰ ভিতৰত ইও যেন এক জন্ম জন্মান্তৰৰ স্মৃতি। মোৰ মনৰ পৰ্দাত আজিও সেই স্মৃতি সজীৱ হৈ ডুলি আছে।

চালে চকুৰোৱা প্ৰকৃতিৰ মনোমোহা ৰূপেৰে বিনন্দীয়া ঠাইখন। সেউজীয়া এঢলীয়া পাহাৰ, তলত সমতল ভূমিৰ মাজেৰে বৈ যোৱা ফটফটীয়া পানীৰ নিজৰা। যি ফালে চকু যায় সেইফালেই সেউজীয়া- মাথো সেউজীয়া। মাজে মাজে ফুলি থকা ৰং বিৰঙৰ ফুলে প্ৰকৃতিৰ মাধুৰিমা দুগুণে চৰাইছে। প্ৰকৃতিৰ ৰূপেৰে ভূষিতা ঠাইখনৰ নাম আছিল খেৰখেৰীয়া। মঙ্গলদৈ নগৰৰ পৰা প্ৰায় ৬০ কিঃ মিঃ উচ্চতাৰে অৱস্থিত পাহাৰে আৱৰা এই খেৰখেৰীয়াতেই ১৯৫১ চনত মঙ্গলদৈ কলেজৰ প্ৰথম পিক্‌নিক্ আয়োজিত হৈছিল। তেতিয়া মই এল. পি. স্কুলৰ দ্বিতীয়মান শ্ৰেণীত। সেই সময়ত মঙ্গলদৈ কলেজৰ শিক্ষাদান ব্যৱস্থা মঙ্গলদৈ চৰকাৰী হাইস্কুলত চলিছিল। মানুহৰ মুখে মুখে 'নাইট কলেজ'ৰ কথা। সৰু চহৰ। জনসংখ্যাও তাকৰীয়া। হলেও কলেজ চলিছিল। মঙ্গলদৈৰ বহু কেইজন গুণী-মানী ব্যক্তিৰ লগতে দেউতা (ঁজীৱন চন্দ্ৰ শৰ্মা)ও আছিল কলেজৰ স্বাৰ্থৰ লগত জড়িত। সেই সময়ত দেউতাৰ চাকৰি থকা সত্বেও ৰাতিৰ কলেজত অবৈতনিকভাৱে কেৰাণীৰ কামটো কৰিছিল। বহুত পিছতহে গম পাইছিলো অৰ্থৰ অভাৱৰ বাবেই কলেজত কেৰাণী এজন নিযুক্তি দিয়াটো সম্ভৱপৰ হোৱা নাছিল। দেউতা অৱশ্যে এই কামত এবছৰ আছিল।

এইদৰে দেউতা কলেজত থকাৰ বাবেই মোৰ পিক্‌নিকলৈ যোৱাৰ সৌভাগ্য হৈছিল। মোৰ লগত মোৰ শৈশৱৰ বান্ধৱী বিবি, টুনীও আছিল। বিবি-টুনীৰ বাইদেৱেক দেৱী চাংকাকতি তেতিয়া মঙ্গলদৈ কলেজত পঢ়িছিল। সেই বাবেই সিহঁতেও পিক্‌নিক্‌লৈ যোৱাৰ সুযোগ পাইছিল। লগতে বিদ্যাৱতী বাইদেউৰ কথাও মনত পৰে। আৰু দুগৰাকী মান বাইদেউ আছিল। তেখেতসকলৰ কথা মনত নাই। নামো পাহৰিছোঁ। কলেজৰ ছাত্ৰও আছিল সীমিত। 'প্ৰফেচৰ' (সেই সময়ত আমি কলেজত পঢুওৱা সকলক প্ৰফেচৰ বুলিয়েই কৈছিলো। প্ৰবক্তা, অধ্যাপক আদি শব্দবোৰ কোনেও নকৈছিল বাবে আমিও নাজানিছিলো) ছাত্ৰ, ঘৰৰ দুই এজন পৰিয়াল লৈ পিক্‌নিকৰ দলটো। দলটোৰ সমূহ সদস্য, ছাত্ৰ- অধ্যাপকৰ

মাজত যি সম্ভাৱ, তেনে সম্ভাৱ, ভক্তি বৰ্ত্তমান অটুট আছে নে নাই চিন্তা হয়। সকলোৰে আছিল মাৰ্জিত আৰু ৰুচিবোধসম্পন্ন। সেই তেতিয়াৰ দিনৰ সৰু ছোৱালীৰ মানসিকতাত কলেজ প্ৰফেচৰ আদি শব্দবোৰ কৌতুহল জন্মাইছিল।

কলেজৰ অধ্যাপকসকল মাজে সময়ে আমাৰ ঘৰলৈ ফুৰিব আহিছিল। দেউতা আছিল আপোন ভোলা মানুহ। বিহু, পূজা, পাৰ্বনত সেই সময়ৰ প্ৰফেচৰ সকলক দেউতাই নিমন্ত্ৰণ কৰিছিল। অধ্যাপক শ্ৰীকৰুণা কান্ত শৰ্মা আৰু দুজনমান আমাৰ গাঁৱৰ ঘৰলৈকো ফুৰিব গৈছিল। এটা সময়ত কলেজখন স্থায়ী হৈছিল। বৰ্ত্তমান মহাবিদ্যালয় চলি থকা ঠাইতে স্থায়ী ঘৰ নিৰ্মাণ হৈছিল। ৰাইজৰ লগতে দেউতায়ো স্বস্তিৰ নিশ্বাস পেলাইছিল। বৰ্ত্তমান চাৰিওফালে পৰিবৰ্ত্তনৰ বোলসনা বতাহ। কলেজখন স্থাপন কৰাৰ বাবে দেউতাই যিখিনি কৰিছিল, আজিৰ তুলনাত সেই কাম অতি সামান্য যেন লাগিব পাৰে বাবে সেই সামান্য কামো বৃহৎ মহান কামৰে এটি ক্ষুদ্ৰ অংশ আছিল। অনেকজনৰ দিহা পৰামৰ্শ, দান-বৰঙণি, কষ্ট-ত্যাগৰ বিনিময়ত আজি ঠন ধৰি উঠা এই মঙ্গলদৈ মহাবিদ্যালয়। এই মঙ্গলদৈ মহাবিদ্যালয়ৰে সমূহ ছাত্ৰ শিক্ষকৰ প্ৰথম পিক্‌নিক।

আজি বহু কথাই মনৰ পৰা হেৰাই গৈছে। শীতৰ ৰাতিপুৱা। সকলো যা-যোগাৰ বোধহয় ৰাতিয়েই কৰি থৈছিল। যেতিয়া বাছখন আহিল তেতিয়া সকলো বস্তু গাড়ীত তুলি দি সকলোৰে নিজ নিজ স্থানত বহি ললে। বিদ্যাৱতী বাইদেৱে আমাক কাষত বহুৱাই ললে। গাড়ী চলিবলৈ আৰম্ভ কৰিলে। প্ৰায় দহমান বজাত আমি খেৰখেৰীয়া পাইছিলো। গাড়ীৰ পৰা সকলো নামিল। বন্ধা বঢ়া সামগ্ৰী, বাচন বৰ্ত্তন সকলো নমালে। তাৰ পিচত খোৱাৰ যোগাৰ। সকলোৰে মিলি জুলি প্ৰথমে চাহ বনালে। চাহ খোৱাৰ পিচত কোনো কোনো ফুৰিব গ'ল। কেইজনমানে ৰান্ধনিৰ লগত সহায়ৰ হাত আগবঢ়ালে। আমি মানে বাইদেউ দুজনীমান, টুনী, বিবি ইফালে সিফালে ঘুৰিলো।

পাহাৰীয়া তটিনীৰ কলৰৱ, বাৰে ৰহনীয়া বনৰীয়া ফুলৰ পোহাৰ, অচিন চৰাইৰ অবুজ গীত আৰু সৰু ডাঙৰ শিলবোৰত ঠেকা খাই বৈ যোৱা নিৰ্মল সলিল ধাৰাই প্ৰকৃতিৰ অনিৰ্বচনীয় ৰূপকে যেন উদঙাই দিছে।

বেলি লহিওৱাৰ পিচত আমাৰ খোৱা বোৱা শেষ হৈছিল। দুজন মজুৰি কৰা মানুহে বাচন বৰ্ত্তন ধুই গাড়ীত তুলিছে। বুজিলো আমাৰ উভতিবৰ হ'ল। ঈষৎ হালধীয়া ৰং সানি, পাহাৰীয়া প্ৰকাণ্ড গছবোৰৰ মাজেদি পশ্চিম আকাশৰ পৰা দিনমনিয়ে হাঁহি হাঁহি আমাৰ পৰা মেলানি মাগিব লৈছে। শীতৰ শীতল বতাহ এছাটিয়ে আমাক কঁপাই তুলিলে। আয়ে গুঠি দিয়া চুৰেটাৰটো মই পিন্ধি ললো। বাকী সকলেও গৰম কাপোৰ, চুৰেটাৰ পিন্ধিব ললে। তাৰ পিচত গাড়ীত বহিলো। গাড়ী চলিব আৰম্ভ কৰিলে। আহিবৰ সময়ত গাড়ীৰ পৰাই আকৌ এবাৰ সেই অনামী নদীৰ ৰূপালী পানীৰ ছন্দোময় গতিৰ ধেমালি চালো। সেই সময়ত এক অবুজ আনন্দ নিবানন্দই মোক মূক কৰি পেলাইছিল। তাহানিৰ সেই মঙ্গলদৈ কলেজৰ প্ৰথম পিক্‌নিক্‌ৰ প্ৰথম দলটো। সেই আনন্দ। সেই বনভোজ, প্ৰকৃতিৰ সেই নৈসৰ্গিক দৃশ্য মোৰ মনৰ পৰা আজিও মঁচ খাই যোৱা নাই।

মঙ্গলদৈ কলেজৰ প্ৰথম গৰাকী অধ্যক্ষ, কলেজত নাম ভৰ্ত্তি কৰা প্ৰথম ছাত্ৰ গৰাকী, প্ৰথম আই এ (সেই সময়ৰ) পৰীক্ষাৰ্থী কেইজনৰ নাম বোলোতে যি তাৎপৰ্য্য বহন কৰে ঠিক সেইদৰে মঙ্গলদৈ কলেজৰ প্ৰথম পিক্‌নিক্‌ বোলোতে মোৰ মনলৈও সেই তাৎপৰ্য্যৰ কথাই আহে। সেই প্ৰথম দলত শিশু হলেও মই অংশ গ্ৰহণ কৰাৰ সুযোগ পাইছিলো। তাৰ বহু পিছতহে মঙ্গলদৈ কলেজত পঢ়াৰ সৌভাগ্য হৈছিল।

এই মুহূৰ্ত্তত মঙ্গলদৈ কলেজৰ "সোণালী জয়ন্তী" উৎসৱৰ দুৱাৰডলিত থিয় দি ৰোমন্থন কৰিছোঁ সোণালী শৈশৱৰ সোণসেৰীয়া স্মৃতি। মনলৈ আহিছে তাহানিৰ পিক্‌নিকৰ এখন স্বচ্ছ ছবি। প্ৰকৃতিৰ বিনন্দীয়া ৰূপ। তাহানি খেৰখেৰীয়া পাহাৰৰ দাঁতিত, নৈৰ বালিচৰত মোৰ সৰু সৰু খোজবোৰ আজি আৰু নাই। হয়তো প্ৰকৃতিৰ সেই ৰূপ ৰাশি মানুহৰ হাতত হেৰাই গৈছে। তথাপি মোৰ শৈশৱৰ সোণালী স্মৃতি সদায় সজীৱ হৈ থাকিব।

মঙ্গলদৈ কলেজৰ "সোণালী জয়ন্তী" উৎসৱ সাফল্যমণ্ডিত হওঁক- এয়ে কামনা।

*"জয়তু মঙ্গলদৈ কলেজ"*

---

*লেখিকা মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী*

# আমাৰ দিনৰ মঙলদৈ কলেজ

শিৱ প্ৰসাদ বৰুৱা



ইং ১৯৬০ চনতে মঙলদৈ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা (বৰ্ত্তমান উচ্চতৰ মাধ্যমিক) প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ মঙলদৈ কলেজত নাম ভৰ্তি কৰি আই, এ পঢ়ো। কলেজৰ ট্ৰাইবেল হোষ্টেলত এটা কোঠাত বন্ধু শ্ৰীলক্ষ্মীকান্ত শইকীয়াৰ (বৰ্ত্তমান প্ৰাক্তন বিধায়ক আৰু অধিবক্তা) লগত একেলগে আছিলো। বাকী কোঠা বিলাকত চাৰিজনকৈ ল'ৰা আছিল। এটা দীঘলীয়া টিনৰ হাফ ওৱাল ঘৰ আছিল। মাজতে কৰিদৰ এটা। বৰ্ত্তমানেও সেই ঘৰটি আছে। ঘৰটিৰ পূৰফালে ট্ৰাইবেল হোষ্টেলৰ কোঠাকেইটাৰ মাজতে অধ্যাপক-অধ্যাপিকাসকলৰ আৰু অধ্যক্ষৰ কোঠা আছিল। পশ্চিমফালে আছিল শ্ৰেণীকোঠা। পূৰফালৰ কোঠাকেইটা ছাত্ৰৰ হোষ্টেল আছিল। তেতিয়া ছাত্ৰীৰ বাবে হোষ্টেল দূৰৰ কথা ছাত্ৰীৰ জিৰণি কোঠাও নাছিল। হোষ্টেলৰ ছাত্ৰসকলৰ বাবে বিশেষ সুবিধা নাছিল। দক্ষিণ ফালে এটা পানীৰ কুৱা আছিল। কুৱাৰ পানীও ভাল নাছিল। গা ধোৱা কোঠা নাছিল। আমি প্ৰায় ল'ৰাবিলাকে হোষ্টেলৰ দক্ষিণফালে বৈ যোৱা মঙলদৈ নদীত গা ধুইছিলো। সেইসময়ত হোষ্টেলত থকা ল'ৰাবিলাকৰ মাজত মাত্ৰ চাৰিজন ট্ৰাইবেল ল'ৰা আছিল তেওঁলোক ক্ৰমে শ্ৰীমায়াৰাম কছাৰী, প্ৰয়াত ভবেন কছাৰী, শ্ৰীদুৰ্গেশ্বৰ ৰাভা আৰু শ্ৰীনবীন শৰণীয়া। হোষ্টেলৰ ল'ৰাবিলাকৰ মাজত বৰ বন্ধুত্বৰ ভাব গঢ় লৈ উঠিছিল। কলেজৰ শ্ৰেণীবিলাক সদায় নিয়মীয়া আছিল। তেতিয়াৰ কলেজৰ অধ্যক্ষ আছিল প্ৰয়াত শ্ৰদ্ধেয় পুৰন্দৰ শৰ্মা চাৰ। তেখেত দেখাত বৰ ধুনীয়া আছিল। সদায় নতুন চুত পিন্ধি গাম্ভীৰ্যমনে কলেজৰ বৰাণ্ডাই বাৰাণ্ডাই ঘূৰি শ্ৰেণীবিলাক চাই ফুৰিছিল। মাজে মাজে ধুতিও পিন্ধিছিল। দেখিলেই শ্ৰদ্ধা উপজিছিল আৰু চাই থাকিবৰ মন গৈছিল।

মই আই. এ পঢ়ি থাকোতে ছাত্ৰ একতা সভাৰ সহ-সম্পাদক আছিলো। অধ্যক্ষ মহোদয়ৰ লগত কথা বতৰা কৈ কলেজৰ বিষয়ে আলোচনা কৰি ভাল পাইছিলো। সাধাৰণ সম্পাদক আছিল নৈশ শাখাৰ প্ৰয়াত নবীন শৰ্মা। শৰ্মা নৈশ শাখাৰ ছাত্ৰ হোৱাৰ কাৰণে মইয়ে বেছিভাগ কাম কৰিব লাগিছিল। নৈশ শাখাত তেতিয়া বিজুলী বাতি নাছিল। পেট্ৰোমাক্সৰ পোহৰত পঢ়িব লাগিছিল। নৈশ শাখাত পঢ়া ছাত্ৰ-ছাত্ৰীৰ ভিতৰতো Distinction লৈ বি.এ. পাছ কৰিছিল। তেতিয়াও কলেজত N.C.C. আছিল। আমাৰ N.C.C. ৰ দায়িত্বত আছিল প্ৰথমতে অধ্যাপক শেষত অধ্যক্ষ হিচাপে অৱসৰ লোৱা প্ৰয়াত শ্ৰদ্ধেয় মজিদ আলি চাৰ। ময়ো N.C.C. লৈ জীৱনত শৃংখলা, শিষ্টাচাৰ, নিয়মানুবৰ্তিতা আদি ভাল কথা শিকিছিলো। ছাত্ৰ অৱস্থাৰ পৰা বৰ্তমানেও ৰাগীয়াল বস্তু, বিড়ি, চিগাৰেট, মদ, ভাং, চাদা আদি খোৱা অভ্যাস নাই।

বৰ্তমান ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° হিৰেণ গোস্বামী আমাৰ লগতে আই.এ পঢ়িছিল। তেওঁ বৰ বাধ্য ছাত্ৰ আছিল। খেলা-ধূলাতকৈ তেখেতে পঢ়াত বেছি মনোযোগ দিছিল। বৰ চাফ-চিকুনকৈ কলেজত আহিছিল।

মঙলদৈ কলেজৰ পৰা প্ৰথম বাৰৰ বাবে আমি শিক্ষামূলক ভাৰত ভ্ৰমণ কৰিছিলো। চাৰিজনী ছোৱালী আৰু প্ৰায় পাঁচ জনমান ল'ৰাই আমি দিল্লী, লক্ষ্ণৌ, এলাহাবাদ, বেনাৰস আদি ঠাইলৈ গৈছিলো। সেই চহৰ বিলাক দেখি বৰ

আনন্দ পাইছিলো আৰু বহু কথা শিকিছিলো। দিল্লীত গৈ তেতিয়াৰ প্ৰধান মন্ত্ৰী প্ৰয়াত লাল বাহাদুৰ শাস্ত্ৰীক দেখা কৰি আমাৰ ডায়েৰী বিলাকত তেখেতৰ চহী লৈ আনন্দ পাইছিলো। বেনাৰস University চাই বৰ ভাল পাইছিলো। বৰ্ত্তমান মঙলদৈ কলেজৰ সন্মুখত গছ-গছনি থকাৰ দৰে বেনাৰস University তো আছিল। গঙ্গাৰ ত্ৰিবেণী সঙ্গমত স্নান কৰি অতি পবিত্ৰ অনুভৱ কৰিছিলোঁ। আমাৰ ভ্ৰমণৰ দলটি পৰিচালনা কৰিছিল অধ্যাপক ড° নগেন্দ্ৰ নাথ শৰ্মা চাৰে। মঙলদৈ কলেজৰ পৰা বি.এ. পাছ কৰি শিক্ষা বিভাগত কাম কৰি বিদ্যালয়ৰ উপ পৰিদৰ্শক হিচাপে অৱসৰ গ্ৰহণ কৰোঁ। নমস্য মঙলদৈ কলেজ।

সেই সময়ৰ মঙলদৈ কলেজ আৰু বৰ্ত্তমানৰ মঙলদৈ কলেজ আকাশ-পাতাল পাৰ্থক্য।

আজি এই সোণালী জয়ন্তী উৎসৱৰ দিনা অতীতৰ সোণালী দিন বিলাক সোঁৱৰণ কৰি অফুৰন্ত আনন্দ পাইছো। কলেজৰ অধ্যক্ষ, উপাধ্যক্ষ, কলেজৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মঙ্গল কামনা কৰাৰ লগতে কলেজৰ সৰ্বতো প্ৰকাৰ মঙ্গল কামনা কৰিলো।

"সৰ্বে ভবন্তু সুখিন ঃ সৰ্বে সন্তু নিৰাময়াঃ
সৰ্বে ভদ্ৰাণি পশ্যন্তু, মা কশ্চিদ্ দুখঃ ভবেৎ।

---

*শ্ৰীবৰুৱা মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু অৱসৰ প্ৰাপ্ত বিদ্যালয় উপ-পৰিদৰ্শক।*

# আমাৰ দিনৰ
# মঙলদৈ কলেজ

শিৱ প্ৰসাদ বৰুৱা



ইং ১৯৬০ চনতে মঙলদৈ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা (বৰ্ত্তমান উচ্চতৰ মাধ্যমিক) প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ মঙলদৈ কলেজত নাম ভৰ্তি কৰি আই, এ পঢ়ো। কলেজৰ ট্ৰাইবেল হোষ্টেলত এটা কোঠাত বন্ধু শ্ৰীলক্ষ্মীকান্ত শইকীয়াৰ (বৰ্ত্তমান প্ৰাক্তন বিধায়ক আৰু অধিবক্তা) লগত একেলগে আছিলো। বাকী কোঠা বিলাকত চাৰিজনকৈ ল'ৰা আছিল। এটা দীঘলীয়া টিনৰ হাফ ওৱাল ঘৰ আছিল। মাজতে কৰিদৰ এটা। বৰ্ত্তমানেও সেই ঘৰটি আছে। ঘৰটিৰ পূৱফালে ট্ৰাইবেল হোষ্টেলৰ কোঠাকেইটাৰ মাজতে অধ্যাপক-অধ্যাপিকাসকলৰ আৰু অধ্যক্ষৰ কোঠা আছিল। পশ্চিমফালে আছিল শ্ৰেণীকোঠা। পূৱফালৰ কোঠাকেইটা ছাত্ৰৰ হোষ্টেল আছিল। তেতিয়া ছাত্ৰীৰ বাবে হোষ্টেল দূৰৰ কথা ছাত্ৰীৰ জিৰণি কোঠাও নাছিল। হোষ্টেলৰ ছাত্ৰসকলৰ বাবে বিশেষ সুবিধা নাছিল। দক্ষিণ ফালে এটা পানীৰ কুৱা আছিল। কুৱাৰ পানীও ভাল নাছিল। গা ধোৱা কোঠা নাছিল। আমি প্ৰায় ল'ৰাবিলাকে হোষ্টেলৰ দক্ষিণফালে বৈ যোৱা মঙলদৈ নদীত গা ধুইছিলো। সেইসময়ত হোষ্টেলত থকা ল'ৰাবিলাকৰ মাজত মাত্ৰ চাৰিজন ট্ৰাইবেল ল'ৰা আছিল তেওঁলোক ক্ৰমে শ্ৰীমায়াৰাম কছাৰী, প্ৰয়াত ভবেন কছাৰী, শ্ৰীদুৰ্গেশ্বৰ বাভা আৰু শ্ৰীনবীন শৰণীয়া। হোষ্টেলৰ ল'ৰাবিলাকৰ মাজত বৰ বন্ধুত্বৰ ভাৱ গঢ় লৈ উঠিছিল। কলেজৰ শ্ৰেণীবিলাক সদায় নিয়মীয়া আছিল। তেতিয়াৰ কলেজৰ অধ্যক্ষ আছিল প্ৰয়াত শ্ৰদ্ধেয় পুৰন্দৰ শৰ্মা চাৰ। তেখেত দেখাত বৰ ধুনীয়া আছিল। সদায় নতুন চুত পিন্ধি গজগমনে কলেজৰ বাৰাণ্ডাই বাৰাণ্ডাই ঘূৰি শ্ৰেণীবিলাক চাই ফুৰিছিল। মাজে মাজে ধুতিও পিন্ধিছিল। দেখিলেই শ্ৰদ্ধা উপজিছিল আৰু চাই থাকিবৰ মন গৈছিল।

মই আই, এ পঢ়ি থাকোতে ছাত্ৰ একতা সভাৰ সহ-সম্পাদক আছিলো। অধ্যক্ষ মহোদয়ৰ লগত কথা বতৰা কৈ কলেজৰ বিষয়ে আলোচনা কৰি ভাল পাইছিলো। সাধাৰণ সম্পাদক আছিল নৈশ শাখাৰ প্ৰয়াত ৰবীন শৰ্মা। শৰ্মা নৈশ শাখাৰ ছাত্ৰ হোৱাৰ কাৰণে ময়ে বেছিভাগ কাম কৰিব লাগিছিল। নৈশ শাখাত তেতিয়া বিজুলী বাতি নাছিল। পেট্ৰোমাক্সৰ পোহৰত পঢ়িব লাগিছিল। নৈশ শাখাত পঢ়া ছাত্ৰ-ছাত্ৰীৰ ভিতৰতো Distinction লৈ বি.এ. পাছ কৰিছিল। তেতিয়াও কলেজত N.C.C. আছিল। আমাৰ N.C.C. ৰ দায়িত্বত আছিল প্ৰথমতে অধ্যাপক শেষত অধ্যক্ষ হিচাপে অৱসৰ হোৱা প্ৰয়াত শ্ৰদ্ধেয় মজিদ আলি চাৰ। ময়ো N.C.C. লৈ জীৱনত শৃংখলা, শিষ্টাচাৰ, নিয়মানুবৰ্তিতা আদি ভাল কথা শিকিছিলো। ছাত্ৰ অৱস্থাৰ পৰা বৰ্তমানেও ৰাগীয়াল বস্তু, বিড়ি, চিগাৰেট, মদ, ভাং, চাদা আদি খোৱা অভ্যাস নাই।

বৰ্তমান ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° হিৰেণ গোস্বামী আমাৰ লগতে আই.এ পঢ়িছিল। তেওঁ বৰ বাধ্য ছাত্ৰ আছিল। খেলা-ধূলাতকৈ তেখেতে পঢ়াত বেছি মনোযোগ দিছিল। বৰ চাফ-চিকুনকৈ কলেজত আহিছিল।

মঙলদৈ কলেজৰ পৰা প্ৰথম বাৰৰ বাবে আমি শিক্ষামূলক ভাৰত ভ্ৰমণ কৰিছিলো। চাৰিজনী ছোৱালী আৰু প্ৰায় বাৰ জনমান ল'ৰাই আমি দিল্লী, লক্ষ্ণৌ, এলাহাবাদ, বেনাৰস আদি ঠাইলৈ গৈছিলো। সেই চহৰ বিলাক দেখি বৰ

আনন্দ পাইছিলো আৰু বহু কথা শিকিছিলো। দিল্লীত গৈ তেতিয়াৰ প্ৰধান মন্ত্ৰী প্ৰয়াত লাল বাহাদুৰ শাস্ত্ৰীক দেখা কৰি আমাৰ ডায়েৰী বিলাকত তেখেতৰ চহী লৈ আনন্দ পাইছিলো। বেনাৰস University চাই বৰ ভাল পাইছিলো। বৰ্ত্তমান মঙলদৈ কলেজৰ সন্মুখত গছ-গছনি থকাৰ দৰে বেনাৰস University তো আছিল। গঙ্গাৰ ত্ৰিবেণী সঙ্গমত স্নান কৰি অতি পবিত্ৰ অনুভৱ কৰিছিলোঁ। আমাৰ ভ্ৰমণৰ দলটি পৰিচালনা কৰিছিল অধ্যাপক ড° নগেন্দ্ৰ নাথ শৰ্মা চাৰে। মঙলদৈ কলেজৰ পৰা বি.এ. পাছ কৰি শিক্ষা বিভাগত কাম কৰি বিদ্যালয়ৰ উপ পৰিদৰ্শক হিচাপে অৱসৰ গ্ৰহণ কৰোঁ। নমস্য মঙলদৈ কলেজ।

সেই সময়ৰ মঙলদৈ কলেজ আৰু বৰ্ত্তমানৰ মঙলদৈ কলেজ আকাশ-পাতাল পাৰ্থক্য।

আজি এই সোণালী জয়ন্তী উৎসৱৰ দিনা অতীতৰ সোণালী দিন বিলাক সোঁৱৰণ কৰি অফুৰন্ত আনন্দ পাইছো। কলেজৰ অধ্যক্ষ, উপাধ্যক্ষ, কলেজৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মঙ্গল কামনা কৰাৰ লগতে কলেজৰ সৰ্বতো প্ৰকাৰ মঙ্গল কামনা কৰিলো।

"সৰ্বে ভৱন্তু সুখিন ঃ সৰ্বে সন্তু নিৰাময়াঃ
সৰ্বে ভদ্ৰাণি পশ্যন্তু, মা কশ্চিদ্ দুখঃ ভবেৎ।

---

*শ্ৰীবৰুৱা মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু অৱসৰ প্ৰাপ্ত বিদ্যালয় উপ-পৰিদৰ্শক।*

# কলেজীয়া জীৱনৰ মধুৰ স্মৃতি

ভূৱন চন্দ্ৰ কলিতা



হাইস্কুলীয়া শিক্ষা সাং কৰি ১৯৬৫ ইং চনত এটি শুভক্ষণত মঙলদৈ মহাবিদ্যালয়ত নামভৰ্ত্তি কৰিলো। কলেজৰ নবাগত আদৰণি সভাৰ বাবে উৎকণ্ঠাৰে বাট চাই ৰ'লো। সভাৰ বিশিষ্ট অতিথি হিচাপে আহিছিল বিশিষ্ট সাহিত্যিক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য। মহাবিদ্যালয় খনক নবাগত সকলে জ্ঞান মন্দিৰ বুলি তেখেত সকলৰ ভাষণত উল্লেখ কৰাত এই বিশিষ্ট সাহিত্যিক গৰাকীয়ে জ্ঞানমন্দিৰ শব্দটোৰ বহল ব্যাখ্যা দাঙি ধৰিছিল। তেখেতৰ সাৰগৰ্ভ বক্তৃতাই আমাক অতি আমোদ দিছিল।

দিন বাগৰিল আমি মহাবিদ্যালয়ত পঢ়ি থকা সময়ত সমগ্ৰ ভাৰতবৰ্ষত খাদ্য আন্দোলনে গা কৰি উঠিছিল। অসমতো তাৰ জোৱাঁৰ উঠাত মহাবিদ্যালয়ৰ ছাত্ৰ সকলে তাত অংশ গ্ৰহণ কৰি আন্দোলনটোক জোৰদাৰ কৰি তুলিছিল। প্ৰয়াত মুক্তি গোস্বামী, ধনেশ্বৰ ডেকা, অধ্যাপিকা বিজয়া চক্ৰৱৰ্ত্তী আদি এই আন্দোলনৰ সতে জড়িত আছিল। সেই সময়ত মঙলদৈ মহকুমাক জিলালৈ উন্নীত কৰাৰ দাবীত মহকুমাধিপতি মহোদয়ক স্মাৰক পত্ৰ প্ৰদান কৰা হৈছিল। এই আন্দোলনৰ লগত জড়িত আছিল (প্ৰয়াত) পতিৰাম বৰদলৈ, বীৰেণ দাস, যতীন নাথ, ধনেশ্বৰ ডেকা, শ্ৰীনিধিল ডেকা আদি। এই সকল ব্যক্তিৰ উদ্যোগত গঢ় লৈছিল 'ছছিয়েলিষ্ট ফ'ৰাম'। ফ'ৰামৰ এখন সভাত লগপোৱাৰ সুযোগ ঘটিছিল দেশ নেতা হেমবৰুৱা দেৱক। বৰুৱা দেৱৰ লগত কথা প্ৰসঙ্গত ওলাইছিল কেইগৰাকী মান গৱেষকৰ কথা। সেই সকলৰ ভিতৰত ভেংগলিয়াকৃষ্ণকৃষ্ণমেনন, মহম্মদ কৰিম চাগলা, ডাঙৰেঙ্গা লিমায়ে, হীৰেণ মুখাৰ্জী. এচ এন দ্বিবেদী, লোহিয়া কুঞ্জৰ আদিৰ কথা -- যিসকলে সংসদত যুক্তি তথ্যৰে বক্তব্য উত্থাপন কৰি একো একো গৰাকী ভাল সাংসদ ৰূপে পৰিচিত হ'ব পাৰিছিল। তেখেত সকলৰ কথাগুনি ছাত্ৰ মনটোৱে বহুতো কল্পনাৰ মাজত উটি ভাহি ফুৰিছিল।

আমি পঢ়ি থকা সময়তেই ভাৰতবৰ্ষত আনএটি জোকাৰণি উঠিছিল। সেয়াই হ'ল ১৯৬৫ চনৰ ভাৰত-পাক যুদ্ধ। আমি মহাবিদ্যালয় প্ৰাঙ্গনত ট্ৰেঞ্চ খান্দিছিলো নিৰপত্তাৰ বাবে। অসমৰ আকাশত দেখিছিলো জেট মিগৰ উৰণ। দেখিছিলো কামানৰ গৰ্জনত উফৰি পৰা স্ফুলিঙ্গ সৃষ্টি কৰা জোনালী সোণালী পৰিবেশ। লাহে লাহে মনলৈ আহি পৰিছিল যুদ্ধৰ বিভীষিকা।

আমি পঢ়ি থকা সময়ত ক্লাচবোৰ হৈছিল কলেজৰ বৰ্তমান লাইব্ৰেৰী কমত। কলেজ লাইব্ৰেৰীত প্ৰথম বাৰৰ বাবে দেখিছিলো এনচাইক্লপেডিয়া ব্ৰিটেনিকা। কিছুদিন পিছত ক্লাচবোৰ হৈছিল বৰ্তমানৰ ৬ নং কোঠাৰ পৰা পশ্চিম অংশত নিৰ্মান কৰা কেইটামান কোঠাত।

আমাৰ বাবে কলেজীয়া জীৱনৰ মধুময় আনটি দিশ হ'ল ১৯৬৯ চনৰ গান্ধী শত বাৰ্ষিকী মহাবিদ্যালয়ত হাতে কামে উদ্‌যাপন কৰা। তাত অধ্যক্ষ প্ৰবোধ গোস্বামীদেৱে বক্তৃতাত কৈছিল- " বাছাহঁত! -- তোমালোকে বি.এ. এম. এ. যি ডিগ্ৰীয়েই নোলোৱা তোমালোকৰ মন আৰু কামৰ সঙ্গতি যদি আধ্যাত্মিক দিশৰ লগত সংযোগ নহয় তেনেহলে সেই ডিগ্ৰী ফুটুকাৰ ফেনৰ দৰে হ'ব। আজিও তেখেতৰ এই বাণী হৃদয়ত অনুৰণিত হৈ থাকে। গান্ধী জয়ন্তী উৎসৱৰ অংশ হিচাপে আমি মঙলদৈ নদীৰ লোহাৰ দলঙৰ পশ্চিমৰ মূৰৰ পৰা গান্ধী ধামলৈ যোৱা পথটোৰ সূচনা কৰো অধ্যাপক ৰাজেন বৰুৱাৰ তত্বৱধানত।

মহাবিদ্যালয়ত পঢ়ি থকা সময়তেই আমি সংসদীয় নিৰ্বাচনৰ বাবে হীৰালাল পাটোৱাৰীৰ হৈ প্ৰচাৰ কাৰ্য চলাই ছিলো। তেলশোধনাগাৰৰ বাবে হোৱা আন্দোলন চলাবলৈ অৰ্থ সাহায্য বিচাৰি গৈ ঢেকীয়াজুলিত পুলিচৰ হাতত পৰিছিলো।

মুঠতে শ্ৰেণীকোঠাত শিক্ষা লোৱাৰ পৰা আৰম্ভ কৰি সমাজসেৱা, ৰাজনীতি আদিৰ কঠিয়াতলী হিচাপে ব্যৱহাৰ কৰা মঙলদৈ মহাবিদ্যালয়খন চাওতে চাওতে এক বৃহৎ জ্ঞানক্ষেত্ৰত পৰিণত হৈছে। আজিও ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথেৰে পশ্চিমৰ পৰা পূবলৈ অথবা পূবৰ পৰা পশ্চিমলৈ মহাবিদ্যালয়ৰ সন্মুখেৰে পাৰ হৈ গলে আশ্ৰমিক পৰিবেশৰ জ্ঞান মন্দিৰলৈ মস্তক শ্ৰদ্ধানত হয়। মহাবিদ্যালয়ে সোঁৱৰাই দিয়ে 'ত্যাগত ভোগ ঃ কৰ্মত যোগ'।

মঙলদৈ মহাবিদ্যালয়লৈ অহা জ্ঞান পিপাসু শিক্ষাৰ্থীবোৰ একো একো পাহি ফুলৰ দৰে। ফুলবোৰ ফুলি থাকক- নিৰন্তৰ গতিত- অদূৰ ভবিষ্যতলৈ- চিৰসুন্দৰৰ পৰশেৰে মহিমা মণ্ডিত হৈ।

*শ্ৰীকলিতা মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু ডাঁহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত সহকাৰী শিক্ষক।*

# মঙলদৈ কলেজৰ
# সেই সোণালী দিনবোৰ

চন্দ্ৰ প্ৰসাদ শইকীয়া



প্ৰাণৰো প্ৰাণৰ মোৰ মঙলদৈ, তাতোকৈ প্ৰাণৰ মঙলদৈ কলেজ যিয়ে নিতে সিচেঁ অলেখ জ্ঞানপৰশ।

১৯৮৯ চনৰ কথা। জুলাইমাহৰ কোনোবা এটা দিনত জীৱনটোক এটা অনন্য ৰূপত গঢ় দিয়াৰ উদ্দেশ্যে মঙলদৈ কলেজত নামভৰ্ত্তি কৰো। মঙলদৈ কলেজ খনৰ প্ৰতি কিয়বা এটি অবুজ দুৰ্বলতা আছিল। নিজেই নেজানিছিলো! উচ্চতৰ মাধ্যমিক খণ্ডটি বুঢ়ীনগৰ কলেজত পঢ়ি থকা অৱস্থাতেই মঙলদৈ কলেজৰ কেইবাগৰাকীমান চাৰৰ ৰসাল অথচ তেজস্বী ভাষণ পশ্চিম মঙলদৈৰ দেওমৰণৈ, মহলীয়াপাৰা, নামখলা, পাথৰিঘাট, দলংঘাট, লক্ষীমপুৰ, বালিপোটা অঞ্চলত শুনাৰ সৌভাগ্য ঘটিছিল। সেই সময়ৰে পৰা আজিও ৰসাল ভাষণেৰে ৰাইজক মোহিত কৰা ড০ হৰিশ্চন্দ্ৰ ডেকা, মতিৰাম মেধি, ড০ বিজয় কুমাৰ শৰ্মা চাৰৰ ৰসাস্বাদন পাহৰিব নোৱাৰাকৈ মোৰ মনত সাঁচ বহি আছে। এই সকল নমস্য চাৰৰ ভাষণে মোক মঙলদৈ কলেজৰ সতে সম্পৰ্ক গঢ়ি তোলাত অতিশয় সহায়ক আছিল।

ভাবিছিলো তেতিয়া ৰত্নগৰ্ভা অসমী আইৰ শীতলী কোলাত মূৰ গুজি থকা জিলা খনৰ চালিকা শক্তি মঙলদৈ কলেজত মোৰ শিক্ষাগ্ৰহণৰ পৰম সৌভাগ্য এদিন ঘটিবনে?

সময়ৰ গতিধাৰাত গৈ মনে বিচৰা মঙলদৈ কলেজত নামভৰ্ত্তি কৰিয়েই দেখিছিলো ক্লাছবোৰ বৰ নিয়মীয়া। ইংৰাজীৰ কবিতাৰ ক্লাছত মণিমুগ্ধ বৰঠাকুৰ চাৰে পঢ়োৱা 'লাকি' কবিতাটিৰ ক্লাছত ছাত্ৰ-ছাত্ৰী সকলৰ কিযে হেতাওপৰা আছিল ভাবিলে আজিও সপোন যেন লাগে। ড০ হৰিশ্চন্দ্ৰ ডেকা চাৰৰ ক্লাছৰ কথাটো কবই নেলাগে। অডিটৰিয়ামত আসনে জোৰা নোখোৱা অৱস্থা হৈছিল তেখেতৰ ক্লাছত। ড০ ডেকা চাৰৰ এই এটা বিশেষ বিশেষত্ব আছিল। তেখেতে এটা পাঠ পঢ়াই যোৱাৰ পিছত আৰু মই পুনৰ পঢ়িব লগা হোৱা নাছিল। চাৰৰ ক্লাছে সকলো ছাত্ৰ-ছাত্ৰীকে এনে ভাবে হৃদয়ঙ্গম কৰাব পাৰিছিল যে ই কলেজখনৰ ভিতৰতে বিৰল। আজিও বহু ছাত্ৰ-ছাত্ৰীৰ মুখে মুখে শুনো ড০ হৰিশ্চন্দ্ৰ ডেকা চাৰৰ ক্লাছ, এবাৰ কৰাৰ পিছত পুনৰ নপঢ়াকৈ আজিও চূড়ান্ত পৰীক্ষাত বহিব পাৰি। এয়া তেখেতৰ বিশেষ মোহনীয় পাঠদান ৰসাস্বাদন কৌশল বুলি মই ভাবো। সাধাৰণ পোছাক পৰিহিত লনী ধৰণৰ ড০ ডেকা চাৰে প্ৰায়ে হাততে লুকুৱা ছাটি এটা লৈ কেইখনমান গ্ৰন্থৰে সময় মতেই আহি কলেজ খনক দেখা কৰাত কোনো দিনে ব্যক্তিক্ৰম দেখা নাছিলো। ভাবিলে আচৰিত লাগে এনে এজন মানুহে দিহিঙে দিপাঙে দুখ ভাগৰ পাহৰি বক্তৃতা দিবলৈ সময়ৰ সতে যুঁজ কৰিবলৈ আহৰি উলিয়াব পাৰেনে?

কলেজ খনৰ ভিতৰতেই সভাশুৱনি আছিল ড০ নগেন শৰ্মা চাৰ। আমাৰ সময়ত ফাউণ্ডেচন কৰ্চ নামৰ এখন বাধ্যতামূলক পেপাৰ ডিগ্ৰী কৰ্চত আছিল। তেখেতৰ এই ক্লাছটোত ছাত্ৰ-ছাত্ৰী আসনৰ অকুলনতো খিৰিকিৰ ফ্ৰেমত বহি ক্লাছ কৰিবলৈ দৌৱা দৌৰি লাগিছিল। গোটেই বিশ্বজগতকে তেখেতে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক প্ৰায় চিনাকি কৰাবলৈ বিচাৰিছিল। তেখেতৰ মননশীল পাঠদানে কলেজ খনক বেলেগ ভাবে শোভাবৰ্দ্ধন কৰিছিল।

অগ্নিকবি কমলা কান্ত ভট্টাচাৰ্য্যৰ "পূৰ্ণিমাৰ ৰাতিলৈ চাই" কবিতাটিৰ পঠনেৰে ইদ্ৰিছ আলি চাৰ আজিও মোৰ

মানসপটত সজীৱ হৈ আছে। আলি চাৰৰ পাঠ পঠনেৰে সকলোকে বেলেগ ভাবে মোহিত কৰিব পৰা গুণটো এটি অতুলনীয় দিশ বুলি মই অনুভৱ কৰোঁ। তেখেতৰ ৰসময়ী কণ্ঠস্বৰ, স্বৰধ্বনি আৰু সৰল প্ৰকাশে শ্ৰেণীকোঠাক অনবৰতে মুখৰ কৰি তুলিছিল।

স্নাতকত্তৰ পৰীক্ষাত ভূগোল বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰাৰ খবৰৰ আলোড়নে পশ্চিম মঙলদৈ অঞ্চলত এটি বিশেষ দিশ উন্মোচন কৰাৰ গৰাকী স্বৰূপে শ্ৰীমতি ৰাম মেধি চাৰৰ নামটো মই প্ৰথমে শুনিবলৈ পাই তেখেতৰ প্ৰতি কিবা এটা শ্ৰদ্ধামিশ্ৰিত ভাব মনত জন্মিছিল। কলেজত আহি যেতিয়া তেখেতৰ সান্নিধ্য লাভ কৰোঁ, তেতিয়া চাৰৰ পৰা জীৱনৰ বুনিয়াদ গঢ়াৰ বহু মূল্যবান সমলেই মই লাভ কৰিছিলো।

মোৰ অধ্যয়নৰত অৱস্থাত কলেজ খনৰ সাধাৰণ সম্পাদক হিতেশ হাজৰিকা দেৱে ছাত্ৰ-ছাত্ৰী সকলক 'ইউনিফৰ্ম' পৰিধানত এটি জাগৰণ আনিছিল। ছাত্ৰৰ বাবে ক'লা পেন্ট আৰু বগা চাৰ্ট, ছাত্ৰী সকলৰ বাবে মুগনীয়া মেখেলা আৰু বগা চাঁদৰ আছিল। ইউনিফৰ্মৰ কথা কলেজত অহাৰ লগে লগে কিছু সংখ্যক ছাত্ৰ-ছাত্ৰী জাঙুৰ খাই উঠিছিল। সেইদিশটো প্ৰতিহত কৰাৰ উদ্দেশ্যে মানসী ডেকা আৰু বৰ্ণালীয়ে অৱশ্যে চহৰৰ হৈয়ো গাঁৱৰ সপক্ষে মতামত আগবঢ়াইছিল।

মানসীৰ দ্বাৰা পৰিবেশিত বৰগীতৰ মধুৰ সুৰ আজিও মোৰ প্ৰাণত লাগি আছে।

প্ৰতিজোপা গছে বিৰিখে মোৰ হেপাহৰ কলেজ খনক অনবৰতে এটি নতুন নতুন বেশেৰে ৰূপদান কৰি তোলে। প্ৰতিবছৰে কলেজখনলৈ খা-খবৰ লবলৈ শৰত আৰু বসন্তও আহে। তাৰ বাবে ভালে ভালে কিছুমান লিখনি ফলক লগাই নীৰৱতা মই ভালপাওঁ, মৌনতা মোৰ বন্ধু, এইখন মোৰ কলেজ, মোক পৰিষ্কাৰ ৰাখিবা, মোক আঘাত নকৰিবা এই শীৰ্ষক খিনি ফলকেৰে কলেজ খন সজাই তোলা হৈছিল। সোঁৱৰণীৰ কুঁৱলীয়ে মোৰ হেপাহৰ ঘৰটিত নিতৌ জ্ঞানবন্তিৰ আলোকৰে উদ্দীপ্ত কৰি তোলক। মোৰ সেই সোণালী দিনবোৰ সমূহৰ বাবেও সোণালী সোঁৱৰণী হওঁক। মোৰ প্ৰাণৰ মঙলদৈ কলেজ কুশলে থাকক, তাৰ হিয়াত ফুলা অযুত ফুলে দশোদিশে আমোল মোলাই, অযুত বাঁহীত নিযুত হাঁহি বিৰিঙাওক, তাৰেই শুভ কামনা এই গৌৰোৱজ্জ্বল সোণালী জয়ন্তী বৰ্ষত।

---

*লেখক মঙলদৈ মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰ আৰু বৰ্তমান এজন শিক্ষক।*

# ৰূপালী জয়ন্তীৰ পৰা সোণালী জয়ন্তীলৈ এটি অনুভৱ

নীলমণি কলিতা

সময় প্ৰবাহত আগবাঢ়ি আহি-আহি মঙলদৈ মহাবিদ্যালয় খনে সোণালী জয়ন্তী বৰ্ষত ভৰি দিলে। মহাবিদ্যালয়খনেও বাৰ্ণাঢ্য কাৰ্য্যসূচীৰে সোণালী জয়ন্তী মহোৎসৱ কৰিবলৈ আগবাঢ়িছে। মহাবিদ্যালয়খনৰ ৰূপালী জয়ন্তী বৰ্ষত নাম ভৰ্ত্তি কৰা এজন প্ৰাক্তন ছাত্ৰ হিচাপে মনত পৰে মহাবিদ্যালয় খনে সুদীৰ্ঘ পচিশ বছৰ আগতে পালন কৰা ৰূপালী জয়ন্তী কাৰ্য্যসূচী বোৰলৈ। ১৯৭৬ চনৰ শিক্ষা বৰ্ষত প্ৰাক-বিশ্ববিদ্যালয়ৰ ১ম বাৰ্ষিকত নামভৰ্ত্তি কৰাৰ মাত্ৰ কেইমাহমান পাছতেই সেই বছৰৰে ২৮ ডিচেম্বৰৰ পৰা আৰম্ভ হৈছিল পাচদিনীয়া কাৰ্য্যসূচীৰে ৰূপালী জয়ন্তী উৎসৱ। আমি ৰূপালী জয়ন্তীৰ আনন্দোৎসৱৰ অংশীদাৰ হবলৈ পাইছিলো আৰু কাৰ্য্যসূচী সমূহত অংশ লৈ নীৰৱে কিছু শিক্ষা লাভ নকৰাকৈ থকা নাছিলো।

ৰূপালী জয়ন্তী বৰ্ষৰ এজন নবাগত হিচাপে দেখিছিলো সেই উৎসৱত অসমৰ মাননীয় ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু মন্ত্ৰী সভাৰ কেইবাগৰাকীও কেবিনেট মন্ত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল। অসম মন্ত্ৰী সভাৰ কেবিনেট মন্ত্ৰী সকলে একেবাৰে সৰ্বসাধাৰণ ব্যক্তিৰ দৰেই কোনো নিৰাপত্তা নোহোৱাকৈয়ে আহি নিৰ্দ্দিষ্ট কাৰ্য্যসূচী সমূহত ভাগ লৈছিল; আনকি স্বয়ং মুখ্য মন্ত্ৰীয়েও সভাত অংশ গ্ৰহণ কৰোতে ৰাস্তাৰ পৰা কোনো নিৰপত্তাৰ লোক নোহোৱাকৈয়ে ৰাইজৰ মাজেৰে আহি সভাত অংশ লোৱা দেখিছিলো। সেইবোৰ কথাই সেই সময়ত মনত কোনো অনুভূতি আনিব পৰা নাছিল যদিও বৰ্ত্তমান কোনো অনুষ্ঠানত মাননীয় ৰাজ্যপাল বা মুখ্যমন্ত্ৰীৰ উপস্থিতিয়ে সৰ্বসাধাৰণ ৰাইজৰ উপস্থিতিত কেনেবোৰ সমস্যাৰ সৃষ্টি কৰে সেইবোৰ কথাই বিগত পচিশ বছৰৰ পাৰ্থক্যৰ কথা ভাবিবলৈ বাধ্য কৰায়।

১৯৫১ চনতেই জিলাখনৰ একমাত্ৰ ঐতিহ্যমণ্ডিত এই মঙলদৈ মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাত আগভাগ লৈছিল বৰাক উপত্যকাৰ প্ৰশাসনিক বিষয়া, মঙলদৈ মহকুমাৰ সেই সময়ৰ মহকুমাধিপতি অমিয় কুমাৰ দাস গুপ্ত- আই. এ. এচ দেৱে। তেখেতে দূৰদৃষ্টিৰে দেখিছিল মঙলদৈৰ বুকুত ভবিষ্যতে এখন সুন্দৰ মহাবিদ্যালয় গঢ়ি উঠাৰ সম্ভৱনাৰ কথা। অকল চাকৰিৰ দায়িত্বতেই ব্যস্ত থকা বিষয়া তেওঁ নিশ্চয় নাছিল। মহাবিদ্যালয় খন প্ৰতিষ্ঠা ক্ষেত্ৰত এগৰাকী প্ৰাতঃস্মৰণীয় ব্যক্তি হ'ল প্ৰতিষ্ঠাপক অধ্যক্ষ স্বনামধন্য ঁপুৰন্দৰ শৰ্মা। যি গৰাকী ব্যক্তি একাধিকবাৰ বিধায়ক হৈ থকা কালত কিছুদিনৰ বাবে বিধান সভাৰ অধ্যক্ষও হৈছিল আৰু একাধিকবাৰ মঙলদৈ লোকেল বৰ্ডৰ চেয়াৰ মেন হৈ এজন নিপুন চেয়াৰ মেনৰ পৰিচয় দিছিল। এই গৰাকী জনপ্ৰিয় ব্যক্তিয়েই অকল ১৯৫১ চনৰ পৰা ১৯৬৬ চনলৈ মহাবিদ্যালয় খনিৰ অধ্যক্ষৰ পদ অলংকৃত কৰাই নহয়, মঙলদৈ মহকুমাৰ বিভিন্ন পিছপৰা অঞ্চলৰো বহু সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ ৰাইজৰ সতে সু-সম্পৰ্ক বজাই ৰাখিছিল। আনকি তেখেত প্ৰায় আশী বছৰ বয়সতো থৰক-বৰক অৱস্থাত ৰাইজৰ অনুৰোধত মঙলদৈ আইন মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্ব লৈ নিয়মীয়া পাঠদান কৰা দেখিছিলো। কোৱা বাহুল্য যে আজিকালি কোনো ব্যক্তিয়েই সক্ৰিয় ৰাজনীতিৰ পৰা অব্যাহতি লোৱাৰ পিছত এনেদৰে আজীৱন সামাজিক কামত জড়িত হৈ ৰাইজৰ আস্থাভাজন হৈ থকাৰ নজিৰ পোৱা নাযায়।

স্বৰ্গীয় শৰ্মাৰ পিছতেই মহাবিদ্যালয় খনৰ অধ্যক্ষৰ আসনৰ শোভা বৰ্দ্ধন কৰা ব্যক্তি গৰাকী পাইছিলো প্ৰবোধ চন্দ্ৰ গোস্বামী দেৱক। তেখেতৰ সুন্দৰ প্ৰশাসন, দূৰদৃষ্টি, আদৰ্শ আৰু মোহনীয় ব্যক্তিত্বই মহাবিদ্যালয় খনিক সেউজীয়া

পৰিবেশেৰে সৈতে নতুন জীৱন দান কৰিছিল। এই গৰাকী ব্যক্তিক তেখেতৰ মেধা শক্তি, আদৰ্শ, দূৰদৃষ্টি, পোচাক-পৰিচ্ছদ, কণ্ঠস্বৰ আৰু স্বভাৱ-চৰিত্ৰৰ দিশৰ পৰা বিশ্ব-বিশ্ৰুত পণ্ডিত, শিক্ষাবিদ প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰয়াত ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণণৰ লগত তুলনা কৰিবলৈ মন যায়। তেখেতৰ দৰে অধ্যক্ষ মহাবিদ্যালয়খনে পুনৰ কেতিয়া লাভ কৰাৰ সৌভাগ্য ঘটিব সেইটো সময়হে ক'ব।

ভাৰতবৰ্ষৰ স্বাধীনোত্তৰ কালত যি কেইগৰাকী বিশিষ্ট সমাজ কৰ্মীয়ে আশাশুধীয়া প্ৰচেষ্টা লৈ মহাবিদ্যালয় খনিৰ শুভাৰম্ভ কৰিছিল, তেওঁলোকৰ সপোন আজি পঞ্চাশ বছৰৰ পিছত কিমানখিনি বাস্তৱত পৰিণত হ'ল সেইখিনি বিচাৰ কৰিব লাগিলে কিছুদিশ ফহিয়াই চোৱাৰ আৱশ্যক। যি খন মহাবিদ্যালয় ১৯৫১ চনত মাত্ৰ ৬০ জন ছাত্ৰৰে আৰম্ভ কৰা হৈছিল ১৯৭৬ চনৰ ৰূপালী জয়ন্তী বৰ্ষত এই সংখ্যা হৈছিল প্ৰায় ১৭০০ ৰো অধিক, আৰু হয়তো এই সংখ্যা বৰ্ত্তমানে কেইবাগুণো বৃদ্ধি হৈছে। অকল ছাত্ৰ-ছাত্ৰীৰ অভাৱতে সেই সময়ত মহাবিদ্যালয়খন বন্ধ হব পাৰে বুলি সন্দেহ কৰাৰ পৰিৱৰ্ত্তে এতিয়া মহাবিদ্যালয় খনি ছাত্ৰ-ছাত্ৰীৰ অত্যধিক বৃদ্ধিত উদুলি-মুদুলি; মহাবিদ্যালয় খনিৰ শান্ত পৰিৱেশ এতিয়া আৰু নাই; সেইদৰে কমি আহিছে ছাত্ৰ-শিক্ষকৰ মধুৰ সম্পৰ্কও।

দ্ৰুত পৰিৱৰ্ত্তনশীল সমাজখন ৰূপালী জয়ন্তীৰ পৰা সোণালী জয়ন্তীলৈ বহুতো পৰিৱৰ্ত্তন পৰিলক্ষিত হ'ল, বিশেষ পৰিৱৰ্ত্তন নহল মহাবিদ্যালয়ৰ পাঠ্যক্ৰম। আমি যি পাঠ্যক্ৰম বা যিবোৰ বিষয় পঢ়িছিলো সেইবোৰ বিষয়ৰ পাঠ্যক্ৰমেই বৰ্ত্তমান প্ৰচলিত। এনে পাঠ্যক্ৰমে বৰ্ত্তমানৰ সমস্যাবহুল প্ৰতিযোগিতামূলক সমাজখনৰ ছাত্ৰ-ছাত্ৰীৰ অভাৱ পূৰণ কৰিব পাৰিব বুলি মুঠেই আশা কৰিব নোৱাৰি। আনহাতে মহাবিদ্যালয় খনিৰ পৰীক্ষাৰ ফলাফল আৰু শিক্ষাৰ গুণগত মান ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধিৰ অনুপাতে শতকৰা হাৰ চকুত লগা ধৰণে বৃদ্ধি পাইছে বুলি ক'ব নোৱাৰি।

আজি মহাবিদ্যালয়খনিৰ সোণালী জয়ন্তী কাৰ্য্যসূচী সমূহৰ প্ৰাকমুহূৰ্ত্তত এজন প্ৰাক্তন ছাত্ৰ হিচাপে মঙলদৈ মহাবিদ্যালয়খন অসমৰ আগশাৰীৰ মহাবিদ্যালয় কেইখনৰ ভিতৰত সৰ্বাঙ্গসুন্দৰ হৈ জাকত-জিলিকা হওক। এই লক্ষ্যত উপনীত হবলৈ ইয়াৰ অধ্যক্ষ, শিক্ষাবিদ আৰু বৰ্ত্তমানৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে সমূহীয়া ভাৱে এইটো প্ৰত্যাহ্বান হিচাপে লব লাগিব; যাতে দহ বছৰ পিছত অনুষ্ঠিত হব লগীয়া মহাৰজৎ জয়ন্তী (Platinum Jubilee) ৰ সময়ত এই লক্ষ্যত সম্পূৰ্ণ উপনীত হব পৰা যায়। তেতিয়াহে মহাবিদ্যালয় খনৰ মহান প্ৰতিষ্ঠাপক সকলৰ উদ্দেশ্য সফল হব আৰু মঙলদৈ বাসী ৰাইজেও মহাবিদ্যালয় খনক লৈ গৌৰব বোধ কৰিব পাৰিব।

---

*শ্ৰীকলিতা মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু বৰ্ত্তমানে এজন শিক্ষক।*

# অতীতত এভূমুকি

নৰেন হাজৰিকা



এক স্বপ্নভৰা অতীত, যাৰ গভীৰতাত মনিব নোৱাৰা স্মৃতি-বোৰতী সুঁতিৰ ধাৰাত বৈ আছে, মাথো বৈ আছে। ক'ত হাঁহি-অশ্ৰুৰে পাৰ হৈ যোৱা সেইবোৰ দিন মাথো আজি স্মৃতি। বিভিন্নজনৰ হাঁহি ধেমালি আজি বতাহত বৈ বৈ মাথো বাজি আছে। শিক্ষা গুৰুসকলৰ বিভিন্ন স্মৃতি বিজৰিত আদেশ-উপদেশ যেনেকৈ আমাক সংযত হ'বলৈ শিকাইছিল ঠিক তেনেকৈ তেওঁলোকৰ পাঠদানে আমাক ভৱিষ্যত গঢ় দিয়াৰ শিক্ষা দিছিল। সেয়েহে বিভিন্ন সময়ত যিমান বাৰ আমি এই কলেজৰ স্মৃতি ৰোমন্থন কৰিছোঁ, সিমান বাৰেই আমাক যেন কলেজখনে দুহাতেৰে সাৱটি ৰখাৰ চেষ্টা কৰিছে। যেনেকৈ মোৰ আইয়ে মোক সাৱটি ধৰে, অজস্ৰ মৰম কৰে। স্মৃতিৰ বেদনাৰ পৰা সিমান বাৰেই যেন মই পলাই যাবলৈ চেষ্টা কৰিছো- এটা ভৱিষ্যতলৈ। মনতে ভাবিছো- শৈশৱ, যৌৱন আৰু বৃদ্ধ। ইয়াৰ যৌৱন কালচোৱাতো কলেজতেই কটাইছিলো। গীতিকাৰৰ গীতৰ সুৰত বাজিছিল- "তুমি আহিছিলা চেনাই, মোৰ পদুলিলৈ বুলি, তলভৰি থকা বকুলৰে ফুল গচকি।" দিন যোৱাৰ লগে লগে মনটো বেছিকৈ অতীতলৈ ঢাপলি মেলে। অতীত প্ৰীতি প্ৰায়ে বেদনা পূৰ্ণ হয়। এই বেদনাবোৰ, পাৰ হৈ যোৱা সময়বোৰ আকৌ ঘূৰাই নোপোৱাৰহে। সেয়ে কবি হীৰেণ ভট্টৰ দৰে এবাৰ ভবো-

"মোক ৰাতিটোৰ বাবে ওভোটাই দিয়া মোৰ ল'ৰালি
আইৰ কোলাত আকৌ এবেলি শুম
লাই হালে জালে আবেলি বতাহে....
মোৰ সোঁৱৰণী গুমৰি উঠে
নিবন্ন সময়ৰ সুগন্ধ তেজৰ প্ৰবাহে প্ৰবাহে"

অতীতলৈ ঘূৰি গ'লে মনৰ মাজত বহুত কথাই আমনি কৰেহি। কলেজৰ চৌহদ, শাৰী শাৰী গছবোৰ, প্ৰতিটো কোঠা আদি সকলোবোৰেই মোক অতীতত বুৰাই ৰাখে। সেয়েহে মই অতীতটোক ধৰি ৰাখিবলৈ চেষ্টা কৰো-

তোমাৰ স্মৃতিয়ে
বাৰে বাৰে কৰিছে আমনি,
মনৰ গভীৰ অৰণ্যত
কেৱল তোমাৰেই খলকনি।
অস্তাচলৰ ৰাঙলী বেলিটি
যেন তোমাৰ কপালত
তহ্ তহ্কৈ জ্বলি থকা ফোটটি।
নিষ্ঠুৰ নিয়তিৰ কোৱাল সোঁতত
চাওমানে বাঢ়ে গতি জীৱন সোঁতৰ
সময়বোৰ আহে আৰু
উভতি যায়।
মাথো তোমালে মোৰ মনত পৰে
স্মৃতি- তুমি বেদনা।

সঁচাই আজি উপলব্ধি কৰিছো- যৌৱনপুষ্ঠ আমাৰ সেই কলেজৰ দিনবোৰলৈ। অকল আমাৰেই নহয়- গোটেই দৰঙবাসীৰে স্নায়ু কেন্দ্ৰ মঙলদৈ কলেজলৈ। য'ত আমি ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আটায়ে প্ৰেমভৰা আনন্দৰে একেডাল ৰচীৰে বান্ধখাই আছিলো। সেইবোৰ স্মৃতি যিমানেই মনলৈ আহে - সিমানেই মনটো বেয়া লাগে। বছৰ গছকি সোণালী বৰ্ষত পদাৰ্পন কৰা মুহূৰ্ত্তত আশাৰ সঞ্চাৰেৰে সময়ৰ সমন্বয়েৰে সমতা, একতা আৰু শান্তি প্ৰগতিৰ প্ৰতীকেৰে চিৰদিন উজ্বলি থাকক নতুনৰ স্বাক্ষৰ ৰূপে। আমাৰ মঙ্গলদৈ কলেজে অৱসন্ন দৰংবাসীৰ চেতনাত নতুন প্ৰাণৰ সঞ্চাৰ কৰি নতুন প্ৰজন্মক সঞ্জীৱনী দান কৰক। এই অমৃত লগনত এয়াই আমাৰ আন্তৰিক কামনা।

*ঃ জয়তু মঙ্গলদৈ কলেজ ঃ*

*লেখক মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু এগৰাকী বিশিষ্ট সংবাদসেৱী।*

# সেই সময়ৰ মোৰ মঙলদৈ মহাবিদ্যালয়

অতুল গোস্বামী



দৰং জিলাৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষানুষ্ঠান মঙলদৈ মহাবিদ্যালয় ১৯৭৩ চনত প্ৰাক্ বিশ্ববিদ্যালয়ৰ শ্ৰেণীত নামভৰ্ত্তি কৰি এক সোণালী দিনৰ অন্বেষণত ধাৱিত হওঁ। সেই সময়ত মহা-বিদ্যালয়খনিৰ অধ্যক্ষ আছিল স্বনামধন্য শ্ৰীযুত প্ৰবোধ গোস্বামীদেৱ আৰু উপাধ্যক্ষ শ্ৰদ্ধেয় আবুল মজিদদেৱ। অধ্যক্ষ গোস্বামীদেৱৰ তত্ত্বগধুৰ বক্তব্য আৰু কৰ্ত্তব্যবোধৰ চৰিত্ৰ আৰু উপাধ্যক্ষ মজিদচাৰৰ ৰসাল ধেমেলীয়া চৰিত্ৰ দুটিয়ে মোক এতিয়াও বাৰুকৈ উদ্বুদ্ধ কৰি তোলে।

মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS) এক উল্লেখযোগ্য সমাজ সেৱা বিভাগ। এই বাহিনীৰ ময়ো এগৰাকী শিক্ষাৰ্থী আছিলোঁ, লগতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদকৰ দায়িত্বত থাকি ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ সহযোগত অধ্যক্ষ গোস্বামীদেৱ আৰু মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীৰাজেন বৰুৱাদেৱৰ তত্ত্বাৱধানত উল্লেখনীয় সমাজ সেৱাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰতে প্ৰথম স্থান লাভ কৰি কলিকতাৰ বিশ্বভাৰতী বিশ্ববিদ্যালয় ভ্ৰমন মোৰ বাবে এক স্মৰণীয় ঘটনা। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ সহযোগত নাহৰবাৰীৰ জলসিঞ্চন দোং নিৰ্মাণ আন এক পাহৰিব নোৱাৰা স্মৃতি। আজিও সেই দোঙৰ জৰিয়তে স্থানীয়ভাবে কৃষক ৰাইজ উপকৃত হৈ আছে। আমাৰ বাহিনীৰ জৰিয়তে মহাবিদ্যালয়ৰ সন্মুখত ৰোপিত শোভাবৰ্দ্ধিত নাৰিকল কেইজোপা দেখা পালে আজিও মন ৰোমাঞ্চিত হয়।

গোস্বামী চাৰ আৰু বৰুৱা চাৰৰ তত্ত্বাৱধানত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ জৰিয়তে মঙলদৈ নদীৰ দিশ সলনি কৰাৰ যি পৰিকল্পনা সূচনা হৈছিল তেখেতসকলৰ যত্নতে পিছলৈ ই সম্পূৰ্ণভাবে বাস্তৱত ৰূপায়িত হোৱাত আমি গৌৰৱবোধ কৰিছো। ইয়াৰ ফলত মহাবিদ্যালয়ৰ চৌহদৰ ৰক্ষনাবেক্ষণ হোৱাৰ লগতে এই নদীৰ পাৰত এটি সুন্দৰ অঞ্চল প্ৰফুল্ল নগৰ গঢ়ি উঠে।

১৯৭৪ চনত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে গধুৰ দায়িত্ব দিয়ে। এই বছৰতে মহাবিদ্যালয় খনিৰ ৰূপালী জয়ন্তী উদযাপিত হোৱাত আমাৰ দায়িত্ব যথেষ্ট বাঢ়িছিল আৰু মহাবিদ্যালয়খনিৰ ৰূপালী জয়ন্তীৰ সমাৰোহত অংশগ্ৰহণ কৰিবলৈ পাই আমি ধন্য মানিছিলো।

মহাবিদ্যালয়ৰ অতীতৰ সেই দিনবোৰৰ তুলনাত বৰ্ত্তমান ইয়াৰ যথেষ্ট গাম্ভীৰ্য্য বাঢ়িছে। শিক্ষাগুৰু সকলৰ সংখ্যা, দূৰ-দূৰণিৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও অধিক বৃদ্ধি পাইছে। কেউদিশে কলা আৰু বিজ্ঞানৰ সুকীয়া সুকীয়া বিভাগ গঢ়ি উঠি ইয়াৰ আন্তগাঁথনি সুদৃঢ় হৈছে। আজিৰ সোণালী জয়ন্তী উদ্‌যাপনৰ শুভমুহূৰ্ত্তত মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠাপক আৰু ইয়াৰ অগ্ৰগতিত প্ৰভূত অৰিহনা যোগোৱা সকলো সুধী সমাজলৈ প্ৰণিপাত জনাইছোঁ। সোণালী জয়ন্তীৰ শুভক্ষণত মঙলদৈ মহাবিদ্যালয়খনিৰ সোণালী আভা কেউদিশে বিয়পি পৰক।

*শ্ৰীগোস্বামী মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন সাধাৰণ সম্পাদক আৰু বৰ্ত্তমান এজন সমাজকৰ্মী।*

# মঙলদৈ মহাবিদ্যালয়লৈ দান আগবঢ়োৱা বদান্য ব্যক্তি কেইগৰাকীমান



**শ্ৰীকলিমুদ্দিন আহমেদ**

মঙলদৈ নগৰ নিবাসী আহমেদ ডাঙৰীয়াই তেওঁৰ পিতৃৰ স্মৃতিত প্ৰায় সাত হাজাৰ টকা খৰছ কৰি কলেজৰ তেতিয়াৰ প্ৰধান প্ৰবেশ পথৰ তোৰণটি মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী (১৯৭৬) উদ্‌যাপন কৰাৰ আগতে নিৰ্মাণ কৰি দিয়ে।



**শ্ৰীনটবৰ চৰকাৰ**

মঙলদৈ নগৰৰ ২নং ৱাৰ্ডৰ বাসিন্দা, তোৰণ দাতা হিচাপে খ্যাতি অৰ্জন কৰা শ্ৰীচৰকাৰ এজন ব্যৱসায়ী লোক। তেখেতে মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে মূল তোৰণটি প্ৰায় ৩.৫ লাখ টকা ব্যয়য়েৰে নিৰ্মাণ কৰে।



**ড° ঊষা বৰা**

মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰয়াত ড° পূৰ্ণ চন্দ্ৰ বৰাদেৱৰ স্মৃতিত তেখেত পত্নী মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষা, ড° বৰাই প্ৰায় এক লাখ টকা খৰচ কৰি মহাবিদ্যালয়ৰ পশ্চিমৰ প্ৰবেশ পথৰ তোৰণটি নিৰ্মাণ কৰি দিয়ে।



**অধ্যাপক তফজ্জুল আলি**

মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী প্ৰবক্তা প্ৰয়াত নাহৰুণ নেচাৰ স্মৃতিত তেখেতৰ জ্যেষ্ঠ ভাতৃ বিশিষ্ট সাহিত্যিক, গীতিকাৰ অধ্যাপক আলিদেৱে মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ প্ৰবেশ পথৰ তোৰণটি নিৰ্মাণ কৰি দিয়ে। শ্ৰদ্ধেয় আলি গুৱাহাটী কমাৰ্চ কলেজৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক।



**ডাঃ খনিন্দ্ৰ দত্ত**

মঙলদৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত, অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী প্ৰয়াত দণ্ডীৰাম দত্তৰ স্মৃতিত তেখেতৰ পুত্ৰ ডাঃ দত্তই মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰ সংলগ্ন অধ্যয়ন কোঠাটি নিৰ্মাণ কৰে। ডাঃ দত্ত মঙলদৈ বৰুৱাপাৰা নিবাসী, এজন বিজ্ঞপশুচিকিৎক।

# মঙলদৈ মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে অনুদান আগবঢ়োৱা মাননীয় ব্যক্তিসকল

**ড° মনমোহন সিং ঃ** ৰাজ্যসভাৰ সদস্য শ্ৰদ্ধেয় সিংদেৱে মঙলদৈ মহাবিদ্যালয়ত বিজ্ঞান আৰু চেমিনাৰ গেলাৰী এটি সজোৱাৰ বাবে পোন্ধৰ লাখ টকা আগবঢ়ায়।

**শ্ৰীবিজয়া চক্ৰৱৰ্ত্তী ঃ** কেন্দ্ৰীয় জল সম্পদ দপ্তৰৰ ৰাজ্য মন্ত্ৰী শ্ৰদ্ধেয়া বাইদেৱে মঙলদৈ মহাবিদ্যালয়ৰ খোৱা পানীৰ আঁচনিৰ এটি গভীৰ নলী-নাদৰ বাবে পাচ লাখ টকাৰ অনুদান আগবঢ়ায়।

**শ্ৰীশৰৎ বৰকটকী ঃ** অসমৰ গড়কাপ্তানী মন্ত্ৰী শ্ৰদ্ধেয় বৰকটকীদেৱৰ জৰিয়তে মঙলদৈ মহাবিদ্যালয়ৰ আভ্যন্তৰৰ পকী পথ নিৰ্মাণৰ বাবে ৯.২ লাখ টকাৰ অনুদান লাভ কৰা হয়।

**শ্ৰীইন্দ্ৰমনি বৰা ঃ** সাংসদ শ্ৰদ্ধেয় বৰাই সাংসদ উন্নয়ন পুঁজিৰ পৰা মঙলদৈ মহাবিদ্যালয়ৰ কেন্টিন নিৰ্মাণৰ বাবে পাচ লাখ টকাৰ অনুদান আগবঢ়ায়।

**শ্ৰীপ্ৰদ্যুৎ বৰদলৈ ঃ** অসমৰ বন বিভাগৰ মন্ত্ৰী শ্ৰদ্ধেয় বৰদলৈদেৱৰ জৰিয়তে মহাবিদ্যালয়ৰ চৌহদত বেৰ নিৰ্মাণ আৰু গছ পুলি ৰোৱাৰ বাবে ৩.৫ লাখ টকাৰ অনুদান পোৱা হয়।

**শ্ৰীমাধৱ ৰাজবংশী ঃ** মঙলদৈ লোক সভা সমষ্টিৰ সাংসদ শ্ৰদ্ধেয় ৰাজবংশীদেৱে সাংসদ পুঁজিৰ ৭.৫ লাখ টকা ব্যয় কৰি মহাবিদ্যালয়ৰ বৰ্ত্তমানৰ সভাকক্ষটি (Conference Hall) নিৰ্মাণ কৰি দিয়ে।

**শ্ৰীদ্বিজেন্দ্ৰ শৰ্মা ঃ** সাংসদ শ্ৰদ্ধেয় শৰ্মাই সাংসদ পুঁজিৰ ধনেৰে মহাবিদ্যালয়ৰ চৌহদত বিজুলি সৰবৰাহৰ ব্যৱস্থাৰ বাবে প্ৰতিশ্ৰুতি দিছে।

**শ্ৰীবসন্ত দাস ঃ** মঙলদৈ সমষ্টিৰ বিধায়ক আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি শ্ৰীদাসদেৱৰ জৰিয়তে দুই লাখ টকা ব্যয় কৰি এটি ছাইকেল ষ্টেণ্ড নিৰ্মাণ কৰা হয়। তেখেতে ছাত্ৰী জিৰণি কোঠা এটি নিৰ্মানৰ বাবেও প্ৰতিশ্ৰুতি দিছে।

# মঙলদৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীলৈ পাঁচ হাজাৰ বা ততোধিক দান দিয়া ব্যক্তিসকল



শ্ৰীঅনিল চন্দ্ৰ শৰ্মা
১১,৫০০.০০ টকা



ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামী
৬,৫০০.০০ টকা



শ্ৰীঅনিল উপাধ্যায়
৫০০০.০০ টকা



ডাঃ অলকানন্দ গোস্বামী
৫০০০.০০ টকা



শ্ৰীহৰি কুমাৰ কাৰ্কী
৫০০০.০০ টকা



শ্ৰীসুনন্দ চহীয়া
৫০০০.০০ টকা



শ্ৰীঅম্বিকা দেৱশৰ্মা
৫০০০.০০ টকা



ডাঃ অৰবিন্দ ডেকা
৫০০০.০০ টকা

| | |
|---|---|
| শ্ৰীকিচন দেউ ৰত্তি দেৱী গোৰেঙ্কা ট্ৰাষ্ট, কলকাতা | ১০,০০০.০০ টকা। |
| শ্ৰীবিপুল দেউৰী, কৰ অধীক্ষক, গুৱাহাটী | ১০,০০০.০০ টকা। |
| শ্ৰীবিপিন ৰাজবংশী, মঙলদৈ | ৫,০০০.০০ টকা। |
| মহিলা অধ্যয়ন গৱেষণা কোষ, মঙলদৈ মহাবিদ্যালয় | ৫,০০০.০০ টকা। |
| কৰ্মচাৰীবৃন্দ, ডি. আই. চি. চি. | ৫,০০০.০০ টকা। |
| মঙলদৈ মহাবিদ্যালয় শিক্ষক গোট | ৬.৫ লাখ টকা ব্যয় লক্ষ্যৰে শিক্ষক জিৰণি ভৱন এটা নিৰ্মাণ কৰি থকা হৈছে |

# সাক্ষাৎ প্ৰসঙ্গ

মঙলদৈ মহাবিদ্যালয়ৰ আৰম্ভণি কালত অধ্যাপনা আৰু উন্নয়নৰ দিশত প্ৰভূত বৰঙণি যোগোৱা প্ৰাক্তন শিক্ষক কেইগৰাকী মানৰ মনৰ কথাৰে এই শিতানটি সজোৱা হ'ল।

সম্পাদক



**শ্ৰীগজেন্দ্ৰ নাথ ঠাকুৰীয়া,** *প্ৰাক্তন উপাধ্যক্ষ, মঙলদৈ মহাবিদ্যালয়*

- আপুনি মঙলদৈ কলেজলৈ কোন চনত আহিল?
- ১৯৫২ চনত মই বুৰঞ্জী বিষয়ৰ এজন প্ৰবক্তা হিচাপে যোগদান কৰোঁ।
- কেনেকৈ আহিল বাৰু?
- বিজ্ঞাপনৰ ওপৰত ভিত্তি কৰি। মোৰ উকীল দাদা এজনে দৰ্খাস্ত লিখি তেখেতেই দিলে। মোক নলবাৰীলৈ নিব বিচাৰিছিল, পিতাই যাব নিদিলে।
- বে-চৰকাৰী কলেজখনলৈনো কিয় আহিল?
- শিক্ষকতা জীৱনৰ ব্ৰত বুলি ধৰি ললো। শিক্ষকতাৰ প্ৰতি আগ্ৰহ আছিল। EAC পাইছিলো, নগ'লো।
- আপুনি কামত যোগদান কৰোতে ছাত্ৰ-ছাত্ৰী কিমান আছিল?
- ছাত্ৰ-ছাত্ৰী ত্ৰিশ নে কিবা এটা আছিল।
- আপুনি শিক্ষাদানতে ব্যস্ত থাকিল নে?
- পিছত VP হ'লো।
- ছাত্ৰ-ছাত্ৰীবোৰ কেনে ধৰণৰ আছিল?
- ল'ৰা-ছোৱালী যিখিনি আছিল পঢ়ো বুলি গৈছিল। মোৰ নিজৰ নিচিনা লাগিছিল। গঢ়িম বুলি সিদ্ধান্ত লৈ কামত লাগিছিলো। ঠাইখিনি ভাল-বেয়া সেইটো মোৰ কথা নাই।
- দৰমহা একেবাৰে কম আছিল নেকি?
- টকা-পইচা মোৰ হাতত পৰি গ'ল। বেছি লম ক'ৰ পৰা? আনকো দিব লাগে।
- কলেজ খন গঢ়া সম্পৰ্কত কিছু ক'ব নেকি?
- ৰাধিকা দাস শিক্ষামন্ত্ৰী আছিল। তেওঁক ক'লো হয় কলেজ কৰক, নহয় মই ইলেক্‌চন খেলিম। সেই সময়ত মোৰ জনপ্ৰিয়তা আছে। মই ছাত্ৰ অৱস্থাত ছাত্ৰ নেতা। সেইবোৰ ঠাইত মই তেওঁৰ ভোট আনিছিলো। সেয়ে মোক তেওঁ সহায় কৰিছিল।
- আপোনাৰ কামত ঘৰৰ মানুহ সন্তুষ্ট হৈছিল নে?
- ঘৰৰ মানুহে সন্তুষ্টি প্ৰকাশ কৰিছিল। দেউতা এবাৰ গৈছিল। বাটতে তেওঁ মোৰ কথা শুনি ভাল পাইছিল।
- আপুনি মঙলদৈ মহাবিদ্যালয়ৰ পৰা কিয় গুচি আহিল?
- মোৰ জীৱনৰ লক্ষ্য মই মোৰ ঠাইত এখন কলেজ কৰিম। সেয়ে পলাশবাৰী কলেজ কৰিলো। খহনীয়া হোৱাত মিৰ্জাত

হ'ল। ১৯৬০ চনত আৰম্ভ কৰাৰ কথা ভাবিছিলো। হঠাতে সেইবছৰ ইয়াত সাহিত্য সভা জাপি দিলে। সেই বছৰ last year of I.A. তাৰ পাছত P.U. আমি P.U. আৰম্ভ কৰিলো। যিদিনা মই আহিম সেই দিনা ৰাতি last class কৰিছিলো।

- ● আপোনাৰ প্ৰিয় ছাত্ৰ-ছাত্ৰী কাৰোবাৰ নাম ক'ব নেকি?
- ■ অমিয়া দেৱী, দেবেশ নন্দী, জীৱন শৰ্মা আদি।
- ● এই বছৰ মঙলদৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী হ'ব।
- ■ সোণালী জয়ন্তী হ'ব বুলি News ত পালো। ভাল লাগিল। হৈ যোৱা বুলি ভাবিছিলো। মোৰ এতিয়াও যাবৰ ইচ্ছা হয়।
- ● আপুনি অংশ গ্ৰহণ কৰিব লাগিব।
- ■ ৰূপালী জয়ন্তীত গৈছিলো। ভগবানে কৰিলে যাম।
- ● আপুনি কলেজত থকা সময়ত অধ্যক্ষ কোন আছিল।
- ■ পুৰন্দৰ শৰ্মা অনাৰেৰী প্ৰিন্সিপাল। চৰকাৰৰ চিঠি-প্ৰত্ৰ প্ৰায়ে মই যোগাযোগ কৰিছিলো।
- ● চৰকাৰী ধন পাইছিল নে?
- ■ চৰকাৰৰ পৰা ট্ৰাইবেল গ্ৰেণ্ট আনিলো দুবাৰ। তৃতীয় বাৰ খবৰ দিলে সোনকালে আহক আপোনাৰ গ্ৰেণ্ট কাটিছে। পক্ষী ডেকা এম.এল.এ. য়ে। তেওঁ আপত্তি কৰাৰ কথা হ'ল হাইস্কুলত দিব লাগে। হীৰালাল পাটোৱাৰী সেইসময়ৰ টংলাৰ এম. এল. এ. তেওঁ ইয়াত লাগিছিল।
- ● আপোনাৰ সহকৰ্মী কোন কোন আছিল?
- ■ সদাশিৱ চক্ৰৱৰ্ত্তী, কৰুণা কান্ত শৰ্মা, হৰকান্ত মহন্ত, হৃদয়ৰঞ্জন দাস, ভৱানন্দ ৰাজখোৱা (Hon), বকদুল আলী (Hon) আদি।
- ● কাৰ্যালয় সহায়ক কোন আছিল?
- ■ সহায়ক জীৱন শৰ্মা। হাইস্কুলত থকাত হাইস্কুলৰ কেইজনমানেও সহায় কৰিছিল। মই নিজেও বেল বজাইছিলো।
- ● কলেজখন সেই সময়ত নগৰৰ বাহিৰত কিয় হ'ল?
- ■ মঙলদৈ টাউনৰ মাজতে মাটি বিছাৰিছিল। বৰ্ত্তমান থকা ঠাইত ৫০ বিঘা লোৱা হ'ল। তাত ক'ত কলেজ হ'ব বুলি মানুহে কোৱা-কুই কৰিছিল।
- ● বস্তুৰ দাম কিমান আছিল?
- ■ সাত টকা কাঠৰ দাম। চিমেণ্টৰ ৩ টকা। ৩ টকাৰো কম আছিল বোধহয়।
- ● স্থানীয় ব্যক্তি কাৰ পৰা সহায় লৈছিল?
- ■ ৰামেশ্বৰ শৰ্মা, সত্যেশ দাসগুপ্ত, অম্বিকা বৰুৱা, বিপিন মেধি আদিয়ে সহায় কৰিছিল।
- ● মঙলদৈ টাউনৰ বাহিৰৰ মানুহে সহায় কৰিছিল নে?
- ■ টংলাৰ দাড়ি থকা বঙালী মানুহ এজন। খুব কৃপণ। টকা তুলিব যাওঁতে তেওঁ কলে আজি নিদিও, বুধবাৰে যাম। বুধবাৰে মঙলদৈ উকীলখানাত আহি একহাজাৰ টকা দিলে।
- ● কলেজৰ কাম কোনে কৰিছিল?
- ■ কামবোৰ নিজে কৰাইছিলো।
- ● বস্তু-বাহানি কোনে কিনিছিল?
- ■ সকলো সামগ্ৰী মই ক্ৰয় কৰিছিলো।
- ● ঘৰ বন্ধাত কোনোবাই সহায় কৰিছিল নে?
- ■ সুনন্দ মহাজনে ইটা, কাঠ আদিৰে প্ৰায় ১৭,০০০ টকা খৰচ কৰিছিল। ১০,০০০ টকা পাই মই ধাৰ মাৰিছিলো।
- ● বিভাগীয় কৰ্ত্তৃপক্ষৰ মনোভাৱ কেনে আছিল?
- ■ ৰাধাকান্ত দাসক Inspectionত পঠাইছিল। তেওঁ কলে তুমি লিখা মই চহী কৰি দিম। লিখিলো This is the only

College in the subdivision. University এ মানি ললে।

- ● ছাত্র-ছাত্রীৰ মাচুল কিমান আছিল?
- ■ ছাত্র-ছাত্রীৰ মাচুল ৬ টকা আছিল।
- ● লাইব্ৰেৰীৰ সুবিধা আছিল নে?
- ■ লাইব্ৰেৰী কলেজৰ লগে লগে হৈছিল। আমিয়ে চোৰা-চিতা কৰিছিলো। খুব কম কিতাপ দিব পাৰিছিলো।
- ● ছাত্র-ছাত্রীয়েও কলেজৰ কামত সহায় কৰিছিল নেকি?
- ■ বেনুশৰ্মা Registration ত আছিল। I.A ত 1st division পাইছিল।
- ● ছাত্রীৰ সংখ্যা কিমান আছিল?
- ■ ছাত্রীৰ সংখ্যা বৰ কম। Night ত ৩ জনী মান। অমিয়া, বায়েক আৰু ভোগৰাম পাটোৱাৰীৰ ছোৱালী।
- ● ছাত্রীৰ সংখ্যা কম হোৱাৰ কাৰণ কি বুলি ভাৱে?
- ■ হাইস্কুলত থাকিব লাগিবতো। ছোৱালীয়ে হাইস্কুলতে পঢ়া নাছিল।
- ● আপুনি লিখা-মেলা কৰে নেকি?
- ■ লিখা-মেলা নকৰো যদিও ছাত্রনেতা থাকোতে মেগাজিনৰ সম্পাদক আছিলো।
- ● মঙলদৈ কলেজ এৰাৰ সময়ত আপোনাৰ মনোভাৱ?
- ■ আগদিনা last ক্লাচত ৫ মিনিট মান কৈছিলো- I am leaving Mangaldai and this College tomorrow morning. ৰাতিপুৱা ৫০/৬০ মান ল'ৰা গৈছে। মই তেওঁলোকক বুজালো। Deficite আনিলো। UGC grant এটা অনাইছো। প্ৰথম কিস্তি ২০,০০০ টকা। গতিকে যাওঁ। মোক বন্ধ কৰি ৰাখিব বিচাৰিছিল। University ৰ মানুহক লগাই Paid Principal কৰালে।

22.3.03



**শ্ৰীযুত প্ৰতুল শৰ্মা** *এ.চি.এচ.; অৱসৰ প্ৰাপ্ত ডি.চি. কামৰূপ*

- ● মঙলদৈ মহাবিদ্যালয়ত আপুনি অধ্যাপনা কৰা সময়ত ছাত্র-ছাত্রী কিমান আছিল আৰু শ্ৰেণীসমূহ ক'ত হৈছিল?
- ■ ছাত্র-ছাত্রী এশ মানো নাছিল। ১৯৫৫ চনৰ মাজভাগৰ পৰা আৰম্ভ কৰা ঘৰত ১৯৫৬ চনৰ পৰা ক্লাচ কৰিছিলো।
- ● ছাত্রীৰ সংখ্যা কিমান আছিল?
- ■ ছাত্রী ত্ৰিশ জনী মান আছিল।
- ● আপোনালোকক মাননী কি দিছিল?
- ■ আমাৰ দৰমহা আছিল ১৫০ টকা মাহেকত। ১০০ টকা ৰাহি হৈছিল।
- ● মানুহৰ উপাৰ্জন কেনেকুৱা আছিল?
- ■ যাতায়ত ব্যৱস্থা বেয়া হোৱা বাবে উৎপাদিত বস্তু বাহিৰলৈ অহা নাছিল।
- ● মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক কোন আছিল?
- ■ দাসগুপ্ত SDO প্ৰতিষ্ঠাপক। তেখেতে কলেজৰ বাবে পইচা তুলিছিল।
- ● আপুনি কেতিয়া মহাবিদ্যালয়ত যোগদান কৰিলে?
- ■ মোৰ আগতে হৰকান্ত মহন্ত আছিল। তেওঁৰ ঠাইত মই সোমালো।

● মঙলদৈৰ পৰিৱেশটো কেনেকুৱা আছিল?

■ মঙলদৈৰ মানুহখিনি শিক্ষিত। মঙলদৈ এখন উন্নত গাঁৱৰ দৰে। মানুহবোৰ বেলেগ বেলেগ বৃত্তিধাৰী। মনবোৰ বৰ ভাল।

● আপোনাৰ মতে সেই সময়ত সততে কথা-বতৰা পতা শিক্ষক কোন কোন?

■ দেবেন্দ্ৰ নাথ সোনোৱাল CIVICS ৰ লেকচাৰাৰ আছিল। তেওঁ IPS হ'লগৈ। পিছলৈ IGP হৈছিল।

● ছাত্ৰ-ছাত্ৰীবোৰ কেনে আছিল?

■ ছাত্ৰ-ছাত্ৰীয়ে সমীহ কৰিছিল। কিন্তু নজনা কথাখিনি আমাক সুধিছিল।

● আপুনি আজৰি সময়খিনি কেনেদৰে পাৰ কৰিছিল?

■ মই সাহিত্য চৰ্চা কৰিছিলো। গৌৰী বৌ, দ্বিজ আদি চাৰিটা গল্প মঙলদৈত থকা সময়তে লিখিছিলো। ৰামধেনুত ওলাইছিল।

● মঙলদৈৰ সাহিত্য-সংস্কৃতিৰ পৰিৱেশটো কেনেকুৱা আছিল?

■ মঙলদৈত সঙ্গীত চৰ্চা বহুত বেছি আছিল। সন্ধ্যা চহৰীয়া আছিল বোধহয়, ভাল গাইছিল। কনক চক্ৰৱৰ্ত্তী, কৰুণাকান্ত শৰ্মা আদিয়ে গল্প লিখিছিল।

● আপোনাৰ প্ৰিয় ছাত্ৰ কাৰোবাৰ নাম মনত আছেনে?

■ শিৱ প্ৰসাদ দাস নামৰ সম্ভৱ অনুসূচীত সম্প্ৰদায়ৰ ল'ৰা।

● কলেজ লাইব্ৰেৰীটো কেনে ধৰণৰ আছিল?

■ লাইব্ৰেৰীৰ সুবিধা ভাল নাছিল।

● হোষ্টেল আছিল নে?

■ ট্ৰাইবেল গ্ৰেণ্টৰ টকাৰে হোষ্টেল হৈছিল।

● ক্লাচ কোন সময়ত হৈছিল?

■ উপযুপাৰীলৈ যোবাত Day Class হৈছিল।

● সেই সময়ৰ কলেজ পৰিচালনা সমিতিৰ সভাপতি কোন আছিল।

■ মই যোদগান কৰাৰ আগেয়ে অমিয় ভূষণ দাসগুপ্ত আছিল। মোৰ সময়ত SDO কুসুম কুমাৰ ফুকন। কুসুম ফুকনেও কলেজৰ বাবে পইচা সংগ্ৰহ কৰিছিল।

● মঙলদৈ কলেজৰ পটভূমিৰ বিষয়ে ক'ব নে?

■ মঙলদৈত কলেজ নাছিল। গতিকে মঙলদৈয়া ৰাইজে জেদ হিচাপে লৈছিল। দুখীয়া খেতিয়কসকলেও যোগাযোগ কৰিছিল। ৰামেশ্বৰ শৰ্মা, পুৰন্দৰ শৰ্মা তপেশ্বৰ শৰ্মা আদিয়ে লাগিছিল। বিনয়ঘোষ ছাত্ৰ আছিল। তেৰোঁ লাগিছিল।

● মঙলদৈ কলেজখনৰ বিষয়ে আপোনাৰ কবলগীয়া?

■ আজিৰ পৰা ৬০ বছৰ আগেয়ে ফুলপুলি ৰুইছিলো আজি মহীৰূহত পৰিণত হৈছে। আমি স্কুলত নিশা কেইজনমান ল'ৰা-ছোৱালীক শিকাইছিলো। বৰ্তমান ইয়াৰ আয়তন বহু বেছি। মোৰ প্ৰত্যক্ষ সম্পৰ্ক বৰ্তমান নাই, কিন্তু সেই ফালে গলে কলেজখন দেখি বুকুখন ফুলি উঠে। মোৰ যৌৱনৰ কেইটামান মুহূৰ্ত মঙলদৈত কটালো। মঙলদৈত উদ্যোগীকৰণ হৈছে। আপোনালোকে দৰঙ বুলি কলেও মই মঙলদৈ জিলা বুলিয়েই কওঁ।

● মঙলদৈত থকা সময়ৰ স্মৰণীয় ঘটনা কিবা আছেনে?

■ মঙলদৈত থকা সময়ৰ স্মৰণীয় ঘটনা হ'ল- সুৰভি সমাজ গঢ়িছিলো। টাউন কমিটি হলত বহিছিলো। তাত থকা মানুহখিনিয়ে পিছপৰি থকা বুলি ভাবিছিলো। সেইটো ভাল লক্ষণ। মঙলদৈত সাহিত্য সভাৰ অধিবেশন হওতে হীৰালাল পাটোৱাৰীয়ে মোক নিছিল।

২২. ০৩. ০৩



**শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামী,** *এম.এ., বি.টি.* প্ৰাক্তন অধ্যক্ষ, মঙলদৈ মহাবিদ্যালয়

- আপুনি মঙলদৈ কলেজত যোগদান কৰা সময়ত কলেজৰ অৰ্থনৈতিক অৱস্থা কেনে আছিল।
- Fund Position বেয়া। আমি প্ৰথমতে এশ টকা দৰমহা লৈছিলো।
- কলেজখনৰ কোনবোৰ কামত আপুনি অগ্ৰাধিকাৰ দিলে?
- কলেজত কৰা প্ৰথম কাম খেল পথাৰ এখন কৰা, কলেজ চৌহদত নৰ্দমা আৰু বেৰদিয়া। নৰ্দমা খান্দিলো Social Service ৰ যোগেদি তেতিয়া গৰু আহিব নোৱাৰা হ'ল। Plantation কৰোতে নাহৰ, নাৰিকল আদি ৰুলো। সেইবোৰ চাবৰ বাবে নন্দ বড়োক Appointment দিলো। ছিপাঝাৰৰ ফালৰ পৰা নাহৰৰ গুটি অনাই ৰুইছিলো। Science deptt. খোলাত Prof Singh ৰ যোগেদি Earner-Learner Scheme কৰিলো। তাত ঘৰ এটি বন্ধালো। তাত থকা ল'ৰাবোৰে সহায় কৰিলে। সিহঁতৰ মাচুল মাফ আছিল।
- ছাত্ৰ-ছাত্ৰীসকলক কেনেদৰে গঢ়িব বিছাৰিছিল?
- ডিগ্ৰী লোৱাৰ উপৰিও চাৰিত্ৰিক দিশ উন্নত কৰাত গুৰুত্ব দিছিলো। ছাত্ৰ শিক্ষকক দেখি প্ৰেৰণা পাব ধৰিলো। চৰিত্ৰ ভাল হ'লে মনৰ উদ্‌গনি হয়। পঢ়া-শুনা ভাল হয়।
- বিজ্ঞান শাখা কেনেদৰে আৰম্ভ কৰা হ'ল?
- Science খোলাত দৰমহা দিব নোৱাৰে। নৰেণ সিঙক আনিলো। তেওঁ পাই থকা দৰমহা দিলো। সুৰেশ ৰাজখোৱা (DPI) ই আমাক সহায় কৰিলে। ইতিমধ্যে আৰম্ভ কৰা Earner Learner Scheme ৰ বাবে মোৰ নাম হৈছে।
- সেই সময়ৰ আৰু বৰ্ত্তমানৰ ব্যৱস্থাৰ কিবা পৰিৱৰ্ত্তন হৈছে নেকি?
- সেই সময়ৰ আৰু বৰ্ত্তমানৰ ব্যৱস্থা একে আছে। ৰূপায়ণ কৰাৰ দায়িত্ব যাৰ হাতত থাকে তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰে।
- কলেজত কিহে বেছিকৈ আপোনাক অনুপ্ৰাণিত কৰিছিল?
- ছাত্ৰ-ছাত্ৰীসকলৰ লগত থাকিলে বৰ ভাল লাগে।
- আপোনাক সহায়ৰ হাত আগবঢ়োৱা কাৰোবাৰ নাম ক'ব নেকি?
- সহায়ৰ হাত আগবঢ়োৱা দণ্ডীদত্ত, ভৃগীডেকা আদি। ভৃগীডেকাই দিয়া একহাজাৰ টকা অধ্যাপক প্ৰভাত শৰ্মাই হিচাপ কৰি আচৰিত হৈছিল।
- কলেজখনৰ প্ৰতি আপোনাৰ বক্তব্য?
- মোৰ আশা আছে। মঙলদৈ কলেজ আদৰ্শ কলেজ হওঁক। ল'ৰা ছোৱালী, শিক্ষক-শিক্ষয়িত্ৰীৰ মিলনৰ এক প্ৰেম ক্ষেত্ৰ হওঁক। প্ৰেম সৃষ্টিৰ উদ্দেশ্য। প্ৰেমভাৱ বিস্তাৰ কৰিবলৈ চৰিত্ৰ ভাল হ'ব লাগিব। নিস্বাৰ্থ হ'ব লাগিব।
- আপুনি কলেজ খনক এটি আদৰ্শ দেখুৱাই আহিল তাৰ বাবে ধন্যবাদ।
- মই সেৱা কৰিব বিচাৰো। সেৱাহে- আদৰ্শ নহয়।

শ্ৰী প্ৰবোধ চন্দ্ৰ গোস্বামী
22/৬/2006

# প্ৰশ্নোত্তৰ শিতান

**মঙলদৈ মহাবিদ্যালয়ৰ পঞ্চাশ বছৰৰ স্মৃতি ধৰি ৰখাৰ প্ৰয়াসেৰে নিম্নোক্ত প্ৰশ্ন কেইটাৰ জৰিয়তে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী কেইগৰাকীমানৰ মনৰ কথা এই শিতানত সন্নিবিষ্ট কৰা হ'ল।**

প্ৰশ্ন ১ ঃ আপুনি উচ্চ শিক্ষা গ্ৰহণৰ বাবে মঙলদৈ মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰি আকাঙ্ক্ষিত উদ্দেশ্যত সফল হোৱা বুলি ভাবেনে? সেই সময়ৰ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশৰ লগত বৰ্ত্তমানৰ কিবা বিশেষ ধৰণৰ প্ৰভেদ আছে নেকি?

প্ৰশ্ন ২ ঃ মহাবিদ্যালয়ৰ ছাত্ৰাৱস্থাত শৈক্ষিক দিশৰ কোনটি কথাই আপোনাক বেছি আকৰ্ষণ কৰিছিল? সেই সময়ৰ এটি উল্লেখযোগ্য মুহূৰ্ত্তৰ বিষয়ে কওঁকচোন?

প্ৰশ্ন ৩ ঃ এগৰাকী প্ৰাক্তন ছাত্ৰ হিচাপে সোণালী জয়ন্তী গৰকা মহাবিদ্যালয়খনে শৈক্ষিক আৰু উন্নয়নৰ দিশত কেনে ধৰণে আগবঢ়া বুলি আপুনি ভাবে? ভৱিষ্যত সম্পৰ্কে কিবা পৰামৰ্শ দিব নেকি?



**শিৱ প্ৰসাদ বৰজখোৱা**
**প্ৰাক্তন ন্যায়াধীশ**

১. উত্তৰ ঃ ভাবো।

আকাশ-পাতাল প্ৰভেদ। ১৯৫১ চনত মঙ্গলদৈত বিজুলীবাতি, টেলিফোন আদি নাছিলেই। নৈশ কলেজ আছিল। গতিকে ৰাতি পেট্ৰোমাক্সৰ পোহৰত শ্ৰেণীকোঠাত পাঠদান হৈছিল। আৰম্ভণিতে, পুৰণি ৰাজহুৱা পুথিভঁড়াল, নগৰ বালক প্ৰাইমেৰী স্কুল, ছোৱালী হাইস্কুল আৰু ল'ৰাৰ চৰকাৰী হাইস্কুলত শ্ৰেণী বিলাক লোৱা হৈছিল।

২. উত্তৰ ঃ আৰম্ভণিৰে পৰা চালুকীয়া অনুষ্ঠানখনে পূৰ্ণাঙ্গ শিক্ষানুষ্ঠান হিচাপে মূৰ দাঙি উঠিছিল। ছাত্ৰ-ছাত্ৰীৰ মাজত একতা সভা আছিল। কলেজৰ ফুটবল টীমে স্থানীয় প্ৰতিযোগিতাত যোগদান কৰিছিল আৰু ১৯৫২ চনত যোৰহাটত আন্তঃকলেজ ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল। সাংস্কৃতিক বিভাগৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছিল।

সেইসময়ৰ অভিভক্ত অসমৰ ৰাজ্যপাল প্ৰয়াত জয়ৰাম দাস দৌলতৰামৰ আমাৰ কলেজত পদাৰ্পন।

৩. উত্তৰ ঃ শুদ্ধ পথেৰেই আগবাঢ়িছে।

পৰামৰ্শ দিব পাৰো। বয়স যোৱা মানুহে এইটো দিবলৈ কৃপণালি নকৰে। সমগ্ৰ উত্তৰ-পূব ভাৰতৰ প্ৰথমখন কলেজ-কটন কলেজ। প্ৰতিষ্ঠিত হয় ১৯০১ চনত। পুৰা অৰ্দ্ধ শতাব্দীৰ পিচত ১৯৫১ চনত মঙ্গলদৈ কলেজৰ জন্ম হয়। সেই বুলিয়ে আমাৰ কলেজখনে শিক্ষা-দীক্ষা সকলো ক্ষেত্ৰতে কটন কলেজৰ পৰা ৫০ বছৰ পিছ পৰি থাকিব লাগিব নেকি? বৌদ্ধিক উৎকৰ্ষতাৰ লগত প্ৰতিদ্বন্দিতা কৰি সমকক্ষ হ'বলৈ চেষ্টা কৰিব লাগে।



অৱনী মোহন চহৰীয়া
মুখ্য পৰিচালক, ভাৰতীয় ষ্টেট বেংক
মঙলদৈ শাখা

১. উত্তৰ ঃ উচ্চ শিক্ষা গ্ৰহণৰ বাবে মঙ্গলদৈ মহাবিদ্যালয়ত ভৰ্ত্তি হৈ আংশিক ভাৱেহে সফল হৈছিলো। কাৰণ আমি নাম ভৰ্ত্তি কৰা সময়ত বিজ্ঞান শাখা তেনেই চালুকীয়া অৱস্থাত আছিল বাবে নিতান্তই সীমিত সুবিধাৰ মাজেৰেই উচ্চ শিক্ষা গ্ৰহণৰ সপোন ৰূপায়ণ কৰিব লগীয়া হৈছিল।

যিহেতু সম্প্ৰতিক কালত মহাবিদ্যালয় খনৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈ থকা নাই সেয়েহে শৈক্ষিক পৰিৱেশৰ প্ৰভেদ সম্পৰ্কীয় উত্তৰ দিয়া আমাৰ বাবে জটিল। তথাপিও কওঁ যে আমাৰ সময়তকৈ এতিয়া যথেষ্ট সা-সুবিধা পোৱা সত্বেও মহাবিদ্যালয়খনৰ আজিৰ ছাত্ৰ-ছাত্ৰী শৈক্ষিক জীৱনত আশানুৰূপ ভাৱে সফল হোৱা দেখা নাযায়।

২. উত্তৰ ঃ আমাৰ ছাত্ৰাৱস্থাত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত গঢ় লৈ উঠা আন্তৰিকতা, পাৰস্পৰিক সহযোগিতা আৰু দুয়ো পক্ষক ওচৰ চপাই আনিব পৰা পৰিৱেশ- এই দিশটোৱে আমাক বেছিকৈ আকৰ্ষণ কৰিছিল।

মঙ্গলদৈ মহাবিদ্যালয়ে আজিৰ অৱস্থা পোৱাৰ ক্ষেত্ৰত এসময়ৰ অধ্যক্ষ প্ৰবোধ চন্দ্ৰ গোস্বামীৰ অবিহণা নিঃসন্দেহে প্ৰনিধানযোগ্য। মহাবিদ্যালয়খনিৰ আজিৰ আশ্ৰম সদৃশ পৰিৱেশৰ গুৰি ধৰোতা গোস্বামী ছাৰৰ এদিনৰ এটা সৰু ঘটনাই ছাত্ৰাৱস্থাতে আমাৰ মন চুই গৈছিল। মহাবিদ্যালয়ৰ সন্মুখৰ মুকলি ঠাই ডোখৰত নতুনকৈ ৰোৱা এটা গছপুলিৰ গুৰিত অসতৰ্কভাৱে আউজি বহি থকা এগৰাকী ছাত্ৰক ওচৰেৰে পাৰ হৈ যোৱা গোস্বামী ছাৰে মাতি নি কোৱা শুনিছিলো- "কাম নাই যদি সৌ মুকলি ঠাইখিনিতে বহাগৈ"।

পৰিৱেশ সংৰক্ষণ আৰু প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে এতিয়াৰ সমাজৰ এচাম লোকৰ যি সজাগতা শ্ৰদ্ধেয় চাৰৰ দৰে ব্যক্তিয়ে দুকুৰি বছৰ আগতেই সেই আদৰ্শ ৰাখি থৈ গৈছিল।

৩. উত্তৰ ঃ আমাৰ দৃষ্টিত সোণালী জয়ন্তী বৰ্ষ গৰকা মহাবিদ্যালয়খনে শৈক্ষিক অথবা উন্নয়নৰ দিশত তেনে কোনো উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা দেখা নাযায়। কোনোবা বছৰ কোনোবা এটা বিষয়ত এজন ছাত্ৰই প্ৰথম শ্ৰেণী পোৱাটোৱেই শৈক্ষিক দিশত উৎকৰ্ষ সাধন হোৱা নিশ্চয় নুবুজায়।

মহাবিদ্যালয়খনৰ ভৱিষ্যত সম্পৰ্কে আমি ক'ব খোজো যে পৰম্পৰাগত শিক্ষাব্যৱস্থাৰ লগত সঙ্গতি ৰাখি সময়ৰ লগত খাপখোৱা বৃত্তিমূলক পাঠ্যক্ৰম আৰম্ভ কৰিব লাগে। বিশ্ববিদ্যালয়ৰ নিৰ্দ্দিষ্ট বান্ধোনৰ মাজত বিষয় সমূহৰ পাঠ্যক্ৰম নিৰ্ণীত হয় যদিও আন্তৰিকতাৰে সংশ্লিষ্ট সকলো পক্ষই যত্ন কৰিলে নিশ্চয় সাম্প্ৰতিক কালৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয় দুই-এটা তেনেধৰণৰ পাঠ্যক্ৰম আৰম্ভ কৰিব পৰা যায়।



ডাঃ অলকানন্দ গোস্বামী এম, ডি
শিশুৰোগ বিশেষজ্ঞ
মঙলদৈ অসামৰিক চিকিৎসালয়

১. উত্তৰ ঃ মই ১৯৭১ চনত উচ্চ মাধ্যমিক বিদ্যালয় শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষাৰ বাবে মঙ্গলদৈ মহাবিদ্যালয়ত প্ৰাক্ বিশ্ববিদ্যালয় (বিজ্ঞান) শাখাত নাম ভৰ্ত্তি কৰো। মঙ্গলদৈ মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰি মই মোৰ জীৱনৰ লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে সফল হোৱা বুলি ভাবো।

সেই সময়ৰ শৈক্ষিক পৰিৱেশৰ লগত বৰ্ত্তমানৰ কিবা বিশেষ ধৰণৰ প্ৰভেদৰ বিষয়ে পোনপটীয়াকৈ উত্তৰ দিয়া কঠিন যদিও এটা কথা নিঃসন্দেহে কব পাৰি যে বৰ্ত্তমান শৈক্ষিক পৰিৱেশ বহু পৰিমাণে উন্নত, কাৰণ সেই সময়ত আমি মহাবিদ্যালয়ৰ পুথিভড়ালৰ পৰা বিশেষ সহায় পোৱা নাছিলো বা নতুন নতুন আলোচনী ইত্যাদিও (Science Journal) নাছিল। বৰ্ত্তমান ইউ. জি.চিয়ে (UGC) বহুতো সহায় কৰিছে। বিভিন্ন বিষয়ৰ ছেমিনাৰ, কৰ্মশালা ইত্যাদিৰ দ্বাৰা শিক্ষক-শিক্ষয়িত্ৰী বা ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন বিষয়ক জ্ঞান প্ৰদানৰ ব্যৱস্থা কৰিছে। বিজ্ঞান বিভাগৰ বিভিন্ন বিষয়ত 'সন্মান' (Honours) পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰিছে। এইবোৰ বিষয়ৰ পৰা সহজে অনুমেয় যে বৰ্ত্তমানৰ শৈক্ষিক পৰিৱেশৰ যথেষ্ট উন্নতি হৈছে।

২.উত্তৰ ঃ মহাবিদ্যালয়ৰ ছাত্ৰাৱস্থাত শৈক্ষিক দিশৰ পৰা মোক তলত বৰ্ণনা কৰা পৰিৱেশ সমূহে অনুপ্ৰাণিত কৰিছিল-

নিয়মানুবৰ্ত্তিতা ঃ- আমাৰ সময়ত বিশেষকৈ বিজ্ঞান শাখাৰ শ্ৰেণীসমূহৰ ক্ষেত্ৰত নিয়মানুবৰ্ত্তিতা এটা প্ৰধান অঙ্গ আছিল। শ্ৰেণী সমূহ নিয়মীয়াকৈ আৰম্ভ হৈছিল আৰু শিক্ষা গুৰু সকলৰ উপস্থিতি নিয়মীয়া আছিল। ৰাতিপুৱা ঠিক ন বজাৰ লগে লগে আৰম্ভ হৈ শ্ৰেণী সমূহ ৪ বজা বা কেতিয়াবা ৪-৩০ বজা বা ৫ বজাত ব্যৱহাৰিক (practical) শ্ৰেণী শেষ হৈছিল। মাজে মাজে দুই এটা 'অফ' (off) পিৰিয়ডৰ বাদে জিৰণি প্ৰায় নাছিলেই।

শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী সকলৰ সম্বন্ধ গুৰু-শিষ্যৰ দৰে আছিল।

মহাবিদ্যালয়ৰ তেতিয়াৰ অধ্যক্ষ প্ৰবোধ চন্দ্ৰ গোস্বামী ছাৰে নিয়মানুবৰ্ত্তিতা, শাসন ইত্যাদিত অনুপ্ৰাণিত কৰিছিল। আমাৰ বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত তীব্ৰ প্ৰতিযোগিতা চলিছিল।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাত ফলাফল যাতে ভাল হয় তাৰ বাবে শিক্ষাগুৰু সকলে সকলো প্ৰকাৰে সহায় কৰিছিল। বিশেষকৈ প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা প্ৰয়াত বিদ্যুৎপ্ৰভা দাস বাইদেউৱে গৰমৰ বন্ধত বিনামূলীয়াকৈ পাঠদান কৰিছিল।

৩.উত্তৰ ঃ বৰ্ত্তমানে মঙলদৈ মহাবিদ্যালয়ে বিদ্যায়তনিক দিশ আৰু উন্নয়নত সঠিক ভাবে আগবঢ়া বুলি মই ভাবো।

আমাৰ পৰামৰ্শ ঃ (ক) অসমৰ বৰ্ত্তমানৰ ভয়াবহ নিবনুৱা সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি মঙ্গলদৈ মহাবিদ্যালয়ত কিছুমান নতুন নতুন বিষয়ৰ পাঠ্যক্ৰমৰ বিভাগ যেনে- তথ্য আৰু যোগাযোগ বিভাগ (I.T.) কম্পিউটাৰ, গেছ ক্ৰেকাৰ প্ৰকল্পৰ আনুসঙ্গিক বিভাগ, কয়লা, তেল, চাহ উদ্যোগ, মৰাপাট উদ্যোগ, প্লাষ্টিক (plastic technology) উদ্যোগ, হস্ততাঁত বিভাগ ইত্যাদি খুলিব লাগে, যাতে যুবক যুৱতী সকলে জ্ঞান লাভ কৰি স্বাৱলম্বী হৈ জীৱিকা নিৰ্ব্বাহ কৰিব পাৰে।

(খ) মহাবিদ্যালয়ৰ যিমান মাটি বেদখলত আছে বা এনেয়ে পৰি আছে তাত বিভিন্ন কৃষি কৰ্মৰ দ্বাৰা ধন উপাৰ্জন কৰি মহাবিদ্যালয়ৰ উন্নয়নৰ ক্ষেত্ৰত ব্যৱস্থা কৰিব পাৰি।

(গ) ছাত্ৰ-ছাত্ৰীসকলে 'ত্যাগত ভোগ, সংযমত শিক্ষা' বাণীৰে অনুপ্ৰাণিত হৈ প্ৰতিযোগিতামূলক মনোভাৱেৰে পাঠ্যক্ৰম তথা অন্যান্য খেলা-ধূলা (extra curriculer activities) বিষয়ত পাৰদৰ্শিতাৰ পৰিচয় প্ৰদান কৰি মঙ্গলদৈ মহাবিদ্যালয়ৰ নাম উজ্জল কৰক। তাৰেই কামনাৰে 'জয়তু মঙ্গলদৈ মহাবিদ্যালয়'।



বেৰন চন্দ্ৰ নাথ
প্ৰাক্তন অধ্যক্ষ
ছিপাঝাৰ মহাবিদ্যালয়

১.উত্তৰ ঃ মই ইং ১৯৬০-৬১ শিক্ষা বৰ্ষৰ পৰা ১৯৬৩-৬৪ চনলৈ এগৰাকী ছাত্ৰ হিচাপে মঙ্গলদৈ মহাবিদ্যালয়ত গ্ৰহণ কৰা উচ্চ শিক্ষাৰ দ্বাৰাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম, এ ডিগ্ৰী লাভ কৰি ছিপাঝাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ

পদত অধিষ্ঠিত হ'বলৈ সক্ষম হওঁ। এগৰাকী প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে উক্ত মহাবিদ্যালয়খনিৰ জৰিয়তে মই উচ্চ শিক্ষাৰ প্ৰচাৰ, প্ৰসাৰ আৰু উত্তৰণত সেৱা আগবঢ়াই আজি মই বিমল আনন্দ লাভ কৰিছোঁ। সেয়ে মোৰ আকাঙ্খিত উদ্দেশ্য সফলকাম হোৱা বুলি সদায় কৃজ্ঞতাৰে স্মৰণ কৰোঁ।

শৈক্ষিক পৰিৱেশ বুলিলে শিক্ষা প্ৰদানত আভ্যন্তৰীণ দিশৰ লগতে আহে প্ৰয়োজনীয় ঘৰ-দুৱাৰ আৰু আচবাব আদিৰ কথা; যিয়ে ছাত্ৰ-ছাত্ৰীক সুবিধা আৰু প্ৰেৰণা দান কৰিব পাৰে। মই ক'ব খোজো তেতিয়াৰ একেবাৰে চালুকীয়া অৱস্থাৰ মহাবিদ্যালয়খনিৰ শৈক্ষিক পৰিৱেশৰ লগত আজিৰ পৰিৱেশৰ পাৰ্থক্য বহুখিনি। ক্ৰমানুগত ভাবে হৈ অহা প্ৰগতিয়ে মহাবিদ্যালয়খনিক আজি পূৰ্ণাঙ্গৰূপত ৰূপায়িত কৰিছে। থোৰতে ক'ব লাগিলে পূৰ্ব্বৰ কলা বিভাগৰ লগতে বিজ্ঞান শিক্ষাৰ প্ৰবৰ্ত্তন, দুয়ো বিভাগৰ প্ৰায় সকলো বিষয়তে গুৰু পাঠ্যক্ৰমৰ ব্যৱস্থা, সেই মতে উপযুক্ত যথেষ্ট সংখ্যক শিক্ষক কৰ্ম্মচাৰী নিযুক্তি, যথেষ্ট গ্ৰন্থসম্বলিত গ্ৰন্থাগাৰ, ছাত্ৰ আৰু ছাত্ৰী নিবাস, কেণ্টিন, সভাগৃহকে ধৰি প্ৰয়োজনীয় গৃহ নিৰ্মাণ- আদিয়ে মহাবিদ্যালয়খনিক এক গুৰু-গম্ভীৰ পৰিৱেশ প্ৰদান কৰি আছে।

২. উত্তৰ ঃ শিক্ষাগুৰু সকলে পুত্ৰ-বৎসল আবদাৰেৰে কৰা পাঠদান কাৰ্য্যৰ লগতে আন আন বিষয়, যেনে খেলা-ধূলা, সাংস্কৃতিক দিশ আদিত আমাৰ লগতে সতত ৰখা নিবিড় সম্বন্ধই মোক বিশেষ ভাবে আকৰ্ষিত আৰু আনন্দিত কৰি তুলিছিল।

মঙ্গলদৈ মহাবিদ্যালয়ত মোৰ উল্লেখযোগ্য মুহূৰ্ত্ত অনেক। তাৰে এটি স্মৰণীয় মুহূৰ্ত্তৰ কথা উল্লেখ কৰা হ'ল-

১৯৬১ চনৰ চেপ্তেম্বৰ মাহৰ এটি দিন। এজন বন্ধুই আমাক জনালে যে ১.৩০ বজাত নাৰায়ণ দাস চাৰৰ অসমীয়া ক্লাচটি নহয়। ছাৰ হেনো নিজৰ ঘৰলৈ গৈছে। দুজন সহপাঠী বন্ধুৰ আবদাৰ এৰাব নোৱাৰি তিনিজনী বান্ধৱীৰ লগত পোনে পোনে ঢাপলি মেলিলো মহাবিদ্যালয়ৰ দক্ষিণ পশ্চিমে থকা বগুৰী গছৰ তললৈ। তেতিয়া সেই এলেকাটিত থকা বগুৰী গছ কেইজোপাই আছিল বহুখিনি ছাত্ৰ-ছাত্ৰীৰ জিৰণীৰ আলয়। দুই-তিনিটা পকা বগুৰী মুখত ভৰাই মেলমৰা আৰম্ভ কৰিছো মাত্ৰ। এনেতে মোৰ বন্ধু সদৃশ 'ভজন চকীদা'ৰে ফোপাই-জোপাই চিঞৰি কৈ গৈছে- "এই তহঁতৰ ক্লাচ হৈছে" আচলতে বগুৰীৰ তললৈ অহাৰ আগতে তাক মই মনে মনে কৈ আহিছিলোঁ। ঘড়ী চাই দেখিলো সাত মিনিটমানহে গৈছে আটাই কেইজনে একে দৌৰে শ্ৰেণীকোঠাৰ দুৱাৰমূখত অপৰাধী কয়দীৰ দৰে থিয় হ'লো। চাৰে ক্ষন্তেক ৰবলৈ হাতেৰে ইঙ্গিত কৰিলে। কাণত পৰিল কোনোবা এজনে শুনা-নুশুনাকৈ কলে- "চাৰ আজি বহুত বগুৰী পকি আছে।" চাৰে মূৰ তুলি কেৱাহিকৈ আমাৰ ফালে চাই মুখ টিপি হাঁহিলে আৰু ভিতৰলৈ যাবলৈ ইঙ্গিত কৰিলে। আমি লাজ লাজকৈ কোঠাত প্ৰৱেশ কৰিছো মাত্ৰ, আটাইবোৰে গিৰ্জনি মাৰি হাঁহি দিলে। কোনোবাই আকৌ কলে "চাৰ গানৰ পাৰ্টি।" হাঁহিৰ খলকনি আৰু জোৰেৰে চলিল। চাৰে কলে- "নতুন সুৰৰ সন্ধান।" চাৰেও আৰু অলপ জোৰেৰে হাঁহি দিলে। সেই বছৰত মই মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদক আছিলো। প্ৰকৃততে আমাৰ বুজিবলৈ বাকী নাথাকিল যে পূৰ্বতে এনে অৱস্থাত পৰা কেইজনমান বন্ধুৰে এনে কাণ্ড। এই আমোদজনক স্মৃতি কেতিয়াবা আজিও মনলৈ আহে।

৩. উত্তৰ ঃ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী আৰু হয়তো একে সময়তে আহি পৰা 'নাক'ৰ পৰিদৰ্শনৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়োজনীয় ভৱন, তোৰণ আদি নিৰ্মানৰ উপৰিও শৈক্ষিক দিশতো আৰু অধিক পদ্ধতিগত ভাৱে আগবাঢ়িবলৈ প্ৰচেষ্টা হাতত লোৱা দেখা গৈছে।

মহাবিদ্যালয়খনৰ সন্দৰ্ভত মোৰ পৰামৰ্শ হ'লঃ-

(ক) জিলাখনৰ সদৰৰ প্ৰথম মহাবিদ্যালয় হিচাপে নিবনুৱা ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত সংস্থাপনৰ প্ৰতি লক্ষ্য ৰাখি 'ভকেচনেল' অথবা শিক্ষা সম্প্ৰসাৰণৰ আঁচনিযুক্ত বিষয়সমূহ প্ৰবৰ্ত্তন কৰি ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰা।

(খ) 'নাক'ৰ নীতি-নিৰ্দেশনাৰে সঁচা অৰ্থত মহাবিদ্যালয় খনিক এখন মানবিশিষ্ট মহাবিদ্যালয় হিচাপে গঢ়ি তোলা আৰু ইয়াৰ কৃতকাৰ্য্যতাই সকলোকে আনন্দ প্ৰদান কৰা।



সত্যনাথ শৰ্মা
প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশ
তেজপুৰ

১. উত্তৰ ঃ মঙলদৈ মহাবিদ্যালয়ে সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়াতো মহাবিদ্যালয়খনৰ বাবে এক গৌৰৱৰ বিষয়। মঙলদৈ মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি মোৰ আকাঙ্খিত উদ্দেশ্যত সফল হোৱা বুলি ভাবো। ১৯৮৭ চনৰ পৰা ১৯৮৯ চনলৈ মঙলদৈ মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা কালছোৱাৰ শৈক্ষিক পৰিৱেশৰ তুলনাত বৰ্ত্তমানৰ শৈক্ষিক পৰিৱেশ যথেষ্ট উন্নত বুলি ভাবো। সোণালী জয়ন্তী বৰ্ষ গৰকা মহাবিদ্যালয়খনে সময়ৰ লগত খোজ পেলাবলৈ হলে শিক্ষক, ছাত্ৰ উভয়ৰে ঐকান্তিক চেষ্টা আৰু সদিচ্ছাৰ একান্ত প্ৰয়োজন।

২. উত্তৰ ঃ মহাবিদ্যালয়ৰ ছাত্ৰাৱস্থাত মহাবিদ্যালয়খনৰ শিক্ষক ছাত্ৰৰ গুৰু শিষ্যৰ সম্বন্ধ আৰু মহাবিদ্যালয়খনৰ শিক্ষক ছাত্ৰৰ সু-সম্পৰ্কই মোক বাৰুকৈয়ে আকৰ্ষণ কৰিছিল।

আমি ৰসায়ন বিভাগৰ মেজৰৰ ছাত্ৰ হিচাপে থকা কালছোৱাত practical ৰ বাবে প্ৰয়োজনীয় যাৱতীয় বস্তু সমূহ কলেজ কৰ্তৃপক্ষৰ ফালৰ পৰা আৰ্থিক অনাটনৰ বাবে সঠিক ভাৱে যোগান ধৰিব পৰা নাছিল। আনকি practicalৰ বাবে অনবৰতে প্ৰয়োজন হোৱা ডিষ্টিল ৱাটাৰ (Distilled water) খিনিও কৰ্তৃপক্ষই যোগান ধৰিব পৰা নাছিল। এদিন দেখিলো আমাৰ বিভাগৰ মাননীয় মুৰব্বী অধ্যাপক চাৰে উক্ত ডিষ্টিল ৱাটাৰৰ substitute হিচাপে বৰষুণৰ পানী বৰষুণত তিতি ধৰি আছিল। কাৰণ ডিষ্টিল ৱাটাৰ অবিহণে practical অসম্ভৱ আছিল। নাজানো আজিকালি কোনো মাননীয় অধ্যাপকে ছাত্ৰ-ছাত্ৰীৰ বাবে সিমানখিনি ত্যাগ আৰু কষ্ট কৰে নে নকৰে।

৩. উত্তৰ ঃ মহাবিদ্যালয়খনৰ এগৰাকী প্ৰাক্তন ছাত্ৰ হিচাপে সোণালী জয়ন্তী গৰকা মহাবিদ্যালয়খনে শৈক্ষিক দিশত ভৱিষ্যতে এক সুচিন্তিত আৰু সুপৰিকল্পিত ভাবে কাৰ্য্যব্যৱস্থা ল'ব বুলি আশা কৰো। বিশেষকৈ পাঠদানৰ ক্ষেত্ৰত শিক্ষক সকল অধিক সচেতন আৰু আগ্ৰহী হোৱাটো বাঞ্চনীয়।

হোষ্টেল কলেজৰ এক অবিচ্ছেদ্য অংগ। সেয়ে মহাবিদ্যালয়খনৰ এক সুস্থ বাতাবৰণৰ হোষ্টেল থকাটো নিতান্তই প্ৰয়োজনীয়। কলেজ কৰ্তৃপক্ষই এই দিশটোৰ প্ৰতিও মনোযোগ দিয়া দৰকাৰ।



মঞ্জু দেৱী পেগু
প্ৰবক্তা, কটন মহাবিদ্যালয়

১. উত্তৰ ঃ উচ্চ শিক্ষা গ্ৰহণৰ বাবে মঙলদৈ মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰি মোৰ আকাঙ্ক্ষিত উদ্দেশ্যত সফল হোৱা বুলিয়েই মই ভাবো। শিক্ষকতাৰ মাজতে মই মোৰ সপোনৰ পৰিপূৰ্ণতা বিচাৰি পাইছো।

সেই সময়ৰ মহাবিদ্যালয়ৰ অধ্যক্ষৰূপে শিক্ষাবিদ শ্ৰদ্ধেয় শ্ৰীযুত প্ৰবোধ চন্দ্ৰ গোস্বামী দেৱক পাইছিলো। মহাবিদ্যালয়খনত এটি শৃংঙ্খলিত, সুন্দৰ পৰিৱেশ গঢ়িবৰ বাবে তেখেতে অহোপুৰুষাৰ্থ কৰিছিল। আজি সুদীৰ্ঘ পঁচিশ বছৰৰ অন্তত তাৰ কিছু পৰিৱৰ্ত্তন নিশ্চয় ঘটিছে।

২. উত্তৰ ঃ মঙলদৈ মহাবিদ্যালয়ত পঢ়া কালছোৱাত মোক আটাইতকৈ আকৰ্ষিত কৰিছিল মহাবিদ্যালয়ৰ চৌহদৰ সৰ্বত্ৰতে

বিৰাজ কৰা শান্ত, সেউজ, শৃঙ্খলিত পৰিবেশটোৱে। আকাশৰ ফালে মুৰ তুলি থকা শাৰী শাৰী গছবোৰে চৌহদটোক এক অনন্য সৌন্দৰ্য্য আৰু গাম্ভীৰ্য্য প্ৰদান কৰিছিল। শিক্ষা গ্ৰহণৰ বাবে এই অনুকূল পৰিবেশ সৃষ্টিত সেই সময়ৰ অধ্যক্ষ শ্ৰদ্ধেয় গোস্বামী চাৰৰ অৱদান সৰ্বজন স্বীকৃত। এদিনৰ এটা ঘটনা তেতিয়া সকলোৰে মুখে মুখে বিয়পি পৰিছিল। সচৰাচৰ শ্ৰেণী সমূহ চলি থকা সময়ত ছাৰে সদায় চৌহদত এপাক মাৰাৰ দৰে সেইদিনাও এপাক মাৰিছিল। এনেতে সযতনে ৰোৱা গছ পুলি এটাৰ পাত চিঙি থকা অৱস্থাত ছাত্ৰ এজনক পাই ছাৰে কৈ উঠিল ঃ এই লৰা, তোমাৰ মূৰৰ চুলিবোৰ যদি এনেদৰে টানি উভালি পেলোৱা হয় কেনে লাগিব? শান্ত, সৌম্য মূৰ্ত্তিৰ শুভ্ৰ সাজ পৰিহিত ছাৰৰ প্ৰতি আমাৰ অসীম শ্ৰদ্ধা আছিল।

সেই সময়ত মহাবিদ্যালয়খনৰ ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপিত হৈছিল। প্ৰথমবাৰৰ বাবে মই কলেজৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগীৰূপে স্বীকৃতি পাইছিলো। এইটো মোৰ বাবে এক স্মৰণীয় মুহূৰ্ত্ত আছিল। এইখিনিতেই অইন এগৰাকী পৰম শ্ৰদ্ধেয়া বাইদেউৰ কথা মনলৈ আহিছে। সাহিত্য, আবৃত্তি, বক্তৃতা আদি বিভিন্ন বিষয়ৰ পুৰস্কাৰ ৰূপে পোৱা কিতাপবোৰৰ লৈ মঙলদৈ মহাবিদ্যালয় ছাত্ৰীনিবাসত নিশাটো 'অতিথি'ৰূপে থাকিবলৈ সোমাওতে ছাত্ৰীনিবাসৰ অধীক্ষিকা তথা অসমীয়া বিভাগৰ অধ্যাপিকা নাহাৰুণ নেচা বাইদেৱে মোক বহু অনুপ্ৰেৰণামূলক কথাৰে উৎসাহ যোগাইছিল আৰু আশীৰ্বাদ যাচিছিল। তেখেতৰ অকপট আন্তৰিকতা সদায় মোৰ ছাঁ হৈ ৰ'ব।

৩.উত্তৰ ঃ সোণালী জয়ন্তী গৰকা মহাবিদ্যালয়খনে শৈক্ষিক আৰু উন্নয়নৰ দিশত যথোপযুক্তভাৱেই আগবঢ়া বুলি ভাবো। অৱশ্যে দেখাত শৈক্ষিক পাঠ্যক্ৰম আৰু নীতি-নিয়ম আদি একেই হ'লেও একো একোটা অনুষ্ঠানে নিজস্ব গৰিমাৰে মহিমামণ্ডিত হৈ উঠে। শিক্ষাগত পাঠ্যক্ৰম আৰু বহিঃ পাঠ্যক্ৰমৰ সুসমন্বিত ৰূপেৰে এই অনুষ্ঠানেও নিশ্চয় এনে এক সুকীয়া গৌৰৱেৰে উদ্ভাসিত হৈ উঠিব আৰু দেশৰ সুনাগৰিক গঢ়াৰ গৌৰৱ অৰ্জন কৰিব।



ড° ৰামচন্দ্ৰ ডেকা
প্ৰবক্তা, ছিপাঝাৰ মহাবিদ্যালয়

১.উত্তৰ ঃ সফল হৈছোঁ বুলি মই অনুভৱ কৰো।

উচ্চ শিক্ষা গ্ৰহণৰ বাবে ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ মই মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীৰ বিজ্ঞান শাখাত নাম ভৰ্ত্তি কৰিছিলোঁ। তেতিয়া উচ্চ শিক্ষা সম্পৰ্কে আমাৰ ধ্যান-ধাৰণাও আছিল সীমিত। কলা শাখাত প্ৰ-পত্ৰ পূৰণ কৰিও মোৰ এগৰাকী মোমাইদেউৰ হস্তক্ষেপত মই বিজ্ঞান শাখাতহে ভৰ্ত্তি হৈছিলোঁ। প্ৰথম বাৰ্ষিকৰ পৰীক্ষাৰ পিছত মই কলা শাখালৈ শাখান্তৰ হৈছিলো। তাৰ পিছত স্নাতক মহলাৰ শিক্ষা সাং কৰিছিলোঁ অসমীয়া অনাৰ্চৰ ছাত্ৰ হিচাপে। বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাত দ্বিতীয় শ্ৰেণীৰ দ্বিতীয় স্থান পালো। সেই বছৰো আগৰ বছৰবিলাকৰ দৰে প্ৰথম শ্ৰেণী অসমীয়াত কোনেও পোৱা নাছিল। সেই বছৰতে বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হৈ কনিষ্ঠ গৱেষকৰ বৃত্তি লৈ গৱেষণাৰ কাম সম্পূৰ্ণ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰিলো। এতিয়া এখন মহাবিদ্যালয়ৰ প্ৰবক্তা হিচাপে নিযুক্তি হৈ আছো। আমাৰ গৱেষণা গ্ৰন্থ গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ অসমীয়া বিষয়ৰ প্ৰসংগ পুথি হিচাপে পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত হৈছে। সেয়ে মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে মোৰ উচ্চ শিক্ষা লাভৰ আকাঙ্খা পূৰণ হৈছে বুলি কব পাৰো।

সেই সময়ৰ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশৰ লগত বৰ্ত্তমানৰ অনেক প্ৰভেদ নিশ্চয় আছে। কিন্তু আমাৰ কলেজীয়া জীৱনৰ পৰা আজিলৈ প্ৰায় পচিশ বছৰ অতিবাহিত হোৱাৰ পিছতো মঙলদৈ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশৰ কিবা উল্লেখযোগ্য পৰিবৰ্ত্তন সাধিত হ'ল বুলি আমাৰ মনে নধৰে। অৱশ্যে অসমৰ প্ৰায় সকলো মহাবিদ্যালয়ৰ ক্ষেত্ৰতে এই কথা প্ৰযোজ্য।

২.উত্তৰ ঃ ১৯৭৯ চনৰ পৰা ইং ১৯৮৩ চনলৈ আমি মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ আছিলো। এই গোটেই সময়খিনি আছিল

অসম আন্দোলনৰ সময়। আন্দোলনৰ প্ৰভাৱে বিদ্যালয়-মহাবিদ্যালয় সমূহৰ শৈক্ষিক পৰিৱেশৰ বিস্তৰ ক্ষতি সাধন কৰিছিল। তাৰ মাজতে কিন্তু আমাৰ সেই সময়ৰ শিক্ষাগুৰু সকলে পাঠ্যক্ৰম সম্পূৰ্ণ কৰি দিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিল। আমি সীমিত সংখ্যক ছাত্ৰ-ছাত্ৰীহে শ্ৰেণী সমূহত উপস্থিত আছিলো। আমি তেতিয়া বি, এ চূড়ান্ত বৰ্ষৰ ছাত্ৰ। ইংৰাজী বিষয়ৰ এটি ক্লাচ লৈছিল মিনহাৰ আলি মণ্ডল চাৰে। সেইদিনা আন্দোলনৰ কোনো কাৰ্যসূচীও নাছিল। হঠাতে ছাত্ৰ সন্থাৰ বিষয়ববীয়া কেইগৰাকীমান আহি চাৰক শ্ৰেণী কোঠাৰ পৰা ওলাই আহিবলৈ বাধ্য কৰিছিল। আমি কেইজনমান ছাত্ৰ-ছাত্ৰীয়ে এই কথাৰ তীব্ৰ প্ৰতিবাদ কৰিছিলো। আমিও ছাত্ৰ সন্থাৰ লগত জড়িত সক্ৰিয় আন্দোলনকাৰী আছিলো। কিন্তু শ্ৰেণী সমূহ সদায় বন্ধ হৈ থকাতো বিচৰা নাছিলো। কিন্তু আমাৰ কথা নৰজিল। মহাবিদ্যালয়ৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ হিচাপে আমি সেই দিনা বৰ অপমানিত হৈছিলো। দুগৰাকী ছাত্ৰীয়ে কন্দা-কটাও কৰিছিল। পিছত মণ্ডল চৰে আমাক অনেক বুজনি দিছিল। কলেজীয়া জীৱনৰ এই মুহূৰ্ত্তটোৰ কথা মোৰ মনত আজিও সজীব হৈ আছে।

৩. উত্তৰ ঃ সোণালী জয়ন্তী উদ্‌যাপনৰ অংশ হিচাপে মঙলদৈ মহাবিদ্যালয়ত শৈক্ষিক দিশৰ উপৰিও উন্নয়নৰ দিশত কেইটামান উল্লেখযোগ্য কাম আমাৰ দৃষ্টি গোচৰ হৈছে। সেই সমূহৰ ভিতৰত প্ৰায় এমাহ জুৰি অনুষ্ঠিত কৰা আলোচনা চক্ৰ আৰু বক্তৃতা প্ৰদান কাৰ্য্যসূচীৰ কথা উল্লেখ কৰিব পাৰি। মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগে নিজৰ পাঠ্যক্ৰমৰ লগত সঙ্গতি ৰক্ষা কৰি অনুষ্ঠিত কৰা এই কাৰ্য্যসূচীয়ে শৈক্ষিক বাতাবৰণ সৃষ্টিত এক উল্লেখনীয় বৰঙণি যোগাইছে বুলি আমি অনুভৱ কৰিছো। মহাবিদ্যালয়ৰ প্ৰৱেশ দ্বাৰত নতুন তোৰণ নিৰ্মানৰ কাম চলি থকা দেখিছো। শ্ৰেণী কোঠা নিৰ্মাণৰ কামো হৈ আছে বুলি গম পাইছো। প্ৰেক্ষাগৃহটো এইবাৰ সম্পূৰ্ণ হ'ব বুলি আশা কৰিছো।

ভৱিষ্যত সম্পৰ্কে পৰামৰ্শ- মঙলদৈ মহাবিদ্যালয় দৰং জিলাৰ কেন্দ্ৰীয় উচ্চ শিক্ষাৰ অনুষ্ঠান। সেয়ে এই শিক্ষানুষ্ঠানখনি ছাত্ৰ-ছাত্ৰীৰ সকলো প্ৰকাৰ উৎকৰ্ষ সাধন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ সময় সমাগত। কম্পিউটাৰ চায়েন্স, ইলেক্‌টনিক চায়েন্স, মেনেজমেণ্ট আদি বিষয়ৰ উপৰিও শৰীৰ চৰ্চা, সংগীত সাধনা, পেচাগত সম্ভাৱনা থকা খেল, চাৰু কলা আদি বিষয়ৰ পাঠদানৰ ব্যৱস্থা কেনেদৰে কৰিব পাৰি তাৰ চিন্তা-চৰ্চা হোৱা উচিত বুলি আমি ভাবো। তেতিয়াহে মহাবিদ্যালয়খনিয়ে সাম্প্ৰতিক সময়ে আনি দিয়া প্ৰত্যাহ্বান গ্ৰহণ কৰি প্ৰগতিৰ দিশত খোজ দিব পাৰিব।



**শৈলেন কুমাৰ ৰাজবংশী**
প্ৰাক্তন সম্পাদক, দৰং জিলা সাহিত্য সভা

১. উত্তৰ ঃ ১৯৮৬ চনৰ পৰা ১৯৮৯ চনলৈ প্ৰতিটো ক্ষণতে মনত ৰাখি অহা-যোৱা কৰিছিলো এই জ্ঞান মন্দিৰলৈ। সোণালী জয়ন্তীৰ মধুৰতম ক্ষণত উপনীত হোৱা মহাবিদ্যালয়খনিত আমি মহাবিদ্যালয় প্ৰতিষ্ঠাৰ চতুৰ্থটো দশকৰ সময়ৰ ছাত্ৰ আছিলো। সেই সময়ৰ পৰিৱেশ আৰু এতিয়াৰ পৰিৱেশৰ মাজত পাৰ্থক্য নাই বুলি কব নোৱাৰি। এইটো সৰ্বজন বিদিত যে দিন বাগৰাৰ লগে লগে আমাৰ মহাবিদ্যালয়ৰো বিদ্যায়তনিক দিশৰ প্ৰসাৰ হৈছে। বিভিন্ন বিভাগত স্নাতকোত্তৰ অধ্যয়ন কেন্দ্ৰ মুকলি কৰাৰ লগতে কলা শাখাৰ পাঠদানৰ বাবে কোঠাৰ যি অভাৱ সেয়া সম্পূৰ্ণ নহলেও কিছু পৰিমাণে লাঘৱ, বিজ্ঞানৰ বিভিন্ন বিষয়ৰ বিজ্ঞানাগাৰ আৰু পাঠদান কক্ষৰ প্ৰসাৰ, কেৰাটাও বিজ্ঞান বিষয়ত মুখ্য পাঠ্যক্ৰমৰ পাঠদানৰ অনুমতি লাভ, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে 'ইউনিফৰ্ম' পিন্ধাৰ ব্যৱস্থা আদি পৰিৱৰ্ত্তন আমাৰ দৃষ্টি গোচৰ হৈছে। পৰিৱৰ্ত্তনৰ অন্য এটি চিন্তণীয় দিশ হ'ল- মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ আবাস।

২. উত্তৰ ঃ মহাবিদ্যালয়ৰ ছাত্ৰাৱস্থাৰ কেইবাটাও কথাই আমাক বিশেষ ভাবে আকৰ্ষণ কৰিছিল। আমাৰ অনুভৱ জ্ঞান আহৰণৰ বাবে কেৱল পাঠ্যপুথিৰ কথাবোৰেই সকলো বুলি ভাবিব নোৱাৰি। ক্ৰীড়া, কলা-কৃষ্টি, সাহিত্য, সংগীত, সুকুমাৰ কলা আদি দিশত চৰ্চাৰ সৰ্বতো প্ৰকাৰ সুবিধা এই মহাবিদ্যালয় খনিত তাহানিৰে পৰাই আছে। পঢ়িবলৈ এখন উচ্চ মানৰ বাৰ্ষিক আলোচনী, গীত-মাত নাট আদিত অংশ লবলৈ এই মহাবিদ্যালয়ত পোৱা মঞ্চখন কেতিয়াও

পাহৰিব নোৱাৰি। মহাবিদ্যালয়ৰ আলোচনীত নিজৰ লেখা প্ৰকাশ, নিজস্ব চিত্ৰাংকণ আৰু হস্তাক্ষৰেৰে মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰা, বন্ধুবৰ শশীন বৰদলৈ আৰু শৰৎ বৰাৰ সৈতে তিনিও মিলি জীৱন্ত সাপৰ খেল প্ৰদৰ্শন কৰি ভেশচন প্ৰতিযোগিতাত প্ৰথম হবলৈ পাই যি প্ৰেৰণা লভিছিলো, পিতৃ সুলভ আচৰণেৰে অধ্যাপক-অধ্যাপিকা মণ্ডলীয়ে কেৱল অসমৰে নহয় ভাৰতৰ বিভিন্ন ঠাইলৈ নি ভ্ৰমণৰ জৰিয়তে দিয়া জ্ঞান আদি বিষয়ে সেই সময়ত মনত আনন্দৰ জোৱাৰ তুলছিল।

৩.উত্তৰ ঃ সোণালী জয়ন্তী বৰ্ষত উপনীত হোৱা মহাবিদ্যালয়খনকলৈ আজি আমি গৌৰৱবোধ কৰিছো। এগৰাকী প্ৰাক্তন ছাত্ৰ হিচাপে এই গৌৰৱ সদায়ে মনত সজীৱ হৈ থাকিব। মহাবিদ্যালয়খনিৰ শৈক্ষিক আৰু উন্নয়ণৰ দিশত আৰু অধিক অগ্ৰগতি হোৱাটো আমি সদায়ে কামনা কৰো। উন্নয়ণৰ দিশত বিশেষ কিবা পৰামৰ্শ দিবলৈ আমাৰ জ্ঞানৰ পৰিসৰে ঢুকি নাপায়। তথাপিও আমি আশা ৰাখিছো, অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ বিভিন্ন বিভাগে প্ৰতিযোগিতামূলক ভাবে বিদ্যায়তনিক দিশত উন্নয়নৰ বাবে বিভিন্ন কাৰ্য্যসূচী গ্ৰহণ, বিষয় ভিত্তিক গ্ৰন্থ প্ৰকাশ আদিৰ এক আন্দোলন গঢ়ি তোলাৰ দৰে আমাৰ মহাবিদ্যালয়েও এই দিশত বিশেষভাবে আগভাগ লব লাগে। উন্নত পাঠদান, গ্ৰন্থগাৰৰ সা-সুবিধা, বিজ্ঞানাগাৰৰ আকৰ্ষণীয়তা বৃদ্ধি, সাহিত্য-সংস্কৃতি, কলা-কৃষ্টি, ক্ৰীড়া আদি সকলো দিশৰে উন্নয়নৰ জৰিয়তে সকলোৰে সহায়-সহযোগত দৰঙৰ অতি পুৰণি উচ্চ শিক্ষাৰ এই অনুষ্ঠান খনিৰ সৰ্বাঙ্গ সুন্দৰ ৰূপত প্ৰতিষ্ঠিত হওক। শেহতীয়াকৈ 'নাক' (NACC) ৰ মূল্যায়নত আমাৰ মহাবিদ্যালয় বিশেষ স্থান লাভ কৰক এয়াই সোণালী জয়ন্তীৰ শুভক্ষণৰ কামনা।


আমিনুৰ ৰহমান

চিভিল জাজ, (কনিষ্ঠ বিভাগ) নং-১, কৰিমগঞ্জ


১নং প্ৰশ্নৰ উত্তৰ ঃ- নিশ্চয় ভাবো। কিয়নো মঙলদৈ মহাবিদ্যালয়তেই মই উচ্চতৰ মাধ্যমিক (বিজ্ঞান) আৰু বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰম সম্পূৰ্ণ কৰো আৰু মই মোৰ বৰ্তমান অবস্থানত উপনীত হ'বলৈ সক্ষম হওঁ। মঙলদৈ মহাবিদ্যালয়ত অধ্যয়ন কৰি লাভ কৰা বিজ্ঞান স্নাতক (মেজৰ) ডিগ্ৰীয়েই হৈছে মোৰ পৰৱৰ্তী সময়ত লাভ কৰা উচ্চ শিক্ষাৰ ভেটি আৰু কৰ্মজীৱনৰ কাৰণ।

শৈক্ষিক পৰিৱেশ বুলি কলে বহু দিশেই সামৰিলোৱা হয়। সেই সময়ৰ মহাবিদ্যালয় খনৰ শৈক্ষিক পৰিৱেশৰ লগত বৰ্তমান পৰিৱেশৰ প্ৰভেদ বিদ্যমান। কিয়নো বৰ্তমান ব্যৱস্থাত মহাবিদ্যালয়খনৰ বিভাগীয় শিক্ষকৰ সংখ্যা, শিক্ষণ পদ্ধতিৰ সা-সৰঞ্জাম (Laboratory-facility etc.) ইত্যাদি বুজন পৰিমানে আছে। যাৰ বাবে নেকি এজন regular and Science ছাত্ৰই মনে ভবা ধৰণে কৃতকাৰ্য্য লাভ কৰিবলৈ উজু হ'ব। কিন্তু আমাৰ সময়ত বৰ্ত্তমান থকা প্ৰায়বোৰ সুবিধা নাছিল আৰু থকা খিনিও তাকৰীয়া আছিল।

২নং প্ৰশ্নৰ উত্তৰ ঃ- মোৰ চিৰশ্ৰদ্ধাৰ মহাশয় সকলৰ পৰা অধ্যয়নত নিজকে অধিক মনোনিবেশ কৰাৰ ক্ষেত্ৰত পোৱা অনুপ্ৰেৰণা, সহায়-সহযোগিতা আৰু স্নেহ।

১৯৮৮ চনত ব্যৱহাৰিক ৰসায়ন বিজ্ঞানৰ (মেজৰ) স্নাতক ১ম খণ্ডৰ ব্যৱহাৰিক পৰীক্ষা প্ৰায় এমাহ দেৰিকৈ আৰম্ভ হৈছিল। সেয়েহে মনত অলপ ভয় লাগিছিল। আমি মুঠতে ৬ জন ৰসায়ন বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰী আছিলো। ব্যৱহাৰিক পৰীক্ষাৰ প্ৰথম দিনাখন, সেইসময়ৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় অব্দুল মজিদ ছাৰে আহি আমাক কৈছিল, "ভয় নাই ভয়, নহয় ক্ষয়", অধ্যক্ষ মহোদয়ৰ উক্ত কথাই আমাক বৰ আমোদ দিছিল আৰু আমি সুন্দৰকৈ ব্যৱহাৰিক পৰীক্ষাত অবতীৰ্ণ হৈছিলো।

৩নং প্ৰশ্নৰ উত্তৰ ঃ- সোনালী জয়ন্তী গৰকা মহাবিদ্যালয় খনে শৈক্ষিক আৰু উন্নয়নৰ দিশত যথেষ্ট পৰিমানে আগবাঢ়িছে।

নিসন্দেহে ক'ব পাৰো যে, বৰ্ত্তমান মহাবিদ্যালয় খনৰ উন্নয়ন দ্ৰুত গতিত আগবাঢ়িছে। উদাহৰণ স্বৰূপে Seperate Depeartmental building, Science laboratory বিলাকৰ উন্নয়ন, ছাত্ৰ-ছাত্ৰীৰ বাবে Hostel, Canteen, bicycle stand ইত্যাদি।

শৈক্ষিক উন্নয়ন সাধাৰণতে ছাত্ৰ-ছাত্ৰীৰ কৃতকাৰ্য্যতাৰ লগত জড়িত। এই ক্ষেত্ৰত মই ভাবো যে আমাৰ মহাবিদ্যালয়ে কিছু পদক্ষেপ ল'ব লাগিব (শিক্ষক আৰু ছাত্ৰ দুয়ো ফালৰ পৰাই) যাত আমাৰ Quality Education উন্নতিৰ পিনে অধিক আগবাঢ়ে।

অদূৰ ভৱিষ্যতে, আমাৰ মহাবিদ্যালয় খনে Computer Electronics, Environmental Science ইত্যাদি বিষয়ৰ পাঠ্যক্ৰম Introduce কৰিলে, ছাত্ৰ-ছাত্ৰীৰ বাবে ভাল হ'ব।

# অসমীয়া বিভাগ

বিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ প্ৰাৰম্ভণিতে জন্মলাভ কৰা মঙলদৈ মহাবিদ্যালয় দৰং জিলাৰ একমাত্ৰ কলা আৰু বিজ্ঞানৰ পূৰ্ণ পৰ্য্যায়ৰ উচ্চ শিক্ষানুষ্ঠান। এই মহাবিদ্যালয়ত এতিয়া উচ্চ শিক্ষা আভিলাষী ছাত্ৰ-ছাত্ৰী সকলে নিজৰ অভিপ্ৰায় আৰু অভিৰুচিৰে বিষয় (Subject) লৈ অধ্যয়ন কৰিবলৈ সুবিধা পাইছে। অসমীয়া বিষয়টো শিক্ষানুষ্ঠান খনিৰ বৰ্ত্তমান প্ৰচলিত পাঠ্যক্ৰমৰ এটা প্ৰধান বিষয়। মহাবিদ্যালয় প্ৰতিষ্ঠা কালৰে পৰা বিশ্ববিদ্যালয়ৰ নিয়ম অনুযায়ী অসমীয়া (অধুনিক ভাৰতীয় ভাষা) আৰু ঐচ্ছিক অসমীয়া এই দুয়োটা বিষয় প্ৰৱৰ্তন কৰা হৈছিল। অসমীয়া বিভাগৰ অধ্যাপক-অধ্যাপিকা সকলে দুয়োটা বিষয়ৰে পাঠদান কৰি আহিছে। অসমীয়া বিষয়টো বাধ্যতামূলক বিষয় হিচাপে প্ৰাক-বিশ্ববিদ্যালয় (Pre-University), এতিয়াৰ উচ্চতৰ মাধ্যমিক আৰু স্নাতক কলা শাখাৰ সকলো ছাত্ৰই অধ্যয়ন কৰে।

**সন্মান (Honours)/গুৰু পাঠ্যক্ৰম (Major) ঃ**

১৯৬৫ চনত অসমীয়া বিষয়ৰ সন্মান (Honours) পাঠ্যক্ৰম আৰম্ভ কৰা হৈছিল। ১৯৮৪ চনৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ নতুন নিয়ম অনুসৰি সন্মানৰ (Honours) পৰিবৰ্তে তিনিবছৰীয়া গুৰু (Major) পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। অসমীয়া বিভাগত আশীৰ দশকলৈ সন্মান/গুৰু পাঠ্যক্ৰমৰ আসন সীমিত আছিল। বৰ্ত্তমান গুৰু পাঠ্যক্ৰমৰ আসনৰ সংখ্যা বৃদ্ধি পাইছে আৰু ৮০ (আশী) গৰাকী ছাত্ৰ-ছাত্ৰীক মেজৰ পাঠাক্ৰম অধ্যয়ন কৰিবলৈ সুবিধা দিব পৰা গৈছে।

**বিভাগৰ অধ্যাপক-অধ্যাপিকা ঃ**

অসমীয়া বিভাগত আৰম্ভণিৰ পৰা ১৯৫৬ চনলৈ অংশ কালীন অধ্যাপক হিচাপে প্ৰথমে অধ্যাপনা কৰিছিল ভৱানন্দ ৰাজখোৱা। আন এগৰাকী অধ্যাপক আছিল শ্ৰীহিৰেণ বৈশ্য দেৱে। তেখেতে ১৯৬১ চনলৈ এই বিভাগত অধ্যাপনা কৰিছিল। ইয়াৰ পিছত শ্ৰীনাৰায়ণ চন্দ্ৰ দাসদেৱে অসমীয়াৰ অধ্যাপক হিচাপে যোগদান কৰিছিল। সংস্কৃত বিভাগৰ প্ৰাক্তন মুৰব্বী, সাহিত্য একাডেমী বঁটা বিজয়ী শ্ৰীযুত প্ৰভাত চন্দ্ৰ শৰ্মাদেৱেও কিছুদিনৰ বাবে পাঠদান কৰিছিল। বঙালী বিভাগৰ এগৰাকী অধ্যাপক শ্ৰীবনেন্দু সেনেও পাঠদান কৰিছিল। ইয়াৰ পিছত ড° উষা বৰা (মুৰব্বী অধ্যাপিকা), ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱা (মুৰব্বী অধ্যাপক), শ্ৰীজীবন চন্দ্ৰ শৰ্মা আৰু ইদ্ৰিছ আলি (মুৰব্বী অধ্যাপক) য়ে অসমীয়া বিভাগত নিষ্ঠাৰে অধ্যাপনা কৰি অৱসৰ গ্ৰহণ কৰিছে। অৱসৰ গ্ৰহণ কৰিবলৈ মাত্ৰ ৫ (পাঁচ) বছৰ বাকী থকা অৱস্থাত অধ্যাপিকা নাহাৰুণ নেচাৰ বিয়োগ ঘটে। অকালতে দেহাৱসান ঘটা প্ৰয়াত খগেন্দ্ৰ নাৰায়ণ কোঁৱৰে মাত্ৰ ৩ (তিনি) বছৰ অধ্যাপনা কৰিছিল। বৰ্তমান এই বিভাগৰ অধ্যাপক-অধ্যাপিকাসকল হ'ল- শ্ৰীডিম্বেশ্বৰ বৰুৱা (মুৰব্বী অধ্যাপক), শ্ৰীমতী বনানি চক্ৰৱৰ্তী, ড° বিজয় কুমাৰ শৰ্মা, শ্ৰীমতী বৰ্ণালী কলিতা, শ্ৰীমতী ৰূপজ্যোতি বৰুৱা আৰু শ্ৰীমতী সৰযূ প্ৰিয়া দেৱী। ১৯৭১ চনৰ পৰা বাংলা বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰমেন কুমাৰ ৰায়ে স্নাতক তৃতীয় বাৰ্ষিকৰ সন্মান, এতিয়াৰ গুৰু পাঠ্যক্ৰমৰ পাঠদান কৰি আহিছে।

**স্নাতকোত্তৰ শ্ৰেণী ঃ**

১৯৯৫ চনৰ পৰা অসমীয়া বিভাগত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুমতি সাপেক্ষে অসমীয়া বিষয়ৰ স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰা হৈছে। ২০০১ চনলৈ স্নাতকোত্তৰ শ্ৰেণীৰ আসনৰ সংখ্যা আছিল ৫০ (পঞ্চাশ) খন। ২০০২ চনৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিৰ্দেশমৰ্মে ৩০ (ত্ৰিশ) খন আসনেৰে চেমিষ্টাৰ (Semester) পদ্ধতিৰ নতুন পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। স্নাতকোত্তৰ শ্ৰেণীত আৰম্ভণিৰে পৰা বিভাগৰ নিয়মীয়া অধ্যাপক-অধ্যাপিকা সকলে পাঠদান কৰি আহিছে। ইয়াৰ উপৰিও বৰ্তমান আন পাঁচ গৰাকী অধ্যাপকে নিয়মীয়াভাৱে পাঠদান কৰি আছে। তেখেতসকল হ'ল- শ্ৰীজীবন চন্দ্ৰ শৰ্মা, ড° ৰমেন কুমাৰ ৰায়, শ্ৰীতৰুণ চন্দ্ৰ শৰ্মা, শ্ৰীমণিমুগ্ধ বৰঠাকুৰ আৰু ইদ্ৰিছ আলি। শ্ৰীমতী সৰযূ প্ৰিয়া দেৱী, শ্ৰীপ্ৰসন্ন কুমাৰ নাথ, ড° ৰজিতা কলিতা আৰু শ্ৰীহাঁহিৰাম নাথে অংশকালীন ভাৱে অধ্যাপনা কৰি স্নাতকোত্তৰ শ্ৰেণীৰ পাঠদানত সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছে।

**বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঃ**

মহাবিদ্যালয়ৰ স্নাতক বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীৰ বাহিৰে আনকেইটা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে চূড়ান্ত পৰীক্ষাত অসমীয়া বিষয়ত পৰীক্ষা দিয়াটো বাধ্যতামূলক। ছাত্ৰ-ছাত্ৰীৰ এই বিষয়ৰ পৰীক্ষাৰ ফলাফল যথেষ্ট সন্তোষজনক। আশীৰ দশকলৈ কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে সন্মান/গুৰু/পাঠ্যক্ৰমত অভিপ্সীত ফল লাভ কৰিছে। ১৯৮৮ চনত বিভাগৰ ছাত্ৰ শ্ৰীকনক চন্দ্ৰ চহৰীয়াই স্নাতক চূড়ান্ত পৰীক্ষাত অসমীয়া বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিছে। ইয়াৰ উপৰিও বিগত শৈক্ষিক বৰ্ষ কেইটাত ভালেমান প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া গুৰু পাঠ্যক্ৰম অধ্যয়ন কৰি চূড়ান্ত পৰীক্ষাত উন্নতমানৰ ফল লাভ কৰিছে। স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল উৎসাহজনক। ২০০২ চনলৈ মুঠ ১৫৬ গৰাকী ছাত্ৰ-ছাত্ৰী চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বিপৰীতে মুঠ ১১৩ গৰাকী উত্তীৰ্ণ হৈছে। ইয়াৰ ভিতৰত ২০০২ চনৰ চূড়ান্ত পৰীক্ষাত শ্ৰীমতী জুনজুন ঠাকুৰীয়াই U.G.C. য়ে নিৰ্ধাৰণ কৰা নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে।

**বিভাগৰ শৈক্ষিক উন্নয়নৰ অন্যান্য দিশ ঃ**

সোণালী জয়ন্তী বৰ্ষত উপনীত হোৱা মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগত শৈক্ষিক বাতাৱৰণৰ উন্নতি সাধনৰ বাবে বিভাগৰ তৰফৰ পৰা অধিক গুৰুত্ব আৰোপ কৰি অহা হৈছে। কৰ্তৃপক্ষৰ নিৰ্দেশ মৰ্মে ২০০১ চনৰ জানুৱাৰী মাহৰ ২ তাৰিখৰ পৰা মহাবিদ্যালয়ৰ ছাত্ৰাবাসৰ গৃহত গুৰু (Major) আৰু স্নাতকোত্তৰ শ্ৰেণীৰ পাঠদান কাৰ্য্য চলাই থকা হৈছে, লগতে বিভাগীয় কাৰ্যালয়, শিক্ষক জিৰণি কোঠা আৰু বিভাগীয় পুথিভঁড়ালৰ সুকীয়া ব্যৱস্থা কৰা হৈছে। মহাবিদ্যালয়ৰ পৰা যোগান ধৰা পুথি, বিভাগীয় অধ্যয়ন চক্ৰৰ জৰিয়তে ক্ৰয় কৰা পুথি, বিভাগৰ অধ্যাপিক-অধ্যাপিকা আৰু অন্যান্য ব্যক্তিয়ে আগবঢ়োৱা পুথি আৰু প্ৰয়োজনীয় সৰঞ্জামেৰে বিভাগীয় পুথিভঁড়ালটো গঢ়ি তোলা হৈছে। পুথিভঁড়ালটোলৈ বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা ড° উষা বৰাই তেখেতৰ স্বামী মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ প্ৰয়াত ড° পূৰ্ণ চন্দ্ৰ বৰাৰ সোঁৱৰণত মুঠ ১০,০০০.০০ (দহ হেজাৰ) টকাৰ কিতাপ আৰু আলমিৰা এটি আগবঢ়াই বিভাগৰ পৰম উপকাৰ সাধন কৰিছে। এই পুথিভঁড়ালৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথি আৰু প্ৰসঙ্গ পুথি পঢ়িবলৈ ধাৰ দি অহা হৈছে।

ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সাহিত্য সংস্কৃতিৰ চৰ্চা আৰু প্ৰতিভা বিকাশৰ উদ্দেশ্য আগত ৰাখি ১৯৯৮ চনত বিভাগীয় অধ্যয়ন চক্ৰ এটি খোলা হৈছে। ইয়াৰ জৰিয়তে সাহিত্য-সংস্কৃতিৰ চৰ্চা, সাহিত্য প্ৰতিযোগিতা আৰু বাৰ্ষিক আলোচনা চক্ৰ, ছাত্ৰ-শিক্ষকৰ প্ৰীতি সন্মিলন আদি অনুষ্ঠিত কৰি অহা হৈছে। ইয়াৰ উপৰিও প্ৰতিটো শৈক্ষিক বছৰত বিভাগৰ তৰফৰ পৰা শিক্ষামূলক ভ্ৰমণ আৰু বনভোজৰ ব্যৱস্থা কৰি বিভাগৰ বিদ্যায়তনিক দিশৰ উন্নতিৰ বাবে প্ৰয়াস কৰা হৈছে। এই বছৰ 'কুঁহিপাত' নামেৰে এখনি প্ৰাচীৰ পত্ৰিকাও স্থাপন কৰি ছাত্ৰ-ছাত্ৰীৰ সাহিত্য প্ৰতিভা আৰু বৌদ্ধিক বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগটি এটি ঐতিহ্যপূৰ্ণ বিভাগ। এই বিভাগটোৰ বিভিন্ন দিশৰ বিষয়ে আলোকপাত কৰাৰ যথেষ্ট স্থল আছে। বিশেষকৈ সম্পূৰ্ণ তথ্যসহ বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা, পৰীক্ষাৰ ফলাফল আদি দাঙি ধৰাটো বাঞ্ছনীয় যদিও এই ক্ষেত্ৰত পূৰ্বৰ তথ্যৰ অভাৱৰ বাবে সেইটো সম্ভৱ নহ'ল। বিভাগটোৰ মুৰব্বী অধ্যাপক হিচাপে মাত্ৰ তিনিটা বছৰৰ অভিজ্ঞতাৰে বিভাগটোৰ উন্নতিৰ বাবে সাধ্যানুসাৰে কাম কৰি অহা হৈছে। এই ক্ষেত্ৰত বিভাগৰ প্ৰতিগৰাকী সহকৰ্মী অধ্যাপক-অধ্যাপিকাই আগবঢ়াই অহা সহায়-সহযোগিতাৰ কথা অনস্বীকাৰ্য আৰু প্ৰশংসনীয়। বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ অধ্যৱসায় আৰু শ্ৰদ্ধা ভক্তিৰ কথা আমাৰ মনত সদা স্মৰণীয় হৈ ৰ'ব। আহি থকা দিনবোৰত মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগটো সামগ্ৰিক দিশৰপৰা সুন্দৰ হৈ উঠক এয়াই আমাৰ আশা।

ডিম্বেশ্বৰ বৰুৱা
বিভাগীয় মুৰব্বী

# অৰ্থনীতি বিভাগ

সোণালী বৰ্ষ গৰকা মঙলদৈ মহাবিদ্যালয়খনিয়ে বিদ্যায়তনিক দিশত নিসন্দেহে দৰঙবাসীক আগবঢ়াই নিয়াত প্ৰভূত বৰঙণি যোগাই আহিছে। ১৯৫১ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে জ্ঞানৰ বন্তি স্বৰূপ এই পবিত্ৰ বিদ্যামন্দিৰটিৰ পাঠদানৰ শুভাৰম্ভ কৰা হয় মঙলদৈ পাব্লিক লাইব্ৰেৰীত। আৰম্ভনি পৰ্য্যায়ত ইংৰাজী, পৌৰবিজ্ঞান, অসমীয়া, বেংগলী, বুৰঞ্জী, তৰ্কশাস্ত্ৰ, সংস্কৃত, আৰু পাৰ্চিয়ান বিষয় কেইটিৰ অন্তৰ্ভুক্তিৰে পাঠদান কাৰ্য চলোৱা হয়।

ইণ্টাৰমিডিয়েট শাখাত অৰ্থনীতি বিষয়টি পৌৰ বিজ্ঞান হিচাপে পৰিগণিত হৈছিল। ১৯৬২ চনত ইণ্টাৰমিডিয়েট শাখাৰ পৌৰবিজ্ঞান বিষয়টি অৰ্থবিজ্ঞান হিচাপে আই.এ./পি.ইউ শাখাত অন্তৰ্ভুক্তি কৰা হয়। অৰ্থনীতি বিষয়টি স্নাতক পৰ্য্যায়ত অন্তৰ্ভুক্ত হোৱাত বেংকসেৱা, জীৱন বীমা নিগম, পৰিকল্পনা, অৰ্থনীতি আৰু পৰিসংখ্যা আদি গুৰুত্বপূৰ্ণ বিষয়ত ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিব পৰা হ'ল। মহাবিদ্যালয় প্ৰতিষ্ঠাৰ সময়ত অৰ্থবিজ্ঞানৰ পাঠ দান কৰিছিল প্ৰতিষ্ঠাপক অধ্যক্ষ মাননীয় পুৰন্দৰ শৰ্মাদেৱে আৰু প্ৰতিষ্ঠাপক সম্পাদক মাননীয় ৰামেশ্বৰ শৰ্মাদেৱে। ১৯৫২ চনত মাননীয় শ্ৰী কৰুণা কান্ত শৰ্মাই অৰ্থবিজ্ঞানৰ অধ্যাপক হিচাপে যোগদান কৰে কিন্তু অধিক সুবিধা হেতু ১৯৫৬ চনত মঙলদৈ কলেজৰ পৰা গুচি যায়।

১৯৫৬ চনত মাননীয় আব্দুল মজিদ দেৱে যোগদান কৰে আৰু কিছুদিন পৌৰ বিজ্ঞানৰ পাঠদান আগবঢ়ায়। শ্ৰদ্ধাৰ মজিদদেৱে ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী, উপাধ্যক্ষ আৰু অধ্যক্ষ হিচাপেও সুখ্যাতিৰে কাৰ্য্যনিৰ্বাহ কৰে। ১৯৫২ চনৰ পৰা ১৯৫৯ চনলৈ শ্ৰদ্ধেয় এন. কে. দাসগুপ্তাকে ধৰি আনকেইগৰাকী মান মাননীয় শিক্ষকে পৌৰ বিজ্ঞান বিষয়ৰ পাঠদান কৰিছিল যদিও মঙলদৈ কলেজ এৰি গুচি যায়।

কলেজত স্নাতক পাঠ্যক্ৰম আৰম্ভ কৰাৰ লগে লগেই মাননীয় শ্ৰীগোপীনাথ শৰ্মাদেৱে অৰ্থনীতি বিষয়ৰ নিয়মীয়া শিক্ষক হিচাপে ১৯৬০ চনত যোগদান কৰি বিভাগীয় মুৰব্বীৰ উপৰিও ১৯৯২ চনত ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব গ্ৰহণেৰে অৱসৰ গ্ৰহণ কৰে। মাননীয় শ্ৰীকুমুদ চন্দ্ৰ সন্দিকৈদেৱে ১৯৬৩ চনত যোগদান কৰি ১৯৯৬ চনত অৱসৰ গ্ৰহণ কৰে।

মাননীয় খৰ্গেশ্বৰ গোস্বামীদেৱে ১৯৬৫ চনত বিভাগৰ শিক্ষক হিচাপে যোগদান কৰি ১৯৯৪ চনত অৱসৰ গ্ৰহণ কৰে। সুদীৰ্ঘকাল অধ্যাপনাৰ যোগে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সমাদৰ লাভ কৰা কৃতী শিক্ষক খৰ্গেশ্বৰ গোস্বামীদেৱে অৱসৰৰ কিছুবছৰ পিছতেই ইহলীলা সম্বৰণ কৰে।

অৰ্থনীতি বিষয়ত ১৯৬৬-৬৭ বৰ্ষতহে অনাৰ্ছ পাঠ্যক্ৰম আৰম্ভ কৰা হয়। শ্ৰীদেৱেন্দ্ৰদেৱ শৰ্মাই অৰ্থনীতি বিষয় সহ কলেজৰ ভিতৰতে প্ৰথম ডিষ্টিংছন সহ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ উপৰিও অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হয়।

১৯৭২ চনত মাননীয় শ্ৰীভূদেৱ বসুমতাৰীয়ে অৰ্থনীতি বিষয়ত সন্মানসহ সুখ্যাতিৰে স্নাতক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ উপৰিও অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাতো প্ৰথম শ্ৰেণীৰ ১ম স্থান অধিকাৰ কৰি কলেজ তথা দৰংবাসীলৈয়ো গৌৰৱ কঢ়িয়াই আনি অসম প্ৰশাসনীয় সেৱাত দক্ষতাৰে কাৰ্য্যনিৰ্বাহ কৰি আছে। মঙলদৈ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ কেইবাগৰাকী ছাত্ৰই সুখ্যাতিৰে উত্তীৰ্ণ হৈ বৰ্ত্তমানে মহাবিদ্যালয়ৰ শিক্ষক, ৰাজ্যিক পৰ্য্যায়ৰ প্ৰশাসনীয় বিষয়া, বেংক, ভাৰতীয় জীৱন বীমা নিগমৰ কৰ্মচাৰী আদি বিভিন্ন পদত থাকি নিজৰ প্ৰতিভা আৰু দক্ষতাৰে সমাজলৈ সেৱা আগবঢ়াই আহিছে।

বহুতো অভাৱ-অভিযোগৰ মাজেৰে মঙলদৈ মহাবিদ্যালয়ৰ অৰ্থনীতি সন্মান মেজৰ পাঠ্যক্ৰমত ইতিমধ্যে কেইজনমান ছাত্ৰই প্ৰথম শ্ৰেণী পোৱাটো সমগ্ৰ দৰংবাসীৰ বাবে গৌৰৱৰ কথা। বৰ্ত্তমানৰ বিভাগীয় শিক্ষা আমাৰ মৰমৰ ছাত্ৰ শ্ৰীসন্তোষ বৰকাকতিয়ে স্নাতক পৰীক্ষাত ১৯৯৩ চনত ডিষ্টিংছন সহ প্ৰথম শ্ৰেণী উত্তীৰ্ণ হৈ আমাৰ গৌৰৱ আনিছে। এইবাৰো স্নাতক

পৰীক্ষাত (১৯৯৩) শ্ৰীমান চন্দন শৰ্মাই ডিষ্টিংছন সহ প্ৰথম শ্ৰেণীৰ চতুৰ্থ স্থান দখল কৰি নিজৰ লগতে মহাবিদ্যালয় তথা বিভাগৰে সুনাম কঢ়িয়াই আনিছে।

ভাষাৰ মাধ্যম সমস্যাই আমাৰ ছাত্ৰ-ছাত্ৰী সকলক অলপ অসুবিধাত পেলায় যদিও অৰ্থনীতি বিষয়ৰ গুৰুত্বলৈ লক্ষ্য ৰাখি সেই অসুবিধা অতিক্ৰম কৰিবলৈ আমাৰ ছাত্ৰ-ছাত্ৰীসকল অধিক সক্ষম হ'ব বুলি আশা কৰিছো। অদূৰ ভৱিষ্যতে আৰু অধিক সময়োপযোগী পদক্ষেপ গ্ৰহণেৰে বিভাগটিৰ উত্তৰণত সহায় কৰিবলৈ আমি সকলোৱে যত্নপৰ হ'ব লাগিব।

অৰ্থনীতি বিভাগৰ মুৰব্বী হিচাপে মাননীয় শ্ৰীগোপীকান্ত শৰ্মা দেৱে কাৰ্য্যনিৰ্বাহ কৰি অবসৰ গ্ৰহণ কৰাৰ পিছত শ্ৰদ্ধেয় শ্ৰীকুমুদ চন্দ্ৰ সন্দিকৈদেৱ আৰু শ্ৰীশৰৎ চন্দ্ৰ শৰ্মাদেৱে বিভাগীয় মুৰব্বীৰ দায়িত্ব গ্ৰহণ কৰি বিভাগৰ ভেটি সুদৃঢ় কৰি থৈ যায়। বৰ্তমানে বিভাগীয় মুৰব্বী হিচাপে থকা এই লেখকৰ লগতে শ্ৰীমতী চন্দ্ৰমা গোস্বমী, শ্ৰীসন্তোষ বৰকাকতি আৰু শ্ৰীউমেশ চন্দ্ৰ শৰ্মাই শিক্ষক হিচাপে নিষ্ঠাসহকাৰে পাঠদান কাৰ্য্য চলাই আছে।

বৰ্ত্তমানে অৰ্থনীতি বিষয়টিত সময়ৰ লগত খাপমিলাই নিওতে অংকৰ অৰ্ন্তভুক্তি কৰিবলগীয়া হোৱাৰ লগতে বিজ্ঞান ছাত্ৰৰ সংখ্যা বৃদ্ধিৰ বাবে আৰু অধিক শিক্ষকৰ প্ৰয়োজন আমি বাৰুকৈয়ে উপলব্ধি কৰিছো। আশা ৰাখিছো আমাৰ সেই অভাৱ অতিশীঘ্ৰে দূৰ হ'ব।

জয়তু মঙলদৈ মহাবিদ্যালয়, জয়তু অৰ্থনীতি বিভাগ।

শ্ৰীপৰেশ কুমাৰ শৰ্মা
বিভাগীয় মুৰব্বী

# আৰবী বিভাগ

দৰং জিলাত অতীজৰে পৰা আৰবী শিক্ষাৰ প্ৰচলন আছিল যদিও সেই শিক্ষা ধৰ্মীয় মোক্তাব-মাদ্ৰাছাতে সীমাবদ্ধ হৈ আছিল আৰু এই শিক্ষা পদ্ধতিও আছিল সম্পূৰ্ণ ধৰ্মীয় শিক্ষা। স্বাধীনোত্তৰ কালত জিলাখনৰ বিভিন্ন ঠাইত প্ৰতিষ্ঠা লাভ কৰা এম. ই মাদ্ৰাছা, হাই মাদ্ৰাছা, উচ্চ মাধ্যমিক বিদ্যালয় আদিত আৰবী ভাষা পঢ়োৱাৰ ব্যৱস্থা প্ৰচলন হয়। কিন্তু উচ্চতৰ মাধ্যমিক আৰু মহাবিদ্যালয় পৰ্যায়ত আৰবী ভাষাৰ শিক্ষা দানৰ ব্যৱস্থা হোৱা নাছিল।

মঙলদৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ ১২ মাৰ্চ, ১৯৭৮ চনত বহা সভাৰ দ্বিতীয় প্ৰস্তাৱ মৰ্মে ১৯৭৮-৭৯ শিক্ষাবৰ্ষৰ পৰা এই মহাবিদ্যালয়ত প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীত আৰবী বিষয় খোলাৰ সিদ্ধান্ত লোৱা হয়। সেইমৰ্মে ১৯৭৯ চনৰ ১৭ছেপ্তেম্বৰ তাৰিখে প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীৰ কলা-শাখাৰ প্ৰথম বাৰ্ষিকত আৰবী ভাষা শিক্ষা দানৰ শুভাৰম্ভণি কৰা হয়।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা উক্ত শ্ৰেণীত আৰবী বিষয় খোলাৰ অনুমতি আৰু অসম চৰকাৰৰ পৰা কনকাৰেন্চ লাভৰ প্ৰক্ৰিয়া অব্যাহত থাকে যদিও সেই সময়ত চলা অসম আন্দোলনৰ বাবে উক্ত কাৰ্যসমূহ সমাধা হোৱাত বিলম্ব হয়। ইপিনে চৰকাৰে ১৯৮৪ চনৰ পৰা প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীৰ সৃষ্টি কৰে। ফলত ১৯৮৩ চনতহে মঙলদৈ মহাবিদ্যালয়ৰ বাবে চৰকাৰে মঞ্জুৰী প্ৰদান কৰে।

গুৱাহাটী বিশ্ববিদ্যালয়ে উক্ত বিষয়ত গুৰু পাঠ্যক্ৰম পঢ়োৱাৰ অনুমতি প্ৰদান কৰিছে যদিও চৰকাৰৰ কনকাৰেন্চ

আৰু অন্যান্য যাৱতীয় কাম সমাধা হ'ব বাকী আছে। ইতিমধ্যে মঙলদৈ মহাবিদ্যালয়ৰ আৰবী বিভাগত অধ্যয়ণ কৰি সাধাৰণ আৰু গুৰু পাঠ্যক্ৰমৰ পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ উচ্চ শিক্ষা লাভ কৰিছে। ইয়াৰে একাংশ ছাত্ৰ-ছাত্ৰীয়ে উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক আৰু মহাবিদ্যালয়ত নিযুক্তি লাভ কৰিছে।

মঙলদৈ মহাবিদ্যালয়ৰ আৰবী বিভাগৰ বৰ্ত্তমান কৰ্মৰত প্ৰবক্তা হ'ল-

জামালুদ্দিন আহমেদ, বিভাগীয় মুৰব্বী।

মহঃ আচেৰুদ্দিন, জ্যেষ্ঠ প্ৰবক্তা।

মহঃ আবুল কাছেম, প্ৰবক্তা।

# ইংৰাজী বিভাগ

এই বিভাগটিয়ে মঙলদৈ কলেজৰ জন্ম লগ্নৰে পৰাই পাঠদানৰ কাৰ্যৰত হৈ আছে। বিভিন্ন অনিশ্চয়তাৰ পাছত ১৯৯১-৯২ চনৰ পৰা স্নাতক শ্ৰেণীৰ গুৰু পাঠ্যক্ৰমৰ পাঠদান চলি আছে। এই বিভাগৰ পৰা গুৰু পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণ কৰি কৃতী ছাত্ৰ-ছাত্ৰীয়ে আজি অসমৰ বিভিন্ন পৰ্য্যায়ৰ শিক্ষানুষ্ঠানকে আদি কৰি ৰাজ্যচৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰৰ অনুষ্ঠান প্ৰতিষ্ঠানতো কৰ্মৰত হৈ আছে। এই বিভাগৰ গুৰু পাঠ্যক্ৰমৰ পৰীক্ষাৰ্থী সকলৰ ভিতৰত প্ৰায় শতকৰা ২০ জন ২য় শ্ৰেণীৰ সন্মান সহ উত্তীৰ্ণ হৈছে। শিক্ষাদানৰ উপৰিও বিভাগটোৰ কেইবাগৰাকীও প্ৰবক্তাই গবেষণা কাৰ্য্যত নিয়োজিত হৈ আছে। নিহাৰ ৰঞ্জন মিশ্ৰই "KAMAKHYA : A Socio-Cultural Study" বিষয়ত পি. এইচ. ডি উপাধি লাভ কৰে। ৰুণজুন দেৱীয়ে "Jawaharlal Nehru : As A Man of Letters" বিষয়ত বৰ্ত্তমানে গৱেষণা কৰি আছে।

বিভিন্ন অসুবিধাৰ মাজতো এই বিভাগত- ৰামেশ্বৰ শৰ্মা, সত্যেশ দাসগুপ্ত, সতেন্দ্ৰ মোহন বসু, বকদুল আলী, হৃদয় ৰঞ্জন দাস, কে. এম পাণিকৰ, টি. চি. ৰষ্ট'গী, শ্ৰীমতী উশাচী ঘোষ, জিতেন চক্ৰৱৰ্তী, এচ. এন.নাগ, ড° বেবী আব্ৰাহাম, শ্ৰীইব্ৰাহিম খান, অৰবিন্দ কুমাৰ সেন, শশীভূষণ লাল কৰ্ণ, শ্ৰীমতী বিজয়া চক্ৰৱৰ্ত্তী, শ্ৰীমিনহাৰ আলী মণ্ডল, শ্ৰীভাৰত চন্দ্ৰ শৰ্মা, শ্ৰীহৰিহৰ শৰ্মা, শ্ৰীমতী আৰুনাভা ভূঁএগ, শ্ৰীমতী বৈশালী মেধি, শ্ৰীআচিফ ইব্ৰাহিম, শ্ৰীঅভিজ্ঞান প্ৰসাদ আদিয়ে পাঠদান কৰিছিল।

বৰ্তমান বিভাগৰ কৰ্মৰত অধ্যাপক-অধ্যাপিকা হ'ল- ড° নিহাৰ ৰঞ্জন মিশ্ৰ, শ্ৰীমনিমুদ্ধ বৰঠাকুৰ, শ্ৰীমতী ৰুণজুন দেৱী আৰু শ্ৰীমতী ৰূপাৰাণী ভূএগ।

ড° নিহাৰ ৰঞ্জন মিশ্ৰ
বিভাগীয় মুৰব্বী

# উদ্ভিদ বিজ্ঞান বিভাগ

মঙলদৈ মহাবিদ্যালয়ত ১৯৬৯-৭০ চনৰ শিক্ষাবৰ্ষৰ পৰা প্ৰাকবিশ্ববিদ্যালয় (Pre-University) বিজ্ঞান শ্ৰেণীত জীৱ বিজ্ঞান (Biology) বিভাগটো প্ৰায় ত্ৰিশজন ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ কৰা হয়। প্ৰয়াত অধ্যাপক সুৰেন্দ্ৰ নাথ ডেকাদেৱ জীৱবিজ্ঞান বিভাগটোৰ প্ৰতিষ্ঠাপক আছিল।

তেখেতে মুৰব্বী অধ্যাপকৰ দায়িত্বলৈ অশেষ কষ্টৰে কম দিনৰ ভিতৰতে বিজ্ঞানগাৰৰ সা-সজুলি গোটাই সকলো পৰিকল্পনা সুন্দৰভাৱে উপস্থাপন কৰি পোৱা কৃতকাৰ্যতা সঁচাকৈয়ে প্ৰণিধানযোগ্য। ১৯৭০-১৯৭১ চন শিক্ষাবৰ্ষৰ পৰাই উদ্ভিদ বিজ্ঞান বিভাগত স্নাতক পাঠ্যক্ৰম খোলা হয়। প্ৰথম অৱস্থাত পোন্ধৰ (১৫) গৰাকী ছাত্ৰ-ছাত্ৰীৰে স্নাতক প্ৰথম বাৰ্ষিক আৰম্ভ কৰা হয়। তাৰে দুগৰাকী ছাত্ৰী আছিল। ১৯৮৯-১৯৯০ চন শিক্ষাবৰ্ষৰ পৰাই উদ্ভিদ বিজ্ঞান বিভাগত গুৰু বিষয় (Major Course) খোলা হয়। প্ৰথমবাৰতে গুৰু বিষয়ৰ পৰীক্ষাৰ ফলাফলত এগৰাকী ছাত্ৰীয়ে প্ৰথম শ্ৰেণী পোৱা কাৰ্য্যত সকলোৱে গৌৰৱ অনুভৱ কৰিছে। বিগত কেইবাটাও বছৰত এই বিভাগত প্ৰথম শ্ৰেণী অধিকাৰ কৰাৰ উপৰিও সামগ্ৰিক ভাৱে উন্নত মানৰ ফল প্ৰদৰ্শন কৰাৰ বাবে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক উদ্ভিদ বিজ্ঞান বিভাগৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰিছোঁ। স্নাতকোত্তৰ শ্ৰেণীত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰায় প্ৰতি বছৰতে বিশ্ববিদ্যালয়ত স্থান পাই আহিছে।

প্ৰয়াত সুৰেন্দ্ৰ নাথ ডেকাদেৱ জীৱবিজ্ঞান আৰু উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰথম মুৰব্বী অধ্যাপক আছিল। জীৱবিজ্ঞান বিষয়ৰ প্ৰাণীবিজ্ঞান খণ্ড পঢ়ুৱাবলৈ প্ৰথমে অধ্যাপক শ্ৰীধীৰেণ বায়নদেৱ ১৯৬৯ চনত (প্ৰায় এবছৰ) ডেকা দেৱৰ লগ লাগে। তাৰপিছত ১৯৭১ চনত স্বৰ্গীয়া অধ্যাপিকা বিদ্যুৎপ্ৰভা দাসে প্ৰাণীবিজ্ঞান খণ্ডৰ দায়িত্ব লয়। পিছলৈ সুকীয়াকৈ খোলা প্ৰাণীবিজ্ঞান বিভাগটোৰ মুৰব্বী অধ্যাপিকা হিচাপে তেখেতে মৃত্যুলৈকে সুখ্যাতিৰে থাকি বিভাগটো পৰিচালনা কৰি যায়।

উদ্ভিদ বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ আৰম্ভণিতে অধ্যাপক শ্ৰীভাস্কৰমল্ল বুজৰবৰুৱা (১৯৭০ চন) আৰু অধ্যাপক ড° আমানুল হক (১৯৭২ চন) বিভাগটোত যোগদান কৰি বৰ্ত্তমানো কৰ্মৰত হৈ আছে। পিছলৈ ক্ৰমে অধ্যাপক শ্ৰীকুমুদ চন্দ্ৰ শৰ্মা (১৯৮০ চন), অধ্যাপিকা শ্ৰীমতী প্লাবিতা পাটোৱাৰী (১৯৮৫ চন), অধ্যাপক ড° খগেন নাথ (১৯৯০ চন) অধ্যাপক শ্ৰীশশীন চহৰীয়া (১৯৯১ চন) আৰু অধ্যাপিকা ড° প্ৰতিভা ডেকা (১৯৯২ চন) কে ধৰি মুঠ ৭ (সাত) গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে এই বিভাগটোত শিক্ষা প্ৰদান কৰি আছে। বৰ্ত্তমান এই বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে আছে অধ্যাপক শ্ৰীভাস্কৰ মল্ল বুজৰবৰুৱা। তাৰোপৰি শ্ৰীৰেৱজিৎ শৰ্মাই যোৱা ১৯৯৯ চনৰ পৰা এবছৰীয়া Lien Vacancy ত কাম কৰি তাৰপিচত বিশ্ববিদ্যালয় অনুদান আয়োগৰ আৰ্থিক সাহায্যৰে আৰম্ভ কৰা ৰেচম বিভাগৰ প্ৰবক্তা হিচাপে কাম কৰাৰ লগে লগে উদ্ভিদ বিজ্ঞান বিভাগৰো প্ৰবক্তা হিচাপে বিভাগটোলৈ শিক্ষা সেৱা আগবঢ়াই আহিছে।

জীৱবিজ্ঞান বিভাগৰ আৰম্ভণিৰে পৰা পিচলৈ উদ্ভিদ বিজ্ঞান বিভাগৰ বিজ্ঞানাগাৰ সহায়ক হিচাবে থাকি মঙলদৈ মহাবিদ্যালয়ৰ নান্দনিক সৌন্দৰ্য্যত আৰিহণা যোগোৱা চুতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী প্ৰয়াত নন্দৰাম বড়ো সকলোৰে শলাগৰ পাত্ৰ আছিল। সেইসময়ৰ অধ্যক্ষ মহোদয় মাননীয় শ্ৰীযুত প্ৰবোধ চন্দ্ৰ গোস্বামী দেৱ আৰু উদ্ভিদ বিজ্ঞান বিভাগৰ তেতিয়াৰ মুৰব্বী অধ্যাপক প্ৰয়াত সুৰেন্দ্ৰ নাথ ডেকাদেৱৰ লগত থাকি মহাবিদ্যালয় চৌহদত নানা ধৰণৰ উদ্ভিদ ৰোপন কৰাৰ ক্ষেত্ৰত প্ৰয়াত নন্দৰাম বড়ো উল্লেখযোগ্য। ১৯৯৫ চনত এইজনা ব্যক্তি ইহসংসাৰৰ পৰা মেলানি মাগিছে। বৰ্ত্তমান মঙলদৈ মহাবিদ্যালয় কাৰ্য্যালয়ত তৃতীয় শ্ৰেণীৰ কৰ্মী হিচাবে থকা শ্ৰীঅচ্যুত শৰ্মা (১৯৬৯ চনৰ পৰা ১৯৭৬ চনলৈ) আৰু শ্ৰীমুকুণ্ড ডেকা (১৯৭৬ চনৰ পৰা ১৯৮৪ চনলৈ) কিছুদিন উদ্ভিদ বিজ্ঞান বিভাগত বিজ্ঞানাগাৰ সহায়ক হিচাপে সেৱা আগবঢ়াই গৈছে। ইয়াৰ মাজতে মহঃ ৰেকিবুদ্দিন আহমেদ (১৯/৯/৭৬ ৰ পৰা ১২/৯/৭৬ চনলৈ অতি কম দিনৰ বাবে চতুৰ্থ শ্ৰেণীৰ কৰ্মী হিচাপে এই বিভাগটোত সেৱা আগবঢ়াইছিল) বৰ্ত্তমান এই বিভাগৰ বিজ্ঞানাগাৰ সহায়ক হিচাপে কাম কৰি আছে মহঃ মোজ্জামিল হুছেইন (১৯৭৯ চনৰ পৰা) আৰু শ্ৰীভূবন শৰ্মা (১৯৮২ চনৰ পৰা)।

পোনতে উদ্ভিদ বিজ্ঞান বিভাগটো মহাবিদ্যালয়ৰ সাত, আঠ আৰু ন নম্বৰ কোঠাকেইটা লৈ অতি অনুষ্টুপীয়াকৈ খোলা হৈছিল। ক্ৰমে অধিক পৰিসৰৰ আৱশ্যক হোৱাত পূৰ্বতকৈ ডাঙৰ চৌব্বিশ, পঁচিশ, চাব্বিশ আৰু সাতাইশ নম্বৰ

কোঠালৈ বিভাগটো স্থানান্তৰিত কৰা হয়। ইয়াৰ পিচত নৱম পাঁচ বছৰীয়া পৰিকল্পনাত বিশ্ববিদ্যালয় অনুদান আয়োগৰ আৰ্থিক সাহায্যৰে বন্ধা আহল-বহল ভৱনটোলৈ ১৯৯৮ চনত স্থায়ী ভাৱে এই বিভাগটো স্থানন্তৰিত কৰা হয়। এই প্ৰসঙ্গতে উল্লেখ কৰিব পাৰি যে এই বিভাগটোৰ আটাইকেইজন শিক্ষকে এম. ফিল বা পি. এইচ. ডি. ডিগ্ৰী প্ৰাপ্ত।

মঙলদৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ উদ্যোগত আৰু উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰচেষ্টাত মঙলদৈ মহাবিদ্যালয় চৌহদটোকে এখন 'উদ্ভিদ উদ্যান' হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে আৰু ইতিমধ্যে এখন পৰীক্ষামূলক সৰু বাগিছা (Experimental Garden) স্থাপন কৰি পাঠ্যক্ৰম উপযোগী কিছু উদ্ভিদ ৰোপন কৰা হৈছে। বিভিন্ন ঠাইত ক্ষেত্ৰ-অধ্যয়ন কৰি পোৱা আপুৰুগীয়া উদ্ভিদ পোনতে পৰীক্ষামূলক ভাবে এই বাগিচাখনতে প্ৰতিপালন কৰা হয়।

মঙলদৈ মহাবিদ্যালয়ত সোণালী জয়ন্তী উপলক্ষে এই বিভাগৰ জৰিয়তে অনুষ্ঠিত এক জনপ্ৰিয় বক্তৃতামালাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° চন্দ্ৰমোহন শৰ্মা আৰু ড° পৰিমল ভট্টাচাৰ্য্য দেৱে আগবঢ়োৱা মনোজ্ঞ আলোচনাই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকলক উপকৃত কৰিছে। এই বিভাগৰ উদ্যোগত 'কলাকৰ্ষন' (Tissue Culture) শীৰ্ষক ৰাজ্যিক পৰ্য্যায়ৰ চেমিনাৰ এখনিও অনুষ্ঠিত হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তথা বিজ্ঞানী ড° চন্দ্ৰমোহন শৰ্মাই এই দিশত বিশেষভাবে অৰিহনা যোগাইছিল।

আধুনিক বিজ্ঞানৰ লগত চিনাকী হোবাৰ প্ৰথম প্ৰয়াসেৰে বিশ্ববিদ্যালয় অনুদান আয়োগৰ আৰ্থিক সহায়ত ১৯৯৬ চনৰ ১৪ আৰু ১৫ অক্টোবৰত দুদিনীয়াকৈ ৰাজ্যিক স্তৰত এখন আলোচনা (seminer) অনুস্থিত কৰা হৈছিল। তাঁলৈ অসম, মেঘালয় আৰু আৰুণাচলৰ পৰা অহা বিশেষজ্ঞই যথেষ্ট আলোচনা আগবঢ়াইছিল। এই মহাবিদ্যালয় আৰু অসমৰ বহুকেইখন মহাবিদ্যালয়ৰ পৰা অহা বহুসংখ্যক অধ্যাপক-অধ্যাপিকাৰ উপস্থিতি আৰু গবেষণা পত্ৰৰ উপস্থাপনে সঁচাকৈয়ে এই আলোচনা চক্ৰখন সাফল্যমণ্ডিত কৰি তুলিছিল। উক্ত আলোচনা চক্ৰখনৰ মুখ্য সমন্বয়ৰক্ষী আছিল এই বিভাগৰে জ্যেষ্ঠ অধ্যাপক ড° আমানুল হক।

জয়তু মঙ্গলদৈ মহাবিদ্যালয়। জয়তু উদ্ভিদ বিজ্ঞান বিভাগ।

শ্ৰীভাস্কৰমল্ল বুজৰবৰুৱা
বিভাগীয় মুৰব্বী

# গণিত বিভাগ

মঙলদৈ মহাবিদ্যালয়ৰ গণিত বিভাগৰ শুভাৰম্ভ তেতিয়াৰ পৰাই হোৱা বুলি ক'ব পাৰি যেতিয়া শ্ৰীযুত সন্তনাথ শৰ্মা চাৰ এই মহাবিদ্যালয়ত যোগদান কৰিছিল। শৰ্মা চাৰে যোগদান কৰিছিল ০৮/০৯/১৯৬৫ তাৰিখত আৰু এই তাৰিখৰ পৰাই শৰ্মাচাৰ আছিল মঙলদৈ মহাবিদ্যালয়ৰ গণিত বিভাগৰ সফল মুৰব্বী অধ্যাপক। চাৰ যোৱা ০১/০৪/১৯৯৩ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে। এই সুযোগতে আমি শ্ৰীযুত শৰ্মা চাৰৰ সৰ্বতো প্ৰকাৰে মঙ্গল আৰু দীৰ্ঘায়ু কামনা কৰিলো।

শ্ৰীযুত সন্ত শৰ্মা চাৰৰ পাছত শ্ৰীযুত মুকুট আলি চাৰ আমাৰ মহাবিদ্যালয়ৰ গণিত বিভাগত যোগদান কৰিছিল যোৱা ১৬/০৮/১৯৬৭ তাৰিখত। সন্ত শৰ্মা চাৰৰ অৱসৰৰ পাছত মুকুট আলি চাৰে গণিত বিভাগৰ মুৰব্বী অধ্যাপকৰ দায়িত্বভাৰ গ্ৰহণ কৰে। আলি চাৰে যোৱা ২০/৭/২০02 তাৰিখৰ পৰা আজিলৈ স্বাস্থ্যজনিত কৰণত ছুটীত থাকিব লগা হৈছে।

মুকুট আলি চাৰৰ পাছতে আমি উল্লেখ কৰিম শ্ৰীযুত জয়চন্দ্ৰ শৰ্মা চাৰক। তেখেতে আমাৰ গণিত বিভাগৰ অস্থায়ী পদত যোৱা ০১/০১/১৯৭৯ তাৰিখৰ পৰা ৩১/১২/৮১ তাৰিখলৈ তিনি বছৰকাল শিক্ষাদান কৰিছিল। তেখেতৰ শিক্ষাদানৰ

পাৰদৰ্শিতাৰ কথা এতিয়া আমি সেই শিক্ষাবৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ মুখত শুনিবলৈ পাওঁ।

মুকুট আলি চাৰৰ পাছত গণিত বিভাগৰ স্থায়ী পদত নিযুক্তি লাভ কৰিছিল শ্ৰীযুত ৰুদ্ৰ ডেকাই। ডেকাই কামত যোগদান কৰিছিল ইং ০২/০৫/১৯৮৮ তাৰিখত। ডেকাই কিছুদিনৰ পাছত কামৰ পৰা অব্যাহতি লয় আৰু অন্য মহাবিদ্যালয়ত যোগদান কৰে। শ্ৰীযুত ডেকাৰ পাছত এই প্ৰতিবেদকে যোগদান কৰে যোৱা ইং ২৩/০৮/৮৯ তাৰিখে। মোৰ পাছত গণিত বিভাগত স্থায়ী পদত নিযুক্তি লাভ কৰিছিল শ্ৰীযুত দীপক শৰ্মাই যোৱা ইং ০১/১২/১৯৯৩ তাৰিখে। কিন্তু তেখেতে পাছত কটন মহাবিদ্যালয়ত নিযুক্তি পোৱাত আমাৰ মহাবিদ্যালয়ৰ পৰা অব্যাহতি লয়। সেই পদত নিযুক্তি লাভ কৰিলে আমাৰ বৰ্ত্তমানৰ শিক্ষক শ্ৰীযুত দেৱজিৎ নাথে ইং ২৪/১০/১৯৯৪ তাৰিখে। শ্ৰীযুত নাথৰ পিছত আমাৰ মহাবিদ্যালয়ৰ গণিত বিভাগত বৰ্ত্তমানৰ শিক্ষক শ্ৰীযুত ডিম্বেশ্বৰ কলিতাই অমঞ্জুৰীপ্ৰাপ্ত পদত যোগদান কৰে যোৱা ইং ০১/০৪/১৯৯৬ তাৰিখে। শ্ৰীযুত কলিতাৰ পাছতে আমাৰ মহাবিদ্যালয়ত অস্থায়ীভাবে নিযুক্তি পায় আমাৰ ছাত্ৰী শ্ৰীমতী কুঞ্জলতা বৰুৱাই। তেওঁ যোগদান কৰে যোৱা ইং ০৮/০৭/৯৯ তাৰিখে। কুঞ্জলতাৰ পাছত পুনৰ অস্থায়ী পদত নিযুক্তি পায় শ্ৰীযুত কৌশিক শৰ্মাই। শ্ৰীযুত কৌশিক শৰ্মাই কামত যোগদান কৰিছিল ইং ০২/০৭/২০০০ তাৰিখে। এয়াই হ'ল আমাৰ মহাবিদ্যালয়ৰ গণিত বিভাগত নিযুক্তি পোৱা শিক্ষকৰ বিষয়ে একলম চমুকৈ।

গণিত বিভাগত মুখ্য বিষয় (Major Subject) খোলা হৈছিল যোৱা ১৯৮৮-৮৯ শিক্ষা বৰ্ষৰ পৰা। তেতিয়াৰ পৰা বৰ্ত্তমানলৈ প্ৰত্যেক শিক্ষাবৰ্ষতেই আমি ৩০ ৰ পৰা ৪০ জন ছাত্ৰ-ছাত্ৰীক মুখ্য বিষয় দিয়াৰ বাবে বাছনি কৰো। প্ৰত্যেক বছৰেই আমাৰ বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি আহিছে। গণিতৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ বাঢ়িছে। ই নিশ্চিত ভাৱে এক শুভলক্ষণ।

শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰা
বিভাগীয় মুৰব্বী

# দৰ্শন বিভাগ

মঙলদৈ মহাবিদ্যালয়ৰ ১৯৫১ চনত পাঠদান আৰম্ভ হোৱা দিনৰে পৰাই অন্যান্য বিষয়ৰ লগতে দৰ্শন বিষয়টিও ইণ্টাৰ মিডিয়েট শ্ৰেণীত তৰ্কশাস্ত্ৰ হিচাপে আৰম্ভ হয়। সেই সময়ত তৰ্কশাস্ত্ৰৰ প্ৰবক্তা হিচাপে যোগদান কৰেহি ডেৰগাওঁৰ হৰকান্ত মহন্তদেৱে। ১৯৫৫ চনত মহন্তদেৱ গুচি যোৱাত মাননীয় শ্ৰীপ্ৰতুল শৰ্মাদেৱে (বৰ্ত্তমান অৱসৰ প্ৰাপ্ত উপাযুক্ত) তৰ্ক শাস্ত্ৰৰ প্ৰৱক্তা হিচাপে যোগদান কৰে। সেই সময়ত দুয়োগৰাকী ব্যক্তিয়েই দৰ্শন বিভাগটিক আগবঢ়াই নিবলৈ দেহে-কেহে খাটিছিল। ইয়াৰ পিছত ১৯৫৭ চনত শ্ৰীযুত শৰ্মা গুচি যোৱাত পুৰ্ণ চন্দ্ৰ বড়া দেৱে তৰ্ক শাস্ত্ৰৰ প্ৰবক্তা হিচাপে যোগদান কৰে। তেওঁ পিছলৈ এই বিভাগৰ মুৰব্বী হয় আৰু বহু কষ্ট আৰু ত্যাগেৰে বিভাগটিক এটা উল্লেখযোগ্য বিভাগ হিচাপে গঢ় দিয়ে। মঙলদৈ মহাবিদ্যালয়ৰ দৰ্শন বিভাগটিয়ে পূৰ্ণতা লাভ কৰে যেতিয়া ১৯৬০ চনত শ্ৰীযুত দেবীদাস নেওগদেৱে প্ৰবক্তা হিচাপে যোগদান কৰে। শ্ৰীযুত নেওগ এগৰাকী দক্ষ শিক্ষক হোৱাৰ উপৰিও এগৰাকী সংগীত প্ৰেমী লোক। অৱশ্যে দৰ্শন বিভাগটিক বহু বছৰ পিছতহে অৰ্থাৎ ১৯৮৬-৮৭ শিক্ষা বৰ্ষতহে 'মেজৰ' বা মুখ্য পাঠ্যক্ৰম খোলা হয়। প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে, মেজৰ খোলাৰ ক্ষেত্ৰত বিভিন্ন দিশত এই লেখকে কৰ্তৃপক্ষৰ সৈতে যথেষ্ট আগভাগ লৈছিল।

দৰ্শন বিভাগত মুখ্য পাঠ্যক্ৰম আৰম্ভ হোৱাৰ লগে লগে ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও যথেষ্ট হাৰত বৃদ্ধি হয়। চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ সুখ্যাতিৰে এম. এ পাছ কৰি বহু স্কুল-কলেজত শিক্ষক হিচাপে নিয়োজিত হৈছে। উল্লেখযোগ্য যে এই বিভাগৰ বৰ্তমানৰ প্ৰবক্তা আৰু ছাত্ৰী নিবাসৰ অধীক্ষিকা শ্ৰীমঞ্জু কলিতাই ১৯৮৮ চনত দৰ্শনৰ মুখ্য পাঠ্যক্ৰমত সুখ্যাতিৰে উত্তীৰ্ণ

হৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম.এ পাছ কৰি এই মহাবিদ্যালয়তে প্ৰবক্তা হিচাপে নিয়োজিত হয়। এই বিভাগৰ আন এগৰাকী প্ৰবক্তা শ্ৰীৰুদ্ৰ কলিতা মঙলদৈ মহাবিদ্যালয়ৰেই প্ৰাক্তন ছাত্ৰ। বৰ্ত্তমান দৰ্শন বিভাগত চাৰিগৰাকী প্ৰবক্তা আছে। তেওঁলোক ক্ৰমে- শ্ৰীপ্ৰবীণ কুমাৰ বৰুৱা (মুৰব্বী প্ৰবক্তা), শ্ৰীভূপেন হাঁলৈ, শ্ৰীমঞ্জু কলিতা আৰু শ্ৰীৰুদ্ৰ কলিতা। আটাইকেইজনেই বিভাগীয় শিক্ষা প্ৰদানত পাৰদৰ্শী হোৱাৰ উপৰিও সমাজৰ লগতো সু-সম্পৰ্ক বজাই ৰাখিবলৈ সক্ষম হৈছে।

শ্ৰীপ্ৰবীণ কুমাৰ বৰুৱা
বিভাগীয় মুৰব্বী

# পদাৰ্থ বিজ্ঞান বিভাগৰ সংক্ষিপ্ত প্ৰতিবেদন

সম্পূৰ্ণ গাঁৱলীয়া পৰিৱেশৰ মাজত স্থাপিত হোৱা মঙলদৈ মহাবিদ্যালয়খনে কলা শাখাত সুখ্যাতিৰে ১৪ বছৰ কাল শিক্ষা প্ৰদান কৰাৰ পিছতে ১৯৬৬ চনত পোন প্ৰথমবাৰৰ বাবে প্ৰাক-বিশ্ববিদ্যালয় শ্ৰেণীত বিজ্ঞান শাখাৰ শিক্ষাও আৰম্ভ কৰে। আমাৰ পদাৰ্থ বিজ্ঞান বিভাগৰো মঙলদৈ মহাবিদ্যালয়ত আৰম্ভণি তেতিয়াৰ পৰাই। ইয়াৰ দুটা বছৰ পিছত, অৰ্থাৎ ১৯৬৮ চনত বিজ্ঞান শাখাৰ স্নাতক শ্ৰেণীও খোলা হয়। অন্যান্য বিষয়ৰ লগতে পদাৰ্থ বিজ্ঞানো এটা স্নাতক শ্ৰেণীৰ বিষয় হিচাপে লবলৈ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে তেতিয়াৰ পৰাই সুবিধা লাভ কৰে। ঔদ্যোগিক আৰু অৰ্থনৈতিক ভাৱে অনগ্ৰসৰ তেতিয়াৰ মঙলদৈ মহকুমা (বৰ্ত্তমান দৰং জিলা) ৰ অভাৱগ্ৰস্ত জনসাধাৰণৰ ল'ৰা-ছোৱালীবোৰেও বিজ্ঞান বিষয়ত উচ্চ শিক্ষা গ্ৰহণ কৰাৰ সুবিধাও তেতিয়াৰ পৰাই লাভ কৰে। ১৯৭৭ চনত এই মহাবিদ্যালয়ে স্নাতক শ্ৰেণীত পদাৰ্থ বিজ্ঞানত সন্মান (Honours, বৰ্তমানৰ Major) পাঠ্যক্ৰম আৰম্ভ কৰাত আমাৰ মহাবিদ্যালয়ৰ পৰা বিজ্ঞান শাখাত স্নাতক পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়ন কৰাৰ পথ সুগম কৰি তোলে।

আৰম্ভণিৰ পৰা বৰ্তমানলৈ এই মহাবিদ্যালয়ত প্ৰৱক্তা হিচাপে শিক্ষকতা কৰা ব্যক্তিসকল হ'ল ঃ

সৰ্ব্বশ্ৰী দীপালি নেওগ (১৯৬৬-২০০২); গগণ বৰুৱা (১৯৬৯-১৯৭০); সুনীল বৰঠাকুৰ (১৯৭০-১৯৭৯); ভূপেন্দ্ৰ নাথ কাকতী ১৯৭০ পৰা; খলিলুৰ ৰহমান ১৯৭১; ভূপেন্দ্ৰ তালুকদাৰ ১৯৭১; নাৰায়ণ মুঁদৈ ১৯৭৮; বন্দনা গোস্বামী ১৯৭৮; আৰু ভৰেশ নাৰায়ণ চৌধুৰী ১৯৮৭। ইয়াৰোপৰি আৰম্ভণিৰে পৰা ১৯৭১ চনলৈ ডেমনষ্ট্ৰেটৰ ৰূপে সুখ্যাতিৰে এই বিভাগলৈ সেৱা আগবঢ়াইছিল শ্ৰীদ্বীপেন কোঁৱৰে।

আমাৰ মহাবিদ্যালয়ত শিক্ষকতা কৰা সময়ৰ ভিতৰতে আমাৰ দুজন সহকৰ্মী খলিলুৰ ৰহমান আৰু ভূপেন তালুকদাৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞানত ডক্টৰেট উপাধি লাভ কৰে। সুখ্যাতিৰে ছয়ত্ৰিশটা বছৰ প্ৰতিষ্ঠাতা বিভাগীয় মুৰব্বী আৰু প্ৰৱক্তা হিচাপে কাৰ্য্যনিৰ্বাহ কৰাৰ অন্তত এই প্ৰতিবেদকৰ ওপৰত বিভাগীয় মুৰব্বীৰ দায়িত্ব অৰ্পিত হয়।

পদাৰ্থ বিজ্ঞান বিভাগত বিজ্ঞানাগাৰ বহনকাৰী (Laboratary bearer) হিচাপে কাম কৰি অহা ব্যক্তি সকল হ'ল- সৰ্বশ্ৰী প্ৰসন্ন কুমাৰ শৰ্মা (বৰ্ত্তমান ৰসায়ন বিভাগত), কুবুল শৰ্মা, উপেন ডেকা আৰু মহম্মদ মোকছেদুৰ ৰহমান।

১৯৭১ চনত আমাৰ মহাবিদ্যালয়ৰ পৰা প্ৰথমবাৰৰ বাবে বিজ্ঞানৰ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হয় আৰু সেই বছৰতে পদাৰ্থ বিজ্ঞান এটা বিষয় হিচাপে থকা পৰীক্ষাৰ্থী শ্ৰীসাধিৰাম বৰুৱাই ডিষ্টিংচন লৈ উত্তীৰ্ণ হয়। তেওঁ বৰ্তমান পাথৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপাধ্যক্ষ ৰূপে কাৰ্য্যনিৰ্বাহ কৰি আছে। আমাৰ বৰ্তমান সহকৰ্মী শ্ৰীভৰেশ নাৰায়ণ চৌধুৰীয়েও আমাৰ মহাবিদ্যালয়ৰ পৰা ১৯৮১ চনত পদাৰ্থ বিজ্ঞানত সন্মান সহ স্নাতক উপাধি লাভ কৰে। ইয়াৰোপৰি আমাৰ মহাবিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞানত সন্মান সহ স্নাতক শ্ৰীৰমেন শইকীয়াই নাৰায়ণপুৰৰ মাধৱদেৱ কলেজত আৰু মহম্মদ আলিফ আগাউদ্দীনে টংলা কলেজত প্ৰৱক্তা ৰূপে শিক্ষকতা কৰি আছে। এই মহাবিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞানত সন্মান সহ প্ৰথম শ্ৰেণীৰ স্নাতক উপাধি লাভ কৰা ছাত্ৰ-ছাত্ৰী দুগৰাকী ক্ৰমে শ্ৰীমিনু কোঁৱৰ আৰু শ্ৰীৰঞ্জন শৰ্মা। দেশৰ বাহিৰত সুখ্যাতিৰে গৱেষণা আৰু শিক্ষাৰ ক্ষেত্ৰত পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হোৱা ড° ডম্বৰুধৰ ভট্টাচাৰ্য আৰু ড° পুৰন্দৰ শৰ্মাও আমাৰ মহাবিদ্যালয়ৰে

প্ৰাক্তন ছাত্ৰ। অৰুণাচলৰ নেৰিষ্টত সুখ্যাতিৰে শিক্ষকতা কৰি থকা ড° আনোৱাৰ হুছেইনো আমাৰেই প্ৰাক্তন ছাত্ৰ। এই মহাবিদ্যালয়ৰ বিজ্ঞান বিভাগৰ যিসকল প্ৰাক্তন ছাত্ৰই- শিক্ষা, চিকিৎসা, ইঞ্জিনীয়াৰিং, বেংক বীমা সেৱা আদিত কৃতকাৰ্যতাৰে সেৱা আগবঢ়াই আছে। তেওঁলোক আটাইৰে নাম এই মুহূৰ্ত্তত আমাৰ মনলৈ অহা নাই। যিসকলৰ নাম এই মূহূৰ্ত্তত মনত পৰিছে তেওঁলোক হ'ল- সৰ্বশ্ৰী খগেন শৰ্মা, লোকেশ্বৰ শৰ্মা, সূৰ্য্য চেত্ৰী, লোহিত কলিতা, অৰুণী চহৰীয়া, দীনবন্ধু শৰ্মা, ভাৰত ভূষণ গোস্বামী, সঞ্জয় তাঁতী, অনিল বড়ো, লোহিত ডেকা, দিলীপ তালুকদাৰ, লোহিত নাথ, হেমন্ত কাকতী, দেৱীকা মেধি, কল্যাণ চহৰীয়া, ৰঞ্জন দাস, মহেন্দ্ৰ সূত, পুৰন্দৰ ডেকা, হৰেশ্বৰ ডেকা, সুৰজা দত্ত, কমলা কান্ত চহৰীয়া, প্ৰেমাকান্ত ডেকা, অলকা গোস্বামী, মণিকুন্তলা চৌধুৰী, জোনালী চৌধুৰী, বৰ্ণালী দাস (আটাইকেইগৰাকী চিকিৎসক) ইত্যাদি।

অসম বিজ্ঞান সমিতিৰ মঙলদৈ শাখা সমিতি গঠনৰ ক্ষেত্ৰতো মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এই সন্দৰ্ভত ১৯৭১ চনত অনুষ্ঠিত শাখা সমিতিৰ উদ্বোধনী সভাত সভাপতিত্ব কৰিছিল আমাৰ সেই সময়ৰ অধ্যক্ষ শ্ৰীপ্ৰবোধ চন্দ্ৰ গোস্বামীদেৱে।

মই শ্ৰদ্ধাৰে সুৰঁৰিছো আমাৰ সহকৰ্মী বন্ধু উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী প্ৰয়াত সুৰেন্দ্ৰনাথ ডেকা আৰু মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তেতিয়াৰ অধ্যক্ষ প্ৰয়াত আবু শ্বৰীফ ডাঙৰীয়াৰ বিশেষ সহযোগ। তদানীন্তন অধ্যক্ষ মাননীয় গোস্বামীদেৱক সভাপতি আৰু এই প্ৰতিবেদকক সম্পাদক ৰূপে লৈ অসম বিজ্ঞান সমিতিৰ মঙলদৈ শাখা সমিতিৰ এখন কাৰ্যকৰী সমিতিও উদ্বোধনী সভাতেই গঠিত হৈছিল।

নবেল বঁটা বিজয়ী চন্দ্ৰ শেখৰ ভেংকট ৰমণৰ বৈজ্ঞানিক আৱিষ্কাৰৰ স্মৃতিত উদ্‌যাপন কৰা 'বিজ্ঞান দিৱস' আৰু 'আধুনিক বিজ্ঞানৰ সোণালী দশকৰ শতবাৰ্ষিকী' উপলক্ষে বিজ্ঞান বিষয়ক আলোচনা সভা অনুষ্ঠিত হয়। এই অলোচনা সভাত অন্যান্য সকলৰ উপৰিও গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক দ্বয় মহেন্দ্ৰ বৰা আৰু আতোৱাৰ ৰহমানে অংশ গ্ৰহণ কৰে। মহাবিদ্যালয়ৰ এই সোণালী জয়ন্তী উপলক্ষে সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ আলোচনা আৰু কৰ্মশালা উপসমিতিৰ সহযোগত পদাৰ্থ বিজ্ঞান বিভাগে "প্ৰাৰম্ভিক বিশ্ব" আৰু "প্ৰাথমিক কণা" বিষয় দুটাৰ ওপৰত অনুষ্ঠিত কৰা জনপ্ৰিয় বক্তৃতাৰ দুটাত পাৰদৰ্শী ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰে ক্ৰমে বিশিষ্ট বিজ্ঞানী ড° কমলেন্দু দেৱ ক্ৰোড়ী আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° চৈয়দ আবু ছালেহ আহমেদ ডাঙৰীয়াই।

আমি আশা কৰিম সমাজ প্ৰগতিৰ পথত বাধা স্বৰূপ শিক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা এই ধৰণৰ ক্ষয়ংকাৰী পদক্ষেপ প্ৰতিহত কৰিবলৈ সকলো শিক্ষানুৰাগী শুভানুধ্যায়ী ব্যক্তি সংগঠিত ৰূপত আগবাঢ়ি আহিব। এই আবেদনেৰেই সোণালী জয়ন্তী বৰ্ষৰ বিভাগীয় সংক্ষিপ্ত প্ৰতিবেদন সামৰিলোঁ।

ভূপেন্দ্ৰ নাথ কাকতী
বিভাগীয় মুৰব্বী, পদাৰ্থ বিজ্ঞান বিভাগ

# পৰিসংখ্যা বিজ্ঞান বিভাগ

১৯৭৯-৮০ বৰ্ষত মঙ্গলদৈ মহাবিদ্যালয়ত কেবাটাও নতুন বিষয় আৰু সন্মান পাঠ্যক্ৰম আৰম্ভ কৰা হয়। তাৰ ভিতৰত পৰিসংখ্যা বিজ্ঞান বিভাগো অন্যতম। অৰ্থনীতি বিজ্ঞান আৰু গণিত বিষয়ৰ সহযোগী বিষয় হিচাপে পৰিসংখ্যা বিজ্ঞান বিভাগৰ অভাব তথা বৰ্ত্তমান দিনত পৰিসংখ্যা বিজ্ঞানৰ প্ৰয়োজনীয়তা আৰু প্ৰসৰতা অনুভৱ কৰিয়েই মাননীয় প্ৰাক্তন অধ্যক্ষ স্বৰ্গীয় আব্দুল মজিদ চাৰৰ প্ৰচেষ্টাত মঙলদৈ মহাবিদ্যালয়ৰ Pre-University শাখাত এই বিভাগ অন্তৰ্ভূক্ত কৰা হয়। ১৯৭৯ চনত এই লেখকক প্ৰথমজন বিভাগীয় শিক্ষক হিচাবে নিযুক্তি দিয়া হয়।

বিষয় এটা অন্তৰ্ভূক্ত কৰাৰ পিছত বিভাগটোক পূৰ্ণ পৰ্য্যায়ত ৰূপান্তৰ কৰিবলৈ যথেষ্ট ত্যাগ আৰু কষ্ট অনস্বীকাৰ্য্য। এই ক্ষেত্ৰত সেই সময়ৰ পৰিচালনা সমিতিৰ সভাপতি মাননীয় স্বৰ্গীয় ভবানন্দ ৰাজখোৱা চাৰৰ সহায় ও পৰামৰ্শ কৃতজ্ঞতাৰে সুঁৱৰিছোঁ। ১৯৮০-৮১ বৰ্ষৰ পৰা Pre-University শাখৰ চৰকাৰী অনুমোদন (Govt. concurrence) লাভ কৰিলেও ১৯৮৪-৮৫ চনৰ পৰাহে স্নাতক ১ম বৰ্ষৰ বিশ্ববিদ্যালয়ৰ অনুমতি তথা চৰকাৰী অনুমোদন লাভ কৰে। আনহাতে বিভাগটো অন্তৰ্ভূক্ত কৰা সময়ত অসমৰ পৰিস্থিতি শিক্ষাৰ উন্নতিৰ দিশত অনুকুল আছিল বুলি ক'ব নোৱাৰি। চৰকাৰে অসম আন্দোলনৰ গইনা লৈ কোনো গঠনমূলক কামত হাত দিয়া নাছিল। তাৰ প্ৰভাৱ অসমৰ মহাবিদ্যালয় বিলাকতো প্ৰত্যক্ষভাৱে পৰিল। শিক্ষাৰ ক্ষেত্ৰত ভাৰতৰ অন্য ৰাজ্যৰ তুলনাত অসম বহু বছৰ পিছুৱাই থাকিল। চৰকাৰে অতিৰিক্ত পদ-সমূহ দিয়াত বিলম্ব কৰা হ'ল। মঙলদৈ মহাবিদ্যালয়েও তাৰ ফল ভোগ কৰিলে আৰু বৰ্ত্তমানো কৰিয়েই আছে। ১৯৮৮ চনতহে দ্বিতীয়জন শিক্ষক শ্ৰীৰমেশ চন্দ্ৰ শৰ্মাৰ নিযুক্তি হয়। তাৰ আগলৈ এজন শিক্ষকেই Pre-University ৰ পৰা স্নাতক পৰ্য্যায়লৈ পাঠদান কৰিব লগা হৈছিল। পিছলৈ শ্ৰীৰঞ্জিতা গোস্বামী আৰু শ্ৰীপ্ৰনৱ কুমাৰ দাসে বিভাগীয় শিক্ষক আৰু লোহিত মহন্তই সহায়কৰূপে নিযুক্তি লাভ কৰাত আটাইকেৌলৈ বৰ্ত্তমান পৰিসংখ্যা বিজ্ঞান বিভাগত চাৰিজন শিক্ষক আৰু এজন সহায়ক। ২০০০-০১ বৰ্ষৰ পৰা মূখ্যবিষয় হিচাবে অন্তৰ্ভূক্ত কৰা হয়। স্নাতক প্ৰথম খণ্ডৰ পৰীক্ষাত অৱতীৰ্ণ হৈয়েই ৭০ শতাংশ নম্বৰ লৈ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ এজন ছাত্ৰই (মহঃ মিনাৰুল হক) বিভাগলৈ সুনাম কঢ়িয়াই আনিছে।

মঙলদৈ মহাবিদ্যালয় তথা পৰিসংখ্যা বিজ্ঞান বিভাগৰ উত্তৰোত্তৰ উন্নতি কামনাৰে।

শ্ৰীপুণ্য শৰ্মা
বিভাগীয় মুৰব্বী

# প্ৰাণী বিজ্ঞান বিভাগ

১৯৫৬ চনত মঙলদৈ মহাবিদ্যালয়ত বিজ্ঞান শাখাৰ প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী আৰম্ভ হয়। একে চনতে বিজ্ঞান শাখাত জীৱ বিদ্যা (বৰ্ত্তমান উদ্ভিদ আৰু প্ৰাণী বিজ্ঞান) বিভাগ আৰম্ভ হয়। সুৰেণ ডেকা দেৱ সেই সময়ত জীৱ বিদ্যা বিভাগৰ মুৰব্বী অধ্যাপক আছিল আৰু তেখেতে উদ্ভিদ বিদ্যা পঢ়াইছিল। ১৯৬৯ চনত প্ৰাণী বিদ্যাৰ প্ৰৱক্তা হিচাবে শ্ৰীধীৰেণ বায়ন দেৱে যোগদান কৰে আৰু ১৯৭৬ চনত মঙলদৈ মহাবিদ্যালয়ৰ পৰা বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ত যোগদান কৰেগৈ।

১৯৭২ চনত প্ৰাণী বিজ্ঞান বিভাগত বিদ্যুৎ প্ৰভা দাসে যোগদান কৰে। ১৯৭৪ চনত জীৱ বিজ্ঞান বিভাগে উদ্ভিদ বিজ্ঞান আৰু প্ৰাণী বিজ্ঞান নামেৰে দুটা সুকীয়া বিভাগ ৰূপে স্বীকৃতি লাভ কৰে আৰু সেই চনৰ পৰাই তিনিবছৰীয়া স্নাতক পাঠ্যক্ৰম আৰম্ভ হয়। বিদ্যুৎ প্ৰভা দাসে ১৯৭৪ চনৰ পৰা ২০০০ চনৰ ৮ জানুৱাৰীলৈ (মৃত্যুৰ দিনালৈ) প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা হিচাবে কাৰ্য্য নিৰ্বাহ কৰিছিল।

১৯৮৭ চনলৈ বিভিন্ন সময়ত প্ৰাণীবিজ্ঞান বিভাগত শ্ৰীঅৰূপ চাহু, শ্ৰীমামনি চাহু, শ্ৰীঅমৃত হাজৰিকা, শ্ৰীমীনাক্ষী বৰা, শ্ৰীঈশ্বৰ শৰ্মা ভৰালী, শ্ৰীচয়নিকা বৰা আৰু শ্ৰীমঞ্জুশ্ৰী চৌধুৰী প্ৰৱক্তা হিচাপে আছিল। বৰ্তমান তেওঁলোকে অসমৰ বিভিন্ন অনুষ্ঠান, শিক্ষানুষ্ঠানত কাৰ্য্যনিৰ্বাহ কৰি আছে।

১৯৮৮ চনত প্ৰাণী বিজ্ঞান বিভাগত মুখ্য পাঠ্যক্ৰম আৰম্ভ হয়। মুখ্য পাঠ্যক্ৰমৰ বহুকেইজন ছাত্ৰ-ছাত্ৰীয়ে স্নাতক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত চমকপ্ৰদ সফলতাৰে প্ৰথম শ্ৰেণী লাভ কৰিবলৈ সক্ষম হৈছে।

এই বিভাগৰ ছাত্ৰী মিছ্ জোৱাহিৰা তৰাছুমে ১৯৯৮ চনৰ স্নাতক চূড়ান্ত পৰীক্ষাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথমস্থান লাভ কৰে। উল্লেখযোগ্য যে মিছ্ তৰাছুমে ২০০০ চনৰ স্নাতকোত্তৰ পৰীক্ষাত (এম.এছ.চি.) গুৱাহাটীৰ

বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি সোণৰ পদক পায়।

২০০০ চনৰ ৮ জানুৱাৰী তাৰিখে প্ৰাণীবিজ্ঞান বিভাগৰ মাতৃ স্বৰূপা মুৰব্বী অধ্যাপিকা বিদ্যুৎ প্ৰভা দাসৰ অকাল মৃত্যু হয়। বৰ্তমান শ্ৰীৰাণু কলিতা চৌধুৰীয়ে প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা হিচাবে কাৰ্য্যনিৰ্বাহ কৰি আছে। এই বিভাগৰ আন আন প্ৰৱক্তা সকল হ'ল- শ্ৰীবুধিন হাজৰিকা, শ্ৰীদীপা ৰাণী দেৱী, শ্ৰীপ্ৰণৱ কুমাৰ শৰ্মা, শ্ৰীলীনা শইকীয়া, শ্ৰীমিনতি শৰ্মা আৰু শ্ৰীসীমা জ্যোতি। শ্ৰীমৃদুল বৰঠাকুৰে ২০০২ চনৰ এপ্ৰিল মাহলৈ প্ৰায় দুবছৰৰ বাবে লিয়েন পদত প্ৰৱক্তা হিচাবে কাৰ্য্যনিৰ্বাহ কৰিছিল। বৰ্তমান শ্ৰীবৰঠাকুৰে গৱেষণাৰ কাম কৰি আছে।

এই বিভাগৰ পৰীক্ষাগাৰ সহায়ক সকল হ'ল- শ্ৰীডম্বৰু কলিতা আৰু মহঃ আছাদ আলী।

প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰৱক্তা শ্ৰীবুধিন হাজৰিকা, শ্ৰীপ্ৰণৱ কুমাৰ শৰ্মা আৰু শ্ৰীলীনা শইকীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ত গৱেষক ছাত্ৰ-ছাত্ৰী হিচাবে গৱেষণাৰ কাম কৰি আছে। তেওঁলোকৰ গৱেষণাৰ বাবে ইতিপূৰ্বে বিশ্ববিদ্যালয়ৰ অনুদান আয়োগে "লঘু গৱেষণা প্ৰকল্প"ৰ জৰিয়তে অৰ্থ সাহায্য আগবঢ়াইছে।

মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ সকলো কেইজন প্ৰৱক্তাই আশাশুধীয়া প্ৰচেষ্টাৰে বিভাগটোক এক সুকীয়া চিনাকি দিবলৈ চেষ্টা চলাইছে।

এই বিভাগৰ উদ্যোগত কেইবাখনো আলোচনা চক্ৰ ইতিপূৰ্বে হৈছে। মঙলদৈ মহাবিদ্যালয়ত সোণালী জয়ন্তী উপলক্ষে অনুষ্ঠিত জনপ্ৰিয় বক্তৃতামালাত এই বিভাগৰ উদ্যোগত "কেঞ্চাৰ ৰোগ" শীৰ্ষক আলোচনাত বিশিষ্ট বিজ্ঞানী ড° গাজী গিয়াচুদ্দিন আহমেদে দিয়া বক্তৃতা বিশেষভাৱে উল্লেখযোগ্য। বিদ্যুৎ প্ৰভা দাসৰ মৃত্যু তিথিত এই বিভাগে "বিদ্যুৎ প্ৰভা দাস সোঁৱৰণী" বক্তৃতা মালা আয়োজন কৰি পৰিবেশ ৰক্ষা, জৈৱ বিচিত্ৰতা আদি বিষয়ৰ আলোচনা চক্ৰ চলাইছে।

দৰং জিলাৰ বিভিন্ন বিদ্যালয়ত আৰু মহাবিদ্যালয়ত এই বিভাগৰ উদ্যোগত জৈৱ বিচিত্ৰতা সম্পৰ্কীয় কেইবাখনো প্ৰদৰ্শনী অনুষ্ঠিত কৰা হৈছে।

শ্ৰীৰাণু কলিতা চৌধুৰী
মুৰব্বী অধ্যাপিকা

# বাংলা বিভাগ

১৯৬৫ চনৰ পৰা মঙলদৈ মহাবিদ্যালয়ত বাংলা বিষয়ৰ পাঠদানৰ ব্যৱস্থা হৈছে। এই বিভাগৰ প্ৰথম অধ্যাপক শ্ৰীৰণেন্দু সেন এগৰাকী পণ্ডিত ব্যক্তি আছিল। এতিয়া তেওঁ মঙলদৈ কলেজত নাই। দ্বিতীয় অধ্যাপক ড° ৰমেন কুমাৰ ৰায়। তৃতীয় অধ্যাপিকা শ্ৰীমতী মৌচুমী কংশবণিক। ভালেমান ছাত্ৰ-ছাত্ৰী এই মহাবিদ্যালয়ৰ পৰা বাংলা (এম. আই.এল) বিষয় লৈ স্নাতক হৈছে আৰু যোগ্যতা অনুযায়ী দেশৰ বিভিন্ন ঠাইত চাকৰি কৰি জীৱিকা নিৰ্বাহ কৰি আছে। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আশানুৰূপ নোহোৱাত মেজৰ খোলা হোৱা নাই, অদূৰ ভৱিষ্যতে হ'ব এনে আশা কৰিব পাৰো। প্ৰসঙ্গত স্মৰণীয় বাংলা বিভাগৰ অধ্যাপকে অসমীয়া 'মেজৰ' আৰু স্নাতকোত্তৰ বিভাগতো পাঠদান কৰি আহিছে।

ড° ৰমেন কুমাৰ ৰায়, এম.এ. (ত্ৰিপল)
পি. এইচ. ডি. কাব্যতীৰ্থ
মুৰব্বী অধ্যাপক

# বুৰঞ্জী বিভাগ

১৯৫১ চনৰ চেপ্তেম্বৰ মাহত যি কেইটা বিভাগেৰে মঙলদৈ চহৰত এখনি "ইণ্টাৰমিডিয়েট আৰ্টচ কলেজ"ৰ জয়যাত্ৰা আৰম্ভ হৈছিল, সেইকেইটাৰ ভিতৰত বুৰঞ্জী বিভাগ অন্যতম। অতি কম সময়ৰ ভিতৰত যথেষ্ট খৰখেদাকৈ আৰম্ভ কৰিবলৈ লোৱা হেতুকে বাতৰি কাকতত বিজ্ঞাপন দি অধ্যক্ষ, প্ৰৱক্তা আদি নিযুক্তি দিয়াৰ সলনি স্থানীয় ভাৱে হাততে ঢুকি পোৱা লোকসকলেৰেই কলেজখনৰ শিক্ষাদান কাৰ্য্য আৰম্ভ কৰা হৈছিল। বুৰঞ্জী বিষয়টো শিকোৱাৰ কাৰণে আগবাঢ়ি আহিছিল মঙলদৈ চৰকাৰী হাইস্কুলৰ কৃতী শিক্ষক (পিচলৈ প্ৰধান শিক্ষক) স্বৰ্গীয় বক্‌দুল আলী, বি.এ.বি.টি দেৱে। বক্‌দুল আলী ডাঙৰীয়াই পাৰ্ছী আৰু বুৰঞ্জী দুয়োটা বিষয়কে শিকোৱাৰ দায়িত্ব গ্ৰহণ কৰিছিল আৰু প্ৰায় এবছৰৰো বেছি সময়ৰ বাবে এই অস্থায়ী পদত আছিল।

১৯৫২ চনৰ দ্বিতীয়াৰ্দ্ধত শ্ৰীগজেন্দ্ৰ নাথ ঠাকুৰীয়াই প্ৰথমগৰাকী অৰ্হতাসম্পন্ন প্ৰৱক্তা হিচাপে নিযুক্তি লাভ কৰে আৰু ২য় বাৰ্ষিক শ্ৰেণীৰ বাছনি পৰীক্ষাৰ আগে আগে মঙলদৈ মহাবিদ্যালয়ত যোগদান কৰে। তেখেতে এই মহাবিদ্যালয়ত প্ৰায় ন বছৰ কাল (১৯৫২-'৬১) থাকি মিৰ্জাৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়লৈ অধ্যক্ষ হিচাপে নিযুক্তি লাভ কৰিএই মহাবিদ্যালয়ৰ পৰা অব্যাহতিলৈ গুছি যায়। শ্ৰীগজেন্দ্ৰ নাথ ঠাকুৰীয়াই ১৯৫৮ চনৰ পৰা ১৯৬১ চনলৈ প্ৰায় তিনিবছৰকাল মঙলদৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল।

শ্ৰীগজেন্দ্ৰ নাথ ঠাকুৰীয়া মঙলদৈ মহাবিদ্যালয়ৰ পৰা গুছি যোৱাৰ প্ৰায় এবছৰ আগতেই ১৯৬০ চনৰ দ্বিতীয়াৰ্দ্ধত উজনি অসমৰ গোলাঘাট চহৰৰ ড° দিপ্তী প্ৰসাদ বৰুৱা দেৱে এই মহাবিদ্যালয়ত দ্বিতীয় গৰাকী অৰ্হতা সম্পন্ন প্ৰৱক্তা হিচাপে যোগদান কৰে। ড° বৰুৱাদেৱে ১৯৫৯ চনত বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী বিষয়ত সুখ্যাতিৰে এম.এ. পাছ কৰি প্ৰায় এবছৰ কাল লুচাই পাহাৰ জিলাৰ (বৰ্ত্তমান মিজোৰাম) আইজল মহাবিদ্যালয়ত প্ৰৱক্তা হিচাপে আছিল। ১৯৬০ চনত বুৰঞ্জী বিষয়ৰ প্ৰৱক্তা হিচাপে যোগদান কৰি ১৯৬১ চনত বিভাগটোৰ মুৰব্বী হিচাপে দায়িত্ব গ্ৰহণ কৰে আৰু ১৯৯৬ চনত আৰসৰ গ্ৰহণ কৰাৰ সময়লৈকে ড° বৰুৱা দেৱে মঙলদৈ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগটোৰ লগত ওতঃপ্ৰোতঃ ভাৱে জড়িত হৈ থাকে। প্ৰকৃত পক্ষে এই বিভাগটোক সুন্দৰভাৱে গঢ় দিয়া খনিকৰজন আছিল ড° বৰুৱাদেৱেই। ড° বৰুৱাই ইংৰাজী বিষয়তো সুখ্যাতিৰে এম. এ. পাছ কৰে আৰু ১৯৮০ চনৰ ফেব্ৰুৱাৰী মাহত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা "Community Development and Panchayati Raj in Darrang District" শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে পি. এইচ ডি. ডিগ্ৰী লাভ কৰে। ড° বৰুৱা দেৱেই সৰ্ব্বপ্ৰথম মঙলদৈ মহাবিদ্যালয়লৈ এই সন্মান কঢ়িয়াই আনে। ১৯৯২ চনৰ পৰা ১৯৯৬ চনত অৱসৰ গ্ৰহণ কৰাৰ সময়লৈকে মহাবিদ্যালয়ৰ উপাধ্যক্ষ হিচাপেও ড° বৰুৱা দেৱে কাৰ্য্যনিৰ্বাহ কৰিছিল।

১৯৬২ চনত বুৰঞ্জী বিভাগলৈ তৃতীয় গৰাকী প্ৰৱক্তা হিচাপে আহে শ্ৰীদেৱেশ চন্দ্ৰ নন্দী। শ্ৰীনন্দী মঙলদৈ মহাবিদ্যালয়ৰ এজন প্ৰাক্তন ছাত্ৰ। ১৯৬২ চনৰ পৰা ১৯৯৬ চনৰ জানুৱাৰী মাহত অৱসৰ গ্ৰহণ কৰাৰ সময়লৈ তেখেত এই বিভাগটোৰ লগত নিবিড় ভাৱে জড়িত হৈ পৰিছিল আৰু এগৰাকী নিষ্ঠাবান প্ৰৱক্তা হিচাপে ছাত্ৰ-ছাত্ৰী তথা শিক্ষক সকলৰ মাজত পৰিচিত হৈ পৰিছিল। ১৯৬৩ চনৰ পৰা ১৯৮৭ চনলৈ তেখেত মঙলদৈ মহাবিদ্যালয়ৰ National Cadet Corps (N.C.C.) বাহিনীটোৰ কেপ্তেইন কামাণ্ডাৰ হিচাপেও দায়িত্ব বহন কৰিছিল আৰু এই বাহিনীটোক শৃংখলাবদ্ধভাৱে আগুৱাই নিয়াত সক্ষম হৈছিল।

১৯৬৪ চনত ড° অমিয়া দেৱীয়ে মঙলদৈ মহাবিদ্যালয়ত বুৰঞ্জী বিভাগৰ প্ৰৱক্তা হিচাপে যোগ দিয়ে আৰু ২০০০ চনৰ জুলাই মাহ পৰ্যন্ত প্ৰায় ছয়ত্ৰিশ বছৰ অতি নিষ্ঠা আৰু একাগ্ৰতাৰে শিক্ষাদান কাৰ্যত ব্ৰতী হয়। ড° দেৱী মঙলদৈ মহাবিদ্যালয়ৰে এগৰাকী প্ৰক্তন ছাত্ৰী। ১৯৮৭ চনত ড° দেৱীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা "Assam Under King Rudrasingh: A Critical Study" নামৰ গৱেষণা গ্ৰন্থৰ বাবে পি.এইচ.ডি. ডিগ্ৰী লাভ কৰে। ১৯৯৮ চনৰ পৰা ২০০০ চনৰ জুলাই মাহলৈ ড° অমিয়া দেৱী মহাবিদ্যালয় খনিৰ উপাধ্যক্ষ হিচাপেও দায়িত্ব বহন কৰিছিল আৰু ১৯৯৯ চনৰ এপ্ৰিল মাহৰ পৰা অৱসৰৰ সময়লৈকে মহাবিদ্যালয়খনিৰ ভাৰপ্ৰাপ্ত অধ্যক্ষাও আছিল।

মঙলদৈ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ বৰ্তমানৰ মুৰব্বী, উপাধ্যক্ষ তথা ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামীয়ে ১৯৬৮ চনত এই মহাবিদ্যালয়ত প্ৰৱক্তা হিচাপে যোগদান কৰে। ড° গোস্বামী এই মহাবিদ্যালয়ৰে এজন প্ৰাক্তন ছাত্ৰ (১৯৬০-'৬৪)। এগৰাকী নিষ্ঠাবান শিক্ষক ড° গোস্বামীয়ে ১৯৯৬ চনত বিভাগটোৰ মুৰব্বী হিচাপে দায়িত্ব লয় আৰু অতি নিষ্ঠাৰে এই দায়িত্ব পালন কৰি আহিছে। ২০০০ চনৰ অগষ্ট মাহত ড° গোস্বামীয়ে মহাবিদ্যালয়খনৰ উপাধ্যক্ষ হিচাপে নিযুক্তি পায় আৰু ২০০১ চনৰ মে মাহৰ পৰা অধ্যক্ষ হিচাপেও দক্ষতাৰে কাৰ্য্যনিৰ্বাহ কৰি আছে। ১৯৮৫ চনত ড° গোস্বামীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা "Rabhas : A Sociological Study" নামৰ গৱেষণা গ্ৰন্থৰ বাবে পি.এইচ.ডি ডিগ্ৰী লাভ কৰে। ড° গোস্বামীৰ উপৰিও বুৰঞ্জী বিভাগটোত বৰ্তমানে চাৰিগৰাকী প্ৰৱক্তা আছে। তেওঁলোক হ'ল ঃ শ্ৰীমতী সংগীতা গগৈ বৰুৱা, শ্ৰীপ্ৰমোদ চন্দ্ৰ শৰ্মা, শ্ৰীমৃদুল ডেকা আৰু শ্ৰীধ্ৰুৱ জ্যোতি শৰ্মা (অস্থায়ী)। শ্ৰীৰাহুল মজুমদাৰ নামেৰে প্ৰৱক্তা এজনেও দুবছৰমান এই মহাবিদ্যালয়ত সেৱা আগবঢ়াইছিল; যদিও পিচলৈ তেওঁ গুৱাহাটীৰ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়লৈ গুছি যায়গৈ।

এই খিনিতে উল্লেখ কৰিব পাৰি যে ১৯৯৪-'৯৫ চনৰ শিক্ষাবৰ্ষৰ পৰা ৩০ জন ছাত্ৰ-ছাত্ৰীৰ কাৰণে বুৰঞ্জী বিভাগটোত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ে অনুমতি দিয়ে। ফলস্বৰূপে মঙলদৈ মহাবিদ্যালয়ত এই বিভাগতেই পোন প্ৰথমে স্নাতকোত্তৰ শ্ৰেণীৰ পাঠদান কাৰ্য্য আৰম্ভ হয়। ১৯৯৫-'৯৬ চনৰ শিক্ষাবৰ্ষৰ পৰা অসমীয়া বিভাগতো স্নাতকোত্তৰ শ্ৰেণী খোলাৰ অনুমতি মঙলদৈ মহাবিদ্যালয়ে লাভ কৰে; যদিও যোৱা বছৰৰ পৰা (২০০১-২০০২) যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী নথকাত বুৰঞ্জী বিষয়ত স্নাতকোত্তৰ পাঠদান কাৰ্য্য বন্ধ ৰখা হয়। অৱশ্যে অসমীয়া বিষয়ত Semester System ৰ জৰিয়তে স্নাতকোত্তৰ শ্ৰেণীৰ পাঠদান কাৰ্য্য সুন্দৰভাৱে চলি আছে।

মঙলদৈ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ বহুতো মেধাবী ছাত্ৰ-ছাত্ৰী সুখ্যাতিৰে উত্তীৰ্ণ হৈ বিভিন্ন ক্ষেত্ৰত সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। ১৯৬৬ চনত এই মহাবিদ্যালয়ত চাৰিজন ছাত্ৰৰ তিনিবছৰীয়া বি. এ. ডিগ্ৰীৰ সন্মান (Honours) পাঠ্যক্ৰম আৰম্ভ কৰা হৈছিল আৰু তেওঁলোকৰ ভিতৰৰে তিনিওজনে ১৯৬৯ চনত সুখ্যাতিৰে বি. এ. পাছ কৰে। এই তিনিওজনৰে এজন শ্ৰীগোপাল শৰ্মা বৰ্ত্তমান ভাৰতীয় ষ্টেট বেংকৰ (State Bank of India) এজন জ্যেষ্ঠ প্ৰশাসনিক বিষয়া। মঙলদৈ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগে বহুকেইজন সুদক্ষ প্ৰশাসক, মহাবিদ্যালয়ৰ প্ৰৱক্তা, ৰাজনৈতিক নেতা, সমাজকৰ্মী তথা খেলুৱৈ উপহাৰ দিবলৈ সক্ষম হৈছে। অসম চৰকাৰৰ বৰ্ত্তমানৰ দুগৰাকী জ্যেষ্ঠ প্ৰশাসনিক বিষয়া শ্ৰীকৰুণা কান্ত ৰাজখোৱা আৰু শ্ৰীভূদেৱ বসুমতাৰী এই বিভাগৰে প্ৰাক্তন ছাত্ৰ আছিল। মঙলদৈ লোকসভা সমষ্টিৰ বৰ্তমানৰ সাংসদ শ্ৰীমাধৱ ৰাজবংশীও এই মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ এজন প্ৰাক্তন ছাত্ৰ।

বৰ্তমান মঙলদৈ মহাবিদ্যালয়ত পয়ত্ৰিশ জন ছাত্ৰ-ছাত্ৰীৰ বাবে Major পাঠ্যক্ৰমৰ সুবিধা আছে।

ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামী
মুৰব্বী অধ্যাপক

# ভূগোল বিজ্ঞান বিভাগ

১৯৫১ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে মঙলদৈ মহাবিদ্যালয়ৰ শুভাৰম্ভ হৈছিল যদিও তেতিয়াই এই মহাবিদ্যালয়ত ভূগোল বিজ্ঞান বিষয়ৰ সূচনা হোৱা নাছিল। এই বিষয়টো অবিহনেই মহাবিদ্যালয়ে আঠ বছৰ কাল অতিক্ৰম কৰাৰ পিছত ১৯৫৯ চনত মাননীয় এন. কে. দাসগুপ্ত দেৱৰ নিযুক্তিৰে ইণ্টাৰমিডিয়েট পাঠ্যক্ৰমত বাণিজ্যিক ভূগোলৰ পাঠ আৰম্ভ হয়। কিন্তু ১৯৬০ চনত তেখেতে উন্নত সংস্থান পাই গুচি যোৱাৰ পিছত মাননীয় অধ্যক্ষ পুৰন্দৰ শৰ্মা দেৱে নিজেই ১৯৬০-৬১ শিক্ষাবৰ্ষৰ batch টোৰ পাঠদান কাৰ্য সম্পন্ন কৰিবলগীয়া হৈছিল। তাৰ পিছত ১৯৬২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে

ইণ্টাৰমিডিয়েট পাঠ্যক্ৰম উঠাই দিয়াৰ লগে লগেই বাণিজ্যিক ভূগোলৰ অন্ত পৰে। অৱশ্যে ১৯৬৩ চনত মহাবিদ্যালয় পৰিচালনা সমিতিয়ে ভূগোল বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত বিষয়টো অন্তৰ্ভূক্ত কৰে আৰু উত্তৰ প্ৰদেশৰ সীতাপুৰ নিবাসী শ্ৰীযুত মদনলাল চতুৰ্বেদী দেৱক শিক্ষক নিযুক্তি দিয়ে। শ্ৰদ্ধেয় চতুৰ্বেদী দেৱৰ দক্ষ পৰিচালনাত ভূগোল বিষয়টোৱে মহাবিদ্যালয়ত খুব কম দিনৰ ভিতৰতেই ঠন ধৰি উঠিবলৈ ধৰিলে। সেয়ে ১৯৬৫ চনৰ আৰম্ভণিতেই দ্বিতীয়জন শিক্ষক শ্ৰীযুত গিৰীশ চন্দ্ৰ গোস্বামী দেৱৰ নিযুক্তি হ'ল আৰু ১৯৬৬ চনত শ্ৰীযুত লোকেশ্বৰ নাথ দেৱৰ নিযুক্তি হোৱাত তেতিয়ালৈ মুঠ তিনিজন শিক্ষকে ভূগোল বিভাগৰ 'pass' পাঠ্যক্ৰম সুকলমে চলাই আছিল। উল্লেখযোগ্য যে, পৰৱৰ্ত্তী কলত দুয়োজন শিক্ষক শ্ৰীযুত গোস্বামী দেৱ আৰু শ্ৰীযুত নাথদেৱে মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসন সুশোভিত কৰি মহাবিদ্যালয়ৰ পৰা সু-খ্যাতিৰে অৱসৰ গ্ৰহণ কৰে। ১৯৭১ চনলৈ ভূগোল বিভাগে সুখ্যাতি অৰ্জন কৰি থকাৰ বাবেই ১৯৭২ চনত তেতিয়াৰ অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক মাননীয় শ্ৰীযুত প্ৰবোধ চন্দ্ৰ গোস্বামী মহোদয়ৰ উদ্যোগত মহাবিদ্যালয় পৰিচালনা সমিতিয়ে ভূগোল বিষয়ত 'সন্মান' পাঠ্যক্ৰমৰ সূচনা কৰে। সেই বছৰৰেই ফেব্ৰুৱাৰী মাহত ভূগোল বিভাগত চতুৰ্থজন শিক্ষক হিচাপে এই লেখকৰ নিযুক্তি হয়। উল্লেখ থাকে যে, ১৯৬৮ চনত এই লেখক এই মহাবিদ্যালয়ৰ পৰাই স্নাতক হয়। উক্ত চাৰিজন শিক্ষকৰ সুদক্ষ পৰিচালনাতেই ১৯৭৫ চনত বিভাগৰ সন্মান পাঠ্যক্ৰমৰ প্ৰথম batch টোৰ ৮ জনে পৰীক্ষা দিয়ে। গোটেই কেইজনেই সুখ্যাতিৰে সন্মান সহ স্নাতক উপাধি লবলৈ সক্ষম হয়। বৰ্ত্তমানে ভূগোল বিভাগৰ চিলেক্‌চন গ্ৰেড শিক্ষক শ্ৰীমতি ৰাম মেধিয়ে প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান দখল কৰাৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১৯৭৫ চনৰ কলা বিভাগৰ 'Best Graduate' হিচাপে অকল মহাবিদ্যালয়লৈকেই নহয় গোটেই দৰং জিলালৈ খ্যাতি কঢ়িয়াই আনে। সেই বছৰ বাকী ৭ জন ছাত্ৰই দ্বিতীয় শ্ৰেণী লাভ কৰে।

উল্লেখযোগ্য যে, ১৯৭৬ চনৰ ফেব্ৰুৱাৰী মাহৰ ২৯ তাৰিখে উত্তৰ পূৰ-ভাৰত ভূগোল সংস্থাৰ পঞ্চম দ্বি-বাৰ্ষিক অধিবেশনখন এই মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যায়। স্নাতক পৰীক্ষাৰ ফলাফল অত্যন্ত ভাল হোৱা বাবে মহাবিদ্যালয়ত বিষয়টোৰ চাহিদা বাঢ়ি আহিল আৰু সেই অনুক্ৰমে ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও যথেষ্ট পৰিমাণে বাঢ়িব ধৰিলে। চাৰিজন শিক্ষকে 'pass' আৰু 'major' পাঠ্যক্ৰম দুয়োটা পঢ়ুৱাত যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱাৰ লগতে বিশ্ববিদ্যালয়ৰ নিয়ম অনুসৰিও শিক্ষকৰ সংখ্যা বঢ়াবলগীয়া হ'ল। সেয়ে ১৯৭৫ চনৰ মাজভাগত শ্ৰীযাদৱ চন্দ্ৰ নাথ আৰু ১৯৭৬ চনৰ জুলাই মাহত শ্ৰীবিচিত্ৰ কুমাৰ মেধিক শিক্ষক নিযুক্তি দিয়ে।

১৯৮১ চনত বিভাগৰ মুৰব্বী শিক্ষক শ্ৰীযুত চতুৰ্বেদী মহোদয় মহাবিদ্যালয় এৰি উত্তৰ প্ৰদেশৰ নিজ ঠাইত উন্নত সংস্থান পাই গুচি যোৱাত উক্ত মুৰব্বী শিক্ষকৰ পদটি শ্ৰীযুত গোস্বামী মহোদয়ে অলংকৃত কৰে। তেখেতে এই মহাবিদ্যালয়ৰ অধ্যক্ষ হোৱাৰ আগদিনালৈ অৰ্থাৎ ২০০০ চনৰ জুলাই মাহৰ ৩১ তাৰিখলৈ মুৰব্বী হিচাপে দায়িত্বত থাকি বিভাগটোক সফল নেতৃত্ব দি যায়।

১৯৮১ চনৰ অক্টোবৰ মাহত শ্ৰীযুত চতুৰ্বেদী মহোদয় গুচি যোৱাত খালি হোৱা পদত শ্ৰীমতি ৰাম মেধিয়ে নিযুক্তি লাভ কৰে।

নব্বৈৰ দশকৰ প্ৰথমাৰ্দ্ধত বিভাগটোৰ শিক্ষক সকলৰ মাজত এক নতুন বিদ্যায়তনিক উন্নতিৰ বাতাবৰণৰ সৃষ্টি হয়। পোন প্ৰথমে ১৯৮৩ চনত শ্ৰীযুত লোকেশ্বৰ নাথদেৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম. ফিল পাঠ্যক্ৰম সম্পূৰ্ণ কৰি এই উপাধি লাভ কৰে। (গৱেষণা পত্ৰৰ বিষয়- "Growth and Development of Peasant Agriculture in Mongaldoi Region")। আকৌ ১৯৮৪ চনত সেই একে বিশ্ববিদ্যালয়ৰ পৰাই শ্ৰীযুত গিৰীশ চন্দ্ৰ গোস্বামী দেৱে (গৱেষণা পত্ৰৰ বিষয়- "Social Geography of Tribal people of Drrang District") আৰু শ্ৰীমতিৰাম মেধিয়ে (গৱেষণাৰ বিষয়- "Mangaldai Twon : A study in Urban Social Geography") এম. ফিল. উপাধি লাভ কৰে। একেদৰে এই লেখকো ১৯৮৬ চনত (গৱেষণা পত্ৰৰ বিষয়- "Socio-Economic Structure of Rural Mangaldai Thana Area-A Geographical Analysis") এম. ফিল. উপাধিৰ বাবে যোগ্য বিবেচিত হয়। সেই একে বাতাৱৰণৰ ওপৰত সঙ্গতি ৰাখিয়েই ১৯৯৪ চনত শ্ৰীযুত লোকেশ্বৰ নাথ দেৱে "Inter Community Variation in Agricultural Land Occupance in Drrang District- A Geographical Analysis" বিষয়ত আৰু শ্ৰীযুত যাদৱ চন্দ্ৰ নাথ দেৱে "The spatial Distribution

of Settlements in Sipajhar Region of Drrang District, Assam" বিষয়ত গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰি মঙলদৈ মহাবিদ্যালয়ৰ শিক্ষাগত দিশত অৰিহণা যোগায়। তাৰ কেইবছৰমান পিছত ১৯৯৯ চনত শ্ৰীযুত গোস্বামীদেৱেও "Tribal and Non Tribal Population of Drrang District, Assam- A social Geographical study" বিষয়ত গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰে। বিশেষভাৱে উল্লেখযোগ্য যে ওপৰোক্ত তিনিও গৰাকী শিক্ষকেই মহাবিদ্যালয়ৰ পৰা কোনো ছুটি নোলোৱাকৈ নিয়মীয়া পাঠদান কাৰ্য্য সুচাৰুৰূপে চলাই ডক্টৰেট উপাধি লাভ কৰি মহাবিদ্যালয়ত এক দৃষ্টান্ত ৰাখিবলৈ সক্ষম হয়। আনহাতে ১৯৯৩ চনতেই বিভাগটোৱে "মৌচুমী" নামৰ এখন প্ৰাচীৰ পত্ৰিকাৰো সম্পাদনাৰ ব্যৱস্থা গ্ৰহণ কৰে। তাৰোপৰি, উত্তৰ পূব ভাৰত ভূগোল সংস্থাৰ অংশ হিচাপে বিভাগৰ তৰফৰ পৰা এখন সমিতি গঠন কৰি প্ৰত্যেক বছৰে মহাবিদ্যালয়ৰ ভূগোল বিভাগত আৰু কেতিয়াবা অন্যান্য ওচৰ-চুবুৰীয়া মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত জনপ্ৰিয় বক্তৃতাৰো ব্যৱস্থা কৰি থকা হৈছে।

বিভাগৰ অৱশ্যেক অনুযায়ী ১৯৯৬ চনৰ আগষ্ট মাহত এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ শ্ৰীমান হৰিমন ডেকাই আৰু ১৯৯৮ চনৰ জুলাই মাহত শ্ৰীমান পবিত্ৰ কুমাৰ নাথে বিভাগৰ নিয়মীয়া শিক্ষক হিচাপে নিযুক্তি লাভ কৰে। বৰ্ত্তমান সপ্তমজন শিক্ষক শ্ৰীমুকুট শৰ্মাই ২০০১ চনৰ নবেম্বৰ মাহত মহাবিদ্যালয়ত যোগদান কৰে।

বিভাগৰ আৰম্ভণিৰে পৰাই প্ৰত্যেক জন শিক্ষকৰ প্ৰচেষ্টাত এতিয়ালৈকে মুঠ ২৮ জন ছাত্ৰ-ছাত্ৰীয়ে ১ম শ্ৰেণী পায় আৰু তেওঁলোকৰ ৪ জন ছাত্ৰই ১ম শ্ৰেণীৰ ১ম স্থান লাভ কৰিবলৈ সক্ষম হয়। তেওঁলোক ক্ৰমে- শ্ৰীমতিৰাম মেধি, শ্ৰীজৈনুদ্দিন আহমেদ, শ্ৰীকিৰন্ময় শৰ্মা (বিজ্ঞান শাখা), আৰু শ্ৰীজয়ন্ত শৰ্মা। ইয়াৰোপৰি বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে দ্বিতীয় বিভাগ লাভ কৰে। বৰ্ত্তমান তেওঁলোকে বিভিন্ন চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ যোগেদি দেশ-সেৱা কৰি মহাবিদ্যালয়ৰ নাম-যশ বিয়পাই আছে। উল্লেখযোগ্য যে, বিভাগৰ এই সুনামৰ বাবেই সুদূৰ আৰুণাচল, তিনিচুকীয়া, ডিব্ৰুগড় আদি ঠাইৰ পৰা আহিও ভূগোল বিষয়ত 'মেজৰ' পাঠ্যক্ৰম অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰী আমি পাই আছোঁ। বিভাগৰ এইবোৰ গৌৰৱোজ্জ্বল দিশৰ বাবেই ২০০২ চনৰ চেপ্তেম্বৰ মাহৰ ২১ আৰু ২২ তাৰিখে মহাবিদ্যালয় সোনালী জয়ন্তী উদ্‌যাপন সমিতিৰ উদ্যোগত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৃষ্ঠপোষকতাত ভূগোল বিভাগৰ দ্বাৰা "ফলক বিৱৰ্তন" (Plate Tectonic Some Recent Thinking) শীৰ্ষক অতি উচ্চমানৰ আলোচনা চক্ৰ এখনি অনুষ্ঠিত হৈ যায়। উত্তৰ-পূৰ্বাঞ্চলৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ পৰা ৬০ জন শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ শিক্ষাৰ সৌষ্ঠৱ দুগুনে বঢ়ায়। ভৱিষ্যতে মহাবিদ্যালয়ৰ ভূগোল বিভাগে আৰু উন্নতি কৰি মহাবিদ্যালয়ৰ লগতে এই পিছপৰা অঞ্চলটোৰ বৌদ্ধিক দিশত অৰিহণা যোগাওঁক- এই কামনাৰে।

শ্ৰীকৃষ্ণ কান্ত শইকীয়া
বিভাগীয় মুৰব্বী

# ৰসায়ন বিভাগ

১৯৬৭-৬৮ শিক্ষাবৰ্ষত মঙলদৈ মহাবিদ্যালয়ত বিজ্ঞান শাখা (প্ৰাক্‌বিদ্যালয়, PU) আৰম্ভ হোৱাৰ লগে লগে বিজ্ঞানৰ এক অবিছিন্ন অংগ ৰসায়ন বিজ্ঞানৰো পাঠদানৰ পাতনি মেলা হয়। ৰসায়ন বিজ্ঞানৰ শিক্ষকৰ অভাৱ হোৱা হেতুকে ভূগোল বিভাগৰ প্ৰৱক্তা শ্ৰীগিৰীশ চন্দ্ৰ গোস্বামী (বৰ্ত্তমান ড° গোস্বামী দেৱ মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ) দেৱে এই বিষয়ৰ পাঠদানৰ শুভাৰম্ভ কৰে। ১৯৭২ চনত মহাবিদ্যালয়ৰ বিজ্ঞান শাখাক চৰকাৰৰ চিঠি নং G(A) AC/15/69/ 250 dt 24-12-75 মৰ্মে (১৯৭২ চনৰ ডিচেম্বৰ মাহৰ পৰা প্ৰযোজ্য হোৱাকৈ) ঘাটি মঞ্জুৰী প্ৰাপ্ত ব্যৱস্থাত অন্তৰ্ভূক্ত কৰা

হয়। অধ্যক্ষ প্ৰয়াত আব্দুল মজিদদেৱৰ সক্ৰিয় ভূমিকাত মহাবিদ্যালয়খনে ১৯৭৮ চনত ৰসায়নক সন্মান বিষয় (বৰ্ত্তমান মুখ্য বিষয়) হিচাপে অন্তৰ্ভূক্ত কৰাৰ সুযোগ পায়। বৰ্ত্তমান বিভাগটোত মুঠ সাতগৰাকী প্ৰৱক্তা, এগৰাকী প্ৰদৰ্শক (Demonstrator) আৰু তিনিগৰাকী বাহকে সফলতাৰে সেৱা আগবঢ়াই আছে। সন্মানসহ ৰসায়ন বিষয় লৈ উত্তীৰ্ণ হোৱা এই বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে আজি সমাজৰ বিভিন্ন দায়িত্বপূৰ্ণ পদত সফলতাৰে কাৰ্য নিৰ্বাহ কৰি আছে। ইয়াৰ ভিতৰত ন্যায়িক দণ্ডাধীশ, অধিবক্তা, প্ৰৱক্তা, বিষয় শিক্ষক, গৱেষক, বেংক বিষয়া, ব্যৱসায়ী আদিয়ে প্ৰধান। ৰসায়ন শিক্ষাৰ উপৰিও বিভাগটোৱে বিভিন্ন সামাজিক সেৱাও আগবঢ়োৱাৰ দৃষ্টান্ত পোৱা যায়।

**বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী সকল ঃ-**

১) শ্ৰীনৰেন্দ্ৰ কুমাৰ সিং এম. এছ. চি. বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী হিচাপে তেখেতে ১৯৬৭ চনত যোগদান কৰি সুদীৰ্ঘ ৩১ বছৰ কাল ৰসায়ন শিক্ষাত ব্ৰতী হয় আৰু বিভাগটোক বিভিন্ন প্ৰকাৰে গঢ় দিয়ে। সু-স্বাস্থ্যৰ অধিকাৰী আৰু মিষ্টভাষী শ্ৰীসিং ১৯৯৮ চনত অৱসৰ লয় আৰু এই গধুৰ দায়িত্ব বহন কৰে বৰ্ত্তমানৰ মুৰব্বী শ্ৰীচাজ্জাদুৰ ৰহমানে।

২) শ্ৰীজয় চন্দ্ৰ শৰ্মা, এম. এছ. চি- শ্ৰীসিংৰ সৈতে ১৯৬৭ চনত নিৰ্দেশক হিচাবে নিযুক্তি পায় শ্ৰীশৰ্মাদেৱে। পৰীক্ষাগাৰত তেখেতৰ দক্ষতাপূৰ্ণ নিৰ্দেশনাত ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট উপকৃত হৈছে।

৩) ড° জয়কান্ত শৰ্মা, এম. এছ. চি., পি. এইচ. ডি.-প্ৰৱক্তা হিচাবে ড° শৰ্মা ১৯৬৯ চনত যোগদান কৰে যদিও কেৱল এবছৰ কাল শিক্ষাদান কৰিয়ে তেখেতে গুৱাহাটীৰ আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ত যোগদান কৰেগৈ।

৪) শ্ৰীচাজ্জাদুৰ ৰহমান, এম. এছ. চি.- শ্ৰীৰহমান ১৯৭০ চনত এই বিভাগত যোগদান কৰে আৰু অতি কমসময়ৰ ভিতৰতে ছাত্ৰ-ছাত্ৰীৰ প্ৰিয়পাত্ৰ হ'বলৈ সক্ষম হয়। ১৯৯৮ চনত প্ৰতিষ্ঠাপক মুৰব্বী শ্ৰীসিঙে অৱসৰ লোৱাৰ পিছত শ্ৰীৰহমানে বিভাগৰ সকলো দায়িত্ব গ্ৰহণ কৰে।

৫) শ্ৰীঅনিল চন্দ্ৰ শৰ্মা, এম. এছ. চি.- ১৯৭১ শ্ৰীশৰ্মাই প্ৰৱক্তা হিচাপে যোগদান কৰাৰ পিছত বিভাগটোৱে প্ৰাণ পাই উঠে। বিষয় বস্তুৰ ওপৰত দখল থকা শ্ৰীশৰ্মাই মহাবিদ্যালয়খনৰ "সোণালী জয়ন্তী উদ্‌যাপন সমিতি"ৰ যুটীয়া সম্পাদকৰ অতিৰিক্ত দায়িত্বটো নিয়াৰিকৈ পালন কৰি আছে।

৬) শ্ৰীমতী সুনন্দা চক্ৰৱৰ্ত্তী, এম. এছ. চি.- ১৯৭২ চনত শ্ৰীযুত জয়চন্দ্ৰ শৰ্মাই উচ্চ শিক্ষাৰ বাবে ছুটীলৈ যোৱাৰ পিছত সৃষ্টি হোৱা ৰিক্ত স্থান পূৰ্ণ কৰে শ্ৰীমতী চক্ৰৱৰ্ত্তীয়ে।

৭) শ্ৰীমতী দিপালী চহৰীয়া, এম.এছ.চি- ১৯৭৮ চনত ৰসায়নক সন্মান বিষয় হিচাপে অন্তৰ্ভূক্ত কৰা কালত শ্ৰীমতী চহৰীয়াই বিভাগত প্ৰৱক্তা হিচাপে নিযুক্তি লাভ কৰে।

৮) শ্ৰীহেমকান্ত নাথ, এম. এছ. চি-১৯৭৮ চনত প্ৰায় এবছৰৰ বাবে বিভাগত শিক্ষকতা কৰা শ্ৰীনাথ অসম প্ৰশাসনিক সেৱা পৰীক্ষাত উত্তীৰ্ণ হৈ অসম সমবায় সমিতি লিমিটেডৰ সহকাৰী পঞ্জীয়ক হিচাপে নিযুক্তি লাভ কৰে।

৯) শ্ৰীমতী জুৰি দেৱী, এম.এছ.চি- ১৯৭৯ চনত শ্ৰীমতী দেৱীয়ে অস্থায়ীভাৱে প্ৰৱক্তা হিচাপে নিযুক্তি পায় যদিও কেৱল এবছৰমান শিক্ষকতা কৰে।

১০) শ্ৰীবুদ্ধেশ্বৰ শৰ্মা, বি.এছ.চি- ১৯৭৯-৮০ শিক্ষাবৰ্ষত অস্থায়ীভাৱে শ্ৰীবুদ্ধেশ্বৰ শৰ্মাই পৰীক্ষাগাৰ নিৰ্দেশকৰ দায়িত্ব গ্ৰহণ কৰে আৰু ১৯৮২ চনলৈ সেই দায়িত্ব পালন কৰে। বৰ্ত্তমান শ্ৰীশৰ্মাই ভাৰতীয় ষ্টেট বেংক, মঙলদৈ শাখাত এগৰাকী সহঃ বিষয়া।

১১) ড° হৰি প্ৰসাদ শৰ্মা, এম.এছ.চি., পি.এইচ.ডি.- ১৯৮১ চনত ড° হৰি প্ৰসাদ শৰ্মাই বিভাগত প্ৰৱক্তা হিচাপে যোগদান কৰে যদিও এবছৰমান পিছত তেখেতে লক্ষীমপুৰ মহাবিদ্যালয়ত শিক্ষকতা আৰম্ভ কৰে।

১২) শ্ৰীনিৰঞ্জন শৰ্মা, এম.এছ.ছি., এম.ফিল.- শ্ৰীশৰ্মাই ১৯৮৪ চনত বিভাগত যোগদান কৰে। ১৯৯২ চনত তেখেতে পৰিৱেশ বিজ্ঞানত এম. ফিল. উপাধি লয়। বৰ্ত্তমানে তেখেতে সু-খ্যাতিৰে পাঠদান কৰি আছে।

১৩) শ্ৰীমতী আখতাৰা হুছেইন, এম.এছ.চি.- ১৯৯৫ চনত প্ৰৱক্তা হিচাবে যোগদান কৰা শ্ৰীমতী হুছেইন সকলো ছাত্ৰ-ছাত্ৰীৰ প্ৰিয় শিক্ষায়ত্ৰীৰূপে পৰিচিত হয়। কিন্তু ব্যক্তিগত কাৰণত তেখেতে কেৱল ৮ মাহ পিছত পদত্যাগ কৰে।

১৪) শ্ৰীঅতুল প্ৰসাদ শিক্‌দাৰ, এম.এছ.চি.- শ্ৰীমতী হুছেইনে পদত্যাগ কৰাৰ ফলত সৃষ্টি হোৱা খালীপদত যোগদান

কৰে শ্ৰীশিক্‌দাৰে। ১৯৯৬ চনত প্ৰৱক্তা হিচাপে যোগদান কৰি বিভাগীয় মুৰব্বী তথা আন শিক্ষক-শিক্ষয়িত্ৰীৰ অনুপ্ৰেৰণাত শ্ৰীশিক্‌দাৰে বিভাগটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতিযোগিতামূলক মনোভাৱৰ সৃষ্টি কৰাত সহায় কৰে। শ্ৰীশিক্‌দাৰৰ অগ্ৰণী ভূমিকাৰ ফলতেই বিভাগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আলোচনাচক্ৰ, গোট পৰীক্ষা, প্ৰাচীৰ পত্ৰিকা প্ৰকাশ আদি বৰ্ত্তমানলৈও নিয়মিত ভাৱে চলি আছে। NET আৰু GATE পৰীক্ষাত উত্তীৰ্ণ শ্ৰীশিক্‌দাৰ বৰ্ত্তমানে শিক্ষকতাৰ লগতে গৱেষণাৰ কামতো মনোনিবেশ কৰি আছে।

১৫) শ্ৰীকমলা কান্ত বৰা, এম.এছ.চি.- ১৯৯৮ চনত প্ৰতিষ্ঠাপক মুৰব্বী শ্ৰীসিঙে অৱসৰ লোৱাৰ পিছত সৃষ্টি হোৱা ৰিক্ত স্থান পূৰ্ণ কৰে শ্ৰীবৰাই। NET আৰু GATE পৰীক্ষাত উত্তীৰ্ণ শ্ৰীবৰাই বিভাগত যোগদান কৰাৰ পিছত বিভাগটোৱে পূৰ্ণতা লাভ কৰে। ছাত্ৰ-ছাত্ৰীৰ প্ৰিয় শিক্ষকৰূপে পৰিগণিত হোৱা শ্ৰীবৰাই শিক্ষকতাৰ উপৰিও গবেষণাৰ কামতো জড়িত হৈছে আৰু বিভাগৰ সকলো কামতে সক্ৰিয় সহযোগিতা আগবঢ়াই আছে।

১৬) শ্বাহ মহঃ নাছেৰ-উল-ইছলাম, এম.এছ.চি.- ২০০০ চনত ইছলামদেৱে বিভাগত প্ৰৱক্তা হিচাপে যোগদান কৰে আৰু বিভাগৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীৰ প্ৰিয়পাত্ৰ হ'বলৈ সক্ষম হয়।

**বিভাগৰ বাহক সকল ঃ-**

১) শ্ৰীখগেন ডেকা- শ্ৰীডেকাই ১৯৬৭ চনত বিভাগত যোগদান কৰে আৰু বৰ্ত্তমানলৈ তেখেতে বাহকৰ গধুৰ দায়িত্ব পালন কৰি আছে।

২) শ্ৰীপ্ৰসন্ন শৰ্মা- ইং ১৯৬৭ চনত বিভাগত যোগদান কৰে।

৩) শ্ৰীনৌছদ আলী- ইং ১৯৭৯ চনত বিভাগত যোগদান কৰে।

**বিভাগৰ দ্বাৰা সামাজিক সেৱা ঃ**

১৯৭৪ চনৰ পৰা ১৯৭৭ চনলৈ গ্ৰাম্য অঞ্চলৰ লোকৰ বাবে খেতিৰ মাটিৰ গুণাগুণ পৰীক্ষা কৰা এটি পৰীক্ষাগাৰ বিভাগত খোলা হয় আৰু দৰং জিলাৰ বিভিন্ন অঞ্চলৰ লোক ইয়াৰ পৰা উপকৃত হয়। এই ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰে বিভাগীয় মুৰব্বী শ্ৰীসিং আৰু শ্ৰীৰহমান প্ৰমূখ্যে আন শিক্ষকসকলে।

**বিভাগৰ দ্বাৰা আয়োজিত প্ৰদৰ্শনী/আলোচনা চক্ৰ ঃ** মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ লগত সংগতি ৰাখি ৰসায়ন বিভাগে ১৯৭৬ চনত এক আকৰ্ষণীয় প্ৰদৰ্শনীৰ আয়োজন কৰে আৰু ৰসায়নৰ সৰু-বৰ জটিল কথাবোৰ এই প্ৰদৰ্শনীৰ জৰিয়তে স্কুলীয়া ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলে সহজে বুজি পাবলৈ সক্ষম হয়। মহাবিদ্যালয়ত সোণালী জয়ন্তীৰ লগত সংগতি ৰাখি বিভাগে ২০০২ চনত "খাদ্য উপকৰণ- ইয়াৰ প্ৰয়োজনীয়তা আৰু অপকাৰিতা"ৰ ওপৰত এখনি জনপ্ৰিয় তথা আকৰ্ষণীয় আলোচনা চক্ৰ অনুষ্ঠিত কৰে। পাৰদৰ্শী ব্যক্তি হিচাপে যোগদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰসায়ন বিভাগৰ অধ্যাপক শৈৱাল কান্তি ভট্টাচাৰ্য্যদেৱে।

**বিভাগৰ 'ৰসায়ন সমাজ' ঃ** ২০০০ চনত মুৰব্বী শ্ৰীৰহমানৰ সভাপতিত্বত 'ৰসায়ন সমাজ' নামেৰে বিভাগত এটি সংগঠনৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নিয়মিতভাৱে কুইজ, বক্তৃতা আদি প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। ৰসায়ন সমাজৰ দ্বাৰা "মলিকিউল (Molecule)" নামেৰে এখনি প্ৰাচীৰ পত্ৰিকা প্ৰতি ছমাহৰ মূৰে মূৰে নিয়মিত ভাৱে প্ৰকাশ কৰা হয়।

**বিভাগৰ পুথিভঁড়াল ঃ**

প্ৰতিবছৰে সংযোজিত হৈ থকা ৰাষ্ট্ৰীয় তথা আন্তঃ ৰাষ্ট্ৰীয় প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত বিভাগীয় পুথিভঁড়ালত বৰ্ত্তমান ৭৫ খন গ্ৰন্থ আছে।

**বিভাগৰ গৱেষণা ঃ**

১৯৯৯ চনত বিভাগৰ প্ৰৱক্তা শ্ৰীশিক্‌দাৰে এটি সৰু গৱেষণাগাৰৰ প্ৰতিষ্ঠা কৰে আৰু ২০০০ চনত বিশ্ববিদ্যালয় অনুদান আয়োগে শ্ৰীশিক্‌দাৰক এটি ক্ষুদ্ৰ গৱেষণাৰ কাম অৰ্পন কৰে। প্ৰকল্পটিৰ শিৰোনামা হৈছে- "Novel Ion-cachange Restin Supported Reagents in Organic Synthesis" গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক প্ৰনৱজ্যোতি দাসৰ তত্ত্বৱধানত

শ্ৰীশিক্দাৰে বৰ্তমানলৈ দুখন গৱেষণা পত্ৰ লিখি উলিয়াই আৰু ৰাষ্ট্ৰীয়/আন্তঃৰাষ্ট্ৰীয় ৰসায়ন আলোচনীলৈ প্ৰেৰণ কৰে।
(এই লিখনিটোত উল্লেখকৰা বিভিন্ন তথ্য-সমূহ বৰ্ত্তমান বিভাগৰ প্ৰবক্তা শ্ৰীঅতুল প্ৰসাদ চিকদাৰে সজাই দিছে)

চাজ্জাদুৰ ৰহমান
বিভাগীয় মুৰব্বী

# ৰাজনীতি বিজ্ঞান বিভাগ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম অনুযায়ী ১৯৫১ চনত স্থাপন হোৱা দিনৰে পৰা ১৯৬১ চনলৈ মঙলদৈ কলেজত ৰাজনীতি বিজ্ঞানৰ কিছু পাঠ অৰ্থনীতি বিজ্ঞানৰ পাঠ্যক্ৰমৰ ভিতৰত পঢ়ুৱা হৈছিল। বিশ্ববিদ্যালয়ৰ নতুন পাঠ্যক্ৰম অনুযায়ী ১৯৬২ চনত মঙলদৈ কলেজত ৰাজনীতি বিজ্ঞান নামেৰে এটা নতুন বিভাগ আৰম্ভ কৰা হয়। এই বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী অধ্যাপক আছিল মহঃ আব্দুল মজিদদেৱ। কেৰেলাৰ পৰা অহা ড° বেবী আব্ৰাহাম আছিল ৰাজনীতি বিজ্ঞান বিভাগৰ দ্বিতীয় গৰাকী অধ্যাপক।

**সন্মান পাঠ্যক্ৰম ঃ** ১৯৬৫-৬৬ বৰ্ষৰ পৰা ৰাজনীতি বিজ্ঞানত সন্মান (Honours) পাঠ্যক্ৰম আৰম্ভ কৰা হয়। প্ৰথম বৰ্ষত ৪ গৰাকী ছাত্ৰ-ছাত্ৰী আছিল। তাৰ ভিতৰত অধিবক্তা শ্ৰীযুত ৰাম চন্দ্ৰ সিং এম.এ; এল.এল.বি. আৰু শ্ৰীযুতা ৰুণু শইকীয়া দেৱী এম. এ. এল. এল. বি. উল্লেখযোগ্য। এই চ'ৰাৰ লিখক সন্মান পাঠ্যক্ৰমৰ তৃতীয় বৰ্ষৰ ছাত্ৰ আছিলো। বৰ্ত্তমান সন্মান পাঠ্যক্ৰমৰ নাম গুৱাহাটী বিশ্ববিদ্যালয়ে সলনি কৰি গুৰু (Major) পাঠ্যক্ৰম কৰিছে। ১৯৬৮ চনত প্ৰথম দলটোৱে সন্মান পাঠ্যক্ৰমৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ পিছৰে পৰা ২০০২ চনলৈ ৩৪ বছৰত প্ৰায় ১৬০০ জনৰো বেছি ছাত্ৰ-ছাত্ৰীয়ে ৰাজনীতি বিজ্ঞান বিভাগত গুৰু পাঠ্যক্ৰম সহ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈছে। ইয়াৰে কেইবাগৰাকী বিভিন্ন মহাবিদ্যালয়ত শিক্ষকতা কৰাৰ উপৰিও বহুতে উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক আৰু উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰি আছে। বহুকেইজনে প্ৰশাসনীয় বিষয়া হিচাপেও নিজৰ দক্ষতা প্ৰতিপন্ন কৰিব পাৰিছে।

**ৰাজনীতি বিজ্ঞান বিভাগৰ শিক্ষক-শিক্ষয়ত্ৰী সকল ঃ**

১৯৬২ চনত অধ্যাপক আব্দুল মজিদ দেৱক মুৰব্বী হিচাবে লৈ আৰম্ভ কৰা বিভাগটোত ড° বেবী আব্ৰাহাম দেৱে (১৯৬৭ চনলৈ) দ্বিতীয় শিক্ষক হিচাপে যোগদান কৰে। ১৯৬৪ চনত ড° নগেন্দ্ৰ নাথ শৰ্মাদেৱে যোগদান কৰি ৩১/৪/৯৮ তাৰিখে অৱসৰ গ্ৰহণ কৰে। ১৯৬৬ চনত শ্ৰীযুত ক্ষীতেশ্বৰ কোঁচ দেৱে এই বিভাগত যোগদান কৰি ৩১/৫/২০০০ তাৰিখে অৱসৰ গ্ৰহণ কৰে। ড° বেবী আব্ৰাহাম মানসিক ৰোগত আক্ৰান্ত হৈ কলেজ এৰি যোৱাত কেইমাহমানৰ বাবে শ্ৰীযুতা কণিকা দাসে শিক্ষয়িত্ৰী হিচাপে যোগদান কৰে আৰু ৯/৮/৭৭ তাৰিখে শ্ৰীযুত ৰাজেন্দ্ৰ নাথ বৰুৱা দেৱে স্থায়ী পদত শিক্ষক হিচাপে যোগদান কৰি ৩১/৩/৯৫ তাৰিখে অৱসৰ গ্ৰহণ কৰে। ১৯৭২ চনত ড° নগেন্দ্ৰ নাথ শৰ্মাদেৱে নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা বাবে লোৱা ছুটীৰ কালছোৱাত শ্ৰীযুতা ৰাধিকা বালা দেৱীয়ে শিক্ষয়িত্ৰী হিচাবে সেৱা আগবঢ়ায়। ১/৮/৭৭ তাৰিখে উপাধ্যক্ষ আব্দুল মজিদ দেৱে এই কলেজৰ অধ্যক্ষ হিচাপে যোগদান কৰা বাবে খালি হোৱা পদত ৭/১০/৭৭ তাৰিখে এই লিখকে শিক্ষক হিচাবে যোগদান কৰো। ১৯৭৮ চনত ড° নগেন্দ্ৰ নাথ শৰ্মাদেৱে কলাই গাওঁ বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ বিধায়ক হিচাবে নিৰ্বাচিত হোৱাত কেইমাহমানৰ বাবে শ্ৰীমতী কণিকা শৰ্মা বৰুৱাই শিক্ষয়িত্ৰী হিচাবে সেৱা আগবঢ়াই। পিছত শ্ৰীসাৰদা চহৰীয়া (এম. এ.এল.এল.বি.) দেৱে কিছুকাল শিক্ষক হিচাপে সেৱা আগবঢ়োৱাৰ পিছত বাকী থকা সময়চোৱাৰ বাবে শ্ৰীভৈৰৱ দাস (এম.এ.এল.এল.বি.) দেৱে কিছুকাল শিক্ষক হিচাবে

সেৱা আগবঢ়াই। ১৮ মাহৰ অন্তত সেই সময়ৰ বিধান সভা ভঙ্গ হোৱাত নগেন্দ্ৰ নাথ শৰ্মাদেৱে পুনৰ চাকৰিত যোগদান কৰাত ভৈৰৱ দাস দেৱক অব্যাহতি দিয়া হয়। ১৯৯৪ চনৰ এপ্ৰিল মাহত এই লিখক অসম কলেজ শিক্ষক সংস্থাৰ সাধাৰণ সম্পাদক হিচাবে নিৰ্বাচিত হোৱাত আৰু ৩১/৩/১৯৯৫ তাৰিখে ৰাজেন্দ্ৰ নাথ বৰুৱাদেৱৰ অৱসৰ গ্ৰহণৰ পিছত স্থায়ী ভিত্তিত শিক্ষক নিযুক্তি নোহোৱা বাবে শ্ৰেণীত পাঠদানৰ জোৰা মাৰিবৰ বাবে অস্থায়ী ভাৱে শ্ৰীমতী ভাৰতী গোস্বামীক শিক্ষয়িত্ৰী হিচাবে নিযুক্তি দিয়ে। শ্ৰীমতী গোস্বামীয়ে প্ৰায় দুবছৰ কাল সেৱা আগবঢ়ায়। শ্ৰীযুত বৰুৱাদেৱৰ অৱসৰৰ বাবে খালী হোৱা পদত ১৮/৬/৯৫ তাৰিখৰ পৰা ড° ৰাধিকা বালা দেৱীয়ে শিক্ষয়িত্ৰী হিচাবে সেৱা আগবঢ়ায় আহিছে। ড° নগেন্দ্ৰ নাথ শৰ্মা দেৱৰ অৱসৰৰ ফলত খালী হোৱা পদত ৩০/১২/২০০০ তাৰিখৰ পৰা শ্ৰীইচ্ছা ৰাম নাথ শিক্ষক হিচাপে সেৱা আগবঢ়ায় আহিছে। ১৯৯৯-২০০০ বৰ্যত কেইমাহমানৰ বাবে শ্ৰীযুত ফুলেন চহৰীয়াই অস্থায়ী ভিত্তিত সেৱা আগবঢ়াইছিল। ৩১/৫/২০০০ তাৰিখে শ্ৰীক্ষীতেশ্বৰ কোঁচ দেৱে অৱসৰ গ্ৰহণ কৰাৰ পিছত বৰ্তমানলৈ স্থায়ী পদত কোনো শিক্ষকৰ নিযুক্তি দিয়া হোৱা নাই। সম্পূৰ্ণ অস্থায়ী ভিত্তিত ৪/৯/২০০০ তাৰিখৰ পৰা শ্ৰীপ্ৰফুল্ল শৰ্মাই শিক্ষক হিচাবে সেৱা আগবঢ়াই আহিছে।

**বিভাগীয় মুৰব্বী সকল ঃ**

মহঃ আব্দুল মজিদ এম.এ.এল.এল.বি- ১৯৬২ চনত বিভাগটো আৰম্ভ হোৱাৰ দিনৰে পৰা ৩১/৬/৭৭ তাৰিখলৈ অধ্যক্ষ আব্দুল মজিদ দেৱে বিভাগীয় মুৰব্বী অধ্যাপক হিচাপে দায়িত্ব বহন কৰিছিল।

ড° নগেন্দ্ৰ নাথ শৰ্মা এম.এ., এম.ফিল, পি. এইচ.ডি-১/৭/৭৭ তাৰিখৰ পৰা ৭৮ চনৰ ফেব্ৰুৱাৰীলৈ আৰু ১৯৭৯ চনৰ পৰা ৩০/৪/৯৮ তাৰিখলৈ।

শ্ৰীযুত ক্ষীতেশ্বৰ কোঁচ এম.এ., বি.টি, এল.এল.বি.- ১৯৭৮ চনৰ ফেব্ৰুৱাৰীৰ পৰা ১৯৭৯ চনৰ আগষ্ট মাহলৈ (ড° নগেন্দ্ৰ নাথ শৰ্মাদেৱ বিধায়ক হিচাবে নিৰ্বাচিত হোৱা সময়ত লোৱা ছুটীৰ সময়ছোৱাত) আৰু ১/৫/৯৮ তাৰিখৰ পৰা ৩১/৫/২০০০ তাৰিখলৈ।

শ্ৰীৰমণী কান্ত চহৰীয়া এম.এ.- ১/৬/২০০০ তাৰিখৰ পৰা বৰ্তমানলৈ।

ৰাজনীতি বিজ্ঞান বিভাগত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ ঃ-

মঙলদৈ কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগত স্নাতকোত্তৰ শ্ৰেণী ১৯৯৭-৯৮ বৰ্ষৰ পৰা সম্পূৰ্ণ প্ৰাইভেটকৈ আৰম্ভ কৰা হৈছিল যদিও গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ শ্ৰেণী খোলাৰ বাবে যাবতীয় অনুমতি নোপোৱা বাবে ২০০১-২০০২ বৰ্ষৰ পৰা এই স্নাতকোত্তৰ শ্ৰেণীত পাঠদান বন্ধ কৰা হয়।

শ্ৰীৰমণী কান্ত চহৰীয়া
মুৰব্বী অধ্যাপক

# সংস্কৃত বিভাগ

১৯৫১ চনৰ ২১ চেপ্তেম্বৰত মঙলদৈ মহাবিদ্যালয়ৰ পাঠদানৰ শুভাৰম্ভ কৰা বিষয় কেইটাৰ ভিতৰত সংস্কৃত বিষয়টোও আছিল আৰু পাঠদান কৰিছিল শ্ৰদ্ধাৰ ধৰ্মনাথ শাস্ত্ৰীদেৱে। কেইমাহমান যোৱাৰ পিছত অৱশ্যে সদাশিৱ চক্ৰৱৰ্তী (১৯৫২-৫৭) অৰ্হতা সম্পন্ন প্ৰবক্তা হিচাপে নিয়োজিত হৈছিল। কিছুমান বিশেষ অসুবিধাৰ বাবে ১৯৬৭ চনলৈ এই বিভাগটো বন্ধ হৈ থাকে যদিও ১৯৬৭ চনত পুনৰ মুকলি হৈছিল আৰু পাঠদান কৰিছিল শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মা শাস্ত্ৰীদেৱে (এম.এ)।

১৯৬৮ চনত স্নাতক মহলাতো সাধাৰণ পাঠ্যক্ৰম আৰম্ভ কৰা হৈছিল। ১৯৭২ চনত শ্ৰীবসন্ত কুমাৰ গোস্বামীদেৱে (এম.এ) দ্বিতীয়গৰাকী প্ৰবক্তা হিচাপে নিযুক্তি লাভ কৰিছিল। ইয়াৰ পিছত ১৯৮৯ চনত তেতিয়াৰ মুৰব্বী অধ্যাপক শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মা শাস্ত্ৰীদেৱে অৱসৰ গ্ৰহণ কৰাত ক্ৰমে শ্ৰীভাৰতী কলিতাই (১৯৯১-৯৬) আৰু শ্ৰীৰুণিমা শৰ্মাই (১৯৯৭-২০০০) শিক্ষাদান কৰিছিল।

ইয়াৰ উপৰিও কিছুদিনৰ বাবে শ্ৰীমতী ৰেখাৰাণী কটকী আৰু শ্ৰীসুবোধ চন্দ্ৰ ভাগৱতীয়ে এই বিভাগতে অধ্যাপনা কৰি গৈছে। বৰ্ত্তমানৰ বঙালী বিভাগৰ মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ ডঃ ৰমেন ৰায় মহোদয়ে এই বিভাগতো যথা শক্তি অধ্যাপনা কাৰ্য্যত নিয়োজিত হৈ আছে।

ছাত্ৰ-ছাত্ৰৰ কৃতকাৰ্যতাৰ মাপকাঠি হিচাবে প্ৰথমবাৰ শ্ৰীমতী মনালিচা দেৱীয়ে সংস্কৃত মুখ্য বিষয় হিচাবে লৈ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হয়। প্ৰথম শ্ৰেণী পোৱা সকল শ্ৰীমতী জুৰিমণি ডেকা, শ্ৰীপ্ৰদীশা শৰ্মা আৰু এই বছৰত প্ৰথম শ্ৰেণী (৩য় স্থান) লাভ কৰিছে শ্ৰীমতী গীতাঞ্জলী ঠাকুৰীয়াই।

পৰিশিষ্টাংশত, সোণালী জয়ন্তীৰ শুভ-বৰ্ষত আলোচনা তথা বক্তৃতাত অংশ লবলৈ দুগৰাকী কৃতী ব্যক্তিক আমন্ত্ৰণ কৰি অনা হৈছিল। তেওঁলোক হ'ল- ডঃ আশোক কুমাৰ গোস্বামী আৰু ডঃ ৰাজেন্দ্ৰ নাথ শৰ্মা।

বৰ্ত্তমান এই বিভাগটোত নিয়মিতভাৱে শিক্ষাদান কৰা শিক্ষক তিনিগৰাকী হ'ল-

শ্ৰীবিজয় চন্দ্ৰ গোস্বামী (মুৰব্বী অধ্যাপক)।

শ্ৰীগগেন কাকতি আৰু শ্ৰীৰঞ্জণ চক্ৰৱৰ্ত্তী।

শ্ৰীবিজয় চন্দ্ৰ গোস্বামী
মুৰব্বী অধ্যাপক

# DEPARTMENT OF EDUCATION

It was during the time of vetern principal Sri Probodh Ch. Goswami same time in the year of 1971, the Faculty of Education was instituted under the pioneering Lecturer Dr. Suchitra Kakati. But she left the college and joined her new assignment in the same capacity in Pragjyotishpur College in Guwahati towards the end of 1971. Then Lecturer Mr. Jagannath Sarmah, B. Sc., M. A., B.Ed. joined this college in 1972 and took the responsibility of Headship of the department of Education, Mangaldai College.

Again towards the beginning of 1972 i.e. in the month of March Dr. H.C. Deka joined as a lecturer in the Department. Gradually the new faculty had gained wide popularity among the students. At a time the department had morning, day and night shift classes. Since 1972 to 1992 both lecturer Sarmah and Deka served this department with their benevolence and utmost sincerely.

It was only in 1992, the department widened its wings by introducing Major Classes in T.D.C. level. The result of Major students are uniformly brilliant. Since 1992 three students have been able to secure 1st class in T.D.C. part -II examination and there is every hope of getting 1st class by two of our students this year also.

It is a great pleasure to mention that lecturer Miss. Kunjalata Baruah, who was a student of this department, could secure 1st class 1st position with Gold Medal for the session 1998/99 in the Master's degree examination of Guwahati University.

It was during the principalship of Dr. Lokeswar Nath, the department could raised its head by having a seperate department with a well equiped laboratory of its own.

In the jubilee year of 2003, i/c, Principal Dr. H.K. Goswami also had extended a financial help of purchasing laboratory instruments and to raise a Departmental library. The new instruments and books worth of Rs.44,908.00 (Fourty four thousand Nine hundred eight only) have been purchased. The Department has on Education instituted in the year of 1993 under the able guidance of Dr. H.C. Deka. Every year, the Association organizes Seminars, Discussions, Get-together and educational tours for the co-caricular development of the students.

The present structure of the staff pattern of the department is as under :-

Lecturer :

1. Dr. H.C. Deka, M.A., Ph.D., L.L.B.
   Head of the Department.
2. Mrs. Babita Sarmah, M.A.
3. Mrs. Usha Rani Deka, M.A.
4. Miss. Kunjalata Baruah, M.A., B.Ed.

Bearer :

**Dr. H.C. Deka**
Head of the Deptt of Education


এলবামত মঙলদৈ মহাবিদ্যালয়

# অসমীয়া বিভাগ



বহি ঃ ডিম্বেশ্বৰ বৰুৱা (বিভাগীয় মুৰব্বী) ড০ বিজয় কুমাৰ শৰ্মা
থিয় হৈ ঃ ৰূপজ্যোতি বৰুৱা, সৰযুপ্ৰিয়া দেৱী, বনানি চক্ৰৱৰ্তী, বৰ্নালী কলিতা

# অৰ্থনীতি বিভাগ



উমেশ শৰ্মা, পৰেশ কুমাৰ শৰ্মা (বিভাগীয় মুৰব্বী),
চন্দ্ৰমা গোস্বামী, সন্তোষ বৰকাকতি

# আৰবী বিভাগ



আবুল কাছেম, আছেৰুদ্দিন, জামালুদ্দিন আহমেদ (বিভাগীয় মুৰব্বী)

# ইংৰাজী বিভাগ



ৰূপাৰাণী ভূঞা, ড০ নীহাৰ ৰঞ্জন মিশ্ৰ (বিভাগীয় মুৰব্বী), মণিমুগ্ধ বৰঠাকুৰ, ৰুণজুন দেৱী

# উদ্ভিদ বিজ্ঞান বিভাগ



বহি ঃ শচীন্দ্ৰ চহৰীয়া, কুমুদ চন্দ্ৰ শৰ্মা, ড০ আমানুল হক, ভাস্কৰমল্ল বুজৰ বৰুৱা, ড০ খগেন কুমাৰ নাথ, প্লাবিতা পাটোৱাৰী, ড০ প্ৰতিভা ডেকা
থিয় হৈ ঃ ভূবন চন্দ্ৰ শৰ্মা, মোজ্জামিল হুছেইন (সহায়ক)

# গণিত বিভাগ



কুঞ্জলতা বৰুৱা, দেবজিৎ নাথ, প্ৰফুল্ল বৰা (বিভাগীয় মুৰব্বী), ডিম্বেশ্বৰ কলিতা

# দৰ্শন বিভাগ




মঞ্জু কলিতা, ভূপেন হালৈ, প্ৰবীণ কুমাৰ বৰুৱা (বিভাগীয় মুৰব্বী), ৰুদ্ৰ কলিতা

# পদাৰ্থ বিজ্ঞান বিভাগ




ভবেশ নাৰায়ণ চৌধুৰী, ড০ ভূপেন তালুকদাৰ, বন্দনা গোস্বামী, দীপালি নেওগ (অৱসৰপ্ৰাপ্ত অধ্যাপিকা), ভূপেন্দ্ৰ নাথ কাকতি (বিভাগীয় মুৰব্বী), ড০ খলিলুৰ ৰহমান, নাৰায়ণ মুদৈ

# পৰিসংখ্যা বিভাগ



ৰমেশ কুমাৰ শৰ্মা, পুণ্য শৰ্মা (বিভাগীয় মুৰব্বী)
থিয় হৈ ঃ প্ৰণৱ কুমাৰ দাস, ৰঞ্জিতা গোস্বামী

# প্ৰাণীবিজ্ঞান বিভাগ



ৰাণু কলিতা চৌধুৰী (বিভাগীয় মুৰব্বী),
দীপাৱাণী দেৱী, লীনা শইকীয়া
থিয় হৈ ঃ সীমাজ্যোতি, বুদ্ধিন হাজৰিকা,
প্ৰণৱ কুমাৰ শৰ্মা, মিনতি শৰ্মা

# বাংলা বিভাগ



মৌচুমী কংস বণিক, ড০ ৰমেন কুমাৰ ৰায় (বিভাগীয় মুৰব্বী)

# বুৰঞ্জী বিভাগ



ধ্ৰুৱজ্যোতি শৰ্মা, প্ৰমোদ শৰ্মা, সংগীতা গগৈ, (বিভাগীয় মুৰব্বী), [illegible]ুল ডেকা



# ৰাজনীতি বিজ্ঞান বিভাগ

ড০ ৰাধিকা বালা দেৱী,
প্ৰফুল্ল শৰ্মা, ইচ্ছাৰাম নাথ,
ৰমণীকান্ত চহৰীয়া (বিভাগীয় মুৰব্বী)

# ভূগোল বিজ্ঞান বিভাগ



বিচিত্ৰ কুমাৰ মেধি, কৃষ্ণকান্ত শইকীয়া (বিভাগীয় মুৰব্বী), ড০ যাদৱ চন্দ্ৰ নাথ, মতিৰাম মেধি
থিয় হৈ ঃঃ পবিত্ৰ কুমাৰ নাথ, হৰিমন ডেকা, মুকুট শৰ্মা

# ৰসায়ন বিভাগ




কমলা বৰা, নিৰঞ্জন শৰ্মা, অনিল কুমাৰ শৰ্মা, ছাজ্জাদূৰ ৰহমান (বিভাগীয় মুৰব্বী),
দীপালি চহৰীয়া, জয় চন্দ্ৰ শৰ্মা, শ্বাহ মহঃ নেছাৰ-উল ইছলাম, অতুল প্ৰসাদ শিক্দাৰ

# সংস্কৃত বিভাগ



ৰঞ্জন চক্ৰৱৰ্তী,
বিজয় চন্দ্ৰ গোস্বামী (বিভাগীয় মুৰব্বী),
গগেন কাকতি

# শিক্ষা বিভাগ



বহি ঃ ড০ হৰিশ চন্দ্ৰ ডেকা (বিভাগীয় মুৰব্বী),
ববিতা শৰ্মা
থিয় হৈ ঃ মাখন শৰ্মা (সহায়ক),
কুঞ্জলতা বৰুৱা, উষাৰাণী ডেকা

# কৰ্ণধাৰ সমিতি

## সোণালী জয়ন্তী উদ্‌যাপন সমিতি, মঙলদৈ মহাবিদ্যালয়



শ্ৰীবসন্ত দাস
সভাপতি



ড০ হীৰেন্দ্ৰ কুমাৰ গোস্বামী
সচিব



শ্ৰীঅনিল চন্দ্ৰ শৰ্মা
যুটীয়া সচিব



ডাঃ জয়কান্ত চহৰীয়া
উপ সভাপতি



শ্ৰীলক্ষীকান্ত শইকীয়া
কাৰ্যকৰী সদস্য



ড০ আমানুল হক
কোষাধ্যক্ষ



ড০ হৰিশ চন্দ্ৰ ডেকা
আহবায়ক, বিত্ত উপসমিতি



শ্ৰীবন্দনা গোস্বামী
কাৰ্যালয় সম্পাদিকা



কাৰ্যকৰী সমিতি, মঙলদৈ মহাবিদ্যালয় সোণালী জয়ন্তী সমাৰোহ

# মহাবিদ্যালয় পৰিচালনা সমিতি, ২০০৩



বাওফালৰ পৰা : এচ. আৰ. বৰা (কৰ্মচাৰী প্ৰতিনিধি), এম. আৰ. মেধি (শিক্ষক প্ৰতিনিধি), ডাঃ জে. কে. চহৰীয়া (চৰকাৰৰ মনোনীত সদস্য),
ডাঃ আই. আলি (গু. বি. মনোনীত সদস্য), আৰ. দেৱী (চৰকাৰৰ মনোনীত সদস্য), বি. দাস (এম. এল. এ. সভাপতি),
এল. কে. শইকীয়া (চৰকাৰৰ মনোনীত সদস্য), ড০ এইচ. কে. গোস্বামী (ভাৰপ্ৰাপ্ত উপাধ্যক্ষ, সচিব), এম. ডেকা (দাতা সদস্য), এম. বৰঠাকুৰ (শিক্ষক প্ৰতিনিধ)

# মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ



বহি বাওফালৰ পৰা : এম ডেকা, এচ. ৰহমান, এ. ৰাজখোৱা, এ. চি. শৰ্মা, এম. শৰ্মা, জে. এ. এম. ইকবাল, জি. কে. বৰুৱা,
ড০ এইচ. কে. গোস্বামী (অধ্যক্ষ), অধ্যাপক এ. চি. শৰ্মা (সভাপতি ক. স.), এচ. বৰা, এইচ. শৰ্মা, কে. ডেকা, এ. মজিদ, দি. ডেকা, এইচ. কে. চহৰীয়া।
থিয় হৈ বাওফালৰ পৰা : বি. যাদৱ, জি. চি. বড়ো, এ. এন. ডেকা, দি. নাথ, পি. শৰ্মা, জি. শৰ্মা, এম. আলি,
এম. শৰ্মা, টি. আহমেদ, এচ. আহমেদ, বি. শৰ্মা, এন. আলি, এল. মহন্ত।

# স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি



শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মা
উপদেষ্টা



শ্ৰীধনপতি কলিতা
উপদেষ্টা



শ্ৰীজীৱন চন্দ্ৰ শৰ্মা
উপদেষ্টা



ডাঃ ৰমা বৰা
উপদেষ্টা



শ্ৰীপ্ৰভাত চৌধুৰী
উপদেষ্টা



ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ
উপদেষ্টা



শ্ৰীডিম্বেশ্বৰ বৰুৱা
উপদেষ্টা



শ্ৰীইদ্ৰিছ আলি
সভাপতি



শ্ৰীমতিৰাম মেধি
মুখ্য সম্পাদক



ড০ বিজয় কুমাৰ শৰ্মা
সম্পাদক



ড০ পৰমানন্দ ৰাজবংশী
সদস্য



ড০ কনক চন্দ্ৰ চহৰীয়া
সদস্য



শ্ৰীভূবন চন্দ্ৰ কলিতা
সদস্য



ড০ ৰাম চন্দ্ৰ ডেকা
সদস্য



শ্ৰীমণিমুগ্ধ বৰঠাকুৰ
সদস্য



শ্ৰীবনানি চক্ৰৱৰ্তী
সদস্যা

# মহিলা অধ্যয়ন আৰু গৱেষণা কোষ



(বাওঁফালৰ পৰা) বহি : আৰ. বৰুৱা, ড০ আৰ. বি. দেৱী, আৰ. দেৱী, এচ. গগৈ, আৰ. কে. চৌধুৰী, এম. কলিতা, ডি. চহৰীয়া, এল. শইকীয়া, ডি. আৰ. মিশ্ৰ।
থিয় হৈ : এচ. জ্যোতি, চি. গোস্বামী, বি. কলিতা, এচ. পি. দেৱী, বি. গোস্বামী, পি. পাটোৱাৰী, বি. চক্ৰৱৰ্তী, এম. কে. বনিক।

# মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০০২-২০০৩



(বাওঁফালৰ পৰা) বহি : কে. ৰাজবংশী (সহকাৰী সাধাৰণ সম্পাদক), এম. চি. বৰুৱা (সাধাৰণ সম্পাদক), ডি. শইকীয়া (উপ সভাপতি), এম. বৰুৱা (সঃ ব্যায়াম শালা), এম. পি. শইকীয়া (সঃ আলোচনী)।
থিয় হৈ : কে. হাজৰিকা (সহঃ খেল সম্পাদক), এচ. এন. নাথ (সঃ সুকুমাৰ কলা), এন. জে. বেগম (সঃ ছাত্ৰী জিৰণি কোঠা) পি. চহৰীয়া (সঃ খেল), এ. আলি (সঃ ছাত্ৰ জিৰণি কোঠা), এচ. বৰুৱা (সঃ সমাজ সেৱা), বি. কলিতা (সঃ তৰ্ক আৰু বক্তৃতা), ডি. কলিতা (সঃ সাহিত্য), বি. আহমেদ (সহঃ সাংস্কৃতিক সম্পাদক)।



মহাবিদ্যালয় ভৱনৰ একাংশ



মেৰামতি কৰি থকা অৱস্থাত মহাবিদ্যালয় ভৱনৰ একাংশ



প্ৰাণী বিজ্ঞান বিভাগ




উদ্ভিদ বিজ্ঞান বিভাগ



ৰসায়ন বিভাগ



সাংসদ পুঁজিৰ ধনেৰে
নিৰ্মিত মহাবিদ্যালয়ৰ সভাকক্ষ



নিৰ্মিয়মান অৱস্থাত বিজ্ঞান আৰু
চেমিনাৰ ভৱন



মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰ
সংলগ্ন নিৰ্মিয়মান অধ্যয়ন কোঠা

দাতা ঃ ডাঃ খনিন দত্ত
আৰু পৰিয়াল বৰ্গ



নিৰ্মিয়মান অৱস্থাত মহাবিদ্যালয়ৰ
মূল তোৰণ
(দাতা ঃ শ্ৰীনটবৰ চৰকাৰ)

নিৰ্মিয়মান অৱস্থাত
স্বৰ্গীয় পূৰ্ণ চন্দ্ৰ বৰা স্মৃতি তোৰণ
(দাতা ঃ ড০ ঊষা বৰা)





স্বৰ্গীয়া নাহাৰুণ নেচা স্মৃতি তোৰণ
(দাতাঃ অধ্যাপক তফজ্জুল আলিৰ
উদ্যোগত পৰিয়াল বৰ্গ)

মহাবিদ্যালয়ৰ বিশুদ্ধ খোৰা পানীৰ
আঁচনিৰ গভীৰ নলী-নাদ



## মঙলদৈ মহাবিদ্যালয়ৰ পৰা স্নাতক (কলা-বিজ্ঞান) সন্মান/মেজৰ পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পোৱা ছাত্ৰ-ছাত্ৰীসকল



**শ্ৰীমতিৰাম মেধি**
**ভূগোল, ১৯৭৫**



**শ্ৰীকনক চন্দ্ৰ চহৰীয়া**
**অসমীয়া, ১৯৮৮**



**মঃ জয়নুদ্দিন ইছলাম**
**ভূগোল, ১৯৯০**



**শ্ৰীকিৰণময় শৰ্মা**
**ভূগোল, ১৯৯২**



**শ্ৰীজয়ন্ত শৰ্মা**
**ভূগোল, ১৯৯৪**



**জোবাহীৰা তাবাচ্ছুম**
**প্ৰাণী বিজ্ঞান, ১৯৯৮**

গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ ক্ৰীড়া মহোৎসৱত স্বৰ্ণপদক বিজয়ী ছাত্ৰ ছাত্ৰীসকলৰ কেইজনমান



**শ্ৰীদাদুল চলিহা**
**সুকুমাৰ কলাত**
**১৯৮৯**



**শ্ৰীসীমান্ত কুসুম শৰ্মা**
**অভিনয় আৰু মুকাভিনয়ত**
**১৯৯১**



**শ্ৰীশেৱালী বড়ো**
**লং জাম্প আৰু শ্বট পুতত**
**১৯৯৯**



**শ্ৰীবিপুল চহৰীয়া**
**দৌৰ আৰু ৰিলে ৰেচত**
**১৯৯৯**



**শ্ৰীৰাজেন্দ্ৰ নাৰায়ণ দেৱ**
**হাৰ্ডল আৰু ৰিলে ৰেচত**
**১৯৯৯**



**শ্ৰীমৌচুমী ডেকা**
**অভিনয়ত**
**২০০২**



**শ্ৰীমৃত্যুঞ্জয় কুমাৰ দেৱ শৰ্মা**
**পোষ্টাৰ মেকিং আৰু**
**কলাজ'ত, ২০০২**



দিল্লীত অনুষ্ঠিত গণতন্ত্ৰ দিৱস আৰু প্ৰধান মন্ত্ৰীৰ ৰেলি কেম্পত
উত্তৰ-পূব ভাৰতৰ প্ৰতিনিধি হিচাপে মঙলদৈ মহাবিদ্যালয়ৰ
পৰা অংশ গ্ৰহণকাৰীসকল, ২০০২ :
বাওঁফালৰ পৰা : আমান দাৰুল ইছলাম,
হৰিমন ডেকা (ANO 2/Lt), সুজিত কুমাৰ মণ্ডল



শ্ৰীআশুতোষ চৌধুৰী
ৰাষ্ট্ৰীয় পৰ্যায়ৰ টেবুল টেনিচ প্ৰশিক্ষক



হেমন্ত কুমাৰ শৰ্মা
অভিনয়ত, ১৯৯২

গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ, পূব মণ্ডল আন্তঃ বিশ্ববিদ্যালয় যুৱ মহোৎসৱ, ৰাষ্ট্ৰীয় আন্তঃ বিশ্ববিদ্যালয় যুৱ মহোৎসৱত স্বৰ্ণ আৰু ৰূপৰ পদক বিজেতা মঙলদৈ মহাবিদ্যালয়ৰ নাট্য দলটি



**বাওঁফালৰ প্ৰথম শাৰী : ৰাজৰ্ষি ভৰদ্বাজ, বিশ্বজ্যোতি শৰ্মা, হেমন্ত কুমাৰ শৰ্মা (নাট পৰিচালক), ৰাজীৱ লোচন নাথ (সঙ্গীত পৰিচালক)**
**দ্বিতীয় শাৰী : কুমাৰেশ দত্ত, নৱনিতা ডেকা, ৰাতুল বৈশ্য**



# English Section

# Editorial

With the establishment of Mangaldai College in 1951 the door of higher education in Darrang district is opened with hopes and desire. The college came into being fifty two years back under the initiative and drive of late Amiya Bhushan Dasgupta I.A.S., the then Civil S.D.O. of Mangaldai Sub-Division and the enlightened people of the district. Subsequently the Govt. of Assam was pleased to include this college in Arts Section under the deficit system of grant with effect from 1962-1963. But science faculty was introduced in the year 1966-67. The institution having been started with sixty students, fifty two years back, has about two thousand five hundred students in its roll and eighty five teachers at present. Now it has gained the status of one of the beautiful colleges in Assam with charming environmental surroundings.

Mangaldai college has led the district towards many sided development by setting examples of hardwork for social development, offering scope for learning and producing men capable of undertaking nation-building activities from the beginning. Now the College has achieved a satisfactory stage of learning by the joint effort of the Govt. and the public which paves the way for making theirs institution an ideal one for higher education. The college had celebrated its Silver Jubilee in 1976 with pride and glory in a befitting manner.

Mangaldai College has completed 50th year in September, 20, 2001. Since then, the college has been celebrating Golden Jubilee with various programmes. The last phase of the programme commences on 6.12.03. The prospect and development of Mangaldai College has been delineated in the articles written by the Ex-principal late Purandan Sarma, Ex-principal Sri Prabodh Ch. Goswami, Sri Prabhat Ch. Sarma, Dr. Nagendra Nath Sarma and other contributors of this Golden Jubilee's Souvenir to highlight the past history of the college as well as the efforts made by the Govt. and the educationists of Mangaldai area.

We had to bring out the Souvenir within a very short period of time. We are handicapped mainly by the cost of printing and non-receipt of articles in time. So, we are very much thankful to the Chairman Sri Basanta Das, MLA, Dr. H.K. Goswami, Principal & Secretary, Prof. A.C. Sarma, Jt. Secretary, and Dr. A. Hoque, treasurer of the Golden Jubilee Celebration Committee, Mangaldai College who have extended their helping hands in bringing out the publication of the Souvenir by providing necessary funds and valuable suggestions.

We are also thankful to the Advisors, Chairman and other members of the Souvenir subcommittee for their help and co-operation in bringing out the Souvenir in time. We convey our especial thanks to Prof. M. Borthakur, Prof. D. Baruah, Prof. B.K. Medhi, and Sri Prof. S. Sahariah for their helpful works and suggestions and also to our students Sri D. Sahariah and M. Sahariah for preparation of manuscripts.

We express our thankfulness and gratitude to the contributors, for their valuable articles to the Souvenir, Further, we are especially indebted to those who have responded to our appeals for messages, good wishes and advertisement.

We are also thankful to our colleagues for their kind help and the proprietor and workers of the B.S. Publications, Zoo-Road Tiniali, Guwahati for their sincere co-operation in bringing out the souvenir in time.

We may kindly be excused for our omission and commission on our part in bringing out the Souvenir inspite of our sincere effort to avoid them. Lastly, we pray to God for glorious future of our beloved institution, Mangaldai College.

*LONG LIVE MANGALDAI COLLEGE*

Mangaldai
December 6, 2003

M.R. Medhi, Chief Editor
B.K. Sarma, Editor

# Mangaldai College : Past and Present

**Dr. H.K. Goswami**
Principal, I/C
Mangaldai College, Mangaldai



Established in 1951, in the beginning of the fifties of the last century, Mangaldai College is one of the first grade Colleges of Assam, having completed fifty two years of its glorious existence with significant contributions to the academic and cultural life of the State. It was through the pioneering and untiring efforts of late Amiya Busan Dasgupta, I.A.S., Sub-Divisional Officer (Civil) Mangaldai, a sensitive mind with a profound sense of social commitment, backed by the unstinted support and sympathetic concern of the leading citizens of Mangaldai, that the College came to be formally inaugurated on the 20th September, 1951. It was resolved by the Public of Mangaldai that the institution be named "Mangaldai Intermediate Arts College".

Recollecting the proceedings of the first public meeting held on 25.6.51 for the establishment of a College at Mangaldai, A.B. Dasgupta wrote: "..I, in my presidential speech told the meeting that it was quite within the range of possibility to have a College at Mangaldai and assured the meeting that I would present the people of Mangaldai with an Intermediate Arts College within that year. I set about the task of collecting funds, which was the first and foremost step towards the fulfilment of my promise. In this matter, I had the fullest co-operation of my official colleagues, the most enterprising and active being my senior E.A.C. Shri Sarat Chandra Barua, and some leading members of the public. We ran from one end of the Sub-Division to the other collecting funds and the response from the people was spontaneous. Within a short space of time, we collected a sizeable fund which paved a strong base for start of the College...." ("The Birth of Mangaldai College" complied by A.B. Dasgupta, I.A.S., Silver Jubilee Souvenir, 1976, P-12)

The first admission into Mangaldai Intermediate Arts College took place on September 10, 1951 and very soon the number of students increased to sixty including five girls in the first year I.A. class. No student was admitted in the second year class.

In the meantime, the new session had commenced and other Colleges of Assam started functioning in the usual way. Since

there was hardly any time to appoint regular teachers, a few lawyers of the Mangaldai Bar and two teachers of Mangaldai Government High School, volunteered to teach the subjects of their interest. Late Jiban Chandra Sarma, an office assistant of Mangaldai Local Board, came forward to look after the College office while the chair of the founder Principal was adorned by Late Purandar Sarma, M.A., B.L., a leading political personality and a lawyer, who served the College for long nine years as honorary Principal. The subjects taught in the infant institution were: English, Assamese, Bengali, Persian, Civics, History, Logic and Sanskrit.

The first batch appeared in the I.A. examination in 1953 and twelve students including one girl passed. The percentage of pass was 34.4. Three students passed in the first division another three in the second division and the rest in third division. Shri Siba Prasad Rajkhowa was one of the first batch students to secure first division. He became a lawyer after passing M.A., in English and LL.B. examination. Sri Rajkhowa joined the Assam Judicial Service. Later on, he was appointed as Judge of the Hon'ble Calcutta High Court. Another student of the same batch, Sri Tapeswar Sarma, joined the Assam Civil Service (A.C.S.) after passing B.A. examination. He served the Government of Assam in various capacities till his retirement as Director of "Char" Development, Govt. of Assam.

In 1953,the name of the College was changed from Mangaldai Intermediate Arts College to Mangaldai College. In the same year, the Governing Body of the College resolved to upgrade the College into a degree College. However, the resolution could not be materialized till 1959. It was only in 1969 that admission into the third year B.A. class took place.

On 1.3.56, the College was shifted to its own building at the present site, which is 2 k.m. away from the town towards the west. The Revenue Departmrnt, Government of Assam, alloted in 1953, a plot ofV.G.R. land measuring 50 bighas by the side of the North Trunk (now N.H. 52) Besides, the college received another 40 bighas of adjacent low land by the side of the Mangaldoi river from the Government.

In 1958, the Government od Assam sanctioned a monthly recuring grant of Rs. 1000.00(One thousand) only. This was the first Government aid for the College. In 1960, the College received affiliation of the Gauhati University up to B.A. level. Mangaldai College was brought under dificit grant-in-aid by the Government w.e.f. 1.4.1962. In 1965, Honours coursed were opened inAssamese and Political Science, Science stream was opened at the Pre-University level in 1966 and in the degree level in 1968. Mangaldai College was able to receive the first UGC grant in September, 1966.

Mangaldai College was a healthy seventeen year old institution when I joined the teaching staff of the College as a lecturer in History on october, 24, 1968. Shri Probodh Chandra Goswami M.A., B.T., was the principal (1966-77). No Principal ever gave more devoted and unstining service that Sri Goswami did. During his tenure, Silver Jubilee of the College was celebrated in December, 1976, in a befitting manner.

Starting from a very humble beginning in 1951, the College has grown into a full-fledged institution of higher learning with a staff strength of 128 (85 teaching staff and 43 support staff), the college offers almost all traditional courses in Arts and Science- seventeen at the Major level and one at the post graduate level. It caters to over 2200

students of which nearly 40 percent are girls.

The College has evolved into an active hub engaged in a number of extension activities. The Extension Education Cell of the College in collaboration with the State Instiuttite of Rural Development (SIRD) Assam, is organizing Motivation Camps among the students of the College for imparting guidance for self -employment schemes. Computer education has been introduced in the college in collaboration with TATA infotech. A women studies Research Cell has been established in the College to study the problems relating to women,. Besides, the College is going to start a center for empowerment of women where female students of the College are to be trained in various self-employment schemes.

There is a research culture amongst the teacher of the College. Twenty teachers of the college qualified for the degree of Doctor of Philosophy (Ph.D.) so far. Another fourteen teachers qualified for the Master of Philosophy (M. Phil) degree. Twelve teachers are currently engaged in research projects, of which, four are sponsored by the UGC.

The College is able to offer a rich variety of facilities to its students. Several co-curricular activities, extension work in various areas, sports and cultural programmes, an agricultural farm, fish ponds, College canteen and co-operative store., NCC (including a girls'wing) and NSS, make college life in Mangaldai College a pleasant and memorable experience for its alumni.

The greenery, the trees and the lawns of the College campus instil in every student of the College a feeling for nature and the environment.

Mangaldai College had completed 50th year on September 20, 2001. Since then, the College has been celebrating Golden Jubilee with various programmes. The first and the second phases have been completed successfully. The third and the last phase commences on 6.12.03.

The Mangaldai College Golden Jubilee Celebration Committee (MCGJCC) was formed in a public meeting held on 24.11.01 with Sri Basanta Das MLA as Chairperson, Dr. H.K. Goswami, Principal-in-charge of the College as Secretary, Sri A.C. Sarma M. Sc. as Joint Secretary and Dr. A. Hoque as Treasurer.

The MCGJCC, with the help of the public of Darrang district in general, and the staff and students of the College in particular, have left no stone unturned to make the Golden Jubilee of the College a grand success.

On the occasion of the Golden Jubilee, several political personalities, individuals and organisations have offered financial assistance, donations in cash and kind. The Mangaldai College fraternity would remain grateful to all of them.

*Long live Mangaldai College!*

# QUESTION OF DEVELOPMENT & EMPOWERMENT

*(A talk to Assamese Students in Delhi University)*

*31st January, 1998*

**Dr. Hiren Gohain**



One thing that worried Mahatma Gandhi most, and which worries thinking people now is the human costs of specialization and division of labour. While it has no doubt increased the level of skill, whether physical or mental, it has also led to the danger of blind specialization to the neglect of everything else. In the field of learning it either leads to the construction of self-enclosed systems of concepts that need no external checking and that proliferates at will. In the West there is a growing uneasiness regarding the problem. For example scientists have started wondering about what is called the "popular understanding of science", where the self-perception of science is placed against perception of it by the popular mind. That is a useful exercise in self-discipline, a safeguard against snobbery, and an insurance against the disasters of power attached to knowledge. But our academic elite are still so enchanted with knowledge, the main ideas of which are still being produced in the west, that such critical self-awareness is often confused with journalistic vulgarization.

Though knowledge always tends to universal generalizations it carries within it traces of its local context. Hence ideas born in western contexts are often inapplicable in the Eastern situations, or applicable with heavy costs. For example, the "big dams" that western science had conceived in efforts to control resources of nature in mega-projects resulted in Dniperstroy dam in the Soviet Union, the Aswan High Dam of Egypt, and the big dams of India. As Arundhoti Roy has demonstrated recently in India these, instead of uplifting the lot of the poor and marginalized, have pushed them over the brink of destitution into beggary or death-hundreds of thousands of them some cases. Overnight small farmers became landless labourers. It is not enough to say that such dams are products of inhuman modern science. Rather, this sort of scientific thinking is programmed to envisage interests of the affluent and powerful, and neglect the interests of the poor and the deprived. I think Arundhoti Roy in her articles has done a signal service by looking at the claims of modern technology with the eyes of its victims.

Now the question before us in Assam is what price development? Do, we as earnest and passionate students of modern science, technology and human engineering, promote

a kind of science that empowers the people through development? Or is it just development regardless of the fate of the common people resident in Assam? Are our sciences adapted to our needs, or do we believe that as people in the frontiers of learning we have no reason to look back at our laggard brethren? In that case, in our keen desire to apply science in our hunger for development, we may not notice whether these serve the interest of the common people.

Let me choose a few samples at random from the Focus: North East, a valuable publication of your group. Here is eminent journalist and author BG Verghese talking about opening up old transit routs for products of this region:

"When we talk of liberalization and globalization, we forget that the North East had perhaps one of the most globalised states-Assam. Tea, Oil, Coal etc. came down the Brahmaputra to Calcutta port and then to the world market. Thus, globalization was nothing new, but after partition it was isolated and cut off because of our poor relation with Bangladesh, Tibet and Myanmar".

The observation is just and correct. But it seems to miss one thing. The thriving economy of the North East in those days was of poor help to the common people in Assam who swelled the ranks of Congress volunteers agitating against British rule. Globalization even in those days served the imperialist powers more. And if today globalization is again advocated in terms of dismantling barriers to easy transmission of goods across international borders, we have to make sure that indigenous producers and traders really benefit from the step. And that cannot take place through unhindered freedom of market forces.

Consider again the problem of financing development in Assam where returns on investment may not be immediate and large. As Ajay Kumar, Deputy Secretary Home, has written:

'The credit deposit ratio for Assam is presently around 39 percent as against the All India figure of around 62 percent indicating large unutilized funds available with the banks". (Industrial Resurgence in Assam")

Now it is obvious that such funds are perhaps not lying unutilized in Assam. Rather they are being utilized elsewhere. And that is market logic. Unless the free market is supplemented or modified by other institutions and approaches, unless banks agree to act as mid-wife to regional development, the indigenous population is not likely to profit much from the existence of such resources.

Unemployment is the major economic problem for the people of Assam according to both scholarly studies and popular perception. Since government employment now appears wasteful and unproductive, self-employment schemes are the need of the hour.

But such schemes by their very existence cannot ensure success. According to Dr. Jayanta Madhav, many of these schemes are mired in corruption, and rate of recovery of loans under such schemes is 15-18 percent only. (Development Financing in North-East). The scandal is decades old and yet nothing can be done to remedy it under the present political system. Again according to the same expert the development financing institutions' share in the North-east is not more then half percent of the nationally sanctioned amount of Rs. 80,000 crores in 1997-98. Nor do they provide working capital to struggling entrepreneurs. Now what we are to do about this? Are we to accept this as a given fact or demand reform of rules and institutions? And how can such demands be concluded if the market logic dominates every economic

decision? If, however, decisions are taken at the political level centrally there may not be any noticeable improvement in the situation. The logical outcome is that the people who are to be beneficiaries must be able to control such decisions.

